প্ৰাণী জগতৰ ৰহস্য

ডিম্বেশ্বৰ চলিহা

ষ্টুডেণ্ট্‌চ এম্প'ৰিয়াম
ডিব্ৰুগড়

"PRANI JAGATOR RAHASHYA"—A book on many mysterious events of the Animal World, written by Dimbeswar Chaliha and published by Mrinal Kanti Bhattacharyya, Students' Emporium Dibrugarh First Edition—1990 Price Rupees Fourty only

প্ৰকাশক :
মৃণাল কান্তি ভট্টাচাৰ্য
ষ্টুডেণ্টচ এম্পৰিয়াম
ডিব্ৰুগড়

প্ৰথম প্ৰকাশ — ১৯৯০ চন

মূল্য : ৪০.০০ টকা

মুদ্ৰাকৰ :
শ্যামাচৰণ মুখোপাধ্যায়
কল্পনা প্ৰিণ্টাৰ্চ
১৩৮, বিধান সৰণী
কলিকাতা-৪

পূজনীয়া মাৰ

পবিত্ৰ স্মৃতিত

লেখকৰ একাষাৰ

প্ৰাণীজগতৰ প্ৰতিটো কথাই ৰহস্যপূৰ্ণ। আমাৰ দৰে সিহঁতৰ জীৱনো সুখ দুখ হাঁহি কান্দোনেৰে ভৰা। থকা খোৱাৰ সমস্যাও আমাৰ দৰে একেই। তথাপি সিহঁত আমাতকৈ অধিক ৰঙীয়াল অধিক সাহসী আৰু অধিক কৰ্মী। জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে কেনেকৈ সাহস আৰু কৌশলেৰে মুখা-মুখি হ'ব লাগে সিহঁতে জানে। নিয়মানুবৰ্ত্তিতা সিহঁতৰ চিৰলগৰীয়া। সিহঁতৰ সময়ৰ টিকনিডাল আগফালে।

প্ৰতিজাত প্ৰাণীৰ দেহৰ ৰং বিৰঙ খোজ-কাটল মাত কথা স্বভাৱ চৰিত্ৰৰ নিজ নিজ বৈশিষ্ট্য থাকে। প্ৰাণীৰ প্ৰেম প্ৰীতিৰ উদাহৰণ আমাৰ সমাজতেই বিৰল। ইহঁতৰ সামাজিক নীতি নিয়ম দেখিলেও তবধ মানিব লাগে। সমাজৰ নীতি উলংঘা কৰা জনে উপযুক্ত শাস্তি পায়। আমাৰ দৰে নৈতিকতাৰ অধঃপতনো প্ৰাণী সমাজত হোৱা নাই। প্ৰাণীৰ বুদ্ধি বৃত্তি আৰু ভাব-প্ৰকাশৰ কৌশলো মন কৰিব লগীয়া। ইহঁতৰ মাজতে আকৌ দুই এটা এনে সৰৱজানো আছে যি ভৱিষ্যতৰ কথা আগতীয়াকৈ কৈ দিব পাৰে। প্ৰাণীৰ পো-পোৱালী জগোৱাৰ কৌশল পোৱালীৰ লালন-পালন আৰু প্ৰশিক্ষণৰ প্ৰণালী আদি প্ৰতিটো কথাই কৌতূহলপূৰ্ণ।

প্ৰাণীজগতৰ নানাধৰণৰ বিচিত্ৰ আৰু কৌতূহলপূৰ্ণ জীৱনৰ দুই চাৰিটা কথা বুটলি আনিয়েই এই গ্ৰন্থখন যুগুতোৱা হৈছে। পাঠক সকলে গ্ৰন্থখন ভাল পোৱা বুলি জানিলে আনন্দ পাম। নতুবা গ্ৰন্থখনত থকা ভুল ভ্ৰান্তিখিনি কোনোবা সহৃদয় পাঠকে আঙুলিয়াই দিলেও পৰৱৰ্তী সংস্কৰণত তেনে ভুল শুধৰাবলৈ যত্ন কৰিম। গ্ৰন্থখনত সন্নিবিষ্ট কৰা ভালেমান চিত্ৰ আঁকি দিছে অভিযান্ত্ৰিক স্নাতক শ্ৰীমান ৰূপম জ্যোতি বৰাই। আমি এই সুযোগতে তেওঁলৈ শলাগ জনাইছো। চিত্ৰ প্ৰধান গ্ৰন্থ এখন প্ৰকাশ কৰিবলৈ আগবাঢ়ি অহাত শ্ৰীমৃণাল কান্তি ভট্টাচাৰ্য্যও আমাৰ ধন্যবাদৰ পাত্ৰ হৈ ৰ'ল।

সেউজপুৰ, ১৫ আগষ্ট ৯০। ডিম্বেশ্বৰ চলিহা
ডিব্ৰুগড়।

সূচীপত্ৰ

	বিষয়	পৃষ্ঠা
১	বনৰ বন্ধু	১
২	প্ৰকৃতিৰ ঘড়ী	১০
৩	প্ৰাণী সমাজত প্ৰেম-প্ৰীতি	২০
৪	প্ৰাণী সমাজৰ নীতি নিয়ম	৩৪
৫	প্ৰাণী সমাজত নৈতিকতা	৩৮
৬	প্ৰাণী সমাজত যুঁজ বাগৰ	৪৫
৭	প্ৰাণী সমাজত বুদ্ধিবৃত্তি	৫৪
৮	প্ৰাণীৰ অলৌকিক শক্তি	৬১
৯	প্ৰাণী সমাজত ভাব ভাষা	৬৫
১০	প্ৰাণীজগতত প্ৰজনন	৭০
১১	প্ৰাণীৰ অনুকূলন	৮০
১২	আদালতত জীৱ-জন্তু	৯৬
১৩	নানা প্ৰাণী নানা ৰং	১০২
১৪	প্ৰাণী জগতৰ ৰহস্য	১০৬
১৫	পোক-পতংগৰ বিচিত্ৰ জীৱন	১১৬
১৬	পোক-পতংগৰ গীত মাত	১২৯
১৭	প্ৰকৃতি জগতৰ ইঞ্জিনিয়াৰ—মকৰা—	১৩৪
১৮	উৰণীয়া প্ৰাণী	১৩৯
১৯	চৰাইৰ গীত	১৪৬
২০	চৰাইৰ বাঁহ	১৫৬
২১	চৰাইৰ প্ৰব্ৰজন	১৬৪
২২	সাপ আৰু সিহঁতৰ চিকাৰ	১৭৬
২৩	ঢোকিয়াপতীয়া বাঘ আৰু ইয়াৰ সংৰক্ষণ	১৭৮
২৪	অথ হাতী সংবাদ	১৮৫
২৫	প্ৰাণীৰ প্ৰতি মানুহৰ নিষ্ঠুৰতা	১৯০
২৬	বন্যপ্ৰাণী নিধন আৰু সংৰক্ষণ	২০২
২৭	বন্যপ্ৰাণীৰ ব্যৱসায়	২১০
২৮	দেশে দেশে প্ৰাণীপূজা	২২০

বনৰ বন্ধু

সম্পদ কালত বন্ধু অনেক। বিপদৰ বন্ধুহে পোৱা টান। বিপদত নিজে উপযাচি সহায় কৰিবলৈ আগবাঢ়ি অহাটো দূৰৈৰ কথা—হাত বাউল দি কাকুতি কৰি বা দুখত ভেওভাউৰিয়াই থাকিলেও বন্ধু ওচৰ নাচাপে। চাহাব সকল মানুহৰ স্বভাব চৰিত্ৰ অধ্যয়নত পটু। সেই কাৰণেই সম্ভৱ তেওঁলোকৰ বহুতে মানুহৰ লগত বন্ধুত্ব পতাতকৈ ভালজাতৰ কুকুৰ একোটাৰ লগতহে বন্ধুত্ব পাতে। এওঁলোকৰ কোনো কোনোৱে হেনো "ভাল অৰ্দ্ধেক অৰ্থাৎ নিজৰ তিৰোতাজনীতকৈও টমি জেক জিমিহঁতকহে বেছি মৰম আৰু বিশ্বাস কৰে। অৱশ্যে তাৰ কাৰণে তেওঁলোকৰ মাজত মাজে সময়ে খকা খুন্দাও নলগা নহয়। কাৰণ হাজাৰ হওক—টমি জিমিহঁত একোটা জন্তুহে আৰু তেওঁলোক হ'ল জীৱন সঙ্গিনী। তাতে এই কুকুৰ মথাৰ গাটো নিপোটল আৰু চিকচিকিয়া কৰি ৰাখিবলৈ খৰচো কৰিব লাগে যথেষ্ট। পাছে চাহাবে সেইবিলাককৈ কেৰেপ নকৰে। কুকুৰৰ মৰম বেলেগ। কুকুৰ পোহা সকলে হাজাৰ বাধা বিঘিনি অতিক্ৰম কৰি হ'লেও কুকুৰ পুহিবই। কাৰণ তেওঁলোকে জানে যে বিপদৰ সময়ত তিৰোতাই এৰিলেও কুকুৰে নেৰে।

কুকুৰৰ প্ৰভুভক্তি ঃ পোহনীয়া কুকুৰবোৰে মানুহক বিপদৰ পৰা উদ্ধাৰ কৰাৰ দুই এক উদাহৰণ পোৱা যায়। কিছু বছৰৰ আগতে এখন বাতৰি কাকতত এটি বাতৰি প্ৰকাশ পাইছিল। বাতৰিটো আছিল এনে ধৰণৰ—ৰাছিয়াৰ আজাৰবাইজান নামেৰে এখন ঠাইত এগৰাকী মহিলাই তেওঁৰ তিনি বছৰীয়া কেঁচুৱাটি চোতালত এৰি থৈ বাৰীৰ পৰা কিবা আনিবলৈ গৈছিল। এনেতে এটা সাপে কেঁচুৱাটিৰ ফালে চোচা মাৰি আহিল। ওচৰতে বৈ আছিল পোহনীয়া মতা কুকুৰটো। কেঁচুৱাটিক খুটিবলৈ অহা দেখি কুকুৰটো সাপটোৰ ওপৰত জাপিয়াই পৰিল। খন্তেকৰ ভিতৰতে কুকুৰ আৰু সাপৰ মাজত থৈয়া নথৈয়া যুঁজ আৰম্ভ হ'ল। লগে লগে কুকুৰটোৱে চিঞৰিবলৈ ধৰিলে। কুকুৰৰ চিঞৰ শুনি মানুহগৰাকী বাৰীৰ পৰা খৰধৰকৈ ওলাই আহিল। তেওঁ ঘটনা দেখি অবাক। মানুহগৰাকীয়ে মাৰি এডালেৰে সাপটো মাৰি কুকুৰটোক উদ্ধাৰ কৰিলে। ওচৰত কুকুৰটো নথকা হ'লে কেঁচুৱাটো হয়তো সেইদিনা সাপে খুটিয়েই মাৰিলেহেঁতেন।

পোহণীয়া কুকুৰ বা কুকুৰৰ কথাটো বাদেই দুই এটা বনৰীয়া প্ৰাণীয়েও মানুহক কৰা উপকাৰৰ দুই এটা ঘটনা শুনিলে আচৰিত হ'ব লাগে। বনৰীয়া জীৱ-জন্তু দেখিলেই মানুহে ধনুকাড়, যাটন গুটি বন্দুক-বাৰুদ আদিৰে মাৰিবলৈ খেদি ফুৰে। জেনেস্থলত সিহঁতে তাৰ প্ৰতিশোধ নলৈ মানুহক যে বিপদত সহায় কৰিছিল

আগবাঢ়ি আহে—সেইটোহে আচৰিত কথা। পৃথিৱীৰ ভিন ভিন দেশত ভিন ভিন বনৰীয়া জন্তুৱে মানুহক উপকাৰ কৰাৰ অলেখ উদাহৰণ আছে।

সাপেও দুষ্টক দমন কৰে ঃ প্ৰায় ষাঠীবছৰ মানৰ আগতে এক লোমহৰ্ষক ঘটনা ঘটিছিল দক্ষিণ ভাৰতৰ গাঁও এখনত। এগৰাকী অৱস্থাপন্ন ভদ্ৰমহিলা এখন গৰুৰ গাড়ীত উঠি ঘৰৰ পৰা দহ মাইলমান নিলগৰ এটি উৎসৱলৈ যাব লগা হৈছিল। স্বামী ঘৰত নথকাত তেওঁ অকলশৰেই যাব লগাত পৰিছিল। অৱশ্যে ভয়ৰ কাৰণো নাছিল। কাৰণ ৰামু নামৰ গাড়োৱানটো তেওঁলোকৰ পৰিয়ালটোৰ বহুত পুৰণি আৰু বিশ্বাসী লগুৱা আছিল। এনেয়ে তিৰোতাই দুই এপদ সোণৰ অলংকাৰ পিন্ধে তাতে উৎসৱ। গতিকে কাণে ডিঙিয়ে হাতে যথেষ্ট অলংকাৰ পিন্ধি সাজি কাচি ওলাইছিল।

ৰামুৱে প্ৰথম তিনিমাইল মান বাট গাড়ীখন আচল বাটেদিয়েই নিছিল। কিন্তু তাৰ পাছত হঠাতে হাবিতললীয়া এটা ঠেক ৰাস্তাইদি গাড়ীখন সুমুৱাই দিলে। মানুহ গৰাকীয়ে এই ঠেক হাবিতলীয়া ৰাস্তাত গাড়ী সুমুওৱাৰ কাৰণ সোধাত ৰামুৱে ক'লে যে এই বাটেদি গ'লে সোনকালে পাবগৈ। হাবিৰ মাজেদি কিছুদূৰ যোৱাৰ পাছত গাড়ীখন ৰখালে আৰু গৰুহাল ওচৰৰ গছ এজোপাত বান্ধিলে। এইবাৰ মানুহ গৰাকীক গাড়ীৰ পৰা নামিবলৈ কোৱা হ'ল। মানুহ গৰাকীয়ে গাড়োৱানৰ আচল উদ্দেশ্য বুজিব পাৰি থৰ লাগিল। ইমান পুৰণি বিশ্বাসী চাকৰ এটাই যে ইমান জঘন্য কাম কৰিব পাৰে—তাকে ভাবি চিন্তি থাকোঁতেই মানুহ গৰাকীৰ মুৰ আচন্দাই কৰিবলৈ ধৰিলে। মানুহ গৰাকী মাটিত ঢলি পৰিল। ৰামুৱে মানুহ গৰাকীক মাৰিবলৈ ওচৰত একো নাপাই প্ৰকাণ্ড শিল এছটাকে দাঙি ল'লে। কিন্তু বিধিৰ কি বিপাক—শিলছটা দাঙি লোৱাৰ লগে লগে তাৰ তলতে থকা ক'লা কেটী সাপ এটাই ৰামুক খুটি মাৰি পেলালে।

সেইখিনি সময়তে সেই ফালেদি দুজন আন মানুহ আহিছিল। তেওঁলোকে সাপটো খেদাই দিলে। কিন্তু ৰামুক বচাব নোৱাৰিলে। তাৰ পাছত ওচৰত অচেতন হৈ পৰি থকা মানুহ গৰাকীৰ ওপৰত তেওঁলোকৰ চকু পৰিল। মানুহ গৰাকীৰ চকুৱে মুখে পানী ছটিয়াই দিলত তেওঁ জ্ঞান পালে। মানুহ গৰাকীয়ে দুষ্ট গাড়োৱানটোৰ কথা বিৱৰি ক'লে। মানুহ দুজনেও গাড়োৱানটোক সাপে খুটি মৰাৰ কথা উল্লেখ কৰিলে।। পাছত সেই মানুহ দুজনেই মানুহ গৰাকীক গৰুৰ গাড়ীত উঠাই উৎসৱ স্থলীলৈ লৈ গ'ল। কেটী সাপটোৱে ৰামুক খুটি নমৰা হ'লে ৰামুৱেই মানুহ গৰাকীক মাৰিলেহেঁতেন।

কেটী সাপে সা সম্পত্তিও ৰক্ষা কৰে ঃ কেৰেলাৰ এখন ঠাইত এবাৰ ডকাইতৰ দল এটাই এঘৰ ধনী মানুহৰ ঘৰত সোমাই অলংকাৰ পাতি চুৰি কৰি নিবলৈ ঠিক কৰিলে। অলংকাৰ পাতি ল'ব খোজোঁতেই কৰবাৰ পৰা কেটীসাপ

কেইটামান আহি ফোঁচ ফোঁচাবলৈ ধৰিলে। সাপৰ ফোঁচ ফোঁচনি শুনি ব'ৰে অলংকাৰ তৰতে পেলাই ডকাইত কেইজন দৌৰি পলাল। এই অচিনাকী সাপ কেইটাই গৃহস্থৰ বহুতো লাখটকাৰ সম্পত্তি ৰচাই দিলে।

চিত্ৰ নং—১

[ফেঁটী সাপ এবিধ অতি বিষাক্ত সাপ। ভাৰতৰ প্ৰায় সকলো ঠাইতে এই সাপজাত পোৱা যায়। ইহঁতৰ প্ৰধান বৈশিষ্ট্য হ'ল— ইহঁতে ফণা মেলি ফেঁট তুলিব পাৰে। এন্দুৰ নিগণি আদিয়েই ইহঁতৰ প্ৰধান খাদ্য। এই ফেঁটী সাপ পূজা কৰা লোকো ভাৰতত অনেক আছে। ফেঁটী সাপে মানুহক বিপদৰ সময়ত সহায় কৰাৰ দৃষ্টান্তও আছে।]

ফেঁটী সাপৰ এনে উপকাৰৰ আন বহুতো উদাহৰণ আছে। বহুত বছৰৰ আগতে ৰাজস্থানৰ জয়পুৰত এজন ধনী মানুহে এটা ফেঁটী সাপ পুহিছিল। মানুহজন কোনোবা ফুৰিবলৈ গ'লে ৰেখৱাল নামৰ এই ফেঁটী সাপটোকে ঘৰৰখীয়া হিচাবে থৈ গৈছিল। এবাৰ ল'ৰা ছোৱালীহাল ঘৰত থৈ গৃহস্থ গৃহস্থনী দুয়ো কিছুদূৰত ফুৰিবলৈ গৈছিল। এই সুযোগতে ডকাইতৰ দল এটা ঘৰত সোমাই সা সম্পত্তি লুট কৰিবলৈ আৰম্ভ কৰিলে। ৰেখৱালৰ চকুত ধূলি দিয়া টান। ডকাইত বিলাকৰ এই গোটেইখিনি কথা কাণ্ড সি চাই আছিল আৰু শেষত আটাইকেইটা

ডকাইতকে এটা এটাকৈ খুঁটি খুঁটি মাৰি পেলালে। সাপটোৰ কাৰণেই গৃহস্থৰ সা-সম্পত্তি আৰু লগতে লৰা ছোৱালী হাল ডকাইতৰ হাতৰ পৰা ৰক্ষা পৰিল।

চিৰাম নামেৰে আন এখন ঠাইত এজন ধনী মানুহৰ এখন ডাঙৰ বাৰী আছিল। বাৰীখনত বহুতো গৰু ম'হ উদঙকৈ মেলি থৈছিল। বাৰীখনতে এটি ফেঁটীসাপো পুহিছিল। সাপটোক নিতৌ গাখীৰ খুৱাইছিল আৰু সাপটোৱেও তাৰ বিনিময়ত গৰু ম'হবোৰৰ তদাৰক কৰিছিল। এদিনাখন মাজৰাতি গৃহস্থ টোপনিত লাল কাল দি থকা অৱস্থাতে কেনেবাকৈ এটা ঢেকীয়াপতীয়া বাঘ বাৰীত সোমাই গৰু ম'হ বিলাকৰ পিনে চোচা মাৰি গ'ল। ফেটী সাপটোৱে ততালিকে বাঘটো খুঁটি মাৰি পেলালে। অৱশেষত বাঘৰ মৃত্যু হ'ল। ফলত গৰু ম'হবিলাক বাচিল। তাৰ পাছত ফেটী সাপটোৱে গৃহস্থৰ ওচৰলৈ গৈ ভৰিত শৰ শুৱাই দিলেগৈ। গৃহস্থই সাৰ পালে আৰু সাপৰ পাছে পাছে খোজ ললে। বাৰীৰ মাজত মৃত বাঘটো দেখি গৃহস্থৰ বুজিবলৈ বাকী নাথাকিল। সাপৰ এনে প্ৰভুভক্তি দেখি গৃহস্থ অবাক হ'ল।

কুকুৰেই আটাইতকৈ উপকাৰী জন্তু. সকলো প্ৰাণীৰ ভিতৰত কুকুৰৰ প্ৰভুভক্তিয়েই সম্ভৱ আটাইতকৈ বেচি। ৰতনগিৰীৰ পৰা ষাঠী মাইল মান দূৰৈত চিপলাং নামেৰে এখন ঠাইত এজন খেতিয়ক আছিল। তেওঁ সদায় খ'ব ৰাতিপুৱাতে কামলৈ ওলাইছিল আৰু বেলি নপৰে মানে কামৰ পৰা ঘূৰি নাহিছিল। তেওঁৰ কাম কৰাৰ শক্তি দেখি লগৰ আন খেতিয়কবোৰেও ত্ৰাহি ত্ৰাহি দেখিছিল। খেতিয়ক জনৰ লগৰীয়া খেলিবলৈ ছটা কুকুৰ আছিল। তেওঁ যলৈকে নাযাওক কুকুৰ কেইটা সদায় লগত নিছিল। এদিনাখন তেওঁ ৰাতি এপৰমান থাকোতেই সাৰ পালে। ভাবিলে বিছনাত এনেয়ে পৰি থকাতকৈ খেতিৰ পথাৰলৈ যোৱাই ভাল হ'ব। তাতে লগত কুকুৰকেইটা আছে যেতিয়া ভয় কিহৰ? সেই বুলি ভাবি তেওঁ খেতিৰ পথাৰলৈ ওলাল। লগত ললে কুকুৰকেইটা। খেতিৰ পথাৰ ঘৰৰ পৰা অলপ দূৰ। মাজতে হাবি এখনো পাৰ হ'ব লাগে। খেতিয়ক গৈ যেতিয়া হাবিৰ মাজত সোমালগৈ ওলাল সন্মুখতে এটা প্ৰকাণ্ড ঢেকীয়াপতীয়া বাঘ। খেতিয়কৰ হাত ভৰি কঁপিবলৈ ধৰিলে। ইফালে কুকুৰকেইটাই একেজাপেই চাৰিওফালৰ পৰা বাঘটোক আক্ৰমণ কৰাত লাগিল। ছটাকৈ কুকুৰৰ আক্ৰমণত বাঘৰ মঙহ নেফানেফ হ'ল। অৱশেষত মৃত্যুকে সাৱটি ল'লে। কুকুৰকেইটাৰ এনে পৰাক্ৰম দেখি খেতিয়ক আচৰিত হ'ল। তেওঁ কুকুৰকেইটাৰ সহায়ত মৰা বাঘটো গাঁৱলৈ লৈ আনিলে। গাঁৱৰ বন্ধু বান্ধৱক বাঘটো দেখুৱাই কুকুৰকেইটাৰ কৃতিত্বৰ কথা বখানিলে। গাঁৱৰ মানুহেও কুকুৰৰ প্ৰভুভক্তি দেখি তবধ মানিলে।

কুকুৰে নিজৰ জীৱন উৎসৰ্গা কৰিও গৰাকীৰ জীৱন ৰক্ষা কৰাৰ অনেক উদাহৰণ আছে। আন এঠাইৰ কথা। এজন খেতিয়কৰ দুটা কুকুৰ আছিল। খেতিয়ক জনে কুকুৰ দুটাক বৰ মৰম কৰিছিল আৰু নিজে না খায়ো খুৱাইছিল কুকুৰ দুটায়ো

খেতিয়ক যলৈকে যায় পাছে পাছে গৈছিল। এদিনাখন খেতিয়কে পথাৰত দুখ বেছি পৰিশ্ৰম কৰি ভাগৰি পৰিছিল। আবেলিপৰলৈ তেওঁৰ জ্বৰ উঠিছিল আৰু মূৰো ঘূৰাইছিল। গতিকে পোহৰে পোহৰে ঘৰ পোৱা ভাল হ'ব বুলি ভাবি তেওঁ বেলি পৰিবলৈ এঘণ্টা মান বাকী থাকোঁতেই ঘৰলৈ উভতিছিল। তেওঁৰ ঘৰৰ পৰা পথাৰলৈ যাওঁতে বা পথাৰৰ পৰা ওভতোঁতে এটা ৰে'লৰ আলি পাৰ হ'ব লগাত পৰিছিল। সেই দিনাখন বিধিৰ কি বিপাক— ৰে'লৰ আলি পাৰ হ'ব খোজোঁতেই তেওঁৰ মূৰটো বেচিকৈ আচন্দ্ৰাই কৰিলে আৰু অৱশেষত ৰে'লৰ আলিৰ লোহা দুডালৰ মাজতে ঢলি পৰিল।

গৰাকীৰ এনে অৱস্থা দেখি কুকুৰ দুটাই বেজাৰত বাউচি জুৰিবলৈ ধৰিলে। দুয়োটাই খেতিয়কৰ গালে মুখে হাতে ভৰিয়ে চেলেকি চেলেকি মৰম কৰাত লাগিল। তাৰ পাছতে খেতিয়কৰ হুঁচ নহা দেখি এটা কুকুৰে ৰে'লৰ আলিৰ ওপৰে ওপৰে ভুকি ভুকি কাৰোবাৰ সহায় পাম বুলি আগবাঢ়ি গ'ল। আনহাতে ইটো কুকুৰে গিৰিহঁতক মৰম কৰি কৰি ওচৰতে ৰহি থাকিল। আগবাঢ়ি যোৱা কুকুৰটোৱে আধামাইল মান আগুৱাই গৈ দেখিলে যে সেই ফালেদি ৰে'লৰ ইঞ্জিন এটা আহি আছে। হঠাতে তাৰ মনত খেলালে যে ইঞ্জিনটো পাৰ হৈ যাবলৈ দিলে তাৰ গৰাকীক চেপি মাৰিব। গতিকে সি যিমান পাৰে সিমান ৰে'লৰ আলিৰ ওপৰতে জঁপিয়াই মেলি বাউচি জুৰিবলৈ ধৰিলে। ইঞ্জিনৰ ড্ৰাইভাৰে হুইচেল দিলেহে দিলে সি লোহা দুডালৰ মাজৰ পৰা আঁতৰেই নহ'ল। বৰঞ্চ আগতেকৈও বেচিকৈহে ভুকিবলৈ ল'লে। তাকে দেখি ড্ৰাইভাৰো আচৰিত হ'ল। ড্ৰাইভাৰে ভাবিলে— আনদিনা যেতিয়া ৰে'লৰ আলিত কুকুৰ থাকিলেও একেটা উকিতে কোনোবাখিনি পায়গৈ আজি এই কুকুৰটোৰ কি হ'ল? এই ভাবি ইঞ্জিনটো লাহে লাহে থমাই দিলে। তাৰ পাছত কুকুৰটো আগে আগে আৰু ইঞ্জিনটো পাছে পাছে লাহে লাহে আগুৱাই গৈ থাকিল। এনেকৈ কিছুদূৰ যোৱাৰ পাছত দেখিলেগৈ যে ৰে'লৰ আলিৰ ওপৰতে মানুহ এজন মূৰ্চা গৈ পৰি আছে। কাষতে আন এটা কুকুৰে ৰখি আছে। ড্ৰাইভাৰৰ বুজিবলৈ বাকী নাথাকিল যে দুয়োটা কুকুৰৰে গিৰিহঁত এই মানুহজন। ড্ৰাইভাৰে কুকুৰ দুটাৰ সৈতে মানুহজনক ইঞ্জিনৰ ভিতৰত তুলি ল'লে। পাছৰ ষ্টেচনত নমাই ওচৰৰ ৰে'লৰ হস্পিতেল কৰ্তৃপক্ষক চমজাই দিলে। চিকিৎসা কৰাৰ পাছত খেতিয়কজনে জ্ঞান পালে আৰু ৰে'লৰ মানুহৰ পৰা কুকুৰ দুটাৰ কাহিনী শুনি আচৰিত হ'ল। কুকুৰ দুটাৰ কাৰণেই সেই খেতিয়কজনৰ জীৱন ৰক্ষা পৰিল।

কুকুৰে যুদ্ধ বিগ্ৰহতো সহায় কৰে: যোৱা মহাযুদ্ধত কুকুৰে বিভিন্ন ধৰণেৰে সহায় কৰাৰ কথাও শুনা যায়। যুদ্ধৰ এবছৰ মানৰ ভিতৰতে বেলজিয়ামৰ এটা পুলিচ কুকুৰে হেনো প্ৰায় দুহাজাৰ লোকৰ জীৱন ৰক্ষা কৰিছিল। একেবাৰে শেষৰফাল যুদ্ধত সেনা-বাহিনীৰ ইঞ্জিনিয়াৰ সকলে লগত কুকুৰ নিয়াটো নিয়ম

কৰি সৈন্য সকলক সতৰ্ক কৰি দিছিল। তথাপি বেচি ভাগ সৈন্যই লুকাই চুৰকৈ হ'লেও নিজৰ নিজৰ পোহনীয়া কুকুৰ লৈ গৈছিল। কাৰণ এই কুকুৰবোৰে সৈন্য সকলক যুদ্ধ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে সহায় কৰিছিল। তেনে এটা কুকুৰৰ কথাকে কওঁ শুনক। তাৰ নাম আছিল বিং (Bing)। বিঙৰ জন্ম হৈছিল যুক্তৰাষ্ট্ৰৰ মিলিটাৰী কেম্প এটাত। কেম্পটোত আছিল মেচিনগান চলোৱা কোম্পানী এটা। এই কোম্পানীৰ সৈন্য সকলেই বিঙক লুকাই চুৰকৈ ফ্ৰান্সলৈ লৈ গৈছিল। তাৰ ডাঙৰ বৈশিষ্ট্য হ'ল—সি যি কোনো বিষাক্ত গেছৰ গোন্ধ বহুত দূৰৈৰে পৰা ধৰিব পাৰে। এবাৰ বিপক্ষ দলৰ সৈন্যই মেচিনগান মাৰিবলৈ লওঁতেই সি পালে কিবা এটা গোন্ধ। লগে লগে বাউঁহি জুৰি ভুকিবলৈ ল'লে। ফলত তাৰ ফালে থকা সৈন্যবোৰ যেনি তেনি গাতত সোমাল। এনেকৈয়ে বহুতো সৈন্যৰ প্ৰাণ ৰক্ষা পৰিল। বিঙে এনে ধৰণেৰে বিভিন্ন সময়ত নিজৰ সৈন্য সকলক বিভিন্ন বিপদৰ পৰা ৰক্ষা কৰিছিল। পাছত সি কৰা উপকাৰৰ স্বীকৃতি স্বৰূপেই আন সৈন্যক দিয়াদি তাকো সেনাধ্যক্ষই ৰ‍্যাংক দিছিল। আনকি পাছলৈ তাৰ কাপোৰ কানি পিন্ধাই মানুহৰ দৰে সজোৱাও হৈছিল। তদুপৰি তাৰ মৃত্যু হওঁতে তাৰ মৰাশটোও সন্মান সহকাৰে সংকাৰ কৰা হৈছিল।

সেই একেধৰণে যুদ্ধতে সৈন্যৰ জীৱন ৰক্ষা কৰা আন এটা কুকুৰৰ নাম হ'ল হৰি (Horrie)। তাৰ গৰাকীও আছিল মেচিনগানৰ এটা বেটেলিয়ন। গ্ৰীচ চিৰিয়া ক্ৰেট আদি বিভিন্ন ঠাইত হোৱা যুদ্ধ সমূহ দেখাৰ সৌভাগ্য তাৰ হৈছিল। হৰিয়ে সময় মতে সংকেত দিয়াৰ কাৰণেই বহুতো অষ্ট্ৰেলিয়াবাসীৰ জীৱন ৰক্ষা পৰিছিল। বিপক্ষৰ যুদ্ধ জাহাজ বিমানে বোমা পেলাবলৈ আহিলে হৰিয়ে বহুত দূৰৈৰে বিমানৰ শব্দ শুনিবলৈ পাইছিল। কাৰণ তাৰ শ্ৰৱণশক্তি আছিল অতি প্ৰখৰ। সি তত্তালিকে বাউঁহি জুৰি নিজৰ ফালৰ সৈন্যবোৰক সতৰ্ক কৰি দিছিল। সৈন্যবোৰে হৰিৰ প্ৰতিটো চিঞৰৰ অৰ্থ বুজি পাইছিল। গতিকে সকলোৱে দৌৰাদৌৰিকৈ আগেয়ে খান্দি থোৱা গাতত সোমাই পৰিছিল। সেয়েহে আজিও হৰিক অষ্ট্ৰেলিয়া বাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰে। তাৰ কবৰত আজিও অষ্ট্ৰেলিয়াবাসীয়ে ফুলৰ মালা অৰ্পণ কৰে। হৰিৰ কবৰৰ কাষতে থকা ফলি এখনত আজিও লেখি থোৱা আছে—"১৯৪৫ চনৰ ১২ মাৰ্চত মৃত্যু হোৱা হৰিৰ সোঁৱৰণত অষ্ট্ৰেলিয়াবাসীৰ শ্ৰদ্ধাঞ্জলি।"

বান্দৰৰ আন: কুকুৰৰ দৰে বান্দৰেও কেতিয়াবা মানুহৰ মহৎ উপকাৰ সাধে। চিত্ৰকূটৰ ওচৰত পায়াস্বামী নামেৰে নৈ এখনৰ এটা নিৰ্জন ঘাটত এটা বান্দৰে এটা সৰু ল'ৰা উদ্ধাৰ কৰাৰ কাহিনী শুনিলে আচৰিত হ'ব লাগে। এগৰাকী মাকৰ পৰা হঠাতে ডেঙৰ কেচুবাটো নৈখনত পৰি গ'ল। নৈখনত সোঁত আছিল খৰ প্ৰবল। গতিকে সোঁতেই কেচুবাটোক লৈ গৈ কোনোবাখিনি গোৱালেগৈ। অসহায়ত মাকে উপায় নাপাই ইনাই বিনাই কান্দিবলৈ ধৰিলে। নৈখনৰ পাৰৰ গছবিলাকত

এজনক বান্দৰ আছিল। তাৰে তাঙৰ মতা বান্দৰটোৱে গোটেই ঘটনাটো লক্ষ্য কৰি আছিল। যেই কেচুৱাটোক পানীৰ সোঁতে লৈ যোৱা যেন দেখিলে সি দিলে জাপ মাৰি নদীলৈ। পানীত সাঁতুৰি সাঁতুৰি কেচুৱাটোৰ ওচৰ পালেগৈ আৰু তাক পিঠিত লৈ পুনৰ পাৰ পালেহি। কেচুৱাটোক মাকৰ কোচত তুলি দি সি পুনৰ হাবিলৈ দৌৰ মাৰিলে। এনে নিস্বাৰ্থ মৰম প্ৰাণীৰ বাহিৰে আন কাৰোবাৰ পৰা আশা কৰিব পাৰি জানো?

ভালুকেও দুষ্টক দমন কৰে: কিছু বছৰৰ আগৰ কথা। বিহাৰৰ ধৰছান নামেৰে এখন ঠাইত এজন বৰ ধনী মানুহ আছিল। এদিনাখন ৰাতি সোমাল তেওঁৰ ঘৰতে এটি ষোলজনীয়া ডকাইতৰ দল। তেওঁৰ ঘৰৰ নিচেই ওচৰতে বাস কৰিছিল এজন বাজীকৰ। মানুহজনে উপায় নাপাই দৌৰ মাৰি গৈ বাজীকৰৰ ঘৰত সোমালগৈ। বাজীকৰৰ তিনিটা পোহনীয়া ভালুক আছিল। সিহঁতক মানুহৰ ঘৰে ঘৰে নচুৱাই বাজীকৰে পেটৰ ভাত কেইটা মোকোলাই আছিল। কিন্তু সেইদিনা ধনী মানুহজন দৌৰ মাৰি আহি তেওঁৰ ঘৰত ডকাইত সোমোৱাৰ কথা ক'লত বাজীকৰে ভালুক কেইটাকে ডকাইত ধৰিবলৈ নিৰ্দেশ দি পঠাই দিলে। গৰাকীৰ নিৰ্দেশ পাই ভালুকে লৰ ধৰিলে মানুহজনৰ ঘৰলৈ। গৈ দেখেগৈ যে আটাইকেইটা ডকাইতে কোঠা এটাত বহি লৈ ধন লেখি আছে। ভালুকে অতৰ্কিতে আটাইকেইটা ডকাইতকে আক্ৰমণ কৰিলে। তিনিটাৰ থিতাতে মৃত্যু হ'ল। বাকী কেইটাই আঁচোৰ আৰু কামোৰ খাই কোঠাটোৰ চুকত চেপেটা লাগিল। এইবাৰ ভালুক কেইটা কোঠাটোৰ বাহিৰলৈ ওলাই আহি পহৰা দি থাকিল যাতে ডকাইত কেইটা কেনিও পলাব নোৱাৰে। পাছত পুলিচ আহি ডকাইত কেইটা ধৰিলহে ভালুক কেইটা তাৰপৰা আঁতৰি গ'ল। বাজীকৰ আৰু তেওঁৰ ভালুক কেইটাৰ কাৰণেই ধনী মানুহজনৰ সা সম্পত্তি আনকি নিজৰ জীৱনো ৰক্ষা পৰিল। কৃতজ্ঞতাৰ চিন স্বৰূপে তেওঁ তেতিয়াই পাঁচবিঘা মাটি বাজীকৰক দান দিলে আৰু গোটেই জীৱন ভৰণ পোষণৰ দায়িত্ব কান্ধ পাতি ল'লে।

ভালুকৰ কাৰণেই আন এজন জমীদাৰৰ সা-সম্পত্তি কেনেকৈ ৰক্ষা পৰিল—তাৰো এক সুন্দৰ কাহিনী আছে। ঘটনাটো ঘটিছিল নেপালৰ টেৰাই অঞ্চলত প্ৰায় ষাঠী বছৰ মানৰ আগতে। ডকাইতৰ দল এটাই জমীদাৰৰ সকলো বস্তু লুটপাত কৰি লৈ ওচৰতে থকা চাৰ্কাচ পাৰ্টিৰ কেম্প এটাতে ৰাতিটোৰ কাৰণে জিৰণি ল'বলৈ ঠিক কৰিলে। চাৰ্কাচ পাৰ্টিৰ ভালুক নচুওৱা মানুহজনে সিহঁতক ডকাইত বুলি চিনিব পাৰি ভালুক কেইটাক সিহঁতক আক্ৰমণ কৰিবলৈ নিৰ্দেশ দিলে। গৰাকীৰ নিৰ্দেশ পাই তাত থকা ভালুক কেইটাই ডকাইতৰ ওপৰত আক্ৰমণ চলালে। দুটা ডকাইতৰ তাতেই মৃত্যু ঘটিল। বাকী কেইটাই ধন সোণ এৰি থৈ প্ৰাণ লৈ পলাল। জমীদাৰে ধন সোণ ঘূৰাই পালে।

হাতীয়ে গিৰিহঁতক বিপদত নেপেলায়: আন প্ৰাণীৰ তুলনাত হাতীৰ

প্ৰভু ভক্তিৰ উদাহৰণেই বেচি। হাতীয়ে নানান বাধা বিঘিনি অতিক্ৰম কৰিও মাউত কান্দী বা গৰাকীৰ জীৱন ৰক্ষা কৰাৰ অনেক উদাহৰণ আছে। হাতীক মৰম কৰিলে সিহঁত সদায় কৃতজ্ঞ হৈ ৰয়। গোৱাত হেনো এবাৰ এগৰাকী ধাৰী দুখুনী মানুহৰ এটি কেচুৱা বনৰীয়া হাতী এটাই মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিছিল। ঘটনাটো উল্লেখ কৰা হৈছে "ভাৰতত পৰ্তুগীজ' নামৰ বুৰঞ্জী এখনত। ঘটনাৰ বিৱৰণ এনে ধৰণৰ—"এবাৰ গোৱাৰ এখন বজাৰত এটা বনৰীয়া হাতীয়ে দিন দুপৰতে একালৰ পৰা মানুহ দুনাহ মাৰি ঘৰ দুৱাৰ ভাঙি টহলং কৰি ফুৰিছিল। বজাৰত এনেকৈ ঘূৰি ফুৰোতে ৰাস্তাৰ ওপৰতে পৰি থকা এটি কেচুৱা তাৰ চকুত পৰিল। সেই কেচুৱাটো আৰু তাৰ মাকক সি ভালদৰে চিনি পায়। মানুহ গৰাকী তেনেই দুখীয়া যদিও সি সেই ফালেদি গ'লে কিবা কিবি এটা খাবলৈ যাচে। গতিকে কেচুৱাটো এনেকৈ পৰি থকা দেখি তাৰ পুতৌ উপজিল। সি শুঁড়েৰে কেচুৱাটো আলফুলকৈ দাঙি নি মাকৰ ওচৰত দিলেগৈ। ইফালে মাকে কেচুৱাটো বহুত সময় বিচাৰি নাপাই হাঁহাকাৰ কৰিছিল। হাতীটোৱে কেচুৱাটো নি দিয়াতহে মাকে শান্তি পালে। বনৰীয়া হাতীয়েও যে মানুহৰ মৰমৰ প্ৰতিদান দিবলৈ বিচাৰে —ভাবিলে আচৰিত লাগে।

হাতীয়ে মানুহক কৰা উপকাৰৰ আন এক ঘটনাও অতি চমৎকাৰ। কেৰেলাৰ এখন ঠাইৰ বিয়াঘৰীয়া বাইজক হেনো এবাৰ এটা হাতীয়েহে ৰক্ষা কৰিলে। ১৯৩৬ চনত অনুষ্ঠিত হোৱা এই প্ৰকাণ্ড বিয়াখনত বহুতো লোকৰ সমাগম হৈছিল। কিন্তু বিয়াখনত বিখন ৰভা দিয়া হৈছিল তাৰ খুঁটাবিলাকৰ পোত হেনো বৰ বেচি নাছিল। তাতে আগৰাতি বৰষুণ দিছিল আৰু পাছলৈ বতাহো বলিছিল। এনে বিলাক কাৰণতে এটা সময়ত ৰভাখন ক্ৰমাৎ বেকা হৈ আহিছিল। ইফালে সেইখিনি সময়তে ৰভাৰ তলত বিয়াৰ ধুম উঠিছিল। গতিকে কোনেও কালৈকো চাবলৈ সময় নাছিল।

কিন্তু ভাগ্য ভাল যে ৰভাৰ অলপ ওচৰতে এটা হাতী বান্ধি থোৱা আছিল। হাতীটো অনা হৈছিল পাছদিনা দুৱৰা দৰাকন্যাৰ শোভাযাত্ৰাত নিবলৈ। ৰভাখন যে ক্ৰমান্বয়ে বেকা হৈ গৈছে সেই কথা হাতীটোৱে লক্ষ্য কৰি আছিল। সি ৰছী ছিঙি দৌৰ মাৰি গৈ ৰভাৰ মাই খুঁটা এটা মূৰেৰেই পোনাই দি ধৰি থাকিল। তেতিয়াহে বিয়াঘৰীয়া বাইজৰ হুঁচ আহিল। সকলোৱেই কোৰ চিপৰাং আদি লৈ ৰভাৰ খুঁটাবোৰ ভালকৈ পোতাত লাগিল। হাতীটোৱে সময়মতে দৌৰ মাৰি আহি ৰভাখন পোনাই ধৰি নথকা হ'লে বিয়াঘৰীয়া বাইজৰ দুই চাৰিজনৰ নিশ্চয় মৃত্যু হ'লহেঁতেন।

হাতীয়ে গিৰিহঁতক উদ্ধাৰ কৰাৰ অনেক কাহিনীয়েই আছে। বেগুচৰাই থানাৰ অন্তৰ্গত চামহু' নামেৰে গাওঁ এখনত এসময়ত এজন ধনীলোকৰ এটা হাতী আছিল। এবাৰ তেওঁৰ ঘৰতে সোমাল এটা ডকাইতৰ দল। হাতৰ মুজেৰে বাধা দিব খোজাত

ডকাইতে সিহঁতক মাৰিয়েই পেলালে। সিহঁতে কোনো মতে নিজৰ প্ৰাণ লৈ পলাই বাৰীৰ পাচ ফাল পালেগৈ। তাতে বান্ধি থোৱা আছিল মৰমৰ হাতীটো। কি কৰিম কি নকৰিম বুলি ভাবি তেওঁ হাতীটোক খুলি দিলে। হাতীয়েও সিহঁতৰ অৱস্থা দেখা পাই ঘৰৰ দুৱাৰ মুখ পালেগৈ। দুৱাৰ মুখত হাতী দেখি ডকাইতে দিলে দৌৰ। হাতীটোৱেও পাছে পাছে বহুত দূৰ খেদিলে। তেওঁৰ জীৱন আৰু সা সম্পত্তি সেইবাৰলৈ হাতীটোৰ কাৰণেই ৰক্ষা পৰিল।

প্ৰকৃতিৰ ঘড়ী

প্ৰবন্ধৰ নামটো শুনিয়েই হয়তো বহুতে উচপ খাই উঠিব। উঠিবৰ কথাও। হাত ঘড়ী জেপ ঘড়ী টেবুল ঘড়ী বা বেৰ ঘড়ীহে (Wall Clock) আমাৰ বেছিভাগ লোকে দেখিছে। প্ৰকৃতিৰ ঘড়ী নামৰ এইজাত ঘড়ীনো আকৌ কেতিয়া ওলাল ? ইয়াৰ আবিস্কাৰক কোন ? কত কেতিয়া আৱিস্কাৰ কৰা হল— আদি এশ এবুৰি প্ৰশ্নই পাঠকৰ মনত নিশ্চয় জাগিব। কিন্তু তেওঁলোকৰ মনৰ খ-দুৰ্বাণ মাৰিবৰ কাৰণে আমাৰ হাতভো অনেক সময় আছে। আমি কব নোৱাৰাকৈয়ে বা আমি লেখ নোলোৱাকৈয়ে প্ৰকৃতিৰ প্ৰতিটো বস্তুৱেই কিছমান সময়সূচী মানি কাম কৰি থাকে। এনেকৈ সময়সূচী মানি কাম কৰাকে আমি প্ৰকৃতিৰ ঘড়ী বুলি কব পাৰো। কাৰণ আমাৰ যন্ত্ৰ চালিত ঘড়ীবোৰেও সময়সূচী ৰক্ষা কৰাতে সহায় কৰে।

প্ৰকৃতিৰ বহুতো বস্তুৱেই ঘড়ীৰ কাম কৰে প্ৰখ্যাত বিজ্ঞানী গেলিলিওৱে এক মহান তথ্য আৱিস্কাৰ কৰি কৈছিল যে পেন্দ লামৰ দোলন দৈৰ্ঘ্য বিমানেই নহওক কিয় প্ৰতিটো দোলনৰে দোলন কাল সদায় একে হব। অৱশ্যে পেন্দুলামৰ আগতে গেলিলিওৱে এই পৰীক্ষা গীৰ্জাত থকা চেণ্ডেলিয়াৰ এটাতে কৰিছিল। পৰীক্ষা যতেই নকৰক—প্ৰশ্ন হ'ল সেইকালত সময় চাবলৈ আজিকালিৰ দৰে ঘড়ী আছিলনে ? নিশ্চয় নাছিল। তেন্তে গেলিলিওৱে কি কৰিছিল ? তেওঁ আচলতে হাতৰ নাড়ীৰ স্পন্দন জুখিয়েই সময়ৰ হিচাব উলিয়াইছিল। হৃদপিণ্ডৰ স্পন্দনকে তেওঁ ঘড়ী হিচাবে কল্পনা কৰিছিল। যদি সেয়ে হয় আমিও দেখোন প্ৰকৃতি জগতৰ অসংখ্য বস্তুকে সময় নিৰূপক যন্ত্ৰ হিচাবে ধৰি লব পাৰো। জোন বেলিৰ কথা বাৰ বাদেই দিলো আমাৰ চাৰিওকাষে থকা পশু-পক্ষী পোক-পতংগ আদিয়েও জানো আমাক নিৰ্দিষ্ট কিছুমান সময়ৰ সন্ধান নিদিয়ে ? আমাৰ যান্ত্ৰিক ঘড়ীত হয়তো কেতিয়াবা আউল লাগিব পাৰে কিন্তু প্ৰকৃতিৰ এই ঘড়ীবিলাক সদায় নিখুঁত।

পৃথিৱীৰ চাৰিওকালে চন্দ্ৰৰ আৱৰ্ত্তনৰ ওপৰত ভিত্তি কৰিয়েই চান্দ্ৰ বছৰ (Lunar Year) নিৰ্দ্ধাৰণ কৰা হয়। তাৰ পৰাই আমি মাহৰ জ্ঞান পাওঁ। পৃথিৱীয়ে নিজ মেৰুদণ্ডত এপাক ঘূৰোৰ সময়খিনিয়েই এদিন। পৃথিৱীয়ে সূৰ্য্যৰ চাৰিওকালেও পৰিভ্ৰমণ কৰে। চন্দ্ৰ আৰু পৃথিৱীৰ পৰিভ্ৰমণৰ ফলতে দিন-ৰাতি শুক্লপক্ষ-কৃষ্ণপক্ষ বিভিন্ন ঋতু আদিৰ সৃষ্টি হয়। পৃথিৱী সৃষ্টি হোৱাৰ দিন ধৰি এইবিলাক চলি আহিছে আৰু চলি থাকিব। ঋতু অনুসৰি জাৰ জহ আৰু দিন-ৰাতিৰ সময়ৰ পৰিবৰ্ত্তন অনাদিকালৰে পৰা চলি অহা এক চিৰন্তন ৰীতি।

এই ৰীতি-নীতিৰ লগত খাপ খাই জীয়াই আছে কোটি কোটি প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী। এই ঋতুৰ বা দিন ৰাতিৰ সামান্য হেৰফেৰ হলেও ইয়াৰ প্ৰভাৱ উদ্ভিদ আৰু প্ৰাণীৰ ওপৰত পৰিব। ভিন ভিন ঋতুত ভিন ভিন ফুল ফুলে। জাৰকালি ফুলনি শৰাই তোলা ফুলবোৰ গ্ৰীষ্মকালি নোহোৱা হয়। আনহাতে গ্ৰীষ্মকালি ফুলা ফুলো আছে। বসন্তকালত তগৰ খৰিকাজাই আদিয়ে সুবাস বিলায়। কপৌ ফুল কেতেকী ফুল বসন্তৰ প্ৰতীক। ভিন ভিন ঋতুত ফুলা ফুলবোৰ অধ্যয়ণ কৰি প্ৰখ্যাত বিজ্ঞানী লিনিয়াছে এক অভিনৱ ঘড়ীৰ কল্পনা কৰিছিল। যেওঁ ইয়াৰ নাম থৈছিল "ফুলঘড়ী"। বসন্ত গ্ৰীষ্ম আৰু বৰ্ষাকালত ফুলে পাতে জকমকাই উঠা গছ-একোজোপা শীতকালি লঠঙা হৈ পৰে। আকৌ কিছুমান গছ বিশেষকৈ শীত কালীন শস্য শীতৰ বতৰতহে হয়। গ্ৰীষ্ম বা বসন্তকালত সেইবিলাক নহয়। গতিকে গছ-কনবোৰলৈ ভালকৈ লক্ষ্য কৰিলেও ঋতুৰ পৰিবৰ্ত্তন অৰ্থাৎ বছৰৰ বিভিন্ন সময়ৰ উমান পাওঁ।

ঋতুৰ লগত উদ্ভিদ আৰু প্ৰাণীৰ সম্পৰ্ক আছে: দুই এক সুধিব পাৰে যে ঋতু বা দিন ৰাতিৰ পৰিবৰ্ত্তনৰ লগত উদ্ভিদ বা প্ৰাণীৰ জীৱনধাৰণৰ নোকি সম্পৰ্ক থাকিব পাৰে? সম্পৰ্কবিলাক এনেধৰণৰ—ধৰক এটা প্ৰজাতিৰ গছৰ ফুল ফুলিবলৈ পৰাগ সংযোগ ঘটিবলৈ তাৰ গুটি গজিবলৈ আৰু পুলিবোৰ লহপহকৈ বাঢ়িবলৈ এক নিৰ্দিষ্ট পৰিমাণৰ পোহৰ উত্তাপ আদ্ৰতা বৰষুণ আদিৰ প্ৰয়োজন। গতিকে সেই পৰিমাণৰ পোহৰ উত্তাপ আদ্ৰতা আৰু বৰষুণ যি ঋতুতে পায়—সেই ঋতুতে সেইজাত গাছ লহপহকৈ গজি উঠে। আকৌ এই গছ গছনিৰ ওপৰত যিবিলাক প্ৰাণী বৰ্ত্তি থাকে সিহতৰ জনসংখ্যাও তেনে ঋতুতে বৃদ্ধি পায়। গতিকে ঋতু দিন ৰাতি উদ্ভিদ আৰু প্ৰাণী—এই সকলোবে মাজত এক অবিচ্ছেদ্য সম্পৰ্ক আছে।

[**বেলিফুল বেলিৰ লগে লগে ঘূৰে:** সন্ধিয়া ঘৰলৈ উলটি আহোঁতে গৰুৰ খোজত উৰা ধূলিৰ পৰাই গোধূলি অৰ্থাৎ গধূলি শব্দৰ সৃষ্টি হৈছে। সন্ধ্যা লগাৰ লগে লগে ফুলিবলৈ লয় গধূলি গোলাপ ভেটফুল কেৰ্টাচৰ ফুল শেৱালি ফুল ইত্যাদি। আকৌ ৰাতিপুৱাৰ লগে লগে এইবিলাক ফুল জয় পৰে। আমলখি তেতেলি আদি কিছুমান গছৰ পাত সন্ধিয়া জাপ খায় আৰু পুৱা হলে খোল খায়। পুৱা ফুলিবলৈ লয় পদ্মফুল। বেলিফুল বেলিৰ লগে লগে ঘূৰে।]

উত্তাপ পোহৰ আদিয়ে জীৱ দেহৰ ভিতৰৰ কোষ বা গ্ৰন্থি সমূহৰ ওপৰতো প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে একোজাত প্ৰাণীৰ জনন গ্ৰন্থিসমূহ একোটা নিৰ্দিষ্ট ঋতুত সক্ৰিয় হৈ পৰে আৰু সেই ঋতুতহে কেৱল প্ৰজননত ভাগ লয়। সেই কাৰণেই বছৰৰ একোটা নিৰ্দিষ্ট সময়তহে একোজাত নিৰ্দিষ্ট গছত ফুল ফুলে, একোজাত নিৰ্দিষ্ট প্ৰাণীয়ে কণী পাৰে বা পোৱালী জগায়। বসন্তকাল অহাৰ

লগে লগে বহুতো জাতৰ গছত কুঁহিপাত ওলাই গ্ৰীষ্মকালত পাতেৰে ঢাক খাই পৰে। সেই একে সময়তে পোক-পতংগৰ জননগ্ৰন্থি সমূহ সক্ৰিয় হৈ উঠে। কণী পাৰিবৰ সময় হয়। গছত ঠাই থাই থকা পাতবোৰত কণী পাৰিবলৈ সুবিধা হয়। লগে লগে প্ৰয়োজন হয় খাদ্যৰ। গছৰ পাত ফুল আদি খাদ্য হৈ পৰে। পতংগৰ পহুবোৰে সেই পাত খাই মোট সলায় লেটা বান্ধে। কিন্তু পতংগও সাৰি নাযায়। শীতকালি গাতৰ ভিতৰত সোমাই থকা ভেকুলীবোৰে বাহিৰৰ পৃথিৱীখনত গৰমৰ উমান পাই গাতৰ পৰা ওলাই আহে। গ্ৰীষ্মকালৰ উত্তাপে সিহঁতৰ জননগ্ৰন্থি সমূহ সক্ৰিয় কৰি তোলে। পুৰুষ ভেকুলীয়ে টোৰটোৰাই স্ত্ৰী ভেকুলীক আমন্ত্ৰণ জনায়। ইতিমধ্যে মেঘ দেৱতাই খাল বিল পুখুৰী আদি পানীৰে ওপচাই পেলায়। ভেকুলীয়ে তেনে পানীতেই কণী পাৰে। কণী ফুটি লালুকী হয়। লালুকী গৈ ভেকুলী হয়। ভেকুলীৰ প্ৰয়োজন হয়—পোক পতংগৰ। অজস্ৰ পোক পতংগ মুখৰ আগত ভাহি ফুৰে। ভেকুলীয়ে তাৰেই উদৰ পূৰায়। ঠিক সেই সময়তে যৌৱনত মতলীয়া হয় কিছুমান চৰায়ো। সিহঁতেও যোৰ পাতে, বাহ সাজে, কণী পাৰে আৰু পোৱালী জন্মায়। নিজে খোৱাৰ উপৰি পোৱালীৰ কাৰণেও প্ৰয়োজন হয় পোক-পতংগৰ। এনেবিলাক ঘটনা আমাৰ অলক্ষিতে বছৰি নিৰ্দিষ্ট সময়ত ঘটি থাকে আৰু ইবিলাকেই একোটা ঋতুৰ সংকেত দিয়ে। ভেকুলীৰ টোৰটোৰণি ঝিলিৰ ঝি ঝিঁয়নি আৰু মহৰ কোণ-কোণনি বৰ্ষাৰহে আহ্বান, শীতৰ নহয়।

চিত্ৰ নং—২

[ফেচুক চৰাইৰ ৰজা বুলি কোৱা হয়। গাৰ ৰং চিকচিকিয়া ক'লা। নেজৰ আগটো কটা। বিভিন্ন ধৰণৰ পোকপতংগই ইহঁতৰ খাদ্য। ইহঁতে দোকমোকালিতে কেঁচ-কু-কু, কেঁচু কু-কুকৈ চিঞৰি ৰাতিপুৱাৰ আগমন জাননী দিয়ে।]

ৰাতিপুৱাৰ সংকেত দিয়া চৰায়ো অনেক আছে: ৰাতি পুৱাবলৈ কিছু সময় থাকোতেই আপুনি মন কৰিলে শুনিব—এক চিনাকী কণ্ঠস্বৰ। মানুহৰ নহয় চৰাইৰ। চৰাইবো আকৌ ৰঙা—যে চুৰ। কেঁচ—কুকু কেঁচ—কুকু বুলি আকাশ কঁপাই তুলিব। খন্তেক পাছতে হয়তো কাণত পৰিব কুকুৰাৰ ডাক। লংকাপুৰ কঁত বুলি দোক মোকালিতে আপোনাক প্ৰশ্ন কৰিব। ৰাতিপুৱা কুকুৰাৰ কৰ্কশ মাতেও আপোনাৰ অন্তৰ কঁপাই তুলিব। হাঁহৰ টেক-টেকনি আৰু গৰুৰ হেম্বেলনিও আপুনি ৰেডিঅ'ৰ বন্দেমাতৰমৰ আগতেই শুনিবলৈ পাব। পাৰৰতো কথাই নাই। ই প্ৰহৰে প্ৰহৰে আপোনাক সজাগ কৰি ৰাখিব। আপুনি শুই উঠোতেই কাউৰী ঘৰচিৰিকা শালিকাই আপোনাৰ চোতালত ৰাতিপুৱাৰ পিৰ্তাপিতাই শুৰিব। বগলী পানী কাউৰী ভাটৌ আদি চৰায়ে খাদ্যৰ আশাত দূৰ দূৰণিলৈ জাক পাতি উৰা মাৰিব। এই প্ৰাণী সমূহৰ মাত আৰু অন্যান্য কথাৰ ওপৰত নিৰ্ভৰ কৰিয়েই একালত গাঁৱৰ জীয়ৰী বোৱাৰীহঁতে শেতেলী এৰি বাহীবনত ধৰিছিল কৃষকে নাঙলটো লৈ পথাৰলৈ ওলাইছিল। নিশাচৰ প্ৰাণী সমূহ দোকমোকালিতে নিজৰ আশ্ৰয়স্থলৰ কাষ চাপে। দিনচৰ প্ৰাণীবোৰ সক্ৰিয় হৈ উঠে। ৰাতি হোৱাৰ লগে লগে এন্দুৰ নিগণি পইতাচোৰাৰ খৰমৰণি ৰৰচাণ্ডত ডালশলীয়াৰ দুপদুপনি ফলফুলৰ গছৰ পাতৰ মাজত বাদুলীৰ ভেঁকুলৰ জপ-জপনি—প্ৰকৃতিৰ বুকুত নিতৌ ঘটা সাধাৰণ ঘটনা। ইহঁতৰ এই সময়ভিত্তিক কাৰ্যবোৰেই অনাদি কালৰে পৰা মানুহক সময় সচেতন কৰি আহিছে। সদায় একোটা নিৰ্দিষ্ট সময়ত একোটা নিৰ্দিষ্ট মাত একোটা নিৰ্দিষ্ট শব্দ একোটা নিৰ্দিষ্ট কাৰ্য্য। অকনো হীন দেৰি নাই। আমাৰ ঘড়ী বা কেলেণ্ডাৰত কেতিয়াবা ভুল থাকিব পাৰে। কিন্তু প্ৰকৃতিৰ ঘড়ি প্ৰকৃতিৰ কেলেণ্ডাৰ সদায় নিখুঁত।

একালৰ কৃষিজীৱি সমাজখনৰ কাৰণে ইহঁতৰ মাতবোৰেই আছিল সময় সংকেত। সময় অমূল্য ধন বোলা কথাষাৰ আমাৰ ল'ৰা ছোৱালীয়ে পাঠ্যপুথিৰ পৰা মুখস্থহে কৰে। প্ৰয়োগ কৰে আচলতে ইতৰ জীৱ-জন্তু সমূহেহে। বহুতো দিনচৰ প্ৰাণীয়ে দিনটোৰ কাৰ্য্যসূচী শেষৰাতিতেই আৰম্ভ কৰি দিয়ে। দিনটোৰ বেছিভাগ কাম সিহঁতে পুৱাবেলাতেই কৰি লয়। মনত হয়তো ভাব—পাছলৈ বতাহ বৰষুণো আহিব পাৰে উৎকট গৰমো হ'ব পাৰে বা খাদ্যবস্তুৰো অভাৱ হ'ব পাৰে। দিনটোৰ কাম এইদৰে যেনেকৈ ধলপুৱাতে আৰম্ভ কৰে শেষো কৰে সন্ধিয়াৰ আগতেই। আবেলি সময়তেই বগলী ভাটৌ পানীকাউৰীয়ে ঘৰলৈ বুলি চাপলি মেলে। আপুনি যদি এই চৰাই সমূহৰ দৈনন্দিন কাম কাজবোৰ কেইদিন মান একেলেথাৰিয়ে লক্ষ্য কৰি থাকে আৰু সিবিলাকৰ এক সময় তালিকা প্ৰস্তুত কৰে—দেখিব যে সিহঁতৰ প্ৰত্যেকেই সদায় এক নিৰ্দিষ্ট সময়তে কামবোৰ কৰি গৈছে। চৰাই বাহলৈ উভতিলেই আমি গধূলি হোৱাৰ সংকেত পাওঁ। গৰু ম'হ আদি ঘৰচীয়া জন্তু সমূহে সন্ধ্যাৰ আগে আগেই ঘৰলৈ আহে। আমাৰ হাতে হাতে ঘড়ী থাকিও আমি

ৰন্দুতো ক্ষেত্ৰত সময় ৰাখিব নোৱাৰো। অথচ ইতৰ জীৱজন্তুৱে ঘড়ী নোহোৱাকৈও কাটাই কাটাই কাম কৰাৰ কথা ভাবিলে তবধ মানিব লাগে।

পুৱাতেই ব্যস্ত হৈ পৰে পেটৰ চিন্তাত: ৰাতিপুৱাৰ লগে লগে ৰঙাটোকোলা শামুক ভঙা হাৰগিলা পথাৰ বিল আদিত হাজিৰ। বগলীয়ে মূৰ দুপিয়াই দুপিয়াই মাছ-পুঠি ধৰাত ব্যস্ত। কনামুচৰি খাল পুখুৰীৰ পাৰত চিকাৰৰ আশাত ধ্যানমগ্ন। মাছৰোকা ব্যস্ত লক্ষ্যভেদ কৰাত। দহিকতৰাই নেজ জোকাৰি জোকাৰি হয়তো পোক-পতংগৰে পাছ লৈছে। চেকচেকীয়ে পোক-পতংগৰ আশাতে পাতে পাতে বগাই ফুৰিছে। বাঢ়ৈটোকাই হয়তো তাৰ ঠোঁটৰ বটালটোৰে গছত ফুটা উলিয়াই পোক পতংগৰ অনুসন্ধান কৰিছে। এই সকলোৰে কেৱল এটাই চিন্তা—গধূলিৰ আগতে পেটটো কেনেকৈ পূৰাও? সময়ৰ কপালত গজা টিকনি গোছাত খামোচ মাৰি এনে ধৰণে কাম কৰাৰ ক্ষমতা আমাৰ মানুহৰ আছে জানো? বেছিকৈ ঠাণ্ডা পৰিলে আমাৰ বহুতে গাটোহে নালাগে মুখখন ধুবলৈকে টান পাও। অথচ সময় সচেতন পানীকাউৰী মণিয়ৰী আদি চৰায়ে তেনে ঠাণ্ডাতো নিৰ্দিষ্ট সময়ত পানীৰ মাজত ডুব দি মাছ-পুঠি বিচাৰি ফুৰে।

[তিনিঘণ্টাৰ গায়ক পানামা দ্বীপপুঞ্জত সৰু উটপখীৰ আকাৰৰ এজাত চৰাই আছে। চৰাইজাতৰ নাম পাইলিয়েটেড টিনামো। দিনতে হওক বা ৰাতিতে হওক, প্ৰতি তিনি ঘণ্টাৰ মূৰে মূৰে ইহঁতে গান গায়। সেইকাৰণে ইহঁতক তাত তিনিঘণ্টাৰ গায়ক চৰাই বুলিয়েই কোৱা হয়।]

আহাৰ খোৱাৰ সময়ৰ ওপৰত ভিত্তি কৰি আমি প্ৰাণী সমূহক দুভাগত ভাগ কৰো। দিনচৰ আৰু নিশাচৰ। বাঘ সিংহ শিয়াল হেঁপা মাচি ভালুক জহামাল উদ ভাকশলীয়া এন্দুৰ নিগনি বাদুলী ফেঁচা হুদু উৰহ পইতাচোৰা আদি নিশাচৰ প্ৰাণী। এনে বিলাক প্ৰাণী দিনত কাচিতহে দেখা যায়। আনহাতে বান্দৰ, হাতী গড় বনৰীয়া মহ বিভিন্ন জাতৰ পহু বনৰীয়া ছাগলী ভেৰা নীলগাই আদি দিনত চৰা প্ৰাণী। সন্ধ্যা হোৱাৰ লগে লগে ইহঁতে নিজৰ থকা ঠাইলৈ ওভটে। নিশাচৰ প্ৰাণীয়ে বোলে এ দিনমান দিনতে চৰিলেও বুলি কেতিয়াও নাভাবে। সেইদৰে দিনত চৰা প্ৰাণীয়েও ৰাতি আহাৰ বিচৰাৰ কথা কল্পনা কৰিব নোৱাৰে। আমাৰ দৰে ৰাতিক দিন কৰি আৰু দিনত ৰাতি কৰি কাম কৰাৰ স্বভাৱ সিহঁতৰ নাই। নিজৰ নিজৰ সময়ৰ প্ৰতি সিহঁত সম্পূৰ্ণ সচেতন। শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে বুলি আমি কওঁ যদিও শিয়াল প্ৰকৃততে ৰাতি নোশোৱেই। নিতৌ গধূলি আমণি কৰা ম'হ ডাঁহ কেইটাৰ কথাও ভাবকচোন। সন্ধ্যা হোৱাৰ লগে লগে আপোনাক জুমুৰি দি ধৰিব। অথচ দিনৰ হোৱাত সিহঁত আপোনাৰ কাষেই নাচাপে। আনহাতে যি কেইটা মহে ৰাতি আপোনাক আক্ৰমণ কৰে সিহঁত দিনৰ হোৱাতো ঘৰৰ চুকে কোণেই সোমাই থাকে। উদাহৰণ হ'ল তুলি, গৱেদ

আদিৰ তল বা বিছনাৰ কাঠৰ ফাঁক। উৰহ থকা বিছনা এখনতে যদি আপুনি দিনত শুই থাকে আপোনাক উৰহে নাকামোৰে। অথচ সেই একে কেইটা উৰহেই মাজনিশা আপোনাৰ জীৱন দুৰ্বহ কৰি তুলিব।



চিত্ৰ নং—৩

[উৰহ নিশাচৰ প্ৰাণী। একোটা উৰহ ৪৫ মিলিমিটাৰ পৰ্য্যন্ত দীঘল হয়। ইহঁতে কুষ্ঠৰোগ ঘাঁ পেৰা টাইফইদ আদি ৰোগ বিয়পয় উৰহৰ বাসস্থান হ'ল তুলি গাৰু আদিৰ তল আৰু চকি মেজ বিছনা আদিৰ ফাঁক। ইহঁতে মানুহৰ তেজ শুহি খায়। গাৰছাল ফুটাবৰ কাৰণে সন্মুখৰ ফালে এডাল জোঙা শুং থাকে।]

মৌ মাখি, ভোমোৰা আদি পতংগও সোনকালে শুই উঠে: পইতাচোৰা এনেয়ে বিচাৰিলে এটিও দেখা পোৱা নাযায়। অথচ গোটেই ৰাতি আমাৰ ৰান্ধনি ঘৰ, গুদাম ঘৰ আদিত সিহঁতৰে ৰাজত্ব। সিহঁত নিশাচৰ। গতিকে নিশাটোৰ ভিতৰতে আন্ধাৰে মুন্ধাৰে যিমান পাৰে খাই লয়। পখিলা ভোমোৰা মৌ মাখি আদিৰো সময় জ্ঞান দেখিলে আচৰিত হ'ব লাগে। দেৰিকৈ খাদ্য বিচাৰিলে পেট নভৰে বুলি ভাবি মৌ মাখি ৰাতি পুৱাই দৌৰাদৌৰিকৈ ফুলৰ মৌ গোটোৱাত লাগি যায়। মৌমাখি উই আদিয়ে আকৌ আকালৰ কথাও আগতীয়াকৈ ভাবে। গতিকে সময় পালেই সৰহীয়াকৈ খাদ্য সংগ্ৰহ কৰি সঞ্চয় কৰি থৈ দিয়ে।

[মৌ মাখিৰ সময় জ্ঞানো মন কৰিব লগীয়া মৌ মাখি এবিধসৰু পতংগ। কিন্তু সিহঁতৰো সময় জ্ঞান প্ৰখৰ। ১৯০৬ চনত আগষ্টে ফোৰেল নামৰ চুইজাৰলেণ্ডৰ এজন বিজ্ঞানীয়ে মৌ মাখিৰ ওপৰত এক পৰীক্ষা চলাইছিল। তেওঁ নিজৰ ঘৰৰ বাৰান্দাত প্ৰতিদিনে ৰাতিপুৱা চাহ খাবলৈ লওঁতে লʼফʼত জাম আৰু জেলি লগাই লৈছিল। বাৰান্দাৰ চাহ খাবলৈ লোৱা ঠাইতে জাম আৰু জেলিৰ ওচৰত সদায় মৌমাখি পৰিছিল। কিন্তু এদিনাখন ফোৰেলে ইচ্ছা কৰিয়েই বাৰান্দাত নবহি ওচৰৰ কোঠা এটাত বহি আনকালৰ সময়তে জাম জেলি সানি লʼফ খাবলৈ ললে। আচৰিত কথা যে সেইদিনাখনো মৌমাখিবোৰে আন দিনাৰ সময়তে বাৰান্দাত থকা চাহ খোৱাৰ টেবুলৰ খনতহে পৰিছহি। কাষৰ কোঠা টোতে ফোৰেলে জাম জেলি সানি লʼফ খাই থকা স্বত্বেও তালৈ সোমাই নগ'ল। ফোৰেলে সদায় একে সময়তে চাহ খাইছিল আৰু মৌ-মাখিবোৰো সদায় একে সময়তে আহিছিল।]

পোহনীয়া জন্তু বা চৰাইৰ ক্ষেত্ৰতো সময়-সচেতনতাৰ অনেক উদাহৰণ লক্ষ্য

পোৱা যায়। ধৰক, আপুনি ভাটৌ এটা পুহিছে আৰু তাক সদায় নিৰ্দিষ্ট সময়ত আহাৰ যোগাই আহিছে। আপোনাৰ খাদ্য যোগানৰ সময়ৰ অলপ ইফাল সিফাল হ'লেই মন কৰিব যে সি হয় চি ঞৰিবলৈ লৈছে আৰু নহয় খাদ্যৰ আশাত আগ্ৰহেৰে বাট চাই আছে। আপোনাৰ পোহনীয়া মেকুৰীটো বা কুকুৰটোৰ ক্ষেত্ৰতো দেখিব যে খোৱাৰ সময়ত সি'হত নিৰ্দিষ্ট ঠাইত হাজিৰ। আকৌ আপোনাৰ গাইগৰুজনী বা বলধটোৰ কথা ভাবকচোন। আপুনি দানা বনাওক—নবনাওক দানাখাবৰ সময়ত সি হত নিৰ্দিষ্ট ঠাইত হাজিৰ। সি হতে এই সময়বিলাক কেনেকৈ ঠিক কৰি লয়-সি এতিয়াও এক ৰহস্য হৈয়েই আছে।

পকৰাৰ পাখি গজিলেই মৰণ: প্ৰাণীজগতৰ জীৱনকালৰ বিভিন্ন সময় আহাৰ গোটোৱাৰ সময় বাঁহ সজাৰ সময় যোৰপতাৰ সময় বং খেমালিৰ সময় গাটো চাফ-চিকণকৈ লোৱাৰ সময় পোৱালী তোলাৰ সময় আনকি মৰণৰো নিৰ্দিষ্ট সময় থাকে। পৰুৱাৰ পাখি গজিলেই মৰণ বুলি একাষাৰ কথা আছে। কথাষাৰ সত্য। বহুতো পতংগৰ পাখি গজাৰ পাছতেই মৃত্যু হয়। একোটা পতংগৰ জীৱনত চাৰিটা অৱস্থা থাকে। কণী পলু লেটা আৰু পূৰ্ণাংগ। একোজাত পতংগৰ এই প্ৰতিটো অৱস্থাৰে একোটা নিৰ্দিষ্ট সময় থাকে। কণীটো জগাৰ কিমান দিনৰ মূৰত পলু হ'ব পলু হোৱাৰ কিমান দিনৰ মূৰত লেটা হ'ব আৰু লেটা হোৱাৰ কিমান দিনৰ মূৰত পূৰ্ণাংগ হ'ব—প্ৰত্যেকৰে নিৰ্দিষ্ট সময় সীমা থাকে। এই সময় বিলাক সদায় স্থিৰ। আমাৰ জীৱনতো কেচুৱা ল'ৰা বা ছোৱালী ডেকা বা গাভৰু আদহীয়া, বুঢ়া বা বুঢ়ী আদি বিভিন্ন অৱস্থা আছে। কিন্তু কেইবছৰ বয়সত ল'ৰাজন ডেকা হ'ব বা ডেকাজন গাভৰু হ'ব—তাৰ নিৰ্দিষ্ট সময়ত সীমা আছে জানো? সাৰ জাৰৰ পাওক নাপাওক একোজাত উদ্ভিদে সদায় নিৰ্দিষ্ট সময়ৰ মূৰত ফুলে গুটি ধৰে আৰু নিৰ্দিষ্ট সময়ৰ মূৰত মৃত্যুও বৰণ কৰে। গুটি গজাৰ পৰা ডাঙৰ হৈ ফল ধৰিবলৈ আমগছ এজোপাক লগা বছৰ কঠাল গছ এজোপাক লগা বছৰতকৈ বেলেগ। প্ৰতিজাত উদ্ভিদৰে এই সময়ৰ ব্যৱধান বেলেগ বেলেগ।

একোজাত প্ৰাণীয়ে নিৰ্দিষ্ট সময়ৰ মূৰত যৌৱন লাভ কৰীপাৰে বা পোৱালী জগায়। সকলো প্ৰাণীৰে যোৰ পতাৰো একো একোটা নিৰ্দিষ্ট ঋতু বা সময় থাকে। বছৰৰ সেই নিৰ্দিষ্ট সময়তে সি হত যোৰ পাতে। অকল সেয়ে নহয় যোৰ পতাৰ আগে আগে বহুতো চৰায়ে পৰিয়ালটোৰ বিষয়ে আগতীয়া চিন্তাও কিছু কৰে। সেয়ে কণীকেইটা বা পোৱালী কেইটা থবৰ কাৰণে আগতীয়াকৈয়ে বাঁহ একোটা সাজি থয়। একোজাত চৰায়ে কণীবিলাক কিমান দিন উমনি দিব আৰু একোজাত স্তন্যপায়ী প্ৰাণীয়ে একোটা কেচুৱা কিমান দিন গৰ্ভত ৰাখিব—তাৰো একোটা নিৰ্দিষ্ট সময় সীমা থাকে। একোজনী মাইকী ভেকুলীয়ে বছৰি একেটা সময়তে আৰু একেটা পুখুৰীতে কণী পাৰে।

[অংগ প্ৰত্যংগৰো ছন্দপতন হয় ঃ মানুহৰ দেহৰ অংগ প্ৰত্যংগে বোৰেও চৌবিশ ঘণ্টাৰ ভিতৰত এক নিৰ্দিষ্ট ক্ৰম অনুসৰি কাম কৰি থাকে। এই ক্ৰমত সামান্য বিজুতি ঘটিলেই মানুহজনৰ অসুবিধা হয়। মানুহৰ হৃদস্পন্দন, দেহৰ উষ্ণতা খাদ্য গ্ৰহণ শোৱাৰ সময় আনকি কিডনি, লিভাৰ পাচনতন্ত্ৰৰ ক্ৰিয়া বিক্ৰিয়াও এক নিৰ্দিষ্ট ছন্দ অনুসৰণ কৰি চলে। কেতিয়াবা কোনোবাটো অংগৰ কিবা কাৰণত বিকাৰ হ'লে তাৰ ছন্দপতন ঘটে। এই ছন্দপতনেই হ'ল ৰোগৰ আক্ৰমণ। খ্যাতনামা বিজ্ঞানী এৰউইন বানিঙৰ মতে মানুহৰ পাকস্থলী আৰু লিভাৰৰ মাজত এটি ছন্দময় সম্পৰ্ক থাকে। সেই ছন্দৰ পতন ঘটিলেই পেপ্টিক আলচাৰ ৰোগ দেখা দিয়ে।]

ভেকুলীৰ শীতনিদ্ৰাৰো নিৰ্দিষ্ট সময় আছে ঃ দিনত চৰা দুই এজাত প্ৰাণীক সম্পূৰ্ণ আন্ধাৰ কোঠাত ৰাখিও দেখা গৈছে যে সিহঁতে পোহৰ নেদেখিলেও কেতিয়া ৰাতি পুৱায়, কেতিয়া সন্ধ্যা হয় আৰু কেতিয়া কি কাম কৰিব লাগে বুজি পায় আৰু সেইমতেই কাম কৰে। ভেকুলী সাপ আদি বহুতো প্ৰাণীয়ে শীতৰ পৰা ৰক্ষা পৰিবলৈ বছৰৰ কেইটামান মাহ গাতৰ ভিতৰত সোমাই থাকে। পুনৰ গ্ৰীষ্মকাল আহিলেহে ইহঁত গাতৰ পৰা ওলায়। এজোজাত প্ৰাণীৰ শীতনিদ্ৰাৰ



চিত্ৰ নং—৪

[ধূসৰাজ চৰাইটোৰ আকৃতি আমাৰ ৰাজহাঁহৰ দৰে। ইহঁতৰ মূৰৰ ওপৰত পাখিলৈকে দুটা ক'লাৰঙৰ আঁচ থাকে। ধূসৰাজ ভ্ৰমণকাৰী চৰাই। ইহঁত শীতকালিহে আমাৰ ইয়ালৈ আহে আৰু আমাৰ পুখুৰী বিল নদী আদিত পৰেহি। গ্ৰীষ্মৰ আগে আগে পুনৰ উত্তৰৰ দেশ সমূহলৈ উভতি যায় গৈ।]

সময় সদায় একেই থাকে। অকল সেয়ে নহয় পাতিত যিহেতু খাদ্যবস্তু একো নাপায় গতিকে শীতনিদ্ৰাৰ আগে আগে অধিক খাদ্য খাই দেহত চৰ্বি সঞ্চয় কৰি থৈ দিয়ে। ভ্ৰমণকাৰী চৰাই সমূহেও দূৰভ্ৰমণলৈ ওলোৱাৰ আগতে সৰহীয়াকৈ খাদ্য খাই দেহত চৰ্বি সঞ্চয় কৰি থয়। এই চৰ্বিয়েই পাতিত থকা ভেকুলী আৰু দূৰ ভ্ৰমণকাৰী চৰাই দুয়োকে শক্তিৰ যোগান ধৰে।

চৰাইৰ ভ্ৰমণসূচীও মনকৰিবলগীয়া : ভ্ৰমণকাৰী চৰাইসমূহে বছৰি এক নিৰ্দিষ্ট সময়ত এক নিৰ্দিষ্ট পথেৰে এখন দেশৰ পৰা আন এখন দেশলৈ গতি কৰে। সাধাৰণতে শীতপ্ৰধান দেশৰ চৰাইসমূহে বছৰৰ এক নিৰ্দিষ্ট সময়ত শীত যেতিয়া খুব প্ৰবল হয় তেতিয়াই শীতৰ পৰা ৰক্ষা পৰিবৰ কাৰণে বিদেশলৈ উৰা মাৰে। গ্ৰীষ্মপ্ৰধান দেশত কিছুদিন থকাৰ পাছত এক নিৰ্দিষ্ট সময়ত আগৰ নিৰ্দিষ্ট পথেৰেই পুনৰ নিজ দেশলৈ উভতি যায়। পৰীক্ষা কৰি দেখা গৈছে যে বহুতো ভ্ৰমণকাৰী চৰায়ে প্ৰতি বছৰে একেটা তাৰিখতে আৰু একেটা সময়তে ভ্ৰমণলৈ ওলায়। ভ্ৰমণৰ সময় হ'লে কেচুৱা বা বুঢ়ীয়া পোন্‌পোৱালী এৰিও মাক বাপেকে ভ্ৰমণলৈ যোৱাৰ উদাহৰণ আছে। চাকৈ-চকোৱা বালিমাহী খঞ্জন দেওবাজ আদি বিভিন্ন জাতৰ চৰাই শীতকালি আমাৰ দেশলৈ আহে। শীতকাল অন্ত হোৱাৰ লগে লগে পুনৰ উত্তৰৰ দেশসমূহলৈ গুচি যায়গৈ। ঠিক সেইদৰে কেতেকী চৰাই আমাৰ ইয়াত বসন্তকালৰ অতিথি। কুলি কেতেকীৰ মাত বালিমাহীৰ আবিৰ্ভাৱ মনবীয়া হাঁহৰ উৰণীয়া জাক একোটাই আমাক একো একোটা ঋতুৰ কথাও সোঁৱৰাই দিয়ে।

তিৰুকালুকুন্দ্ৰম দক্ষিণ ভাৰতৰ এক পবিত্ৰ তীৰ্থস্থান। তামিলনাডুৰ চিংলিপুট আৰু মহাবালীপুৰমৰ সংযোগপথৰ কাষতে এই তীৰ্থস্থান। দুজনী চিলনী প্ৰতি চৌবিশ ঘণ্টাৰ মূৰে মূৰে দুপৰীয়াৰ ঠিক আগমুহূৰ্তত এই তীৰ্থস্থানত উপস্থিত হয়। মন্দিৰৰ পুৰোহিতে নিতৌ ইহঁত ভক খাবলৈ দিয়ে আৰু তাৰ পাছতেই ইহঁত উৰি গুচি যায়। বছৰটোৰ ৩৬৫ টা দিনত সদায় একেই সময়। বংশানুক্ৰমে যুগ যুগ ধৰি চৰাইহালৰ এনে কাৰ্য্য সঁচাই বিস্ময়কৰ। নিতৌ দুপৰীয়াৰ আগজাননী দিয়া চৰাইহালৰ সময় জ্ঞান দেখিলে তবধ মানিব লাগে। এই সম্পৰ্কে হিন্দুসকলৰ মাজত প্ৰচলিত এক কাহিনীও আছে। কাহিনী এনে ধৰণৰ। চিলনী দুজনী আচলতে হেনো দুজন সন্ন্যাসীহে। চিলনীৰ ৰূপত আছে। বাৰাণসীৰপৰা ৰামেশ্বৰমলৈ উৰি যোৱাৰ পথত এই চৰাইযোৰ খন্তেক সময় তিৰুকালুকুন্দ্ৰমৰ মন্দিৰত জিৰায় আৰু দুপৰীয়াৰ ভোজন কৰে।

চৰাইৰ সময় সচেতনতাৰ কথা কওঁতে অসমৰ প্ৰখ্যাত চিকাৰী অৰুণৰাম ফুকনৰ এটি সৰু ঘটনাৰ উল্লেখ কৰা ভাল হ'ব। ফুকনে এবাৰ চকৱাদত চিকাৰ কৰিবলৈ যাওঁতে হাতঘড়ীটো থাকি গৈছিল। ফুকনৰ নিজৰ কথাৰেই কওঁ—"চিকাৰলৈ আহিলে পুৱাতি নিশা তিনি চাৰি বজাৰ ভিতৰত উঠিবই লাগিব। নহ'লে চিকাৰ মিছা। এবাৰ ঘড়ীটো পাহৰি এৰি থৈ আহিছিলো। ফলত কোনোতে চিকাৰৰ উৎসাহ

কমাই দিয়াত বন্ধ মিকিৰ স্বৰ্গীয় কাণ্ডিৰাম ওৰফে কাণ্ডিৰাম চকীদাৰে মুখভৰা হাঁহিৰে আশ্বাস দি ক'লে—মোৰ এটা ঘড়ী আছে। আনি দিম। তই চিন্তা নকৰিবি। তাৰ ঘড়ী থকাৰ কথা শুনি মই আচৰিত হ'লো। তথাপিও আশী বছৰীয়া বন্ধ মিকিৰৰ কথা মই মানি ল'লো। অলপ পাছতে সি বৰ বাৰাল কুকুৰা এটা আনি দি ক'লে—নে ঘড়ী। চাবি দিব নালাগে। তিনি বাজি আধা ঘণ্টাত সি এবাৰ দুবাৰ মাতিব। আকৌ পাঁচ বজাত মাতিব। কেতিয়াবা ঘড়ীৰ লগত মিলাই চাবি ঠিক পাবি।' স'চাকৈয়ে ফকনেও সেই কুকুৰাটোকে ঘড়ী হিচাবে ব্যৱহাৰ কৰি সেইবাৰ চিকাৰ আৰম্ভ কৰিলে।

শাৰীৰিক কামকাজেও সময়ৰ সংকেত দিয়ে : গছৰ পাতবিলাকৰ গতি (movement) পইতাচোৰা মহ বা আন পোক-পতংগৰ সক্ৰিয় হোৱাৰ সময়, দিনটোৰ বিভিন্ন সময়ত হোৱা মানুহৰ তাপৰ পৰিবৰ্তন তিৰোতাৰ দুবাৰ ঋতুস্ৰাৱৰ মাজৰ ব্যৱধান, গৰ্ভধাৰণৰ সময় আদি জীৱজগতৰ বহুতো শাৰীৰিক কাম কাজ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে হৈ থাকে। সুস্থ মানুহ এজনৰ হৃদপিণ্ডটো মিনিটত ৭২ বাৰ স্পন্দিত হয়। দিনটোৰ ভিতৰত একোটা নিৰ্দিষ্ট সময়ত মানুহৰ প্ৰস্ৰাৱত ছ দিয়াম, পটেচিয়াম ক্ল'ৰিণ আদিৰ পৰিমাণ বাঢ়ে। এজমাত ভোগা ৰোগী সকলে সাধাৰণতে পুৱাৰ ভাগতেই মৃত্যুবৰণ কৰে। তেজত থকা ইয়চিনফিলৰ পৰিমাণৰ লগত ইয়াৰ সম্পৰ্ক। শৰীৰৰ ভিতৰত থকা হৰমোনসমূহেই সাধাৰণতে আমাৰ শৰীৰৰ ভিতৰত নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নানান ক্ৰিয়া প্ৰক্ৰিয়াৰ সৃষ্টি কৰে।

আমাৰ সমাজত ছোৱালী এগৰাকীৰ কন্যাকালৰ বয়স সাধাৰণতে তেৰৰ পৰা পোন্ধৰ বছৰ। মাহেকীয়া ঋতুস্ৰাৱৰ সময়ৰ ব্যৱধান গড় হিচাবত ২৮ দিন বুলি ধৰিব পাৰি। ইও আমাক নিৰ্দিষ্ট সময়ৰ ব্যৱধানৰ সংকেত দিয়ে। কিন্তু পাৰিপাৰ্শ্বিকতা বা পৰিবেশৰ পৰিবৰ্তনে এনে সময়সূচীতো ব্যাঘাত জন্মায়। উদাহৰণস্বৰূপে অন্ধ ছোৱালীবিলাকৰ ক্ষেত্ৰত দিন ৰাতিৰ পাৰ্থক্যৰ প্ৰভাৱ তেওঁলোকে অনুভৱ নকৰে আৰু ইয়াৰ ফলতেই তেওঁলোকৰ ঋতুস্ৰাৱ হিচাবতকৈ সোনকালে হয়। আনহাতে বিমান পৰিচাৰিকা (Air hostess) সকলৰ ক্ষেত্ৰত দেখা গৈছে যে তেওঁলোকৰ ঋতুস্ৰাৱ প্ৰায়েই অনিয়মীয়া হয়। অনিয়মীয়াকৈ দিনে ৰাতিয়ে কাম কৰাৰ কাৰণেই পোহৰ আৰু আন্ধাৰৰ প্ৰভাৱ তেওঁলোকৰ দেহত নিয়মিতভাৱে নপৰে আৰু তাৰ ফলতেই এনে হয় বুলি জানিব পৰা হৈছে।

উত্তাপ, আৰ্দ্ৰতা পোহৰ আন্ধাৰ আদিৰ প্ৰভাৱ প্ৰকৃততে প্ৰাণী একোটাৰ স্নায়ুতন্ত্ৰৰ ওপৰত পৰে। আনহাতে স্নায়ুতন্ত্ৰই জীৱদেহৰ সকলো শাৰীৰিক আৰু ৰাসায়নিক কাৰ্য্য নিয়ন্ত্ৰণ কৰে। এনে সম্পৰ্কৰ ফলতে একোটা বিশেষ পৰিস্থিতিৰ লগত খাপ খাই থাকিব পৰাকৈ একোজাত প্ৰাণীৰ দেহত বিদ্যমান বিশেষ লক্ষণে দেখা দিয়ে। সেয়ে পাৰিপাৰ্শ্বিকতাৰ বেলেগ বেলেগ অৱস্থাত প্ৰকাশ পোৱা প্ৰাণীদেহৰ লক্ষণ বিদ্যমানে আমাক নিখুঁত সময়ৰ সংকেত দিয়ে।

প্ৰাণীসমাজত প্ৰেম-প্ৰীতি

"উৰুলীয়া চৰায়ে উৰে যোৰে পাতি আমাৰ যোৰ পাতোতা নাই" বুলি কিমান ডেকাগাভৰুৱে যৌৱনৰ ভৰ দুপৰত প্ৰেম সূৰ্য্যৰ প্ৰখৰ তাপত দেই পুৰি মৰে কিমানৰ মন ইচাট বিচাট কৰে কিমানৰ আমঠু ক'লা পৰি যায়—তাৰ লেখ লয় কোনে? কেৱল চৰায়েই নহয়—ইতৰ জীৱজন্তু পোকপতংগ মাছ কাছ সকলোৰে ক্ষেত্ৰত প্ৰেম প্ৰীতি, দিয়া লোৱা আৰু এৰা ধৰাৰ চানেকি ইমানেই উন্নত আৰু উচ্চ যে মানুহৰ ঈৰ্ষা লগাটোৱেই স্বাভাৱিক। নাট গীত নাচ মাত আদিৰ দৰে বহুবিধ কলাৰ অধিকাৰী হৈও প্ৰেম-প্ৰীতিৰ ক্ষেত্ৰত মানুহজাতি জীৱজন্তুৰ তুলনাত আজিও বহুত দুখীয়া।

প্ৰতিটো প্ৰাণীৰে পতি বা পত্নী বচাৰ স্বাধীনতা থাকে • প্ৰাণ বা প্ৰেম-নিবেদনৰ ব্যৱস্থা দেখিলে তবধ মানিব লাগে। সিহঁতৰ তোমাৰ মনে গ'লে—মোৰো মনে গ'লে, দুটি মনৰ মিল হ'লে আৰু এটাই আনটোক হিয়া উজাৰিয়াই ভাল পালেহে প্ৰেম-নিবেদন কৰিবলৈ পৰস্পৰ আগবাঢ়ি আহে। তাৰ কাৰণে কোনোবাই কাৰোবাক নিজৰ নিজৰ ভাষাৰে আকুল কণ্ঠেৰে মাতে কোনোবাই কাৰোবাক নাচি দেখুৱায়, কোনোবাই কাৰোবাক আলফুলকৈ মৰম কৰি দিয়ে আৰু দুই একে আকৌ দুই এটা উপহাৰ যাচিয়েই প্ৰেমিক বা প্ৰেমিকাৰ মন জয় কৰিবলৈ বিচাৰে। প্ৰেমিকাই এনেবিলাক কথাত ভোল গৈ তেনে গায়ক নাচনী বা মৰম কৰোতাজনক পতিৰূপে গ্ৰহণ কৰে। কিন্তু নকৰিলেও সিহঁতৰ আপত্তি নাই। প্ৰতিটো প্ৰাণীৰে পতি বা পত্নী বচাৰ নিজ নিজ স্বাধীনতা থাকে। এই স্বাধীনতাত কোনেও কাকো হস্তক্ষেপ নকৰে। মানুহৰ দৰে জোৰ জুলুম কৰা পলুৱাই নিয়া বলাৎকাৰ কৰা বা ধন সোণ আ-অলংকাৰ দি বশ কৰিবলৈ চেষ্টা কৰা আদি কথা প্ৰাণী সমাজত নাথাটে।

তেনেই সাধাৰণ প্ৰাণী—মাখিবিলাকলৈকে যদি আমি চাওঁ কি দেখো? ইহঁতৰ মতাটোৱে নাচি নাচিয়েই প্ৰেমিকাৰ মন ভাল লগাবলৈ চেষ্টা কৰে। অকল সেয়ে নহয় কিবা খোৱা বস্তু অকণমান গোটাই মাইকীজনীক উপহাৰ দিয়ে। মাইকীজনীয়ে এনে উপহাৰ গ্ৰহণ কৰা মানেই উপহাৰ দিওতাজনকো গ্ৰহণ কৰা। কিন্তু কেতিয়াবা তাই সেই উপহাৰ নলয়ো। তেনে অৱস্থাত মতাটোৱে মনৰ দুখ মনতে সামৰি আঁতৰি যায়। সি হয়তো প্ৰেম নিবেদনত ব্যৰ্থ হৈ অন্তৰত আঘাত পায় কিন্তু আমাৰ দৰে প্ৰতিশোধ লোৱাৰ কথা কাচিতো নাভাবে।

দুই এক তিৰোতাই স্বামীৰ দেহকে ভক্ষণ কৰে: এজাত কেকোৰাৰ মতাটোৱে মাইকীজনীৰ মন ভাল লগাবলৈকে দিনৰ দিনটো তাৰ বগচুৰা ঠেং বৈইদন

জোকাৰি নাচি থাকে। মাইকীজনীয়ে যদি কিবা সঁহাৰি জনায়, তেন্তেই। যদি নজনায়, ৰাতিটো জিৰণি লৈ পাছদিনা পুনৰ পুনৰ নাচিবলৈ লয়। প্ৰাণীসমাজত প্ৰেম নিবেদন কৰোতে মতাবিলাকে অশেষ কষ্ট আৰু ধৈৰ্য্যৰ পৰিচয় দিয়ে। প্ৰাণীক কেতিয়াবা নিজৰ জীৱনকে উচৰ্গা কৰিব লগাত পৰে। দুই এজাত মকৰাৰ মাইকী-জনীয়ে স্বামীৰ দেহকে ভক্ষণ কৰে। ইহঁতৰ মতাবিলাক আকাৰত সৰু। গতিকে মাইকীজনীয়ে হেনো মতাটোক কিবা খোৱা বস্তু বুলিহে ভাবে। এনে অৱস্থাত মতাটোৱে অতি সাৱধানেহে মাইকীজনীৰ কাষ চাপিব লগাত পৰে। কিছুমান মতা মকৰাই আকৌ জালেৰে ফান্দপাতি মাইকীজনীক জব্দ কৰিয়েই লয় আৰু তেনে অৱস্থাতেই তাইৰ লগত যৌন-সম্ভোগ কৰে। গাগিনীৰ মতাবিলাকে আকৌ মাইকীজনীৰ ওচৰ চাপিবলৈ এক কৌশলকে অৱলম্বন কৰে। ইহঁতৰ মতাটোৱে মাইকীজনীৰ কাৰণে পোক পতংগ একোটা মাৰি লৈ যায় আৰু মাইকীজনীৰ মুখৰ আগতে ৰাখে। মাইকীজনীয়ে সেই পোক পতংগ খাই শেষ কৰে মানে মতাটোৱে যৌন সম্ভোগ কৰি থিতাতে পলায়। বৰশিচকৰ মতাবিলাকৰো সেই একেই অৱস্থা। যৌন সম্ভোগ কৰাৰ পাছতেই মাইকীজনীয়ে মতাটো খাই পেলায়। প্ৰকৃতিজগতৰ এইয়া জনসংখ্যা নিয়ন্ত্ৰণৰ ব্যৱস্থাও হ'ব পাৰে। আমাৰ সমাজত পুৰুষেহে তিৰোতাক মাৰ কিল কৰাৰ উদাহৰণ আছে। কিন্তু পতংগৰ সমাজত ওলোটা। সিহঁতৰ মতাটোৱেহে তিৰোতাৰ চৰ ভুকু খাই শেষত জীৱনটোকে উচৰ্গা কৰিবলগাত পৰে।

চিত্ৰ নং – ৫

[গাগিনী মাংসভোজী পতংগ। সৰু সৰু পোক-পতংগই ইহঁতৰ খাদ্য। আগঠেং যোৰাৰ ভিতৰফালে কাইটৰ দৰে কিছুমান উঠঙা অংশ থাকে। গতিকে ইয়াৰ সহায়ত পোক-পৰুৱা চেপা মাৰি ধৰে। গাগিনী বৰ খকুৱা পতংগ। ইহঁতৰ মাইকীজনীয়ে নিজৰ মতাটোকে খাই পেলায়। সেই কাৰণে যৌন মিলনৰ কাৰণে আগবাঢ়োতেও মতাটোৱে খুব সাৱধানেহে মাইকীজনীৰ কাষ চাপিব লগা হয়।]

ম'হৰ মাইকীবিলাকে গীত গায়েই পুৰুষক আকৰ্ষণ কৰে: ম'হৰ কোনকোনটি প্ৰকৃততে পাখিৰহে শব্দ। পাখি কেইখন উঠা নমা কৰিয়েই ম'হে এই শব্দৰ সৃষ্টি কৰে। ইয়াৰ উপৰি ম'হে মুখেৰেও একপ্ৰকাৰ শব্দ কৰে। এইয়া হ'ল সিহঁতৰ প্ৰণয়ৰ গীত। ম'হৰ মুখেৰে কৰা শব্দবিলাক ইমান সৰু যে আমি শুনি নাপাওঁ। কেৱল ম'হেহে শুনে। এই শব্দ সৃষ্টি কৰিব পৰা ক্ষমতাও আকৌ মাইকী ম'হৰহে থাকে। আচৰিত কথা যে আমি ওচৰতে থাকিও নুশুনা শব্দ মতা ম'হবিলাকে কেইবা মাইলো দূৰৈৰ পৰাই শুনে আৰু প্ৰেমিকাৰ ওচৰলৈ চাপলি

মেলে। বেচিত্ৰাপ প্ৰাণীবে যোৰ পাতোতে দেখা যায় যে এটাই আনটোক যখন চেনেহেৰেই ওচৰ চপাই আনে। যোৰ পতাৰ সময়ত বৰ্শিচৰ, মকৰা আদিয়েও এক নিৰ্দিষ্ট ভঙ্গীমাত নাচিবলৈ লয়। এনে নাচত মতাটোৱেহে সাধাৰণতে আগভাগ লয় আৰু ইয়াৰো উদ্দেশ্য থাকে। মাইকীজনীৰ যদি যোৰ পাতিবলৈ ইচ্ছা নাথাকেও বা সেই সময়ত মতাটোৰ প্ৰতি তাইৰ খঙো উঠি থাকে তথাপি মতাটোৰ নাচেই তাইক সকলো পাহৰাই পেলায় আৰু অৱশেষত তায়ো কামাতুৰ হৈ উঠে। পাছলৈ মাইকীজনীয়েও মতাটোৰ লগতে নাচিবলৈ লয়।

[আকাশত উৰি থকা অৱস্থাতে যৌন-মিলনত লিপ্ত হোৱা পতংগও আছে। মৌ-মাখিৰ ৰাণীজনীয়ে আকাশলৈ উৰি যাওতে লগে লগে মতাবোৰেও চাপলি মেলে। ৰাণীজনীয়ে তাৰে এটাৰ লগত যৌন মিলনত লিপ্ত হয়। কিন্তু এই মিলনেই মতাটোৰ মৃত্যুও ওচৰ চপাই আনে। মিলনৰ পাছত মতাটোৰ যৌনাংগ ইমান জোৰত উলিয়াই দিয়া হয় যে তাৰ ফলতে মৃত্যুৱেই হয়।]

দক্ষিণ আমেৰিকাৰ এজাত মৌমাখিয়ে হেনো গছে পাতে পৰি থকা ডি ডি টি পাওদাৰবোৰকে ফুলৰ বেণু বুলি ভাবি সংগ্ৰহ কৰে। পাছত নিজৰ ভুলৰ কথা বুজি পায় যদিও পাওদাৰখিনি পেলাই নিদিয়ে। সিহঁতে সেই পাওদাৰকে নিজে থকা অঞ্চলৰ চাৰিওফালে অত তত লগাই চাৰিসীমাৰ চিন দি থয়। দুই এক আকৌ এই পাওদাৰকে প্ৰেমিকাক দেখুৱাই প্ৰেমিকাৰ মন ভুলাবলৈও চেষ্টা কৰে।

সাগৰত থকা ক্ৰে ফিচ (Cray fish) নামৰ এজাত মিছা মাছৰ মতাটোৱে প্ৰেমিকাক আকৰ্ষণ কৰিবলৈ যন্ত্ৰ সঙ্গীতৰে ব্যৱস্থা কৰে। সি তাৰ দীঘল শুংকেইডাল ঠোঁটটোত ঘহাই ঘহাই এক মধুৰ সুৰৰ সৃষ্টি কৰে। মাইকীজনী এই সুৰতে মতলীয়া হৈ পৰে। প্ৰাণীসমাজত জীৱন সঙ্গিনী এজনী লাভ কৰা সঁচাকৈয়ে কষ্টকৰ কাম। ধুনীয়া ধুনীয়া মতা পখিলাবিলাকেও প্ৰেমিকৰ গালৈ সুগন্ধি পাওদাৰ ছটিয়াই মন ভাল লগাব লগাত পৰে। গছত থকা এজাত উইচিকিওৰ মতাটোৱে লগত অকণমান মাদকদ্ৰব্যকে লৈ ফুৰে। সি ভাল পোৱা মাইকীজনীক তাৰে অকণমান খুৱাইহে সন্তুষ্ট কৰিবলগাত পৰে। সাগৰীয় ঘোঁৰাৰ মতা মাইকী হালেও যোৰ পাতিবৰ সময়ত নাচি নাচি ইটোৱে সিটোক সাৱটি ধৰে। এই সময়তে মাইকীজনীয়ে তাইৰ কণীবিলাক মতাটোৰ পেটৰ ফালে থকা মোনাটোত সুমুৱাই দিয়ে। পাছত মতাটোৰ সেই মোনাতে কণী ফুটি পোৱালী জগে।

জেঠীয়ে মেজ জোকাবিয়েই প্ৰেম নিবেদন কৰে : বহুতো ক্ষেত্ৰত যোৰ পাতিবলৈ মাইকীজনী সৈমান নহ'লে মতাটোৱে ভয় খুৱাই বা আক্ৰমণ কৰাৰ ভাও ধৰিয়েই তাইক সৈমান কৰাবলৈ বিচাৰে। দুই এজনীয়ে আকৌ এনে ভয়লৈ পৰোৱাই নকৰি মতাটোৰ মন ভাল লগাবলৈ চেষ্টা কৰে আৰু কোনোবা অলকত ঠাইত আঁতৰি পলায়। বহুতো মাছৰ মাইকীবিলাকে মতাৰ

আক্ৰমণৰ পৰা হাত সাৰিবলৈ মতাবিলাকৰ পেটৰ তলেদিয়েই পাৰ হৈ যায়। দুই এক কণী থকা মাইকী মাছে আকৌ শকত পেটটো দেখুৱায়েই মতাবিলাকক ভয় খুৱাবলৈ যত্ন কৰে। আমাৰ বেৰে ছালে বগাই ফুৰা জেঠীবিলাকৰ যোৰপতাৰ সময়ত মতা মাইকী হালেই নেজডাল জোকাৰি জোকাৰি ইটোৱে সিটোৰ মন ভাল লগাবলৈ বিচাৰে।



চিত্ৰ নং—৬

[ওপৰত চিত্ৰত থকাৰ দৰে সামুদ্ৰীয় ঘোঁৰাৰ মতা বিলাকৰ পেটৰ ফালে একোটা মোনা থাকে। এই মোনাতে কণীবিলাক জগাই লৈ মতাবোৰে উমনি দিয়ে। মুখখন সম্মুখৰ ফালে আগবঢ়া। নেজডাল পাকখোৱা। যোৰপতাৰ সময়ত মতা মাইকীহালে নাচি নাচি ইটোৱে সিটোক সাৱটি ধৰে।]

ড্ৰেগ'নেট (Dragonet) নামৰ এজাত মাছৰ প্ৰেম নিবেদনৰ ব্যৱস্থাও বৰ কৌতূহলজনক। মতা টোৱে প্ৰথম অৱস্থাত বৰ জোৰেৰে ইফালে সিফালে গৈ সেই ঠাইৰ আন মতাবোৰক ভয় খুৱাই খেদাই দিয়ে। তাৰ পাছত সি ফানবিলাক বিভিন্ন ধৰণেৰে কোৱাই মাইকীজনীৰ চাৰিওপিনে সাঁতুৰি ফুৰে। কিছু সময় এনেকৈ সাঁতোৰাৰ পাছত সি তাৰ মৰম দুয়োকাষে থকা ফান দুখন মাইকীজনীৰ পেটৰ তলেদি সমুৱাই আলফুলকৈ মৰম কৰি দিয়ে। তাৰ পাছত মতা মাইকী হালেই দুয়ো একেলগে সাঁতুৰি সাঁতুৰি পানীৰ ওলিলৈ যায় আৰু তাতহে যৌন মিলনত লিপ্ত হয়।

বিটাৰ লিং (Bitterling) নামৰ মাছ জাতৰ ক্ষেত্ৰত কিন্তু মতাটোৱে মাইকীজনীক পোনতে আক্ৰমণ কৰিহে প্ৰেম নিবেদন কৰিবলৈ বিচাৰে। মাইকীজনীৰ অৱশ্যে যোৰ পাতিবলৈ মন নাথাকিলে মতাটোৰ আক্ৰমণৰ আগতেই পলাই যায় আৰু কেতিয়াবা মতাটোৰ তলেদি ঠাইতে পাৰহৈ মতাটোৰ আক্ৰমণৰ পৰা সাৰে। মতাটোৱে আক্ৰমণ কৰিবলৈ সুবিধাকে নাপায়। খন্তেক পাছত অৱশ্যে সিও আক্ৰমণকাৰীৰ ভূমিকা এৰি মাইকীজনীক মৰম কৰিবলৈকে লয়।

এজাত মাছ আছে, নাম ষ্টিকোল বেক (stickle back)। মাছজাতৰ গাত তিনিডাল ডাঙৰ কাঁইট থাকে। এই মাছজাতৰ মতাটোৱে পানীৰ একেবাৰে তলত শেলুৱৈৰে আঁহবোৰেৰে একোটা বাঁহ সাজে। বাঁহটো সজাৰ পাছত মতাটোৰ পেটৰফালৰ ৰং ডাঠ ৰঙচুৱা আৰু চকুকেইটা উজ্জ্বল হৈ পৰে। এনে হোৱাৰ কাৰণেই সি দেখাত বৰ আকৰ্ষণীয় হৈ পৰে। মাইকী এজনী বাঁহটোৰ ওচৰলৈ নহালৈকে সি বাঁহটোৰ ওচৰে পাজৰে ঘূৰি ফুৰে। এই সময়ত মাইকীজনীয়ো গাৰ ৰং ৰূপৰ

দৰে জিলীক উঠে আৰু কণীবে সেতে পেটৰ অংশটো ফুলি পৰে। মতাটোও এই ৰূপেতে ভোল যায় আৰু মাইকীজনীৰ চাৰিওপিনে সাঁতুৰি সাঁতুৰি নাচিবলৈ ধৰে। নাচ মানে অৱশ্যে কিছুমান জাপহে। কেইটামান জাপত মাইকীজনীৰ ওচৰৰ পৰা আঁতৰি অলপ দূৰলৈ যায় আৰু পাছত পুনৰ জাপ মাৰি মাৰি মুখখন মেলি মাইকীজনীৰ তেনেই কাষ পায়হি। মাইকীজনীৰ তেনেই কাষতে খন্তেক ৰয় আৰু পুনৰ জাপ মাৰিবলৈ লয়। মাইকীজনীয়েও মতাটোৰ এনে নাচতে আকৰ্ষিত হয়। দুয়ো ওচৰা ওচৰিকৈ খন্তেক ৰয় আৰু তাৰ পাছত আগতে সাজি থোৱা বাঁহটোৰ ওচৰলৈ যায়। মতাটোৱে বাঁহলৈ সোমোৱা বাটটো দেখুৱাই দিয়ে আৰু মাইকীজনী সোমাই যায়। তাৰ পাছত মতাটোৱে তাৰ মুখটো মাইকীজনীৰ পেটৰফালে থকা ফান দুখনৰ মাজত লাহেকৈ লগাই দিয়ে আৰু লাহেকৈ দ'বাব এবাৰ খুন্দিয়ায়। তাৰ খন্তেক পাছতেই মাইকীজনীয়ে কণী পাৰে আৰু মতাটোৱে তাৰ শুক্ৰকীটৰ দ্বাৰা সেইবিলাক নিষিক্ত কৰে। পোৱালীবিলাকৰ লালন পালনৰ দায়িত্বও মতাটোৱেই ল'ব লগাত পৰে।

আচৰিত কথা যে দক্ষিণ প ব এচিয়াত থকা গোৰামি নামৰ মাছ এজাতৰ এটাই আনটোক চুমা খাবও জানে। অৱশ্যে গোৰামি মাছে আন জাতৰ মাছকো দেহৰ বিভিন্ন ঠাইত জোৰেৰে চুমা খোৱা দেখা যায়। বহুতে ইয়াক আক্ৰমণৰ এক কৌশল বুলিহে ক ব খোজে। কিন্তু নিজৰ জাতৰে মতা মাইকী হালে যেতিয়া মুখত ম থ

চিত্ৰ নং—৭

[দক্ষিণ-পূৰ এচিয়াত গোৰামি নামৰ এই মাছজাত পোৱা যায়। মাছৰ মতা মাইকী-এহালেও যে মৰমতে ইটোৱে সিটোক বহুত সময় ধৰি চুমা খাই থাকিব পাৰে ভাবিলে আচৰিত লাগে। কিন্তু গোৰামি মাছে তাকেই কৰে।]

লগাই বহুত সময় ধৰি চুমা খাই থাকে। ই সিংহৰ প্ৰেমনিবেদনৰে এক ইঙ্গিত। চুমা খোৱাৰ আগে আগে মতা মাইকী হালে বহুতসময় এটাই আনটোৰ চাবিওপিনে সাঁতুৰি ঘূৰি ফুৰে।

বাৰিষাৰ ভেকুলিৰ টোৰটোৰণিও প্ৰকৃততে এক প্ৰেম নিবেদনৰ কৌশলহে। মতা ভেকুলীৰ ঠোঁটৰ তলত একোটা স্বৰকুলী (vocal sac) থাকে। ইয়াত বায়ু ভৰাই লৈ আৰু পাছত তাকে লাহে লাহে এৰি দি টোৰটোৰণিৰ সৃষ্টি কৰে। মতা ভেকুলীৰ টোৰটোৰণিয়েই মাইকী ভেকুলীক আকৰ্ষণ কৰে। আমেৰিকাৰ বুলফ্ৰগ (Bull frog) নামৰ ভেকুলীজাতৰ মাতবোৰ হেনো ইমানেই ডাঙৰ যে এমাইল মান দূৰৈৰ পৰাই শুনা যায়।

চৰাই আৰু জন্তুৰ সমাজত মাইকীবিলাকৰ তুলনাত মতাবিলাকেই বেচি ধুনীয়া আৰু স্বাস্থ্যবান। তদুপৰি যোৰপতাৰ সময়ত বহুতো চৰাইৰ গাত ধুনীয়া ধুনীয়া পাখি গজি উঠে, মাতবোৰো সুললিত হয়। এনে ব্যৱস্থাৰ কাৰণেও তিৰোতা এজনী লাভ কৰাটো মতাবিলাকৰ কাৰণে সহজ হৈ পৰে। উদাহৰণ স্বৰূপে কুকুৰাৰ মূৰৰ ৰঙা ফুলপাহ মৰা চৰাইৰ দীঘল পাখিবিলাক কুলি চৰাইৰ ফুটুকা ফুটুকী পাখিবিলাক হৰিণৰ দীঘল ঠাল ঠেঙ লি মেলা শিংবিলাক হাতীৰ দীঘল দীঘল দাঁতবোৰ আৰু সিংহৰ কেশৰবিলাক সিহঁতৰ কেৱল মতাবিলাকৰহে থাকে। এনে উদাহৰণ আৰু অনেক আছে।

বগলীৰ প্ৰেমৰ তুলনা নাই : প্ৰখ্যাত জীৱবিদ ডঃ জুলিয়ান হাক্সলিয়ে বগলীৰ প্ৰেমৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে যোৰপতাৰ সময়ত একোজাক বগলী ভাগ ভাগ হৈ এযোৰা এযোৰা হৈ পৰে। প্ৰত্যেক যোৰাই বাঁহ সাজিবৰ কাৰণে গছৰ ওপৰত অকণমান ঠাই বাচি উলিয়ায়। কিন্তু বাঁহত সোমায়েই মাইকীজনীয়ে পোৱালী নজগায়। মতা মাইকী হালেই কেইদিনমান ইটোৱে সিটোক মৰম চেনেহ কৰি কটায়। মাইকীজনীয়ে মতাটোৰ ডেউকাৰ তলত ঠোঁটটো গুজি দিয়ে। দুয়োৱে ডিঙি দুটা ইটো সিটোৰ ওপৰেদি পাক খুৱাই বহুত সময় ধৰি থাকে। তাৰ মাজতে দুই এবাৰ চিয়ৰে। এনে অৱস্থাতেই এটাই তাৰ ঠোঁটটোৰে আনটোৰ ঠোঁটত আলফুলকৈ আঁচুৰি দিয়ে। এনেকৈ বহুত সময় থকাৰ পাছতহে দুয়ো নিজৰ নিজৰ ডিঙি আঁতৰাই নিয়ে। তাৰ পাছত মতা মাইকীহালৰ কোনোবা এটাই আহাৰ বিচাৰি ওলায় আৰু আনটোৱে খাদ্যৰ আশাত গছৰ ডালতে খাপ পাতি বৈ থাক। মাজে মাজে ডিঙিটো মেলি ইফালে সিফালে চায় ডেউকা দুখন কোবায় দুবাৰ এবাৰ চিয়ৰে মূৰটো জোকাৰে আৰু ডিঙিৰ পাখিবিলাক কঁপাই দিয়ে। জীৱন সঙ্গী বা সঙ্গিনীজনীয়ে খাদ্য আনি দিয়াৰ পাছতহে দুয়ো যৌন মিলনত লিপ্ত হয়। এনে অৱস্থাতে মতা মাইকী হাল চাৰি পাঁচদিন ধৰি একেলগে থাকে। তাৰ পাছতহে এৰা এৰি হয়।

চৰাইৰ প্ৰেমনিবেদনৰ ব্যৱস্থা সচাঁকৈয়ে ৰহস্যপূৰ্ণ। উইলচন কেলেৰণ (Wilson

Phalarope) নামৰ চৰাই এজাতৰ মাইকীজনীয়েহে মতাটো বাচি লয়। ইহঁত পানীত চৰা চৰাই আৰু সেয়ে মতা একোটা পছন্দ হ'লে মাইকীজনীয়ে তাৰ চাৰিওফালে সাঁতুৰি ফুৰে। এনে অৱস্থাত আন মাইকী সিহঁতৰ কাষ চাপিলে তাই খেদা মাৰি হুৰাই দিয়ে। যৌন মিলনৰ আগে আগে মতা মাইকী হালেই মুখা মুখিকৈ থিয় দিয়ে আৰু মূৰটো এনেকৈ দাঙি থয় যে এটাৰ ঠোঁটটো আনটোৰ ঠোঁটৰ ঠিক ওপৰতে থাকে। সিহঁতে যিহেতু ঠোঁটেৰেই কাজিয়া কৰে, গতিকে এনেকৈ ঠোঁট দুটা ৰখাৰ অৰ্থ হল—সিঁহত এতিয়া কাজিয়া কৰাত নাই। তাৰ পাছতেই দুয়ো যৌন মিলনত ব্যস্ত হৈ পৰে। আচৰিত কথা সাগৰীয় ঘোঁৰাৰ দৰে এই চৰাইজাতবো মতাবিলাকৰ পেটৰফালে একোটা মোনা থাকে। এই মোনাতেই কণী বিলাক ভৰাই মতাটোৱে উমনি দি পোৱালী জগায়। এভ'চেট (Avocet) নামৰ চৰাইজাতৰ মতা মাইকীহালে ইটোৱে সিটোৰ পাখিবিলাক ঠোঁটেৰে আঁচুৰি দিয়েই প্ৰেমনিবেদন কৰে। তাৰ পাছত এটা সময়ত মাইকীজনীয়ে আঁচুৰিবলৈ এৰি দি দীঘল দি পৰি থাকে। এনেকৈ পৰি থাকিলেই মতাটোৱে বুজি পায় তাই যৌন পাতিবলৈ মন কৰিছে। কেতিয়াবা আকৌ মাইকীজনীয়ে মূৰ দুপিয়ায়েই মতাটোৰ মন ভাল লগাবলৈ যত্ন কৰে।

হেৰিংগাল (Herring Gull) নামৰ চৰাইজাতবো মতা মাইকী হালৰ দুয়ো মূৰ দুপিয়াই দুপিয়ায়েই ইটোৱে সিটোক প্ৰেম নিবেদন কৰে। মূৰটো উঠানমা কৰাৰ লগে লগে সৰ্বকৈ মাত একোষাৰো মাতে। তাৰ পাছতেই দুয়ো যৌন মিলনৰ কাৰণে আগবাঢ়ি আহে। মতা ম'ৰা চৰাইবিলাকে তাৰ ধুনিয়া ধুনিয়া পাখিবিলাক মেলি নাচি নাচিয়েই মাইকী ম'ৰাক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। আমাৰ পোহনীয়া কুকুৰাবিলাকৰ ক্ষেত্ৰত মাইকীজনীয়ে মূৰটো দোঁৱাই আৰু পিচুৱাই দি মতাটোক ভালৰি লগাবলৈ চেষ্টা কৰে। এজাত গাল চৰাইৰ মতা মাইকীহালে মূৰটো পাছলৈ ঘূৰাই বা মূৰটো দুপিয়াই আৰু ঠোঁটটো আতৰায়েই নিজৰ মৰম স্নেহৰ কথা ইটোৱে সিটোক জনায়।

কাউৰীৰ মতাটোৱে মাইকীজনীক খাদ্যবস্তুকে উপহাৰ দিয়ে : যোৰ পতাৰ সময়ত কাউৰীৰ মাইকীজনীয়ে মতাটোৰ ওচৰত মুখ মেলি খাদ্য বিচৰাৰ ভঙ্গীত বৈ থাকে। মতাটোৱেও তাইৰ এনে ব্যৱহাৰতে আনন্দ লাভ কৰে। পাতি-কাউৰীৰ মতাটোৱে মাইকীজনীক বাহ সজাৰ সময়ত দুই এপদ সামগ্ৰী দিও সহায় কৰে। কেতিয়াবা মতাটোৱে আন চৰাই পোৱালী বা এন্দুৰ, নিগনি আদি মাৰি মাইকীজনীৰ ওচৰলৈ লৈ আনে আৰু বাহৰ ওচৰতে বৈ কোৱা কোৱা অৰ্থাৎ খোৱা খোৱাকৈ চিঞৰিবলৈ ধৰে। মতাটোৰ এনে আচৰণত মাইকীজনীয়েও কণীপৰা আৰু পোৱালীতোলাৰ সকলো দুখ-কষ্ট পাহৰি পেলায়। মতা লেপ উইং (Lap wing) চৰাইবিলাকে ডেউকাৰ তলৰ বগা ৰংটো দেখুৱায়েই খঙাল মাইকী একোজনীক বশ কৰে।

মূৰত ফুল থকা একজাত দেও বাজহাহ আছে। ইহঁতৰ মতাটোৱে পানীতে জাপ মাৰি মাইকীজনীৰ একেবাৰে ওচৰ পায়গৈ। এনেকৈ জাপ মাৰোতেই মাইকীজনীৰ গাত পানীৰ চিটিকনি পৰে। এই চিটিকনিয়েই হেনো মাইকীজনীক উত্তেজিত কৰি তোলে। তাৰ পাছত দুয়ো ডিঙি দুটা মেলি মূৰ দুটা লগ্ লগাই দিয়ে এটাই আনটোক ঠোঁটেৰে মৰম কৰি দিয়ে আৰু মূৰটো অলপ ইফালে সিফালে লৰাই দিয়ে। ইহঁতৰ প্ৰেমনিবেদনৰ ব্যৱস্থা এনেকুৱাই। আন বহুতো জলচৰ প্ৰাণীয়ে আকৌ ঘাঁহবন একোডালকে প্ৰেমিকাৰ মুখৰ আগত বাচি প্ৰেম নিবেদন কৰে।



চিত্ৰ নং—৮

[তেলীয়া সাৰেং পাখী বোকা আদিত চৰা চৰাই, ঠেং কেইখন দীঘল। ইহঁতৰ মতা মাইকীহালে সদায় যোৰ পাতি থাকে। একোহাল তেলীয়া সাৰেং গোটেই জীৱন একে লগে থাকে। ইহঁতৰ এটাক কোনোবাই মাৰিলে আনটোৱে ওচৰতে বৈ ইনাইবিনাই কান্দি থাকে।]

ভেলীয়া সাৰেঙৰ মতা মাইকী হালৰ মাজত থকা প্ৰেম-প্ৰীতিৰ নমুনা দেখিলেও আচৰিত হব লাগে। খোৱা ফুৰা উৰা আদি সকলো সময়তে এটাই আনটোৰ লগ নেৰে। শুনা যায় যে যোৰাটোৰ এটাক কোনোবাই মাৰিলে আনটো যে মৃত প্ৰেমিক বা প্ৰেমিকাজনীৰ ওচৰতে বৈ কাতৰ কণ্ঠে অহৰহ চিঞৰি থাকে। চাকৈ চকোৱাৰো মতা মাইকী হালৰ মাজত প্ৰেমপ্ৰীতি ইমানেই বেচি যে যোৰাটোৰ কোনোবা এটাক চিকাৰীয়ে মাৰিলে আনটোৱে আকাশত উৰি উৰি বহুত সময় ধৰি ইনাই বিনাই থাকে। বহুতো চৰায়ে নিজৰ সঙ্গী বা সঙ্গিনীজনী ঢুকাই থাকিলে পুনৰ সংসাৰ পাতিবলৈকে ইচ্ছা নকৰে।

পুৰুষৰ গীতেই তিৰোতাৰ মন জয় কৰে. কিছুমান চৰাইৰ মতাবোৰে নাচি বাগি আৰু কিছুমানে গীত গাই গায়েই তিৰোতা একোজনীক ভুলাই পেলায়। মতা ময়ৰা চৰায়ে চালি ধৰি নাচি আৰু মাজে সময়ে ডেউকা দুখনেৰে মাইকীজনীক সাবত মাৰি ধৰিয়েই প্ৰেম নিবেদন কৰে। তিৰোতাজনীও তাতেই ভোল যায়। কুলি কেতেকী নীলকণ্ঠ ভদৰকলী পাৰ দহিকতৰা কপৌ পাটমাদৈ আদি বহুতো চৰাইৰ মতাবিলাকে গীত গাই গায়েই প্ৰেমিকাৰ মন জয় কৰে।

ভাটৌৰ প্ৰেমনিবেদনো বৰ ৰহস্যপূৰ্ণ। মতাটোৱে মাইকীজনীৰ ওচৰত লাহেকৈ বহি লয়। মাইকীজনীয়ে তাইৰ ঠোটটোৰে মতাটোৰ মুৰত বুলাই দিয়ে যেন ফনিয়াইহে দিছে। দুয়োটাই ঠোট দুটা লগলগাই দিয়ে—যেন এটাই আনটোক চুমাহে খাইছে। মতাটোৱে গুণগুণাই কিবা কিবি কৈ থাকে— যেন প্ৰেমৰ গীতহে গাইছে। এনেকৈয়ে সিহঁতে সাংসাৰিক জীৱন আৰম্ভ কৰে। পাৰ চৰাইৰ প্ৰেম নিবেদনৰ সময়ত মতাটোৱে মাইকীজনীৰ কাষ চাপে গুৰটো বাৰে বাৰে দোঁৱায় নেজ পাখিবোৰ মেলি দিয়ে আৰু ডিঙিৰ পাখিখিনি ফুলাই দিয়ে। মাজে মাজে ৰুন দিয়ে। এনে ব্যৱহাৰেই মাইকীজনীক উত্তেজিত কৰি তোলে। মতা কপৌৱেও গীত গাই গাই আৰু মূৰ দুপিয়াই দুপিয়াই প্ৰেম নিবেদন কৰে।

চৰাইৰ ক্ষেত্ৰত একপত্নী এক স্বামী প্ৰথাই সাধাৰণতে দেখা যায়। কিন্তু দুই এজাত চৰাইৰ ক্ষেত্ৰত একস্ত্ৰী বহুস্বামী প্ৰথাও নথকা নহয়। দলপুঙা চৰাইৰ একোজনী মাইকীয়ে কেইবাটাও মতাৰ লগত সহবাস কৰে। প্ৰথমতে এটাৰ লগত যোৰ পাতে। কণীপাৰি পোৱালী জগালেই পোৱালীবিলাকৰ দায়িত্ব মতাটোকৈ চমজাই দি তাই পুনৰ নতুন স্বামীৰ সন্ধানত ওলায়। এনেকৈ এজনৰ পাছত আন এজন স্বামী সলাই গৈ থাকে। আনহাতে এটা মতা টোকোৰা চৰাইৰ কেইবাজনীকৈও তিৰোতা থাকে। কিন্তু ভাগ্য ভাল যে প্ৰতিজনী তিৰোতাই দুগৰ দৰে সজা নিজৰ নিজৰ বাঁহত সোমাই থাকে। গতিকে এজনীয়ে আনজনীক দেখা নাপায়। ইফালে মতাটোৱে বাহ সলাই সলাই প্ৰতিজনী তিৰোতাৰ লগত যৌন সম্ভোগ কৰি ফুৰি কৰে। স্বামীৰ এনে চৰিত্ৰ দেখা পোৱা হ'লে হয়তো মাইকী টোকোৰাৰ মাজতো সতিনীৰ চুলিয়া চুলি লাগিলহে তেন।

টোকোৰাৰ সমাজত বৰভকৈও ঘৰহে মূল কথা। টোকোৰাৰ স্বামী নিৰ্বাচনো এক আচৰিত কাহিনী। মতাটোৰ দায়িত্ব হ'ল— বাঁহ সজা। সি যিমানেই এটা ধুনীয়া বাঁহ সাজি উলিয়াব সিমানেই এজনী ধুনীয়া তিৰোতা পাব। পাছে বাঁহটো ভাল নে বেয়া সি নিজে চাৰ্টিফিকেট দিলে নহ'ব। তাৰ লগত বোৰ পাতিব খোজা লগৰীজনীয়ে ভালকৈ চাই চিতি ল'ব। যদি পছন্দ হয় তাই বাঁহটোত সোমাব আৰু যদি নহয় বাঁহত নোসোমায়েই। মতাবোৰৰ ধৈৰ্য্যও মনকৰিবলগীয়া। তাৰ বাঁহটো কোনেও পছন্দ নকৰিলেও সি হতাশ নহয়। বৰঞ্চ পুনৰ প্ৰতিজ্ঞাহে কৰে— এইবাৰ প্ৰেমিকাৰ পছন্দ হোৱাকৈ সি এটা ভাল বাঁহ সাজিব। সঁচাকৈয়ে দুগুণ উৎসাহেৰে সি বাঁহ সজাত লাগি যায়। সিহঁতৰ ধৈৰ্য্য আৰু কষ্টই কাম দিয়ে। কোনোবা এবাৰত ভাল বাঁহ এটা হৈ উঠে। প্ৰেমিকা তাৰ বাঁহত সোমাই পৰে। সিও আগৰ সকলো দুখ ভাগৰ পাহৰি দাম্পত্য জীৱনৰ পাতনি মেলে।

ঘৰচিৰিকাৰ ক্ষেত্ৰতো প্ৰায় একেই কথা। সুচল ঠাইত ভাল বাঁহ নাপালে মাইকীবিলাকে বোৰ নাপাতে। মতাটোৱে পোনতে সুবিধাজনক ঠাইত খোন্দ বা খোৰোং এটা চাই নিজে সোমাই লয়। তাৰ পৰাই মতাটোৱে চিঁ চিঁকৈ একে লেখাৰিয়ে চিৰ্ঁৰ চিৰ্ঁৰ মাইকী ঘৰচিৰিকাক আমন্ত্ৰণ জনায়। তেতিয়া দুই এজনী মাইকী ঘৰচিৰিকা মতাটোৰ কাষ চাপে, বাঁহটো ভাল যেন দেখিলে সম্মতি জনায় আৰু বেয়া যেন দেখিলে প্ৰত্যাখ্যান কৰে। ভাল বাঁহৰ যোগাৰ কৰিব নোৱাৰিলে ঘৰচিৰিকাৰ সমাজতো তিৰোতা পাবলৈ আশা কৰা মিছা।

অত্যাধিক প্ৰেম-প্ৰীতিৰ কাৰণে দুই এজাত চৰাইৰ মতাবোৰে ভুগিব লগাতো পৰে। উদাহৰণস্বৰূপে ধনেশৰ মতাটোলৈকে আঙুলিয়াব পাৰি। ধনেশ চৰাইয়ে গছৰ খোৰোং বা খোন্দ একোটা বাচি লৈ তাৰ চাৰিওকাষে বোকা আৰু নিজৰ মল মূত্ৰৰে লেপন এটা দি বাঁহ সাজে। বাঁহটো দুৰ্গন্ধৰ দৰে হৈ পৰে আৰু তাৰ মাজতে মাইকীজনী সোমাই থাকি কণী পাৰিবলৈ লয়। বাঁহটোত কেৱল সৰু ফুটা এটা থয় যাতে মাইকীজনীয়ে প্ৰয়োজন মতে ঠোঁটটো বাহিৰলৈ উলিয়াব পাৰে। ইফালে মতাটোৰ অৱস্থা কাহিল হয়। সি দিনৰ দিনটো চনাই বনাই ঘূৰি ফুৰি তিৰোতাজনীক আৰু পোৱালী কেইটাক সিহঁতৰ খাদ্যৰ ভাগটো বাঁহত থকা ফুটাটোৰেদি দি থাকে। সকলো সময়তে খাদ্যবিচাৰি ঘূৰি ফুৰাৰ কাৰণে মতাটো শুকাই খীনাই টেটেৰা যাবে।

জন্তুৰ সমাজত তিৰোতাৰ কাৰণে যুঁজ বাগৰো লাগে চৰাইৰ তুলনাত জন্তুৰ সমাজত প্ৰেমনিবেদন কিছু আসুৰিক। প্ৰায় ভাগ ক্ষেত্ৰতে দেখা যায় যে বোৰ পতাৰ সময়ত একোজনী মাইকীৰ কাৰণে কেইবাটাও মতাৰ মাজত যুঁজ বাগৰ লাগে। বল যাৰ—তিৰোতা তাৰ কথাষাৰেই জন্তুৰ সমাজত প্ৰযোজ্য। তথাপি মতা মাইকী হালৰ মাজত মনে মনে মিল হ'লে ইটোৱে সিটোক মৰম চেনেহ কৰি প্ৰেম নিবেদন কৰে। গৰুৰে ইটোৱে সিটোৰ গা চেলেকিয়েই মন ভাল লগাবলৈ

বিচাৰে। হাতীৰ মতা মাইকীহঁতৰ মাজত থকা প্ৰেম-প্ৰীতিৰ নমুনা দেখিলেও তবধ মানিব লাগে। ইহঁতে জাক পাতি চৰি থাকে যদিও মতা মাইকী এহালৰ মাজত মন মনে মিল হ'লে সিহঁত জাকৰ পৰা আঁতৰি কোনো নিৰ্জন ঠাইলৈ যায়গৈ। তাত ইটোৱে সিটোৰ শুঁৰডাল পকাই গাত গা ঘঁহাই কেইবাদিনো ধৰি মৰম চেনেহ কৰিয়েই কটায়। তাৰ পাছতহে সঙ্গম কাৰ্য্যত লিপ্ত হয়। পানীত থকা উদ সাধাৰণতে অকলশৰীয়াকৈয়ে থাকে আৰু অকলশৰেই পানীৰ তলত চিকাৰ কৰে। কিন্তু যোৰ পতাৰ সময়ত মতা মাইকীহাল পানীত লগ লাগে। বহুত সময় ধৰি পানীত নাচি বাগি এটাই আনটোক প্ৰেম নিবেদন কৰাৰ পাছতহে ইহঁতে সঙ্গম কাৰ্য্যৰ কাৰণে আগবাঢ়ে।

চিত্ৰ নং—১

[উদ স্তন্যপায়ী প্ৰাণী যদিও পানীত থাকে। পানীত থকা মাছ আৰু অন্যান্য প্ৰাণীয়েই ইহঁতৰ খাদ্য। পাণীত ডুব মৰাতো উদ-পাকৈত। যোৰ পতাৰ সময়ত মতা মাইকীহালে বহুত সময় ধৰি পানীত নাচি বাগি ইটোৱে সিটোক সাৱটি ধৰে।]

বহুতো জন্তুৰ দেহত থকা গন্ধ গ্ৰন্থিৰ গোন্ধেই প্ৰেমিক বা প্ৰেমিকাৰ মন উতলা কৰে। চিকা, নেউল জহামাল শিয়াল আদি অনেক প্ৰাণীৰ এনে গন্ধ গ্ৰন্থি থাকে। ঢেকীয়াপতীয়াৰ মাইকী 'একোজনী কামাতুৰ হৈ পৰিলে প্ৰসাৱৰ পৰা এক বিশেষ বৰণৰ গোন্ধ ওলায়। যোৰ পাতিব খোজা মতাই এনে প্ৰসাৱ শুঁঙি শুঁঙিয়েই তেনে তিৰোতাৰ কাষ চাপে। যোৰ পতাৰ সময়ত কিছুমান বান্দৰৰ উৰু অঞ্চল ৰঙচুৱা

হৈ পৰে আৰু সিয়েই মতাটোক আকৰ্ষণ কৰে। সিংহৰ মতাটোৰ কেশৰবিলাক আৰু বিভিন্ন জাতৰ হৰিণ ছাগলী আদিৰ মতাটোৰ শিংবিলাকেও সিহঁতৰ মাইকীবোৰক আকৰ্ষণ কৰে।

পুৰুষৰ নাক দেখি ভোল যোৱা তিৰোতাও আছে। বোৰ্ণিওত হাতীৰ দৰে শুঁড় থকা এজাত বান্দৰ আছে। অৱশ্যে ইহঁতৰ শুঁড় মানে এটা প্ৰকাণ্ড নাকহে। নাকটো ডাঙৰ কাৰণে মুখৰ আগত ওলমি থাকে। অৱশ্যে হাতীৰ শুঁড়ৰ দৰে ইমান দীঘল নহয়। এনে নাকো আকৌ কেৱল মতাবোৰৰহে থাকে। মাইকীবোৰৰ নাথাকে। মাইকী বান্দৰে হেনো মতাটোৰ এনে নাক দেখিয়েই ভোল যায়। আটাইতকৈ ডাঙৰ নাক থকাটোৰ ওচৰতহে মাইকী একোজনীয়ে প্ৰেম নিবেদন কৰিবলৈ বিচাৰে। মতাটোৱে এই নাকতে বায়ু সুমুৱাই ডাঙৰ ডাঙৰ শব্দও কৰিব পাৰে।

দেহৰ অঙ্গী-ভঙ্গীৰেই প্ৰেমিকাৰ মন ভুলায় বহুতো প্ৰাণীয়ে দেহৰ অঙ্গী ভঙ্গীৰেই জাকটোৰ ইটো সিটোৰ মাজতেই হওক বা প্ৰেমিক প্ৰেমিকাৰ মাজতেই হওক —ভাবৰ আদান-প্ৰদান কৰে। কুকুৰনেচীয়া বাঘ বেবুন বান্দৰ ভেৰা হৰিণ গৰু ছাগলী আদিৰ ক্ষেত্ৰত এনে অঙ্গীভঙ্গী স্পষ্টভাৱেই দেখা যায়। ডঃ কে আৰ এল হল (K R L Hall) নামৰ এগৰাকী বিজ্ঞানীয়ে বেবুনৰ প্ৰসঙ্গত উল্লেখ



চিত্ৰ নং—১০

[কুকুৰনেচীয়া বাঘ বৰ খঙাল জন্তু। ইহঁতক নিতৌ বহু পৰিমাণৰ মাংস লাগে। আন বাঘৰ দৰে কুকুৰনেচীয়াই গৰ্জিব নাজানে কিন্তু হুক্ হুক্ কৈ এক প্ৰকাৰ শব্দ কৰে। দেখাত কুকুৰৰ লগত কিছু মিল আছে। ইহঁতৰ সমাজতো মান সন্মানৰ প্ৰশ্ন আছে। দুৰ্বলটোৱে বলী-এটাৰ সন্মুখীন হ'ব লগা হলে মূৰটো দুৱাই দিয়ে। বলীটোৱেও এনে ব্যৱহাৰতে আনন্দ পাই দুৰ্বলটোক আক্ৰমণ নকৰে।]

কৰিছে যে মতাই হওক বা মাইকীয়েই হওক কোনোবা এটা খঙাল হৈ উঠিলে আনটোৱে কিছু দূৰলৈ গৈ এনে ভাও ধৰে যেন সি বা তাই যৌন পাতিবৰ কাৰণেহে খাপ পাতি আছে। এনে ভঙ্গীতে খং উঠা মতাটো বা মাইকীজনীৰ মন কুমলি যায় আৰু খং ৰাগ নাইকিয়া হৈ পৰে। কুকুৰনেচিয়া বাঘৰ দুৰ্বলটোৱে সবলটোৰ ওচৰত মূৰটো ঘূৰাই আঁতৰাই দিয়ে। এনে ব্যৱহাৰতে সবলটো সন্তুষ্ট হয় কাৰণ তাৰ মনত ভাব হয় যে দুৰ্বলটোৱে তাৰ ওচৰত আত্মসমৰ্পণ কৰিছে। খঙাল কুকুৰ এটাৰ মন ভাল লগোৱাৰ ব্যৱস্থাও বাকী কুকুৰবোৰে জানে। দুই এটা কুকুৰে মাটিত দীঘল দি পৰি পেটটো ওপৰমুৱাকৈ দিয়ে। তাৰ অৰ্থ হ'ল—আত্মসমৰ্পণ। এনে কৰিলে আন কুকুৰে তাক আক্ৰমণ নকৰে। কেতিয়াবা আকৌ হঠাতে খঙাল কুকুৰৰ মুখামুখি হ'ব লগা হ'লে নেজডাল পেলাই চুপে চাপে বৈ দিয়ে। এনে অৱস্থাত খঙাল মতাটো বা মাইকীজনীয়ে সেও মনাটোৰ যৌনাংগসমূহ শুঙি শুঙিয়েই নিজৰ খং ৰাগ পাতলায়।

দুই এজাত প্ৰাণীয়ে জীৱনসঙ্গী বা সঙ্গিনী বিচাৰি বহুত দূৰ দূৰণিলৈ যোৱাৰো দৃষ্টান্ত আছে। আলাস্কা উপসাগৰত থকা এজাত চিলৰ (Seal) মাইকীবোৰে হেনো স্বামীৰ সন্ধানত তিনিহাজাৰ মাইল দূৰলৈ যায়।

কুকুৰে নেজ জোকাৰিলে আৰু কাণ দুখন তললৈ নমালেই বুজিব লাগে যে হয় সি কাৰোবাৰ লগত বন্ধুত্ব কৰাৰ আশাত আছে আৰু নহয় সি কাৰোবাৰ ওচৰত বিনম্ৰতা প্ৰদৰ্শন কৰিছে। মতা কুকুৰ এটাই যেতিয়া মাইকী কুকুৰ এজনীৰ ওচৰত নিজৰ যৌন বাসনাৰ কথা জনাবলৈ বিচাৰে সাধাৰণতে নেজ জোকাৰে। আনহাতে মাইকীজনীয়ে যদি যৌন পাতিবলৈ মন নকৰে তাই দাঁত দুপাৰি দেখুৱায় আৰু মুখৰ ভঙ্গীৰেই নিজৰ অমতৰ কথা প্ৰকাশ কৰে। মেকুৰীৰ ক্ষেত্ৰত আকৌ হাই কাজিয়াৰ মাজত যৌন মিলন হয়। প্ৰথম অৱস্থাত মতাটো শান্ত হৈ থাকে আৰু মাইকীজনীয়েহে চিঞৰ বাখৰ লগায়। পাছত অৱশ্যে মতাটোৱেও চিঞৰে আৰু অৱশেষত মাইকীজনীৰ মন ভাল লগাই যৌন মিলনত লিপ্ত হয়। চাকৈ চকোৱাৰ দৰে জন্তুৰ সমাজতো শিয়ালৰ পতি বা পত্নী ঢুকালে সিহঁতে দ্বিতীয়বাৰ আৰু সংসাৰ নাপাতে।

প্ৰাণীৰ শিশুপ্ৰেমো শলাগিবলগীয়া ঃ প্ৰাণীৰ সমাজত পতি পত্নীৰ মাজত থকা প্ৰেম প্ৰীতিৰ উপৰি পো পোৱালীৰ প্ৰতি থকা সিহঁতৰ মৰম চেনেহো কম নহয়। বেছি ভাগ চৰাইৰে পোৱালীবিলাকে নিজে খুটি খাব পৰা নোহোৱালৈকে মাক বা বাপেকে আৰু কেতিয়াবা দুয়ো লালন পালন কৰি ডাঙৰ দীঘল কৰে। চৰাইৰ পোৱালী বেছিভাগেই ঠোঁটটো মেলি মাকৰ পৰা খাদ্য পাবলৈ আশা পালি বৈ থাকে। মাকেও পোৱালীৰ মেলামুখ দেখিলেই তাৰ যে ভোক লাগিছে—বুজি পায়। পোৱালী জগাৰ সময়ত কাউৰীৰ বাহলৈ দলিয়ালে বা বাজহাঁহৰ ওচৰলৈ গ'লে—সিহঁতে আক্ৰমণ কৰা কথাৰ পৰাই চৰাইৰ পোৱালীলৈ থকা মৰম চেনেহৰ

উমান পাৰ পাৰি। জন্তুৰ ক্ষেত্ৰতো পোহনীয়া থকা মাৰ্কবিলাক অত্যন্ত খঙাল হৈ পৰে আৰু ওচৰলৈ অহা যি কোনো প্ৰাণীকে আক্ৰমণ কৰিবলৈ লয়। হাতী মহ আদি জাকত থকা জন্তুসমূহে পোৱালীবিলাকক জাকৰ মাজত থৈয়েই শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰে। শহাপহুৰ দৰে দুই এজাত জন্তুৱে আকৌ পোৱালীবিলাকক জোপোহাৰ মাজত লুকুৱাই থৈয়েই শত্ৰুৰ পৰা বচায়।

মুঠতে মানুহৰ দৃষ্টিত প্ৰাণীসমূহক যিমানেই নৌকি নিকৃষ্ট দন্দুৰা মূৰ্খ খঙাল হিংসুক আদি বিভিন্ন আখ্যা দিয়া নহওক সিহঁতৰ মৰম চেনেহ, প্ৰেম প্ৰীতিৰ লগত ফেৰ মাৰিবলৈ মানুহক বহুৰ্ষগ লাগিব।

প্ৰাণী-সমাজৰ নীতি নিযম

প্ৰাণী সমাজৰ নীতি নিয়ম আমাৰ মানুহৰ সমাজত হোৱা কথাবতৰা আলাপ আলোচনা বক্তৃতা আদি শুনিলে বা বাতৰি কাগজ আলোচনী কিতাপ আদি পঢ়িলে এনেহে ধাৰণা হয় যেন মানুহতকৈ নীতি নিয়ম মানি চলা দ্বিতীয় প্ৰাণী আৰু এই ইহজগতত নাই। পাছে সেয়ে হোৱা হলে মানুহে মানুহে নমতা নমতি পেটা পেটি ওফোন্দা ওফোন্দি মাৰ পিত বা যুদ্ধ-বাগৰ আদি নহলহে তেন। এইবিলাক কথাই প্ৰমাণ কৰে যে মানুহে নিজক যিমানেই শান্তিকামী বা শৃংখলাবদ্ধ বুলি দাবী নোতোলক, মানুহ প্ৰকৃততে অনিয়ম অশৃংখলতাৰহে প্ৰতীক। এই ক্ষেত্ৰত ইতৰ জীৱ জন্তু সমূহৰ স্থান বহুত ওপৰত। প্ৰাণী প্ৰেমী সকলৰ মতেও প্ৰাণীৰ সমাজতহে জীয়াই থকাৰ নীতি নিয়ম সমূহ ভালদৰে মানি চলা হয়। ডাঙৰৰ কথা মতে চলা সৰুৱে ডাঙৰক সন্মান কৰা পোৱালীবিলাক ডাঙৰ নোহোৱা পৰ্য্যন্ত খুৱাই বুৱাই ডাঙৰ দীঘল কৰা বলীয়ে দুৰ্বলীক খাদ্যৰ যোগান ধৰা পৰিয়ালৰ ইটোৱে সিটোক মৰম কৰা আদি কাৰ্য্য প্ৰাণী সমাজৰ নিত্য নৈমিত্তিক কাৰ্য্যৰ ভিতৰতে পৰে।

আমাৰ দৰে প্ৰাণীয়ে 'কিউ' নাভাঙে • আমাৰ সমাজত যেনেকৈ চিনেমাৰ টিকটৰ পৰা আৰম্ভ কৰি ৰেচনৰ দোকানলৈকে কিউ কৰিব লাগে ঠিক তেনেকৈ প্ৰাণীৰ সমাজতো খাওঁতে শোওঁতে যাওঁতে সকলোতে কিউ কৰাৰ নিয়ম। সেয়ে যেনিবা আমাৰ সমাজত কিউ নমনা এচাম লোক আছে সিহতৰ সমাজত নাই। ৰাস্তাইদি পাৰ হৈ যোৱা গৰু বা ম'হজাক চোতালেদি পাৰ হৈ যোৱা হাঁহ বা কুকুৰাজাক আকাশেদি উৰি যোৱা বগলী বা ভাটৌৰ জাকটোলৈ লক্ষ্য কৰিলেই সিহতৰ কিউ জ্ঞানৰ বিষয়ে ভালকৈ উপলব্ধি কৰিব পাৰি। বান্দৰ হৰিণ মহ হাতী আদি জাকত থাকে। আনহাতে গড় ভালুক আদি অকলশৰে থাকে। এইবিলাক সিহতৰ জাতিগত ৰীতি।

দেখাত সিংহই ডাঙৰ প্ৰাণী। পাছে সিহতৰো মতাটোৱে তাৰ খাদ্যখিনিৰ কাৰণে তিৰোতাজনীৰ ওচৰত হাত পাতিবলগাত পৰে। কাৰণ সিংহৰ মাইকী বিলাকেহে চিকাৰ কৰে। অৱশ্যে চিকাৰ কৰাৰ পাছতেই মৃতজন্তুটোৰ গৰাকী হৈ পৰে মতাটো। মাইকীজনীয়ে চিকাৰটো মতাটোক চমজাই অলপ আঁতৰত বৈ থাকে। পৰিয়ালৰ মুৰব্বী হিচাপে যেন সকলোতেই মতাটোৰহে প্ৰথম অধিকাৰ। অথচ মতাটোৰ এনে অধিকাৰত মাইকীজনীয়ে কেতিয়াও আপত্তি নকৰে। কাৰণ, সেয়া সিংহৰ সমাজৰ নিয়ম। প্ৰাণী সমাজত সামাজিক নিয়ম উলংঘা কৰাৰ সাহস

কাৰো নাই। মতাটোৰ খোৱা শেষ হ'লেহে বাকী থকাখিনি মাইকী কেইজনীয়ে পোৱালী কেইটাৰে সৈতে ভগাই মেলি খায়।

সিংহৰ চিকাৰৰ ভাগ আন জন্তুৱেও পায় সিংহিনীয়ে চিকাৰ কৰা জন্তুলৈকে আন বহুতেও আশা কৰে। মৰাশৰ গোন্ধ চাৰিওফালে বতাহত বিয়পি পৰে। মঙহৰ গোন্ধ পাই দুই এটা ঘোং ওচৰ চাপি আহে। আনকি ছেগ বুজি শিয়ালেও দুৰৈৰ পৰা ভুমুকিয়াই চায়। অৱশ্যে সিংহ পৰিয়ালৰ সকলোৰে ভোক গুচি অৱশিষ্ট কিবা থাকিলেহে সিংহতে কিবা ভাগ পায়। কিন্তু জন্তু বেচিকৈ থকা অঞ্চলত সিংহৰ পৰিয়ালে নতুন নতুন জন্তু চিকাৰ কৰে আৰু পুৰণি মৰাশবোৰ কিছু খাই এৰি থৈ আহে। এনে অৱস্থাত ঘোং শিয়ালহে নালাগে আন বহুতো মাংসভোজী প্ৰাণীয়েও তাৰ ভাগ পায়।

সিংহ বুঢ়া হ'লে পৰিয়ালৰ বাকীবিলাকে ঘৰৰ পৰা বাহিৰ কৰি দিয়ে। এনে অৱস্থাত সিংহই নিজেই নিজৰ খাদ্য বিচাৰি লব লগাত পৰে। বুঢ়া সিংহই মুখৰ আগত খাদ্য লৈ থকা দেখিলে অৱশ্যে ঘোংবিলাকে ভয় নকৰে। সিংহতে জাকপাতি আহি সিংহক আক্ৰমণ কৰে আৰু মুখৰ আগৰ পৰাই চিকাৰ লৈ উধাও হয়।

সিংহই কৰা চিকাৰৰ ওপৰতে শগুণ কাউৰী আদি চৰাইবো চকু। শগুণ বিলাকে আকশত উৰি ফুৰোতে এবাৰ মাটিলৈ চায় আৰু এবাৰ ইটোৱে সিটোক লক্ষ্য কৰে। মাটিত শ দেখা মাত্ৰকে তাৰে কোনোবা এটাই চক্ৰাকাৰে লাহে লাহে তললৈ নামি আহে। তাকে অনুসৰণ কৰি বাকীবিলাকো নামে। মঙহৰ ভাগ লবলৈ সিহঁতেও ঘোং শিয়াল আদিৰ লগত যোগ দিয়ে। কিন্তু কোনেও সিংহৰ উপস্থিতিত মৰাশৰ একেবাৰে ওচৰলৈ আহিবলৈ সাহস নকৰে। সিংহৰ পাছতেই মৰাশৰ ভাগ পায় ঘোং, শিয়াল আদিয়ে। তাৰ পাছতো যদি কিবা বাকী থাকে সেইখিনিহে শগুনৰ ভাগত পৰে। কেতিয়াবা আকৌ শগুণে একো নোপোৱাকৈয়ে ঠোঁট মোট চেলেকি পুনৰ আকাশলৈ উৰা মাৰে। এইবিলাক প্ৰাণী সমাজৰ নীতি-নিয়মৰ ভিতৰতে পৰে।

মৰা শ খাওঁতে ইটো সিটোৰ মাজত কাজিয়াও লাগে : হাতী গড় গৰু মহ আদি ডাঠ ছালথকা জন্তু মৰিলে পোন প্ৰথম হাজিৰ হয়হি শগুণ। কিন্তু ডাঠ ছালখন গুছাই সিহঁতে মাংস খাব নোৱাৰে। প্ৰথমে অহাটোৱে চকু দুটাকে খায়। বাকীবোৰৰ দুটা মানে নেজৰ গুৰিৰ ফালে পায়ুদ্বাৰৰ কোমল অংশত খোটে। শিয়াল কুকুৰ আদিয়ে দাঁতেৰে কামুৰি ছালখন গুছাই দিলেহে শগুনৰ কাৰণে সহজ হৈ পৰে। ছালখন গুছাই দিয়াৰ কাৰণে শিয়াল কুকুৰেও মঙহৰ ভাগ পায়। তাতে কাউৰীবিলাকেও যোগ দিয়েহি। মাংস খাওঁতে ইহঁতৰ মাজত থকা খন্দাও নলগা নহয়। শগুণ কাউৰী আদিলৈ কুকুৰ শিয়াল আদিয়ে চোঁচা মাৰে। সিহঁতো টেঙৰ। ঠাইতে উৰা মাৰি অলপ দুৰৈত বহেগৈ। ইফালে কুকুৰ, শিয়াল আদিৰ মাজতো কাজিয়াৰ সূত্ৰপাত হয়। ইটোৱে সিটোক খেদি যায়।

সেইছেগতে কাউৰী শগুনেও দুখোটমান মাৰি লয়। এইবিলাক দেখাত অনিয়ম যেন লাগিলেও প্ৰকৃততে সিহঁতৰ সেইবিলাকেই নিয়ম।



চিত্ৰ নং—১১

[জন্তুৰ ভিতৰত শিয়ালিকে আটাইতকৈ ধূৰ্ত্ত বুলি কোৱা হয়। হাবিৰ মাজত প্ৰতিটো শিয়াল পৰিয়ালৰে একোটা নিৰ্দিষ্ট অঞ্চল থাকে। শিয়ালে নিজ অঞ্চলৰ চাৰিসীমাত প্ৰসাৱ কৰি চিন দি হয়। শত্ৰুৰ হাতৰ পৰা পলাই সাৰিবলৈ ইহঁতে ঠাইতে বাগি দিব পাৰে।]

হায়েনাই আকৌ সাধাৰণতে নিজে চিকাৰ নকৰি আনে কৰা চিকাৰ বা আনে মৰা প্ৰাণী খাইহে ভাল পায়। খোজনীয়া মগনীয়া আদিৰ কিবা দাবী থাকে জানো? সিহঁতবো সেই একেই। য'তে যি পায় তাকে খাই পেট ভৰাব লগাত পৰে। বাঘ সিংহ আদি মাংসহাৰী প্ৰাণীসমূহেও নিতৌ চিকাৰ নাপায়। গতিকে চিকাৰ পালেই হে পাহ পলুৱাই খাই লয় আৰু কেইবাদিনলৈও নোখোৱাকৈয়ে থাকে। শিয়াল বনবোন্দা আদিৰ আকৌ চব কৰাটোৱেই নিয়ম। হাঁহ পাৰ, কুকুৰা আদি পোহনীয়া প্ৰাণীবোৰ ইহঁতে চুৰ কৰি খাইহে ভাল পায়। জাকপাতি থকা বহুতো প্ৰাণীৰ ক্ষেত্ৰত একো একোজন দলপতি থাকে। দলপতিৰ নিৰ্দেশ মতেহে জাকটোৰ সকলোৱে কাম কৰে।

একোজাক জন্তুৰ একোটা নিৰ্দিষ্ট অঞ্চল থাকে হাবিৰ মাজত বহুতো জন্তুৰ একো একোটা নিৰ্দিষ্ট অঞ্চল থাকে। একো একোটা জাক একো একোটা অঞ্চলৰ গৰাকী। তালৈ অন্য জাতৰ প্ৰাণী সোমোৱা নিষেধ। কেনেবাকৈ যদি সোমায়ো তেন্তে যুদ্ধ বাগৰৰ সন্মুখীন হ'ব লগাত পৰে। আমাৰ দৰে সিহঁতৰ চাৰিসীমাৰ বেৰা দিয়াৰ ব্যৱস্থা নাথাকে যদিও জন্তু ভেদে সীমা নিৰ্ধাৰণৰ একো একোটা ব্যৱস্থা থাকে। কিছুমান জাতৰ জন্তুৱে পাল পাতি পাতি প্ৰহৰীৰ দৰে চাৰিসীমা পহৰা দি থাকে। শিয়ালে নিজ অঞ্চলৰ চাৰিসীমাত প্ৰসাৱ কৰিয়েই সীমাৰ চিন দি থয়। ভালুকেও প্ৰসাৱ কৰি বা বিভিন্ন গছত আঁচুৰি নিজৰ এনেকাৰ চিন দিয়ে। বান্দৰে চিঞৰ বাখৰ কৰিয়েই নিজৰ দখলিস্বত্বৰ কথা জানে

পাশে থকা বান্দৰৰ জাকসমূহক জনাই দিয়ে। জহামাল চিকা আমিৰ গোন্ধ আমাৰ নাকত একে যেন লাগিলেও সিহঁতৰ মাজত পাৰ্থক্য আছে। এটা পৰিয়ালৰ চিকাই নিজৰ পৰিয়ালৰ গোন্ধ আৰু আন পৰিয়ালৰ গোন্ধৰ মাজত পাৰ্থক্য ধৰিব পাৰে। ঠিক সেইদৰে জহামালেও পাৰে। ফলত নিজৰ নিজৰ এলেকা চিনাত সুবিধা হয়। যাঁহে বনে গা ঘঁহাই ইহঁতে ঠায়ে ঠায়ে গোন্ধবোৰ এৰি থৈ আহে আৰু এয়েই সিহঁতৰ সীমাৰ চিন।

আমি ইজনে সিজনে লগালগি হ'লে গুড মৰ্নিং গুড ইভিনিং কি খবৰ কেনেকুৱা আছিল কুশল এনেকুৱা আদি বিভিন্ন ধৰণৰ শুভবাক্যৰে সম্ভাষণ জনাওঁ। প্ৰাণীজগতটো তেনে সম্ভাষণৰ বিভিন্ন ব্যৱস্থা আছে। আমাৰ পোহনীয়া কুকুৰ বিলাকৰ এটাই আনটোক দেখিলেই শুঁকিবলৈ লয়। সিহঁতৰ সেয়ে সম্ভাষণ। গৰু মহৰ চেলেকা চেলেকিয়েই মৰম স্নেহৰ নিদৰ্শন। হাতীয়ে শুঁড় ডালেৰেই ইটোৱে সিটোক মৰম কৰে। মাংসভোজী প্ৰাণীৰ বহুতেই ইটোৱে সিটোৱে লগা লগি হ'লে পাছঠে এটা দাঙি পায়ুদ্বাৰ আৰু জননাংগ প্ৰদৰ্শন কৰে। সিহঁতৰ সেয়ে নমস্কাৰ।

বেবুন নামৰ বান্দৰ জাতৰ এটাই আনটোৰ মুখত মুখ লগাই সম্ভাষণ জনায়। কেতিয়াবা আকৌ কান্ধৰ পাছৰ ছোৱাত সাবত মাৰি বা শুঙিও সম্ভাষণ জনোৱা দেখা যায়। কেতিয়াবা ডাঙৰে সৰুক দেহৰ পাছ অংশত চুমা একোটাকে খায়। চিম্পাঞ্জীৰ ক্ষেত্ৰত দুটা মতা লগালগি হ'লে এটাই আনটোক সাবত মাৰি ধৰে। দুজনী মাইকী চিম্পাঞ্জীৰ লগালগি হ'লে এজনীয়ে আনজনীৰ পিঠি গলধন বা মুখত হাতখন বুলাই দিয়ে।

অচিনাকী জন্তুক সম্ভাষণ নজনায় • গ্ৰেইবি নামৰ কুকুৰজাতৰ ইটোৱে সিটোক লগ পালে পোনেই সম্ভাষণ নজনায়। এটাই আনটোৰ কাষেদি লাহেকৈ আগবাঢ়ে আৰু ইটোৱে সিটোক পিৰিক পাৰাক কৈ চায়। চিনি পোৱা যেন পালেহে দুযোটা লগ লাগে আৰু ইটোৱে সিটোক সাবটি ধৰে।

প্ৰাণীৰ সমাজত হাই কাজিয়া যুঁজবাগৰ আদিও একেবাৰে নোহোৱা নহয়। তদুপৰি ইহঁতে কেতিয়াবা ভাও ভিঙ্গটি ধৰি শত্ৰুক ভয় খুৱাবলৈও চেষ্টা কৰে। নিশাচৰ দুই এজাত জন্তুৱে শত্ৰু দেখিলেই মুখটো দাঙি মুখখন মেলি দাঁত কেইটা উলিয়াই এনে ৰূপ ধাৰণ কৰে যেন শত্ৰুৰ হাড় মূৰ ভাঙি গুড়ি কৰিহে পেলাব। দাঁত প্ৰদৰ্শনত কুকুৰো কম নহয়। বাঘ সিংহ আদি মাংসাহাৰী প্ৰাণীয়ে শত্ৰু দেখিলে গোৰগোৰায় বা হুঁকৰিবলৈ ধৰে আৰু কুকুৰ দাঁত কেইটা ওলোৱাকৈ মুখখন মেলি জিভাখন উলিয়াই এক ভয়ঙ্কৰ ৰূপ ধাৰণ কৰে। কেতিয়াবা নোমবিলাকো থিয় কৰি দিয়ে। হিপোপটেমাচে খং উঠিলে ডাঙৰ ডাঙৰকৈ হামিয়ায় আৰু মুখটো বৰ্ত্তাকাৰে মুৰাই থাকে। এনেদৰ জাতীয় প্ৰাণীয়ে শত্ৰু দেখিলেই দাঁত কৰ্চিবলৈ আৰম্ভ কৰে। যাঁহ খাই থাকোতে উটৰ মুখৰ পৰা ওলোৱা ফেন

দেখিলেই দুই এক প্ৰাণীয়ে ভয় খাই আঁতৰি যায়। তদুপৰি শত্ৰু দেখিলে উটে হাফলু টিলা বা আন তেনে ওখ ঠাইত উঠি মূৰটো থিয় কৈ দিয়ে যাতে শত্ৰুৱে তাৰ অৱয়ৱটো দেখিয়েই ওচৰ চপাৰ সাহস নকৰে। গৰু মহ আদিৰ খং উঠিলে মূৰটো কেতিয়াবা দাঙি আৰু কেতিয়াবা চাপৰাই শিং দুটা আগলৈ কৰি শত্ৰুৰ ফালে চোঁচা মাৰে। প্ৰয়োজন হ'লে শিং দুটাৰে মাটি খুচৰি শিং দুটা জোঙা কৰি লয়। কেতিয়াবা গোৰগোৰাই এক প্ৰকাৰ শব্দও কৰে। কেতিয়াবা আকৌ আগঠেঙৰ খুড়া কেইটা মাটিত চোচোৰাই শত্ৰুক ভয় খুৱাবলৈ চেষ্টা কৰে। খং উঠিলে কুকুৰেও তেনেকৈ আগঠেং দুখন চোচোৰায়। কেটেলা পহুৰ খং উঠিলে পাছ ঠেং দুখনেৰেই মাটিত থপৰিয়ায়।

বান্দৰ বন মানুহ আদিৰ খং উঠিলে হাত দুখনেৰে হয় মাটিত আৰু নহয় গছৰ গাত থপৰিয়ায়। কেতিয়াবা ডাল পাত ভাঙিও সন্ত্ৰাসৰ সৃষ্টি কৰে। গৰিলাই খং উঠিলে বুকুতে থপৰিয়ায়। এই সকলোবিলাক কথাই প্ৰাণী সমাজৰ নীতি-নিয়মৰ ভিতৰত পৰে।

প্ৰাণীসমাজত নৈতিকতা

এনে এটা সময় নিশ্চয় আহিব যেতিয়া 'নৈতিকতা' শব্দটো কেৱল অভিধানৰ পাততহে থাকিবগৈ। অনৈতিকতাত সোঁতত খাই থকা মানুহৰ মুখত নৈতিকতাৰ বাম নাম শুনি ইতিমধ্যে বহুতৰ কাণ কলা হৈছে নহলেও ঘোলা হৈছে। মানৱ সমাজৰ বিভিন্ন স্তৰত অনৈতিকতাৰ মাত্ৰা দিনক দিনে চৰি গৈছে। ইয়াৰ শেষ ক'ত হ'বগৈ—এতিয়াই কোৱা টান। কোনোৱে ইয়াৰ মিমাংসা কৰকীলৈ এৰি দিছে আৰু কোনোৱে মানৱ জাতিটো এসময়ত ধ্বংস হ'ব বুলিয়েই ভৱিষ্যত বাণী কৰিছে। পাছে দুয়োৱে গৰাকী ভৱিষ্যত। অৱশ্যে এটা কথা থিক যে যোৱা কেইটামান দশকত মানৱ সমাজত নৈতিকতাৰ যি দৰে স্খলন হৈছে তাৰ আগৰ কোনো সময়তেই তেনে হোৱা নাছিল। আনহাতে প্ৰাণী সমাজত অনৈতিকতাৰ উদাহৰণ বিৰল। ক্ৰমবিৱৰ্ত্তনৰ সূত্ৰ মতে মানুহ অতীজত কোনোবা নহয় কোনোবা এজাত প্ৰাণীৰ পৰাই উদ্ভৱ হৈছিল। গতিকে মানুহৰ নৈতিকতাও নিশ্চয় এসময়ত শক্তিশালীয়েই আছিল। তেন্তে প্ৰশ্ন হ'ল—এই নৈতিক অধঃপতনৰ কাৰণ কি? আধুনিক সভ্যতা নে কালক্ৰমত প্ৰাণী সমাজৰ পৰা হৈ অহা বিচ্ছিন্নতা।

মানুহৰ বহুতো কথা প্ৰাণীৰ লগত মিলে • প্ৰাণীসমাজৰ ব্যৱহাৰ পাতি অধ্যয়ণ কৰি জানিব পৰা হৈছে যে মানুহৰ আচাৰ ব্যৱহাৰ আনকি নৈতিক চৰিত্ৰও বহু পৰিমাণে প্ৰাণীৰ পৰা ধাৰ কৰা। অধ্যাপক উৱিউ এইচ থৰ্প নামৰ এগৰাকী বিজ্ঞানীয়ে অলপ ব্যঙ্গ কৰিয়েই কৈছে যে প্ৰাণীৰ এনে কোনো চৰিত্ৰ নাই যি মানুহৰ লগত অলপ হলেও নিমিলে। প্ৰাণীৰ বিভিন্ন চৰিত্ৰৰ ওপৰত গৱেষণা কৰি কোৱা হৈছে যে মানৱ জাতিটো জীয়াই থাকিবলৈ হলে একমাত্ৰ পথ হ'ল প্ৰাণীসমাজৰ বিভিন্ন নিয়মনীতি অনুসৰণ কৰা। লগতে ইয়াকো কোৱা হৈছে যে মানুহে নীতি শিক্ষাও প্ৰাণীৰ পৰাই গ্ৰহণ কৰা উচিত।

এম এ আৰ টাকাৰৰ মতে নৈতিকতাৰ মূল বস্তু কেইটা হ'ল আত্মসন্মান সমবিচাৰ দায়িত্ববোধ, সহানুভূতি আৰু স্নেহ। তেখেতেও উল্লেখ কৰিছে যে এই আটাইকেউপদ বস্তু প্ৰাণীসমাজত বিদ্যমান। এতিয়া প্ৰথমতে বাৰু সম্মানৰ কথালৈকে আহো। প্ৰাণীসমাজৰ প্ৰতিটো প্ৰাণীৰে থকাৰ কাৰণে এফোটা নিৰ্দ্দিষ্ট অঞ্চল থাকে। এই অঞ্চলটো আনে দখল কৰিবলৈ আহিলে সিহঁতে প্ৰাণপণে যুঁজ দিয়ে। ধৰক—দুটা কুকুৰনেচিয়া বাঘেই তেনে অঞ্চল এটাৰ কাৰণে যুঁজ কৰিছে। এটা সময়ত দুৰ্বল কুকুৰনেচিয়াটোৱে বুজি উঠে যে সি জিকিব নোৱাৰে। কিন্তু সেইবুলি সি পলাই নাযায়। যঃ পলায়তি সঃ জীৱতি কাপুৰুষৰহে লক্ষণ। গতিকে

জীয়াই থাকিলে দেশ, মৰিলে স্বৰ্গ—এই ভাৱতে সি শেষ মুহূৰ্ত্তলৈকে যুঁজ দিব। আনকি শেষত মৃত্যু অৱশ্যম্ভাৱী বুলি জানিলেও আঁতৰি নাযায়। বৰঞ্চ মনৰ দুখত নিজৰ ডিঙিটোকে জিকাটোৰ ফালে আগবঢ়াইহে দিব। এনে আত্মসন্মানৰ উদাহৰণ মানুহৰ সমাজত কিমান? আনহাতে জিকাটোৱেও মুখৰ আগত ডিঙিটো পালে বুলিয়েই কামোৰ মাৰি নিদিয়ে। সিও দুৰ্বলটোৰ আত্মসন্মানক শ্ৰদ্ধা কৰে আৰু সেয়ে কোনো ধৰণৰ আক্ৰমণ নকৰে। এনে কাজিয়া চিম্পাঞ্জীৰ মাজতো লাগে। হৰা চিম্পাঞ্জীটোৱে হাত দুখন দাঙি আত্মসমৰ্পণ কৰে। এই অৱস্থাত জিকাটোৱে ইচ্ছা কৰিলে হৰাটোৰ বুকুখন ফালি চিৰাচিৰ কৰিব পাৰে। কিন্তু সি নকৰে। সিও হৰাটোৰ বীৰত্বক সন্মান জনায়। গালাপাগোচ দ্বীপত থকা এজাত গুইৰ ক্ষেত্ৰতো সেই একে কথাই খাটে। হৰাটোৱে জিকাটোৰ সন্মুখত দীঘল দি পৰি দিয়ে। কিন্তু সেই অৱস্থাত জিকাটোৱে আক্ৰমণ নকৰে। ইহঁতৰ যুঁজ বাগৰবোৰ আমাৰ তাহানিকালৰ বীৰসকলৰ দৰে। নিৰস্ত্ৰজনক অস্ত্ৰধাৰীজনে আক্ৰমণ নকৰে।

দুটা কুকুৰৰ মাজত যুঁজ লাগিলেও হৰাটোৱে থিতাতে পলাই নাযায়। খন্তেক সময় সি স্থিৰ হৈ ৰৈ থাকে। এনে অৱস্থাত জিকাটোৱেও আক্ৰমণ নকৰে। অৱশ্যে কিছু সময় গোৰগোৰাই থাকিব পাৰে। তাৰ পাছত জিকাটোৱে অঞ্চলটোৰ চাৰিওপিনে অতত ত প্ৰসাৰ কৰি দখলি স্বত্ব লয়। সেই সময়তহে হৰাটোৱে স সন্মানে লাহে লাহে আঁতৰি যায়।

জাকত থকা প্ৰাণীৰ এটাই আনটোক সহায় কৰে ক্ৰপটকিন নামৰ এগৰাকী বিজ্ঞানীয়ে প্ৰাণীসমাজৰ এটাই আনটোক সহায় সহযোগিতা আগবঢ়োৱাৰ দৃষ্টান্তও দুই এটা দাঙি ধৰিছে। তেওঁৰ মতে একোজাত প্ৰাণীৰ এটাই আনটোক বিভিন্ন কথাত সহায় কৰে সমৰ্থন জনায় আৰু বিপদৰ পৰাও উদ্ধাৰ কৰে। একেলগে বা ওচৰাওচৰিকৈ থকা বিভিন্ন জাতৰ প্ৰাণীৰ মাজতো এনে সহায় সহানুভূতি দেখা যায়। এনে মৰম চেনেহ আৰু সহায় সহানুভূতিৰ কাৰণেই সম্ভৱ বহুতো প্ৰাণীয়ে জাক পাতি থাকি ভাল পায়। পৰুৱা উঁই আদিৰ বাঁহ মাছ চৰাই আদিৰ জাক আৰু তৃণভোজী জন্তু পহু ম'হ হাতী আদিৰ পালেই ইয়াৰ প্ৰমাণ। মধ্য আফ্ৰিকাৰ সমভূমি অঞ্চলত আকৌ জেব্ৰা কৃষ্ণসাৰ উটচৰাই আদি বিভিন্ন প্ৰাণীও একেলগে থকা দেখা যায়। এনেকৈ থকা প্ৰাণীসমূহৰ মাজত সহায় সহযোগিতা থকাৰ কাৰণেই ইহঁত বাচি থাকিবলৈ সুবিধা হয়। এই আটাইকেউজাত প্ৰাণীৰে প্ৰধান শত্ৰু হ'ল—সিংহ। গতিকে সিহঁত থকা ঠাইত সিংহ ওলালে যিয়েই প্ৰথমতে দেখে সিয়েই চিঞৰ বাখৰ কৰি বাকীবোৰক সজাগ কৰি দিয়ে। ফলত আটাইবোৰেই পলাই সাৰিব পাৰে। আনহাতে আমাৰ মানুহৰ সমাজত এজনে আনজনক বিপদৰ ফালে ঠেলি দিহে আনন্দ পায়।

অষ্ট্ৰেলিয়াৰ সোনালী ডিঙিৰ ভাটৌ এজাতে উঁইৰ হাঁফলুৰ ওপৰতে বাঁহ সাজে। অথচ উঁইবিলাকে তাৰ কাৰণে কোনো আমনি নাপায়। আনহাতে ভাটৌজাতেও উঁইৰ

ওপৰত কোনো ধৰণৰ আক্ৰমণ নকৰে। আমাৰ ইয়াত থকা গৰু বা গৰু, ম'হ ইত্যাদিৰ ওপৰত বগলী কনামৰ্চৰি আদি চৰাই প্ৰায়েই পৰি থকা দেখা যায়। ইও এক সহযোগিতাই। কাৰণ এই চৰাইবোৰে গৰু ম'হ গৰু আদিৰ গাত থকা চিকৰা পোক জোক আদি খাই নিজৰো ভোক গুচায় আৰু লগতে সিবিলাক প্ৰাণীবো উপকাৰ কৰে। অকল সেয়ে নহয় আন কিবা অচিনাকী জন্তু ওচৰ চাপি অহা দেখিলে সেই বগলী বা কনামৰ্চৰিয়ে হঠাতে ডেউকা দপ্‌দপাই কোবাই উৰা মাৰে। এনে উৰণেই সেই ঠাইত থকা জন্তুবোৰক শত্ৰুৰ প্ৰতি সাৱধান কৰি দিয়ে।

চিত্ৰ নং—১২

[বগলীৰ দৰেই কণা ম'চৰি চৰায়ো মাজে সময়ে গৰু ম'হৰ পিঠিত উঠি থকা দেখা যায়। গৰু ম'হে পানীত থকা ঘাঁহ বনৰ মাজেদি খোজ কাঢ়ি যাওতে পোক-পতংগ মাছ আদি জাঁপিবায় আৰু তেতিয়াই কণাম'চৰিৰ চকুত ধৰা পৰে।]

এগৰাকী প্ৰকৃতিবিদে নিজৰ মন্তব্য এনেদৰেই দাঙি ধৰিছে—"আজি কালি আমাৰ বহুতেই বন্যপ্ৰাণীৰ মাজত লগা বহুৰ বাগৰৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে।

সি হতৰ মাজত যে মৰম চেনেহ, দিয়া লোৱা আৰু সহায় সহযোগিতাও আছে— সেই কথা পাহাঁৰিয়েই পেলায়। একেবাৰে সম্পৰ্কবিহীন দুজাত প্ৰাণীৰ মাজত থকা সহযোগিতাৰ উদাহৰণো বিচাৰিলে অনেক ওলাব।

পকৰাৰ সমাজতো কামৰ ভাগ বতৰা থাকে : প্ৰাণীজগতৰ আটাইতকৈ উন্নত সমাজ বুলিলে আমি পৰুৱা মৌ মাখি আৰু উইৰ সমাজখনৰ কথাকে কব লাগিব। ইহঁতৰ মাজত চেনেহা-চেনেহী সহায় সহযোগিতা আৰু কামৰ ভাগ বতৰা দেখিলে তবধ মানিব লাগে। উদাহৰণ স্বৰূপে পৰুৱা এবাঁহৰ কথাকে কোৱা যাওক। বাঁহটোৰ প্ৰতিটো পৰুৱাৰে একোটা নিৰ্দিষ্ট কাম থাকে। কমী পৰুৱা বিলাকে খাদ্য গোটাই আনি সকলো পৰুৱাকে খাদ্যৰ যোগান ধৰে। ৰাণীৰ কাম হ'ল কেৱল কণী পৰা। সৈনিক পৰুৱাবোৰে আকৌ বাঁহটোক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰাতেই ব্যস্ত হৈ থাকে।

আমেৰিকাৰ "বব হোৱাইট নামৰ এজাত বতা চৰাইৰ শত্ৰু খেদোৱাৰ কৌশলো অতি চমৎকাৰ। জাকৰ পাতি থকা এই চৰাইজাতে শত্ৰু দেখিলে শত্ৰুৰ চাৰিওপিনে বৃত্তাকাৰে বহি দিয়ে। তাৰ পাছত প্ৰতিটো চৰায়েই বাৰে বাৰে ডেউকা দখন মেলি ওপৰলৈ জপিয়াবলৈ ধৰে। শত্ৰুৱে বতা চৰাইৰ এই দৃশ্য দেখিয়েই ভয় খাই আঁতৰি যায়।

হাতীয়ে প্ৰায়েই পাল পাতি পাতি ঘাঁহ বিচাৰি ইঠাই সিঠাইকৈ ঘূৰি ফুৰে। ইহঁতৰ পালটোৰ মাজত থকা একতাৰ বান্ধোনটোও মন কৰিবলগীয়া। পালটোৰ সুখ সমৃদ্ধিৰ কাৰণে প্ৰতিটো হাতীয়েই যত্ন কৰে। আনহাতে কোনোবাটো বিপদত পৰিলেও সকলোৱেই তাক উদ্ধাৰ কৰাৰ চেষ্টা কৰে। উদাহৰণ স্বৰূপে পালটোৰ কোনোবা এজনী হাতীয়ে পোৱালী জগালে বাকীবোৰে তাইক এৰি গুচি নাযায়। সিহঁত পোৱালীটোৰে সৈতে মাকক কিছু সময় ঘেৰি থয়—যাতে শত্ৰুৱে আক্ৰমণ কৰিব নোৱাৰে। পোৱালীটো খোজ কাঢ়িব পৰা হ'লেহে গোটেই জাকটো আগুৱাই যায়। তেতিয়াও পোৱালীবোৰক মাজত থৈ ডাঙৰবোৰ আগে পাছে বা দুয়োকাষেহে যায়। আকৌ পালটোৰ যদি কোনোবা এটা হাতীক কোনোবাই গুলিয়াই আঘাত কৰে তেতিয়া গোটেই পাল হাতীয়েই তাক তলালৈকে বেৰি ধৰে আৰু ঠেলি হেঁচি ওচৰৰ জোপোহাৰ মাজলৈ লৈ যায়। আনকি লগৰ মৰা হাতী একোটাকো ইহঁতে পাৰিলে দাঁতেৰে দাঙি আৰু নহলেও চোচোৰাই বগৰায়েই কেইবামাইল পৰ্যন্ত দূৰলৈ লৈ গৈ থাকে। সি হতৰ হয়তো ভাব—সি পুনৰ জী উঠিব।

গকৰে কুকুৰনেচিয়া বাঘকো ধৰাশায়ী কৰে : সমেৰু অঞ্চলত এজাত গৰু আছে। ইহঁতৰ একমাত্ৰ শত্ৰু হল—কুকুৰনেচিয়া বাঘ। কিন্তু দল বান্ধি থাকে কাৰণেই কুকুৰনেচিয়াই সহজে ইহঁতৰ কাষ চাপিব নোৱাৰে। কুকুৰনেচিয়া বাঘ ওলালেই ইহঁতে বৃত্তাকাৰে শাৰীপাতি পোৱালীবিলাক ভিতৰফালে সুমুৱাই

লয় আৰু নিজৰ নিজৰ শিংবোৰো দাঙি থয়। বাঘ ওচৰ চপাৰ লগে লগে তাকে এটাই বুজ দিবলৈ আগবাঢ়ে। সি যদি কেনেবাকৈ হাৰে তেন্তে অন্য এটা আগবাঢ়ে। এইদৰে এটাৰ পাছত আনটোৱে আক্ৰমণ কৰি হয় বাঘক ধৰাশায়ী কৰে আৰু নহয় বাঘে নিজে পলাবলৈ বাধ্য হয়।

প্ৰাণীৰ সমাজত এটাই আনটোৰ কেচুৱা তুলি তালি ডাঙৰ দীঘল কৰাৰো অনেক দৃষ্টান্ত আছে। এবাৰ আফ্ৰিকাৰ অ'ৰিক্স (oryz) নামৰ কৃষ্ণসাৰ জাতিৰ মাইকী এজনীয়ে বনৰীয়া গাহৰিৰ ঘাত মাউৰা পোৱালী এটা তুলি তালি ডাঙৰ কৰিছিল। ১৯২০ চনত ৰেভাৰেণ্ড সিং নামৰ এজন ভাৰতীয় চিকাৰীয়ে এক আমোদজনক তথ্য আবিষ্কাৰ কৰিছিল। তেওঁ দেখিছিল যে তিনিটা কুকুৰচৌচিয়া বাঘে নিজৰ পোৱালী দুটাৰ লগতে দুটি মানুহৰ কেচুৱাও লালন পালন কৰিছিল। সিঙে বহু কষ্টেৰে মানুহৰ কেচুৱা দুটি উদ্ধাৰ কৰি আনিছিল। তাৰে এটি কেচুৱাৰ ন মাহ মান থকাৰ পাছত মৃত্যু হ'ল। আনটো কেচুৱায়ো সমস্যাৰহে সৃষ্টি কৰিলে। কাৰণ, তাৰ স্বভাৱ-চৰিত্ৰ ইমান কুকুৰনেচিয়াৰ দৰে হৈ পৰিছিল যে মানুহৰ ধৰণ-কৰণ শিকাবলৈ যথেষ্ট কষ্ট কৰিব লগা হৈছিল।

প্ৰাণীৰ সহানুভূতিৰো তুলনা নাই। নিজৰ জাতৰে হওক বা অন্য জাতৰে হওক বিপদত পৰিলে এটাই আনটোক সহায় কৰাৰ উদাহৰণ অনেক আছে। বহুতো জাতৰ প্ৰাণীয়ে নিজৰ পৰিয়ালৰ খোৰা কণা বা ৰুগীয়া প্ৰাণীটোক বিভিন্ন প্ৰকাৰে সহায় কৰে। খোৱা বোৱাৰ ক্ষেত্ৰতো সিহঁত স্বাৰ্থপৰ নহয়। মাংসহাৰী প্ৰাণীবোৰৰ ক্ষেত্ৰত প্ৰায়েই পৰিয়ালৰ কোনোবা এটাইহে চিকাৰ কৰে। কিন্তু খাদ্যৰ ভাগ সকলোৱেই সমানে পায়। আফ্ৰিকাৰ চিকাৰীকুকুৰবোৰে আকৌ নিজে খাই বমি কৰি লগৰ বাকীবোৰক খাবলৈ দিয়ে।

প্ৰাণীসমাজত পোৱালীৰ প্ৰতি লোৱা তত্বাৱধানো মন কৰিবলগীয়া। উদাহৰণ স্বৰূপে সিংহৰ ডাঙৰবোৰে হাবিত চিকাৰ কৰি মাংসৰ ভাগ গুহাত থকা পোৱালীবোৰলৈও লৈ আনে। কেতিয়াবা আকৌ ডাঙৰ হাড়বোৰ নিজৰ মুখৰ ভিতৰতে গুড়ি কৰি পাছত পোৱালীক খাবলৈ উলিয়াই দিয়ে। কুকুৰনেচিয়াৰ মতাবোৰে নিজৰ পোৱালী আৰু তিৰোতাক খুৱাবলৈকে পোন্ধৰ বিশ মাইল পৰ্য্যন্ত দূৰলৈ চিকাৰ কৰিবলৈ যায়। পোৱালীক খুৱাবলৈ হয় মাংস লাগি থকা হাড়ৰ টুকুৰাবোৰ কঢ়িয়াই আনে আৰু নহয় সৰহীয়াকৈ মাংস খাই পাছত গাঁতৰ ওচৰত বমি কৰি দিয়েহি। বান্দৰ গৰিলা চিম্পাঞ্জী আদিয়েও মাইকী আৰু পোৱালীৰ কাৰণে অ'ৰ ত'ৰ পৰা খাদ্যবস্তু গোটাই আনে। চৰাইৰ ক্ষেত্ৰত আকৌ লগৰ আন চৰাইৰ বাঁহ পৰ্য্যন্ত সাজি দিয়ে।

গা ধোওঁতেও নিয়ম মানি চলে: প্ৰাণীয়ে সাধাৰণতে কোনো কথাতে বৰ বেচি হে'ডাওপৰা নকৰে। ইহঁতে সকলো কাম নিৰ্দ্দিষ্ট নিয়ম মতেই কৰে। বহুতো চৰায়ে পানীত জোবোৰা মাৰি বা পানীত ডেউকা দুখন জোকাৰিয়েই গা

খোৱে। কিন্তু তাকে এক নিয়মৰ মাজেদিহে কৰে। এবাৰত সাধাৰণতে এটা চৰায়েহে গা ধোৱে। বাকীবোৰ পাৰত বহি থাকে। প্ৰথমটোৱে গা ধুই পাৰলৈ আহিলেহে দ্বিতীয়টো পানীত নামে। ধৰক – প্ৰতিটো চৰাইৰে গা ধোৱা সময় হ'ল এক মিনিট। গতিকে প্ৰত্যেকেই একমিনিট সময়হে পানীত থাকিব। কেনেবাকৈ যদি কোনোটোৱে তাতকৈ বেচি সময় লয় তেন্তে পাছত থকাৰ লগাটোৱে তাৰ প্ৰতিবাদ কৰে। অৱশ্যে গালি শপনিতে এনে কাজিয়াৰ ওৰ পৰে। পাৰত শাৰি পাতি থকা চৰাইবোৰৰ প্ৰত্যেকেই নিজৰ নিজৰ নিৰ্দ্দিষ্ট সময়তহে পানীলৈ নামে। কোনেও আগতে গা ধোৱাৰ চেষ্টা নকৰে। এনে শৃংখলজীৱন প্ৰাণীৰ বাহিৰে আন কাৰোবাৰ আছে জানো ?

উৰহৰ খং ভগা চাৰিত সৰ্ব্বৱাৰ স্বভাৱ কেৱল মাহ হৰহে আছ। প্ৰাণীয়ে তেনে কাম কেতিয়াও নকৰে। খৰ খং উঠি থকা প্ৰাণী এটায়ো ওচৰত পালো ব লিয়েই যি কোনো প্ৰাণীক আক্ৰমণ নকৰে। যি তাৰ খং উঠায় বা যি তাক আক্ৰমণ কৰে সি কেৱল তাৰহে প্ৰতিশোধ লয়। তেনে শত্ৰু ওচৰত নাপালে কেতিয়াবা বহুতদিন পৰ্য্যন্ত খাপ পাতি বৈ থাকে। তথাপি অপকাৰ নকৰাজনক আক্ৰমণ নকৰে।

প্ৰাণীসমাজত সম্পত্তিৰ অধিকাৰৰ কিছু নিয়মনীতিও থাকে। আনকি মকৰা একোটায়ো নিজৰ থনৰ বাহিৰে আনৰ জালত নবগায়। নিজৰখন ফাটি চিটি গলেও নতুনকৈ এখন বনাইহে লয়। চৰাই আৰু জন্তুৰ সমাজত তিৰোতা একোজনীৰ কাৰণেও দুই চাৰিটা মতাৰ মাজত যুদ্ধ বাগৰ লাগে। কিন্তু যি মুহুৰ্ত্ততে মতা মাইকী এহালে যোৰ পাতে বাকী মতাবোৰে আৰু যুদ্ধ কৰি নাথাকে। সি হতে বেলেগ তিৰোতা বিচাৰিহে ওলায়। দুই এজাত চৰাই আৰু জন্তুৰ ক্ষেত্ৰত একস্ত্ৰী এক স্বামী প্ৰথাও আছে। ঠিক আমাৰ সমাজৰ দৰেই। পাছে আমাৰ সমাজত মাজে সময়ে পৰৰ স্ত্ৰী বা পৰৰ স্বামীৰ লগত হাট বাট কৰাৰ কথা শুনা যায়। কিন্তু প্ৰাণীৰ সমাজত তেনে ঘটনা কেতিয়াও নঘটে।

প্ৰাণী সমাজত যুঁজ বাগৰ

সকলো প্ৰাণীয়েই বিভিন্ন কাৰণত মাজে সময়ে যুদ্ধ বাগৰ কৰা দেখা যায়। কেতিয়াবা হয়তো খাদ্যৰ কাৰণে কেতিয়াবা থকা ঠাইৰ কাৰণে আৰু কেতিয়াবা জীৱন সঙ্গিনী এগৰাকী লাভ কৰাৰ কাৰণে। এনে যুঁজ বাগৰ কেতিয়াবা নিজৰ পৰিয়ালৰ মাজত আৰু কেতিয়াবা বেলেগ পৰিয়ালৰ মাজত কেতিয়াবা নিজৰ প্ৰজাতিৰ ভিতৰত আৰু কেতিয়াবা বেলেগ প্ৰজাতিৰ ভিতৰত সংঘটিত হয়। মুঠতে প্ৰাণী সমাজত যুদ্ধ বাগৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ বুলিয়েই ক'ব লাগিব। প্ৰখ্যাত প্ৰকৃতিবিদ ডাৰউইন চাহাবেও তেওঁৰ ক্ৰমবিকাশ সূত্ৰত সেই একে কথাকে উল্লেখ কৰি গৈছে। প্ৰেমপ্ৰীতিত প্ৰাণীসমূহ যেনেকৈ দেৱতা যুদ্ধ বাগৰত তেনেকৈ অসুৰ। যুদ্ধ বাগৰ প্ৰাণী সমাজৰ জীয়াই থকাৰ সাঁকো জীৱন গোলাপৰ চাৰিও ফালে ঘেৰি থকা কাঁইট। জীৱনত এখনো যুদ্ধ নলগাকৈ প্ৰাণী সমাজত জীয়াই থাকিবলৈ আশা কৰা মিছা। সিহঁতৰ সমাজত জীৱন আৰু সংগ্ৰাম একেটা টকাৰে ইপিঠি সিপিঠি মাত্ৰ।

বোমা দিব পৰা পতংগও আছে• যুদ্ধ বাগৰৰ কাৰণে প্ৰাণীৰ দেহত বিভিন্ন ধৰণৰ অংগ প্ৰত্যংগ গঠিত হয়। বিষাক্ত গ্ৰন্থি শুং আদিয়েই পল পতংগ বৃশ্চিক আদিৰ একো একোপাত অস্ত্ৰ। দীঘল দীঘল ঠেং কেইখনেই মকৰা কেঁকোৰা অক্টোপাচ আদিক জীৱন যুদ্ধত সহায় কৰে। লায়নচ মেন (Lions mane) নামেৰে সাগৰত এজাত জেলিফিচ আছে। ইহঁতৰ গাটোৰেই বহলে সাত ফুট মান হব। ইহঁতৰ টেণ্টাকোল বিলাকো যথেষ্ট শক্তিশালী। ইহঁতে ছেকেণ্ডৰ ভিতৰতে পোন্ধৰফুটমান দূৰৈত থকা শত্ৰুৰ গাত টেণ্টাকোল ডাল লগাই বিহ ঢালি দিব পাৰে।

আমাৰ সৈন্য সকলে শত্ৰুলৈ গুলি মৰাৰ দৰে এজাত পতংগয়ো শত্ৰুলৈ গুলি মাৰিব জানে। এনে গুণৰ কাৰণেই ইহঁতক বোমা দিয়া পতংগ (Bombardier insect) বুলি কোৱা হয়। এই পতংগজাতে এবিধ বিহযুক্ত পনীয়া পদাৰ্থ জোৰেৰে দেহৰ পৰা উলিয়াই দিয়ে আৰু বায়ুৰ সংস্পৰ্শলৈ আহি ধোঁৱাৰ ৰূপ লয়। এনে বিষাক্ত ধোঁৱা সহ্য কৰিব নোৱাৰি শত্ৰু পলাই ফাট মাৰে।

পতংগৰ অস্ত্ৰ শস্ত্ৰ অনেক থাকে জীৱন যুদ্ধত তিষ্ঠি থাকিবলৈ হ'লে দুৰ্বল প্ৰাণীয়ে সবল প্ৰাণীৰ লগত সদায় যুঁজ কৰিবই লাগিব। এনে যুদ্ধৰ পৰা পোক-পতংগ বা আন সৰু প্ৰাণীও বাদ নপৰে। যুদ্ধ কৰিবলৈ পতংগ সমূহৰ অস্ত্ৰ শস্ত্ৰও নোহোৱা নহয়। দেহৰ পৰা ওলোৱা মমৰ দৰে পদাৰ্থ দেহত থকা

সূতা তৈয়াৰ কৰিব পৰা গ্ৰন্থি বিষাক্ত ৰস বিষাক্ত বাষ্প আৰু বিভিন্ন ধৰণৰ অংগ উপাংগই ইহঁতক শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰাত সহায় কৰে। বহুতো পতংগৰ শৰীৰৰ পৰা ওলোৱা এঠাযুক্ত ৰসেও কেতিয়াবা শত্ৰুক জব্দ কৰাত সহায় কৰে। পাতল শৰীৰটোৰে সৈতে পতংগই শত্ৰুৰ ওচৰৰ পৰা সহজে উৰা মাৰিবও পাৰে। তদুপৰি গাত থকা নোম বাকলি কাঁইট আদিকি বাহিৰৰ টান আৱৰণখনেও প্ৰতিৰক্ষাত সহায় কৰে।

ইমানখিনি আহিলা থকা স্বত্বেও কোনোবা এজাত পতংগই যদি জীৱন যুদ্ধত হাত সাৱটি বহি থাকে তেন্তে তেনে পতংগ নিৰ্মূল হোৱাটো স্বাভাৱিক কথা। উদাহৰণ স্বৰূপে জিলিলৈকে আঙ লিয়াব পাৰি। ইহঁত ঠাণ্ডা প্ৰকৃতিৰ পতংগ। ইহঁতৰ শত্ৰুক আক্ৰমণ কৰাৰ জোখাৰে এটা ঠোঁট আছে। কিন্তু আচৰিত কথা ইহঁতে আক্ৰমণ নকৰে। ফলত মানুহেও ইহঁতক সহজে মাৰে আৰু বিভিন্নজাতৰ পতংগ ভোজী চৰায়েও ধৰি ধৰি খায়। চৰাই আৰু মানুহৰ আক্ৰমণৰ ফলতে ইহঁতৰ সংখ্যা দিনক দিনে কমি আহিছে। সেই কাৰণেই কোৱা হয় যে জীৱন যুদ্ধত জীয়াই থাকিবলৈ আত্মৰক্ষা আৰু প্ৰয়োজন হ'লে আক্ৰমণ দুয়োটাই নিতান্ত প্ৰয়োজন। নিম্নস্তৰৰ প্ৰাণীসমূহৰ ক্ষেত্ৰত ই বেচি প্ৰযোজ্য।



চিত্ৰ নং—১৩

[কোঁদো এবিধ বিষাক্ত পতংগ। ইহঁতে কাঠ বাহ কুটি কুটি তাৰে মন্দ তৈয়াৰ কৰি বাঁহ সাজে। শত্ৰুক আক্ৰমণ কৰিবলৈ ইহঁতৰ বিষাক্ত শুং আছে। তদুপৰি গাৰ উজ্জ্বল ৰংটো দেখিও আন পতংগ ইহঁতৰ ওচৰ নাচাপে।]

মকৰাৰ জালখন প্ৰকৃততে চিকাৰ ধৰাৰ কৌশলহে

পতংগৰ সমাজত যুঁজ দিয়াৰ ক্ষেত্ৰত মকৰাৰ এক সুনাম আছে। ই জাল বনায়েই শত্ৰুৰ পোতক তোলে। জালখনৰ শক্তি দেখিলেও তবধ মানিব লাগে। বৃত্তাকাৰকৈ টনা সুতা বোৰৰ উপৰি জালখনৰ কেন্দ্ৰৰ পৰা চাৰিওফালে টনা সূতাও অনেক থাকে। এই দুয়োবিধ সূতাই ইডাল সিডালৰ লগ লাগি থাকে। একোখন জালত মকৰাই এঠা যুক্ত পদাৰ্থৰ প্ৰায় নব্বৈ হাজাৰ মান ক্ষুদ্ৰ টোপাল এৰি থয় বুলি

কোৱা হয়। পতিকে যেনেকুৱা ক্ষুদ্ৰ পতংগই নহওক, জালৰ ওপৰত পৰিলে এই এঠাত লাগি বৈ যায়। মকৰাটো জালৰ পৰা কিছু দূৰৈত বৈ থাকে। লগতে জালখনৰ লগত নিজৰ গাটো এডাল সূতাৰে সংলগ্ন কৰি থয়। পতিকে জালৰ ওপৰত কিবা পৰিলেই জালখন সামান্য ভাবে হলেও কঁপি উঠে আৰু এই কম্পন গৈ মকৰাৰ ওচৰ পায়গৈ। যেন প্ৰতিডাল সূতাই একোডাল টেলিফোনৰ তাঁৰহে আৰু মকৰাই যেন ৰিচিভাৰটো লৈ বহিহে আছে। চিকাৰ জালত পৰিলেই মকৰাই সূতাৰে বগাই গৈ ওচৰ পায়গৈ আৰু পুনৰ সূতা উলিয়াই চিকাৰ পতংগটোৰে গাটো মেৰিয়াই দিয়ে। এনে কৰাৰ ফলত চিকাৰ প্ৰাণীটোৱে পাখি জোকাৰি চিয়ঁৰ বাথৰ কৰি অৱশেষত মৃত্যুকে আঁকোৱালি লয়। পাছত মকৰা টোৱে মৃত পতংগটো খাই পেলায়।

মকৰাবো আকৌ অনেক জাত আছে। দক্ষিণ আমেৰিকাৰ এজাত ডাঙৰ মকৰাৰ গাটো দুই ইঞ্চি মানহে দীঘল। কিন্তু ঠেং একোটা সাত ইঞ্চি মান দীঘল ৰঙা আৰু ধূসৰ বৰণৰ খহটা নোমেৰে গাটো আবৰি থাকে। দেখাততো দৈত্য যেন লাগেই কামবোৰো দৈত্যৰ দৰে। এই জাত মকৰাই হেনো চৰাইকো আক্ৰমণ কৰে আৰু খায়। এবাৰ ইহঁতৰ জাল এখনত দুটা সৰু মৃত চৰাই পোৱা হৈছিল। এটা জালৰ এঠাত লাগি মৰি আছিল আৰু আনটোৰ ওপৰত মকৰাটো নিজেই বহি আছিল।

মকৰাৰ জালত নিগনিও লাগে গ্ৰীষ্মমণ্ডলত থকা মকৰাবিলাকৰ জালবোৰ ডাঙৰ। এনে একোখন জালত চৰাই একোটা সহজে লাগি ধৰিব পাৰে। এবাৰ এটা নিগনিও এনে এখন জালত লাগি থকা দেখা গৈছিল। প্ৰশ্ন হ'ল নিগনিটো জালখনলৈ কিয় আহিল? আচলতে নিগনিটো মাটিত থাকোতেই মকৰা এটাই তাৰ চাৰিওফালে জাল গুঠি তাক জব্দ কৰি পেলালে। তাৰ পাছত তাক সূতাৰে চাৰি ইঞ্চি মান ওপৰলৈ দাঙি নি জালত পেলাই দিলেগৈ। মকৰাটোৱে ইমান মনে মনে তাৰ চাৰিওফালে জাল গুঠি তাক জব্দ কৰিলে যে নিগনিটোৱে গমকে নাপালে। দুই এঠাইত মকৰাৰ জালত সৰু সুৰা সাপ আৰু মাছো লাগি থকা দেখা গৈছে।

কিছুমান মকৰাই আকৌ জাল নবনোৱাকৈয়ে চিকাৰৰ ওপৰত জপিয়াই পৰে। কেকোৰা মকৰা (cuab spider) নামৰ এজাত মকৰাই কেতিয়াবা মাটিত কেতিয়াবা গছত আৰু কেতিয়াবা ফুলৰ মাজত চিকাৰৰ আশাত চোপ লৈ বৈ থাকে। চিকাৰ সন্মুখলৈ আহিলেই চিকাৰৰ ওপৰত জপিয়াই আক্ৰমণ কৰে। জাপ মৰা মকৰা (jumping spider) নামৰ এজাত সৰু মকৰাই আকৌ নিজৰ স্বামী বা তিৰোতা জনীকে চিকাৰ কৰি খাই পেলায়।

কেতিয়াবা মকৰাই যুদ্ধ কৰাৰ ভয় দেখুৱায়েই এটাই আনটোৰ আক্ৰমণৰ পৰা সাৰিবলৈ বিচাৰে। দুটা মকৰা কেতিয়াবা ওচৰা ওচৰি হ'লে দুয়ো দুয়োলৈ এনেভাবে চোচা মাৰে যেন ইটোৱে সিটোক মাৰিহে পেলাব। পাছে দুয়ো দুখোজ-

মান পৈয়েই বৈ দিয়ে। দুখোজমান পাইলে আহি পুনৰ চোচা মাৰে। এনেকৈ দুৰাৰমান আক্ৰমণ কৰাৰ ভয় দেখুৱাই কোনোবা এপাকত হয়তো চিৎ হৈ শুই দিয়ে। এইয়া আকৌ মৰাৰ ভাও। আনটো মকৰাই হয়তো মৰিল বুলি ভাবিয়েই সেই ঠাইৰ পৰা আঁতৰি যায়।

পৰুৱায়ো কাজিয়া কৰি ভাল পায় পৰুৱাৰ সৈন্য বাহিনীৰ নিয়মানুবৰ্ত্তিতা আৰু যুদ্ধৰ কৌশল দেখিলেও আচৰিত হ'ব লাগে। সিহঁতে জীৱন উচৰ্গা কৰি হ'লেও শত্ৰু নিধন কৰে। দক্ষিণ আমেৰিকাৰ পেৰাছল (Parasal) নামৰ দৈত্যাকাৰ পৰুৱাজাতৰ সৈন্যবোৰৰ মুখত শক্তিশালী হনু (Jaw) থাকে। সিহঁতে এই হনুৰ সহায়তে মুখৰ আগত কি পায়, এফালৰ পৰা ধ্বংস কৰি গৈ থাকে। আফ্ৰিকাৰ চালক পৰুৱা (Driver ant) নামৰ এজাত পতংগৰ কাৰ্য্য ব্যৱস্থাও প্ৰায় পেৰাছলৰ দৰেই। ইহঁতৰ লাখ লাখ পৰুৱাৰ একোটা জাক লানি পাতি এফালৰ পৰা গৈ থাকে আৰু পতংগৰ পৰা চৰাইলৈকে মুখৰ আগত কি পায় তাকে আক্ৰমণ কৰি মৃত্যুৰ মুখত পেলায়। আনকি বিষাক্ত বৃশ্চিক বা আন প্ৰাণীও ইহঁতৰ আক্ৰমণৰ পৰা হাত সাৰিব নোৱাৰে। পৰুৱাই নিজৰ মাজতে ইটো সিটোৰ লগত কাজিয়া কৰিও ভাল পায়। এটাই আনটোক খন্দামাৰে ঠেলে আৰু গালৈকে জাপিয়ায়।

মৌ মাখিৰ ৰাণীজনীৰ কাৰ্য্যকলাপো মন কৰিবলগীয়া। ৰাণীজনীয়ে যেতিয়া গম পায় যে তাইৰ বাঁহৰ কোনোবা কোঠাত অন্য ৰাণী সোমাইছেহি তাইৰ খঙে নোমৰ আগ পায়গৈ। কোনো ৰাণীয়েই নিজৰ বাঁহত আন ৰাণীৰ উপস্থিতি সহ্য কৰিব নোৱাৰে। তাই ততালিকে তেনে কোঠালৈ গৈ সেই ৰাণীজনীক মাৰি পেলায়। কৰ্মী মৌবিলাকে এনে কামত বাধা দিলেই তাই বাকীবিলাকক লৈ সেই বাঁহৰ পৰাই উৰা মাৰি আঁতৰি যায়। কেতিয়াবা দুয়োজনী ৰাণীৰ মাজত যুদ্ধ বাগৰো লাগে। ফলত কেতিয়াবা এজনী আৰু কেতিয়াবা দুয়োজনীয়েই মৰি থাকে।

শুঁড় আৰু দাঁতেই হাতীৰ অস্ত্ৰ মাছেও পানীৰ তলত বিভিন্ন কাৰণত যুদ্ধ বাগৰ কৰিব লগাত পৰে। শক্তিশালী কিছা দাঁত আৰু দুই এজাত মাছৰ বিষাক্ত গ্ৰন্থিয়েই সিহঁতৰ শত্ৰুৰ বিৰুদ্ধে যুদ্ধ দিয়াত সহায় কৰে। ভেকুলীৰ পিঠিৰ ছালে থকা খহু বিলাকতে বিষাক্ত ৰস সোমাই থাকে। সাপৰ দাত আৰু বিষাক্ত গ্ৰন্থিয়েই শত্ৰুক দূৰতে বিদৰ কৰে। তদুপৰি বহুতো সাপে দীঘল গাটোৰে মেৰিয়ায়েই শত্ৰু নিধন কৰিব পাৰে। ঠোট আৰু ঠেঙৰ আঁকোৰা নখেই চৰাইৰ অস্ত্ৰ। ম'হ গৰু ছাগলী পহু আদিয়ে সিহঁতৰ শক্তিশালী শিঙেৰেই শত্ৰুৰ লগত যুদ্ধ দিয়ে। বাঘ মেকুৰী কুকুৰ সিংহ পাণ্ডা আদি জন্তুৰ জীৱন সংগ্ৰামৰ আহিলা হ'ল শক্তিশালী দাত আৰু ঠেঙৰ হাতোৰা কেইখন। শুড়ডাল আৰু দাঁতেই হাতীক সকলো বিপদ আপদৰ পৰা ৰক্ষা কৰি থাকে। গড়ৰ সাৰ্থিথ হ'ল তাৰ খড়্গটো।

বেলেগ বেলেগ জাতৰ প্ৰাণীৰ যুঁজ কৰাৰ নিয়মো বেলেগ বেলেগ। কুকুৰ গাল চৰাই আৰু কিছুমান জাতৰ মাছে যুজ কৰোতে ইটোৱে সিটোক কামোৰে। ঘোঁৰাৰ দৰে কিছুমান খুৰা থকা জন্তুৱে পাছ ঠেঙেৰে লথিয়ায়েই শত্ৰুক আক্ৰমণ কৰে। দুটা হৰিণে কাজিয়া লাগিব খুজিলে সাধাৰণতে দুয়োটাই শিং দুযোৰা ইযোৰা সিযোৰাত লগাই ঠেলা ঠেলি কৰি থাকে। বহুতো মাছে নেজফানি খন জোৰেৰে পানীত কোবাই আন মাছৰ গালৈ পানী ছটিয়ায়েই যুজৰ পাতনি মেলে। ৰবিন নামৰ এজাত মাছে তাৰ গাটো পকাই আৰু ৰঙা বুক খন শত্ৰুক দেখুৱায়েই ভয় খুৱাবলৈ চেষ্টা কৰে। ইহঁতে গাটো এবাৰ সোঁফালে আৰু এবাৰ বাওঁফালে পকাই পকাইয়েই কিছু সময় থাকে যাতে শত্ৰুৱে তাৰ আক্ৰমণাত্মক চেহেৰা দেখিয়েই ওচৰ চাপিবলৈ সাহ নকৰে। চিচ্লিদ (Cichlid) নামৰ মাছজাতে ফুলৰ ঢাকনি খন দাঙি ৰঙা ফুলবোৰ দেখুৱায়েই শত্ৰুক ভয় খুৱায়। বিষ নোহোৱা সাপৰ ফোপাউৰিয়েই সাৰ বুলি আমাৰ একাষাৰ কথা আছে। কিন্তু কেতিয়াবা ফোঁপা উৰিয়েও কাম কৰে। এনে সাপৰ চেহেৰা দেখিয়েই শত্ৰু দূৰতে পলায়। কুকুৰে যুজ কৰিবলৈ লোৱাৰ আগতে মাটিত আগঠেং দুখনেৰে আঁচুৰি আঁচ ৰিয়েই নিজৰ খঙৰ মহিমা প্ৰকাশ কৰে। গৰু মহু আদিয়ে খং উঠিলে মূৰটো দাঙে কেতিয়াবা তলমূৰকৈ আগবাঢ়ি যায় আৰু কেতিয়াবা শিঙেৰে মাটিত খোচৰে।

দল বান্ধি থাকিলে যুঁজিবলৈ ভাল কাউৰী শালিকা আদি বহুতো চৰায়ে শত্ৰু দেখিলেই চিয়ঁৰ বাথৰ কৰি জাকটোৰ সকলোকে ওচৰ চপাই লয় আৰু দলবান্ধি শত্ৰুৰ বিৰুদ্ধে যুজ দিয়ে। কেতিয়াবা আকৌ এনে সংকেত ধ্বনিয়েই শত্ৰুৰ কাৰণে সাৱধান বাণী হৈ পৰে। লগতে আন আন জাতৰ প্ৰাণীয়েও শত্ৰুৰ বিপক্ষে যুজিবলৈ দল বান্ধে। উদাহৰণ স্বৰূপে শেন চৰাই একোজনীয়ে যেতিয়া বুলবুলি চৰাইৰ বাঁহত আক্ৰমণ কৰিবলৈ লয় বুলবুলি চৰাইবোৰে চিয়ঁৰি উঠে। এই চিয়ঁৰ শুনিয়েই ঘৰচিৰিকাবোৰেও চিয়ঁৰি চিয়ঁৰি প্ৰতিৰক্ষাৰ কাৰণে সাজু হয়। এনে চিয়ঁৰেই পাৰ চৰাই বিলাককো সজাগ কৰি দিয়ে। সিহঁতে বাঁহৰ পৰা ওলাই জাক পাতি উৰিবলৈ লয়। জাক পাতি যুজ দিবলৈ সাজু হোৱাৰ কাৰণেই শেনে কাকো ধৰিব নোৱাৰে।

ডঃ এ দি ব্লেষ্ট (A D Blest) নামৰ এগৰাকী বিজ্ঞানীয়ে প্ৰাণীৰ ব্যৱহাৰৰ এক নতুন তথ্য আমাৰ আগত দাঙি ধৰিছে। তেওঁ কৈছে যে বহুতো প্ৰাণীয়ে নিজৰ ভয়লগা চেহেৰা বা দেহৰ বিভিন্ন অঙ্গী-ভঙ্গীৰেই শত্ৰুক ভয় খুৱাবলৈ চেষ্টা কৰে। বহুতো মথৰ ক্ষেত্ৰতে এনে ব্যৱস্থা দেখা যায়। ডাঙৰ চকুৰা হক মথ (Hawk Moth) জাতক কোনোবাই দিগদাৰি কৰিলে ইহঁতে ডাঙৰ উজ্জ্বল চকু দুটা দেখুৱায়েই শত্ৰুক ভয় খুৱায়। ৰঙা চকু ৰেযে কাম কৰে ইহঁতেই তাৰ প্ৰমাণ। কিছুমান জাতৰ ভেকুলীয়ে সাপ দেখিলেই গাটো ফুলাই ডাঙৰ কৰি দিব পাৰে। সাপেও ইমান ডাঙৰ প্ৰাণী কেনেকৈ খাম বুলি ভাবি আঁতৰি যায়। বি এল ব্ৰাদু

(B L Bradoo) নামৰ আন এগৰাকী বিজ্ঞানীয়ে ১৯৭৫ চনত মকৰাৰ ব্যৱহাৰৰ ওপৰত কিছু অধ্যয়ন কৰিছিল। তেওঁৰ মতে কিছুমান জাতৰ মকৰায়ো এক প্ৰকাৰ শব্দ সৃষ্টি কৰি শত্ৰুক ভয় খুৱাবলৈ চেষ্টা কৰে। অৱশ্যে শত্ৰু যদি আঁতৰি না যায় তেন্তে যুদ্ধ বাগৰবো সূত্ৰপাত হয়।



চিত্ৰ নং—১৪

[শেন এবিধ মাংসভোজী চৰাই। ইহঁতে আঁকোৰা ঠোঁটটোৰে যি কোনো প্ৰাণী আক্ৰমণ কৰি চিৰাচিৰ কৰিব পাৰে। শেন চিকাৰী চৰাই। আঁকোৰা ঠোঁট আৰু বে কানখ—দুয়োটাই চিকাৰ কৰাত সহায় কৰে। শেনে চিকাৰ কৰাৰ সময়ত ইমান বেগত চোচা মাৰি যায় যে কোনো প্ৰাণীয়েই সাৰিব নোৱাৰে।]

প্ৰতিটো প্ৰাণীৰে নিজস্ব একোটা অঞ্চল থাকে বেছি ভাগ বনৰীয়া জন্তুৰে হাবিৰ মাজত নিজা নিজা একোটা অঞ্চল থাকে। কিছুমানে দেহৰপৰা ওলোৱা এবিধ গন্ধযুক্ত পদাৰ্থ সেই অঞ্চলটোৰ চাৰিসীমাত থকা গছ বনত ঘঁহি থয়। এয়েই হ'ল সিহঁতৰ চাৰিসীমাৰ চানেকি। এনে অঞ্চললৈ সাধাৰণতে আন জন্তু নোসোমায় আৰু সোমালেই দুয়োপক্ষৰ মাজত কাজিয়া লাগে। হায়েনা

মাৰ্টেন শিয়াল আদি বিভিন্ন জন্তুৰ এনে ব্যৱস্থা আছে। কিছুমান জন্তুৱে আকৌ বিকট চিঞৰ একোটা মাৰিয়েই শত্ৰুক দূৰতে খেদায় দিয়ে।

মেক্স প্লেংক ইনষ্টিটিউটৰ আই ই এইবেচফেল্ট (I E Eibesfeldt) নামৰ এগৰাকী বিজ্ঞানীয়ে গালাপাগোজ দ্বীপপুঞ্জত থকা এজাত সাগৰীয় গুইৰ স্বভাৱ চৰিত্ৰৰ ওপৰত এক বিশেষ অধ্যয়ণ কৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে প্ৰতিটো মতা গুইৰ অধীনত এক বৰ্গমিটাৰ মান শিলনি থাকে। তাৰ লগত থাকে কেইজনীমান মাইকী। মতাটোৱে সেই ঠাইলৈ আন মতা আহিবলৈ নিদিয়ে। যদি আন মতাগুই সেই ঠাইলৈ আহে সি খঙত অতীষ্ঠ হৈ মুখখন মেলি দিয়ে মুৰটো জোকাৰে আৰু দেহৰ কাষ দুটা বেদখলকাৰী মতাটোক দেখুৱাই ভয় খুৱাবলৈ চেষ্টা কৰে। মূৰৰ ওপৰফালে থকা কাঁইটবোৰ থিয় কৰি শৰীৰটো ডাঙৰ কৰি দেখুৱাবলৈ বিচাৰে। এনে অৱস্থাতো যদি বেদখলকাৰী মতাটো আঁতৰি নাযায় তেন্তে সি মূৰটো তললৈ কৰি খেদা মাৰি যায়। কেতিয়াবা বেদখলকাৰী মতা টোৱেও মূৰটো তললৈ কৰি যুঁজ দিবলৈ আগবাঢ়ি আহে। দুয়োটাই মূৰে মূৰে যুঁজে। এটাই আনটোক ঠেলে। এনেকৈয়ে বহুত সময় ধৰি যুঁজ চলি থাকে। অৱশেষত হাৰিব খোজাটোৱে মূৰটোৱে আনটোৰ পেটৰফালে সুৰুৱাই দিয়ে। ইয়াৰ অৰ্থ হল— ক্ষমা কৰা মই হাৰিলো। তাৰ পাছত আৰু জিকাটোৱেও যুঁজ কৰিবলৈ এৰে। হৰাটো লাহে লাহে সেইঠাইৰ পৰা আঁতৰি যায়।

মেক্স প্লেংক ইনষ্টিটিউটৰে আন এগৰাকী বিজ্ঞানী বি অ লৰেঞ্জে (B O Lorenz) চিচলিদ নামৰ মাছজাতৰ মতাবিলাকৰ মাজত হোৱা কাজিয়াৰো এক সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। ইহঁতৰ দুটা মতাৰ মাজত কাজিয়া লাগিলে হেনো ইটোৱে সিটোৰ ফিছাৰে কোবায় আৰু ইটোৱে সিটোলৈ জোৰেৰে পানী চটিয়ায়। যদি ইমানতে যুঁজ শেষ হয়—ভালেই নহলে ইটোৱে সিটোক কামুৰিবলৈ লয় আৰু ঠেলাঠেলি কৰে। তাৰ পাছতেই দুৰ্বলটোৱে তৰানৰা ছিঙি পলাবলৈ বাধ্য হয়। কিছুমান প্ৰাণীৰ ক্ষেত্ৰত এনে যুঁজতে দুয়োটাই প্ৰাণ হেৰুৱাব লগাতো পৰে। ৰেটেল সাপৰ (Rattle snake) ইটোৱে সিটোৱে কাজিয়া লাগিলে দুয়োটাই মৃত্যুমুখত পৰে। আন বহুতো বিষাক্ত সাপৰো এই অৱস্থাই হয়।

যুঁজ নকৰিলে তিৰোতা লাভ কৰাও টান জীৱন সঙ্গিনী একোজনীৰ কাৰণেও একোজাত প্ৰাণীৰ মতাবিলাকৰ মাজত যুঁজবাগৰ লগা দেখা যায়। যোৰ পতাৰ সময়ত কুকুৰ গৰু আদিৰ মতাবিলাকৰ মাজত লগা যুঁজ আমাৰ সততে চকুত পৰে। বিজ্ঞানীসকলৰ মতে অৱশ্যে ইয়াৰ পৰা লাভেই হয়। কাৰণ জাকটোৰ শক্তিশালী মতাটোৱেহে লগৰ বাকীবোৰক যুঁজত হৰুৱাই তিৰোতা এগৰাকী লাভ কৰিবলৈ সমৰ্থ হয়। গতিকে তেনে শক্তিশালী মতাৰ পো পোৱালী বোৰো শক্তিশালী হয় আৰু আওপকীয়াকৈ একোজাত প্ৰাণীৰ উপকাৰহে হয়।

প্ৰাণীসমাজত সাধাৰণতে তিৰোতাৰ আসন পুৰুষতকৈ ওপৰত। কাৰণ,

তিৰোতা একোজনীৰ কাৰণেহে পুৰুষবিলাকৰ মাজত কাজিয়া লাগে। কিন্তু কিছুমান জাতৰ চৰাইৰ ক্ষেত্ৰত স্বামীলাভৰ কাৰণেহে তিৰোতাবিলাকৰ মাজত হেতা ওপৰা লাগে। আগতেই উল্লেখ কৰি অহা হৈছে যে একোজাত প্ৰাণীৰ একোটা নিৰ্দ্দিষ্ট অঞ্চল থাকে। স্বামী বা তিৰোতালাভৰ কাৰণে হোৱা কাজিয়া এনে অঞ্চল। ভিতৰতহে সীমাবদ্ধ হৈ থাকে। এটা অঞ্চলৰ মতাই আন এটা অঞ্চলত তিৰোতা বিচাৰিবলৈ গলে জীৱন উচৰ্গাও কৰিব লগাত পৰে।

বিটাৰ লিং (Bitter ling) নামৰ এজাত মাছৰ মতাটোৱে শামুক একোটাৰ ওচৰতে যুদ্ধং দেহি ভাব দেখুৱাই বৈ থাকে। উদ্দেশ্য হল—আন মতা যাতে তাৰ কাষ নাচাপে। তাৰো এক কাৰণ আছে। কাৰণ ইয়াতৰ মাইকীজনীয়ে শামুক একোটাৰ ওচৰতহে মতাটোৰ লগত যৌন সম্ভোগ কৰে আৰু তাৰ ঠিক পাছতেই শামুকটোৰ মেণ্টেল গহ্বৰত কণী পাৰে। গছৰ ধোদ্দত বাস কৰা চৰাইৰ ক্ষেত্ৰতো ধোদ্দটো কোনে দখল কৰিব সেই লৈয়েই কাজিযাৰ সূত্ৰপাত হয়।

কেতিয়াবা ধেমালিতেও যুঁজ কৰে কেতিযাবা শৰীৰৰ উত্তেজনা হ্ৰাস কৰিবলৈও প্ৰাণীৰ মাজত যুঁজবাগৰ লগা দেখা যায়। উদাহৰণস্বৰূপে দুটা চৰাইয়ে কেতিয়াবা যুঁজ কৰি থাকোতে দুয়োটাই এনেকৈ মাটিত ঠোটটো লগাই দিয়ে যেন কিবা শস্যৰ গুটিহে বুটলিছে। আচলতে হয়তো দুয়োটাই বালিৰ কণা এ কাটাহে বুটলি দলিয়াই দিছে। তাৰ পাছত হয়তো দুয়ো নিজৰ ঠোটটোৰে পাখিবোৰকে আচুঁৰিছে। বহুতো জন্তুৰে কেতিয়াবা খন্তেকৰ কাৰণে ধেমালিতে যুঁজ কৰি বা বগৰা বগৰি কাৰ উত্তেজনা হ্ৰাস কৰা দেখা যায়।

প্ৰাণীজগতত কেতিয়াবা একোটা প্ৰাণীৰ খং উঠিলে আন এটাই শান্তনা দিব লগাতো পৰে। বেচিভাগ ক্ষেত্ৰতে দেখা যায় যে মতাবিলাক মাইকীবিলাকতকৈ বেচি খঙাল। তেনে ক্ষেত্ৰত মাইকীবিলাকে বিভিন্ন কৌশলেৰে মতাবিলাকৰ খং জামৰায়। আনহাতে কণীপৰা আৰু পোৱালী উঠোৱাৰ সময়ত কাম কৰি কৰি মাইকীজনীৰ অৱস্থা কাহিল হয় আৰু খঙো অলপতে উঠে। তেনেক্ষেত্ৰত আকৌ দুই এটা কামত সহায় কৰি দি মতাটোৱেই মাইকীজনীক শান্তনা দিব লগাত পৰে।

খাদ্যৰ কাৰণেও প্ৰাণীসমূহৰ মাজত সততে হাই কাজিয়া লাগে। তৃণভোজী প্ৰাণীৰ তুলনাত মাংসহাৰী প্ৰাণীৰ মাজতেই এনে কাজিয়া বেচি। কবৰাত মৰা শ এটা পৰি থাকিলে শগুণ শিয়াল আৰু কুকুৰৰ মাজত হোৱা কাজিয়া আমাৰ প্ৰায় সকলোৰে চকুত পৰে। কিবা খোৱা বস্তু অলপ দলিয়াই দিলে কুকুৰৰ মাজত কাউৰীৰ মাজত বা কুকুৰ কাউৰীৰ মাজত লগা কাজিয়াও আমাৰ চকুত নপৰাকৈ নাথাকে। একেখিনি খাদ্যৰ কাৰণে কুকুৰ মেকুৰীৰ মাজতো যুঁজ লাগে। বিভিন্ন জাতৰ বাঘৰ ক্ষেত্ৰত খাদ্যৰ ভাগ বতৰালৈ পৰিয়ালটোৰ বাপেক পুতেক বা মতা মাইকী হালৰ মাজতেই কাজিয়া লাগে। মাংসহাৰী প্ৰাণীবিলাকে চিকাৰ অৰ্থাৎ খাদ্যপ্ৰাণীটোৰ লগতো যুঁজ বাগৰ কৰিহে অৱশেষত মাৰিবলৈ সমৰ্থ হয়। আচৰিত

কথা যে ঈগল চৰায়ে আনৰ লগত যুঁজ কৰোতে মৃত্যুকেৰে এটাও শব্দ নকৰে। যুঁজ কৰোতে যদি মৰিও যায় সি নীৰৱেই মৃত্যু বৰণ কৰে।

কাজিয়া কৰাৰ পৰা অপকাৰো হয় তিমি মাছৰ মাজতো হাইকাজিয়া লাগি থাকে। অ'ৰকাচ নামৰ এজাত তিমিমাছে নিজতকৈ ডাঙৰ তিমিমাছো আক্ৰমণ কৰে। ইহঁতে আকৌ আনত আক্ৰমণ নকৰে কেৱল কামুৰি জিবাখন ছিঙি দিয়ে। জিবা নাইকিয়া হোৱাৰ পাছত তেনে তিমি মাছে আপোনা আপুনি মৃত্যু বৰণ কৰে।

প্ৰাণী সমাজত জাকটোৰ ভিতৰতে বৰকৈ কাজিয়া পেচাল লাগি থাকিলে তাৰ পৰা অপকাৰো হয়। প্ৰথম কথা—জাকটো খণ্ড বিখণ্ড হৈ ছেদেলি ভেদেলি হৈ পৰে আৰু দুৰ্বল প্ৰাণীবোৰে জাকৰ পৰা পলাবলৈ ধৰে। এনে দুৰ্বল প্ৰাণীবোৰে পাছত গৈ শত্ৰুৰ হাতত জীৱন উচৰ্গা কৰিব লগাও হয়। দ্বিতীয়তে সকলো সময়তে খং ৰাগ কৰি থাকিলে জাকটোৰ প্ৰাণীবোৰৰ প্ৰজনন ক্ষমতাও হ্ৰাস পায়। অবাবতে সময়ো নষ্ট হয়। সেইখিনি সময় হয়তো জাকটোৱে পোৱালী লালন পালন কৰা বা আন ভাল কামতে খৰছ কৰিব পাৰিলেহেঁতেন।

অষ্ট্ৰেলিয়াৰ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ডঃ এছ এ বাৰ্নেটে (S A Barnet) ১৯৬৩ চনত এক নতুন তথ্য দাঙি ধৰিছিল। তেওঁ এন্দুৰৰ ওপৰত অধ্যয়ণ কৰি কৈছিল যে সৰু সৰু বাহঁত সোমাই থোৱা এন্দুৰৰ সৰু সৰু জাকবোৰে প্ৰায় বেছি ভাগ সময় খং ৰাগ কৰিয়েই কটায় আৰু ফলত সিহঁতৰ পো পোৱালীৰ সংখ্যাও ক্ৰমাৎ কমি আহে। সেই কাৰণে তেওঁৰ বক্তব্য হ'ল—সকলো প্ৰজাতিৰ প্ৰাণীয়েই সামাজিক জীৱন সুখৰ কৰিবৰ কাৰণে প্ৰজনন ক্ষমতা অটুত ৰাখিবৰ কাৰণে আৰ লগতে সুস্থ সবল পোৱালী জন্ম দিবৰ কাৰণেও খং ৰাগ বিহীন সুখৰ সংসাৰ এখন গঢ়ি তোলা উচিত। প্ৰাণীৰ জাক একোটা মিলা-প্ৰীতিত থাকিলে শত্ৰুৰ বিৰুদ্ধে মাৰ বান্ধি যুঁজ দিবলৈ সুবিধা হয় বেছি ভাগ সময় খাদ্য আহৰণ আৰু পোৱালী লালন পালনত কটাব পাৰে আৰু জাকৰ দুৰ্বল প্ৰাণীটোৱেও সমান গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰে।

প্ৰাণী সমাজত বুদ্ধিবৃত্তি

চিন্তা চৰ্চা বুদ্ধি বৃত্তিত মানুহেই যে কেৱল অদ্বিতীয়—সি নহয়। বহুতো প্ৰাণীয়েও মানুহৰ দৰেই চিন্তা চৰ্চা কৰিব পাৰে। তাকে কিছু মানৱ ক্ষেত্ৰত ই প্ৰকাশ পায় আৰু কিছুমানৰ ক্ষেত্ৰত সুপ্ত হৈ থাকে। আমাৰ পোহনীয়া জন্তুবিলাকৰ ক্ষেত্ৰতে আমি তাৰ অজস্ৰ প্ৰমাণ পাওঁ।

মেকুৰীয়ে শাস্তিৰ কাৰণো বুজি পায় এবাৰ এঘৰ মানুহৰ পোহনীয়া মেকুৰীটোৱে ইমান উপদ্ৰৱ কৰিবলৈ লৈছিল যে মাছ গাখীৰতো দূৰৈৰ কথা বাঢ়ি থোৱা ভাততে মুখ দিছিলহি। অকল সেয়ে নহয় ওচৰ চুবুৰীয়াৰ ঘৰতো আমনি কৰি ফুৰিছিল। ফলত মেকুৰীৰ গিৰিহঁতে প্ৰায়েই লোকৰ গালি শাপনি খাব লগাত পৰিছিল। শেষত অতীষ্ঠ হৈ এদিনাখন মেকুৰীৰ গিৰিহঁতে মেকুৰীটোক মোনা এটাত সুমুৱাই ঘৰৰপৰা তিনিমাইল মান দূৰৈৰ বজাৰ এখনত থৈ আহিল। কিন্তু চাৰিদিনৰ পাছত মেকুৰীটো পুনৰ আহি ঘৰ ওলালহি। আচৰিত কথা—এইবাৰ সি চুৰ নকৰা হ'ল। আনকি ওচৰতে মাছ মাংস পেলাই থলেও সেইফালে সি মুখকে নঘূৰোৱা হ'ল। শাস্তিৰ কাৰণটো সম্ভৱ মেকুৰীটোৱে বুজি পালে।

মেকুৰীয়ে হাজাৰ হাজাৰ মাইল পৰিভ্ৰমণ কৰাৰ কথাও শুনা যায়। আমেৰিকাৰ মানহাট্টান নগৰত থকা এটা পৰিয়াল এবাৰ এশমাইলমান দূৰৈৰ এখন ঠাইত কিছু দিনৰ কাৰণে থাকিবলৈ গৈছিল। কিছুদিন থাকিবলগা হোৱাৰ কাৰণে লগত পোহনীয়া মেকুৰীটোও নিছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে সেই সময়ছোৱাতে মেকুৰী জনী গৰ্ভৱতী হ'ল। গতিকে মেকুৰীজনীয়ে পৰিয়ালটোৰ পৰা কিছু আঁতৰি এক নিজ'ন ঠাইত পোৱালী কেইটা মানৰ জন্ম দি সিহঁতৰ প্ৰতিপাল কৰাত ব্যস্ত হৈ পৰিল। ইফালে পৰিয়ালটোৱে ঘৰলৈ উভতিবৰ সময়ত মেকুৰীটো বিচাৰি নাপাই বেজাৰ মনেৰে গুচি আহিল।

কিন্তু দুমাহ মানৰ পাছত মেকুৰীটো এদিন হঠাতে মানহাট্টানৰ নিজৰ গিৰিহঁতৰ ঘৰত ওলালহি। লগত এটা পোৱালী। হেৰোৱা মেকুৰীটো ঘূৰাই পোৱাত পৰিয়ালটোৰ সকলোৱে আনন্দ পালে। সেই আনন্দও সৰহপৰ নাথাকিল। পাছদিনা মেকুৰীজনী পুনৰ অন্তৰ্ধান হ'ল। অৱশ্যে পোৱালীটো থৈ গ'ল। পোন্ধৰদিন মানৰ পাছত তাই পুনৰ হাজিৰ। এইবাৰো লগত এটা পোৱালী। গিৰিহঁতে ভাবিলে যে পোৱালী আনিবলৈকে সম্ভৱ তাই গৈছিল আৰু যাবও। কাৰণ তাই মুখেৰে কামোৰ মাৰি এটাতকৈ বেচি পোৱালী আনিব নোৱাৰে। গতিকে এইবাৰ গিৰিহঁতে নিজৰ মটৰখনতে মেকুৰীজনীক উঠাই লৈ তেওঁলোক ফুৰিবলৈ

ৰোৱা ঠাইডোখৰ পালেগৈ। এইবাৰ মেক্‌ৰীৰ আনন্দ চায় কোনে? তাই অলপ সময়ৰ ভিতৰতে আৰু দুটা পোৱালী গাড়ীত ভৰালেহি আৰু লগতে তায়ো বহি ল'লে।

মেক্‌ৰীয়ে তাতকৈ দূৰলৈ খোজ কাঢ়ি যোৱাৰো অভিলেখ আছে। স্মকি (Smoky) নামৰ এটা মেক্‌ৰীয়ে এবাৰ ওৱাচিংটনৰ পৰা মিন্নেছটা নামে ঠাইলৈ প্ৰায় ষোলশ মাইল খোজ কাঢ়ি গৈছিল। কিছুমান মেক্‌ৰীৰ আকৌ গিৰিহঁতকৈ থকা ঠাইখনৰ প্ৰতিহে আকৰ্ষণ বেচি। এবাৰ এজনে মেষ্টিক (Mastic) নামৰ মেক্‌ৰী এটা পুহিবলৈ বুলি আন এজন লোকৰ পৰা লৈ গৈছিল। দুয়োঘৰ লোকৰ দূৰত্ব আছিল ১৬০ মাইল। পাছে মেক্‌ৰীটোৱে নতুন ঘৰত নাথাকি ১৬০ মাইল বাটকুৰি বাই আহি আগৰ ঘৰতহে ওলালহি। কেনেকৈ গম পায়—কোৱা টান কিন্তু বহুতো গাহৰিয়ে সাধাৰণতে মাৰিবলৈ লোৱাৰ এদিন মানৰ আগতে কৰবাত লুকাই থাকেগৈ। গাহৰি খেদি কৰি ফুৰা মানুহবোৰ আঁতৰি যোৱাৰ পাছতহে সিহঁতে গা দেখা দিয়ে।

কুকুৰে ভবিষ্যত বাণীও কৰিব পাৰে কুকুৰে হেনো মৃত্যুৰ ভবিষ্যত বাণী আগতীয়াকৈয়ে দিব পাৰে। বিখ্যাত ঔপন্যাসিক থমাচ হাৰ্ডিৰ এটা পোহনীয়া কুকুৰ আছিল। নাম ওৱাচেক্স। হাৰ্ডিৰ বন্ধু উইলিয়াম ওৱাটকিনেও ওৱাচেক্সক বৰ মৰম কৰিছিল। সেয়ে ওবাটকিন হাৰ্ডিৰ ঘৰলৈ আহিলে ওৱাচেক্সে ভালদৰে সম্ভাষণ জনাইছিল। কিন্তু এদিনাখন ওৱাটকিন আহোঁতে তেওঁক সম্ভাষণ জনাওক চাৰি ভৌ ভৌ কৈ খঙেৰে ভুকিবলৈহে ল'লে। ওৱাটকিন আৰু হাৰ্ডি দুয়ো ওৱাচেক্সৰ এনে ব্যৱহাৰত বৰ আচৰিত হ'ল। ওৱাটকিন হাৰ্ডিৰ পঢ়া কোঠাত সোমাল। ওৱাচেক্সে সেইখিনি পালেগৈ। সি এইবাৰ ওৱাটকিনৰ হাত দুখন তাৰ আগঠে দুখনেৰে টানিবলৈ ধৰিলে। কুকুৰটো বলীয়া হৈছে বুলি ভাবিবলৈও তেওঁলোকে টান পালে। কাৰণ ওৱাটকিনৰ বাহিৰে বাকী সকলোকে সি ভাল ব্যৱহাৰেই কৰিছে। অলপ পাছত ওৱাটকিন গলগৈ। হাৰ্ডিয়ে স্বস্তিৰ নিশ্বাস পেলালে। কিন্তু পাছদিনা পুৱাতেই পালে এক দুখৰ খবৰ। ওৱাটকিনৰ মৃত্যু হৈছে। আগদিনা ওৱাচেক্সেযে তাৰেই আগজাননী দিছিল হাৰ্ডিয়ে তেতিয়াহে বুজি পালে।

১৯৩৮ চনৰ আন এক ঘটনা। মণ্টগমাৰি নামৰ এজন লোকৰ ৰেদচে (Red sey) নামৰ এজনী পোহনীয়া মাইকী কুকুৰ আছিল। মণ্টগমাৰিৰ নিচা আছিল সাগৰত মাছ মৰা। গতিকে মাছ মাৰিবলৈ যাওঁতে লগতে ৰেদচে'কো লৈ গৈছিল। ৰেদচে য়ো নাৱত উঠি ঘূৰি ফুৰিবলৈ ভাল পাইছিল। কিন্তু এদিনাখন মণ্টগমাৰিয়ে মাছ মাৰিবলৈ ওলাওঁতে কুকুৰজনী ওচৰেই নাচাপিল। তাইক বাৰে বাৰে মাতিও ওচৰলৈ আনিব নোৱাৰিলে। অৱশেষত উপায় নাপাই মণ্টগমাৰিয়ে কুকুৰজনীক জোৰেৰে নাৱৰ ওপৰলৈ লৈ আনিলে। এইবাৰ তাই খুব জোৰেৰে ভুকিবলৈ ল'লে।

কাহানিও আমনি নকৰা ক কুকুৰজনীৰ এনে কাণ্ড দেখি মণ্টগমাৰি আচৰিত হ'ল। তেওঁৰো সেইদিনা মাছ মাৰিবলৈ নোযোৱাটোকে ঠিক কৰিলে। খন্তেক পাছতে দেখা গ'ল যে আকাশ ধুমুহা বতাহে ছাটি ধৰিছে। ডাঙৰ ডাঙৰ ঢৌৱে সাগৰ উপচি পৰিল। বহুতো টুলুঙা নাও তল গ'ল। বহুতো যাত্ৰীৰ প্ৰাণ হেৰাল। এইবোৰ ঘটনা দেখি শুনি মণ্টগমাৰিৰ কুকুৰজনীলৈ ভক্তি উপজিল।

প্ৰাণীৰ গোপন ভাষাও থাকে অত্যন্ত গভীৰ মৰম আৰু ভালপোৱা থাকিলে হেনো দুটা অন্তৰাত্মাৰো সংযোগ ঘটিব পাৰে। ইয়াকে ইংৰাজীত টেলিপেথি (Telepathy) বুলি কোৱা হয়। জন ৰবিনছনে তেওঁৰ বিখ্যাত গ্ৰন্থ "তোমাৰ পোহনীয়া জন্তুৰ গোপন ভাষা (your pet s secret language) নামৰ গ্ৰন্থখনত এটি ভাল ঘটনাৰ কথা উল্লেখ কৰিছে। ঘটনাটো হ'ল—এগৰাকী মাইকী মানুহৰ এটা বৰ মৰমৰ কুকুৰ আছিল। মানুহগৰাকীয়ে পথাৰত কাম কৰি থাকোতে হঠাতে এবাৰ কুকুৰটোলৈ মনত পৰিল। তাৰ পাছ মুহূৰ্ত্ততে তেওঁৰ ভয় ভয় ভাব এটা হ'ল। মানুহগৰাকীয়ে পথাৰৰ কাম বাদ দি ঘৰলৈ গ'ল। ঘৰত গৈ দেখে যে পোহনীয়া কুকুৰটোৰে ৰছী এডালত জোট পোট খাই উশাহ নিশাহ ল'ব নোৱাৰি কককাই আছে। তেওঁ ৰছী ডাল এৰুৱাই দিলতহে কুকুৰ টোৱে প্ৰাণ পালে। দুটা অন্তৰাত্মাৰ সংযোগেই বোধ হয় দুয়োকে ওচৰ চপাই আনিলে।

মৃচৌৰি নগৰত থকা জিম নামৰ কুকুৰ এটাও এসময়ত জগৎ বিখ্যাত হৈ পৰিছিল। তাৰ গৰাকীৰ নাম আছিল ছম ভান আছদেল (Sam Van Arsdale)। আৰ্চদেলে এদিনাখন তাক লৈ ঘূৰি ফুৰোতে হাবিৰ মাজত হঠাতে নিৰ্দেশ দিলে— জিম মোক অ ক গছ এজোপা দেখুৱাই দিয়া। আৰ্চদেলে আচলতে এনেয়ে ফুৰ্ত্তি কৰিবলৈকে কথাষাৰ কৈছিল। কিন্তু কি আচৰিত জিমে ওচৰতে থকা অ ক গছ এজোপাৰ ওচৰলৈ গৈ হাঁতোৰাৰে আঁচুৰি দেখুৱাই দিলে। তাৰ পাছত আৰ্চদেলৰ কৌতুহল উপজিল। তেওঁ হাবিত থকা বহুতো গছৰ নাম এফালৰ পৰা কৈ গ'ল লগে লগে জিমিয়েও গছবোৰ দেখুৱাই গ'ল।

জিমিৰ সুখ্যাতি চাৰিওফালে বিয়পি পৰিল। মৃচৌৰি বিশ্ববিদ্যালয়ৰ বিজ্ঞানী সকলো তাৰ কাষ চাপিল। তেওঁলোকে তাৰ বিভিন্ন স্বভাৱ চৰিত্ৰ অধ্যয়ন কৰাত লাগিল। তেওঁলোকে অধ্যয়ন কৰি দেখিলে যে জিমিয়ে কেৱল গছ চিনিপোৱাই নহয় বিভিন্ন মানুহো চিনি পায়। জিমিৰ আন এক বিশেষত্ব হ'ল এয়ে যে ইংৰাজী ভাষাত দিয়া নিৰ্দ্দেশৰ উপৰি আন ভাষাত দিয়া নিৰ্দ্দেশোই বুজি পায়। জিমিক অধ্যয়ন কৰাৰ পাছত বিশেষজ্ঞসকলৰ মত হ'ল যে সি বিভিন্ন ভাষা জনাৰ প্ৰশ্নই নুঠে। কিন্তু মানুহৰ বিভিন্ন ধৰণৰ ভাব ভঙ্গী বুজি পোৱাৰ কিবা এক আচৰিত শক্তি তাৰ আছে। সেয়ে মানুহৰ মুখৰ বিভিন্ন ধৰণৰ অঙ্গী ভঙ্গীতে মানুহজনে কি কৈছে—সি বুজি পায়।

মিছিয়ে নিজৰ বয়সৰ কথাও জানে জিমিতকৈও আৰু খ্যাতি সম্পন্ন মিছি (Missie) নামৰ আন এজনী কুকুৰ আছিল দেন ভাৰ নামে ঠাইত। 'লণ্ডন টাইমছ' নামৰ কাকতখনে তাইক সৰ্বশ্ৰেষ্ঠ জ্যোতিষী ৰূপে আখ্যা দিছিল। তাইৰ গৰাকীৰ নাম আছিল মিছ প্ৰবাট (Miss Probert)। প্ৰবাৰ্টেও তেওঁৰ কুকুৰজনীৰ এই অলৌকিক গুণৰ কথা বহুতদিনলৈকে নাজানিছিল। এবাৰ প্ৰবাৰ্টে যেতিয়া তিনিবছৰীয়া লৰা এটাক তিনি সংখ্যাটো কবলৈ কৈছিল তেতিয়া লৰাটোৱে কোবাৰ আগতেই ওচৰতে বহি থকা মিছিয়ে তিনিবাৰ ভুকি দিছিল। মিছিৰ এনে ব্যৱহাৰত প্ৰবাট আচৰিত হৈ পৰিল। তেওঁ এইবাৰ মিছিৰ ফালে মুখ ঘূৰাই সুধিলে—তোমাৰ কেইবছৰ হৈছে? এইবাৰ মিছিয়ে চাৰিবাৰ ভুকিলে। সচাকৈয়ে মিছিৰ চাৰি বছৰেই পাৰ হৈ গৈছে। এইবাৰ আকৌ সুধিলে—অহা সপ্তাহত তোমাৰ কেইবছৰ সম্পূৰ্ণ হ'ব? উত্তৰত মিছিয়ে পাঁচবাৰ ভুকিলে। আচলতে পাঁচ বছৰ সম্পূৰ্ণ হোৱাটোও সচা।

মিছিৰ এনে কাণ্ড কাৰখানা দেখি প্ৰবাটৰ মন আনন্দেৰে ভৰি পৰিল। মিছিযে সাধাৰণ কুকুৰ নহয় সেই কথা তেওঁ বুজি উঠিল। সেয়ে মিছিক আগতকৈ বেচিকৈ মৰম চেনেহ কৰিবলৈও ললে। মিছিক অত্যন্ত বুদ্ধিমান যেন দেখা গ'ল। তাই মানুহৰ সকলো কথা বুজিবা পোৱা হ'ল। আনকি তাই টেলিফোনৰ নম্বৰ একোটাও উচ্চাৰণ কৰিব পৰা হ'ল। ফোনৰ নম্বৰটো ক'বলৈ হলে তাই প্ৰথম সংখ্যাটো ভুকি দিয়ে খন্তেক থমকি বৈ দ্বিতীয় সংখ্যাটো ভুকে। এনেদৰে ভুকি গৈ থাকে। মিছিয়ে বহুতো ক্ষেত্ৰত ভবিষ্যত বাণীও কৰিব পৰা হ'ল। ১৯৬৪ চনত যুক্তৰাষ্ট্ৰত হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত কোন জিকিব—তাকো মিছিয়ে আগতেই কৈ দিলে। এবাৰ দেন ভাৰ ৰেডিঅ'ৰ যোগেদি মিছিয়ে জেমিনী ১ নামৰ কৃত্ৰিম উপগ্ৰহটোৰ বিষয়ে আগতীয়া বাৰ্তাৰিও দিলে। ১৯৬৬ চনত অনুষ্ঠিত হোৱা বিশ্ব ক্ৰিকেট খেলখনৰ ফলাফলো হেনো মিছিযে ৯ মাহ মানৰ আগতেই ঘোষণা কৰিলে।

১৯৬৬ চনৰ মে মাহত মিছ প্ৰবাৰ্টৰ ধাৰণা হ'ল যে মিছিৰ বুদ্ধি বৃত্তি লাহে লাহে কমি আহিছে। ইয়াৰো এক কাৰণ আছে। মিছিক এদিন বেৰত ওলমি থকা ঘড়ীটো দেখুৱাই সোধা হ'ল—কেইটা বাজিছে? সি প্ৰথমতে ঠিকেই উত্তৰ দিলে। কিন্তু খন্তেক পাছতে আঠবাৰ ভুকি আঠবজাৰ সংকেত দিলে। প্ৰকৃততে তেতিয়া সাতহে বাজিছিল। এবাৰ সাত বজা বুলি কয় আৰু পাছমুহূৰ্ততে আঠ বজা বুলি কয়—কাৰণ কি? মিছ প্ৰবাট বিমোৰত পৰিল। কিন্তু পাছত দেখা গ'ল যে মিছি ঠিক আঠবজাত ডিঙিত হাড় এডাল লাগি মৰি আছে।

কুকুৰে অংক কৰিবও জানে এইবাৰ এগৰাকী জাৰ্মান ভদ্ৰ মহিলাৰ কথালৈ আঁহো। তেওঁৰ নাম মকেল (Mockel)। এদিনাখন সন্ধিয়া তেওঁ তেওঁৰ সৰু ছোৱালীজনীক অংক শিকাই আছিল। তাৰ মাজতে তেওঁ এবাৰ

সুধিলে—১২২ ৰ লগত ২ যোগ কৰিলে কি হ'ব? দুৰ্ভাগ্যবশতঃ ছোৱালীজনীয়ে তাৰ উত্তৰ দিব নোৱাৰিলে। ওচৰতে বহি আছিল ৰ'লফ নামৰ তেওঁৰ মৰমৰ পোহনীয়া কুকুৰটো। ছোৱালীজনীক লাজ দিবলৈকে তেওঁ এনেয়ে কুকুৰটোক সুধিলে—ৰলফ তুমি বাৰু কোঁৱাচোন—২ ৰ লগত ২ যোগ দিলে কি হ'ব? আচৰিত কথা ৰলেফ তাৰ আগঠেং এখন চাৰিবাৰ দাঙি দেখুৱালে। মকেল মৰ্চা যোৱা যেন হ'ল। খন্তেক পাছত ৰলফক আকৌ সুধিলে—এইবাৰ কোঁৱাচোন পাঁচৰ লগত পাঁচ যোগ দিলে কি হ'ব? এইবাৰো ৰলেফ আগঠেং এখন দহবাৰ দাঙি দেখুৱালে।

কিছু দিনৰ পাছত ৰলেফ সৰু সুৰা বগ মূলৰ অংক কৰিব পৰা হ'ল। মকেলে এটা সময়ত তাক জাৰ্মান আখৰবোৰ শিকাবলৈও সমৰ্থ হ'ল। অতি কম সময়ৰ ভিতৰতে ৰলেফ তাৰ হাঁতোৰাৰ সহায়তে প্ৰতিটো আখৰৰ কাৰণে বেলেগ বেলেগ সংকেত দিব জনা হ'ল। মকেলে ৰলফক বিভিন্ন ঠাইলৈ নি তাৰ বুদ্ধি বৃত্তি প্ৰদৰ্শন কৰোৱাৰো ব্যৱস্থা কৰিলে। ডাঙৰ ডাঙৰ বিজ্ঞানীয়েও তাৰ বুদ্ধি বৃত্তি দেখি তবধ মানিলে। ৰলফক কোনোবাই যদি ফুলৰ থোপা এটা উপহাৰ দিয়ে সি তাত থকা প্ৰতিবিধ ফুলৰে নাম ক'ব পাৰে। এবাৰ তাক সোধা হ'ল—'শৰৎকাল মানে তুমি কি বুজা সি ক'লে— আপেলৰ বতৰ। কথাষাৰ প্ৰকৃততে সঁচাও। কাৰণ শৰৎকালতেই বেচিকৈ আপেল লাগে। পাছলৈ ৰলেফ দুই একৰ লগত ঠাট্টা মস্কৰা কৰিবলৈও লোৱা হ'ল। এবাৰ এগৰাকী ভদ্ৰ মহিলাই সুধিলে— ৰলফ তোমাক মই কিবা প্ৰকাৰে সহায় কৰিব পাৰোনে? ৰ'লেফ ক'লে— 'নিশ্চয় পাৰা। মোৰ নেজডাল জোকাৰি দিয়া। ভদ্ৰ মহিলাগৰাকী সেইফালেই থৰ লাগিল।

হাবিলৈ গৈছিলো বিয়া পাতি আহিলো ৰলফৰ জীয়েক ললা (Lola) নামৰ কুকুৰজনীৰো বুদ্ধি বৃত্তি প্ৰায় মাকৰ দৰেই আছিল। ললাক তুলি তালি ডাঙৰ কৰিছিল হেনি কিন্দাৰমেন (Henny Kindermann) নামৰ এগৰাকী ভদ্ৰ মহিলাই। প্ৰথম অৱস্থাত ললাই কথাবতৰা শিকোতে কিছু সময় লৈছিল কিন্তু পাছলৈ বেচ পাৰ্গত হৈ পৰিছিল। ললায়ো মাকৰ দৰে হাঁতোৰাৰ সহায়ত বিভিন্ন সংখ্যাৰ সংকেত দিব জানিছিল। আনকি বাঁওফালৰ হাঁতোৰা খনেৰে এককৰ সংখ্যাৰ সংকেত দিবলৈ লৈছিল। ললাৰ আন এক আচৰিত গুণ হ'ল— তাই পঢ়িবলৈও শিকিছিল।

এবাৰ হঠাতে কেইদিনমানৰ কাৰণে ললা অন্তৰ্ধান হৈছিল। পাছত আহিলত তাইনো ক'লৈ গৈছিল বুলি সোধাত তাই কৈছিল— হাবিলৈ গৈছিলো বিয়া পাতি আহিলো তাইৰ কেচুৱা কেইটা হ'ব— তাকো তাই কৈ দিছিল। তাইক হেনো এবাৰ সোধা হৈছিল— তুমি মানুহ হ'বলৈ বিচাৰানেকি? তাই ক'লে—"নিবিচাৰো" তেতিয়া সোধা হ'ল— কিয়? তাই ক'লে—"মানুহবোৰে বৰ কষ্ট কৰে।"

ঘোঁৰাই টাইপ মেচিন চলাব জানে : অলৌকিক শক্তিৰ প্ৰদৰ্শন যে কেৱল মেকুৰী বা কুকুৰেই কৰিব পাৰে সিও নহয়। ঘোঁৰাবো এনে শক্তি আছে। জাৰ্মেনীৰ এলবাৰ্বাফিল্ড নামে ঠাইত মহমদ জাৰ্ফ আৰু ক্লাগ হ্‌ন্স নামেৰে তিনিটা অতি বৰ্দ্ধিষ্ণক ঘোঁৰা আছিল। সিহঁতে হেনো সৰু সংখ্যা যোগ বিয়োগটো কৰিব জানিছিলেই ঘনমূলৰ (Cube root) অংকও উলিয়াব পাৰিছিল। সিহঁতে আগঠেঙৰ খুড়াটোৰে সংকেত দিয়েই দশমিক পদ্ধতিৰ সৰু সংখ্যা অংকও কৰিছিল।

লেদি বনদাৰ (Lady Wonder) নামৰ আমেৰিকাৰ ঘোঁৰা এজনীৰ কথা ভাবিলেও আচৰিত লাগে। তাইৰ কাৰণে এটা বিশেষ টাইপ ৰাইটাৰ মেচিনকে তৈয়াৰ কৰা হৈছিল। বনদাৰে মেচিনৰ আখৰবোৰ চিনি পাইছিল আৰু তাই নাকেৰে সেইবোৰ হেচা মাৰি দিয়েই কাগজ একোখন টাইপ কৰি দিব পাৰিছিল। অৱশ্যে তাই প্ৰায়েই বানান ভুল কৰিছিল। ১৯৪৮ চনত হোৱা আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ট্ৰুমেন যে জিকিব—সেই কথা তাই বহুত আগতেই ঘোষণা কৰিছিল। ঘোঁৰা দৌৰ প্ৰতিযোগিতাত কোনটো ঘোঁৰাই প্ৰথম স্থান পাব—তাকো তাই আগতেই কৈ দিব পাৰিছিল। আনকি তাইৰ যত্নতে এবাৰ হেৰোৱা লৰা এটিও উদ্ধাৰ কৰিব পৰা হৈছিল।

কুকুৰে শত্ৰুপক্ষৰ বাৰুদো চিনি পায় যুক্তৰাষ্ট্ৰত ড° বাইন নামৰ এগৰাকী বিজ্ঞানীয়ে এবাৰ যুদ্ধ বিগ্ৰহত লবলগীয়া প্ৰতিৰক্ষাৰ কাৰণে কিছু গবেষণা কৰিছিল। শত্ৰুপক্ষই মাটিত পুতি থোৱা বাৰুদবোৰ (Mine) কুকুৰৰ সহায়ত আগতীয়াকৈয়ে চিনাক্তকৰণ কৰিব পাৰিনেকি—তাকো তেওঁ পৰীক্ষা কৰি চাইছিল। দেখা গৈছিল যে দুই এটা সৰু সুৰা ভুলৰ বাহিৰে কুকুৰে সেই কাম বঢ়িয়াকৈ সম্পাদন কৰিছিল।

ড° এচ্ছাৰ (Esser) নামৰ নিউইয়ৰ্কৰ এগৰাকী বিজ্ঞানীয়েও কুকুৰৰ অলৌকিক শক্তিৰ ওপৰত কিছু পৰীক্ষা নিৰীক্ষা কৰিছিল। তামৰ বেৰেৰে তৈয়াৰী শব্দৰোধ (Sound proof) ডাঙৰ বাকচ এটাত দুটা চিকাৰী কুকুৰ ৰখা হল। বাকচটোত কেৱল এখন সৰু আইনাৰ খিড়িকী ৰখা হল যাতে বাহিৰৰ পৰাই কুকুৰ দুটাৰ গতি গোত্ৰ লক্ষ্য কৰিব পাৰি। সিফালে কিছু দূৰৈত এটা প্ৰকাণ্ড তামৰ বাকচত সিহঁতৰ পৰিচিত মানুহ এজনক সোমোৱাই থোৱা হল। তেওঁক থোৱা বাকচটোৰ ভিতৰফালে বিভিন্ন জন্তুৰ চিত্ৰ আঁকি দিয়া হল আৰু এখন সাধাৰণ ধনুৰে জন্তুৰ ছবিবিলাকলৈ কাঁড় মাৰিবলৈ কোৱা হল। কুকুৰ দুটাই সিহঁতৰ গিৰিহঁতক দেখাৰ প্ৰশ্নই নুঠে। কাৰণ দুয়োটা বাকচ শব্দ ৰোধ। তথাপি দেখা গল যে যেতিয়াই মানুহজনে কোনোবা জন্তুৰ ছবি এখনলৈ কাঁড় মাৰে ঠিক সেই মুহূৰ্ত্ততে আনটো বাকচত থকা কুকুৰ দুটাই বলিয়াৰ দৰে জপিয়াবলৈ লয়।

সেই একে দুটা বাকচতে এচ্ছাৰে আন এক পৰীক্ষাও কৰিলে। দুটা কুকুৰ

(মাক প'ভেক)ৰ মাকজনীক এটাত আৰু প'তেকটোক আনটো বাকচত সুমুৱাই থলে। পকাই থোৱা কাগজ এখনৰ পাকবোৰ খুলি দিলে দুয়োটা কুকুৰেই ভয়ত চেপেটা মাৰিবলৈ আগতেই শিকাই থোৱা হৈছিল। কিন্তু বাকচত সুমুৱাৰ পাছত যেতিয়া এটা বাকচৰ ভিতৰত মাত্ৰ পকাই থোৱা কাগজ এখনৰ পাকবোৰ খুলি দিয়া হৈছিল তেতিয়া তাত থকা কুকুৰটোৱেতো ভয় খালেই, আনটো বাকচত থকা কুকুৰটোৱেও কাগজখন নেদেখাকৈয়ে বা একো শব্দ নশুনাকৈয়ে ঠিক একে সময়তে ভয়ত কোঁচ মোচ খাই পৰিছিল। এনে ধৰণৰ পৰীক্ষা নিৰীক্ষাৰ পৰা এচ্ছাৰে সিদ্ধান্ত লৈছিল যে বহুতো প্ৰাণীয়ে কিবা এক অলৌকিক শক্তিৰ সহায়ত ইটো সিটোৰ মাজত দেখাদেখি নোহোৱাকৈয়ে সংযোগ ঘটাব পাৰে।

প্ৰাণীৰ অলৌকিক শক্তি

কাৰোবাৰ ঘৰত টান নৰিয়া থাকিলে আৰু সেইঘৰৰ বাৰীৰ এচুকত ফেঁচাই দ বাৰমান নিউ নিউকৈ মাতিলে ঘৰখনৰ সকলোৰে বুকুৰে উজনি ভাটি কৰে চকু চলচলীয়া হয় আৰু আগন্তুক বিপদৰ কাৰণে সাজু হৈ থাকে। নৰীয়াই নশনাকৈ সকলোৱে কোৱা কুই কৰে— ফেঁচাজনীয়ে বৰ বেয়াকৈ মাতিলে। ৰাতি নপৰাৱৰ যেন পাইছো। পাছে ফেঁচা লক্ষ্মীৰহে বাহন। যমৰ লগতনো মিতিৰালি কৰিলে কেতিয়া? ফেঁচাৰ চিয়ৰে কাৰোবাক মাৰিছে নে নাই নাজানো—কিন্তু বহুতো এনে প্ৰাণী আছে যি আগন্তুক বিপদৰ কথা আগতীয়াকৈ জনাই দিব পাৰে। ভেকুলীয়ে টোৰ টোৰাকৈ পানী পিয়া চৰাইজনীয়ে বৰকৈ মাতিলে আৰু পানীত চেলকনা দনিকনা আদি মাছে বৰকৈ জাপিয়ালে—বৰষুণ অহাটো প্ৰায় খাটাং বুলিয়েই আমাৰ কৃষক ৰাইজে ধৰি লয়। আমাৰ গাঁৱৰ সৰল সহজ খেতিয়াকসকল হয়তো বতৰ বিজ্ঞানী নহয় কিন্তু যুগ যুগ ধৰি জীৱ জন্তুৰ আচৰণ অধ্যয়ন কৰি লাভ কৰা তেওঁলোকৰ অভিজ্ঞতা বৈজ্ঞানিক সিদ্ধান্ততকৈ কোনো গুণে কম নহয়।

কাউৰীৰ মাতে বিপদ সম্পদ দুয়োটাই আনিব পাৰে গধূলি শিয়ালে বৰকৈ হোৱা দিলে পাছদিনা বৰদিয়ে বুলি কোৱা হয়। ঘৰৰ ওপৰত বা বাৰীৰ কোনোবা জোপা গছত বহি কাউৰী জনীযে বৰকৈ ৰমলিয়ালে গৃহস্থৰ মঙ্গল অমঙ্গল দুয়োটাই হব পাৰে। কোনটো খেনত মাতিলে মঙ্গল হয় আৰু কোনটো খেনত মাতিলে অমঙ্গল হয়—তাক জানিবলৈ সেই সময়ত পৰা ঘৰৰ ছাঁ জুখি মঙ্গল চোৱাৰ বিধান আছে। এনে মঙ্গলৰ ফলাফল কাৰ ভাগ্যত ফলিয়াইছে আৰু কাৰ ভাগ্যত নাই ফলিওৱা—মঙ্গল চোৱা সকলেহে জানে। কিন্তু এনে ধৰণৰ বিশ্বাস সমূহ যে যুগ যুগ ধৰি মানুহৰ সমাজত চলি আহিছে—ই ধ্ৰুৱ। এনে ধৰণৰ বিশ্বাস সমূহৰ অন্ততঃ কিছুৰ বৈজ্ঞানিক সত্যতাও নোহোৱা নহয়। আমাৰ মানুহৰ জ্ঞানেন্দ্ৰিয় পাঁচবিধ। চকু কাণ নাক জিবা আৰু ছাল। কিন্তু বহুতো প্ৰাণীৰ হেনো আৰু এবিধ জ্ঞানেন্দ্ৰিয় থাকে। ইয়াকে ষষ্ঠ ইন্দ্ৰিয় বা ষষ্ঠ অনুভূতি (Sixth sense) বুলি কোৱা হয়। এইবিধ জ্ঞানেন্দ্ৰিয়ৰ সহায়তে বহুতো কথা আগতীয়াকৈয়ে ধৰিব পাৰে।

ভূত প্ৰেতে বাহ লোৱা ঘৰত হেনো কুকুৰ সোমাবলৈকে নিবিচাৰে। সোমালেও সিহঁতে কিবা অদৃশ্য বস্তু একোটা খেদি ফুৰে চিঞৰে আৰু বৰ অস্বস্তি বোধ কৰে। সিহঁতে সম্ভৱ আমাৰ চকুত নপৰা ভূতটোকে দেখে। ত্ৰিচিনাপল্লীৰ এটা ডাঙৰ চৰকাৰী বঙলাত এবাৰ এজন বিষয়া সপৰিয়ালে থাকিবলৈ লৈছিল। কিন্তু তাত

থাকিবলৈ লোৱাৰে পৰা তেওঁ লক্ষ্য কৰিলে যে তেওঁৰ কুকুৰটোৱে গোটেই ৰাতি বঙলাটোৰ চাৰিওফালে চি য়ৰি চি য়ৰি কিবা জন্তু একোটা খেদাৰ দৰে খেদি ফুৰে। এনেকৈ কেইবাদিনো চি য়ৰাত বিষয়াজনে ভয় খাই বঙলাৰ চকীদাৰজনক কথাটো ক লে। তেতিয়া চকীদাৰে ক লে যে তিনি মাহমানৰ আগতে ইয়াত পত্নীৰে সৈতে এজন ডেকা বিষয়া আছিল। এদিনাখন কিবা কথাত ঠোটা মোজা লাগি দ য়ো আত্মহত্যা কৰিলে। তেওঁলোকৰ প্ৰেতাত্মা দ টা সম্ভৱ ইয়াতে থাকি গ ল। সেয়েহে কুকুৰটোৱে ৰাতি প্ৰেতাত্মা দ টাকে খেদি ফুৰে। চকীদাৰে তেনেকৈ কোৱাৰ পাছত তেওঁলোকে সেইদিনাই বঙলা এৰি হোটেল এখনত উঠিলগৈ।

বতাহ বৰষ ণ ধ ম হা গাৰ্জনি আদিৰ আগতীয়া বাতৰি দিবলৈ আধ নিক বিজ্ঞানত দ ই এপদ বস্তুৰ স ষ্টি হৈছে। ৰাদাৰ কৃত্ৰিম উপগ্ৰহ আদি আৱিষ্কাৰৰ ফলত বিজ্ঞানীসকলে বতাহ বৰষ ণ বাণপানী আদিৰ খবৰ কিছ আগতীয়াকৈ দিবলৈ সমৰ্থ হৈছে। তদ পৰি এনেবিলাক খবৰ ৰেডিঅ বা টেলিভিছনৰ যোগেদি ততাতৈয়াকৈ দ ৰ দ ৰণিলৈ প্ৰেৰণ কৰিব পৰাও হৈছে। আচৰিত কথা যে এনে যন্ত্ৰ সম হৰ আৱিষ্কাৰৰ বহ আগৰে পৰাই দ ই এজাত ইতৰ জন্তুৱেও বহ বিপদ আপদৰ ভৱিষ্যত বাণী কৰি আহিছে আৰ বেচি ভাগ ক্ষেত্ৰতে তেওঁলোক সফলো হৈছে। তেওঁলোকেনো এই শক্তি কেনেকৈ পালে—বিজ্ঞানীসকলৰ কাৰণে সি আজিও এক ৰহস্য হৈয়েই আছে।

আগন্তুক বিপদৰ কথা কুকুৰেও জানে আমাৰ ঘৰছীয়া জন্তুবিলাকৰ ভিতৰত ক ক ৰেই সম্ভৱ যি কোনো দ ৰ্যোগৰ বাতৰি আগতীয়াকৈ দিব পাৰে। কেতিয়াবা দ ৰ্যোগ আৰম্ভ হোৱাৰ বহ ত আগৰে পৰাই ক ক ৰে আকাশৰ ফালে ম খ কৰি একেলেথাৰিয়ে ভুকিবলৈ লয়। কুকুৰে বহ ত সময় ধৰি ৰাউচি জ ৰি থাকিলে বিপদ বিঘিনি আহে ব লি আমাৰ সাধাৰণ লোকৰো বিশ্বাস। বৰ্তমানে ই এক প্ৰমাণিত তথ্যই হৈছে। বতাহ বৰষ ণ হোৱাৰ আগে আগে আমাৰ পোহনীয়া ছাগলীবোৰে বেবাই বেবাই ঘৰলৈ দৌৰ মৰাৰ দ শ্য আমাৰ বহ তেই দেখিছে। মৰ ভূমিত বলা ধ ম হা বতাহৰ কথাও হেনো উটে আগতীয়াকৈয়ে জানে। তেনে অৱস্থাত উটৰ আচৰণ কিছ বেলেগ হৈ পৰে আৰ মৰ ভূমিৰ যাত্ৰীসকলে এই আচৰণ দেখিয়েই আগন্তুক বিপদৰ কথা ব জি পায়।

বিভিন্ন জাতৰ হৰিণ আৰ হাবিত থকা আন বহ তো প্ৰাণীয়েও দ ৰ্যোগৰ প ৰ্বাভাষ দিব পাৰে। ১৯৭২ চনৰ ১৩ নৱেম্বৰ দিনা জাৰ্মেনীৰ ওপৰেদি এক প্ৰবল ধ ম হা বতাহ বৈ গৈছিল। এই ধ ম হাত হাবিৰ বহ ত ডাঙৰ ডাঙৰ গছো উভালি পৰিছিল। ডঃ ষ্টাল নামৰ এগৰাকী প্ৰখ্যাত প্ৰাণীতত্ত্ববিদে ধ ম হাৰ সময়তনো প্ৰাণীবোৰে কেনে ধৰণৰ আচৰণ কৰে—তাক অধ্যয়ণ কৰিছিল। তেওঁৰ আগতেই হাবিৰ জীৱজন্তুসম হ চঞ্চল হৈ উঠিছিল আৰ সিবিলাকৰ আচৰণ অস্বাভাৱিক হৈ পৰিছিল। ধ ম হা অহাৰ আগতেই সিহঁতে নিৰাপদ ঠাই বিচাৰি

ঘূৰি ফুৰিছিল। যিবিলাক গছ ধুমুহা বতাহত উভালি পৰাৰ সম্ভাৱনা নাছিল, তেনেবিলাক গছৰ তলতহে সিহঁতে আশ্ৰয় লৈছিল। যিমান সময় ধৰি ধুমুহা বতাহ বলিছিল সিমানখিনি সময় প্ৰতিটো জন্তুৱেই অকনো লৰচৰ নকৰাকৈ মাটিত ভালকৈ খোপানি পাতি বৈ আছিল। কিছুমান জন্তুৱে আকৌ হাবিত থকাটো নিৰাপদ নহয় বুলি ভাবি ওচৰৰ গাঁও ভূইলৈ পলাই গৈ মানুহৰ সমীপত আশ্ৰয় লৈছিলগৈ।

আন এক ঘটনা—১৯৭৯ চনৰ। তেতিয়া জুলাই মাহ। মৰিচঝাঁপি অঞ্চলটোত কোমল আৰু সেউজীয়া ঘাঁহ গজি গোটেই অঞ্চলটো সেউজীয়া কৰি থৈছে। জাক পাতি পাতি হৰিণবিলাকে সেই ঘাঁহ খোৱাত ব্যস্ত হৈ পৰিছে। এদিনাখন আবেলি সময়ত হঠাতে দেখা গ'ল যে হৰিণবিলাকে দৌৰি দৌৰি ওখ ঠাইবিলাকত উঠিছেগৈ। বতৰ তেতিয়াও ফৰকাল। দ্বিতীয়তে চিকাৰী বা মাংসভোজী জন্তুও সেই সময়ত সেই অঞ্চলত নাছিল। এই দৃশ্যটো চাই আছিল এগৰাকী বেঞ্জ অফিচাৰে। নাম সৌৰেন পাল। পালে এনে দৃশ্য আগতে কেতিয়াও দেখা নাছিল। তেওঁৰ বহুদিনীয়া বনবিভাগৰ অভিজ্ঞতাযো হাৰ মানিছিল। কিন্তু দৃশ্য টামানৰ পাছত দেখা গ'ল যে আকাশ মেঘাচ্ছন্ন। খন্তেক পাছতে ধুমুহা আৰু লগে লগে ডবা পিতা বৰষুণ। চাওঁতে চাওঁতে অঞ্চলটো পানীৰে ভৰি পৰিল। চৰণীয়া পথাৰ সাগৰ সদৃশ হ'ল। তেতিয়াহে সৌৰেন পালে বুজি উঠিল যে পশুবোৰে এই দুৰ্যোগৰ কথা আগতেই জানিছিল।

জীৱজন্তুৱে ভূমিকম্পৰ আগজাননীও দিয়ে ভূমিকম্প হোৱাৰ আগে আগে বহুতো প্ৰাণীয়ে সেই ঠাইৰ পৰা পলাবলৈ বিচাৰে। গৰু মহবিলাকো অলকা লাগে আৰু ঘাঁহ পাগুলিবলৈ এৰি দিয়ে। ভূমিকম্প হোৱাৰ আগমুহূৰ্তত কেৰ্কেটুৱাবিলাক কেতিয়াও বাঁহলৈ নাযায় গছত উঠা নমা কৰিহে ঘূৰি ফুৰে। বান্দৰ বিলাকেও প্ৰথম সুযোগতে ভূমিকম্প হ'ব লগা ঠাইৰ পৰা পলাবলৈ বিচাৰে। অৱশ্যে জাকটোৰ সকলোবোৰ গোট নাথায় মানে কোনিও নীতিৰে। বান্দৰে ভূমিকম্পৰ সম্ভাৱনা দেখিলেই ডালে ডালে জপিয়াই চিঞৰি ফুৰে। এনে চিঞৰতে জাকৰ আটাইতকৈ এলেহুৱা বান্দৰটোৱেও খৰ খেদাকৈ আহি জাকটোৰ ওচৰ চাপে। আনকি দৌৰ মাৰি গৈ থাকোতেও চিঞৰি চিঞৰি সকলোকে সাৱধান কৰি দিয়ে। ভূমিকম্পৰ আগমুহূৰ্তত কাউৰীবোৰে আকাশলৈ উৰা মাৰে আৰু কঁ'কালিয়াই কঁ'কালিয়াই ইফালে সিফালে ঘূৰি ফুৰে। ভূমিকম্প হৈ যোৱাৰ পাছত পৃথিৱীখন স্থিৰ অৱস্থালৈ আহিলেহে সিহঁত পুনৰ বাঁহত সোমায়হি। কিন্তু বান্দৰ বা আন প্ৰাণীৰ দৰে কাউৰী আৰু শগুণ ভূমিকম্প হোৱা ঠাইৰ পৰা আঁতৰি নাযায়। ভূমিকম্প সিহঁতৰ বাবে আওপকীয়াকৈ এক আশীৰ্বাদো। কাৰণ ভূমিকম্পত দুই এটা প্ৰাণী মৰিলে সিহঁতৰে ভোজ হয়।

১৮৯১ চনত জাপানৰ নাগোয়া নামৰ নগৰখনত এদিনাখন হঠাতে দেখা গ'ল যে তাত থকা গোটেই এন্দুৰবোৰে যেনি তেনি জপিয়াবলৈ লৈছে। এন্দুৰৰ এনে অত

পাছি দেখি সকলো আচৰিত হ'ল। কিন্তু সি আছিল প্ৰকৃততে দুৰ্যোগৰ এক আগজাননীহে। পাছদিনাখন তাত এক ডাঙৰ ভূমিকম্প হৈছিল। ১৯৫৫ চনত যুগোশ্লেভিয়াত যি এক ডাঙৰ ভূমিকম্প হৈছিল—তাৰ ঠিক কিছু সময়ৰ আগতে চিৰিয়াখানাৰ গোটেই চৰাইবোৰেই হেনো পলাই গৈছিল। ১৯৬৯ চনৰ জুলাই মাহত চীনৰ ব্রিয়াংতিং অঞ্চলত আন এক প্ৰবল ভূমিকম্প হৈছিল। ভূমিকম্প হোৱা চাৰি ঘণ্টা মানৰ আগতে তাৰ কুকুৰাবোৰে হেনো বাঁহত সোমাবলৈ লৰাঢপৰা লগাইছিল। ভূমিকম্পৰ আগে আগে তাৰ পোহনীয়া জন্তু কিছুমানো পলাই গৈছিল।

১৯৭৬ চনত চীনৰ ট্যাং চান প্ৰদেশত আন এক প্ৰবল ভূমিকম্প হৈছিল। সেই ভূমিকম্পত সাতলাখতকৈও অধিক লোকে প্ৰাণ হেৰুৱাইছিল। বন্যপ্ৰাণীযে কিমানৰ মৃত্যু হৈছিল—তাৰ কোনো হিচাবেই নাছিল। তথাপিও চীন দেশৰ বনবিভাগৰ এক প্ৰতিবেদনৰ পৰা জানিব পৰা হৈছে যে বন্যপ্ৰাণীবোৰে ভূমিকম্প হোৱাৰ বহুত আগৰে পৰাই নিৰাপদ ঠাইত আশ্ৰয় লৈছিল। বহুতো বন্যপ্ৰাণীয়ে পাহাৰৰ পৰা আহি সমভূমিত গোট খাইছিলহি। অৱশ্যে ভূমিকম্পৰ প্ৰকোপ ইমান বেচি আছিল যে সাৱধান হোৱা স্বত্বেও যথেষ্ট সংখ্যক ঘৰছীয়া আৰু বন্যপ্ৰাণীৰ মৃত্যু হৈছিল। সেই একে বছৰতে ইটালীৰ উত্তৰাঞ্চলতো আন এক প্ৰবল ভূমিকম্প হৈছিল। ভূমিকম্প হোৱাৰ দুঘণ্টামানৰ আগতে হেনো তাৰ গোটেই হৰিণবিলাক ভয়ত পেপুৱা লাগি জাক পাতি পাতি থৰ লাগি বৈ আছিল। আনকি তাৰ পোহনীয়া মেকুৰীবোৰো হেনো দূৰ দূৰণিলৈ পলাই গৈছিল।

চৰাই চিৰিকতিয়ে বতৰৰ আগলি বতৰাও দিয়ে গাঁৱৰ আশে পাশে থকা হাবিত কুকুৰনেচিয়া বাঘে একেলেথাৰিয়ে চিঞৰি থাকিলে দুই এদিনতে ডবা পিতাবৰষুণ হয় বুলি দুই একে কয়। হিমালয়ৰ কোনো কোনো অঞ্চলত টাকিন নামৰ একাত জন্তু আছে। বৰষুণৰ সম্ভাৱনা দেখিলে ইহঁতে হেনো দেহৰ পৰা একবিধ সুগন্ধ উলিয়ায়। ফেচু শালিকা আদি চৰাইবোৰেও দুৰ্যোগৰ কিবা আগতীয়া উমান পায়। দুৰ্যোগৰ আগে আগে ইহঁতৰ আচৰণৰ প্ৰতি চকু দিলেই এই কথা স্পষ্ট হৈ পৰে। বৰষুণ দিয়াৰ আগমুহূৰ্তত পাতিহাঁহ ৰাজহাঁহ আৰু বগলীবোৰেও বৰ চিঞৰ বাখৰ কৰে।

সাপেও বতৰৰ আগজাননী দিব পাৰে। যদি দিনটো গৰম হয় আৰু গছৰ পাত এটিও লৰচৰ নকৰে তেন্তে সাপে হেনো কেতিয়াও গাতত সোমাই নাথাকে। এনে সময়ত ইহঁতে হয় নৈৰ কাষত বা ঘাঁহনিৰ মাজত ছাঁ পৰা ঠাইত পৰি থাকে। আনহাতে বৰষুণৰ বতৰত সাপ সদায় গাঁতত সোমাই থাকে আৰু বৰষুণ নেৰে মানে গাঁতৰ পৰা নোলায়। কেৱল ঢোৰাসাপেহে বতাহ বৰষুণ হোৱাৰ আগে আগে গাঁতৰ পৰা ওলাই আহে। সাপে আকাশত ডাৱৰ দেখিলেই বৰষুণ দিব নে নিদিয়ে গম পায়। পোক পতংগৰ সমাজতো মৌমাখিযে বতাহ বৰষুণৰ কথা আগতীয়াকৈ গম পায়। ডাঙৰ বৰষুণ দিয়াৰ আগে আগে পৰুৱাই মুখত বগা বগা কণী লৈ নিৰাপদ ঠাই বিচাৰি ফুৰা আমাৰ বহুতেই দেখিছে।

প্ৰাণী সমাজত ভাব-ভাষা

আমাৰ সমাজত থকা বোবা বা অকৰালোক সকলে নিজৰ ভাব কেনেকৈ প্ৰকাশ কৰে আমি বহু তেই দেখিছো। হাত, মুখ আদিৰ আঙ্গি ভঙ্গি বা কেতিয়াবা একোটা বুজিব নোৱাৰা শব্দেৰেই তেওঁলোকে মনৰ ভাব প্ৰকাশ কৰে। বিভিন্ন ধৰণেৰে ভাব প্ৰকাশ কৰাৰ ব্যৱস্থা প্ৰাণীসমাজতো আছে। তেওঁলোকে মৰম চেনেহ খং ৰাগ দুখ বেজাৰ আদি বিভিন্ন ধৰণৰ অনুভূতি দেহৰ বিভিন্ন ধৰণৰ অঙ্গিভঙ্গি বা দুই এটা শব্দৰেই প্ৰকাশ কৰে। অৱশ্যে পঞ্চতন্ত্ৰ বা ঈছপৰ সাধু কথাত আগৰদিনৰ জীৱ-জন্তু সমূহৰ মুখতো মাত কথা দিয়া হৈছে। কিন্তু সেইবিলাক কাল্পনিক বুলিয়েই কব লাগিব। কাৰণ তাত বৈজ্ঞানিক সত্যতা বিচাৰি পোৱা টান।

একালত মানুহেও কথা ক'ব নাজানিছিল নৃতত্ববিদ সকলে অৱশ্যে এনেকৈহে কব খোজে যে জীৱ জন্তুৰ কথাটো বাদেই একালত মানুহেও আজিকালিৰ দৰে কথা বতৰা পাতিব নাজানিছিল। হয়তো তেওঁলোকে চিঞৰিব জানিছিল আৰু মুখেৰে কিবা কিবি শব্দ একোটাহে মাত্ৰ উচ্চাৰণ কৰিব পাৰিছিল। আজিকালিৰ দৰে নিজৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ শব্দ সাজি সাজি কথা কোৱাৰ অভ্যাস তেওঁলোকৰ নাছিল। সভ্যতা আৰু সংস্কৃতিৰ ক্ৰমাগত উন্নতিয়েই সম্ভৱ মানুহক প্ৰাণীৰ পৰা আঁতৰাই এক উচ্চ আসনত প্ৰতিষ্ঠা কৰালে। মানুহৰ বিভিন্ন ভাব শব্দৰ আকাৰে স্পষ্ট ৰূপত ধৰা দিলে। আনহাতে প্ৰাণীসমূহ প্ৰাণী হৈয়েই থাকিল। আকৃতিগত বিৱৰ্ত্তনৰ প্ৰভাৱে হয়তো চেহেৰা পাতিবো কিছু পৰিবৰ্ত্তন আনিলে। অৱশ্যে মানসিক বিৱৰ্ত্তনৰ প্ৰভাৱচকুত লগাকৈ কিবা পৰিছে বুলি কোৱা টান।

প্ৰাণীসমূহে আমাৰ দৰে কথা বতৰা পাতিব নাজানিব পাৰে কিন্তু মনৰ ভাব প্ৰকাশ কৰাৰ ক্ষমতা সিহঁতৰো আছে। বনৰীয়া হাতী একোটাক হাবিৰ পৰা ধৰি অনাৰ পাছত কত ধৰণৰ শিক্ষা দিয়া হয়। এনে শিক্ষাৰ ফলত মাউতৰ কোনটো শব্দই তাক কোনটো কাম কৰিবলৈ নিৰ্দেশ দিয়ে সি বুজি উঠে। আমাৰ ঘৰচীয়া গৰু বিলাকেও আমাৰ বহুতো শব্দ বুজি পায়। গাড়ী চলাওঁতে গাৰোৱানে কৰা আৰু হালবাওঁতে হালোৱাই কৰা বিভিন্ন শব্দৰ অৰ্থ সিহঁতে বুজে আৰু সেইমতে কাম কৰে। আনকি বহুতো গিৰিহঁতে নিজৰ গৰুবোৰৰ নাম একোটাও দি থয়। সেই নামেৰে মাতিলেই গৰুটো বা গৰুজনী ওচৰ চাপি আহে। গৰুৰ দৰে আন পোহনীয়া জন্তু যেনে কুকুৰ মেকুৰী হাতী আদিৰো নাম থাকে। ঔচ বুলিলেই কুকুৰ একোটা ওচৰ পাইহি থৰ বুলিলেই খেদা মাৰে আৰু ছেই বুলিলেই আঁতৰি যায়। ইয়াতকৈ বেচি শব্দৰ অৰ্থ বুজা কুকুৰো আছে। পুচি বুলি মাতিলেই মেকুৰী একোজনী গিৰিহঁতৰ ওচৰ পায়হি। ঠিক তেনেকৈ

হাতীকো তাৰ নাম ধৰি মাতিলেই সি ধৰ হৈ দিয়ে। পাৰ চৰাইক আহ পাৰ আহ বুলিলেই জাক পাতি উৰা মাৰি আহে। পোহনীয়া মইনা ভাটৌ আদি কিছুমান চৰাইক মানুহে নানান শব্দ কৰলৈ শিকায়।

ডলফিনে যোগ অংকও কৰিব জানে প্ৰাণীয়ে যে মানুহৰ কথা কেনেকৈ বুজি পায়—ভাবিলে আচৰিত লাগে। ১৯৭৪ চনত হাৱাই দ্বীপত এবাৰ ডলফিনৰ খেলা দেখুওৱা হৈছিল। খেলাটো হ'ল—ব্লেক বড এখনত দুটামান সংখ্যা লেখি থোৱা হয়। তাৰ যোগফল কিমান হ'ব—ডলফিনটোৱে কৈ দিয়ে। পাছে ডলফিনৰ সমস্যা হ'ল—সি কথা ক'ব নোৱাৰে। গতিকে যোগফল কয় কেনেকৈ? কিন্তু তাৰো উপায় সি নিজে উদ্ভাৱন কৰি ল'লে। সংখ্যা কেইটাৰ যোগফল যিমান হ'ব—সিমানবাৰ সি পানীৰ ওপৰলৈ জাপিয়ায়। অৰ্থাৎ জাপৰ সংখ্যাই হ'ল যোগফল। প্ৰত্যেকবাৰতে হেনো তাৰ উত্তৰ শুদ্ধ আছিল। ইতৰ জীৱ জন্তুৰ কাৰণে ইও কম আশ্চৰ্যৰ কথা নহয়।

প্ৰাণীয়ে যে কেৱল মানুহৰ নিদেশহে মানি চলে এনেও নহয়। ইহঁতে নিজৰ ভিতৰতো কিবা নহয় কিবা প্ৰকাৰে ভাব বিনিময় কৰিব পাৰে। ইহঁতৰ ভাব প্ৰকাশ কৰাৰ ব্যৱস্থাও চমৎকাৰ। চৰাইৰ ক্ষেত্ৰত হয়তো কেতিয়াবা পাখি বোৰকে ভোবোৰা কৰি দিয়ে কেতিয়াবা গাটোকে জোকাৰি দিয়ে কেতিয়াবা মূৰটোকে জোকাৰে আৰু কেতিয়াবা হয়তো গাৰ ৰঙকে বদলাই দিয়ে। ঠিক তেনেকৈ জন্তুৰ ক্ষেত্ৰতো হয় আগঠেং কেইখনেৰেই মাটিত আঁচোৰে শিং কেইটা দাঙি দিয়ে নেজডাল পকাই লয় বা মূৰটোকে হ'লেও জোকাৰি দিয়ে। এনে ধৰণৰ দেহৰ প্ৰতিটো ভংগিয়েই একো একোটা ভাবৰ প্ৰতীক। এনে প্ৰতীকৰ অৰ্থ ভাব প্ৰকাশ কৰোতাজনে যেনেকৈ বুজি পায় ঠিক তেনেকৈ যাৰ কাৰণে প্ৰকাশ কৰা হয়— সিও বুজি পায়।

গন্ধ, শব্দ আদিয়েও প্ৰাণীৰ দেহত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে মানুহৰ দৰে প্ৰাণীৰ শৰীৰতো নানা ধৰণৰ ক্ৰিয়া প্ৰতিক্ৰিয়া হয়। যি কোনো প্ৰতিক্ৰিয়াৰ কাৰণে প্ৰয়োজন হয় কিবা নহয় কিবা প্ৰকাৰৰ উদ্দীপক। যেনে ধৰক—আপোনাক কোনোবাই গালি পাৰিলে। লগে লগে আপোনাৰো খং উঠি গ'ল। এতিয়া গালিটো হ'ল উদ্দীপক আৰু খংটো হ'ল তাৰ প্ৰতিক্ৰিয়া। গন্ধ শব্দ আদিয়েও প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। আকৌ দুটা প্ৰাণী মুখা মুখি হ'লেও এটাই আনটোৰ দেহত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। পৰিবেশৰ পৰিৱৰ্তনেও কেতিয়াবা ডাঙৰ উদ্দীপক হিচাপে কাম কৰে। প্ৰাণীয়ে এই উদ্দীপনাসমূহ গ্ৰহণ কৰে চকু কাণ নাক আৰু জিভাৰ সহায়ত। ধৰক—মেকুৰী এটাই চৰাই এটা ধৰিবলৈ আগবাঢ়ি গৈছে। চৰাইটোৱে মেকুৰীৰ দৃশ্যটো দেখা পালে চকুৰ সহায়ত। লগে লগে চৰাইৰ দেহত প্ৰতিক্ৰিয়া আৰম্ভ হ'লেই। সি মুহূৰ্তৰ ভিতৰতে ডেউকা দুখন কোবাই মেকুৰীটোৰ ওচৰৰ পৰা আঁতৰলৈ উৰা মাৰিলে।

অনেক সময়ত প্ৰাণীৰ নিজৰ দেহত হোৱা বিভিন্ন ধৰণৰ জৈৱিক কাৰ্য্যৰ কাৰণেও

তাৰ ব্যৱহাৰ পাতি বেলেগ হয়। উদাহৰণ স্বৰূপে সিংহৰ পেট ভৰ্তি পূৰ্ণ হৈ থাকে তাৰ মুখৰ আগেদি হৰিণ গ'লেও সি তালৈ চকু নিদিয়ে। হৰিণ এনেয়ে সিংহৰ খাদ্য। কিন্তু সেই সময়ত তাৰ দেহত চলি থকা খাদ্যৰ জৈৱিক কাৰ্যই তাক আৰু হৰিণ বিচাৰিবলৈ উদ্দীপনা নোযোগায়। কিন্তু যি মুহূৰ্ত্তত তাৰ খাদ্য খিনি হজম হৈ যায় সেই মুহূৰ্ত্তৰ পৰাই সি পুনৰ খাদ্য বিচৰাত লাগে।

মানুহৰ দৰে প্ৰাণীসমূহৰো বেলেগ বেলেগ ক্ষেত্ৰত বেলেগ বেলেগ প্ৰতিক্ৰিয়া হয়। কিন্তু মানুহে যেনেকৈ যি কোনো নতুন পৰিস্থিতিৰ সন্মুখীন হ'লে কি কৰিব তাক বুদ্ধিৰ দ্বাৰা ঠিক কৰি লব পাৰে প্ৰাণীয়ে নোৱাৰে। নতুন পৰিস্থিতিত কোনো সিদ্ধান্ত লোৱাৰ ক্ষমতা প্ৰাণীৰ নাথাকে। অভিজ্ঞতাৰ মাজেদি প্ৰাণীয়ে যি জ্ঞান অৰ্জন কৰে সি তাৰ স্মৃতিত ধৰি থয়। পাছত একেটা পৰিস্থিতিৰ পুনৰ উদ্ভৱ হ'লে সি তাৰ স্মৃতিত ধৰি থোৱা জ্ঞানৰ সহায়ত তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ধৰক কুকুৰ এটাই এন্দুৰ এটা দেখা পালে। পাছত হয়তো এন্দুৰটোক খায়েই পেলালে। এন্দুৰটোক মাৰিবলৈ যাওঁতে কুকুৰ টোৱে কোনো বাধাৰ সন্মুখীন হোৱা নাই। তাতে খাদ্য হিচাবেও এন্দুৰ ভাল প্ৰাণী। কিন্তু অন্য এটা সময়ত হয়তো সি দেখা পালে এটা কেটেলা নিগণি। এন্দুৰৰ দৰে কেটেলা নিগনিকো খাব পৰা হ'ব বুলি ভাবি সি হয়তো তাৰ ওচৰ চাপিল। কিন্তু কেটেলা নিগণিৰ গাত চাৰিওফালে জোঙা জোঙা কাঁইট। গতিকে এইবাৰ সি কাঁইটৰ আঁচোৰ খাব লগাতহে পৰিল। ওপৰত উল্লেখ কৰা দুয়োটা ঘটনা দুই ধৰণৰ অভিজ্ঞতা। এই অভিজ্ঞতা কুকুৰটোৱে তাৰ মনৰ মাজত সুমুৱাই থ'লে। পাছত সেই অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিয়েই কুকুৰ এটাই এন্দুৰ এটা দেখিলে চোচা মাৰি যাব কিন্তু কেটেলা নিগণি এটা দেখিলে থমকি ৰ'ব।



চিত্ৰ নং—১৫

[কেটেলা নিগণি ইউৰোপ এচিয়া আৰু আফ্ৰিকা—তিনিওখন মহাদেশতেই পোৱা যায়। ইহঁতৰ মুখমণ্ডল জোঙা গাটো গোটা আৰু নেজডাল তেনেই চুটি। ইহঁতৰ গোটেই গাটো কিছুমান চুটি চুটি কাঁইটেৰে আবৃত। এই কাঁইটবোৰৰ কাৰণেই শত্ৰুৱে সহজে ইহঁতৰ কাষ চাপিব নোৱাৰে। ইহঁত মাংসহাৰী জন্তু।]

উদ্দীপক অনুসৰি আচৰণ পুৰস্কাৰ আৰু শাস্তিৰ অভিজ্ঞতাৰ মাজেদিয়েই প্ৰাণীয়ে উদ্দীপক অনুসৰি বিভিন্ন ধৰণৰ আচৰণ কৰে। ওপৰত উল্লেখ কৰা উদাহৰণ দুটোত এন্দুৰ এটা খাব পৰাটো কুকুৰটোৰ কাৰণে পুৰস্কাৰ আৰু কেটেলা নিগণিৰ

কামিটোৰ আঁচোৰ খোৱাটো তাৰ কাৰণে শাস্তি। ধৰক—আপোনালোকৰ ঘৰত থকা পোহনীয়া কুকুৰটোক আপুনি চকু পাৰিও দেখিব নোৱাৰে। দেখিলেই দুচাট এচাট দিয়ে। আনহাতে আপোনাৰ ভায়েকজনে হয়তো তাক খুব মৰম কৰে। এতিয়া আপোনালোক দুজন কুকুৰটোৰ কাৰণে দুই ধৰণৰ উদ্দীপক। আপোনাৰ পৰা হ'ল তাৰ শাস্তিৰ অভিজ্ঞতা আৰু আপোনাৰ ভায়েকৰ পৰা হ'ল তাৰ পুৰস্কাৰৰ অভিজ্ঞতা। গতিকে আপোনাক দেখা মাত্ৰকে সি পলাবলৈ যত্ন কৰিব আৰু ভায়েকক দেখা মাত্ৰকে ওচৰ চাপি আহিব।

শাস্তি আৰু পুৰস্কাৰৰ উপৰি প্ৰাণীয়ে একো একোটা নিৰ্দিষ্ট পৰিস্থিতিতো এক নিৰ্দিষ্ট ধৰণেৰে আচৰণ কৰে। পাভলভৰ বিখ্যাত সূত্ৰ 'কন্দিশ্যনেল ৰিফ্লেক্স' অৰ্থাৎ চৰ্তাধীন প্ৰতিফলন ৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। মাংসৰ টুকুৰা এটা দেখি বা মাংসৰ গোন্ধ পাই কুকুৰ এটাৰ জিভাৰ পানী পৰিবলৈ ধৰিলে। ঠিক সেই সময়ত পাভলভে এটা ঘণ্টা বজালে। তাৰ পাছত নিতৌ ঠিক মাংস টুকুৰা খোৱাৰ সময়ত জিভাৰ পানী পৰিবলৈ লোৱা হ'ল। ফলত কুকুৰৰো নিতৌ ঠিক সেই সময়ত জিভাৰ পানী পৰিবলৈ ধৰিলে। পাছলৈ মাংস নাৰাখি কেৱল ঘণ্টা বজাবলৈহে লোৱা হ'ল। কিন্তু আচৰিত কথা তেতিয়াও কুকুৰৰ জিভাৰ পানী পৰিবলৈ ধৰিলে। অৰ্থাৎ ঘণ্টা বজালেই সি মাংস থকাৰ কথা ভবা হ'ল আৰু তেতিয়াই জিভাৰ পানী পৰিবলৈ ল'লে।

প্ৰাণীসমূহে নিতৌ নানা ধৰণৰ সংকেত পায়। সতৰ্কবাচক সংকেত আমন্ত্ৰণ মূলক সংকেত ভীতিমূলক সংকেত ইত্যাদি। কিন্তু সকলো সংকেতৰ প্ৰতিয়ে সি কাণষাৰ দিয়ে সিও নহয়। কোনটোত দিব লাগে আৰু কোনটোত দিব নালাগে —সি অভিজ্ঞতাৰ পৰাই জানে। উদাহৰণ স্বৰূপে যি কোনো চৰাই হু মাৰিলেই উৰা মাৰে। কিন্তু পোহনীয়া চৰাই এটাই তেনে আচৰণ নকৰে। পোহনীয়া চৰাই বা জন্তুৱে মানুহৰ মাত শুনিলে বিপদমুক্ত বুলিহে ভাবে।

অচিনাকী ৰঙে চৰাইক বিবুধিত পেলায়, প্ৰাণীবিদসকলে অধ্যয়ন কৰি দেখিছে যে চৰায়ে ৰং চিনি পায়। ৰং দেখিয়েই সি বুজি পায় তাৰ সন্মুখত থকা প্ৰাণীটো শত্ৰু নে মিত্ৰ ? আগেয়ে নেদেখা ৰং দেখিলেই চৰাই একোটা বিবুধিত পৰে। কাৰণ সেই ৰঙৰ প্ৰাণীটো শত্ৰু নে মিত্ৰ—সি ধৰিব নোৱাৰে। পাছে এবাৰ অভিজ্ঞতা লভাৰ পাছত সি অভিজ্ঞতাৰ পৰা পোৱা জ্ঞানেৰেই কি কৰিব—ঠিক কৰি লয়।

জিলীৰ দীঘল দীঘলকৈ মতা মাতবোৰ নিশ্চয় শুনিছে। ইহঁতে কিয় ইমান দীঘল দীঘল ৰাগ টানে জানেনে ? এই মাতবো এক উদ্দেশ্য আছে। মাতৰ গৰাকীও আকৌ মতাটোহে। মাইকীজনীয়ে মাতিব নাজানে। মতাটোৰ এই মাতত আকৰ্ষিত হৈ মাইকী একোজনী মতা একোটাৰ কাষ চাপে। এবাৰ এটা পৰীক্ষা কৰা হ'ল। এটা বন্ধ সজাৰ ভিতৰত তিনিটা মতা জিলী সুমুৱাই থোৱা হ'ল।

ওচৰলৈ অনা হ'ল তিনিজনী মাইকী জিলী। কিন্তু মতা জিলী কেইটাই যিহেতু সজাব ভিতৰত কোনো মাত মতা নাছিল গতিকে মাইকী কেইজনী মুঠেও আকৰ্ষিত নহ'ল। তাৰ পাছত টেপ ৰেকৰ্ডাৰত ধৰি থোৱা মতা জিলীৰ মাত মাইক্ৰফোনৰ সহায়ত বজাই দিয়া হ'ল। দেখা গ'ল যে মাইকীজিলীবোৰ মাইক্ৰফোনৰ হৰ্ণটোৰ ওচৰত থুপ খাই পৰিল। তাৰ পৰা প্ৰমাণ পোৱা গ'ল যে মতাজিলীৰ মাতটোৱেই মাইকীজনীৰ কাৰণে উদ্দীপক।

প্ৰাণীসমূহেযে আমাৰ দৰে কথা ক'ব বা নিৰ্দিষ্ট শব্দ একোটা উচ্চাৰণ কৰিব নোৱাৰে—তাৰ কাৰণে দায়ী সিহঁত নহয়। দায়ী সিহঁতৰ স্বৰযন্ত্ৰটোহে। বাৰিষা ভেকুলীয়ে যি টোৰোক টোৰোক শব্দ কৰে—সেইয়া সিহঁতৰ কথা নহয় বা মনৰ আনন্দত গোৱা গীতো নহয়। সিহঁতৰ স্বৰস্থলীৰ ভিতৰলৈ জোৰেৰে বতাহ সোমোৱা বা স্বৰস্থলীৰ পৰা জোৰেৰে বতাহ ওলোৱাৰ কাৰণেহে এনে হয়।

বান্দৰে দাঁত দুপাৰি উলিয়াই দিলে আমাৰ বহুতৰে হয়তো ভয় লাগে। পাছে ভয়ৰ কোনো কাৰণ নাই। দাঁত দুপাৰি উলিয়াই দিয়েই হয়তো কিবা সংকেত দিবলৈহে বিচাৰে। এয়ে সিহঁতৰ ভাষা। চিৰিয়াখানা বা হাবিত হেনো বান্দৰে নিজৰ ভিতৰতো ইটোৱে সিটোক দাঁত উলিয়াই দেখুৱায়। সিহঁতৰ এনে স্বভাৱক আমি বান্দৰামি বুলি কৈ উৰাই দিব পাৰো পাছে সেইবোৰ সিহঁতৰ ভাব প্ৰকাশ কৰাৰ একো একোটা কৌশলহে।

প্ৰাণীজগতত প্ৰজনন

ভাইৰাচক বাদ দি বৰ্ত্তমান পৃথিৱীত থকা সমস্ত জীৱকে দুটা ভাগত ভাগ কৰিব পাৰি। উদ্ভিদ আৰু প্ৰাণী। মানুহো প্ৰকৃততে প্ৰাণীজগতৰ ভিতৰতে পৰে। বিজ্ঞানী সকলৰ তথ্য অনুসৰি বৰ্ত্তমান পৃথিৱীত প্ৰায় এককোটি মান প্ৰজাতিৰ প্ৰাণী আৰু আধাকোটি মান প্ৰজাতিৰ উদ্ভিদ আছে। উদ্ভিদেই হওক বা প্ৰাণীয়েই হওক একোটা নিৰ্দিষ্ট প্ৰজাতিৰ সকলো উদ্ভিদ বা প্ৰাণীৰে দেহৰ কোষত থকা ক্ৰমজোম বা জিনৰ সংখ্যা আৰু গঠন একে। এই ক্ৰমজোম বা জিনসমূহেই প্ৰকৃততে একোজাত উদ্ভিদ বা প্ৰাণীৰ সকলো চৰিত্ৰৰ বাহক। উদ্ভিদ বা প্ৰাণীৰ যেতিয়া প্ৰজনন হয় তেতিয়া শুক্ৰকীট আৰু ডিম্বত থকা ক্ৰমজোমৰ যোগেদি পিতৃ মাতৃৰ চৰিত্ৰসমূহ পাছৰ পুৰুষলৈ গতি কৰে। এইদৰেই একোটা প্ৰজাতিৰ চৰিত্ৰ সমূহ পুৰুষ বাগৰি গৈ থাকে। বেলেগ প্ৰজাতিৰ প্ৰাণীৰ ক্ৰমজোমৰ গাঠনি বেলেগ আৰু সেয়ে চৰিত্ৰও বেলেগ। ভিন্ন চৰিত্ৰৰ প্ৰাণীয়ে যোৰ নপতাৰ কাৰণো এইটোৱেই। কেনেবাকৈ যদি যোৰ পাতেও তেতিয়াও সন্তান সৃষ্টি সম্ভৱ নহয়। কাৰণ দুটা বেলেগ গাঠনিৰ ক্ৰমজোম লগ লাগি ভ্ৰূণৰ সৃষ্টি কৰিব নোৱাৰে। অৱশ্যে এইটোও ঠিক যে প্ৰজাতি একোটাৰ অন্তৰ্গত সকলো উদ্ভিদ বা প্ৰাণীৰো সকলো চৰিত্ৰ সাইলাখ একে নহয়। কিন্তু এনে পাৰ্থক্যই সিহতৰ মাজত যোৰপতাত কোনো বাধাৰ সৃষ্টি কৰিব নোৱাৰে। এনে সাধাৰণ বৈসাদৃশ্য প্ৰকৃতিৰ বিচিত্ৰ ৰূপৰে এক প্ৰকাশ।

একোজাত প্ৰাণীৰ পুৰুষ তিৰোতা বেলেগাই নাথাকেই একোজাত প্ৰাণী পুৰুষানুক্ৰমে জীয়াই থকাৰ মূল চাবিকাঠি হ'ল প্ৰজনন। উদ্ভিদেই হওক বা প্ৰাণীয়েই হওক কিবা নহয় কিবা প্ৰকাৰে প্ৰজনন হ'বই লাগিব। কৰ্মী পতংগ আৰু দুই এটা উদাহৰণ বাদ দি বাকী সকলো প্ৰাণীয়েই এটা নিৰ্দিষ্ট বয়সত সন্তি সন্ততিৰ জন্ম দিব পাৰে। আকৌ সকলো প্ৰাণীৰ ক্ষেত্ৰত প্ৰজননৰ কাৰণে যে পুৰুষ তিৰোতাৰ মিলন হ'ব লাগে সিও নহয়। কিছুমান প্ৰাণীয়ে অযৌন পদ্ধতিৰেও সন্তানৰ জন্ম দিব পাৰে। আচৰিত কথা যে এমিবাৰ দৰে কিছুমান প্ৰাণীৰ ক্ষেত্ৰত মতা মাইকীৰ কোনো পাৰ্থক্যই নাই। মতা মাইকী দুয়োৰে শৰীৰৰ গঠন সাইলাখ একে। তেনেই ক্ষুদ্ৰ এককোষী প্ৰাণী এমিবালৈকে যদি চাওঁ আমি কি দেখো? ইহতৰ গোটেই দেহটো মাত্ৰ এটা কোষেৰেই গঠিত। প্ৰজননৰ সময়ত এই কোষটো ক্ৰমান্বয়ে বাঢ়ি গৈ এক নিৰ্দিষ্ট আকাৰত বৈ যায়। তাৰ পাছত ভিতৰৰ নিউক্লিয়াচটোৰ সৈতে কোষটো দুটা ভাগত বিভক্ত হৈ পৰে। প্ৰতিটো ভাগেই পুনৰ

বৃদ্ধি হৈ একোটা পৈণত এমিবাটো ৰূপান্তৰিত হয়। একাৰণে পৰা চাবলৈ গ'লে ইহঁতৰ স্বাভাৱিক মৃত্যু নহয় বুলিয়েই ক'ব পাৰি।

দুৰ্বল প্ৰাণীৰ পো পোৱালী সৰহ সকলো জাতৰ প্ৰাণীৰে পো-পোৱালীৰ সংখ্যা সমান নহয়। একোজাত প্ৰাণীয়ে কিমান কণী পাৰিব বা পোৱালী জগাব —সেইটো নিৰ্ভৰ কৰে যাইকৈ প্ৰাণীজাতৰ নিৰাপত্তাৰ ওপৰত। যিবিলাক প্ৰাণীৰ আত্মৰক্ষাৰ কাৰণে প্ৰয়োজন হোৱা অংগ-প্ৰত্যংগৰ সংখ্যা কম শত্ৰুৰ সংখ্যা বেচি নিৰাপত্তা কম আৰু জীৱন সংগ্ৰামৰ ঘাত-প্ৰতিঘাত বেচি—তেনেবিলাক প্ৰাণীয়েই কণীও বেচিকৈ পাৰে বা পোৱালী হ লেও বেচিকৈ জগায়। কাৰণ বেচিকৈ কণী পাৰিলে বা পোৱালী জগালেহে শত্ৰুৱে নাশ কৰাৰ পাছতো দুই এটা বাচি থাকি বংশটো ৰক্ষা কৰিব পাৰে। দ্বিতীয়তে সংখ্যাত সৰহ হ'লে শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈও সুবিধা হয়। আনহাতে যিবিলাক প্ৰাণীৰ আত্মৰক্ষাৰ সা সৰঞ্জাম থাকে আৰু বলশক্তিও বেচি—তেনে প্ৰাণীৰ পোৱালীৰ সংখ্যাও কম। শক্তিশালী পিতৃ মাতৃৰ কাষ চাপি পোৱালী নিধন কৰাৰ সাহস কাৰো নাই। স্তন্যপায়ী প্ৰাণীৰ ক্ষেত্ৰত দেখা যায় যে প্ৰাণীজাত আকাৰত যিমানেই সৰু হয় পোৱালীৰ সংখ্যাও সিমানেই বেছি হয়। আনহাতে প্ৰাণীজাত যিমানেই ডাঙৰ হয় পো পোৱালীৰ সংখ্যাও সিমানেই কমি যায়।

নিৰাপত্তাৰ পিনৰ পৰা পৰজীৱি প্ৰাণীসমূহৰ অৱস্থাই আটাইতকৈ দুখ লগা। উদাহৰণ স্বৰূপে আমাৰ খাদ্যনলীত থকা ফিটা পেলু ঘূৰনীয়া পেলু আদিৰ কথাকে ক ব পাৰি। এই পেলুৰ কণীবিলাক এজন মানুহৰ পৰা আন এজন মানুহৰ দেহলৈ পোনে পোনে যাব নোৱাৰে। এই কণীসমূহ শৌচৰ লগত ওলাই পানীৰ লগত মিহলি হ'ব লাগিব আৰু তেনে পানী আন মানুহৰ খাদ্যনলীত সোমাব লাগিব। সেইটো সদায় কেতিয়াও সম্ভৱ নহয়। গতিকে সিহঁতৰ এক মাত্ৰ কৌশল হ'ল—অধিক কণী পৰা। যাতে কোনো এজন লোকৰ দেহত থকা কেইটামান কণী হ লেও আনৰ খাদ্যনলীত প্ৰৱেশ কৰিব পাৰে। একোটা ফিটা পেলুৱে চৌবিশ ঘণ্টা মানৰ ভিতৰত ৭০০ ০০০ টা মান কণী পাৰে।

আকাৰৰ ফালৰ পৰা অক্টোপাচৰ কণীবোৰ বৰ ডাঙৰ নহয়। একোটা কণী সৰু চাউল একোটাৰ আধামানহে হ'ব। কিন্তু সংখ্যাৰ ফালৰ পৰা ভয় লগা। একোটা অক্টোপোচে দুসপ্তাহমানৰ ভিতৰতে ৩ ২৫ ০০০ মান কণী পাৰিব পাৰে। সাগৰত থকা কদ মাছ একোজনীয়ে এবাৰত এক নিযুত মান কণী পাৰে। কিন্তু তাৰ পৰা জগা পোৱালী শেষত বাচি থাকে গৈ কেইটামানহে। একোজনী উইপৰুৱাই দিনে ৮০ ০০০ পৰ্য্যন্ত কণী পাৰে। অইষ্টাৰ নামৰ শামুকজাতৰ মাইকী একোজনীয়েও বছৰত ৬০ নিযুত মান কণী পাৰে। সূৰ্য্যমাছ (Sun fish) নামৰ এজাত মাছে এবাৰতে ৩০০ ০০০ ০০০ টা মান কণী পাৰে। পাছে বেচিভাগেই কণী বা পোৱালী অৱস্থাতে মৃত্যু মুখত পৰে। শেষত হয়তো দুই এটামানহে থাকেগৈ।

গোটেইখিনি পোৱালী জীয়াই থাকিলে আন প্ৰাণীবতো সমস্যা হ'বই, থকা খোৱাৰ অসুবিধাত নিজৰ জাতিটোৰে হয়তো মৃত্যু ঘটিব। সেইদৰে লিং নামৰ মাছজাতে এবাৰত ৬০ ০০০ ০০০ টা আৰু হে'লিবাট নামৰ মাছজাতে এবাৰত ৬ ০০০ ০০০ টা মান কণী পাৰে। আমাৰ ইয়াত পোৱা সাধাৰণ মাছবোৰৰো দেহৰ ভিতৰত থকা কণীৰ থোপাবোৰ দেখিলেই সি হঁতৰ সংখ্যাৰ বিষয়ে ধাৰণা এটা কৰিব পাৰি। আমাৰ ইয়াত পোৱা চুকভেকুলী আৰু পাণীভেকুলী বোৰেও এবাৰত বহুত বহুত কণী পাৰে। পাছে হয় কণী অৱস্থাত আৰু নহয় লালকী অৱস্থাত সিহঁতৰ বেছিভাগেই মাছ সাপ বা আন আন প্ৰাণীৰ মুখত জাহ যাব লগা হয়। শেষত কেইটামানহে গৈ ভেকুলী হয়গৈ।

জলচৰ প্ৰাণীৰ বিপদ বহুত মাছ ভেকুলী আৰু আন দুই এজাত জলচৰ প্ৰাণীৰ অন্য এক সমস্যা হ'ল যে ইহঁতে পানীতেই শুক্ৰকীট আৰু ডিম্ববোৰ পেলাই দিয়ে। গতিকে শুক্ৰকীট আৰু ডিম্বৰ মিলন হোৱাৰ আগতেই সেইবিলাক পানীৰ সোঁতে আঁতৰাই পঠাব পাৰে বা আন জলচৰ প্ৰাণীয়েও খাব পাৰে। গতিকে পানীৰ মাজত ইহঁতৰ মিলন হোৱাটোও কম কথা নহয়। এই বিপদৰ পৰা হাত সাৰিবলৈকে জলচৰ প্ৰাণীসমূহে অসংখ্য কণী পাৰে। কমকৈ কণীপৰা হ'লে হয়তো বহুতো জলচৰ প্ৰাণী ইতিমধ্যে নিঃশেষ হৈ গ'লহেঁতেন।

আনহাতে যিবিলাক মাছে নিজৰ কণীৰ বা পোৱালীৰ যত্ন লব জানে সেই বিলাকে কম কণী পাৰিলেও হয়। তেনে এজাত মাছ হ'ল বুলহেড (Bull head)। নৈ বিল আদিত থকা এই সৰু মাছজাতে কেইকুৰিমান কণীহে পাৰে। কিন্তু ইহঁতে এই কণীখিনি নৈৰ দাঁতিৰ শিলৰ তলত গাঁত খান্দি পুতি থয়। তাতে কণীবিলাক ফুটি অলপ ডাঙৰ নোহোৱা পৰ্যন্ত মতাটোৱে ওচৰতে বৈ ৰখি থাকে। শত্ৰুৰ আক্ৰমণৰ পৰা হাত সাৰি থাকিব পাৰে কাৰণেই ইহঁতৰ বেছি হানি বিঘিনি নহয়।

তিৰোতা সেকৰা মাছ : আঁৰি মাছ জাতীয় (cat fish) দুই এবিধ মাছৰ মতাবোৰে আকৌ নিৰাপত্তাৰ কাৰণে কণীবোৰ মুখৰ ভিতৰত লৈয়েই ঘূৰি ফুৰে। ইহঁতৰ মাইকীবোৰে কণী পৰাৰ সময় হ'লেই মতাবোৰ কাষ চাঁপি আহি ওচৰতে বৈ থাকে। কণীখিনি পৰাৰ লগে লগে মতাবোৰে মুখৰ টোটোলাত কণীখিনি ভৰাই লয়। এনে অৱস্থাত টোটোলাটো বৰ ডাঙৰ হৈ পৰে। কণীখিনি মুখৰ ভিতৰত থকাৰ কাৰণে মতাটোৱে একো খাব বৰ নোৱাৰা হয়। পাছত কণীখিনি ফুটি পোৱালী জগি পানীলৈ ওলাই গ'লেহে সি ৰক্ষা পৰে। তাৰ পাছতো পোৱালীবোৰে খাবলৈ পাইছেনে নাই, কোনোবা শত্ৰুৱে আক্ৰমণ কৰিছেনেকি আদি কথাবোৰ মতাটোৱে বহুতদিনলৈ লক্ষ্য কৰি থাকে।

তিৰোতা সেৰুৱা আন এজাত মাছৰ নাম হ'ল ষ্টিকোলবেক (stickle back)। বসন্ত কালত ইহঁতৰ মতাটোৰ বং ৰঙচুৱা হৈ পৰে। এই সময়ছোৱাতে ইহঁতে পানীৰ মাজত থাগৰি ডাল পাত আদি গোটাই বাঁহ একোটাও সাজে। তাৰ পাছত সি

বগুৰা গাটো দেখুৱাই দেখুৱাই মাইকী একোজনীৰ কাষ চাপে আৰু সি তেওঁৰ কৰা বাঁহটোত কণী পাৰিবলৈ খাটনি ধৰে। তাই কণী পৰাৰ পাছত যদি বাঁহটোত ঠাই থাকে—তেন্তে পুনৰ আন এজনী মাইকীক অনুৰোধ কৰে কণী পাৰিবলৈ। এইদৰে দুই চাৰিজনী মাইকীয়ে কণী পৰাৰ পাছত বাঁহটো কণীৰে ঠাহ খাই পৰে। এতিয়া তাৰ কাম হ'ল—দুৱৰীৰ। বাঁহটোৰ মুখতে ৰখীয়া হিচাবে সি বৈ থাকে। কণী ফুটি পোৱালী জগিলেহে তাৰ কামৰ অন্ত পৰে।

চীনদেশত পেৰেডাইজ মাছ নামেৰে এজাত মাছ আছে। মতাটোৱে মুখেৰে ফুৱাই একোটা বায়ু মোনাৰ সৃষ্টি কৰে আৰু মোনাটোৰ চাৰিওফালে মুখৰ পৰা উলিওৱা এঠাৰে এটা লেপন দিয়ে। মাইকীজনীয়ে এই মোনাটোৰ ভিতৰতে কণী পাৰি থৈ যায়। মতাটোৱে কণীৰ মোনাটো ৰখি থাকে। কণী ফুটি পোৱালী জগিলেহে সি সেই ঠাইৰ পৰা আঁতৰিব পাৰে। ভাৰত মহাসাগৰত থকা এজাত সৰু মাছৰ মাইকীবিলাকে আকৌ কণীবিলাক মালা এধাৰৰ দৰে গাঁঠি মতাটোৰ মূৰতে আঁৰি দিয়ে। মালাধাৰ মূৰত থকাৰ কাৰণে আৰু বিশেষকৈ কণীবোৰে দুখ পাব বুলি ভাবিয়েই বেচেৰাই সাঁতুৰিবও নোৱাৰে। অথচ উপায়ো নাই—তিৰোতাজনীক জানো অসন্তুষ্ট কৰিব পাৰে? কণী ফুটি পোৱালী জগাৰ পাছতহে সি মুকলি মনেৰে সাঁতুৰিব পৰা হয়।

কণীভৰোৱা মোনা সামুদ্রিক ঘোঁৰাৰ (sea horse) পোৱালী তোলাৰ ব্যৱস্থাটোও মন কৰিবলগীয়া। ইহঁতৰ মতাবিলাকৰ পেটৰ ফালে একোটা মোনা থাকে। এই মোনাতে মাইকীজনীয়ে কণী পাৰে। একোবাৰত একোজনী মাইকীয়ে দুশমান কণী পাৰে। কণী পাৰাৰ লগে লগে মাইকীজনীৰ দায়িত্ব শেষ। ইফালে মতাটোৱে পেটৰ ফালে থকা মোনাত কণীবিলাক আলফুলকৈ লৈ ফুৰে। মোনাৰ ভিতৰতে কণীফুটি পোৱালী জগে। পোৱালীবিলাকো কিছুদিন বাপেকৰ মোনাৰ ভিতৰতে থাকে। পাছত নিজে খুটি খাব পৰা হ'লেহে মোনাৰ পৰা বাহিৰ ওলাই আহে। তাৰ পাছতো কেইদিনমানলৈ মতাটোৱে পোৱালীবিলাকৰ নিৰাপত্তা খাদ্য আদিৰ ওপৰত চকু ৰাখে।

মুখৰ ভিতৰত কণী লৈ ফুৰা এজাত কাবৈ মাছো আছে। এই কাবৈ মাছ জাত পূব আফ্রিকাত পোৱা যায়। ইহঁতৰ মাইকীবোৰে কণীবিলাক নজগা পৰ্য্যন্ত মুখৰ ভিতৰতে লৈ ফুৰে। কণীপৰাৰ দহৰ পৰা পোন্ধৰদিন মানৰ ভিতৰত পোৱালী জগে। অৰ্থাৎ এই কেইদিন মাইকীজনীয়ে একো খাব ব'ব নোৱাৰে। জগাৰ পাছত পোৱালীবিলাক মুখৰ পৰা ওলাই যায়। অৱশ্যে কোনোবা ভয় খালে দৌৰি আহি পুনৰ মাকৰ মুখত সোমায়হি। কণী বা পোৱালীবিলাকৰ প্ৰতি থকা মাক বাপেকৰ এনে অত্যাধিক মৰমৰ আঁৰত এক উদ্দেশ্যও নথকা নহয়। প্ৰাণী সমাজত কণী বা পোৱালীবিলাকৰ বেছিভাগৰে বিভিন্ন কাৰণত মৃত্যু হয়। গতিকে প্ৰজাতি একোটা জীয়াই ৰাখিবৰ কাৰণে কণী বা পোৱালীৰ যত্ন লোৱাটো আৱশ্যকেই হৈ পৰে।

ভেকুলীৰ পুত্ৰ স্নেহ : আমাৰ ইয়াত পোৱা চুক ভেকুলী পানী ভেকুলী পাট বেং আদি ভেকুলীয়ে কণী পৰাৰ পাছত সিবিলাকৰ আৰ কোনো খবৰ নাৰাখে। কিন্তু আন আন দেশত কণী আৰ পোৱালীৰ যত্ন লোৱা ভেকুলীও আছে। আমেৰিকাৰ পাইপা (pipa) আৰ ব্ৰাজিলৰ গছত বগোৱা ভেকুলী দ'জাতে তেনেই কম সংখ্যক কণীহে পাৰে। কিন্তু সি হতৰ মাইকীবোৰে পিঠিত মোনা তৈয়াৰ কৰি কণীবিলাক তাতে স ম ৱাই লৈ ফুৰে আৰ সেই কাৰণে হানি বিঘিনি খ'ব কমেই হে হয়।

ইউৰোপত এজাত ভেকুলী আছে। নাম ধাই ভেকুলী। ধাই ব'লিলে সাধাৰণতে তিৰোতাকহে ব জায় যদিও ইহ তৰ ক্ষেত্ৰত কিন্তু মতাবোৰেহে ধাইৰ কাম কৰে। মাইকীজনীয়ে মাত্ৰ কণীখিনিহে শাৰী শাৰীকৈ পাৰে। কণী পৰা শেষ হ লেই মাইকীজনীৰ কাম শেষ। মতাটোৱে কণীৰ শাৰীবিলাক ঠেং আৰ উৰ অংশৰ চাৰিওফালে মেৰিয়াই নিৰ্জন গাঁত এটাত সোমাই থাকে। কণীফুটি পোৱালী জগিলেহে মতাটোৱে দায়িত্বৰ পৰা হাত সাৰে। এই ভেকুলীজাতৰ আচল নাম এলাইটিচ (Alytes)। ফ্ৰান্স চুইজাৰলেণ্ড বেলজিয়াম পশ্চিম জাৰ্মেনী স্পেইন পত্ত, গাল আদি ইউৰোপৰ বিভিন্ন দেশত এই ভেকুলীজাত দেখা যায়। আৰ্জেন্টিনাৰ এজাত ভেকুলীৰ মতাটোৱে আকৌ কণী আৰ সৰ লাল'কীবোৰ ম'খৰ ভিতৰৰ স্বৰস্থলী (vocal sae) টোতে কঢ়িয়াই লৈ ফুৰে।

দক্ষিণ আমেৰিকাৰ ৰাইন দাৰ্মা (Rhino derma) নামৰ আন এজাত ভেকুলীৰো কাৰ্য কলাপ দেখিলে তবধ মানিব লাগে। ইহ তৰ মতাটোৱে ম'খত থকা মোনা অৰ্থাৎ স্বৰস্থলীত (vocal sae) কণীবোৰ স ম'ৱাই লয়। লাল'কী নোহোৱা পৰ্য্যন্ত কণীবোৰ ম'খৰ ভিতৰতে লৈ ফুৰে। আচৰিত কথা ইহ তে এই সময়ছোৱাত একোকে নাখায়।

গেষ্ট্ৰথিকা (Gastrotheca) নামৰ ভেকুলীজাতৰ আকৌ মাইকীজনীৰ পিঠিতে মোনা এটা থাকে। কণীবোৰ তাতে ভৰাই শত্ৰ ৰ পৰা ৰক্ষা কৰি থাকে। পিঠিত কণী কঢ়িয়াই লৈ ফুৰা চুৰিনাম (Surinam) নামৰ আন এজাত ভেকুলীও আছে। ইহ'তৰ মাইকীবোৰৰ পিঠিৰ কোমল ছালখনত কিছ্‌মান সৰু সৰু মোনা থাকে। মতাটোৱে প্ৰতিটো মোনাতে একোটাকৈ কণী ভৰাই দিয়ে। একোজনী মাইকীভেকুলীৰ পিঠিত এনে মোনা ৬০/৭০ টা মান থাকে। এই মোনাৰ ভিতৰতে কণী ফুটি পোৱালীও ওলায়। আনকি কিছুদিন পোৱালীবিলাক এই মোনাৰ ভিতৰতে সোমায়ে থাকে। ইকথায়ফিচ (Ichthyophis) নামৰ এজাত উভচৰ আছে। ইহ তে অজগৰৰ দৰে গাটো মেৰিয়াই মেৰটোৰ ভিতৰতে কণীখিনি থৈ দিয়ে।

প্ৰাণীজগতত পিতৃ মাতৃয়ে পো-পোৱালীৰ বৰ্চকৈ যত্ন লোৱা মানেই বুজিব লাগে যে সি'হতৰ সতি সন্ততিৰ সংখ্যা কম। এজাত শামুকে কেৱল বাৰটা মানহে পোৱালী

দিয়ে কিন্তু সেই পোৱালী কেইটাকে খোলাটোৰ ভিতৰত ইমান বস্তুকৈ ৰাখে যে শত্ৰু ওচৰ চাপিবই নোৱাৰে। আনহাতে অইণ্টাৰ লিম্পলেট আদি কিছুমান জাতৰ শামুকে সাগৰত হাজাৰ হাজাৰ কণী পাৰে। অথচ শেষত কেইটামানহে জীয়াই থাকে গৈ।

পুৰুষ আৰু স্ত্ৰী জননাংগ একেটা প্ৰাণীতো থাকে • সকলো প্ৰাণীৰ পুৰুষ আৰু স্ত্ৰীযে বেলেগ সিও নহয়। কেচু আৰু কিছুমান জাতৰ শামুক ৰ মতা মাইকী বিচাৰিবলৈ গলে আপনি বিপদতেই পৰিব। ই হতৰ পুৰুষ আৰু স্ত্ৰী জননাংগ সমূহ একেটা প্ৰাণীতে থাকে। অথাৎ একেটা প্ৰাণীয়েই শুক্ৰকীট আৰু ডিম্ব—দুয়োবিধ তৈয়াৰ কৰে। সেইকাৰণেই এনে ধৰণৰ প্ৰাণীসমূহক উভয়লিংগী বোলা হয়। আচৰিত কথা ইহতৰো কিন্তু একেটা প্ৰাণীৰে শুক্ৰকীট আৰু ডিম্বৰ মিলন নহয। প্ৰজননৰ সময়ত প্ৰাণীটোৱে হয় পুৰুষ বা নহয় স্ত্ৰীৰ দৰেহে সংগম কাৰ্য্যত ভাগ লয়। গতিকে ইহঁতেও পো পোৱালী জগাবলৈ যোৰ পাতিব লগা হয়।

বহুতো ঠাৰি পোক (Stick insect) আৰু এফিদ (Aphid) জাতীয় পতংগৰ ক্ষেত্ৰত ডিম্ব আৰু শুক্ৰকীটৰ মিলন নোহোৱাকৈ ডিম্বৰ পৰাই পোনে পোনে পোৱালীৰ জন্ম হয়। ইহতৰ ক্ষেত্ৰত পুৰুষ পতংগ নাথাকেই আৰু থাকিলেও কাচিতহে থাকে। ইহতৰ সমাজত তিৰোতাসকলেই সৰ্বেসৰ্বা। আন কামতো অকলে কৰেই পুৰুষৰ সংস্পৰ্শলৈ নহাকৈ পো পোৱালীৰো জন্ম দিয়ে। মৌ মাখিৰ মতা আৰু মাইকী পোৱালী সৃষ্টি কৰাৰ কৌশলো মন কৰিবলগীয়া। মতাটোৱে তাৰ শুক্ৰকীটেৰে যিবিলাক কণী নিষিক্ত (fertilize) কৰে সেইবিলাক কণীৰ পৰা মাইকী মৌৰ সৃষ্টি হয়। আনহাতে মতাটোৱে কিছুমান কণী নিষিক্ত নকৰে আৰু সেইবিলাকৰ পৰা মতা মৌৰ সৃষ্টি হয়।

সাগৰত বনেলিয়া (Bonelia) নামৰ এজাত সৰু পোক থাকে। ইহতৰ মাইকীজনীৰ তুলনাত মতাটো তেনেই ক্ষুদ্ৰ। ইমানেই ক্ষুদ্ৰ যে মতাটো মাইকীজনীৰ গৰ্ভাশয়ৰ ভিতৰতে সোমাই থাকে আৰু তাতেই পৰজীৱী হিচাবে বাস কৰে। মতাটো গৰ্ভাশয়ৰ ভিতৰতে থকাৰ কাৰণে শুক্ৰকীট আৰু ডিম্বৰ মিলনো সহজ হৈ পৰে। পাছে ইহঁতৰো মতা আৰু মাইকী পোৱালী সৃষ্টি কৰাৰ কৌশল অভিনৱ। যিবিলাক কণী মাইকী একোজনীৰ ওচৰত থাকে সেইবিলাক কণীৰ পৰা মতা বনেলিয়াৰ সৃষ্টি হয় আৰু সেই মতাবোৰ মাইকীজনীৰ মুখেদি সোমাই গৈ গৰ্ভাশয়ত স্থিত লয়গৈ। আনহাতে যিবিলাক কণী সাগৰৰ ঢৌৱে উটুৱাই নি সিচঁৰিত কৰি পেলায় সেইবিলাকৰ পৰা মাইকী বনেলিয়াৰ সৃষ্টি হয়।

ঘঁৰিয়ালৰ আকৌ কণীবিলাক পৰা ঠাই ডোখৰৰ উত্তাপ কিমান—তাৰ ওপৰতহে পোৱালীবিলাক মতা হ'ব নে মাইকী হ'ব নিৰ্ভৰ কৰে। কৃত্ৰিমভাবে উমণি দি দেখা গৈছে যে উমণি দিয়াৰ দ্বিতীয় বা তৃতীয় সপ্তাহত যদি ৮৬ ফাৰেনহাইট বা তাতকৈ

কম উত্তাপত ৰখা হয় তেন্তে সেই কণীৰ পৰা কেৱল মাইকী পোৱালীহে জগে। আকৌ যদি সেই উষ্ণতা ৯৪° ফাৰেনহাইটৰ ওপৰলৈ নিয়া হয় তেন্তে সকলো পোৱালীয়েই মতা হয়। বেচি উত্তাপে প্ৰকৃততে কুহুমৰ বিপাক কাৰ্য্য বেচি খৰকৈ কৰে আৰু সেয়ে সম্ভৱ মাইকী পোৱালীৰ সৃষ্টি নহয়। গতিকে ঘৰিয়ালে যেতিয়া চেচা চেচুকীয়া আৰু সেমেকা ঠাইত কণী পাৰে তেতিয়া তাৰ পৰা ওলোৱা পোৱালীবিলাক মাইকী হয়। আনহাতে নৈৰ শুকান বা ৰদ পৰা ঠাইত কণী পাৰিলে তাৰ পৰা জগা পোৱালীবিলাক মতা হয়।

এন্দুৰ নিগণিৰ জনসংখ্যাও কম নহয় এযোৰা এন্দুৰৰ সতি সন্ততি যদি নমৰাকৈ ভালদৰে পোহা হয় দহবছৰৰ ভিতৰত সিহঁতৰ সংখ্যা হ’বগৈ ৭০ ০০০ ০০০। ভাৰতত মানুহৰ জনসংখ্যা যিমান এন্দুৰৰ সংখ্যা তাৰ প্ৰায় দহগুণ। নিগণিৰ সংখ্যাও এন্দুৰতকৈ কম নহয়। নিগণি একোটাই ডেৰ মাহ মান বয়সতে যোৰ পাতিবলৈ লয়। আনহাতে হাতীয়ে আকৌ পচিশবছৰ মান বয়সতহে যৌৱনত ভৰি দিয়ে। হাতীয়ে যাঠীবছৰ মান বয়সলৈকে পোৱালী জগায়েই থাকিব পাৰে। আনহাতে নিগণি একোটা কেইবছৰ মান জীয়াই থকাই টান। ইজিপ্তৰ কাইটিয়া নিগণি এজাতে প্ৰতি তিনিসপ্তাহৰ মূৰে মূৰে পোৱালী জগায়। হিচাব কৰি দেখা গৈছে যে সেই নিগণিজাতৰ প্ৰত্যেকটোৱেই যদি পূৰ্ণ আয়ুস পায় এবছৰ মানৰ ভিতৰত গোটেই পৃথিৱীখন কেৱল সিহঁতক থাকিবলৈহে জুৰিব।

মাদাগাস্কাৰত টেনেৰিক (Teneric) নামৰ এজাত পতংগভোজী জন্তু আছে। ইহঁতে একেবাৰতেই হেনো কুৰিটাতকৈও অধিক পোৱালী দিয়ে। কুকুৰ ভেৰা ছাগলী জেব্ৰা বনৰীয়া গাধ হৰিণ কৃষ্ণসাৰ আদিয়েও বছৰি একো বাহঁকৈ কেইবাবছৰো পোৱালী জগাই থাকে। জিৰাফ হিপোপটেমাচ আদি জন্তু মূলতে বনৰীয়া যদিও পোহনীয়া অৱস্থাতো পোৱালী জগাব পাৰে।

প্ৰাণীসমাজত এনে প্ৰাণীও অনেক আছে যাৰ কেঁচুৱাৰ চেহেৰাৰ লগত পিতৃ মাতৃৰ চেহেৰাৰ মিল নাই। কণী পলু বা লেটা এটা দেখিলে তাৰ পৰা যে পতংগৰ উৎপত্তি হ’ব পাৰে—ভাবিবলৈকে টান লাগে। ভেকুলীৰ লালুকীৰ ক্ষেত্ৰতো সেই একেই কথা। বৰাগাহৰি আৰু টাপিৰৰ পোৱালীবিলাকৰ গাত দীঘল দীঘল নোমৰ একোটা আৱৰণ থাকে। অথচ ডাঙৰ হোৱাৰ লগে লগে সেই আৱৰণ নাইকিয়া হৈ পৰে। সিংহৰ পোৱালীবিলাকৰ গাত ফুট ফুটীয়া দাগ আৰু আঁচ থাকে অথচ ডাঙৰ হ’লে সেইবোৰৰ কোনো চিন চাবেই নাথাকে। হাতী পোৱালীবিলাকৰ গাটো ভাঠ নোমেৰে ঢাক খাই থাকে আৰু শুড়ডালো বেনেই চুটি হৈয়েই থাকে। কিন্তু ডাঙৰ হোৱাৰ লগে লগে নোমবোৰ কমি যায় আৰু শুড়ডালো দীঘল হৈ পৰে।

চৰাইৰ শিশুস্নেহ : বাহ সাজি কণীটো আলফুলকৈ ধোৱাবে পৰা পোৱালীক খুওৱা বুওৱা ডাঙৰ দীঘল কৰাৰ সকলো দায়িত্ব চৰাইৰ মাক বাপেক হালে লোৱা

সোঁশলে আচৰিত হ'ব লাগে। উই চৰাই' বিন্না, টোকোৰা আদি বহুতো চৰাইৰ ক্ষেত্ৰত মতাবোৰে মাইকীজনীয়ে কণী পৰাৰ আগতেই বাঁহবোৰ তৈয়াৰ কৰি লয়। কিছুমান চৰাইৰ ক্ষেত্ৰত অৱশ্যে মাইকীজনীয়েই বাঁহটো সাজি ল'ব লগাত পৰে।

পেংগুইন নামৰ চৰাইজাতৰ কণা উমণি দিয়াৰ ব্যৱস্থাটোও কৌতূহলপূৰ্ণ। ইহঁতৰ মতা মাইকী হালেই কণী উমণি দিয়া আৰু পোৱালী তোলাত সমানে ভাগ লয়। কণী পৰাৰ সময়ত ইহঁতে ঠেং দুখন ওচৰা ওচৰিকৈ থৈ বহি থকাদি থাকে। ইহঁতৰ ঠেংৰ পতা কেইখন হাঁহৰ পতাৰ দৰে। এবাৰত এটা বা দুটাহে কণী পাৰে। ইহঁত যিহেতু শীত প্ৰধান অঞ্চলৰ চৰাই গতিকে উমণি দিওঁতে মাক বাপেকে যথেষ্ট সাৱধান ল'ব লাগে। কণীকেইটা ভৰিৰ পতাৰ ওপৰতে থৈ মাক বা বাপেকে পেটৰ ফালে থকা পাখি খিনিৰে আলফুলকৈ হেঁচা মাৰি ধৰে। ঠেংৰ পতাত থোৱাৰ কাৰণে এহাতে মাটিৰ ঠাণ্ডাৰ পৰা ৰক্ষা পৰে আৰু আনহাতে সেই অৱস্থাতে পেটৰ নোমখিনিৰে হেঁচা মাৰি ধৰিবলৈও সুবিধা হয়।

কণী পৰাৰ সময়ত মতা মাইকীহাল মুখা মুখিকৈ তেনেই ওচৰা ওচৰিকৈ বহি থাকে। মাইকীজনীয়ে পতাত কণী লৈ থাকি আমণি পালে ঠেং দুখন খুব সাৱধানে দাঙি কণীকেইটা মতাটোৰ ঠেংৰ পতালৈ দলিয়াই দিয়ে। মতাটোৱেও তেনেকৈ আমণি পালে কণী কেইটা মাইকীজনীক দিয়ে। কাৰণ পতাত কণী লৈ থকা অৱস্থাত পেংগুইনে কেনিও ইফালে সিফালে যাব নোৱাৰে। সেয়ে পোৱালীক খুওৱা বুওৱা লালন পালন কৰা আদি কাম মতা মাইকীহালে সলনা সলনিকৈ কৰি থাকে।

ৰজা পেংগুইন জাতৰ ক্ষেত্ৰত অৱশ্যে মতাটোৱেহে বেচি লেদেনা উৰ্কাটিব লগাত পৰে। অৱশ্যে প্ৰথম অৱস্থাত ইহঁতৰো মাইকীজনীয়েই কণীকেইটা বুকুৰ মাজত সুমুৱাই উমণি দি থাকে। কিন্তু ভোক লাগিলে বা আমণি লাগিলে তাই চিঁঞৰত পগণ ফালে। তিৰোতাজনীৰ কৰুণ আৰ্ত্তনাদ সহিব নোৱাৰি মতাটো কাষ চাপি আহে। এই সুযোগতে মাইকীজনীয়ে কণীকেইটা মতাটোৰ বুক ৰফালে সুমুৱাই থৈ থিতাতে অন্তৰ্দ্ধান হয়। মতাটো নিৰুপায়ত পৰে আৰু পোৱালী নজগা পৰ্য্যন্ত নাখাই নবৈ উমণি দিয়েই থাকিব লগাত পৰে। ভাটৌৰ উমণি দিয়াৰ পদ্ধতিও অভিনব। মতাটোৱে গোটেই দিনটো কণী কেইটাৰ ওপৰত বহি উমণি দি থাকে। সন্ধ্যা মাইকীজনী বাঁহলৈ ঘূৰি অহাৰ পাছতহে কণীকেইটা মাইকীজনীক চমজাই খন্তেক বিশ্ৰাম ল'ব পাৰে। উমণি দিয়াৰ সময়ত ধনেশৰ মতা মাইকী হালে কামৰ ভাগ বতৰা কৰি লয়। মাইকীজনীয়ে বাঁহৰ ভিতৰত সোমাই কণী উমণি দিয়া আৰু পোৱালী লালন পালন কৰাত ব্যস্ত হৈ থাকে। আনহাতে মতাটোৱে মাইকী আৰু পোৱালী উভয়কে বাহিৰৰ পৰা খাদ্য যোগাই থাকে।

আন প্ৰাণীৰ তুলনাত সৰীসৃপ বিলাক পো পোৱালীৰ প্ৰতি বেচি উদাসীন। ইহঁতে কণী পৰাৰ পাছত পোৱালী জগিছেনে নাই খাবলৈ পাইছেনে নাই বা শত্ৰুৱেই আক্ৰমণ কৰিছেনেকি—আদি একো কথাৰে খবৰ নাৰাখে। বহুতো মাকে

কণীকেইটা বালিত পুতি থৈছেই মাকব দায়িত্বৰ পৰা গা এৰা দিয়ে। ঘৰিয়াল আৰু অজগৰ অৱশ্যে তাৰ ব্যতিক্রম। ঘৰিয়ালেও বালিতে কণী পাৰে কিন্তু কণীকেইটা ফুটি পোৱালী নজগে মানে সেই ঠাইৰ পৰা নাতৰে। অজগৰে আকৌ গাটো মেৰিয়াই কণী কেইটা উমণিকে দিয়ে। এনেকৈ প্রায় তিনিমাহমান উমণি দিয়াৰ পাছতহে পোৱালী জগে। অর্থাৎ তিনি মাহ কাল মাকজনী কোনিও লৰচৰ কৰিব নোৱাৰে। পোৱালী কেইটা মেৰৰ মাজৰ পৰা ওলাই গ লেহে মাকজনী ৰক্ষা পৰে। পিতৃ মাতৃৰ আলপৈচান কম কাৰণেই সৰীসৃপৰ পোৱালীবিলাক জন্ম হৈয়েই স্বাৱলম্বী হ ব লগাত পৰে। অৱশ্যে শত্রুৱে আক্রমণ কৰিব খুজিলে দুই এদিনলৈ মাক বাপেকে পোৱালী বিলাকক ৰক্ষা নকৰা নহয়।

চিত্র নং—১৬

[ধনেশ চৰাইৰ সাংসাৰিক জীৱন বৰ কৌতূহলজনক। বাঁহ তৈয়াৰ কৰা আৰু পোৱালী তোলাত মতা মাইকী হালেই সমানে ভাগ লয় মানুহৰ অত্যাচাৰৰ কাৰণেই এই চৰাইজাতৰ সংখ্যাও দিনক দিনে কমি আহিছে।]

কণী পৰা স্তন্যপায়ী

স্তন্যপায়ী প্রাণীয়ে সাধাৰণতে পোৱালীহে জগায় যদিও দুই এজাতে কণীও পাৰে। কণীপৰা স্তন্যপায়ী প্রাণীসমূহ মনট্রিমাটা (Monotremata) বর্গৰ অন্তর্গত। ইহঁতৰ ভিতৰত দুজাত প্রাণীয়েই উল্লেখযোগ্য। এজাত হ ল ডাক বিল্ড প্লেটিপাচ (Duck billed platypus) আৰু আনজাত হ ল স্পাইনি এণ্টইটাৰ (Spiny ant eater)। পাছৰ জাতক এঁকিদনা বুলিও কোৱা হয়। এই প্রাণী দুজাতে কণী পাৰে যদিও আন স্তন্যপায়ীৰ দৰে পোৱালীৰ যতন লয় আৰু স্তনৰ গাখীৰো খুৱায়।

মনট্রিমাটাতকৈ উন্নত স্তন্যপায়ী প্রাণীজাত হ'ল মাৰ্চুপিয়েল (Marsupial)।

কাংগাৰু ক'ৱালা আদি প্ৰাণী এই শ্ৰেণীত পৰে। ইহঁতৰ পোৱালী বিলাক সম্পূৰ্ণ পৈণত হোৱাৰ আগতেই জন্ম হয় আৰু খন্তেক পাছতে বগাই মেলি মাকৰ পেটৰফালে ওলমি থকা মোনা এটাত সোমায়গৈ। মাচু পিয়েলৰ অৰ্থই হ'ল পেটৰ ফালে মোনা থকা প্ৰাণী। মোনাটোৰ ভিতৰতে মাকৰ স্তনো থাকে। গতিকে মোনাৰ ভিতৰত থাকিয়েই পোৱালীটোৱে অনায়েসে মাকৰ গাখীৰ খাব পাৰে। পাছত স্বাৱলম্বী হলেহে পোৱালীটো মাকৰ মোনাৰ পৰা ওলাই আহে।

আন প্ৰাণীৰ তুলনাত স্তন্যপায়ী প্ৰাণীৰ পো পোৱালীৰ ক্ষেত্ৰতে মাকবাপেকৰ তদাৰক আটাইতকৈ বেচি। মেকুৰী ভালুক আদিৰ মাকবোৰে নিজৰ দুৰ্বল বা ৰুগীয়া পোৱালী মুখেৰে কামুৰিয়েই এঠাইৰ পৰা আন ঠাইলৈ নিয়ে। বান্দৰ কুবালা আদিয়ে পোৱালীবিলাক পিঠিত উঠায়েই ঘূৰি ফুৰে। বহুতো স্তন্যপায়ী প্ৰাণীয়ে পো পোৱালীক খাদ্য আহৰণৰ শিক্ষাও দিয়ে।

প্ৰাণীৰ অনুকূলন

জীয়াই থকাৰ মোহ ডাঙৰ। উদ্ভিদেই হওক বা প্ৰাণীয়েই হওক সকলোৱেই ভালকৈ থাকিবলৈ আৰু ভালকৈ খাবলৈ আশা কৰে। কাৰোবাৰ আশা পূৰ্ণ হয় আৰু কাৰোবাৰ আশা ভঙ্গ হয়। আশা পূৰ্ণ হোৱা জনৰো বাটত অনেক বাধা থাকে। এই বাধাসমূহ অতিক্ৰম কৰিব পাৰিলেহে জীৱন সুন্দৰ হয়। এই বাধা আঁতৰোৱাতে সহায় কৰে প্ৰকৃতিয়েও। উদ্ভিদ আৰু প্ৰাণী মাত্ৰেই প্ৰকৃতিৰ সন্তান। সন্তানক লালন পালন কৰা আৰু শত্ৰুৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব মাকৰ। সেয়েহে প্ৰকৃতিয়েও মাকৰ দায়িত্বৰ পৰা হাত সাৰিব নোৱাৰে। মানুহ যি অৰ্থত সামাজিক প্ৰাণী সেই একে অৰ্থতে উদ্ভিদ আৰু প্ৰাণীও সামাজিক জীৱ। সমাজক বাদ দি সিহঁত অস্তিত্ববিহীন। একোজোপা উদ্ভিদ বা একোটা প্ৰাণীয়ে জন্ম হৈয়েই সন্মুখীন হ'ব লগা হয় কিছুমান সমস্যাৰ। থকা মেলাৰ সমস্যা খোৱা বোৱাৰ সমস্যা জলবায়ুৰ লগত খাপ খোৱাৰ সমস্যা আৰু শত্ৰুৰ পৰা বাচি থকাৰ সমস্যা। এই সমস্যাসমূহ সমাধান কৰিব পাৰিলেই উদ্ভিদ বা প্ৰাণী ৰক্ষা পৰে আৰু নোৱাৰিলেই মৰণ। পাছে সেই সমস্যাসমূহ সমাধান কৰাৰ ব্যৱস্থাও সিহঁতক প্ৰকৃতিয়েই কৰি দিছে। পৰিবেশৰ লগত উদ্ভিদ বা প্ৰাণীৰ ক্ৰিয়া নিতৌ হ'বই লাগিছে। সকলো জীৱই এই ক্ৰিয়া প্ৰতিক্ৰিয়াৰ মাজেদিয়েই জীৱন অতিবাহিত কৰিব লগাত পৰিছে।

অনুকূলন নো কি? পৰিবেশ বুলিলে ইয়াৰ ভিতৰত বহুতো কথাই সোমাই পৰে। খাদ্য উত্তাপ অক্সিজেনৰ পৰিমাণ বায়ুত থকা জলীয় বাষ্প বায়ুৰ চাপ বৰষুণৰ পৰিমাণ পোহৰ অন্যান্য উদ্ভিদ বা প্ৰাণী আৰু থকাৰ ব্যৱস্থা আদিয়েই প্ৰধান। উদ্ভিদ বা প্ৰাণীয়ে এই অৱস্থা সমূহৰ লগত খাপ খাব পৰা ব্যৱস্থাকে অনুকূলন বা অভিযোজন বুলি কোৱা হয়। একোটা প্ৰাণীয়ে একোটা নিৰ্দিষ্ট পৰিবেশত খাপ খাই থাকিবলৈ হ'লে সেই পৰিবেশৰ উপযোগীকৈ গঠিত হ'ব লাগিব তাৰ শৰীৰ অনুকূল হ'ব লাগিব তাৰ শাৰীৰিক ক্ৰিয়া প্ৰতিক্ৰিয়া। প্ৰাণীটোৰ স্বভাৱ আৰু খোৱা থকাৰ অভ্যাসবোৰেও তাত বিধি পথালি দিব নালাগিব। এইখিনি হ'লেহে সেই প্ৰাণীটোক সেই পৰিবেশৰ উপযুক্ত প্ৰাণী বুলি ক'ব পৰা যাব।

বিভিন্ন প্ৰাণীৰ পৰিবেশ বিভিন্ন। কোনোৱে পাহাৰৰ ওপৰত কোনোৱে সমভূমিত কোনোৱে মৰুভূমিত কোনোৱে সাগৰত কোনোৱে মাটিত কোনোৱে, পানীত কোনোৱে হাবিৰ মাজত আৰু কোনোৱে হিমশিলত থাকিহে ভাল পায়।

কোনোটো গাঁতত কোনোটো গছত কোনোটো পাতত কোনোটো আকাশত কোনোটো মাটিৰ ওপৰত আৰু কোনোটো মাটিৰ তলত থাকে। কোনোৱে খোজ কাঢ়ে কোনোৱে বগায় কোনোৱে সাঁতোৰে আৰু কোনোৱে উৰে। কোনোটো তৃণভোজী কোনোটো মাংসভোজী কোনোটো সৰ্বভোজী কোনোটো ফলাহাৰী আৰু কোনোটো পৰভোজী। মুঠতে ভিন ভিন পৰিবেশত ভিন ভিন প্ৰাণীৰ স্বভাৱো বিভিন্ন। বিচিত্ৰ শাৰীৰিক গঠন স্বভাৱ আৰু দেহভঙ্গীমাৰে আমাৰ চকুত চমক লগোৱা প্ৰাণী সমাজৰ বৈচিত্ৰতাৰ গুৰিতেই হ'ল পৰিবেশ।



চিত্ৰ নং—১৭

[দেখাত ফিটা এডালৰ দৰে দেখি কাৰণেই ইহঁতক ফিটা পেলু বোলা হয়। মানুহ আৰু গাহৰিৰ দেহত থাকে। ফিটাপেলুৰ গোটেই গাটোত চাৰি শতকৈও অধিক খণ্ড থাকে। প্ৰতিটো খণ্ডতে বেলেগ বেলেগ জননাংগ থাকে। গতিকে প্ৰতিটো খণ্ডৰ পৰাই অসংখ্য কণীৰ সৃষ্টি হ'ব পাৰে। পৰজীৱি হিচাপে বাস কৰাৰ কাৰণে ইহঁতৰ বহুতো অংগ প্ৰত্যংগ নাথাকে।]

পৰজীৱি প্ৰাণীয়ে বহুতো পোৱালীৰ জন্ম দিয়ে খাদ্য আহৰণৰ পিনৰ পৰা প্ৰাণী মূলতে দুবিধ—পৰজীৱি আৰু মুক্তজীৱি। যি আন প্ৰাণীৰ দেহৰ পৰা খাদ্য আহৰণ কৰি জীয়াই থাকে সিয়েই পৰজীৱি। আনহাতে যি নিজে নিজেই প্ৰকৃতিৰ বুকুৰ পৰা খাদ্য আহৰণ কৰি লয় সিয়েই মুক্তজীৱি। পৰজীৱিও আকৌ দুবিধ। এবিধ পোষকৰ (Host) দেহৰ ভিতৰত থাকে আৰু আনবিধ পোষকৰ দেহৰ বাহিৰত থাকে। মেলেৰিয়া টাইফয়েদ কলেৰা আদি বিভিন্ন ৰোগৰ জীৱাণু ফিটা পেলু ঘূৰনীয়া পেলু হাঁকোটা পেলু যকৃত কৃমি আদি পোষকৰ দেহৰ ভিতৰত থাকে। মহ ডাঁহ উকুহ ওকণি আদি বহিঃ পৰজীৱি। কাৰণ ইহঁতে শৰীৰৰ বাহিৰৰ পৰাই নিজৰ খাদ্য বস্তু শোষণ কৰি লয়।

আন প্ৰাণীৰ দেহৰ ভিতৰত থকাৰ কাৰণে অন্তঃ পৰজীৱি প্ৰাণীসমূহৰ লাভ লোকচান দুয়োটাই হয়। ইহঁতে বিনাপৰিশ্ৰমতে খাবলৈ পায় আৰু পায় নিৰাপত্তা। কিন্তু পোষক প্ৰাণীটো মৰাৰ লগে লগে ইহঁতৰো মৃত্যু হয়। দ্বিতীয়তে প্ৰয়োজনীয় অংগ প্ৰত্যংগ নথকাৰ কাৰণে মুক্ত জীৱন যাপন কৰিবলৈও অসমৰ্থ হয়। আনৰ দেহৰ ভিতৰত থকাৰ কাৰণে ইহঁতৰ কিছুমান কামৰ প্ৰয়োজন নোহোৱা হয়। যেনে লৰচৰ কৰাৰ দৰকাৰ নকৰে, খাদ্য হজম নকৰিলেও হয় দৃষ্টি ঘ্ৰাণ শ্ৰৱণ স্বাদ আদি শক্তিৰো প্ৰয়োজন নোহোৱা হয়। ফল স্বৰূপে ইহঁতৰ

ঠেং ভৰি নাথাকে খাদ্য হজম কৰা গ্ৰন্থি নাথাকে আৰু নাথাকে চকু কাণ নাক জিবা ইত্যাদি। আনহাতে ইহঁতৰ প্ৰজনন ক্ষমতা কিন্তু অদ্ভুত। এনে অন্তঃ পৰজীৱি একোটা প্ৰাণীয়ে একেবাৰতে বহু তো পোৱালি ৰ জন্ম দিব পাৰে। তাৰো এক কাৰণ আছে। এটা পোষকৰ পৰা আন এটা পোষকলৈ যাওঁতে ইহঁতে অনেক বাধা বিঘিনি অতিক্ৰম কৰিব লগা হয়। গতিকে বেচিভাগ কণী বা পোৱালীৰেই মৃত্যু হয়। গতিকে প্ৰজাতিটোক জীয়াই ৰাখিবৰ কাৰণেই অধিক সংখ্যক কণী বা পোৱালীৰেই মৃত্যু হয়। গতিকে প্ৰজাতিটোক জীয়াই ৰাখিবৰ কাৰণেই অধিক সংখ্যক কণী পাৰিব লগা হয়। ইও জীয়াই থকাৰে এক ব্যৱস্থা। কেৱল পৰজীৱি প্ৰাণীয়েই নহয় আন বহুতো নিৰাপত্তা নথকা প্ৰাণীয়েও অধিক সংখ্যক কণী পাৰে বা পোৱালী জগায়। ইয়াৰ অৰ্থ হ'ল—বেচিভাগ কণী বা পোৱালীয়েই যদি মৃত্যুও বৰণ কৰিব লগাত পৰে তথাপি শেষত কেইটামান জীয়াই থাকিবগৈ।

[কোনে কিমান কণী পাৰে ? একোটা ফিটা পেলুৱে চৌবিশ ঘন্টাৰ ভিতৰত ৭০০০০০ টা মান কণী পাৰে। প্ৰতিটো অইষ্টাৰ নামৰ শামুকে বছৰত এক নিযুততকৈও অধিক কণী পাৰে কিন্ত তাৰ পৰা জগা পোৱালী শেষত বাচি থাকেগৈ দুটা মানহে। আকাৰৰ ফালৰ পৰা অক্টোপাচৰ কণীবোৰ বৰ ডাঙৰ নহয়। একোটা কণী চাউল একোটাৰ আধা মানহে হব। কিন্ত সংখ্যাৰ পিনৰ পৰা ভয় লগা। একোটা অক্টোপাচে দু সপ্তাহ মানৰ ভিতৰতে ৩২৫০০০ টা মান কণী পাৰে। কদমাছে একোবাৰত এক নিযুতমান কণী পাৰে কিন্তু তাৰে পাঁচোটা মানহে থাকেগৈ।]

খাদ্য অনুসৰি মুখৰ গঠন বেলেগ : খাদ্য অন সৰি বিভিন্ন প্ৰাণীৰ মুখৰ গঠন বেলেগ বেলেগ। ফৰিং পইতাচোৰা উইঁচিৰিঙা কিতাপৰ পোক আদিয়ে সাধাৰণতে যি কোনো গোটা বস্তু মুখেৰে কুটি খায়। গতিকে সিহঁতৰ মুখোপাঙ্গ সমূহো সেইদৰে গঠিত। মৌ মাখি বৰল আদিৰ কাম হ'ল ফুলৰ মৌ ৰেণু আদি সংগ্ৰহ কৰা আৰু মৌ সীতা (Bee wax) তৈয়াৰ কৰা। গতিকে ইহঁতৰ মুখোপাঙ্গ সমূহ খাদ্য বস্তু চেলেকা আৰু চোবোৱাৰ উপযোগীকৈ গঠিত। মহ ডাহ, উৰহ আদিয়ে মানুহ বা আন জন্তুৰ পৰা তেজ শুহি খায়। সেই কাম সম্ভৱ হয় দুটা কামৰ যোগেদি। এটা হল—পোষকৰ ছালখন ফুটাব লাগিব আৰু দ্বিতীয়তে ভিতৰৰ পৰা তেজ শুহিব লাগিব। পাছে স চাকৈযে ইহঁতৰ মুখোপাঙ্গ সমূহ এই দুয়োটা কামৰ কাৰণেই উপযুক্ত। মাখিৰ আহাৰ হল জলীয়া খাদ্য। গতিকে ইহঁতৰ মুখত এনে এটি উপাঙ্গ আছে যাৰ সহায়ত ই এনে খাদ্য চেলেকি খাব পাৰে। পখিলাৰ মুখোপাঙ্গ সমূহ আৰু বৈচিত্ৰপূৰ্ণ। ইহঁতৰ মুখত হাতীৰ শুঁৰৰ দৰে এডাল নলীকা থাকে। এই নলীকাডাল ফুলৰ কোঁহত ভৰায়েই ইহঁতে মৌ শুহি খাব পাৰে।

খাদ্য অনুসৰি বেলেগ বেলেগ চৰাইৰ ঠোঁটৰ আকৃতিও বেলেগ বেলেগ। ঘৰ চিৰিকা পাৰ কপৌ ময়ূৰা আদি চৰাইয়ে শস্যৰ গুটি খায়। শস্যৰ গুটি গছৰ পৰা ছিঙা বা মাটিৰ পৰা বুটলি খোৱাৰ উদ্দেশ্যেৰেই ইহঁতৰ ঠোঁটবিলাক চুটি জোঙা আৰু শক্তিশালী। ঢোৰা কাউৰী পাতি কাউৰী আদিৰ ওপৰ ঠোঁটটো অলপ ঘোৰ খোৱা আৰু জোঙা। ইহঁতৰ ঠোঁটৰ কাষটো কটাৰীৰ দৰে ধাৰ থকা আৰু ইয়াৰে যি কোনো বস্তুকে কুটি টুকুৰা টুকুৰকৈ খাব পাৰে। ভাটৌ পাকৈ ঢোৰা ধনেশ আদি ফলাহাৰী চৰাই। ইহঁতৰ ঠোঁট কেইটা ডাঙৰ আৰু শক্তিশালী। ইয়াৰে ইহঁতে টান ফল চেপা মাৰি বাকলি এৰুৱাই খাব পাৰে। বাটেটোকা চৰাইৰ ঠোঁটটো বটালীৰ দৰে। ইহঁতে এই ঠোঁটেৰেই গছত ফুটা কৰি আৰু গছৰ শুকান বাকলি আঁতৰাই পোক পৰুৱা বিচাৰি ফুৰে। বাটেটোকাই কিমান বেগত ঠোঁটেৰে গছত খুন্দিয়ায় - ভাবিলে আচৰিত লাগে। ঘণ্টাত ১৩০০ মাইলমান যাব পৰা যান এখনৰ গতিবেগ যিমান, বাটেটোকাৰ ঠোঁটটোৰ গতিবেগো সিমান।

চিত্ৰ নং — ৮

[বাটেটোকা চৰাইৰ ঠোঁটটো বটালীৰ দৰে। এই ঠোঁটেৰেই গছৰ বাকলি এৰুৱাই আৰু গছত ফুটা কৰি ভিতৰত থকা পোক পতংগ খাব পাৰে। ঠেঙৰ আকোৰা নখ আৰু নেজপাখিৰ সহায়ত ইহঁতে গছত খামোচ মাৰি থাকিব পাৰে। ইহঁতৰ জিবাখনো বৰ দীঘল।]

শগুন শেন ঈগল ফেচা চিলনী আদি মাংসভোজী চৰাই। ইহঁতৰ ঠোঁট বিলাক তুলনামূলক ভাবে চুটি জোঙা আৰু শক্তিশালী। ওপৰৰ ঠোঁটটো হাঁকোটাৰ দৰে ঘোৰ খোৱা। এনে ধৰণৰ ঠোঁটেৰে মাংস চিৰাচিৰকৈ ফালি খাবলৈ সুবিধা হয়। ঠিক তেনেকৈ বোকাৰ মাজৰ পৰা খাদ্য সংগ্ৰহ কৰাৰ উদ্দেশ্যেৰে পাতিহাঁহ ৰাজহাঁহ আদিৰ ঠোঁটবিলাক চেপেটা দীঘল—চামোচ এখনৰ আকৃতিৰ। বৰটোকোলা শামুকভঙা হাৰগিলা বগলী মাছৰোকা কনাম চৰি আদি মাছ ধৰা চৰাইৰ ঠোঁট বিলাক দীঘল আৰু যাঠীপাতৰ দৰে জোঙা। এই সকলো বিলাকেই অনুকূলনৰ ফল।

স্তন্যপায়ী প্ৰাণীৰ ক্ষেত্ৰতো খাদ্য অনুসৰি দাঁত মুখ আদি গঠিত হোৱা দেখা যায়। বাঘ সিংহ শিয়াল আদি মাংসভোজী প্ৰাণীৰ কুকুৰ দাত কেইটা ডাঙৰ, জোঙা আৰু শক্তিশালী। কাৰণ মাংস খাবলৈ তেনে দাঁতৰেই প্ৰয়োজন। আনহাতে তৃণভোজী প্ৰাণীৰ গুৰি দাঁত বিলাক চেপেটা আৰু খাঁত থকা যাতে যি কোনো পাত ফল আদি ভালদৰে চোবাব পাৰে। দুই এজাত তৃণভোজী প্ৰাণীৰ আকৌ কুকুৰ দাঁত নাথাকেই।

মাছৰ সকলো অংগ পানীত থকাৰ উপযোগী। যি জাত প্ৰাণী যি ঠাইত থাকে সেই ঠাইৰ অনুকূলেই তাৰ বিভিন্ন অংগ প্ৰত্যংগ গঢ়ি উঠে। মাছ পানীত থাকে আৰু সেয়ে পানীত থকাৰ উপযোগীকৈ সিহঁতৰ অংগ প্ৰত্যংগ সমূহ গঠিত। পানীত সহজে সাতুৰিব পৰাকৈ বেছিভাগ মাছৰে দুযোটা মুৰ জোঙা। সাতুৰিবৰ কাৰণে কান আৰু উশাহ নিশাহ লবৰ কাৰণে ফুল থাকে। বহুতো মাছৰ দেহৰ ভিতৰত একোটা বায়ু মোনা থাকে। ইহঁতে ইচ্ছামতে বায়ু মোনাত বায়ু ভৰাই লব পাৰে আৰু বায়ু মোনাৰ পৰা বায়ু উলিয়াই দিব পাৰে। ফলত আপেক্ষিক গুৰুত্ব কম বেচি কৰি সহজে পানীৰ ওপৰলৈও আহিব পাৰে বা তললৈও যাব পাৰে। বহুতো মাছৰ দেহৰ দুয়োকাষে দীঘে দীঘে একোডাল ৰেখা থাকে। এই ৰেখাডালৰ ভিতৰফালে কিছুমান অনুভূতিশীল কোষ থাকে। এই কোষসমূহৰ সহায়তে মাছে শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰে।

সাগৰীয় ঘোঁৰাৰ আন এটা নাম হল হিপ্পকেম্পাচ (Hippo campas)। ইয়াৰ অৰ্থ ভাঙিলে হয় ঘোঁৰাৰ পজ। কিন্তু ই আচলতে এজাত মাছহে। ইয়াৰ দুয়োটা চকুৰ প্ৰতিটোৱেই নিজৰ ভাগে ঘূৰা পকা কৰে। দীঘল নাকটোৱে আচলতে এডাল শোষণ নলীকাৰ কামহে কৰে। ইযাৰ সহায়ত ডেৰ ইঞ্চিমান দূৰৈৰ পৰাই সাগৰীয় ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্ভিদ বা প্ৰাণী শোহা মাৰি মুখত ভৰাব পাৰে। ইহঁতৰ ভোকো কম নহয়। এবাৰ একোৱেৰিয়ামত থোৱা এটা সাগৰীয় ঘোঁৰাই হেনো প্ৰায় ১০ ০০০ মান মিছা মাছৰ পোৱালী এদিনৰ ভিতৰতে খাইছিল। সকলো মাছৰে খাদ্যও একে নহয়। তৃণভোজী আৰু মাংস ভোজী মাছ থকাৰ দৰে এজাত কেৱল কণী খোৱা মাছো আছে। এই মাছ জাতৰ নাম গাল্প (Gulp)। কণী খাবৰ কাৰণেই ইহঁতে মুখখন চাৰিগুণ মাৰ্ন ডাঙৰকৈ মেলিব লগা হয়। মুখৰ ভিতৰফালে এডাল কণ্টক থাকে। ইয়াৰ সহাযতে কণীৰ চোকোৰাটো ভাঙে। কুসুম আৰু এলবুমেন খিনি গিলি থয় আৰু চোকোৰাটো মুখৰ পৰা উলিযাই দিয়ে।

[তিমিমাছ বিলাকে যেতিয়া পানীৰ ওপৰলৈ শ্বাস প্ৰশ্বাস লবলৈ আহে তেতিয়া হেনো দুই ছেকেণ্ড মানৰ ভিতৰতে ৫০০ গেলন মান বায়ু হাওঁফাওঁত ভৰাই লব পাৰে]

মাছে বিদ্যুত উৎপাদন কৰিবও পাৰে। আচৰিত যেন লাগিলেও সত্য যে প্ৰায় আঢৈশমান প্ৰজাতিৰ মাছে বিদ্যুত উৎপন্ন কৰিব পাৰে। টৰ্পেডো স্কেট বৈদ্যুতিক ইল বৈদ্যুতিক কেটফিচ আদি এনেজাতৰ মাছ। সিহঁতৰ দেহত বিদ্যুত তৈয়াৰ কৰিব পৰা কিছুমান গ্ৰন্থি থাকে। এই বিদ্যুতেই সাগৰৰ অতল গৰ্ভত থকা মাছ সমূহক পোহৰৰ যোগান ধৰে। এই পোহৰৰ সহায়তে বৈদ্যুতিক অংগথকা মাছ সমূহে শত্ৰু মিত্ৰ চিনি পায় এঠাইৰ পৰা আন ঠাইলৈ যাব পাৰে, খাদ্য আহৰণ কৰিব পাৰে। ইহঁতে বিদ্যুত তৰংগ প্ৰেৰণ কৰি শত্ৰুক নিধন কৰিবও

পাৰে। দুই এজাত বৈদ্যুতিক মাছৰ বিদ্যুতৰ শক্তি দেখিলে তবধ মানিব লাগে। টর্পেডোই ৪০ ৰ পৰা ৫০ ভল্টলৈকে ইল মাছে ৩৭০ ৰ পৰা ৫৫০ ভল্টলৈকে আৰু কেট ফিছে ৩৫০ ৰ পৰা ৪৫০ ভল্টলৈকে বিদ্যুত শক্তি উৎপাদন কৰিব পাৰে। টর্পেডো আৰু ইল মাছে কেতিয়াবা চিকাৰ কৰাৰ আগতে দুই এজাত প্ৰাণী অচেতন কৰিও লয়। দক্ষিণ আমেৰিকাৰ বৈদ্যুতিক ইল নামৰ মাছ জাতৰ বিদ্যুত উৎপাদনৰ ক্ষমতা দেখিলেও আচৰিত হব লাগে। প্ৰায় তিনিমিটাৰ দৈৰ্ঘ্যৰ মাছটো আধা অংশ বিদ্যুত কোষেৰেই ঠাই খাই থাকে। ইহঁতৰ বৈদ্যুতিক অংগ দুটা। তাৰে ডাঙৰটোৱে ৬৫০ ভল্টমানৰ বিদ্যুত উৎপাদন কৰিব পাৰে। এইখিনি বিদ্যুতেৰে ঘোঁৰা একোটাকো মাৰিব পাৰি।

বৈদ্যুতিক মাছৰ দেহত ইলেকট্ৰপ্লেট নামৰ কিছু মান চেপেটা কোষ লগ লাগি একোটা একক (unit) অৰ্থাৎ বেটেৰী গঠন কৰে। একোটা বেটেৰীয়ে ১৫০ মিলি ভল্ট বিদ্যুত উৎপন্ন কৰিব পাৰে।



চিত্ৰ নং —১৯

[টর্পেডো নামৰ এই সাগৰীয় মাছজাতে বিদ্যুৎ উৎপন্ন কৰিব পাৰে। গোলাকাৰ মুৰটোৰ দুয়ো কাষে দুটা বৈদ্যুতিক অংগ থাকে। মাছে সাধাৰণতে কণী পাৰে যদিও এই জাত মাছে পোৱালী জগায়। সাগৰত থকা বিভিন্ন জাতৰ সৰু সৰু প্ৰাণীয়েই ইহঁতৰ খাদ্য।]

লেম্প ফিছ (Lamp fish) নামৰ আন এজাত পোহৰ দিয়া মাছো সমুদ্ৰৰ অটল গৰ্ভত থাকে। ইহঁতৰ শৰীৰৰ দুয়োকাষে শাৰী শাৰীকৈ বুটামৰ আকৃতিৰ কিছু মান অংগ থাকে। বুটামৰ আকৃতিৰ এই অংগবোৰেই মাজে মাজে বিজুলী বাতিৰ দৰে জিলিকি উঠে আৰু তাৰ পোহৰতে মাছ জাতে সমুদ্ৰৰ তলত ফুৰা চকা কৰে।

ডেউকা দুখনেই চৰাইৰ সাৰথি: শৰীৰৰ পৰা পলাই সাৰিবলৈকে হওক বা দূৰে দূৰণিত আহাৰ বিচাৰিবলৈকে হওক উৰণ হ'ল চৰাইৰ ধৰ্ম। সেই কাৰণেই চৰাইৰ শৰীৰৰ গঠন অন্য প্ৰাণীতকৈ বেলেগ। প্ৰায় সকলো চৰাইৰে বুকুখন নৌকাৰ আকৃতিৰ। এনে হোৱাৰ কাৰণে উৰাৰ সময়ত চৰাই বায়ুত কম বাধা প্ৰাপ্ত হয়। উৰিবৰ সময়ত চৰায়ে ভিডিটো পোনকৈ মেলি দিয়ে আৰু ঠেং কেইখন কোচাই শৰীৰৰ লগত মিলাই লয়। এইবিলাকৰ উদ্দেশ্যও বায়ুৰ বাধা কমোৱা। দেহৰ দুয়োকাষে থকা ডাঙৰ ডেউকা দুখনেই উৰণৰ মূল অংগ। ডেউকা দুখন ঘনাই উঠা নমা কৰিবৰ কাৰণে ইয়াৰ লগত সংলগ্ন হৈ থাকে কিছুমান উৰণ পেশী। নেজত থকা পাখি সমূহে চৰাইৰ দিক নিৰ্ণয়ত সহায় কৰে। চৰাইৰ হাড় বিলাকো ফোঁপোলা। এই ফোঁপোলা হাড়ে চৰাইৰ ওজন কমোৱাত সহায় কৰে। চৰাইৰ হাওঁফাওঁ দুখনো বৈশিষ্ট্যপূৰ্ণ। প্ৰতিখন হাওঁফাওঁৰ লগতে কিছুমান বায়ুমোনা সংলগ্ন হৈ থাকে। আমাৰ অলপমান দূৰ দৌৰিলেই ভাগৰ লাগে। কাৰণ আমাৰ শৰীৰিক ক্ৰিয়া বৃদ্ধি পায় বেচি পৰিমাণৰ শক্তি ক্ষয় হয় আৰু প্ৰয়োজন হয় বেচি পৰিমাণৰ অক্সিজেন। চৰাইৰ ক্ষেত্ৰত ই অধিক প্ৰযোজ্য। সেই কাৰণে অতিৰিক্ত শ্বাস প্ৰশ্বাসৰ কাৰণে চৰায়ে এই মোনবিলাকত বায়ু সঞ্চয় কৰি থ'ব পাৰে। তদুপৰি বায়ু মোনাই চৰাইৰ ওজন কমোৱাতো সহায় কৰে। চৰাইৰ মল ভাণ্ডাৰটো সৰু আৰু মূত্ৰাশয়ো নাথাকে। এইবোৰো ওজন কমোৱাৰে ব্যৱস্থা। চৰাইৰ দেহত মাত্ৰ এটা ডিম্বাশয় থকাৰ ইয়ো এক কাৰণ। উৰি ফুৰা প্ৰাণী এটাৰ কাৰণে ঘ্ৰাণ শক্তিৰ প্ৰয়োজন নকৰে আৰু সেয়েহে চৰাইৰ ঘ্ৰাণ শক্তি দুৰ্বল। আনহাতে ইহঁতৰ দৃষ্টি শক্তি প্ৰখৰ। এই আটাইবিলাক কাৰ্যই উৰণৰ ফল।

চৰাইৰ ঠেংবিলাকো মন কৰিবলগীয়া। উট এমু ৰিয়া আদি কিছুমান চৰায়ে খোজ কাঢ়িয়েই ঘূৰি ফুৰে কাচিতহে উৰে। ইহঁতৰ আঙুলি বিলাক চুটি অথচ গোটেই শৰীৰৰ ভৰ লব পৰাকৈ শক্তিশালী। বহুতো চৰায়ে গছৰ ডাল আঙুলিৰে খামোচ মাৰিয়েই শুই থাকে। এনে অৱস্থাত তিনিটা আঙুলি আগলৈ আৰু এটা আঙুলি পাছলৈ থাকে। ইহঁতৰ উৰু অংশৰ পৰা কিছুমান তন্তু ওলাই আঙুলিৰ মূৰলৈকে বিস্তৃত হৈ থাকে। এই তন্তু সমূহ এনেদৰে গঠিত যে চৰাইটো ডালত বহাৰ লগে লগেই আঙুলিৰ মূৰ কেইটা বেঁকা হৈ পৰে আৰু ডালত খামোচ মাৰি ধৰে। চৰাইটো পুনৰ থিয় নহয় মানে খামোচটো নেৰায়।

ভাটৌ বাটৈটোকা কুলি আদি বিবিলাক চৰায়ে গছত সঘনে বগাই ফুৰে সিহঁতৰ প্ৰথম আৰু চতুৰ্থ আঙুলিটো পাছফালে ঘোৰ খোৱা আৰু দ্বিতীয় তৃতীয় আঙুলি দুটা সম্মুখৰ ফালে ঘোৰ খোৱা। এনে হোৱাৰ ফলত গছত খামোচ মাৰি বগাবলৈ সুবিধা হয়। কুকুৰা দৰিক আদি চৰায়ে মাটি খুচৰি খুচৰি আহাৰ বিচাৰি ফুৰে। গতিকে সেই কামৰ উপযোগীকৈ ইহঁতৰ আঙুলি বিলাকৰ মূৰত শক্তিশালী নখ

থাকে। শগুণ শেন চিলনী ঈগল ফেঁচা আদি মাংসভোজী চৰাই। ইহঁতৰ প্ৰতিটো আঙুলিযেই মজবুদ আৰু চিকাৰ ধৰিবৰ কাৰণে প্ৰত্যেকতে একোটা আঁকোৰা শক্তিশালী নখ থাকে। বগলী বৰটোকোলা আদি চৰায়ে বোকাত খোজ কাঢ়ি ফুৰে। গতিকে ঠেংকেইটা দীঘল। ইহঁতৰ ঠেং চুটি হোৱা হলে বোকাতে লাগি ধৰিলেহে তেন। পাতিহাঁহ ৰাজহাঁহ আদিয়ে পানীত সাঁতুৰি ফুৰে। গতিকে সাতোৰাৰ উপযোগীকৈ ইহঁতৰ আঙুলিবিলাকৰ মাজত পতা থাকে।

[কুমেৰুৰ হিম চেচা পানীত মানুহ কেইছেকেণ্ড মানৰ কাৰণে থাকিলেও মৃত্যু মুখত পৰিব। অথচ তেনে পানীতেই পেংগুইন নামৰ চৰাইজাতে ৭০০ ফুট মান তলত ২০ মিনিটমান সময় থাকিব পাৰে]

মৰুভূমিত থাকি ভাল পোৱা প্ৰাণীও আছে মৰুভূমিৰ জীৱন এনেয়ে ৰৰ দুৰ হ। উত্তপ্ত বালিময় মৰুভূমিত জীৱন নিব াহ কৰাটো কম কষ্টৰ কথা নহয়। কিন্তু নিৰ্দিষ্ট অংগ প্ৰত্যংগৰে সুসজ্জিত হৈ তাত থাকি ভাল পোৱা প্ৰাণীও আছে। মৰুভূমিৰ প্ৰধান সমস্যা হল পানী। দুই এজাত প্ৰাণীয়ে গছত লাগি থকা পানীৰ কণা চেলেকি আৰু দুই এবিধ প্ৰাণীৰ তেজ শুহিয়েই পিয়াহ পলুৱাব লগাত পৰে। মল্লক নামৰ এজাত কাঁইটীয়া জেঠীৰ ছালখনেই ব্লটিং পেপাৰৰ দৰে পানী শুহিব পাৰে। উটৰ পাকস্থলীৰ লগত কিছুমান পানীমোনা সংলগ্ন হৈ থাকে। উটে কুৰবাত পানী পালেই এই পাণীমোনা বিলাক পানীৰে ভৰাই লয়। ফলত বহুত দিনলৈ পানী নোখোৱাকৈ থাকিব পাৰে আৰু এইখিনি সময়ৰ ভিতৰত ৫০০ মাইল মান পথ অতিক্ৰম কৰিব পাৰে। শৰীৰত পানীৰ পৰিমাণ ঠিকে ৰাখিবলৈ মৰুভূমিত থকা প্ৰাণীয়ে বহুতাদন ধৰি নাঘামেও। ইহঁতৰ চকু কান আৰু নাকৰ ফুটা কেইটাও উত্তপ্ত বালি সোমাই নষ্ট কৰিব পাৰে। এই তিনিওটা অংগ মূৰত থাকে। থিয় দীঘল ডিঙিটোৰ কাৰণেই উটৰ মূৰটো বালিৰ পৰা বহুত ওপৰত থাকে ফলত সেই ইঁদ্ৰিয় কেইটা ৰক্ষা পৰে। দীঘল ঠেং কেইখনেও শৰীৰ টোক বালিৰ পৰা কিছু ওপৰত ৰাখে। উটৰ সোপোকা তলুৱাৰে বালিত খোজ কাঢ়িবলৈও সুবিধা হয়।

নিশাচৰ প্ৰাণী বেছিভাগৰে সাধাৰণতে কাণ দুখন ডাঙৰ। ইয়াৰ কাৰণ হল— নিশাচৰ প্ৰাণীয়ে চকুতকৈ শ্ৰৱণেন্দ্ৰিয়ৰ ওপৰতে ঘাইকৈ নিৰ্ভৰ কৰিবলগাত পৰে। মৰুভূমিত থকা ফেনেক (Fennec) নামৰ শিয়াল জাতেই পৃথিৱীৰ সকলোতকৈ সৰু শিয়াল। ইহঁতৰ গাটো দীঘলে ৪০ চেণ্টিমিটাৰ মানহে হব। আনহাতে ইহঁতৰ কাণ একোখনেই দীঘলে ১০ চেণ্টিমিটাৰ। এই শিয়ালজাতে পানী নাখায়। বিভিন্ন খাদ্যত থকা পানীৰেই ইহঁতে পিয়াহ পলুৱায়। ঠেংকেইখনৰ হাঁতোৰাত ইমান নোম আছে যে বালিৰ ওপৰেদি সহজে দৌৰি যাব পাৰে। আনহাতে এই হাঁতোৰা কেইখনৰ সহায়তে মুহূৰ্তৰ ভিতৰতে বালিত গাঁত একোটা খান্দি তাত

সোমাই শত্ৰুৰ চকুত ধূলি দিব পাৰে। উত্তৰ আফ্ৰিকাতহে কেৱল ইহঁত তক পোৱা যায়। দুই একে কুকুৰ মেকুৰীৰ দৰে ইহঁত তক পোহেও।

মৰুভূমিত তেলীয়াসাৰেং জাতীয় এজাত চৰায়ো থাকে। খুব বেচিকৈ গৰম পৰিলে ইহঁতে নিজৰ ঠেং দুখনৰ ওপৰতে প্ৰসাৰ কৰি দিয়ে। গৰম বতাহে এই প্ৰসাৰ বাষ্পীভূত কৰে। বাষ্পীভূত প্ৰসাৰ যিহেতু তুলনামূলক ভাবে চেচা গতিকে চৰাইৰ দেহৰ কিছু উত্তাপ ইয়াত লীণ যায়। ফলত চৰাইটোৱে ঠাণ্ডা অনুভৱ কৰে। মৰ ভূমিত থকা কোৱালা নামৰ প্ৰাণীজাতেও হাতে ভৰিয়ে থুৱাই থাকে। ইয়াৰো উদ্দেশ্য শৰীৰটোক শীতল কৰি ৰখাই।

গাঁতৰ ভিতৰত দৃষ্টিশক্তিৰ প্ৰয়োজন নকৰে দুই এজাত এন্দুৰ শিয়াল ভালুক বিভিন্ন জাতৰ সৰীসৃপ আৰু বহুতো অমেৰুদণ্ডী প্ৰাণীয়েও গাঁতত বাস কৰে। গাঁতৰ ভিতৰত দৃষ্টিশক্তিৰ প্ৰয়োজন নকৰে। গতিকে ইহঁতৰ বেচিভাগৰে চকুকেইটা সৰু হৈ পৰে আৰু দুই এজাতৰ চকু নাইকিয়াই হয়। মাটিত গাঁত খান্দিবলৈ দুই এজাত গাঁতত থকা প্ৰাণীৰ শক্তিশালী হাঁতোৰাও থাকে। গাঁতত সোমাওতে ওলাওতে ঠেং কেইখনেও বাধাৰহে সৃষ্টি কৰে। গতিকে ঠেং কেইখন আকাৰত সৰু হৈ পৰে। সাপৰ আকৌ ঠেঙেই নাথাকে। কাণৰ ফুটাত মাটি নোসোমাবৰ কাৰণে গাঁতত থকা স্তন্যপায়ী প্ৰাণীয়ে ফুটা কেইটা নোমেৰেই ঢাকি থয়। গাঁতত থকা প্ৰাণীৰ গাটো দীঘলীয়া আৰু মুৰটো জোঙা।

কেৰ্কেটুৱা বান্দৰ বনমানুহ কোকলোঙ্গা আদি গছত বগোৱা প্ৰাণী। গছত বগোৱা প্ৰাণীৰ হাত আৰু ভৰিৰ আঙুলিবিলাক শক্তিশালী আৰু নখথকা। গতিকে ইয়াৰ সহায়ত গছত খামোচ মাৰি ধৰিবলৈ সুবিধা হয়। ইহঁতৰ এই খামোচটো ইমান টান যে গছৰ ডালতে গোটেই ৰাতিটো শুয়ো থাকে। ইহঁতৰ হাড়ৰ জোৰাবিলাকৰো বৈশিষ্ট্য আছে। সেইকাৰণেই এঠাইৰ পৰা আন ঠাইলৈ সহজে জপিযাব পাৰে আৰু বহুত ওপৰৰ পৰা মাটিত পৰিলেও দুখ নাপায়। মেক্সিকোৰ গছত থকা কেৰ্কেটুৱা এজাত হেনো ৬০০ ফুট ওপৰৰ পৰা পেলাই দিলেও কোনো হানি বিঘিনি নহয়। গছত বগোৱা প্ৰাণীৰ নেজডালেও ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে। ইহঁতৰ গাটো গোটাসজীয়া আৰু কামিহাড়বিলাকো মজবুদ।

কুকুৰ কুকুৰনেচিয়া বাঘ শিয়াল আদি বহুতো প্ৰাণীয়ে সাধাৰণতে সকলো সময়তে দৌৰি ফুৰে। সেইকাৰণে এনেবিলাক প্ৰাণীৰ শৰীৰৰ গঠনো দৌৰাৰ উপযোগী। নাসাম ডলেৰে সৈতে ইহঁতৰ মুখখন জোঙা গাটো ক্ষীণ আৰু ঠেং কেইখন তুলনামূলক ভাবে দীঘল। এনে প্ৰাণীয়ে দৌৰোতে ঠেঙৰ গোটেই পতাখন নেপেলায়। আঙুলিৰ মূৰত ভৰ দিহে দৌৰে। ফলস্বৰূপে মাটিত কম বাধা প্ৰাপ্ত হয়। তদুপৰি দৌৰোতে ডিঙিটো দীঘলকৈ মেলি দিয়াৰ কাৰণে বেচি বেগ দিবলৈ সুবিধা হয়।

ভেকুলী আৰু সাপ শীতকালি গাঁতত সোমাই থাকে একোটা

প্ৰাণীয়ে পৰিবেশৰ উত্তাপ জলীয় বাষ্প আৰু পোহৰৰ লগতো খাপ খাই জীয়াই থাকিবলগাত পৰে। এই পৃথিৱীত—২০০ ৰ পৰা ১০০ চেণ্টিগ্ৰেড পৰ্য্যন্ত উত্তাপত থকা প্ৰাণীও আছে। অৱশ্যে বেছি ভাগ প্ৰাণীয়েই ১০ ৰ পৰা ৫০ চেণ্টিগ্ৰেডৰ ভিতৰত থাকে। আকৌ একোজাত নিৰ্দ্দিষ্ট প্ৰাণীয়ে এক নিৰ্দিষ্ট উত্তাপত থাকিহে ভাল পায়। এই উত্তাপৰ বেছি তাৰতম্য হ'লে প্ৰাণীজাতৰ মৃত্যু হয়। সাগৰৰ তলিত থকা প্ৰাণী সাগৰৰ উপৰিভাগত থাকিব নোৱাৰে বা সাগৰৰ উপৰিভাগত থকা প্ৰাণীও সাগৰৰ তলিলৈ নাযায়। গ্ৰীষ্মমণ্ডলৰ বেছিভাগ প্ৰাণীয়েই শীতমণ্ডলত দেখা নাযায় আৰু শীতমণ্ডলত থকা প্ৰাণীও গ্ৰীষ্মমণ্ডলত নাথাকে। একোজাত প্ৰাণীৰ শাৰীৰিক ক্ৰিয়াপ্ৰক্ৰিয়া সমূহ পৰিবেশৰ উত্তাপৰ অনুকূলে চালিত হয়। গতিকে বেলেগ উত্তাপত খাপ খাই ল'বলৈ ইহঁতে টান পায়।

কিছুমান প্ৰাণীয়ে আকৌ বেলেগ কায়দাৰে শৰীৰৰ উত্তাপ নিয়ন্ত্ৰণ কৰে। উদাহৰণ স্বৰূপে ভেকুলী আৰু সাপৰ কথাকে ক'ব পাৰি। শীতকাল অহাৰ লগে লগে ইহঁতে গাঁতত বা শিলৰ দুমৰ মাজত আশ্ৰয় লৈ দেহৰ উত্তাপ ঠিকে ৰাখে। পুনৰ গ্ৰীষ্মকাল আহিলেহে গাঁতৰ পৰা ওলায়। নিজৰ শৰীৰৰ উত্তাপ ঠিকে ৰাখিবলৈকে ছমাহকৈ গাঁতৰ ভিতৰত সোমাই থকাটোও কম কথা নহয়। প্ৰজননৰ কাৰণেও বহুতো প্ৰাণীক উত্তাপৰ প্ৰয়োজন। সেই কাৰণেই শীত প্ৰধান দেশত থকা দুই এজাত চৰায়ে কণী পাৰি পোৱালী জগাবলৈকে আমাৰ দেশলৈ আহে। গৰম কালি পোক পতংগৰ পৰা আৰম্ভ কৰি বহুতো প্ৰাণীৰ সংখ্যা বৃদ্ধিৰ মূল কাৰণেই হ'ল পৰিবেশৰ উত্তাপ।

একোটা প্ৰাণীৰ জীৱন ধাৰণত পোহৰৰ প্ৰভাৱো কম নহয়। পোহৰৰ ওপৰত ভিত্তি কৰি প্ৰাণীক দুটা ভাগত ভাগ কৰিব পাৰি। মাটিৰ তলত থকা বহুতো এককোষী প্ৰাণী বেকটেৰিয়া আৰু সন্ধিপদী প্ৰাণীয়ে সদায় পোহৰৰ পৰা আঁতৰি থাকে। আমাৰ নিশাচৰ প্ৰাণীসমূহো পোহৰ বেয়া পোৱাৰ ভিতৰতে পৰিব। পোহৰত থকা প্ৰাণীৰ সাধাৰণতে দৃষ্টিশক্তি প্ৰখৰ। আনহাতে আন্ধাৰত থকা প্ৰাণীৰ বেছিভাগৰে দৃষ্টিতকৈ ঘ্ৰাণশক্তিহে প্ৰৱল। বাদুলীয়ে আকৌ শ্ৰৱণ শক্তিৰ সহায়তে আন্ধাৰে মুধাৰে ঘূৰি ফুৰে। মেকুৰীয়ে সামান্য পোহৰতো দেখা পায়। ইয়াৰ কাৰণ হ'ল চকুৰ ৰেটিনা অংশত থকা ৰদূচ আৰু কনূচ নামৰ কোষ দুবিধ। ৰদূচবিলাকে কম পোহৰত দেখাতো সহায় কৰে আৰু মেকুৰীত এই ৰডচ বিলাক শক্তিশালী। তদুপৰি মেকুৰীয়ে লেন্সথন সংকুচিত কৰি চকুৰ ভিতৰলৈ অধিক পোহৰো সমুৰাব পাৰে। ফেচা হুদু আদিও নিশাচৰ প্ৰাণী। ইহঁতৰ দৃষ্টিশক্তি দুৰ্বল কিন্তু শ্ৰৱণশক্তি প্ৰখৰ। সামান্য শব্দ এটাও যাতে শুনি পায় সেই উদ্দেশ্যে ইহঁতৰ কাণত কিছুমান ভাঁজ থাকে। প্ৰাণীৰ জীৱন ধাৰণত জলীয় বাষ্পৰ প্ৰভাৱো নুই কৰিব নোৱাৰি। বিভিন্ন ৰোগৰ জীৱাণু সৰু সৰু এককোষী বা বহুকোষী প্ৰাণীয়ে অধিক জলীয় বাষ্প থকা ঠাইতহে থাকে আৰু বংশ বৃদ্ধি কৰে।

এজাত পখিলাৰ আকৃতি গছৰ পাত এখিলাৰ দৰে বহুতো প্ৰাণীয়ে শত্ৰুৰ মুখামুখি হলে এক ভয়ংকৰ মূৰ্ত্তি ধাৰণ কৰে। ইয়াৰ উদ্দেশ্য কেইবাটাও হ'ব পাৰে। এটা হল চিকাৰ প্ৰাণীটোক ভয় খুৱাই অৱশেষত তাক চিকাৰ কৰা। দ্বিতীয়টো হ'ল— তেনে এক ভাও দিয়েই ঠাইতে শত্ৰুৰ হাতৰ পৰা পলাই সৰা। বিষ নোহোৱা সাপে ফোঁপাউঠিয়ায়েই শত্ৰুক ভয় দেখুওৱাৰ দৰে। দুই এজাত প্ৰাণীৰ ভাও-ভঙ্গিটি ধৰাৰ কৌশল দেখিলেও তবধ মানিব লাগে। এজাত ঠাৰিপোকৰ গাৰ আকৃতি সাইলাখ ঠাৰি এডালৰ দৰে। ইহুত গছত গাটো বেকা কৰি এনেভাবে লাগি থাকে যে সেইটো পোকেই নে সেইডাল গছৰ ঠাৰিয়েই ধৰাই টান হৈ পৰে। ঠিক তেনেকৈ পাতপখিলা নামৰ এজাত পখিলাৰ পাখি দুখনো ঠিক গছপাতৰ দৰে।



চিত্ৰ নং—২০

(ক) পাত পখিলা (খ) ঠাৰি পোক

[শত্ৰুৰ চকুত ধৰা নপৰিবৰ কাৰণেই এই পতংগ দুজাতৰ আকৃতি এনেকুৱা হয়। পাত পখিলাৰ পাখি কেইখন আৰু পিঠি ফালৰ অংশ গছৰ পাত এখিলাৰ দৰে। গতিকে গছত পৰোতে পাতৰ আকৃতিৰ লগত মিলি থাকে। ঠিক তেনেকৈ ঠাৰি পোকৰ আকৃতি গছৰ ঠাৰি এডালৰ দৰে।]

আনকি পাখি দখনত পাতৰ দৰে সিৰা উপসিৰা পৰ্য্যন্ত থাকে। গতিকে গছত পৰি থকা অৱস্থাত সেইখিনা পাতেই নে সেইটো পখিলাই ধৰাই টান হৈ পৰে। কিছুমান বিষহীন প্ৰাণীয়ে আকৌ বিষধৰ প্ৰাণীৰ ভাও ধৰিয়েই শত্ৰুৰ হাতৰ পৰা সাৰি যায়। এজাত ভোমোৰা চেহেৰাই পাতিয়ে বৰল একোটাৰ দৰে কিন্তু বিষ বুলিবলৈ একোৱেই নাথাকে। এইয়া কেৱল শত্ৰুক ভয় খুওৱাৰ ব্যৱস্থাহে। ঠিক তেনেকৈ বহুতো বিষহীন সাপেও বিষধৰ সাপৰ ভাও ভিঙ্গটি ধৰে।

বহুতো প্ৰাণীৰ দেহত গন্ধযুক্ত গ্ৰন্থি থাকে। একোজাত প্ৰাণীৰ দেহৰ গোন্ধ সেই প্ৰাণীজাতৰ বৈশিষ্ট্য। এই গোন্ধ লৈ লৈয়েই জাকটোৰ বা পৰিয়ালটোৰ এটাই আনটোক চিনি পায় আৰু একেলগে থকাত সহায় হয়। আনহাতে এই গোন্ধকে হয়তো আন এজাত প্ৰাণীয়ে সহ্য কৰিব নোৱাৰে। ফলত এনে গোন্ধ পালেই শত্ৰু দৌৰি পলায়। শামুক কেকোৰা আদি প্ৰাণীৰ কোমল দেহটো খোলাৰ ভিতৰতে সোমাই থাকে। শত্ৰুৰ হাতৰ পৰা ৰক্ষা পৰাৰ ইও এক ব্যৱস্থা। কেটেলা পহু কেটেলা নিগণি আদিৰ গাত থকা কাঁইট বিভিন্ন পলু পোক পতংগৰ গাত থকা শুং বিষাক্ত প্ৰাণীৰ গাত থকা বিষাক্ত গ্ৰন্থি হ'ল বিভিন্ন জন্তুৰ শিং নখ চোকা দাত গড়ৰ খড়্গ চৰাইৰ ঠোট আদি বহুতো অংগ প্ৰত্যংগই নিজক ৰক্ষা কৰা শত্ৰু নিধন কৰা বা চিকাৰ কৰাৰ একো একোপাত অস্ত্ৰ। বহুতো পোক পতংগই আকৌ পাতৰ নাৰা বনাই তাৰ ভিতৰত থাকিয়েই শত্ৰুৰ হাতৰ পৰা সাৰে। দৌৰিব পৰাটোও



চিত্ৰ নং—২১

[জহামালৰ দেহৰ পাছফালে এটা গন্ধযুক্ত গ্ৰন্থি থাকে। এই গ্ৰন্থিৰ পৰা একপ্ৰকাৰ ৰস ওলায়। এই ৰসবিধ জহাচাউলৰ দৰে গোন্ধাই কাৰণেই প্ৰাণীজাতৰ নাম জহামাল থোৱা হ'ল। এই গোন্ধৰ কাৰণেই এটা জহু মালে আন এটা জহামালৰ অৱস্থিতি ধৰিব পাৰে। জহামাল ঘাইকৈ মাংসভোজী।]

প্ৰাণীৰ প্ৰাণৰক্ষাৰ আন এক ব্যৱস্থা। শত্ৰুৰ পৰা বাচি থকাৰ কাৰণে পহুৰ একমাত্ৰ ব্যৱস্থা হ'ল দৌৰমৰা।

জাক পাতি থকাটোও প্ৰতিৰক্ষাৰে এক ব্যৱস্থা দল বা জাক পাতি থকাটোও প্ৰাণীৰ এক প্ৰতিৰক্ষাৰে ব্যৱস্থা। মাংসভোজী প্ৰাণীৰ তুলনাত তৃণভোজী প্ৰাণীয়েই বেছিকৈ জাকপাতি থাকে। তৃণভোজী প্ৰাণীৰ নিজকে ৰক্ষা কৰা বা শত্ৰুক নিধন কৰাৰ কাৰণে অংগ প্ৰত্যংগও খুব বেছি নাথাকে। গতিকে জাক পাতি থাকিলে শত্ৰুৱে সহজে কাষ চাপিব নোৱাৰে। প্ৰাণীৰ জাক পাতি থকাৰো কিছু নীতি নিয়ম থাকে। একোটা জাকত একোজন দলপতি থাকে আৰু দলপতিৰ নিৰ্দ্দেশ মতেই জাকটোৱে কাম কৰে। দলপতিয়ে কেতিয়াবা চিঞৰি কেতিয়াবা মূৰ জোকাৰি আৰু কেতিয়াবা নেজ দাঙি কামৰ ইঙ্গিত দিয়ে। কিছুমান পোক পতংগৰ সমাজ পাতি জীয়াই থকাৰ ব্যৱস্থা অতি চমৎকাৰ। মৌ মাখি উই বৰল আদিৰ সমাজত কামৰ ভাগবতৰা থাকে। বন ৱাই বন কৰে ৰণ ৱাই ৰণ কৰে জমাদাৰে থকা ঠাইখিনি পৰিষ্কাৰ কৰে ধাইয়ে পোৱালী তোলে খাদ্য গোটোৱাই খাদ্য গোটায় আৰু বাঁহ সজাই বাঁহ সাজে। কাম নাথাকে কেৱল ৰাণীজনীৰ। সকলোৱে তাইৰ আলপৈচান ধৰাতে ব্যস্ত। ভালৰ ভাল খাদ্যখিনি ৰাণীজনীয়েই খায়। তাইৰ একমাত্ৰ কাম হ'ল কণীপৰা। কাম অনুসৰি সিহঁতৰ দেহৰ বা মুখোপাঙ্গ সমূহৰ গঠনো বেলেগ বেলেগ। এই গোটেইখিনি ব্যৱস্থাই এক উন্নত জীৱন যাপনত সহায় কৰে।

পৰিৱেশ অনুসৰি একোজাত প্ৰাণীৰ কেতিয়াবা ভিন ভিন অংগ প্ৰত্যংগও গঢ়ি উঠে। উদাহৰণস্বৰূপে কেইজাত মান মাছৰ কথাকে কব পাৰি। কাৱৈ মাছ সাধাৰণতে বোকা পানীত থাকে। তদুপৰি মাজে সময়ে বগাই বামলৈও যায়। এনেস্থলত উশাহ নিশাহ লবৰ কাৰণে ফুলেই যথেষ্ট নহয়। গতিকে কাণৰ ঠিক তলতে অতিৰিক্ত শ্বাসাংগ এটা গঢ়ি উঠে। ইয়েই হাঁওফাঁওৰ দৰে কাম কৰে। ৰৌ বাহু আদি মাছৰ নেজফানখন দুটা খণ্ডত বিভক্ত। এনে ধৰণৰ নেজফানে খৰকৈ সাঁতোৰাত সহায় কৰে। শিঙি মাগুৰ আদি মাছৰ দেহতো বায়ুৰ পৰা পোনে পোনে অক্সিজেন গ্ৰহণ কৰাৰ ব্যৱস্থা আছে। পাহাৰীয়া জানজুৰিত থকা মাছৰ মুখ আৰু দেহৰ তলফালে দুই এটা চোষক (Sucker) থাকে। এই চোষকৰ সহায়তে সোঁতে উটুৱাই নিব নোৱাৰাকৈ পাহাৰীয়া নৈৰ শিল বালি আদিত খোপনি পুতি থাকে। শীত প্ৰধান ঠাইৰ প্ৰাণীবিলাকৰ নোম ডাঠ আৰু গৰম ঠাইৰ প্ৰাণীবিলাকৰ নোম পাতল। এই সকলোবিলাক অনুকূলনৰে ফল।

নদীত বান্ধ দিব জনা প্ৰাণীও আছে ইগাৰ বিভাৰ নামৰ প্ৰাণীজাতৰ কাৰ্য্য ব্যৱস্থা দেখিলে আচৰিত হ'ব লাগে। মানুহৰ বাহিৰে ইহঁতেই বোধহয় একমাত্ৰ প্ৰাণী যি নিজৰ প্ৰয়োজন মতে পৰিৱেশৰ সালসলনি ঘটাব পাৰে। হ্ৰদ আৰু নৈৰ গড়াত গাঁত খান্দি এই প্ৰাণীজাতে বাস কৰে। নৈৰ পানীৰ উচ্চতা যদি কমি

বায়ু সিঁহতে নৈত বান্ধ দি পানীৰ উচ্চতা বঢ়াই দিব পাৰে। ইহঁতে মানুহৰ দৰেই শিল আৰু বোকাৰে এনে বান্ধ দিয়ে। ইহঁতে বটালি সদৃশ দাঁত কেইটাৰে কাঁটি কুটি ডাঙৰ গছো মাটিত পেলাই দিব পাৰে। ইহঁতৰ দাঁত দ পাৰিৰ ঠিক পাছতে এনে এখন ছালৰ বেৰ থাকে যে পানীৰ তলত গছ কুটি থাকিলেও পানী খাদ্যনলীলৈ নোসোমায়। আঙুলিৰ মাজত পতা থকাৰ কাৰণে ইহঁতে পানীত ভালদৰে সাঁতুৰিবও পাৰে। নেজডালে মাছৰ নেজফানৰ দৰে দিক নিৰ্ণয়তো সহায় কৰে।

খেতি পথাৰৰ মাজত ডাঙৰ ডাঙৰ গাঁত খান্দি তাত থাকিবলৈ লয় কাৰণে আৰু তাৰ ফলত খেতি নষ্ট হয় কাৰণে মানুহে ইহঁতক শত্ৰু ৰূপেই গণ্য কৰি আহিছে। ইহঁতৰ ইটোৱে সিটোক বিপদৰ সংকেত দিয়াৰ ব্যৱস্থাও কৌতুহলজনক। কোনোবা বিপদৰ সম্ভাৱনা দেখিলে দেখাটোৱে নেজডালেৰে পানীৰ ওপৰত বৰ জোৰেৰে চপৰিয়াই এক শব্দ কৰে আৰু এই শব্দ শুনামাত্ৰকে গোটেই জাকটোৱেই দৌৰি পলায়। ফান্দ পাতি বা বিহ দি ইহঁতক মাৰিবলৈ মানুহে অহৰহ চেষ্টা চলাই আহিছে। তথাপি এন্দুৰৰ দৰে ইহঁত ইমান টেঙৰ যে ইহঁতৰ বংশ শেষ কৰা সহজ নহয়। এতিয়াও উত্তৰ আমেৰিকা আৰু ইউৰোপৰ বিভিন্ন ঠাইত এই বিভাৰজাতে আনন্দ মনেৰে বিচৰণ কৰি ফুৰিছে।

অনুকূলনক আমি আকৌ দুটা ভাগত ভাগ কৰিব পাৰো। মুখ্য অনুকূলন আৰু গৌণ অনুকূলন। এক নিৰ্দিষ্ট পৰিবেশত ভালদৰে খাপ খাই জীয়াই থকাৰ উপযোগীকৈ যদি একোজাত প্ৰাণীৰ সকলোবিলাক অংগ প্ৰত্যংগ গঢ়ি উঠে তেতিয়া তাক কোৱা হয় মুখ্য অনুকূলন। পানীত থকাৰ উপযোগীকৈ মাছৰ অংগ প্ৰতংগ আৰু উৰণৰ উপযোগীকৈ চৰাইৰ অংগ প্ৰত্যংগ গঠিত। কিন্তু মাছৰ উপৰিও পানীত থকা প্ৰাণী আৰু অনেক আছে। দুই এজাত এককোষী প্ৰাণীয়ে পানীৰ পৰা পোনে পোনেই অক্সিজেন আৰু খাদ্য আহৰণ কৰিব পাৰে। মিছামাছৰ দৰে দুই এজাত প্ৰাণীয়ে ফুলৰ দ্বাৰাই শ্বাস প্ৰশ্বাস লয়। শামুকজাতীয় প্ৰাণীৰ ফুলো আছে আৰু হাঁওফাঁওৰ দৰে এটা অংগও আছে। গতিকে ইহঁতে পানী আৰু বায়ুমণ্ডল—উভয়তে শ্বাস প্ৰশ্বাস লব পাৰে। অৱশ্যে ইহঁতৰ ফুলবিলাক মাছৰ ফুলৰ দৰে শক্তিশালী নহয়। আনহাতে বেছিভাগ পানীত থকা পোক পতংগই পানীৰ ওপৰলৈ আহিহে উশাহ নিশাহ লব লগাত পৰে। পানী ভেকুলী পানীত থকা খাপ আৰু পানীত থকা চৰায়েও হাঁওফাঁওৰেহে উশাহ নিশাহ লয়। গতিকে পানীত থকাৰ অনুকূলে ইহঁতৰ অংগ প্ৰত্যংগ গঠিত হৈছে বুলি ক'ব নোৱাৰি।

[সাগৰীয় সাপসমূহে একেলেথাৰিয়ে আঠঘণ্টামান সময় পানীৰ তলত থাকিব পাৰে। কিন্তু তাৰ পাছত শ্বাস প্ৰশ্বাস লবৰ কাৰণেই ওপৰলৈ আহিব লগাত পৰে।]

তিমি মাছেও শ্বাস প্ৰশ্বাস হাঁওফাঁওৰেহে লয়। তিমি মাছ শিহ আদি

স্তন্যপায়ী প্ৰাণীসমূহ একালত স্থলচৰেই আছিল। খাদ্যৰ অভাৱ অনাটন আৰু শত্ৰুৰ পৰা হাত সাৰিবলৈকে সম্ভৱ ইহঁত পানীলৈ নামিল। বহু যুগ ধৰি পানীত থকাৰ পাছতো পানীত থকাৰ অতি উপযোগীকৈ ইহঁতৰ অংগ প্ৰত্যংগ গঢ়ি উঠা নাই। অৱশ্যে আগঠেং যোৰ চুটি আৰু চেপেটা হৈ সিয়েই বঠাৰ দৰে সাঁতোৰাত সহায় কৰিব পৰা হ'ল। পানীৰ ঠাণ্ডা সহ্য কৰিব পৰাকৈ দেহৰ চাৰিওকাষে জমা হৈ পৰিল চৰ্বি। সাঁতোৰাত সহায় হোৱাকৈ ডিঙিটো চুটি হৈ পৰিল। বহুতদিন ধৰি পানীত থাকিবলৈ লোৱাত বাহিৰফালে থকা কাণ দুখনো লুপ্ত হৈ পৰিল। নাকৰ ফুটা কেইটা মূৰৰ সন্মুখৰ পৰা মূৰৰ ওপৰফাললৈ গতি কৰিলে। পাছ ঠেং যোৰা বেছিভাগ ক্ষেত্ৰতে নাইকিয়া হৈ পৰিল আৰু থাকিলেও নাম মাত্ৰহে থকা হ'ল। দেহৰ পাছৰ অংশটো মাছৰ ফিছাৰ আকৃতিৰ হৈ সাঁতোৰাত সহায় কৰা হ'ল। প্ৰয়োজন নোহোৱাত গাৰ নোমবিলাক প্ৰায় নাইকিয়া হৈ পৰিল। ছালত থকা ঘৰ্ম বা আন গ্ৰন্থিসমূহ নাইকিয়া হ'ল। কিন্তু ইমানখিনি পৰিবৰ্ত্তন হোৱা স্বত্বেও ইহঁতে আজিও স্থলচৰ প্ৰাণীৰ সকলোবিলাক অভ্যাস এৰিব পৰা নাই। উদাহৰণ স্বৰূপে ইহঁতে এতিয়াও পাণীৰ ওপৰলৈ আহি হাওঁফাওঁৰ সহায়তে শ্বাস প্ৰশ্বাস লব লগা হয়। দ্বিতীয়তে পোৱালী জগাবলৈ ইহঁত এতিয়াও মাটিলৈ আহিব লাগে। শিহু তিমিমাছ বা সাগৰীয় গাইৰ উপৰি আন দুই এজাত স্তন্যপায়ী প্ৰাণীও পানীত থাকে। ছিটাটুংগা (Sitatunga) নামৰ আফ্ৰিকাৰ এজাত কৃষ্ণসাৰে হেনো পানীৰ তলতে শুবও পাৰে।

উৰণৰ ক্ষেত্ৰতো সেই একেই কথা। বিভিন্ন পতংগ বাদুলী আদিয়েও উৰিব পাৰে। কিন্তু চৰাইৰ দৰে পাৰে জানো? চৰাইৰ দৰে আকাশৰ বহুত ওপৰলৈ বা বহুত দূৰলৈ উৰাব ক্ষমতা ইহঁতৰ আছে জানো? পোক পতংগ বা বাদুলীৰ পাখি কেইখন চৰাইৰ সমানে শক্তিশালী নহয়। পাখি উঠা নমা কৰিবৰ কাৰণে ইহঁতৰ উৰণ পেশী নাথাকে আৰু অতিৰিক্ত শ্বাস প্ৰশ্বাসৰ কাৰণে বায়ুমোনাও নাথাকে। পতংগৰ পাখি শৰীৰৰ বহিঃ আবৰণৰ একোটা ৰূপান্তৰিত অৱস্থাহে। দুই এজাত মাছ ভেকুলী আৰু কেকেটুৱায়ো উৰিব পাৰে।

কেৱল ওখ গছৰ পাত খাবৰ কাৰণেই জিৰাফৰ দীঘল ডিঙিটো সৃষ্টি হোৱা নাই। জিৰাফৰ দীঘল ডিঙিৰ আন উপকাৰীতাও আছে। ডাঙৰ জিৰাফ একোটাৰ মূৰটো মাটিৰ পৰা প্ৰায় উনৈশ ফুট মান ওপৰত থাকে। মূৰটো থকা মানে লগত চকু কেইটাও। চকু কেইটা ওখত থকাৰ কাৰণে বহুত দূৰৈৰ পৰাই শত্ৰুৰ গতিবিধি লক্ষ্য কৰিব পাৰে। শত্ৰু দূৰৈত দেখিলেই ইহঁতে দৌৰি পলাবলৈ লয়। জিৰাফৰ দৌৰৰ গতিবেগো কম নহয়। গড়ে ঘণ্টাত ৫৫ কিলোমিটাৰতকৈও বেচি। জিৰাফৰ আন এক বৈশিষ্ট্য হ'ল যে ইহঁতে জিৰাখন মুখৰ পৰা প্ৰায় ডেৰফুটমান দূৰলৈ উলিয়াই দিব পাৰে। আগে পাছে সমানে চাব পৰা এজাত প্ৰাণীও আছে। নাম জাৰব'আ (Zerboa)। আকৃতিত নিগণিৰ দৰে। আফ্ৰিকাৰ বাসীন্দা। ইহঁতে

হেনো মৰটো নঘৰোৱাকৈয়ে পাছফালৰ বস্তুও দেখা পায়। ইহঁতৰ চকু কেইটা এনেদৰে গঠিত যে ৩৬০ লৈকে ঘূৰাই দিব পাৰে।

অনুকূলনৰ শিক্ষা মানুহেও লৈছে প্ৰাণীৰ অনুকূলনৰ শিক্ষা বৰ্ত্তমান মানুহেও গ্ৰহণ কৰিছে। প্ৰকৃতিৰ সকলো উদ্ভিদ আৰু প্ৰাণীয়েই পৰিবেশৰ লগত খাপ খাই জীয়াই থকাৰ উপযুক্ত। কিন্তু তেনে উপযুক্ততা আমাৰ নাই। জ্ঞান বিজ্ঞানৰ বলত আমাৰ পৰিবেশ আমি নিজেই গঢ়ি লৈছো। তেনে কৃত্ৰিম পৰিবেশৰ বলত খাপ খোৱাৰ ব্যৱস্থাসমূহো আমি নিজেই সৃষ্টি কৰিছো। কিন্তু এই ব্যৱস্থাসমূহৰ আহিও আমি বহু সময়ত প্ৰকৃতিৰ পৰাই লৈছো। মাছৰ নমুনাৰে ভাল ভাল জাহাজ বেগী জন্তুৰ নমুনাৰে বেগী যানবাহন আৰু বেগী চৰাইৰ নমুনাৰে উৰাজাহাজ তৈয়াৰ কৰা হৈছে। মাছৰ ফুলৰ নমুনাৰে চাবমেৰিণৰ গাত ফুল তৈয়াৰ কৰি পানীৰ পৰা পোনে পোনে অক্সিজেন আহৰণ কৰাৰ কৌশল উদ্ভাৱন কৰা হৈছে। ভেকুলীৰ চকুৰ বৈশিষ্ট্য হ'ল যে ইয়াৰে লৰচৰ কৰা বস্তুহে দেখা পায় স্থিৰ বস্তু দেখা নাপায়। তদুপৰি শত্ৰু মিত্ৰৰ পাৰ্থক্য ধৰাৰ ক্ষমতাও ভেকুলীৰ চকুৰ আছে। গতিকে বিজ্ঞানীসকলে এতিয়া গৱেষণা কৰি বিমান কোঠসমূহত ভেকুলীৰ চকুৰ আৰ্হিৰে ৰাদাৰৰ দৰে কাম কৰিব পৰা যান্ত্ৰিক চকু প্ৰতিষ্ঠা কৰাৰ কথাও ভাবিছে।

বাদুলীৰ শ্ৰৱণেন্দ্ৰিয়ৰ ক্ষমতা অসীম। গতিকে এনে শ্ৰৱণেন্দ্ৰিয়ৰ আৰ্হিৰে যন্ত্ৰ তৈয়াৰ কৰাৰ কথাও ভবা হৈছে। আমেৰিকাত থকা জনজাতি সাপৰ মূৰত এটা ৰঙা মণি থাকে। এই মণিটোৰ সহায়ত সাপটোৱে ১ চেণ্টিগ্ৰেডৰ এহেজাৰ ভাগৰ এভাগ তাপৰ তাৰতম্যও ধৰিব পাৰে। তাপৰ ইমান সূক্ষ্ম পাৰ্থক্য ধৰিব পৰা যন্ত্ৰ এতিয়ালৈকে ওলোৱা নাই। গতিকে বিজ্ঞানীসকলে ইয়াৰ নমুনাৰে যন্ত্ৰ তৈয়াৰ কৰাৰ কাৰিকল্পনাও হাতত লৈছে। মহৰ শব্দ সৃষ্টি কৰিব পৰা আৰু শুনিব পৰা শক্তি আৰু ফেচাৰ শ্ৰৱণ শক্তিও বৰ শক্তিশালী। বিজ্ঞানীসকলে ইয়াৰ অনুকৰণৰ ব্যৱস্থাও কৰিছে। মুঠতে প্ৰাণী সমাজৰ স্বাভাৱিক অনুকূলনৰ আৰ্হি লৈহে আমি আমাৰ বহুতো যন্ত্ৰ পাতি আজি সাজি উলিয়াবলৈ সমৰ্থ হৈছো। আনকি শত্ৰুৱে দেখা নাপাবৰ কাৰণে সৈন্যসকলৰ সাজ পোচাক আদিতো ফৰিং গাগিনী আদিৰ গাত সনা সেউজীয়া ৰংটোহে সানি দিছো।

আদালতত জীৱ-জন্তু

ভাৰতৰ আন আন ৰাজ্যৰ নগৰ চহৰবোৰত পোহনীয়া গৰু বা কুকুৰ আদিৰ ওপৰত কিবা বিচাৰ চলে নে নাই নাজানো — কিন্তু আমাৰ অসমৰ নগৰ চহৰবোৰত হ'লে সেইবিলাক নীতি নিয়ম নাই। আমাৰ নগৰসমূহৰ তিনি আলি চাৰি আলিবোৰত সন্ধ্যা হোৱাৰ লগে লগেই জাকে জাকে নোদোকা নোদোক গাই গৰুবোৰ শুই পৰে। হাতী যেন প্ৰকাণ্ড গাই। আপোনাৰ হয়তো ভাব হ'ব—সেৰে সেৰে গাখীৰ দিব পৰা এই গাই গৰুবোৰ ৰাস্তাত কিয়? পাছে নহয়। ইহঁতৰ পোৱালী ইতিমধ্যে ডাঙৰ হৈছে। অৰ্থাৎ পিয়ন চাৰিছে। গাখীৰ দি থকা হ'লে হয়তো গোহালিতেই ঠাই পালেহেঁতেন। নগৰত পিয়ন চৰা গৰু হেনো ৰাস্তালৈ উলিয়াই দিয়াটোৱেই নিয়ম। পাছে এই গৰু মখাই জানো ৰাতি গাড়ী মটৰবোৰক বিপদত নেপেলায়? পুলিচে বাট দিলেও গৰুৱে নিদিয়ে। নগৰৰ ৰাস্তাই ঘাটে ঘূৰি ফুৰা হাড় ছাল ওলোৱা ফাঁপৰে খোৱা কুকুৰ মখাও কম নহয়। ইহঁতে কাক কেতিয়া কি অপকাৰ কৰে কোৱা টান। আনদেশত হোৱা হ'লে হয়তো এইবিলাকৰ ওপৰত কোনোৱে দুই এখন গোচৰকে তৰিলহেঁতেন। কিন্তু আমাৰ দেশত মানুহৰ গোচৰেই নিষ্পত্তি নহয় গৰু কুকুৰৰ বিচাৰ কৰে কোনে?

পোহনীয়া জন্তুক গিৰিহঁতেই শাস্তি দিয়ে — গাঁৱৰ কথা অৱশ্যে বেলেগ। শস্য খোৱা বা নষ্ট কৰা বাবেই পোহনীয়া গৰু মহবিলাকক দিনত এৰি দিলেও ৰাতি এৰা নহয়। তদুপৰি দোষ অনুযায়ী শাস্তিও দিয়া হয়। চোৰ গৰুৰ ডিঙিত কলগছৰ টুকুৰা বা কাঠ আদি বান্ধি দিয়া হয় যাতে দৌৰ মাৰি পলাব নোৱাৰে। মৰণা ফুৰাওঁতে বা ধাননিৰ মাজেদি নিব লগা হ'লে মুখত মোখোৰা লগাই দিয়া হয়। ডাঙৰ গৰু মহ আদিৰ নাক ফুটাই নাকী লগোৱা হয়। নাকী থাকিলে তুৰি মুৰি কৰিব নোৱাৰে। হালবাওঁতে গৰু শুলে কাণত পানী সুমুৱাই দিয়া হয়। কোনো কোনোৱে আকৌ চোৰ গৰুৰ নেজডালকে কাটে বা গাত আলকতৰা সানে। দুন্দুৰা গৰুৰ জোঙা শিং কেইটা কাটি ডোটা কৰি দিয়া হয়। জেওৰাৰ ফুটাৰ মাজেদি হেঁপা মেলি কঠিয়া ৰোৱা আদি খোৱা ছাগলীৰ ডিঙিত আৰি দিয়া হয় ডাকুৰ। হাতী ঘোঁৰা আদি শাসন কৰিবলৈ সিহঁতৰ পাছঠেং যোৰা ৰছিৰে বান্ধি থোৱা হয়। একো একোজাত জন্তুক শাসন কৰা বা শাস্তি দিয়াৰ এইবিলাক একো একোটা নিয়ম। পাছে কিছুমান দেশত মানুহে জন্তুক কেৱল শাস্তি দিয়েই নেৰে সিহঁতৰ ওপৰত মোকদ্দমাও তৰে। মানুহৰ দৰেই জন্তুৱেও আদালতত হাজিৰ হ'ব লগা হয় আৰু দোষী সাব্যস্ত হ'লে দণ্ডও মূৰ পাতি ল'বলগাত পৰে।

মাক ভালেই জীয়েক জাতি • এসময়ত আন প্ৰাণীৰ তুলনাত গাহৰিৰ ওপৰতেই বেচি মামলা মোকৰ্দমা চলিছিল। এনে মোকদ্দমা সমূহৰ বেচি ভাগেই আছিল—লৰা ছোৱালী হত্যাৰ। ১৫৪৭ চনত চেণ্ডিগনি নামেৰে এখন ঠাইত চলা আন এখন বিচাৰ আছিল এনেধৰণৰ। এজনী গাহৰিয়ে পোৱালী কেইটাৰে ঁসৈতে লগলাগি এটি সৰু লৰা মাৰি খাই পেলালে। গাহৰিৰ মাক আৰু পোৱালীৰ ওপৰত গোচৰ তৰা হ'ল। গোচৰ চলিল। গাহৰিৰ হৈ ওকালতি কৰা উকীল জনে যুক্তি দেখুৱালে যে এইটো সিহঁতৰ প্ৰথম কচুৰ। গতিকে আগলৈ সাৱধান কৰি পৰিয়ালটোক খালাচ কৰি দিব লাগে। অগত্যা তাকে নকৰিলেও কেৱল মাকজনীকহে শাস্তি দিয়া উচিত। কাৰণ মাকজনীয়েহে এনে এটা বেয়া আদৰ্শ পোৱালীবোৰক দেখুৱাইছে। পোৱালী কেইটা নাবালক। সিহঁতে নিজৰ বুদ্ধিৰে এই কাম কৰা নাই। সিহঁতে মাত্ৰ মাকৰ আদেশহে পালন কৰিছে। দ্বিতীয় যুক্তিটোত বিচাৰকৰ বিশ্বাস জন্মিল। মাকজনীক মৃত্যুদণ্ড দি গাহৰিৰ গিৰিহঁতক পোৱালী কেইটাই আগলৈ এনে কাম নকৰে বুলি খত লেখি দিবলৈ কোৱা হ'ল। পাছে গাহৰিৰ গিৰিহঁতে ভাবি চিন্তি দেখিলে যে চোৰৰ পোতেক চোৰ। মাক ভালেহে জীয়েক ভাল। মাকেই যেতিয়া এনে কাম কৰিছে—পোৱালী কেইটাইযে আগলৈ এনে কাম নকৰিব তাৰ কি নিশ্চয়তা আছে? গিৰিহঁতে পোৱালী কেইটা বিচাৰকৰ ওচৰতে জমা দি ঘৰমুৱা হ'ল। বিচাৰকেও উপায় নাপাই পোৱালী কেইটাক জেলতে সোমুৱাই থলে।

১৮৬৪ চনত গাহৰিৰ ওপৰত আৰু এখন বিচাৰ হৈছিল স্লেভনিয়া নামে ঠাই এখনত। গাহৰিৰ দোষটো আছিল—সি সৰু ছোৱালী এজনীৰ কাণ এখন খাই পেলালে। বিচাৰ চলিল। গাহৰিটো দোষী বুলি প্ৰমাণিত হ'ল। বিচাৰকে ৰায় দিলে যে গাহৰিৰ গিৰিহঁতে ছোৱালীৰ বাপেকক এক বজন পৰিমানৰ টকা দিব লাগে। কাৰণ আগলৈ কাণ কটা ছোৱালীজনীৰ কাৰণে দৰা পোৱা টান হ'ব। গতিকে এই টকাখিনি দিয়েই হয়তো দৰা এজনৰ যোগাৰ কৰিব পাৰিব। গাহৰিৰ গিৰিহঁত আৰু পোৱালীৰ বাপেক দুয়ো ৰাজী হ'ল। বিচাৰৰো সিমানতে অন্ত পৰিল।

ঘৰিয়ালো কেতিয়াবা আচামী হ'ব লগা হয় • কিছু বছৰৰ আগৰ কথা। বোৰ্ণিও দ্বীপৰ এঠাইত এটা ঘৰিয়ালৰ ওপৰত গোচৰ তৰিব লগা হৈছিল। কাৰণটো হ'ল যে তাৰ এজনী ধনীয়া ছোৱালী ঘৰিয়ালটোৱে খালে বুলি সন্দেহ কৰা হ'ল। ছোৱালী জনী নৈত গা ধুবলৈ গৈ উভতি নাহিল। অথচ নৈৰ পাৰত ছোৱালীজনীৰ কাপোৰ কানি আৰু এপাত ইয়েৰিং পোৱা হ'ল। গাঁৱৰ ৰাইজে বহুত বান্ধি সন্ধি কৰি ঘৰিয়ালটো ধৰি পাৰলৈ তুলি আনিলে। তাৰ পাছত তাক এটা পিঞ্জৰাত ভৰাই বিচাৰকৰ কাষলৈ লৈ যোৱা হ'ল। ইতিমধ্যে ঘৰিয়ালটোৰ সপক্ষে ওকালতি কৰিবলৈ চৰকাৰৰ ফালৰ পৰাই এজন উকীলক নিযুক্তি দিয়া হ'ল।

দুয়ো পক্ষৰ উকীলে নিজৰ নিজৰ মক্কেলৰ সপক্ষে যুক্তি দাঙি ধৰিলে। ছোৱালীৰ পক্ষৰ উকীলে ক'লে—ঘৰিয়ালটোৱে যিহেতু ছোৱালীজনীক খাইছে গতিকে তাৰ মৃত্যুদণ্ড হ'ব লাগে। আনহাতে আচামী পক্ষৰ উকীলে ক'লে—ছোৱালীজনী অকলে নৈলৈ যোৱাটোৱেই ভুল হৈছিল। দ্বিতীয়তে ঘৰিয়ালটো সেই সময়ত অত্যন্ত ভোকত আছিল। ভোকে নাজানে দেৱা কৰ্ব্বা। গতিকে ছোৱালীজনী খোৱাটো একো অপৰাধ হ'ব নোৱাৰে। বিচাৰ কক্ষত কেইজনমান পাদ্‌ৰী চাহাবো আছিল। তেওঁলোকেও ঘৰিয়ালৰ সপক্ষে যুক্তি দাঙি ধৰি ক'লে — বিচাৰক মহোদয় নদী এখনত বহুতো ঘৰিয়াল থাকে। কিন্তু এইটো ঘৰিয়ালেই যে ছোৱালীজনী খালে তাৰ কি প্ৰমাণ আছে? বিচাৰকে কিন্তু তেওঁৰ নিজৰ সিদ্ধান্তত অলৰ অচৰ হৈ থাকিল। বিচাৰকে ৰায দান দি ক'লে— ছোৱালী জনীয়ে কোনো অপকাৰ নকৰাকৈয়ে তাইক খোৱাটো ঘৰিয়ালৰ ডাঙৰ অপৰাধ। গতিকে তাৰ শাস্তি মৃত্যুদণ্ড। তাৰ পাছত গাঁৱৰ ৰাইজে তাক কাটি টুকুৰা টুকুৰ কৰিলে। ভাগ্য ভাল যে তাৰ পেটতেই ছোৱালীজনীৰ ইয়োৰিং এপাট পোৱা হ'ল। -



চিত্ৰ নং—২২

[ঘৰিয়াল এবিধ সৰীসৃপ জাতীয় প্ৰাণী। ইহঁতৰ হনু দুটা সন্মুখৰ ফালে আগবঢ়া। দীঘে ৬ মিটাৰ পৰ্য্যন্ত হয়। নেজডাল ডাঙৰ শক্তিশালী আৰু খাঁজখকা। ইহঁতে নেজডালেৰে শত্ৰুক আক্ৰমণ কৰিব পাৰে। মাছেই ইহঁতৰ প্ৰধান খাদ্য যদিও কেতিয়াবা আন প্ৰাণীও খায়। এবাৰ ছোৱালী এজনী খোৱাৰ কাৰণে ঘৰিয়াল এটাৰ ওপৰত এক গোচৰো তৰা হৈছিল।]

ষাঁড় গৰুকো ফাঁচী দিয়া হয় আগৰ দিনত বদমাছ ষাড় গৰুৰ ওপৰতো বিচাৰ চলিছিল। ১৩১৪ চনত মইচি নামেৰে এখন ঠাইত ষাঁড় গৰু এটাই মানুহ এজনক এনেকৈ খুচিলে যে মানুহজন মৰিয়েই থাকিল। ষাড়টোৰ বিৰুদ্ধে এজাহাৰ দিয়া হ'ল। পুলিচে ধৰি মেলি নি তাক মানুহৰ কয়দীৰ লগতে টাউন জেলত থ'লেগৈ। কয়দীসকলে জেলত ষাড়টো থকাৰ কথা জানি কোঠাৰ পৰা নোলোৱা হ'ল। জেল কৰ্তৃপক্ষই ভালেই পালে। পাছে ইতিমধ্যে তাৰ বিচাৰো চলিল।

বিচাৰৰ ৰায়মতে ষাড়টোক মানুহক ফাঁচী দিয়াৰ দৰেই ফাঁচি দিয়া হ'ল। দোষীৰ উপযুক্ত দণ্ড হ'ল। আনহাতে কয়দীসকলেও সকাহ পালে।

মধ্যযুগত কোনো প্ৰাণীয়েই দোষ কৰি সাৰি যাব নোৱাৰিছিল। ১৬৩৯ চনত দিজন নামেৰে এখন ঠাইত এটা ঘোঁৰাৰ বিৰুদ্ধে এটা গোচৰ তৰা হৈছিল। ঘোঁৰা টোৰ দোষ হ'ল—সি লগৰ ঘোঁৰা এটা মাৰিলে। হত্যাৰ অপৰাধ ডাঙৰ। গতিকে বিচাৰৰ ৰায়মতে তাক প্ৰাণদণ্ড বিহা হ'ল। ১৬৯৪ চনত ঠিক একে ধৰণৰ কাৰণতে এইক্স নামেৰে অন্য এঠাইত এজনী মাইকী ঘোঁৰাক আদালতৰ নিৰ্দেশক্ৰমে জীয়াই জীয়াই পুৰি মৰা হ'ল।

আজিকালি বাঘে কোনো অঞ্চলত বৰকৈ উপদ্ৰৱ কৰিলে তাক ভাল চিকাৰীৰ হতুৱাই বধ কৰোৱা হয়। কিন্তু একালত এনেধৰণৰ বাঘৰ ওপৰতো গোচৰহে তৰা হৈছিল। ১৪৪২ চনত জুৰিকত এটা কুকুৰনেচিয়া বাঘৰ উপদ্ৰৱৰ পৰা হাত সাৰিবলৈ তাৰ ওপৰত স্থানীয় ৰাইজে এটা গোচৰ তৰিলে। বিচাৰকৰ ৰায় মতে কুকুৰনেচিয়া বাঘটোক চাৰি আলিৰ চুক এটাত সকলোৰে দেখাকৈ ফাঁচী দিয়া হ'ল। আন জন্তুটো বাদেই সেইকালত বিনা বিচাৰে কুকুৰকো শাস্তি দিয়া নহৈছিল। ১৭১২ চনত এটা কুকুৰে অষ্ট্ৰিয়াৰ এজন মানুহ কাম ৰিছিল। আজিকালিৰ হোৱা হ'লে ই এটা সাধাৰণ ঘটনা। কিন্তু তেতিয়াৰ কথা বেলেগ। কুকুৰটোৰ ওপৰত গোচৰ তৰা হ'ল। বিচাৰকে ৰায় দিলে যে কুকুৰটোক এবছৰৰ কাৰণে দুকন্দা কাঠৰ চেপাত সুমুৱাই থব লাগে। বিচাৰকৰ ৰায় মতেই কাম কৰা হ'ল। পাছে কুকুৰটো কাঠৰ চেপাত কেইদিন মানহে জীয়াই থাকিল। অৰ্থাৎ তাৰ শাস্তি প্ৰাণদণ্ডই হ'ল। বলীয়া কুকুৰৰ ক্ষেত্ৰততো কোনো বিচাৰেই নহৈছিল। কেৱল শাস্তিৰ বিধানহে আছিল। বলীয়া কুকুৰ পালেই অংগক্ষত কৰা হৈছিল। যিটো কুকুৰে যিমানজন মানুহ কামোৰে সিমানটা অংগ কাটি পেলোৱা হয়। প্ৰথমতে কাণ তাৰ পাছত নেজ আৰু একেবাৰে শেষত ঠেং।

হাকিমতকৈ হুকুম ডাঙৰ। মধ্যযুগত পোক পতংগ চৰাই আদিৰ ওপৰতো গোচৰ তৰা আৰু বিচাৰ কৰাৰ ব্যৱস্থা আছিল। ১৮৬৪ চনত ইউৰোপৰ এঠাইত মৌ এবাঁহৰ ওপৰত এটা গোচৰ তৰা হৈছিল। মৌ বাঁহৰ দোষটো হ'ল—সিহঁতে এজন মানুহ ফুটি মাৰি পেলালে। বিচাৰকে ৰায় দিলে যে মৌবাঁহক কাপোৰ কানি বা আন কিহবাৰে ঢাকি উশাহ নিশাহ নোপোৱাকৈ নিজৰ বাঁহতে মৃত্যুদণ্ড দিব লাগে। হাকিমতকৈ হুকুম ডাঙৰ। গতিকে সেই মতেই কাম কৰা হ'ল। পাছে বাঁহটো মেৰিয়াবলৈ যাওঁতেই হেনো আৰু দুজন মানক ফুটিলে।

সৰু সৰু প্ৰাণীবিলাকৰ ক্ষেত্ৰত বেচিভাগ বিচাৰেই বজাঘৰীয়া বিচাৰকে কৰাতকৈ ধৰ্মীয় পুৰোহিতেহে কৰিছিল। পোন্ধৰশ শতিকাত লউছানিৰ বিছপে হ'ল নামৰ মাছজাতক লেমন নামৰ হ্ৰদটোৰ পৰা দেশান্তৰ কৰিলে। কাৰণ বিছপ গৰাকীয়ে হ্ৰদটোত গা ধোওঁতে মাছজাতে সদায় দিগদাৰি কৰিছিল। সেই একেটা হ্ৰদতে

হামলিন নামৰ মাছবিলাকক জোকে খাই বৰ নগৰ নাৰ্গতি কৰিছিল। জোকৰ শাস্তি হিচাবে সিহঁতকো হ্ৰদটোৰ পৰা বহিস্কাৰ কৰা হ'ল। ট্ৰয়াৰ নামৰ আন এটা অঞ্চলৰ বিছপ গৰাকীক এজাত চাতক চৰায়ে বৰ আমনি কৰিছিল। চৰাইজাকে গীৰ্জাতে বাঁহ সাজি গীৰ্জাটো লেতেৰা কৰিছিল বিছপৰ কাপোৰ কানি নষ্ট কৰিছিল আৰু মন্ত্ৰ মাতি থাকোতে কোঢ়াল কৰিছিল। বিছপে উপায় নাপাই গোটেই গীৰ্জা অঞ্চলটো চৰাইজাতৰ কাৰণে নিষিদ্ধ অঞ্চল বুলি ঘোষণা কৰিলে আৰু চৰাইখিনিক তাৰ পৰা খেদি পঠালে। ভিন ভিন দোষত ভিন ভিন গীৰ্জাৰ পৰা বহিস্কাৰ কৰা আন প্ৰাণীসমূহ হ'ল—এন্দুৰ নিগনি সাপ বিছা পইতাচোৰা শামুক উই চিৰিঙা, ভোমোৰা কাছ, কপৌ আৰু শিহু।

বহুতো ঠাইত বহুতো প্ৰাণীক সিহঁতৰ পূৰ্বপুৰুষসকলে কৰা উপকাৰৰ কাৰণেই আজিও পূজা কৰা হয়। ৰোমানসকলে বছৰি উৎসব পাতি ৰাজহাঁহক পূজা কৰে। কাৰণ এসময়ত এই ৰাজহাঁহেই চিঞৰি চিঞৰি ৰোম নগৰখনক গাল চৰাইৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিছিল। আকৌ একেটা উৎসবতে একোটা কুকুৰ নিৰ্মমভাৱে হত্যা কৰা হয়। কাৰণ সেইহেন বিপদৰ সময়ত এটি কুকুৰেও ভুকা নাছিল।

বেয়া মাত মাতিলেও জেইল খাব লাগে আগৰ কালৰ কথাটো বাদেই কুৰি শতিকাৰো সো সিদিনালৈকে জীৱজন্তুৰ ওপৰত বিচাৰৰ ব্যৱস্থা আছিল। ১৯৭০ চনত চানফ্ৰান্সিচকোত চুচচ (chucho) নামেৰে এটা ভাটৌক তাৰ অপৰাধ মূলক কাৰ্য্যৰ বাবে গ্ৰেপ্তাৰ কৰা হ'ল। ভাটোৰ অপৰাধ সি বেয়া মাত মাতিছিল। বিচাৰকে ভাটৌটোক জেইল দিলে আৰু সেইমতে তাক এটা সজাত ভৰাই থোৱা হ'ল। অকল সেয়ে নহয় তাৰ জিবাখন নিতৌ খহটা চাবোন এটুকুৰাত ঘঁহাবলৈ লোৱা হ'ল। এনে কৰাত কিছুদিনৰ মূৰত তাৰ মাত কথা পোন হ'ল আৰু জেলৰ পৰাও মুক্তি পালে।

১৯৭১ চনত স্পেইনৰ এখন গাঁৱত বান্দৰৰ খেল দেখুৱাই থাকোতে এটা বান্দৰে এটি কেচুৱা ল'ৰাক সামান্য আঁচুৰিলে। খেল দেখুওৱা লোকজনে দৰ্শকৰ আগত লাজ পালে। তেওঁ খঙত বান্দৰটোৰ ওপৰত গোচৰ এটাকে তৰিলে। বিচাৰকৰ নিৰ্দেশমতে বান্দৰটোক বহুতদিন বন্দী কৰি থোৱা হ'ল। পাছত স্বভাৱ চৰিত ভাল হ'লতহে খুলি দিয়া হ'ল। সেই একেটা বছৰতে অৰ্থাৎ ১৯৭১ চনতে অন্ধ্ৰপ্ৰদেশত এটা ম'হৰ ওপৰত আন এটা গোচৰ তৰা হৈছিল। ম'হটোৰ দোষ—সি মানুহ খেদি ফুৰে আৰু এজন মানুহ শিঙেৰে খুঁচি মাৰিয়েই পেলালে। ম'হটোক বাইজে ধৰি আনি বিচাৰকৰ আগত হাজিৰ কৰালে। বিচাৰকৰ ৰায় মতে ম'হটোৰ পাঁচবছৰ জেইল হ'ল। ১৯৭৭ চনতহে ম'হটোৱে হায়দৰাবাদৰ কেন্দ্ৰীয় জেইলৰ পৰা মুক্তি পালে। কিন্তু ম'হটোৱেও জেলত থাকি জুতিহে পালে। সি

জেলৰ পৰা নোযোৱা হল। গতিকে বন্দী হিচাবে নাৰাখিলেও মহটোক জেলৰ ভিতৰতে থাকিবলৈ অনুমতি দিয়া হল।

মহ এটা জেলত ৰখা বৰ অসুবিধা নহলেও হাতী যেতিয়া জেলত ৰাখিব লগা হয়—জেইল কর্ত্তৃপক্ষ বৰ বিমোৰত পৰে। কাৰণ সিহতক থাকিবলৈ ঠায়ো লাগে যথেষ্ট আৰু খাদ্যও লাগে বহুত। আমেৰিকাৰ ব্ৰুকফিল্ড নামেৰে এখন ঠাইত তেনে এটা সমস্যাৰেই উদ্ভব হৈছিল। ৯৪১ চনত জিগী নামৰ ছয়টন ওজনৰ হাতী এটাই হাৰমণিয়াম বজাই দেখুৱাই দৰ্শকৰ পৰা বহুত টকা উপাৰ্জন কৰিছিল। তাৰ উপাৰ্জনেৰেই সি আৰু তাৰ গিৰিহঁত—দুয়ো সুখেৰে জীৱন নিৰ্বাহ কৰিছিল। কিন্তু কি দুৰ্ভাগ্য কিবা কথাত ঠোটা মোজা লাগি জিগীয়ে এদিন তাৰ গিৰিহঁতকে হত্যা কৰিবলৈ উদ্যত হল। গৰাকীৰো খং উঠি তাৰ ওপৰত গোচৰ তৰিলে। গোচৰৰ ৰায় অনুসৰি ২৯ বছৰ কাল হাতীটোক অকলশৰে বন্দী কৰি থোৱা হল। সৌ সিদিনা ১৯৭০ চনৰ অক্টোবৰ মাহতহে হাতীটোৱে খালাচ পালে।

নানা প্ৰাণী, নানা ৰং

তিনিটা কাৰণত প্ৰাণীৰ দেহৰ ৰং বেলেগ বেলেগ হয়। এটা হ'ল শত্ৰুৱে নেদেখাকৈ পৰিবেশৰ ৰঙৰ লগত মিলি থাকিবলৈ এটা হ'ল শত্ৰুক ভয় খুৱাবলৈ আৰু তৃতীয়টো হ'ল নিজৰ দেহৰ ৰং দেখুৱাই প্ৰেমিক বা প্ৰেমিকাক ভুলাবলৈ। পৰিবেশৰ ৰঙৰ লগত নিজৰ দেহৰ ৰং মিলাই শত্ৰুৰ চকুত ধৰা নিদিয়াকৈ থকাটো প্ৰায় সকলো প্ৰাণীৰে একে ধৰ্ম। অৱশ্যে চৰাই আৰু জন্তুৰ ক্ষেত্ৰত ই অধিক স্পষ্ট।

সিংহৰ ৰং গুহাৰ ৰঙৰ লগত মিলি থাকে মাছৰ পৰা আৰম্ভ কৰি স্তন্যপায়ীলৈকে প্ৰায় সকলোবিলাক প্ৰাণীৰে পিঠিৰফালৰ ৰং ডাঠ আৰু পেটৰ ফালৰ ৰং পাতল। প্ৰাণীটোক তলফালৰ পৰা চালে ধৰিব নোৱাৰি কাৰণ পেটৰ ফালৰ পাতল ৰংটো আকাশৰ ৰঙৰ লগত মিলি থাকে। আকৌ প্ৰাণীটোক ওপৰৰ পৰা চালেও ধৰা টান কাৰণ পিঠিৰ ৰং তলৰ মাটি বা ঘাঁহবনৰ লগত মিলি থাকে। গাত শৃং দাঁত নখ বা বিহ আদি নথকা নিঃসহায় প্ৰাণীসমূহৰ ক্ষেত্ৰত নিজৰ দেহৰ ৰংটোৱেই জীয়াই থকাৰ সম্বল। ইহঁতৰ গাৰ ৰং ঘাঁহ বন পাত আদিৰ লগত এনেকৈ মিলি থাকে যে শত্ৰুৱে ধৰিবই নোৱাৰে। আনহাতে শক্তিশালী পৰাক্ৰমী আৰু চিকাৰী প্ৰাণীসমূহৰো ৰঙৰ প্ৰয়োজন নোহোৱা নহয়। কাৰণ চিকাৰী প্ৰাণীটোৰ ৰং যদি পৰিবেশৰ ৰঙৰ লগত মিলি থাকে- চিকাৰ কৰিব লগা প্ৰাণীটোৱে দেখা নাপায় আৰু সেয়ে চিকাৰ কৰিবলৈ তাৰ সুবিধা হয়। উদাহৰণ স্বৰূপে ঢেকিয়াপতীয়া বাঘ সিংহ আদিৰ কথাকে কব পাৰি। ঢেকিয়াপতীয়া বাঘ ইকৰাণি বিৰিনানিৰ মাজে মাজে ঘূৰি ফুৰোতে দেখা পোৱা টান। ঢেকিয়াপতীয়াৰ গাত পথালিকৈ থকা হালধীয়া আৰু বগা আঁচবোৰৰ ওপৰত বেলিৰ পোহৰ পৰিলে ইহঁতৰ বৰণ বিৰিনানিৰ ৰঙৰ লগত মিলি পৰে। নাহৰফুটুকী বাঘৰ ফুটফুটীয়া দাগবোৰেও ইহঁতক লুকাই থকাত সহায় কৰে। মেৰু অঞ্চলত থকা প্ৰাণী বিলাকৰ ৰং বগা বৰফৰ দৰে। মৰুভূমিত থকা প্ৰাণীৰ গাৰ ৰং বালিৰ লগত মিলি থাকে। সিংহৰ বাসস্থান হ'ল গুহা। গতিকে ইহঁতৰ গাৰ ৰং গুহাৰ ৰঙৰ লগত মিলি থাকে। শত্ৰুৰ চকুত ধূলি দিবলৈকে জেব্ৰাৰ গাত বগা আৰু কলা আঁচ থাকে।

চৰাইৰ ভিতৰত মাটিত বাঁহ সাজি পোৱালী জগোৱা চৰাইবিলাকৰ বিপদেই আটাইতকৈ বেচি। কাৰণ ইহঁতক যি কোনো সময়তে সৰীসৃপ বা স্তন্যপায়ী

প্ৰাণীসমূহে আক্ৰমণ কৰিব পাৰে। কিন্তু ইহঁতো বাচি থাকে দেহৰ ৰংটোৰ কাৰণেই। ইহঁতৰ মাক আৰু পোৱালীৰ ৰং মাটিৰ ৰঙৰ লগত এনেকৈ মিলি থাকে যে শত্ৰুৱে ধৰিবই নোৱাৰে। তদুপৰি মাটিত জগা চৰাই পোৱালীৰ আন এক বৈশিষ্ট্য হ'ল যে মাক আঁতৰি যোৱাৰ লগে লগে ইহঁত অকণো লৰচৰ নকৰাকৈ স্থিৰ হৈ থাকে। মাটিত থকা সাপ গুই এন্দুৰ চুক ভেকুলী আদি বহুতো প্ৰাণীৰ গাৰ ৰং মটীয়া বৰণৰ। পৰিবেশৰ ৰঙৰ লগত গাৰ ৰং মিলি থাকে কাৰণেই ইহঁতে শত্ৰুৰ চকুত ধূলি মাৰি বাচি থাকিব পাৰে। আনহাতে চিকাৰ কৰিব লগা প্ৰাণীয়েও ইহঁতৰ উপস্থিতি ধৰিব নোৱাৰে গতিকে চিকাৰ কৰিবলৈও সুবিধা হয়।



চিত্ৰ নং—২৩

[সিংহ কেৱল আফ্ৰিকা আৰু দক্ষিণ পশ্চিম এচিয়াতহে পোৱা যায়। আমাৰ ভাৰতত কেৱল গুজৰাটৰ কাথিৱাৰ অভয়াৰণ্যতহে সিংহ আছে। ডিঙিৰ চাৰিওফালে থকা দীঘল চুলিখিনিক কেশৰ বোলা হয়। কেশৰ কেৱল মতাবিলাকৰহে থাকে, মাইকীবিলাকৰ নাথাকে। মাংসহাৰী এই আপুৰুগীয়া প্ৰাণীজাতৰ সংখ্যা দিনক দিনে কমি আহিছে। ইহঁতৰ গাৰ ৰং গুহাৰ ৰঙৰ লগত মিলি থাকে।

পানীৰ মাজত মাছ দেখাপোৱাও টান মাছৰ ৰং নিৰ্ভৰ কৰে ছালত থকা ক্ৰমেটফৰ (chromatophore) নামৰ কিছুমান দানাযুক্ত কোষৰ ওপৰত। এই কোষসমূহ কেতিয়াবা বাকলিৰ ভিতৰ ফালে আৰু কেতিয়াবা বাকলিৰ বাহিৰফালে থাকে। ক'লা হালধীয়া কমলা আৰু ৰঙা— এই চাৰিবিধ দানাই বিভিন্ন মাছৰ গাত বিভিন্ন ৰঙৰ সৃষ্টি কৰিব পাৰে। ক'লা আৰু হালধীয়া ৰঙৰ দানা লগ লাগি সেউজীয়া আৰু ৰঙা বা হালধীয়াৰ লগত ক'লা লগ লাগি মুগা ৰঙবো সৃষ্টি কৰিব পাৰে। সূৰ্য্যৰ পোহৰ এই দানাসমূহত প্ৰতিফলিত হ'লেই

দানা অনুযায়ী সেই মাছৰ ৰং জিলিকি উঠে। একেখিনি দানাই শৰীৰৰ বিভিন্ন অংশত বিভিন্ন ধৰণে থাকি বিভিন্ন ধৰণৰ প্ৰতিফলন ঘটায়। উদাহৰণ স্বৰূপে একোটা মাছ পানীত থাকোতে কাষৰ পৰা চালে আইনাৰ দৰে তিৰ্বিৰণি এটাহে দেখা যায় মাছটোৰ অৱস্থিতি ধৰিবই নোৱাৰি। ঠিক তেনেকৈ পিঠিৰ ডাঠ ৰংটোৰ কাৰণে ওপৰৰ পৰাও মাছ দেখা টান। বহু তো মাছে আকৌ প্ৰয়োজন মতে ছালৰ ৰঙীন দানাসমূহ থুপখাব বা মেলি দিব পাৰে। ফলত পৰিবেশ অনুযায়ী বিভিন্ন চেহেৰা ধাৰণ কৰে আৰু শত্ৰুৰ হাতৰ পৰাও ৰক্ষা পৰে।

একেটা প্ৰজাতিৰ প্ৰাণীৰ ৰঙো বিভিন্ন পৰিবেশত বিভিন্ন ৰং বিৰঙৰ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে পেপাদ মথ নামৰ মথ এজাতৰ কথাকে কব পাৰি। এই মথজাতৰ দুটা ৰং আছে। কিছুমানৰ ৰং পাতল আৰু আন কিছুমানৰ ৰং ডাঠ। পাতল ৰঙৰ মথবিলাক নগৰৰ পৰা আঁতৰত থকা গাওঁভূই মূকলি পথাৰ আদিত থাকে। কাৰণ সিহঁতৰ সেই পাতল ৰঙেই গাওঁভূই বা পথাৰৰ লগত মিলি থকাত সহায় কৰে। আনহাতে উদ্যোগ প্ৰধান নগৰসমূহত থকা মথবিলাকৰ ৰং ডাঠ। কাৰণ এনে নগৰত ধূলি ধোঁৱা আদিৰে আকাশ মেঘাচ্ছন্ন হৈ থাকে। এনে পৰিবেশত মিলি থাকিবলৈ ইহঁতক ডাঠ ৰঙৰ প্ৰয়োজন। সেউজীয়া ঘাঁহে বনে পৰি থকা ফৰিং গাগিনী আদি আমাৰ চকুত সাধাৰণতে ধৰা নপৰে ঠিক তেনেকৈ ধৰা নপৰে শত্ৰুৰ হাতত। ইয়াৰ মূল কাৰণ হ'ল ইহঁতৰ সেউজীয়া ৰংটো। শুকান ডাল পাতত পৰি থকা পোক পতংগৰ ৰং মুগা। মাটিত থকা পোক পতংগৰ ৰং মটীয়া। কোকলোঙাই আকৌ শত্ৰুৰ পৰা ৰক্ষা পৰিবলৈকে গাৰ ৰং সলাই থাকিব পাৰে।

দীঘল ৰংচঙীয়া নেজ পাখি মতা মূৰাৰহে আছে মানুহৰ দৰে প্ৰাণীৰ সমাজতো ভাল সাজ পোষাকৰ আদৰ আছে। দেহৰ ৰং বিৰঙে যে সিহঁতক কেৱল পৰিবেশৰ লগত খাপ খোৱাতহে সহায় কৰে সিও নহয়। এই ৰং দেখুৱায়েই কেতিয়াবা প্ৰেমিকে প্ৰেমিকাৰ ওচৰত প্ৰেম নিবেদন কৰে। বেছিভাগ প্ৰাণীৰ ক্ষেত্ৰতে দেখা যায় যে সিহঁতৰ মতাবিলাক যিমান শকত—আৱত িপোটল আৰু ধুনীয়া চেহেৰাৰ হয় মাইকীবিলাক সিমান নহয়। উদাহৰণ স্বৰূপে ম'ৰা কুকুৰা কুলি আদিৰ কথাকে কব পাৰি। দীঘল ধুনীয়া ৰংচঙীয়া নেজ পাখিবোৰৰ গৰাকী কেৱল মতা ম'ৰা চৰাইহে। মতাটোৱেহে এই পাখিবোৰকে মেলি চালি ধৰিব পাৰে। মাইকী মূৰাৰ এনে পাখিও নাথাকে আৰু সেয়ে সিহঁতে চালি ধৰিবও নোৱাৰে। আচৰিত কথা যে মতা মূৰাৰ এই ৰংচঙীয়া পাখিবোৰতে আকৰ্ষিত হৈ মাইকী মূৰাই প্ৰেমনিবেদন কৰিবলৈ কাষ চাপি আহে। কুকুৰা চৰাইৰ ক্ষেত্ৰতো মতাবিলাকৰ মূৰতহে ডাঙৰ ৰঙা জুটো থাকে আৰু সিয়েই জীৱন সঙ্গিনী একোজনীক আকৰ্ষণ কৰাত সহায় কৰে। মতাটোক আকৰ্ষণ কৰাৰ উদ্দেশ্যেই কুলি চৰাইবো কেৱল মাইকী বিলাকৰ গাতহে ফুটফুটীয়া দাগ থাকে।

যোৰ পতাৰ আগে আগে বিভিন্ন জাতৰ বগলীৰ দেহতো কিছুমান হালধীয়া-পাখি গজি উঠে আৰু সিও প্ৰেমনিবেদনত সহায় কৰে বুলি কোৱা হয়।

ষ্টিকোলবেক (stickleback) নামৰ মাছ এজাতৰ প্ৰেমনিবেদনৰ কৌশলো মন কৰিবলগীয়া। যোৰপতাৰ সময়ত ইহঁতৰ মতাবিলাকৰ ৰং বেচ উজ্জ্বল হৈ পৰে আৰু পেটৰফালে প্ৰায় ৰঙচুৱা হয়। এই ৰঙতে আকৃষ্ট হৈ মাইকীবিলাক যোৰ পাতিবলৈ কাষ চাপি আহে।

ৰং বিৰঙৰ ফুলৰ মাজত বহি থকা পখিলা একোটা সহজে দেখা পোৱা টান। ফুলৰ ৰঙৰ লগত পখিলাৰ ৰং মিলি থাকে কাৰণেই এনে হয়। পখিলাটোৱে উৰিবলৈ ললেহে সি আমাৰ দৃষ্টিগোচৰ হয়। গছ এজোপাত থকা চৰাই একোটাৰ অৱস্থিতিও আমি প্ৰায়ে তাৰ মাতৰ পৰাহে ধৰো। কিন্তু সেই একেটা চৰাইকে চাবলৈ হলে আমি যথেষ্ট সময় নিৰীক্ষণ কৰিব লগা হয়। বৰফেৰে আবৃত পৰ্বত পাহাৰত থকা হিম বাঘবিলাকৰ বৰণ বগা। এই প্ৰতিটোৱেই প্ৰতিৰক্ষাৰ একো একোটা কৌশল। উত্তৰ মেৰুত থকা শহা আৰু শিয়ালবিলাকৰ ক্ষেত্ৰত দেখা যায় যে গৰম কালি ইহঁতৰ গাৰ ৰং মুগা আৰু শীতকালি বগা হৈ পৰে। দুটা বেলেগ ঋতুত পৰিবেশৰ ৰং বেলেগ হয় কাৰণেই এনে হয়।

বৰল কেঁকোৰা আৰু কিছুমান সাপৰ ৰং দেখাতেই ভয়লগা। ইহঁতৰ গাৰ ৰং দেখিযেই শত্ৰু দূৰৰ পৰা পলাই যায়। কিন্তু বিষ বা বিষাক্ত শুঙ নথকা কিছুমান প্ৰাণীৰ দেহতো এনে ভয়লগা ৰং থাকে। সিহঁতে এই ৰঙৰ বলতে শত্ৰুৰ হাতৰপৰা হাত সাৰি থাকে। কেইজাত মান ফৰিঙে ওচৰত শত্ৰু দেখিলে পাখি কেইখন দাঙি দিয়ে। ইয়াৰ অৰ্থ হল—পাখিৰ তলফালে থকা উজ্জ্বল দাগ কেইটা যাতে শত্ৰুৰ চকুত পৰে। চিকমিকাই থকা এই দাগ কেইটা দেখা মাত্ৰকে শত্ৰুৱে দৌৰ মাৰে।

প্ৰাণী জগতৰ ৰহস্য

আমাৰ চাৰিওকাষে থকা পোক পতংগ মাছ কাছ সাপ ভেকুলী চৰাই চিৰিকতি আৰু নানা ধৰণৰ জীৱ-জন্তুৰ জগত খনযে কি বিচিত্ৰ তাক নেদেখিলে বা অধ্যয়ন নকৰিলে কল্পনা কৰা কঠিন। জীৱ বিজ্ঞানৰ কোনো সূত্ৰ বা সংজ্ঞাই সামৰিব নোৱাৰা ঘটনাৰাজিও প্ৰাণী সমাজত অনেক আছে। সিহঁতৰ আকাৰ আকৃতি খাৱন শোৱন চাল চলন স্বভাৱ চৰিত্ৰ প্ৰত্যেকতে বিচিত্ৰতা বিৰাজমান। প্ৰাণী সমাজৰ জীৱন ৰহস্য অসীম অনন্ত। তাৰে এমুঠিমান ৰহস্যহে হয়তো এতিয়ালৈকে উন্মাটিত হৈছে। সেইখিনিকো একেলগে থ পাই পাঠকৰ আগত দাঙি ধৰা সহজ নহয়। ইয়াত কেৱল নমুনা হিচাবেহে দুই এটা কথাৰ উল্লেখ কৰিম।

কেকেটুৱাই কেকেটুৱাকে খায় দেখাত নিজ আৰু সৰলচিতিয়া যেন লাগিলেও কেকেটুৱা কম ভয়ংকৰ নহয়। ইহঁতে লগৰ আন কেকেটুৱাৰ পোৱালী বিলাকতো মাৰেই খায়ো পেলায়। যুক্তৰাষ্ট্ৰৰ চিয়েৰা পৰ্বতত থকা বেলদিংচ গ্ৰাউণ্ড (Belding s Ground) নামৰ কেকেটুৱা এজাতৰ ক্ষেত্ৰত এই কথাৰ প্ৰমাণ পোৱা হৈছে। ১৯৭৯ চনৰ ১৮ অক্টোবৰত প্ৰকাশ পোৱা নেচাৰ (Nature) নামৰ আলোচনীখনৰ সংখ্যাটোত এই বিষয়ে উল্লেখো কৰা হৈছে। সাধাৰণতে কম বয়সৰ মতা বা পূৰ্ণ বয়স্কৰ মাইকী একোজনীয়েই এনে হত্যাকাণ্ড কৰে। ডেকা বিলাকে পোৱালী খোৱাৰ কাৰণ হ'ল—সিহঁতৰ দেহত যথেষ্ট পৰিমাণৰ প্ৰটিন থাকে আৰু এই প্ৰটিনে শৰীৰ গঠনত সহায় কৰে। আনহাতে পূৰ্ণ বয়স্কৰ মাইকী এজনীয়ে আনৰ পোৱালী তেতিয়াহে মাৰে যেতিয়া নিজৰ পোৱালীবোৰ কিবা নহয় কিবা কাৰণত মৰি থাকে। নিজৰেই পোৱালী নাই যেতিয়া আনৰ পোৱালী জীয়াই ৰাখি কি লাভ এনে ভাবতেই বোধহয় ইহঁতে এনে হত্যাকাণ্ড কৰে। দ্বিতীয়তে এই পোৱালীবোৰ ডাঙৰ হ'লে খাদ্যৰ কাৰণে হয়তো তাইৰ লগতে ফেৰ পাতিব পাৰে—এনে ভাবতো মাৰিব পাৰে। ইহঁতৰ সমাজত শিশু হত্যা হেনো এক নিত্যনৈমিত্তিক ঘটনা। শতকৰা আঠভাগ মান পোৱালী এনেকৈয়ে মৰে। অৱশ্যে নিজৰ তেনেই ওচৰ সম্বন্ধীয় কেকেটুৱাৰ পোৱালী কিন্তু সিহঁতে নামাৰে। বৰঞ্চ তেনে পোৱালীক পাৰিলে শত্ৰুৰ হাতৰ পৰা বচাইহে দিয়ে। এই কেকেটুৱাজাতৰ আন এক বৈশিষ্ট্য হ'ল—বছৰৰ আঠ মাহ মান সময় ইহঁতে বৰফে ঢকা মাটিৰ তলত গাঁত কৰি সোমাই থাকে। এনেকৈ সোমাই থাকোতেও হেনো বহুতো কেকেটুৱা মৃত্যুৰ মুখত পৰে।

কিছুমান মাইকী কুকুৰেও পোৱালী জগোৱাৰ পাছ মুহূৰ্ততে নিজৰে সদ্যজাত

পোৱালী একোটা খাই পেলায়। বহুতে ইয়াক কুকুৰৰ জাল খোৱা বুলিও কৰ খোজে। গাগিনীবো মাইকীবোৰে মতা গাগিনী ওচৰত পালেই খাই থয়। সেই কাৰণে যোৰ পাতোতেও মতাটোৱে খুব সাৱধানেহে মাইকীজনীৰ কাষ চাপিব লগা হয়।

উটচৰাই হেনো আপোন পেটীয়া বৰ্ত্তমান জীৱিত চৰাইসমূহৰ ভিতৰত উট চৰাযেই ডাঙৰ। পাছে ইহঁতো হেনো মানুহৰ দৰেই আপোনপেটীয়া। কণী পৰা আৰু পোৱালী জগোৱাৰ সময়তেই ইহঁতৰ এই স্বভাৱ অধিক প্ৰকট হৈ উঠে। উট চৰাইৰ কণী একোটাও যথেষ্ট ডাঙৰ। দীঘে আধাফুট আৰু পথালিয়েও আধাফুট মান হ'ব। এটা উটচৰাইৰ কণীৰ অমলেট বনালে প্ৰায় দুকুৰিমান কুকুৰাকণীৰ অমলেটৰ সমান হ'ব।

উট চৰাইৰ পৰিয়াল একোটাত একোটা মতাৰ দুজনীৰ পৰা সাতজনী মানলৈকে তিৰোতা থাকে। কিন্তু তাৰ মাজতে এজনী লাগী আৰু বাকী কেইজনী এলাগী। সুখ ভোগ সকলোৰে প্ৰথম ভাগটো লাগীযেহে পায়। কণীৰ সংখ্যাও লাগীৰ বেচি। তাই গড়ে বিশটা মানকৈ কণী পাৰে। কিন্তু একোজনী এলাগীয়ে অতি বেচি তেৰটা মানহে কণী পাৰে। ইহঁতৰ আন এক বৈশিষ্ট্য হ'ল—লাগী এলাগী আটাইকেইজনীয়েই একে ঠাইতে কণী পাৰে। কণী বেচি হ'লে উমনি দিয়া টান আৰু ফলত আটাইবোৰ কণীৰ পৰা পোৱালী নোলায়। তাৰো ব্যৱস্থা লাগী জনীযেই কৰে। আটাইকেউজনীয়ে কণীপৰা শেষ হলেই লাগীতিৰোতাজনী কণীখিনিৰ ওচৰলৈ গৈ নিজৰ কেইটা ৰাখি বাকী কেইজনীৰ কিছুসংখ্যক কণী দলিয়াই পেলাই দিয়ে। আচৰিত কথা কণীৰ আকৃতি আৰু আকাৰ দেখিয়েই কোন কেইটা তাইৰ কণী আৰু কোন কেইটা আনৰ কণী ধৰিব পাৰে। এলাগী কেইজনীয়ে এইবিলাক কথাৰ খবৰেই নাপায়। অৱশ্যে উমনি দিওঁতে লাগীজনীয়ে বাকী কেইজনীৰ দুই এটা কণীও নিজৰ কণীৰ লগতে উমনি দিয়ে। ইয়াৰো এক উদ্দেশ্য আছে। বাকী কেইজনীৰ দুই এটা পোৱালী জগিলেহে সিহঁতে আটাই বোৰ পোৱালীৰে সমানে যত্ন ল'ব।

সেউজীয়া মেৰু ভালুক মেৰু অঞ্চলত থকা মেৰু ভালুকৰ গাৰ বৰণ বৰফ বগা। গতিকে স্বাভাৱিকতে প্ৰশ্ন হয়—মেৰু ভালুক সেউজীয়া হ'ল কেনেকৈ? কিন্তু আচৰিত কথা, আমেৰিকা যুক্তৰাষ্ট্ৰৰ চান দেইগ (San Deigo) নামেৰে এখন চিৰিয়াখানাত থকা মেৰু ভালুকবোৰৰ গাৰ বৰণ বৰফবগাৰ পৰা সেউজীয়ালৈ ৰূপান্তৰিত হৈছে। পৰীক্ষা কৰি দেখা গৈছে যে এবিধ সেউজীয়া শেলুৱৈ ছালখনৰ ওপৰত নোমৰ তলে তলে গজিবলৈ লৈছে। অৱশ্যে শেলুৱৈ বিধ অপকাৰী নহয়। ৩৬ মান চেণ্টিগ্ৰেড উত্তাপতহে শেলুৱৈ গজা সম্ভৱ। গতিকে মেৰু ভালুকবিলাক বোঁতিয়া মেৰু অঞ্চলত থাকে আৰু য'ৰ উত্তাপ বছৰৰ সকলো সময়তে 0° চেণ্টিগ্ৰেডতকৈ কম তাত শেলুৱৈ গজাৰ প্ৰশ্নই নুঠে। কিন্তু

যন্ত্ৰবাদীৰ চিৰিয়াখানাত উপযুক্ত উত্তাপ পোৱাৰ কাৰণে সেই একেজাত মেৰু ভাল-কৰে গাত সম্ভৱ শেল ৰৈ গজি উঠিছে। অৱশ্যে বকু আৰু ঠেঙৰ ভিতৰ ফালৰ অংশ সম হৃত ভালকৈ পোহৰ নপৰে কাৰণেই সম্ভৱ শেল ৰৈ নগজে। গাত শেল ৰৈ গজাই সেউজীয়া হোৱা প্ৰাণী কেৱল মেৰ ভাল কেই নহয়। কিছুমান জাতৰ কাছ সিন্ধ ঘোটক আৰু তিমিমাছেও এনেকৈ গাৰ বৰণ সেউজীয়া কৰি লয়।

শিয়াল পোৱালীৰ মাতৃ ভক্তি শিয়ালক যিমানেই ধূৰ্ত্ত দুষ্ট টেঙৰ আদি আখ্যা দিয়া নহওক সিহঁতৰ সমাজৰ বিশেষকৈ পোৱালীবিলাকৰ দুই এটা কথা কিন্তু সঁচাই প্ৰশংসনীয়। শিয়াল পোৱালীৰ মাতৃ ভক্তিৰ তুলনা নাই। আন জন্তুৰ পোৱালীবিলাকে নিজে খাদ্য বিচাৰিব পৰা হলেই আৰু মাকৰ পৰা চিকাৰ কৰাৰ কৌশলখিনি আয়ত্ত কৰিব পাৰিলেই মাকৰ ওচৰৰ পৰা লাহেকৈ আঁতৰি যায়। কিন্তু শিয়াল পোৱালী তেনেকৈ নাঁতৰে। ইহঁতে মাকৰ প্ৰয়োজন অন সাৰি এবছৰৰ পৰা দু বছৰমান সময় মাকৰ ওচৰতে থাকে। এই সময়ছোৱাত ইহঁতে মাকৰ নতুনকৈ জন্মহোৱা পোৱালীবিলাকৰ আলপৈচান ধৰে আৰু খোৱা বোৱাবো যোগাৰ কৰি দিয়ে। অৱশ্যে তাৰ মাজতে দুই এটা ডাঙৰ পোৱালী যে আঁতৰি নাযায় সিও নহয়। কিন্তু বেচিভাগেই মাকৰ ওচৰত থাকে। গাভৰ মাকৰ ওচৰত নাথাকিলেও মাকজনী যদি বয়সীয়া হয় তেন্তে মাকৰ ওচৰত থাকি সহায় কৰি দিয়াটো পোৱালী বিলাকে কৰ্ত্তব্য বুলিয়েই ধৰি লয়। পোৱালীবিলাকৰ এনে মৰমচেনেহ আৰু সহায়ে মাকক নতুন নতুন কেচুৱা তোলাত যথেষ্ট সহায় কৰে।

আটাইতকৈ ওখ জন্তু বৰ্ত্তমানৰ জীৱিত জন্তুসমূহৰ ভিতৰত জিৰাফেই আটাইতকৈ ওখ। পেং যেন ঠেং কেইখন আৰু দীঘল ডিঙিটোৰে সৈতে দেখাত দৈত্য এটা যেনেই লাগে। বেচি ওখ হোৱাৰ কাৰণে জিৰাফে মূৰটোও নমাবলৈ অসুবিধা পায়। অৱশ্যে গছৰ পাত ওপৰতে খায় কাৰণে মাটিলৈ মূৰ ননমালেও হয়। কিন্তু অসুবিধা হয় পানী খাওঁতে। ঠেং কেইখন দুয়োফালে মেলি দিহে মূৰটো তললৈ দোঁৱাই পানী খাব পাৰে। পাছে দীঘল ঠেঙে জিৰাফক সহায়ো কৰে। আফ্ৰিকাৰ চাভানা আৰু অৰ্দ্ধ শুকান মৰুভূমি অঞ্চলত থকা ওখ গছৰ পাতবোৰ খাব পাৰে—ওখ হোৱাৰ কাৰণেহে।

ইংলেণ্ডৰ চিৰিয়াখানা এখনত থকা মতা জিৰাফ এটাৰ উচ্চতা হেনো বিশফুট। আনকি তেইশফুট পৰ্য্যন্ত ওখ মতা জিৰাফ আছে বুলিও দুই একে কয়। উচ্চতাৰ অনুপাতে গাটো ক্ষীণ যদিও ওজন কিন্তু কম নহয়। একোটা জিৰাফৰ ওজন ডেৰটন মান হব। জিৰাফৰ লগত যুজ দিব পৰা প্ৰাণীও মাত্ৰ এজাতেই আৰু সেয়ে হল সিংহ। কিন্তু জিৰাফবো আগঠেঙৰ খড়ুা কেইটা ইমান শক্তিশালী যে তাৰেই সিংহকো ধৰাশায়ী কৰিব পাৰে। জিৰাফৰ আন এক বৈশিষ্ট্য হল যে সকলো প্ৰাণীতকৈ ইহঁতৰে ৰক্তচাপ বেচি। জিৰাফৰ গাধীৰত গৰুৰ গাখীৰতকৈ প্ৰায়

সাতগুণমান বেচি প্ৰটিন থাকে। জিৰাফৰ চেহেৰা দেখি একালৰ ৰোমানসকলে হেনো ভাবিছিল যে ইহঁতৰ মাকবোৰ নিশ্চয় উট হ'ব আৰু বাপেকবোৰ নাহৰফুটুকী বাঘ হ'ব।

জিৰাফতকৈ সামান্য চাপৰ যদিও উটটো যথেষ্ট ওখ জন্তু। উটে মৰুভূমিত গৈ থাকোতে বহুত দিনলৈ পানী নোখোৱাকৈ থাকিব পাৰে। ইহঁতৰ পাকস্থলীৰ চাৰিওকাষে বহুতো পানী মোনা থাকে। এই মোনাবোৰত ভৰাই থোৱা অতিৰিক্ত পানীখিনিকে ইহঁতে বিপদৰ সময়ত ব্যৱহাৰ কৰে। উটটো দেখিলে এনেহে লাগে যেন ইহঁতৰ ৰাজহাড় ডাল ধেনু ভিৰীয়া। কিন্তু প্ৰকৃততে ইহঁতৰ ৰাজহাড় ডাল পোন। উটৰ আন এক বৈশিষ্ট্য হ'ল যে ইহঁতেই একমাত্ৰ জন্তু যি সাঁতুৰিব নাজানে।

জিৰাফ যেনেকৈ আটাইতকৈ ওখ জন্তু ঠিক সেইদৰে সাগৰত থকা নীলা তিমি জাতেই আটাইতকৈ ডাঙৰ জন্তু। ডাঙৰ নীলা তিমি একোটাৰ হৃদপিণ্ডটোৰ ওজন প্ৰায় ৫৫ কিলোগ্ৰাম আৰু জিভাখনৰ ওজন ৩৫০ কিলোগ্ৰাম। নীলা তিমিৰ খোৰাক কম নহয়। দুই কিলোগ্ৰাম মান ওজনৰ নীলা তিমিৰ পোৱালী একোটাই বছৰত এক টন মান আন মাছ খাই শেষ কৰে। তিমিমাছৰ পোৱালী বোৰে যাতে সহজে মাকৰ গাখীৰ খাব পাৰে সেই উদ্দেশ্যে স্তনৰ মূৰ কেইটা সদায় পিঠিৰ ফালে থাকে। তিমি মাছৰ আন এক বৈশিষ্ট্য হ'ল যে ইহঁতে চকুৰ গোলকটো আন প্ৰাণীৰ দৰে লৰচৰ কৰিব নোৱাৰে। গতিকে ইফালে সিফালে চাব লগা হ'লে গোটেই মূৰটোকেই ঘূৰাব লগাত পৰে। তিমি মাছৰ মূৰটোও বৰ গধুৰ। শুক্ৰ তিমিৰ (sperm whale) মূৰটো হেনো গাটোতকৈ পঁচিশ গুণমান বেচি গধুৰ। বৰ্ত্তমানৰ জীৱিত জন্তু সমূহৰ ভিতৰত এট্ৰুচকান (Etruscan) নামৰ চিকাজাতেই সম্ভৱ আটাইতকৈ সৰু জন্তু হ'ব। ইহঁতৰ শৰীৰৰ ওজন এক আউন্সৰ দহভাগৰ এভাগ মানহে হ'ব। হৃদপিণ্ডৰ স্পন্দন প্ৰতি মিনিটত ৯৬০ বাৰ।

বৰ্ত্তমানৰ জীৱিত চৰাইসমূহৰ ভিতৰত উট চৰায়েই ডাঙৰ। একোটা ডাঙৰ মতা উট চৰাই ওখই ৯ ফুট আৰু ওজনত ৩০০ পাউণ্ড পৰ্য্যন্ত হয়। কেইহাজাৰ মান বছৰৰ আগলৈকে মাদাগাস্কাৰত হস্তীপক্ষী নামেৰে আন এজাত উৰিব নোৱাৰা ডাঙৰ চৰাই আছিল। এই চৰাইজাত ওখই উট চৰাইৰ সমান হ'লেও ওজনত আধাটন মান আছিল। একালত নিউজিলেণ্ডত থকা মুৱা (Moa) নামৰ চৰাই জাতেই পৃথিৱীৰ আটাইতকৈ ওখ চৰাই আছিল। ইহঁত হেনো ওখই তেৰফুট পৰ্য্যন্ত হৈছিল। বৰ্ত্তমানৰ জীৱিত চৰাইসমূহৰ ভিতৰত আটাইতকৈ গধুৰ চৰাই হ'ল বোবা ৰাজহাঁহ (Mute Swan)। ইহঁত ওজনত পঞ্চাশ পাউণ্ড পৰ্য্যন্ত হয়। আনহাতে পৃথিৱীৰ আটাইতকৈ সৰু চৰাইজাত হ'ল—হামিং বাৰ্ড (Humming bird)। কিউবাত থকা এই চৰাইজাতৰ গাটো এক ইঞ্চিতকৈ বেচি দীঘল হয়।

পৰৰ মুখত কঠাল ভঙা • প্ৰাণী সমাজত পৰৰ মুখত কঠাল ভঙা প্ৰাণীও অনেক আছে। প্ৰায় ৮০ জাত মান চৰায়ে নিজৰ কণী উমণিও নিদিয়ে আৰু নিজৰ পোৱালী ধৰাই বৰাই লালন পালনো নকৰে। ইহঁতে কণী আৰু পোৱালীৰ সকলো দায়িত্ব আন জাতৰ চৰাইৰ ওপৰত বৰ্দ্ধি সম্প্ৰতি কৰি জাপি দিয়ে। তেনে এজাত আনৰ মুখত কঠাল ভঙা চৰায়েই হ'ল আমাৰ সকলোৰে চিৰপৰিচিত কুলি। ইহঁতে কাউৰীৰ ওপৰত কণী আৰু পোৱালীৰ দায়িত্ব সঁপি দি নিজে টিঘিল ঘিলাই ঘূৰি ফুৰে। মানুহ বা অন্যান্য প্ৰাণীৰ খাদ্যনলী যকৃত আদিত বাহঁ লোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ পৰজীৱি প্ৰাণীসমূহেও প্ৰকৃততে নিজৰ খাদ্যৰ কাৰণে পোষকৰ ওপৰতে নিভৰ কৰে। মহ ডাঁহ উৰহ জোক আদি প্ৰাণী কিছু মানেও আন প্ৰাণীৰ দেহৰ পৰা নিজৰ খাদ্য আহৰণ কৰে।

মাছ নাইকিয়া নদী : পৃথিৱীৰ প্ৰায় সকলো নদী উপনদীতে মাছ থাকিলেও পেলেষ্টাইনৰ জৰ্দান নদীখনত কিন্তু মাছ নাথাকে। তাৰ লোকসকলৰ বিশ্বাস যে যীশুক মৰাৰ আগতে হেনো সেই নদীখনত গা ধুৱাই লৈছিল। আৰু সেই পাপৰ কাৰণেই নদীখনত মাছ নথকা হ'ল। কিন্তু বিজ্ঞানীসকলে পৰীক্ষা কৰি কৈছে যে নদীখনত অতিৰিক্ত পৰিমাণৰ খাৰ আৰু পটাচ থাকে কাৰণেহে তাত মাছ থাকিব নোৱাৰে।

বগলী কনামূচৰি মাছোৰোকা আদি বিভিন্ন জাতৰ চৰায়ে মাছ খোৱাৰ কথা আমি প্ৰায় সকলোৱেই জানো। কিন্তু মাছেওযে চৰাই খায় সেই কথা আমি বহুতেই নাজানো। ইউৰোপৰ বিভিন্ন নৈ উপনৈত এই মাছ জাত দেখা পোৱা যায়। মাছজাতৰ নাম চিলুৰাচ (Silurus)। অধ্যয়ণ কৰি জানিব পৰা হৈছে যে এই মাছ জাতে পানীৰ অলপ ওপৰেদি উৰি যোৱা চৰাইবোৰ থপিয়াই থপিয়াই খায়।

আচৰিত কথা যে চৰায়েই নহয় এজাত মাছে মানুহো খায়। দক্ষিণ আমেৰিকাৰ বিভিন্ন নদীত পিৰানহা (Piranha) নামৰ এজাত মানুহ খোৱা মাছ আছে। মানুহৰ মাংস হেনো ইহঁতৰ বৰ প্ৰিয়। ব্ৰাজিলৰ আমাজান নদীত এই মাছজাত খুব বেচিকৈ পোৱা যায়। ইহঁতে জাক পাতি পাতি পানীত ঘূৰি ফুৰে। কেনেবাকৈ যদি কোনোবা লোক জাক একোটাৰ সন্মুখত পৰেহি তেন্তে তেওঁৰ আৰু ৰক্ষা নাই। জাকটোৰ গোটেইখিনি মাছে তেওঁক আক্ৰমণ কৰি খায়েই পেলায়।

মাছৰ ভিতৰত আটলাণ্টিক মহাসাগৰত থকা ছেইল ফিচ (Sail fish) নামৰ মাছ জাতেই হেনো আটাইতকৈ বেগাই সাতুৰিব পাৰে। ইহঁতে ঘণ্টাত ৭৮৮ কিলোমিটাৰ বেগত সাঁতোৰে। মাছৰ আয়ুসো কম নহয়। ৰৌ বাহু আদি মাছেই পঞ্চাশ বছৰ পৰ্যন্ত জীয়াই থাকে। কিছু মান মাছে আকৌ কেতিয়াবা সমস্যাবো সৃষ্টি কৰে। আমাজান আৰু অৰিন'ক নামৰ নৈ দুখনত এজাত তেনেই ক্ষুদ্ৰ আকৃতিৰ মাছ আছে। মাছ জাত হেনো ইমান সৰু যে মূত্ৰ দ্বাৰেদিয়েই

মানুহৰ দেহত প্ৰবেশ কৰিব পাৰে। শেষত গৈ হেনো মূত্ৰস্থলীত প্ৰবেশ কৰে আৰু মানুহজনৰ মৃত্যুকে ঘটায়।

চিত্ৰ নং—২৪

[দেখাত আমাৰ গঙ্গাটোপটোৰ দৰেই এজাত মাছ সাগৰতো আছে। গাটো গোলাকাৰ কাৰণেই সম্ভৱ ইহঁতক সূৰ্য্য মাছ (sun fish) বোলা হয়। ইহঁতৰ পৃষ্ঠীয় আৰু অংকীয় ফান দুখন বৰ ডাঙৰ। ইহঁতৰ ছালখন ইমান ডাঠ যে শত্ৰুৱে সহজে আক্ৰমণ কৰিব নোৱাৰে।

মাছেনো জাক পাতি কিয় থাকে সিও এক ডাঙৰ প্ৰশ্ন। কিছুমান মাছৰ ডাঙৰবোৰে পোৱালী একোবাহ লগত লৈ ঘূৰি ফুৰে। কিছুমানৰ আকৌ ডাঙৰ বোৰেও জাক পাতি থাকিহে ভাল পায়। এনেকৈ জাকত থাকিলে এটা কথা ঠিক যে পানীৰ মাজত আন প্ৰাণীয়ে সহজে আক্ৰমণ কৰিব নোৱাৰে। কাৰণ জাকটোক একেলগে আক্ৰমণ কৰা কঠিন।

পৰীক্ষা কৰি আৰু এটা কথা জানিব পৰা হৈছে যে জাকত থকা মাছে অকলে থকা মাছতকৈ বেগাই সাঁতুৰিব পাৰে। সকলোৱেই পানীত ফান কোবাই আগলৈ

যোৱাৰ কাৰণে পানীত এনে এটা অৱস্থাৰ সৃষ্টি হয় যে প্ৰত্যেকেই কম শক্তি খৰচ কৰি আগুৱাই যাব পাৰে। অকলশৰীয়াকৈ থকা মাছবোৰেও পানীৰ মাজত ইটো সিটোৰ লগ লাগি জাক একোটা গঠন কৰে। জাকত লগ লাগোতে নতুনকৈ লগ লগা টোৱে বাকীবোৰৰ গতিবেগ দিশ আদি লক্ষ্য কৰি সেইমতে নিজৰ গতিবেগ আৰু দিশ মিলাই লয়।

ইলেক ট্ৰিক ৰে ইলেক ট্ৰিক ইল আদি সাগৰত থকা বহু তো জাতৰ মাছে বিদ্যুত উৎপাদন কৰিব পাৰে। ব্ৰাজিলত আমাৰ কুচিয়াৰ আকৃতিৰ এজাত মাছ আছে। ইহঁতৰ দেহৰ মুঠ দৈৰ্ঘ্যৰ পাঁচভাগৰ চাৰিভাগেই নেজ। এই দীঘল নেজডাল এক প্ৰকাৰ বিশেষ পেশীৰ দ্বাৰা গঠিত। পেশীযুক্ত নেজডালেই প্ৰয়োজন অনুসৰি এক শক্তিশালী বেটেৰিলৈ ৰূপান্তৰিত হয়। ইহঁতৰ ছফুট দীঘল মাছ একোটাই কেইবা শ ভোল্টৰ বিদ্যুত উৎপন্ন কৰিব পাৰে। নিউইয়ৰ্ক চহৰৰ বিমান বন্দৰৰ এটা একোৱেৰিয়ামত এবাৰ এনে এটা মাছ ৰখা হৈছিল। এই মাছটোৱে উৎপন্ন কৰা বিদ্যুতৰ সহায়ত হেনো বিমান বন্দৰত বিপদ সংকেতৰ ঘণ্টা বজাব পৰা হৈছিল। আনকি বিমান একোখন উৰিবৰ সময়ত যি বিদ্যুতৰ প্ৰয়োজন হৈছিল তাকো মাছটোৰ পৰাই পোৱা হৈছিল। ইলেক ট্ৰিক কেট ফিচে ৬৫০ ভল্ট পৰ্যন্ত বিদ্যুত উৎপন্ন কৰিব পাৰে। এই শক্তি মটৰ কাৰৰ বেটেৰি একোটাৰ পঞ্চাশ গুণ সমান হ'ব।

আৰবতো বিদ্যুত উৎপন্ন কৰিব পৰা এজাত মাছ আছে। মাছজাত দেখাত আমাৰ শিঙিমাছৰ দৰে। ইহঁতৰ গাৰছালখন এটা বিদ্যুত যন্ত্ৰলৈ ৰূপান্তৰিত হয়। বিদ্যুতযুক্ত ছালখনে দেহৰ ভিতৰৰ কোমল অংশটোকো শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰে আৰু লগতে এটা বেটেৰিৰ দৰেও কাম কৰে। মাছজাতে নিজৰ দেহত তৈয়াৰ কৰা বিদ্যুতক এপাত অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰে। ইহঁতে নিজৰ দেহৰ বিদ্যুত আন মাছৰ গাত লগাই মাছ চিকাৰো কৰে।

চৰায়েও চিপ লয় আত্মহত্যা যে কেৱল মানুহেই কৰে এনে নহয়। ইতৰ জীৱ জন্তু পশু পক্ষীয়েও বিশেষ পৰিস্থিতিত পৰিলে আত্মহত্যা কৰে। গুৱাটেমেলাত ৰবিন অৰকাদ (Robin orcado) নামৰে এজাত চৰাই আছে। খোৱা বস্তু বিচাৰি নাপালে গছৰ ফেৰেঙনিত মূৰটো সুমুৱাই আৰু গাটো ওলোমায়েই আত্মহত্যা কৰে।

হাঁহ কুকুৰা বা অন্যান্য চৰাইৰ সদ্যজাত পোৱালী একোটা কণীটোৰ চোকোৰাখন ভাঙি কেনেকৈ ওলাই আহে সিও এক ডাঙৰ প্ৰশ্ন। প্ৰকৃততে চোকোৰাৰ ভিতৰত থকা পোৱালীটোৰ মূৰত জোঙা দাঁতৰ দৰে এটা সৰু অংগ থাকে। ইয়াকে কণীৰ দাঁত (Egg tooth) বুলি কোৱা হয়। এই দাঁতটোৰে চোকোৰাটো ভাঙিয়েই পোৱালীটো নিজে নিজে ওলাই আহে। পাছত অৱশ্যে দাঁতটো আপোনা আপুনি সৰি পৰে।

চৰাইৰ আন আন বৈশিষ্ট্যও অনেক আছে। ঘৰচিৰিকাই জপিয়াবহে জানে খোজ কাঢ়িব নাজানে। বেছিভাগ চৰায়েই মাটিত বহি থকা অৱস্থাত গীত নাগায়। গছৰ ডালত বহি থকা বা উৰি যোৱা অৱস্থাতহে গীত গায়। আন প্ৰানীৰ তুলনাত

চৰাইবে ভোকো বেচি। কেৱল জীয়াই থাকিবলৈকে সিহঁতে প্ৰতিদিনে নিজৰ শৰীৰৰ আধা ওজনৰ খাদ্য খাব লগাত পৰে। বহুতো চৰায়ে জিৰনি লওঁতে এটা ঠেং কোঁচাই থয় আৰু মূৰটো পাখিৰ মাজত সুমুৱাই থয়। এইটো বোধ হয় ইহঁতৰ গৰম লগোৱাৰে ব্যৱস্থা। বগলী বৰটোকোলা আদি কিছুমান চৰায়ে আকৌ এটা ঠেঙৰ ওপৰত ভৰ দিয়েই টোপনিয়াই থাকিব পাৰে। উৰনীয়া চৰাই বোৰৰ দৃষ্টি শক্তিও বৰ প্ৰবল। আনহাতে পেংগুইন আদি পানীত চৰা চৰাইবোৰে মাটিৰ ওপৰত বৰ দূৰলৈ নেদেখে কিন্তু পাণীৰ তলত বহুত দূৰলৈকে দেখে। কিবি চৰাইৰ বাহিৰে আন চৰাইৰ ঘ্ৰাণ শক্তি নাই বুলিবই পাৰি।

উপজিয়েই লৰ মাৰে কোন বুলি কোনোবাই প্ৰশ্ন কৰিলে আমি সাধাৰণতে জেঠী পোৱালীৰ কথাই কওঁ। অষ্ট্ৰেলিয়াৰ জোপোহা হাবিত থকা টাৰ্কি[১] (Turkey) নামৰ চৰাইজাতো এই ক্ষেত্ৰত কম নহয়। ইহঁতৰ কনী ফুটি ওলোৱা পোৱালীবোৰে হেনো মুহূৰ্তৰ ভিতৰতে উৰিবও পাৰে আৰু নিজৰ তত্ত্বাৱধান লবও জানে। কেৱল নাজানে খাবহে। ইহঁতৰ পোৱালীবোৰক মাক বাপেকে খাবলৈ শিকাই দিব লগাত পৰে। তাকে নকৰিলে হেনো ইহঁতে নাখাই নবৈয়েই মৰি থাকে।

পাৰ ভাটৌ আদি কিছুমান চৰাইক মানুহে যুগ যুগ ধৰি বিভিন্ন কামত ব্যৱহাৰ কৰি আহিছে। যোৱা মহাযুদ্ধৰ সময়ত হেনো পাৰ চৰাইক ডাক অনা নিয়া কামতো ব্যৱহাৰ কৰা হৈছিল। বৰ্ত্তমান ডাক তাঁৰ প্ৰচলনৰ পাছত সেই ব্যৱস্থা ক্ৰমাৎ লোপ পালে। কিন্তু চুইজাৰলেণ্ডৰ সৈন্য সকলে সেই ব্যৱস্থা আজিও চলাই আছে। ডাক কঢ়িয়াবৰ কাৰণেই হেনো তেওঁলোকৰ চল্লিশ হাজাৰ পাৰ আছে।

পাৰ চৰাইৰ আন এক বৈশিষ্ট্য হল যে ইহঁতৰ বাহিৰে আন কোনো চৰায়েই ঠোটটো পানীত ডুবাই পানী খাই থাকিব নোৱাৰে। চৰায়ে সাধাৰণতে ঠোটৰ ভিতৰত পাণী লৈ পাছত মূখখন ওপৰলৈ কৰিহে পাণীখিনি গিলি থয়। কিন্তু পাৰ হল ইয়াৰ ব্যতিক্ৰম। ইহঁতে ঠোটটো পাণীত ডুবাই থৈয়েই পাণী খাই থাকিব পাৰে।

প্ৰথম মহাযুদ্ধৰ সময়ত কিছুমান ভাটৌ আইফেল টাৱাৰৰ (Eifel tower) ওপৰত ৰখা হৈছিল। এই ভাটৌবোৰে হেনো বহুত দূৰতেই শত্ৰু পক্ষৰ বিমান চিনিব পাৰিছিল আৰু সেইমতে মানুহক সংকেত দিছিল। মানুহে ভাটৌৰ সমান দূৰৈত বিমান মনিব নোৱাৰিছিল। ভাটৌ মইনা চুতিয়া শালিকা আদি বহুতো চৰায়ে পোহনীয়া অৱস্থাত মানুহৰ মাত কথাও শিকে। মহীশূৰৰ পদ্মনাভন নামৰ পৰিয়ালটোৰ এটা পোহনীয়া ভাটৌ আছে। ভাটৌটোৰ নাম ৰূপা। ৰূপাই হেনো ৬০ টা মান শব্দ সলসলীয়াকৈ কব পাৰে আৰু পৰিয়ালটোৰ প্ৰতিজন লোককে নাম কাঢ়ি মাতিব পাৰে। মন গলে কানাড়া চিনেমাৰ গীতৰ দুই এটা কলিও গুণগুনাই গাব পাৰে। সি কেইটামান তেলেগু শব্দও জানে।

সেউজীয়া ৰঙৰ কুকুৰ : কেইবছৰ মানৰ আগতে ইটালীৰ টুৰিণৰ ওচৰত পাইম ট জিলাৰ বেইৰানকোৰ অঞ্চলত এজনী কুকুৰে ৬টা পোৱালীৰ জন্ম দিছিল। ছটা পোৱালী জগোৱাটো কুকুৰৰ কাৰণে একো আচৰিত কথা নহয়। কিন্তু আচৰিত কথা হ'ল—তাৰে এটা পোৱালীৰ ৰং সেউজীয়া। বাকীকেইটা সাধাৰণ ক'লা বগা ৰঙৰ। সেউজীয়া ৰঙৰ কুকুৰ কতো দেখা পোৱা নাযায়। জগাৰ প'চিশ দিন মানৰ পাছত তাৰ গাৰ নোমবিলাকৰ ৰং ক্ৰমাৎ ডাঠ সেউজীয়া হ বলৈ ধৰে। তাৰ বিজ্ঞানী সকলৰ মতে হঠাতে হোৱা জিন পৰিবৰ্ত্ত নৰ কাৰনেই পোৱালী টোৰ ৰং সেউজীয়া হৈ পৰিল।

উত্তৰ অষ্ট্ৰেলিয়াৰ নদী সমূহত এক বিশেষ জাতৰ কম্ভীৰ আছে। এই কম্ভীৰ জাতৰ ওপৰত কোনো ধৰণৰ গৱেষণাও কৰা হোৱা নাই। কিন্তু তাৰ স্থানীয় লোক সকলৰ মতে কম্ভীৰ জাতে সহজে পোহ মানে। কম্ভীৰ জাতৰ ওচৰে পাজৰে কোনোৱে সাঁতুৰি থাকিলেও সি সেইফালে কেৰাহিকৈও নাচায় আনকি সাহীয়াল দ ই এজন ল ৰাই হেনো তাৰ পিঠিত উঠি পানীত ঘ ৰি ফ ৰে। সি কোনো ধৰণৰ অপকাৰেই নকৰে।

পানী নহ'লে আমাৰ কাৰণে এটা দিনো পাৰ কৰা টান। কিন্তু এই পৃথিৱীতেই এনে প্ৰাণীও আছে যি গোটেই জীৱন পানী নোখোৱাকৈয়ে থাকে। এই আচৰিত প্ৰাণীজাতৰ নাম কোৱালা। থাকে অষ্ট্ৰেলিয়াত। ইহঁতে গোটেই জীৱন কেৱল ইউকেলিপটাচৰ পাত খায়েই জীযাই থাকে। নিগণি আৰ এন্দুৰেও জীৱনত খুব কমেইহে পানী খায়।

আটাইতকৈ লাহে লাহে যোৱা সৰীসৃপ জাতেই হ ল কাছ। ইহঁতে ঘণ্টাত অতি বেচি ৩০০ গজমানহে অতিক্ৰম কৰিব পাৰে। আনহাতে পাণীত সাঁতোৰাত কিন্তু ইহঁত পাকৈত। ইহঁতে ঘ ণ্টাত ৩৫২ কিলোমিটাৰ মান বেগত সাতুৰিব পাৰে। আটাইতকৈ ওপৰৈ জাঁপিয়াব পৰা জন্তুবিধে হ ল আফ্ৰিকাৰ ক্লিপ স্প্ৰিংগাৰ (clip springer)। এই জন্তুবিধে হেনো প চিশ ফুট ওপৰলৈকে জাঁপিয়াব পাৰে।

বিভিন্ন প্ৰাণীৰ হৃদপিণ্ডৰ স্পন্দনৰ কথা ভাবিলেও আচৰিত লাগে। প্ৰতি মিনিটত একোটা চৰাইৰ হৃদপিণ্ড ৮০০ বাৰ একোটা নিগণিৰ ৬০০ বাৰ একোটা শহাপহুৰ ১৫০ বাৰ আৰ ঘোঁৰাৰ হৃদপিণ্ড ৪০ বাৰ স্পন্দিত হয়। যি কোনো খাদ্য বস্তুৰ জাতি লোৱাৰ মূলতে হ ল আমাৰ জিভাত থকা স্বাদ কলি (Tsste buds) সমূহ। বিভিন্ন প্ৰাণীৰ জিভাত থকা স্বাদকলিৰ সংখ্যাও কম নহয়। শহাপহু আৰ মানুহৰ জিভাত প্ৰায় ৯০০০ মানকৈ স্বাদ কলি থাকে। এনে স্বাদকলি বিগাতী এন্দুৰৰ ক্ষেত্ৰত ১৭০০০ আৰ গাহৰি ছাগলী আদিৰ ক্ষেত্ৰত ১৫০০০ মানকৈ থাকে।

বেক্টেৰিয়াৰ পৰা সুতা : ইংলেণ্ডৰ ব্ৰিষ্টল বিশ্ববিদ্যালয়ৰ একাকী

বিজ্ঞানীয়ে অলপতে ঘোষণা কৰিছে যে বেক্‌টেৰিয়াক সূতা কটা কামতো ব্যৱহাৰ কৰিব পৰা হ'ব। বেক্‌টেৰিয়াই প্ৰায়েই নিজকে ভাইৰাচৰ পৰা ৰক্ষা কৰিবলৈ দেহৰ চাৰিওকাষে সূতাৰ আকৃতিৰ শৰ্কৰাৰ অনুবোৰৰ কিছুমান তৰপৰ সৃষ্টি কৰে। বিভিন্ন বেক্‌টেৰিয়াই বিভিন্ন ভাইৰাচৰ পৰা ৰক্ষা পাবলৈ বিভিন্ন ধৰণৰ সূতা কাটে। বৰ্ত্তমান বেক টেৰিয়াৰ সহায়ত বিভিন্ন ঔষধ সৃষ্টি কৰা হৈছেই। কালিলৈ হয়তো বেক্‌টেৰিয়াৰ সূতাৰে তৈয়াৰ কৰা কাপোৰ কানিও ওলাব।

পৃথিৱীত মুঠ কিমান প্ৰাণী আছে কোৱা টান। বৰ্ত্তমানলৈকে প্ৰায় দহলাখ মান প্ৰাণীৰ সন্ধানহে পোৱা হৈছে। তাৰ ভিতৰত চাৰিলাখ জাতৰ পোক-পতংগই আছে। উভচৰ ৩ হাজাৰ সৰীসৃপ—৬ হাজাৰ চৰাই—৯ হাজাৰ আৰু স্তন্যপায়ী ৩ হাজাৰ জাতৰ। তদুপৰি নতুন নতুন প্ৰাণী নিতৌ আৱিষ্কৃত হৈয়েই আছে। প্ৰতিজাত প্ৰাণীৰে চেহেৰা বেলেগ ৰং বেলেগ, খাদ্য বেলেগ খোজ কাটল ভাৱভঙ্গী বেলেগ আৰু বহুতো কথাই বেলেগ। সকলো প্ৰাণীৰে জীৱন ৰহস্যৰ ভেদ ভঙা হয়তো কোনো কালেই সম্ভৱ নহ'ব। বিচিত্ৰতাই ইহঁতৰ বৈশিষ্ট্য আৰু ইহঁতৰ জীৱন।

পোক-পতঙ্গৰ বিচিত্ৰ জীৱন

পৃথিৱীত থকা সকলো প্ৰাণীৰ তুলনাত পোক পতংগৰ সংখ্যাই অধিক। দ্বিতীয়তে ইহঁতৰ জীৱনো বৰ বৈচিত্ৰপূৰ্ণ। ইহঁতৰ সমাজত আশ্চৰ্য্য বিস্ময ৰহস্য সকলো আছে। আপুনি সিহঁতৰ সমাজখনৰ ভিতৰলৈ যিমানেই বেচিকৈ সোমাই যাব সিমানেই সিহঁতক জনাৰ আগ্ৰহ বাঢ়ি যাব। তেতে ই প্ৰধানমান পতংগ একোটাৰ কাৰ্য্যপ্ৰণালী দেখিও আপুনি তবধ মানিব। আন যি কোনো প্ৰাণী নেদেখাকৈ আপুনি দিন এটা পাৰ কৰি দিব পাৰে কিন্তু এবাৰলৈ হলেও পতংগ এটা দেখিবই। মাটিত বগাই ফুৰা পৰ বাটেৰেই হওক কাণৰ ওচৰত কোন কোনাই থকা মহটোৰেই হওক বা ৰান্ধনি ঘৰত পিং পিঙাই ফুৰা পইতাচোৰাবোৰেই হওক— দিনটোত এবাৰলৈ হলেও আপোনাৰ চকুত পৰিবই। উঁইচিৰিঙা জিলী আদিৰ দৰে প্ৰথম গায়ক জিয়া পখিলা আদিৰ দৰে প্ৰথম নৰ্ত্তকী আৰু বৰল কোদো মৌ মাখিৰ দৰে প্ৰথম ঘৰ সজা প্ৰাণী পতংগৰ সমাজতেই সৃষ্টি হল। মানুহৰ সমাজত গায়ক নাচনী ইঞ্জিনিয়াৰ আদি সৃষ্টি হোৱাটো সৌ সিদিনাৰ কথা। কিন্তু পতংগৰ সমাজত এওঁলোক বহুত পুৰণি। তদুপৰি ইহঁতৰ সমাজত শিল্পী বাঢ়ৈ দৰ্জী শিপিনী আদি আন আন কাৰিকৰী জ্ঞান থকা পতংগও অনেক আছে।

প্ৰথম উৰণীয়া প্ৰাণী পতংগই আকাশত উৰিবলৈ লোৱা প্ৰথম প্ৰাণী। অনাতাঁৰ শব্দ গ্ৰহণতো সিহঁতেই অগ্ৰগণী। বিভিন্ন গীত মাতেৰে আকাশ মুখৰিত কৰা প্ৰথম প্ৰাণীও সিহঁতেই। সামাজিক জীৱনৰ পাতনিও পোন প্ৰথম সিহঁতেই মেলে। একতা আৰু নেতৃত্বৰ ধাৰণাটোও পোন প্ৰথম সিহঁতেই দিয়ে। আকালৰ সময়ত খাবলৈ খাদ্য সঞ্চয় কৰা শত্ৰুৰ বিৰুদ্ধে যুঁজিবলৈ সৈন্য সামন্তৰ ব্যৱস্থা কৰা সমাজত কৰ্মবিভাজনৰ পদ্ধতি প্ৰৱৰ্ত্তন কৰা আদি বহুতো গুণৰ প্ৰথম অধিকাৰী এই পতংগসমূহ। আনকি পলু অৱস্থাতো ইহঁতে কেনেকৈ শত্ৰুৰ পৰা হাত সাৰি থাকিব লাগে—জানে। কিছুমানে গাৰ ৰংটো পাতৰ ৰঙৰ লগত মিলাই শত্ৰুক ভুৱা দিয়ে। কিছুমান পতংগৰ পলুৱে পাতৰ মেৰ একোটা কৰি তাৰ ভিতৰত সোমাই থাকে। আনকি কণীবোৰ নিৰাপদে ৰাখিবলৈ বহুতো পতংগই পাত একোখিলাৰ তলফালেহে কণী পাৰে যাতে চৰাই বা আন প্ৰাণীয়ে সহজে দেখা নাপায়

প্ৰায় ৩৫০ নিযুতমান বছৰৰ আগতে এই পৃথিৱীত অন্যান্য প্ৰাণীৰ তুলনাত পতংগৰ সংখ্যাই অধিক আছিল কিন্তু আচৰিত কথা সেই সময়ত পতংগসমূহে

উৰিব নাজানিছিল। দেহৰ দ্‌ৃঢ়োকাষে দ খন আৱৰণ আছিল যদিও এই আৱৰণ দ খনে পতংগসমূহক ৰদৰ পৰাহে ৰক্ষা কৰিছিল। পাছত ভেকুলীজাতীয় প্ৰাণীসমূহ সৃষ্টি হৈ পতংগ খাবলৈ ধৰাতহে পতংগৰ উপায় নাইকিয়া হ ল। তেতিয়াৰ পৰাহে পত গই দেহৰ দ যোকাষে থকা আৱৰণ দ খনকে পাখি হিচাবে ব্যৱহাৰ কৰি উৰিবলৈ শিকিলে।

জনসংখ্যা বিস্ফোৰণ সকলো প্ৰাণীৰ তুলনাত পত গৰ জনসংখ্যাই অধিক। হিচাব কৰি দেখা গৈছে যে পৃথিৱীত থকা সকলো প্ৰাণীৰ ভিতৰত শতকৰা ৯০ ভাগেই পতংগ। পৃথিৱীৰ প্ৰতি বৰ্গমাইলত গড়ে ২৫ 000 000 মানকৈ পতংগ থাকে। পৃথিৱীত যিমান চৰাই আছে তাতকৈ পঞ্চাশ গ ণ আৰু যিমান জন্তু আছে তাতকৈ ডেৰশ গুণ মান অধিক কেৱল পতংগই আছে। যদি এজনী মোৱা পোকৰ পৰা হোৱা সকলো পো পোৱালী আৰু নাতিপুতি জীয়াই থাকে তেন্তে এবছৰ মানৰ ভিতৰতে সিহ তৰ ওজন ৬00 000 000 জন মান হৰ ওজনৰ সমান হ ব। একোজনী উ ই পৰ ৱাই দিনে ৮0 000 পয ্যন্ত কণী পাৰে। এতিয়ালৈকে অধ্যয়ন কৰা পতংগৰ ম ঠ প্ৰজাতিৰ সংখ্যাই ১0 000 000 টা মান হ ব। তাৰ ভিতৰত শতকৰা ২৫ ভাগ মানেই বিটোল (Beetle) জাতীয়।

কাৰিকৰী দিশতো পতংগ পাকৈত কাঠৰ মন্দ বনাই কাগজ তৈয়াৰ কৰিবলৈ মান হে সৌ সিদিনাহে শিকিছে। কিন্তু এই জ্ঞান পতংগই কোনোবা কাহানিতেই আহৰণ কৰি থৈছে। বৰল কোদো আদি পতংগসমূহে সিহ তৰ বাঁহবোৰ কাঠৰ মন্দৰ পৰা তৈয়াৰ কৰা কাগজেৰেই সাজে। কোদোৰ বাঁহ একোটা কেতিয়াবা দ ফ টমান দীঘল হয়। আটাইতকৈ ডাঙৰ বাঁহ সজা বৰল এজাত ব্ৰাজিলত আছে। ইহ তৰ একোটা বাঁহত হেনো চল্লিশটা মানলৈকে মহল থাকে। বৰলেই হওক বা কোদোৱেই হওক ইহ তে কাঠৰ টুকুৰা কিছ মান চোবাই চোবাই মুখৰ পৰা ওলোৱা লালটিৰ লগত মিহলায়েই মন্দ তৈয়াৰ কৰে। পাচত তাকে বহলাই কাগজৰ দৰে কৰে।

পতংগৰ সমাজত শিপিনীও আছে। এজাত পৰ ৱাই গছৰ পাতবোৰকে এখন আনখনৰ লগত লগ লগাই চিলাই কৰে। ইহ তৰ এই চিলাই কৰাৰ পদ্ধতিও বৰ ৰহস্যপূৰ্ণ। এই পৰ ৱাজাতৰ পল বিলাকৰ দেহত স তা তৈযাৰ কৰিব পৰা এবিধ গ্ৰন্থি থাকে। কিছ মান কৰ্মী পৰ ৱাই পাত দুখন লগ লগাই ধৰি থাকে আৰু এচাম কৰ্মী পৰুৱাই এই পল বোৰকে বেজিৰ দৰে পাতৰ মাজে মাজে সৰকাই গৈ থাকে। এনেকৈ সৰকি যাওঁতে পল ৰে গ্ৰন্থিৰ পৰা সূতা উলিয়াই যায় আৰু সেয়ে পাত দুখন চিলাই থয়। চিলাই কৰিব পাৰে কাৰণে ইহ তক শিপিনী পৰুৱাও বোলা হয়।

টিনিয়া (Taenia) নামৰ এজাত মথৰ পল'বিলাকে সৰল গছৰ পাত খায়েই জীয়াই থাকে। থাকেও সৰল গছৰ পাততে। পাত একোখিলাৰ বাহিৰৰ আৰু ভিতৰৰ তৰপ দুটা (Layers) ইটো সিটোৰ পৰা আঁতৰাই তাৰ মাজতে বাঁহ একোটা সাজি সোমাই থাকে। গতিকে শত্ৰুৱে ইহঁতৰ অৱস্থিতি ধৰিবই নোৱাৰে। পিৰিয়া গ্ৰেটেগি (Pieria gratagi) নামৰ এজাত পতংগৰ পল বিলাকৰ আকৌ মল ত্যাগ কৰাৰ ব্যৱস্থা দেখিলে আচৰিত হ'ব লাগে। ইহঁতৰ দহবাৰটা পল একে লগে থুপ খাই পাতেৰে তৈয়াৰ কৰা মোনা একোটাত সোমাই থাকে। কিন্তু থকা মোনাটোতে মল ত্যাগ কৰিলে লেতেৰা হ'ব বুলি ভাবি ওচৰতে মুখৰ পৰা উলিওৱা সূতাৰে আন এটা মোনা সাজি লয়। সেইটো সিহঁতৰ সকলোৰে ৰাজহুৱা পায়খানা। সকলোৱে তালৈ গৈহে মলত্যাগ কৰে। পতংগৰ সমাজত চাফচিকুনতা আৰু পায়খানাৰ এনে ব্যৱস্থা দেখিলে তবধ মানিব লাগে। আমৰলি পৰুৱা মৌ মাখি আদিয়েও বহুত কৃষ্টেৰে ধুনীয়া ধুনীয়া বাঁহ সাজে। কেডিচ নামৰ মাখি এজাতৰ পলবোৰে সৰু সৰু পোক পতংগ ধৰিবলৈ পানীৰ তলতে ফান্দ পাতে।

পতংগৰ উৰণ ক্ষমতাও কম নহয় পতংগৰ উৰণ ক্ষমতাও মন কৰিব লগীয়া। চৰায়ে উৰিবলৈ লোৱাৰ বহুত আগতেই পোক পতংগই উৰিবলৈ শিকিছিল। প্ৰতিটো পতংগই উৰি যাওঁতে ইমান ঘনকৈ পাখি কোবায় যে ভাবিলে আচৰিত লাগে। প্ৰতি ছেকেণ্ডত মাখিয়ে ৩৩০ বাৰ মৌ মাখিয়ে ১৯০ বাৰ বৰলে ১১০ বাৰ জিয়াঁই ২৮ বাৰ আৰু মহে ৫০০ বাৰ মানকৈ পাখি কোৱায়। একালত জিয়াঁৰ পাখি একোখন হেনো দুফুট মান দীঘল আছিল। এতিয়াও জিয়াঁৰ পাখিবোৰ তুলনামূলক ভাবে যথেষ্ট দীঘল। তদুপৰি নিমিষৰ ভিতৰতে দিক সলাই উৰিব পৰাটোও ইহঁতৰ কম কৃতিত্বৰ কথা নহয়। মৌ মাখিৰ পাখিত তেনেই ক্ষুদ্ৰ ক্ষুদ্ৰ কিছুমান হাঁকোটা থাকে। গতিকে এই হাকোটাৰ সহায়ত প্ৰয়োজন হ'লে আটাইকেউখন পাখি লগ লগাই এখন কৰি পেলাবও পাৰে। ভোমোৰা ও বৰুৱা আদিয়ে সমুখৰ গধুৰ পাখি যোৰা পথালিকৈ ৰাখি আৰু পাছৰ পাখিযোৰা প্ৰপেলাৰৰ দৰে ব্যৱহাৰ কৰি মন গ'লে ওপৰৰ পৰা তললৈ চোঁ মাৰি নামি আহিবও পাৰে। পইতাচোৰাৰো পাখি দুযোৰ। কিন্তু প্ৰথম পাখি যোৰা ডাঠ আৰু উৰণত সহায় নকৰে। কেৱল পাছফালে থকা পাতল পাখি দুখনেহে উৰাত সহায় কৰে।

পখিলা আৰু মথবিলাকৰ ভিতৰত হামিং বাড নামৰ এজাত মথেই আটাইতকৈ বেচিকৈ পাখি কোবায়। ফুল এপাহৰ ওপৰত পৰি থকা অৱস্থাত এই জাত মথে ছেকেণ্ডত ৭২ৰ পৰা ৮৫ বাৰ মানলৈকে পাখি কোবায়। আনহাতে বাকী পখিলা বা মথবোৰে ছেকে ভত ১২ বাৰ মানতকৈ বেচি পাখি নোকোবায়।

মতা উইচিৰিঙাৰ শব্দ তৈয়াৰ কৰাৰ কৌশলো মন কৰিবলগীয়া। বহুতে ভাবে

যে ইহঁতে মুখেৰে শব্দ কৰে। পাছে নহয়। ইহঁতৰ পাখিৰ কাষটোত কিছুমান খাঁজ কটা থাকে। দুখন পাখিৰ এই খাঁজকটা কাষ দুটা যেতিয়া এটা আনটোৰ ওপৰেদি ঘঁহাই দিয়ে তেতিয়াহে শব্দৰ সৃষ্টি হয়। আচৰিত কথা—আমাৰ কাণ

চিত্ৰ নং ২৫

[জিয়াঁই পাখি কেইখন চেকেণ্ডত ২৮ বাৰ মানকৈ কোৰায়। একালত জিয়াঁৰ পাখি একোখন হেনো দুফুট মান দীঘল আছিল। তদুপৰি ইহঁতে মুহূৰ্তৰ ভিতৰতে দিক সলাই উৰিব পাৰে। জিয়াঁই সৰু সৰু পোক পতঙ্গ ধৰি খায়। ইহঁতৰ পাখি কেইখন অতি পাতল।]

তাল মৰা চিঁচিয়নি শব্দটো সৃষ্টি কৰিবলৈকে একোটা উইচিৰিঙাই ছেকেণ্ডত পাঁচ হাজাৰ বাৰ মান পাখি ঘঁহাব লগাত পৰে।

পতঙ্গৰ জ্ঞানেন্দ্ৰিয় সমূহো তেনেই দুৰ্বল নহয়। ফৰিং একোটাৰে পাঁচোটাকৈ চকু থাকে। মৌ মাখিৰ চকু একোটাত প্ৰায় ৬৩ 000 খন লেন্স থাকে। উইচিৰিঙাৰ কান দুখন তাৰ আগঠেং যোৰাতে থাকে। পৰুৱা কলা বোবা আৰু কণাও। কিন্তু ইহঁতৰ এণ্টেনাডালৰ কাৰ্য্যক্ষমতা দেখিলে তবধ মানিব লাগে। মহে এণ্টেনাৰ সহায়ত ১০ ফাৰেনহাইটৰ চাৰি হাজাৰ ভাগৰ এভাগ উত্তাপৰ তাৰতম্যও ধৰিব পাৰে। পতংগৰ ঘ্ৰাণ শক্তিও শক্তিশালী। পাটপলুৰ একোটা মতা মথে মাইকী একোজনীৰ গোন্ধ সাত মাইল মান দূৰৈৰ পৰাই পায়। ঠিক সেইদৰে এমপেৰৰ নামৰ মথ জাতৰ মতাটোৱে মাইকীজনীৰ গোন্ধ আঠমাইল মান দূৰৈতে পায়। সাধাৰণ পৰুৱা একোটাৰো পাঁচোটাকৈ নাক থাকে। আচৰিত কথা যে প্ৰতিটো নাকেই বেলেগ বেলেগ গোন্ধ লয়। পৰুৱাৰ বাট চিনাৰ নিয়মো ৰহস্যজনক। সিহঁতে অহা যোৱা কৰা বাটটোত সদায় এটা চিন থৈ যায়। সিহঁতৰ দেহত এক বিশেষ ধৰণৰ গ্ৰন্থি থাকে আৰু এই গ্ৰন্থিৰ পৰাই এবিধ ৰাসায়নিক পদাৰ্থ ওলায়। এই পদাৰ্থকে পৰুৱাই বাটে বাটে পেলাই গৈ থাকে। প্ৰতিটো প্ৰজাতি বা পৰিয়ালৰে এই ৰাসায়নিক পদাৰ্থৰ গোন্ধ বেলেগ। গতিকে পৰুৱাই নিজৰ পৰিয়ালৰ ৰাসায়নিক দ্ৰব্যৰ গোন্ধ ধৰিব পাৰে আৰু সিয়ে সিহঁতক বাট চিনাত সহায় কৰে।

বৰলৰ বুদ্ধি: আচৰিত যেন লাগিলেও সত্য যে বহুতো প্ৰাণীৰ তৃণভোজী মাকবিলাকে পোৱালীক মাংসৰ যোগান ধৰিব লাগে। গাঁত খন্দা বৰল (Digger wasp) নামৰ এজাত বৰলৰ ক্ষেত্ৰতো সেয়ে হয়। ইহঁতৰ পলুবিলাকে টোবান্টুলা

(Tarantula) নামৰ এজাত মকৰা খায়েই জীয়াই থাকে। এই মকৰাজাত নাতিশীতোষ্ণ আৰু গ্ৰীষ্মপ্ৰধান অঞ্চলত বাস কৰে। ইহঁতৰ কিছুমান আকাৰত বৰ ডাঙৰ আৰু ঠোঁট কেইটাও শক্তিশালী। ইহঁতে কামোৰ মাৰি ধৰিলে পোক পতংগৰতো কথাই নাই সৰু সৰু স্তন্যপায়ী প্ৰাণীযেও প্ৰমাদ গনিব লগাত পৰে। এনে একোটা ভয়ংকৰ প্ৰাণীকনো বৰলৰ পলুবিলাকে কেনেকৈ খাব পাৰে— ভাবিলে আচৰিত লাগে। অৱশ্যে সেই কাম পূৰ্ণাংগ বৰলেহে কৰে। বৰলে হুলডালেৰে আমাক বিন্ধিলে বিষধা ঠাইডোখৰ উখহি পৰে আৰু বহু ডপৰলৈ বিষাই থাকে। পোৱালীক মকৰাৰ টোপ খুৱাবলৈও পূৰ্ণাংগ বৰলে তাকেই কৰে।

পেটৰ ভিতৰত থকা কণীবোৰ পৈণত হোৱা যেন দেখিলে মাইকী বৰলজনীয়ে মকৰা বিচাৰি ওলায়। তাই শুঁৰডালেৰে শুঁহি শুঁহি মকৰা একোটা বিচাৰি উলিয়ায় আৰু মকৰাটোৰ গাত শুঁৰডালেৰে সৰু সৰুকৈ দিয়ে। আচৰিত কথা মকৰাটোৱে এই অৱস্থাত কোনো ধৰণৰ আক্ৰমণ নকৰি চুপে চাপে বহি থাকে। এইবাৰ বৰলটোৱে মকৰাটোৰ পৰা অলপ আঁতৰি গৈ মাটিত গাঁত এটা খান্দে। প্ৰকৃততে সেইটোৱেই মকৰাৰ কবৰ। অৱশ্যে গাঁত খান্দি থাকোতেও মকৰাটো আগৰ ঠাইত আছে নে নাই—মাজে সময়ে চাই থাকে।

গাঁত খান্দি হলে বৰলটোৱে মকৰাটোৰ ওচৰলৈ গৈ তাৰ খং উঠিছে নেকি— এবাৰ চাই লয়। মকৰা কিন্তু অলৰ অচৰ। সি আক্ৰমণো নকৰে আৰু পলাবলৈও চেষ্টা নকৰে। সেই সুযোগতে বৰলটোৱে তাৰ শক্তিশালী ঠোঁটটোৰে মকৰাৰ ঠেং এখন কামুৰি ছিঙি দিয়ে। এইবাৰ মকৰাটোৱে পলাবলৈ চেষ্টা কৰে কিন্তু ঠেং এখন নাইকিয়া হোৱাত অসুবিধা পায়। ইফালে মকৰাৰ ঠেং কেইখন শৰীৰৰ যি ঠাইত সংলগ্ন হৈ থাকে সেই ঠাইতে বৰলে তাৰ হুলডালেৰে যথেষ্ট পৰিমাণৰ বিহ ঢালি দিয়ে। ফলত ঠেং আটাইকেইখনেই অকামিলা হৈ পৰে। মুহূৰ্তৰ ভিতৰতে গোটেই মকৰাটো সংজ্ঞাহীন হৈ পৰে। এইবাৰ আৰু বৰলক পায় কোনে? সি তাৰ ঠোঁটটোৰে মকৰাৰ ঠেং এখনত কামোৰ মাৰি গাঁতটোলৈ চোচোৰাই নিয়ে। বৰলে গাঁতটোতে কণীও পাৰে আৰু মকৰাটোও থৈ আহে। তাৰ পাছত বৰলজনীয়ে গাঁতৰ মুখখন মাটিৰে ঢাকি দি তাৰ পৰা আঁতৰি যায়। ইফালে কণীফুটি ওলোৱা বৰলৰ পলুবিলাকে সেই মকৰাৰ মাংস খায়েই লাহে লাহে ডাঙৰ হয়।

বুদ্ধিত বৃহস্পতি মৌ মাখি বৰল আৰু পৰুৱাকে সাধাৰণতে পতংগ জগতৰ আটাইতকৈ বুদ্ধিয়ক পতংগ বুলি কোৱা হয়। ইয়াৰ ভিতৰত পৰুৱাৰ স্থানেই বোধ হয় প্ৰথম হ'ব।

পৰুৱাৰ সমাজ ব্যৱস্থাক বহু পৰিমাণে আমাৰ সমাজ ব্যৱস্থাৰ লগত তুলনা কৰিব পাৰি। কিছু ক্ষেত্ৰত আমাতকৈও উন্নত বুলিহে ক'ব পাৰি।

পৰৰাই সকলো কাম লগে ভাগে মিলিজুলিহে কৰে। সিহঁত থাকেও নগৰত। সিহঁতৰ সমাজত কম অনুসৰি জাত বিভাজনৰো ব্যৱস্থা আছে। সিহঁতেও আমাৰ দৰে প্ৰাণী পোহে আৰু খেতি কৰে। য দ্বাৰে গ'লেও শাৰী পাতি যায়। সিহঁতৰ নগৰত বাট পথ আছে পোহনীয়া প্ৰাণী আছে আৰু দ ই একৰ ছাকৰো আছে।

বৰলৰ বৰ্দ্ধিবৰ্ত্তিও কম নহয়। শ শ বছৰ ধৰি সিহঁতে হাতুৰিৰ ব্যৱহাৰ কৰি আহিছে কুমাৰৰ কাম কৰি আহিছে স স্তাহৰণ ঔষধৰ বেজী দি আহিছে কাগজৰ মণ্ড আৰু কাগজ তৈয়াৰ কৰি আহিছে আৰু কেইবা মহলাৰ ঘৰ দৰাবো সাজি আহিছে।

পতংগৰ সাহসো কম নহয় কিছুমান পতংগৰ সাহস দেখিলেও তবধ মানিব লাগে। উদাহৰণ স্বৰূপে মনাৰ্ক (Monarch) নামৰ পখিলাজাতৰ কথাকে কব পাৰি। এই পখিলাজাতে কেতিয়াবা হামিং (Humming) নামৰ চৰাই জাতলৈ ইমান জোৰেৰে চোচা মাৰি যায় যে চৰাইজাত পলাবলৈ বাধ্য হয়। অৱশ্যে এনে যুদ্ধ সাধাৰণতে নালাগে। কিন্তু ফুল একোপাহৰ ওপৰত পৰি থাকোতে যেতিয়া চৰাইজাতে আক্ৰমণ কৰিবলৈ আহে তেতিয়া পখিলাই খেদি যায়। মনাৰ্ক পখিলাই সৰ ওবাবলাৰ চৰায়ো খেদে। পতংগৰ সমাজত আটাইতকৈ সাহসী বোধহয় গাগিনীয়েই হব। গাগিনীয়ে ক ক ৰ মেকুৰী চৰাই সকলোৰে লগত যুদ্ধ দিয়ে। যুদ্ধত হয়তো কেতিয়াবা নিজেই নিশেষ হৈ যায় তথাপি কেতিয়াও পিচুৱাই নাহে। ঘিয়াঁই ৪০ মাইল মান বেগত দৌৰা আন পতংগ পাছফালৰ পৰা খেদি গৈয়েই ধৰেগৈ।

পৃথিৱীৰ আটাইতকৈ ডাঙৰ আৰু অসভ্য পতংগজাত হল দাইন পনেৰা গ্ৰেন্‌দিচ (Dinoponera grandis)। ব্ৰেজিল গিনিত পোৱা যায়। পৰৰাটো দীঘলে দ ই ইঞ্চি মান হব। ইহঁতে শ ংডালেৰে বিহ ঢালি আন সৰু সৰা প্ৰাণীটো মাৰেই মানহকো মৃত্যুৰ মুখত পেলায়। তাৰ স্থানীয় লোক সকলে ইহঁতক চাৰিশঙীয়া পৰৰা বুলিহে জানে। প্ৰকৃততে ইহঁতৰ শং এডালহে আছে চাৰিডাল নাই। কিন্তু চাৰিবাৰ ওপৰা ওপৰিকৈ খোচে কাৰণে ইহঁতক চাৰিশঙীয়া বুলি ভবা হয়। প্ৰথমটো খোচতে মানহজনৰ সৰ শৰীৰত বিষ হয়। দ্বিতীয় খোচত হাত ভৰি বিলাক জঠৰ হৈ পৰে। তৃতীয় খোচত মানহজন অচেতন হৈ পৰে আৰু চতুৰ্থ খোচত মৃত্যুৱেই হয়।

সিংহ পৰৰা (Ant Lion) নামটো যেনে ভয়লগা কামতো তেনেই ভয়ংকৰ। নামটো পৰৰা যদিও ইহঁত আচলতে পৰৰা নহয়। ভাৰ্মিলিঅ (Vermilio) নামৰ এজাত মাখিৰ ইহঁত পলুহে। ইহঁতে বালিত গাঁত একোটা কৰি তাতে আনে নেদেখাকৈ সোমাই থাকে। গাঁতৰ মুখলৈ আন পোক পতংগ আহিলেই ইহঁতে থাপ

মাৰি ধৰে। তেনে পোক পতংগ চেপা মাৰি ধৰি শৰীৰৰ সমস্ত ৰস শুহি খাই থয়। ৰস খোৱাৰ পাছত পোকৰ সীতাখিনি দ ৰলৈ দ'লিয়াই দিয়ে। সিংহৰ দৰে চিকাৰলৈ খাপ পাতি থাকে কাৰণেই ইহ তক সিংহ পৰ ৱা বোলা হয়। গাগিনীয়েও কোনোবা এঠাইত চিকাৰৰ আশাত খাপ পাতি বৈ থাকে। পোক-পতংগ ওচৰলৈ আহিলেই দীঘল কাইটীয়া আগঠেং দ'খনেৰে চেপা মাৰি ধৰে।

আফ্ৰিকাৰ কোনো কোনো অঞ্চলত দ্ৰাইভাৰ নামৰ এজাত পৰ ৱাই বৰ সন্ত্ৰাসৰ স ষ্টি কৰে। ইহ তে প্ৰায় সকলো পতংগকে ম ত্যুৰ ম খত পেলায়। ইহ তলৈ ভয় নকৰা কেৱল এজাত পতংগই আছে। সিহ তৰ নাম হ ল বেংগেলিয়ান মাখি (Bengalian fly)। কোটি কোটি দ্ৰাইভাৰ পৰ ৱা যেতিয়া হাবিৰ মাজেদি শাৰি পাতি গৈ থাকে বাটত পোৱা গছ বন পোক-পতংগ সকলো নি শেষ কৰি যায়। কিন্তু বেংগেলিয়ান নামৰ মাখিজাতে ইহ ত অহা দেখিলেই ঠাইতে আকাশলৈ উৰা মাৰে। কাৰণ দ্ৰাইভাৰ পৰ ৱাই উৰিব নোৱাৰে। তাৰ পাছত কোনোৱা এটা পাকত তললৈ চোঁ মাৰি আহি নিজৰ নিজৰ লেটাবোৰো ম খৰ শ ংডালেৰে খোচ মাৰি লৈ যায়হি। এইবাৰ সিহ তে বহ ত ওপৰত উৰিবলৈ লয়। ইফালে পৰ ৱাও নহয় কম। প্ৰায় প্ৰতিটো লেটাতে এবোটামানকৈ পৰ ৱা লাগিয়েই থাকে। অৱশ্যে মাখিয়েও তাৰ ব্যৱস্থা কৰে। মাখিটোৱে ম খত লেটাটো লৈ ইমান বেগাই উৰিবলৈ লয় যে পৰ ৱাটো তললৈ সৰি পৰিবলৈ বাধ্য হয়।

পতংগৰ বলশক্তিও অসীম কিছ মান পতংগ আকাৰত তেনেই সৰু যদিও বলশক্তি অসীম। স্প্ৰিং টেইল (Spring tail) নামৰ পত জাত দীঘে কেইমিল মিটাৰ মানহে হ ব। অথচ জাপ মাৰোতে নিজৰ দেহৰ দৈঘ্যৰ বাৰগ ণমান দ ৰত্বলৈ জাপ মাৰিব পাৰে। ইহ তৰ নেজডাল স্প্ৰিঙৰ দৰে। সেয়ে তাৰ ওপৰত ভৰ দিয়েই জাপ মাৰিবলৈ স বিধা হয়। এ ৰ উইং (Ear wing) নামৰ তেনেই সৰু পতংগ এটাই আকৌ প তলা ৰে ল একোখনো চোচোৰাই নিব পাৰে। মৌ মাখি'য় তাৰ নিজৰ ওজনতকৈ পোন্ধৰগ ণ বেচি ওজনৰ বস্তু কঢ়িয়াই নিব পাৰে। মান হ এজনে ৰে লৰ ইঞ্জিন এটা টানি নিয়াৰ কথা ভাবিবই নোৱাৰি। কিন্তু তেনে ঘটনা পতংগৰ সমাজত নিতৌ ঘটিযেই আছে। হিচাব কৰি পোৱা গৈছে যে পৰ ৱাবোৰ যদি মান হৰ সমানে ডাঙৰ হ লহে তেন তেন্তে একোটা পৰ ৱাই ২৪০ ০০০ পাউন্ড ওজনৰ বস্তু অনায়েসে কঢ়িয়াই নিব পাৰিলেহে তেন। উইচিৰিঙা এটাই তাৰ নিজৰ দেহৰ দৈৰ্ঘ্যৰ এশগ ণ মান অধিক দ ৰত্বলৈ জপিয়াব পাৰে। একোটা ফৰিঙে ওখজাপত নিজৰ দেহৰ দৈৰ্ঘ্যৰ দহগ ণমান আৰু দীঘল জাপত কুৰিগ ণ মান দ ৰত্ব অতিক্ৰম কৰিব পাৰে। একোটা বিটোলে (Beetle) নিজৰ ওজনতকৈ আঠশগ ণ বেচি ওজনৰ বস্তু কঢ়িয়াব পাৰে।

পতংগৰ সমাজত এজাতে আন এজাতক সহায় কৰাৰ উদাহৰণো আছে। এফিদ নামৰ ক্ষুদ্ৰ পতংগজাতে তাকেই কৰে। এফিদে বিভিন্ন গছৰ ৰস শুহি খায়।

গছৰ ৰসত চেনিৰ পৰিমাণ বেচি থাকে কিন্তু শৰীৰৰ কাৰণে প্ৰয়োজন হোৱা এমাইন এচিদৰ পৰিমাণ থাকে। সেই কাৰণে এফিদে সৰহীয়াকৈ গছৰ ৰস খাব লগাত পৰে। অতিমাত্ৰা ৰস খোৱাৰ কাৰণে ইহঁতৰ মলত কিছু পৰিমাণৰ চেনি মিহলি হৈ বৈ যায়। এই মিঠা মলখিনি খাবলৈকে পৰুৱাই এফিদৰ কাষ চাপে। আনহাতে পৰুৱাও এফিদৰ উপকাৰত আহে। পৰুৱাই এফিদক সদায় শত্ৰুৰ পৰা ৰক্ষা কৰি থাকে। আনকি পৰুৱাই মাটিৰ তলত গাঁত খান্দি এফিদৰ থকা মেলাৰো ব্যৱস্থা কৰি দিয়ে। পতংগৰ মাজত এনে পাৰম্পৰিক নিৰ্ভৰশীলতা দেখিলে তবধ মানিব লাগে।

ভোক লাগিলে নিজৰ শৰীৰৰ অংগ প্ৰত্যংগকে খায় পতংগভেদে খাদ্যও বেলেগ। বেচিভাগ পতংগই মাংসভোজী। মৌ পাখিৰ ফুলৰ ৰসেই খাদ্য। পইতাচোৰা উইচিৰিঙা আদিৰ আকৌ খাদ্যৰ বাচ বিচাৰেই নাই। মুখৰ আগত যি পায় তাকে খায়। জিয়া। গাগিনী আদি কিছুমান পতংগ ইমানেই খকুৱা যে ভাবিলে আচৰিত লাগে। জিয়াঁৰ ভোক লাগিলে আৰু ওচৰত একো নাপালে নিজৰ শৰীৰৰ অংগ প্ৰতংগবোৰকে খাই পেলায়। এবাৰ এটা জিয়াঁক দুঘণ্টামানৰ ভিতৰত নিজৰ শৰীৰতকৈ দুগুণমান ওজনৰ খাদ্য খাই পেলোৱা দেখা গৈছিল। গাগিনীৰ থক আকৌ কুকুৰনেচিয়া বাঘতকৈও চৰা। মুখৰ আগত পোৱা যি কোনো পতংগকে ই তাৰ দীঘল আগঠেং দুখনেৰে থাপ মাৰি খাই থয়। ইয়াৰ ভিতৰত শস্যৰ অপকাৰী পোক পতংগও অনেক থাকে। সেইফালৰ পৰা সিহঁতক কৃষকৰ বন্ধু বুলিও কব পাৰি। আন এজাত খকুৱা পতংগ হল মনাক পখিলা। ইহঁতে দিনে ৰাতিযে ছেদ ভেদ নোহোৱাকৈ কেৱল চিকাৰ বিচাৰি ঘূৰি ফুৰে। অতীজতে জিয়াঁবিলাক হেনো শেন একোটাৰ সমানেই ডাঙৰ আছিল। পতংগৰ সমাজত ইয়াতকৈ ডাঙৰ পতংগ আজিও সৃষ্টি হোৱা নাই। ইহঁতৰ পাখি দুখনৰ বিস্তাৰেই হেনো ত্ৰিশ ইঞ্চিমান আছিল। এতিয়াও দুই এজাত জিয়াঁৰ পাখিৰ বিস্তাৰ চাৰে সাত ইঞ্চিমান হব। পাখিলাৰ পলুৱে খোৱাৰ দৰে যদি মানুহেও খালে হয় তেন্তে একোজন মানুহক দিনে ৪০০ পাউণ্ড মান খাদ্য লাগিলহে তেন। আকৌ আটাইতকৈ দীঘল ঠেঙীয়া পতংগৰ কথা ওলালে দাদি লং লেগ (Dady long leg) নামৰ পতংগজাতৰ কথাকে কব লাগিব। ইহঁতৰ শৰীৰটো যিমান দীঘল ঠেং একোটা তাতকৈ আঠগুণমান দীঘল। বৰ্ত্তমান পৃথিৱীৰ ডাঙৰ পতংগসমূহৰ তালিকাত হাৰ্কিউলেচ (Hercules) নামৰ পতংগজাতো নিশ্চয় সোমাব। ইহঁতৰ শুং দুডালেই কম ভয়ংকৰ নহয়। গাটোৰ দৈঘ্য যদি তিনি ইঞ্চি শুঙৰ দৈৰ্ঘ্যও তিনি ইঞ্চি।

(**স্ত্ৰীৰ দ্বাৰা স্বামী ভক্ষণ** প্ৰাণীৰ সমাজত শক্তিশালীটোৱে দুৰ্বলটোক ভক্ষণ কৰাই নিয়ম। পতংগও ইয়াৰ ব্যতিক্ৰম নহয়। পতংগৰ সমাজত

স্ত্ৰীয়ে স্বামীক খোৱাৰ উদাহৰনো আছে। গাঁগিনীৰ মাইকী জনীয়ে যৌন মিলনৰ পাছত মতাটোকে খাই পেলায়। সেই কাৰণে মতাটোৱে আচলত জীৱ বান্ধিহে মাইকী জনীৰ কাষ চাপিব পাৰে। অৱশ্যে কিছু মান ব ন্ধিয়ক মতাই পোক পতংগ কিছু মান ধৰি আনি মাইকীজনীৰ মুখৰ আগত থৈ তাইৰ মনটো ভুলাই লয়। মাইকীজনীয়ে এনে পোক পতংগ খাই থাকোতেই মতাটোৱে লৰালৰিকৈ যৌন সম্ভোগ কৰি পলাই যায়।

ৰাবাৰ মাখিয়ে (Rubber fly) আকৌ একে পৰিয়ালৰ মাখি একোটা খাইহে আনন্দ পায়। উৰহৰ মতাটোৱে হেনো মৰমতে তিৰোতাজনীক আচুঁৰি বিচুঁৰি নগ ৰ নাগ তি কৰে। মতাবোৰে জননাগৰ লগত লাগি থকা কাইট এডালেৰে মাইকীজনীৰ পিঠিত আঁচুৰি ঘা লগাই দিয়ে আৰ পাছত সেই ফালেদিয়েই শ ক্ৰকীটবোৰ স ম ৰাই দিয়ে। সেই শ ক্ৰকীট তেজৰ লগত মিহলি হৈহে ডিম্বাশয়ৰ ওচৰ পায়গৈ।)

বিভিন্ন পত গৰ চিকাৰ কৰাৰ পদ্ধতি বিভিন্ন। বাঘ ভোমোৰা (Tiger beetle) নামৰ এজাত ভোমোৰা আছে। ইহ তৰ গাৰ ছালখনৰ পৰা হেনো গোলাপ ফুলৰ দৰে এবিধ স গন্ধ ওলায়। এই গন্ধতে আকৰ্ষিত হৈ মৌ মাখিবিলাক ওচৰ চাপি যায়। ভোমোৰায়ো সেই সুযোগকে গ্ৰহণ কৰে। তেনেই ওচৰ চপা যেন দেখিলেই ভোমোৰাই মৌ মাখিবোৰ থপিয়াই খাই পেলায়।

প্ৰতিজাত পোক পত গৰে কিবা নহয় কিবা এক বৈশিষ্ট্য থাকে। পখিলা মথ ফৰিং পইতাচোৰা আদি বহ তো পতংগৰ মূৰত দ ডালকৈ দীঘল শ থাকে। পাৰিপাৰ্শ্বিকতাৰ সামান্য উত্তাপৰ হেৰফেৰো এই শ ং দ ডালৰ সহায়ত ধৰিব পাৰে। তদ পৰি এই শ দ ডালৰ সহায়তে যি কোনো বস্তুৰ গোন্ধ দূৰৈতে পায়। এই শ ং দ ডালৰ সহাযতে প্ৰেমিক বা প্ৰেমিকাৰ অবস্থানো বহ ত দূৰৈতে ধৰিব পাৰে। কাঠত থকা এজাত পোকৰ (wood tick) ছালখনেই চকুৰ কামো কৰে। ইহ তৰ ছালখন ইমান সংবেদনশীল যে সামান্য উত্তাপৰ হেৰাফেৰো ধৰিব পাৰে। ছালখনৰ এনে গ ণৰ ফলতেই কেইবা ফুটো আঁতৰৈদি যোৱা পোক পতংগৰ অৱস্থিতিও ধৰিব পাৰে আৰ সেয়ে জাপ মাৰি তেনে পোক পতংগ খাবও পাৰে। মাখিৰ ঘ্ৰাণশক্তিও মন কৰিবলগীয়া। ইহ তে তেনেই ক্ষুদ্ৰ বস্তু একোটাৰ গোন্ধো বহ ত দূৰৈতে পায়। একোটা পৰ ৱাই তাৰ নিজৰ ওজনৰ চাৰিগুণমান ওজন অনায়েসে কঢ়িয়াব পাৰে। চেৰেপা একোটাই তাৰ শৰীৰটোৰ তুলনাত ইমান ওপৰলৈ জাপ মাৰিব পাৰে যে আমাৰ ওখজাপৰ বিশ্বৰেকড স্থাপন কৰা জনেও হাৰ মানিব লাগিব।

বিভিন্ন পতংগৰ বিভিন্ন ৰং বিভিন্ন জাতৰ পতংগৰ ৰং বেলেগ। কোনোটো সেউজীয়া কোনোটো হালধীয়া কোনোটো ৰঙা। আটাইতকৈ ৰঙীন

পতংগ হ ল পখিলা। ইহঁতৰ গাত নানান ৰঙৰ সংমিশ্ৰণ হয়। বেচিভাগ পতংগই নিজৰ গাৰ ৰং পৰিবেশৰ ৰঙৰ লগত খাপ খুৱাই লয়। সেউজীয়া ঘাঁহবনত থকা পতংগবোৰৰ ৰং সাধাৰণতে সেউজীয়া। ঠিক তেনেকৈ মাটিত থকা পোক পতংগৰ ৰং মটীয়া। এনে হোৱাৰ ফলত শত্ৰুৱে ইহঁতক সহজে দেখা নাপায়। ঠাৰি এডালৰ আকৃতিৰে সৃষ্টি হোৱা ঠাৰি পোক আৰু পাত এখিলাৰ আকৃতিৰে সৃষ্টি হোৱা পাত পখিলাৰ উদ্দেশ্যও প্ৰকৃততে শত্ৰুৰ চকুত ধূলি দিয়া।

পোক পতংগৰ কণীপৰা আৰু পোৱালীজগোৱাৰ কৌশল দেখিলেও আচৰিত হ'ব লাগে। বৰল জাতীয় কিছুমান পতংগৰ হেনো একোটা কণীৰ পৰাই ডেৰশ মান পল ওলায়। কিছুমান মাইকী পতংগই আকৌ পুৰুষৰ লগত মিলন নোহোৱাকৈয়ে কণী পাৰে আৰু আচৰিত কথা যে তেনে কণীৰ পৰা পোৱালীও জগে। অৱশ্যে নিষিক্ত নোহোৱা কণীৰ পৰা কেৱল মতা পোৱালীহে জন্ম হয়। পতংগৰ কণীবোৰৰ ৰং আৰু আকৃতিও মন কৰিবলগীয়া। ঘূৰণীয়া চেপেটা দীঘলীয়া কত ধৰণৰ যে কণী। কোনোটো পাচিটোৰ দৰে কোনোটো কলহটোৰ দৰে আৰু কোনোটো পিঠাটোৰ দৰে। কিছুমান কণী পাতত লাগি থাকে কিছুমান ডালত লাগি থাকে কিছুমান আকাশত ভাহি থাকে আৰু কিছুমানে আকৌ পানীতে ওপঙি থাকে।

একোজনী পতংগই পৰা কণীৰ সংখ্যাওতো কম নহয়। ড এল অ হাৱাড নামৰ এগৰাকী বিজ্ঞানীয়ে এবাৰ জিল্লীৰ কণীৰ থোপা এটা লেখি ১১০ ০০০ টা কণী পাইছিল। জুলিয়ান হাক্সলিৰ মতে এজনী মোৰা পোকে এটা বছৰত পৰা গোটেইখিনি কণীৰ পৰা যদি পোৱালী ওলায় আৰু সিহঁত বাচি থাকে তেন্তে গোটেই পৃথিৱীখনত মোৰা পোকৰে এটা চামনি বান্ধিব। আচৰিত কথা বহুতো পতংগই পূৰ্ণাংগ হোৱাৰ আগতেই কণী পাৰিবলৈ আৰম্ভ কৰি দিয়ে। এজাত ভোমোৰাৰ আকৌ পলুবোৰেই নতুন পলুৰ জন্ম দিয়ে। পলুৱে কণী পৰাৰ উদাহৰণো আছে। প্লেণ্ট লাইচ (p'ant lice) নামৰ পতংগ জাতবো অবিবাহিত তিৰোতাবিলাকে কণী পৰাই নহয় পোনে পোনে পোৱালীয়েই জগায়। পতংগৰ প্ৰজননৰ আৰু এক বৈচিত্ৰ হ'ল যে কেতিয়াবা এটা কণীৰ পৰাই বহুতো পোৱালী ওলায়। ড হাৱাডে এবাৰ অধ্যয়ন কৰি পাইছিল যে এজাত মাখিৰ বাৰটামান কণীৰ পৰাই তিনিহাজাৰ মান পোৱালী ওলাইছিল।

বৰমৌৱে আকৌ চৰাইৰ দৰে কণীবোৰ উমণিও দিয়ে। উমণি দিবলৈকে ইহঁতৰ মাকবোৰে কণীৰ ওপৰত বহি থাকে। কণী ফুটি পোৱালী নজগালৈকে সিহঁত তাৰ পৰা আঁতৰি নাযায়। এ ৰউইগ (Earwig) নামৰ সৰু পতংগজাতৰ মাইকীবোৰে গোটেই দিনটো কণীবোৰ ৰখি থাকে। কেনেবাকৈ যদি কোনোবাই আক্ৰমণ কৰেহি ইহঁতে শৰীৰৰ পাছ ফালে থকা চোঙা চেপেনাবোৰ শত্ৰুৰ গাত ইমান জোৰেৰে সুমুৱাই দিয়ে যে শত্ৰুৰ হয়তো খিতাতেই মৃত্যু হয় আৰু নহ'লেও পলাই

সাৰে। পৰুৱা উঁই পাটপলু আদি বহুতো পতংগৰ ৰানীজনীয়ে সাধাৰণতে কণী পৰাব বাহিৰে আন একো কামেই নকৰে। কিন্তু বৰ মৌৰ ৰাণীজনীয়ে কণীতো পাৰেই তাৰ মাজতে থাপ মাৰি খাদ্য বস্তু বিচাৰিও ওলায়।

যো মাখি উঁই পৰুৱা বৰল আদিৰ সমাজ ব্যৱস্থাও অতি উচ্ছৃখাপৰ। এই পতংগ কেইজাতৰ ৰাণীয়েই সবে সৰ্বা। তাইৰ দেহত শুক্ৰকীট ভৰাই থবৰ কাৰণে কেইটামান মোনা থাকে। শুক্ৰকীটবোৰ তাতে থৈ ৰাণীজনীয়ে প্ৰয়োজন মতে নিজৰ কণীবোৰ নিষিক্ত কৰি লয়। সেই কাৰণেই মতাটোৰ লগত ৰাণীজনীৰ গোটেই জীৱনত মাত্ৰ এবাৰহে মিলন হয়। আকৌ পোৱালীবিলাক মতা হ'ব নে মাইকী হ'ব—সেইটোও নিদ্ধাৰণ কৰে ৰাণীজনীয়ে। তাই যিবোৰ কণী শুক্ৰকীটৰ দ্বাৰা নিষিক্ত কৰে সেইবোৰৰ পৰা মাইকী পোৱালী জগে। নিষিক্ত নকৰাবোৰৰ পৰা মতা পোৱালী জগে। সকলো মাইকী মৌ মাখিয়েই আকৌ ৰাণীও হ'ব নোৱাৰে। কোনজনী ৰাণী হ'ব সেইটো ঠিক কৰে সমাজৰ কৰ্মীসকলে। কৰ্মীবোৰে যিজনী মাইকীক ভালকৈ খাব ৰ ৰলৈ দিয়ে তায়েই ৰাণী হয়গৈ। বাকীবোৰৰ জনন ক্ষমতা লোপ পায়। সিহঁতো পাছত কৰ্মীয়েই হৈ পৰে। প্ৰায় সকলো পতংগৰে জীৱন কালত চাৰিটা অৱস্থা থাকে। কণী পলু লেটা আৰু পূৰ্ণাংগ। একোটা



চিত্ৰ নং—২৬

[সকলো পতংগৰ ভিতৰত পখিলাৰ গাৰ ৰঙেই বেচি ৰংচঙীয়া। ইহঁতে ফুলে পাতে পৰি থাকোতে পাখিকেইখন মেলি থয়। বিভিন্ন ফুলৰ মৌৰেই ইহঁতৰ প্ৰিয় খাদ্য। আন পতংগত দৰে ইহঁতৰ জীৱনতো চাৰিটা অৱস্থা থাকে। কণী পলু, লেটা আৰু পূৰ্ণাংগ।]

জিলীক কণীৰ পৰা প'ৰ্ণাংগ অৱস্থা পাবলৈ প্ৰায় সোতৰ বছৰ মান সময় লাগে।

পতংগৰ আয়ুস কিমান বেলেগ বেলেগ পতংগৰ আয়ুসো বেলেগ বেলেগ। ডাঙৰ ডাঙৰ মথবোৰ মাত্ৰ কেইদিন মানহে জীয়াই থাকে। আচৰিত কথা এয়ে যে সিহঁতে এই কেইদিনত একোকে নাখায। জীয়াই থকা দিন কেইটাত সিহঁতৰ কেৱল এটাই কাম আৰু সেয়ে হ'ল যৌন মিলন। এনেহে লাগে যেন প্ৰেমেই সিহঁতৰ জীৱনৰ সৰ্ব্বস্ব। মে ফ্লাই নামৰ পতংগ জাতৰ কোনোটোৱে এবছৰ আৰু কোনোটোৱে তিনিবছৰ পৰ্য্যন্ত পানীৰ মাজত অ'পনত অৱস্থাতে থাকে। পতংগ হিচাবে মাত্ৰ এদিনমানহে জীয়াই থাকে। ই জীবনত মাত্ৰ এবাৰহে উৰে। আমেৰিকাৰ মথবিলাকৰ ভিতৰত প লিফেমাচ নামৰ মথজাতেই আটাইতকৈ ডাঙৰ। ইহঁতৰ পাখি দুখন মেলি দিলে পাঁচ ইঞ্চি মান বিস্তাৰ হয। ইহঁতেও নোখোৱা নোবোৱাকৈ মাত্ৰ কেইদিন মানহে জীয়াই থাকে। দাদি লং লেগ নামৰ পতংগজাতৰ আকৌ বছৰটোৰ ভিতৰতে জন্মও হয় আৰু মৃত্যুও হয়। আন পতংগৰ তুলনাত পৰৱাৰ আয়ুসেই সম্ভৱ আটাইতকৈ বেচি। কৰ্মী পৰৱা একোটা সাত বছৰ আৰু ৰাণী একোজনী পোন্ধৰ বছৰ পৰ্য্যন্ত জীয়াই থকাৰ উদাহৰণ আছে।

এজাত ফৰিঙে নিগনিও খাব পাৰে কঙ্গোৰ এজাত ফৰিঙে নিগনি একোটাও জীয়াই জীয়াই খাব পাৰে। এই ফৰিংজতে হেনো দীঘে ছয় ইঞ্চি মান হ'ব। ব্ৰাজিলৰ পানীত থকা এজাত পোকে পানীৰ মাজত ভেকুলী ধৰিও খাব পাৰে। ঘুণ পোকৰ পৰা আৰম্ভ কৰি উই পোকলৈকে বহুতো পতংগই কিতাপ পত্ৰ আচবাব বাঁহ কাঠ আদি খাই আমাৰ যথেষ্ট অনিষ্টও কৰে। চীনৰ এজাত বৰলে হেনো সীহো খাব পাৰে। বিপদ আপদ আৰু শীত কালিৰ কাৰণে খাদ্য সঞ্চয কৰাত পৰুৱা পাকৈত। আনকি সিহঁতে গাঁতৰ ভিতৰত গছ পাতৰ টুকুৰা কিছুমানো পেলাই থয়। সেই পাততে ভেকুৰ গজে আৰু পাছত সেই ভেকুৰেই সিহঁতৰ খাদ্য হৈ পৰে। চাহাৰা মৰুভূমিত বুছ (Bush) নামৰ তেনেই সৰু উইচিৰিঙা এজাত আছে। ইহঁতৰ শত্ৰু খেদোৱাৰ কৌশলো অতি চমৎকাৰ। ইহঁতৰ দেহত থকা বিষাক্ত গ্ৰন্থিৰ পৰা দুটা সৰু ফুটাইদি শত্ৰুৰ গালৈ বিহ চটিয়াব পাৰে। ইহঁতৰ ঘাই শত্ৰু হ'ল মৰুভূমিৰ কেইজাতমান সৰীসৃপ। বৰল কোনো আৰু আন পতংগৰো দেহত বিহ থাকে। একোটা কৰ্মী মৌ মাখিয়ে তাৰ জীৱন কালত মৌ সংগ্ৰহ কৰিবৰ কাৰনেই ৩০০ ০০০ মাইল মান ভ্ৰমণ কৰিব লগা হয়। ২০ পাউণ্ড মান মৌৰসৰ পৰা ১ পাউণ্ডমান মৌসীতাহে তৈয়াৰ হয়। ৫০০ গ্ৰাম মান মৌৰস গোটাবলৈ মৌ মাখিয়ে প্ৰায় দুই নিযুত ফুলৰ কাষ চাপিব লগা হয়।

পতংগৰ সমাজত তিৰোতাক আকৰ্ষণ কৰাৰো নানান কৌশল আছে। বং চঙীয়া মতা পতংগবোৰে গাৰ ৰংটো দেখুৱায়েই তিৰোতাৰ মন ভুলায়। মৌ

মাখিৰ দৰে দুই এজাত পতংগৰ মতাটোৰ নাচতেই তিৰোতাজনী ভোল যায়। জিলী উইচিৰিঙা আদিৰ মাতটোৱেই সম্বল। জোনাকী পৰুৱাৰ মতাবোৰেহে পোহৰ বিলায়। গতিকে মাইকীবোৰ এই পোহৰতে আকৰ্ষিত হয়। পোহৰ দেখুৱাই তিৰোতা ভুলোৱাৰ উদাহৰণ পতংগ সমাজত আৰু দুই এক আছে।

সকলো পতংগইযে মানুহৰ অপকাৰ কৰে সিও নহয়। সাধাৰণ উই পৰুৱায়ো যে আমাৰ বায়ুমণ্ডল বহু পৰিমাণে নিকা কৰি ৰাখে সেই কথা বিজ্ঞানীসকলে অলপতেহে আৱিষ্কাৰ কৰিছে। বায়ুমণ্ডলত থকা মিথেন নামৰ গেছবিধৰ হেনো প্ৰায় আধামান উই য়েই উৎপন্ন কৰে। মিথেনে অজন (ozone) আৰু হাইড্ৰজেন নামৰ গেছ দুবিধ উৎপাদনত সহায় কৰে। তদুপৰি পৃথিৱীৰ তাপ সংৰক্ষণতো ই সহায় কৰে। গছৰ পৰা তৈয়াৰ হোৱা জৈৱ পদাৰ্থৰ প্ৰায় তিনিভাগৰ এভাগ উই য়েই গ্ৰহণ কৰে। গতিকে ইহঁতে মানুহতকৈ বহু বেচি পৰিমাণৰ কাৰ্বন ডাইঅক্সাইদ বায়ুমণ্ডললৈ এৰি দিয়ে।

পোকৰ আণ্ডা আৰু টিৰ মাজত দিবলৈ তৈয়াৰ কৰা মাখিৰ শুকান ভজা—এই বিলাকৰ নাম শুনিলেই হয়তো আমাৰ বহুতেই বিৰক্তি দেখুৱাই পৰি মৰিব। কিন্তু ভাৰতকে ধৰি পৃথিৱীৰ বিভিন্ন দেশৰ দুই এক জনগোষ্ঠীৰ লোকে এনে খাদ্য নিতৌ খায়েই আছে। আমৰলি পৰুৱা আৰু সিহঁতৰ কণী পলু আদিও বহুতৰে প্ৰিয় খাদ্য। ভুটীয়াসকলে হেনো কোদোৰে তৈয়াৰ কৰা এবিধ খাদ্য খাই খুব ভাল পায়। অৱশ্যে দুৰ্বল আৰু ৰুগীয়া লোকক এই খাদ্য খাবলৈ দিয়া নহয়। মধ্য প্ৰাচ্যৰ কেইখনমান দেশত হেনো গুবৰুৱা চেপি এবিধ তেলো উলিওৱা হয় আৰু সেই তেলত বিভিন্ন ব্যঞ্জন ৰান্ধি খোৱা হয়। তেওঁলোকৰ মতে গুবৰুৱাৰ তেলত ৰন্ধা খাদ্য বৰ তৃপ্তিকৰ হয়। তেওঁলোকৰ ধাৰণা—গুবৰুৱাৰ তেল খালে কাণৰ বিষ ভাল হয় আৰু বিছা বা আন পতংগই খালেও নিবিষায়। তাহানি এৰিষ্টটলৰ দৰে প্ৰখ্যাত পণ্ডিতেও হেনো জিলী খাই বৰ ভাল পাইছিল। তদুপৰি শাক পাচলি আৰু ডাইল চাউলৰ লগত কত নোৱাৰাকৈয়ে কিমান পোক আৰু সিহঁতৰ কণী খাওঁ তাৰো কিবা হিচাব আছে জানো? দিনে দিনে খাদ্যৰ অনাটন এনেকৈ বাঢ়িব লাগিছে যে এটা সময়ত পৃথিৱীৰ সকলো মানুহেই হয়তো দিনটোৰ খাদ্যত কিছু পোক পতংগ খাবলৈ বাধ্য হৈ পৰিব।

পোক পতংগৰ গীত মাত

ৰেডিঅ টেলিভিছন কল কাৰখানাৰ যন্ত্ৰ যান বাহন আৰু হকে বিহকে বজাই থকা মাইকৰ শব্দই নগৰীয়া আকাশ সকলো সময়তে মুখৰিত কৰি থয়। এনে পৰিবেশত পোক পতংগ চৰাই চিৰিকতি বা জীৱ জন্তুৰ মাত শুনিবলৈ আশা কৰাটো মিছা। কিন্তু নগৰৰ পৰা অকণমান আঁতৰি যাওক। পথাৰ সমাৰ হাবি জংঘল বা গাওঁভূইৰ কাষত খন্তেক নিতাল মাৰি ৰওক—আপোনাৰ নিশ্চয় কাণত পৰিবহি নানা ধৰণৰ শব্দ। এই শব্দ যন্ত্ৰৰ নহয় যান বাহনৰ নহয় আৰু নহয় মাইকৰো। এই শব্দ প্ৰকৃতিৰ বিনন্দীয়া সৃষ্টি চৰাই চিৰিকতি জীৱ জন্তু বা পোক পতংগৰ। চৰাই চিৰিকতি বা জীৱ জন্তুৰ মাতত আকৰ্ষিত হৈ প্ৰাণী প্ৰেমত পৰা লোক আমাৰ সমাজত অনেক আছে। কিন্তু পোক পতংগয়ো যে গীত গাব পাৰে আৰু সিহঁতৰ গীতেও যে মানুহক আকৰ্ষণ কৰিব পাৰে—সেই কথা দুই এগৰাকী পতংগ প্ৰেমীৰ বাহিৰে আন বহুতেই নাজানে।

সকলো পতংগৰ ভিতৰত জিলীৰ মাতেই ডাঙৰ বছৰৰ গৰমৰ দিন কেইটাত হঠাতে ওলাই উছাংগ সঙ্গীতৰ ৰাগ টানি আকাশ পাতাল কঁপাই ফুৰা জিলীজনীক সম্ভৱ আমাৰ বহুতেই দেখিছে। মাতটোৰ তুলনাত পতংগ জাত যে বৰ ডাঙৰ নহয় সেই কথাও নিশ্চয় দেখা সকলে উপলব্ধি কৰিছে। আনহাতে নেদেখা সকলে হয়তো মাতটো শুনিয়েই ডাঙৰ পতংগ এজাতৰ কথা মনত কল্পনা কৰি থৈছে। সকলো পতংগ আৰু অমেৰুদণ্ডী প্ৰাণীৰ ভিতৰত জিলীৰ মাতেই ডাঙৰ। সেয়ে ইহঁতৰ শব্দ তৈয়াৰ কৰাৰ কৌশলে আমাৰ শৰীৰ বিজ্ঞানীসকলকো আকৰ্ষণ কৰি আহিছে। দ্বিতীয়তে সিহঁতৰ বিভিন্ন ধৰণৰ অনুভূতি আৰু স্বভাৱ চৰিত্ৰও মানুহৰ লগত কিছু পৰিমাণে মিলে। গতিকে আমাৰ দুই এগৰাকী মনস্তত্ববিদে তাৰো এক তুলনামূলক অধ্যয়ণ কৰিবলৈ লৈছে।

মাতটোৰ তুলনাত সৰু যদিও জিলী বহুতো পতংগতকৈ ডাঙৰ। গাটো চুটি, কিন্তু শক্তিশালী। পাখি কেইখনো চুটি কিন্তু বহল। সৰল আৰু জটিল—দুয়োবিধ চকুৱেই স্পষ্ট। মতাবোৰৰ দেহৰ প্ৰথম খণ্ডটোত শব্দ তৈয়াৰ কৰা এটা জটিল অংগ থাকে। আনহাতে শ্ৰৱণেন্দ্ৰিয় মতা মাইকী উভয়ৰে দেহৰ দ্বিতীয় খণ্ডটোৰ দুয়োকাষে দুটা টেম নাৰ দৰে থাকে।

জিলীৰ গীতে হেনো প্লেটোৰ দৰে মহান দাৰ্শনিক গৰাকীকো ইমান আকৰ্ষণ কৰিছিল যে তেওঁ ভাবিবলৈ বাধ্য হৈছিল যে খাই বৈ নাচি বাগি গীত গাই জীৱন কটোৱা এই পতংগজাত নিশ্চয় একালত মানুহেই আছিল।

ছেকেণ্ডত এশৰ পৰা পাঁচশ বাৰ শব্দ কৰে   জিলীৰ শব্দ তৈয়াৰ কৰাৰ প্ৰণালীটো এনেধৰণৰ। প্ৰথম কথা - শৰীৰৰ তলফালে অ'পাৰকুলা (opercula) নামৰ দ'খন ডাঙৰ প্লেট থাকে। বক্ষৰ (Thorax) লগত এই প্লেট দ'খন এনেভাবে সংলগ্ন হৈ থাকে যে লৰচৰ কৰিব নোৱাৰে। অ'পাৰকুলাৰ তল ফালে থকা খালি অংশটোত সন্মুখৰ ফালে এখন হালধীয়া আৱৰণ আৰু পাছৰফালে এখন আইনা সদৃশ আৱৰণ থাকে। অ'পাৰকুলাই হওক বা আৱৰণ খনেই হওক ইহঁত আচলতে শব্দ তৈয়াৰ কৰা অংগ নহয়। কিন্তু ইহঁতে শব্দ তৈয়াৰ কৰা অংগটো ৰক্ষা কৰি থাকে। এতিয়া আমি আচল যন্ত্ৰটোলৈ আঁহো। উদৰাংশৰ প্ৰথম খণ্ডটোৰ দুয়োকাষে দ'খন উত্তল (convex) কণীৰ আকৃতিৰ পাতল বগুৰ প্লেট থাকে। এই প্লেট দ'খনৰ নাম টিম্বল (Tymbal)। টিম্বল আৰু টিম্বলৰ লগত সংলগ্ন হৈ থকা পেশীখিনিয়েই হ'ল শব্দ তৈয়াৰ কৰাৰ মূল বস্তু। পেশী সংকোচনৰ ফলত টিম্বল দ'খন ভিতৰফালে সোমাই যাব পাৰে আৰু পেশী প্ৰসাৰণৰ ফলত টিম্বল দ'খন আগৰ অৱস্থালৈ আহি পাৰে। প্লেট দ'খন আগৰ অৱস্থালৈ আঁহোতেই ক্লিক কৈ একপ্ৰকাৰ শব্দ কৰে। খালি টিন এটাৰ সাঁফৰ এখনত আঙুলিৰে হেঁচা মাৰি এৰি দিলে দিলে যেনে ধৰণৰ শব্দ হয়—ঠিক তেনে ধৰণেৰেই প্লেট দ'খনেৰো শব্দ হয়। জিলীয়ে এই ব্যৱস্থাৰেই ছেকেণ্ডত এশৰ পৰা পাঁচশ বাৰলৈকে এনে শব্দ কৰিব পাৰে।

জিলীৰ কেৱল মতাবোৰৰহে এনে শব্দ সৃষ্টি কৰিব পৰা অংগ থাকে। মতাবোৰে গীত গোৱাৰ ঘাই উদ্দেশ্য হ'ল তিৰোতা একোজনীক আকৰ্ষণ কৰা। এনে গীতৰ সুৰতে তিৰোতা একোজনী মুগ্ধ হৈ পৰে আৰু তেনে গায়কৰ লগত যোৰ পাতিবলৈ কাষ চাপি আহে। কেতিয়াবা আকৌ এনেও হয় যে একোজনী তিৰোতাক আকৰ্ষণ কৰিবলৈ কেইবাটাও মতাৰ মাজত গীতৰ প্ৰতিযোগিতা চলে। এনে ক্ষেত্ৰত তিৰোতাজনীও বিপদত পৰে। কাক কোলাত লব আৰু কাক বোকাত থব ? কিন্তু তায়ো প্ৰকৃততে আটাইতকৈ ভাল গায়কজনৰহে কাষ চাপে।

জিলীৰ গীত গোৱাৰ উদ্দেশ্য কেইবাটাও   হাৰ্বাৰ্ট নামৰ এগৰাকী বিজ্ঞানীয়ে অৱশ্যে জিলীৰ গীত গোৱাৰ উদ্দেশ্য বেলেগ বুলিহে কব খোজে। তেওঁৰ মতে জিলীৰ মতা একোটাই বসন্ত কালত নিজৰ পৰিয়ালটো পোহপাল দিবৰ কাৰণে হাবিয়ে বননিয়ে ঘূৰি প্ৰথমে উপযুক্ত ঠাই টুকুৰাহে বিচাৰি উলিয়ায়। তাৰ পাছত সেই ঠাইটুকুৰালৈ আন মতা আহিবলৈ নিদি সিয়েই যে সেই ঠাইখনৰ গৰাকী গীত গাই আন মতাবোৰক জনাই দিয়ে। দ্বিতীয়তে সেই একে গীতৰ যোগেদিয়েই ওচৰে পাজৰে থকা তিৰোতাবোৰকো জনাই দিয়ে যে পৰিয়াল এটা পোহপাল দিবৰ কাৰণে সি প্ৰস্তুত। গতিকে ইচ্ছা কৰিলে কোনোবাই তাৰ লগত যোৰ পাতিব পাৰে।

কোনো কোনোৰ মতে জিলীৰ গীত গোৱাৰ আন উদ্দেশ্যও থাকিব পাৰে।

উদাহৰণ স্বৰূপে কোনোবাই জিলী এটা ধৰিবলৈ সি বেলেগ ধৰণেৰেহে চিঞৰে। এনে চিঞৰ গতান গতিক চিঞৰ পৰা কিছু বেলেগ। জিলীয়ে সাধাৰণতে গীত গাওঁতে ৰ'দ পৰা ঠাইত গছত বা শিল একোছটাৰ ওপৰত বহি লয়। ইহঁতৰ গীত গোৱাৰ লগত বেলিৰ পোহৰৰ নিশ্চয় কিছু সম্পৰ্ক আছে। উৰি ফুৰা অৱস্থাত জিলীয়ে সাধাৰণতে গীত নাগায়। জিলী মূলতে দিনচৰ পতংগ। গীত গোৱাই হওক বা অন্যান্য কামেই হওক দিনৰ ভিতৰতহে তাকো আটাইতকৈ গৰমৰ সময়ছোৱাতহে কৰে। ইহঁতৰ আন এক বৈশিষ্ট্য হ'ল যে যেতিয়াই জিলী থকা ঠাইৰ ওপৰেদি দিনৰ ভাগতো ডাৱৰ এচপৰা পাৰ হৈ যায়— ইহঁতে ৰাতি বুলি ভাবে আৰু সেয়ে ৰাতি গোৱা গীত গাবলৈ লয়। কিন্তু ডাৱৰ চপৰা পাৰ হৈ যোৱাৰ পাছত বেলিৰ পোহৰ পৰাৰ লগে লগে পুনৰ দিনত গোৱা গীত গাবলৈ লয়।



চিত্ৰ নং—২৭

[জিলী ঘাইকৈ গছ গছনিৰে ভৰা ভাঠ হাবিত পোৱা যায়। ইহঁতৰ প্যাখি কেইখন ডাঙৰ আৰু পাতল। একোটা জীৱন চক্ৰ সম্পূৰ্ণ হ'বলৈ দুবছৰৰ পৰা সোতৰ বছৰ পৰ্যন্ত সময় লাগে। জিলীৰ কেৱল মতাটোহে মাতিব পাৰে আৰু এই মাতৰ সহায়তে তিৰোতাজনীক আকৰ্ষণ কৰে। জিলীৰ মাত অতি কৰ্কশ আৰু ভয় লগা। একেলেথাৰিয়ে বহুত সময় ধৰি মাতি থাকে।]

যদিও মাত সৃষ্টি কৰা যন্ত্ৰটো সকলো জিলীৰে প্ৰায় একে ধৰণৰ তথাপি সকলো জিলীৰে মাত সাইলাখ একে বুলি কৰ নোৱাৰি। জিলীৰ বিভিন্ন প্ৰজাতি আছে আৰু প্ৰজাতি ভেদে মাতৰ হে ৰফে'ৰ আছে। দ্বিতীয়তে জিলীৰ মাতটো বহু পৰিমাণে যন্ত্ৰটোতকৈও যন্ত্ৰটো কোনে কি ধৰণে বজায়—তাৰ ওপৰতহে নিৰ্ভৰ কৰে। গীত একোটা কোনটো প্ৰজাতিৰ জিলীয়ে গাইছে অলপ মন কৰিলেই ধৰিব পাৰি। দ্বিতীয়তে একেটা জিলীয়েও বিভিন্ন সময়ত বিভিন্ন উদ্দেশ্যেৰে বিভিন্ন ধৰণৰ গীত গাব পাৰে।

ফৰিঙবোৰ মতাবোৰেহে শব্দ কৰেঃ প্ৰতিজাত পতংগৰে শব্দ সৃষ্টি কৰাৰ কৌশল বেলেগ। ফৰিং উইচিৰিঙা আদিৰ এই কৌশল আমাৰ বেহেলা বা বীণৰ লগতহে তুলনা কৰিব পাৰি। ইহঁতে শৰীৰৰ এটা অংগ আন অংগত ঘঁহাযেই শব্দৰ সৃষ্টি কৰে। ফৰিঙৰ ঠেংখনৰ ভিতৰফালে দীঘলীয়াকৈ গোল গোল কিছুমান গুটি থাকে। এই ঠেংখন পাখিৰ ওপৰেদি ঘঁহাই দিয়াৰ লগে লগে এই গুটিবোৰ এটাৰ পাছত আনটো পাখিত ঘঁহনি খাই এক প্ৰকাৰ শব্দৰ সৃষ্টি কৰে। ফণি এখনৰ দাঁতবোৰ মাৰি এডালৰ ওৰেদি ঘঁহাই দিলে যি ধৰণে শব্দ হয় ইয়াতো ঠিক তেনে ধৰণেৰেই শব্দ হয়। জিলীৰ দৰে ফৰিঙবো মতাবোৰেহে কেৱল এনে

ধৰণে গীত গাব পাৰে। ফৰিংবো প্ৰজাতি ভেদে মাতৰ পাৰ্থক্য আছে আৰু এই পাৰ্থক্য কেৱল ফৰিঙেহে ধৰিব পাৰে। মাইকী ফৰিং একোজনীয়ে নিজৰ জাতৰ মতাটোৰ মাত বুজি পায় আৰু সিয়েই সিহঁতক যোৰ পতাত সহায় কৰে।



চিত্ৰ নং—২৮

[ঘাঁহনি বননি কচুৱনি আদিত ফৰিং প্ৰায়েই পৰি থকা দেখা যায়। শত্ৰুৰ চকুত ধৰা নপৰিবৰ কাৰণে ফৰিঙৰ ৰং সদায় পৰিবেশৰ ৰঙৰ লগত মিলি থাকে। ফৰিঙৰ শব্দ তৈয়াৰ কৰাৰ কৌশলো মন কৰিব লগীয়া। মতাটোৰ ঠেঙৰ আগফালে কৰতৰ দাতৰ দৰে কিছুমান দাঁত থাকে। এই দাঁতবোৰ পাখিৰ কাষটোত ঘঁহায়েই শব্দৰ সৃষ্টি কৰে। মাতৰ উদ্দেশ্যও প্ৰকৃততে মাইকীজনীক আকৰ্ষণ কৰাহে।]

উঁইচিৰিঙাই এক বিশেষ ধৰণেৰে বহুত সময় ধৰি চিঞৰে। ইহঁতৰ চিঞৰাৰ কৌশল আমাৰ কাঁড়তালৰ লগতহে তুলনা কৰিব পাৰি। উঁইচিৰিঙাৰ সোঁফালৰ সন্মুখৰ পাখিখনৰ তলফালে কাঁড়তালত থকাৰ দৰে ঘাত থকা এডাল সিৰ (Ridge) থাকে। আনহাতে বাওঁফালৰ সন্মুখৰ পাখিখনত কাঁড়ৰ দৰে এটা উঠঙা অংশ থাকে। পাখি দুখন ওপৰলৈ দাঙি ইখন সিখনৰ ওপৰত ঘঁহাওতে এখন পাখিৰ কাঁড়ৰ দৰে উঠঙা অংশটো আনখন পাখিৰ ঘাত থকা সিৰটোত ঘঁহনি খাই একপ্ৰকাৰ শব্দৰ সৃষ্টি কৰে। উঁইচিৰিঙাৰ এই চিঁ চিঁয়নি শব্দটো আমাৰ বাবে কোঢ়াল যেন লাগিলেও সিহঁতৰ বাবে সিয়েই সঙ্গীত। মতাটোৰ এনে সঙ্গীতত ভোল গৈ মাইকী একোজনী যোৰ পাতিবলৈ ওচৰ চাপি আহে।

ম'হে এন্টিনাৰ সহায়ত দূৰৈৰ শব্দ ধৰিব পাৰে পতংগৰ দেহৰ মাজেৰে সৰকি যোৱা কিছুমান শ্বাসনালীকা বা ট্ৰেকিয়া (Trachea) থাকে। এই

থৈকিয়া সমূহৰ মাজেদি বাহিৰৰ অক্সিজেনযুক্ত বায়ু দেহৰ ভিতৰলৈ সোমাব পাৰে আৰু দেহৰ ভিতৰৰ পৰা কাৰ্বন ডাই অক্সাইদ যুক্ত বায়ু বাহিৰ ওলাব পাৰে। কিছুমান পতংগৰ দেহত এই বায়ু সোমোৱা ওলোৱা বাটতে তেনেই ক্ষুদ্ৰ পাতল পেশী এটুকুৰা ওলমি থাকে। বায়ুৰ সোঁতে এই পেশীখণ্ড কঁপাই তোলে আৰু তাৰ ফলতে এক প্ৰকাৰ শব্দ হয়। হেড হক (Head Hawk) নামৰ এজাত মথে আকৌ খাদ্যনলীৰ পৰা জোৰেৰে বায়ু উলিয়ায়েই এক প্ৰকাৰ শব্দ কৰে। ভেনা মাখি মৌ মাখি মহ গ বৰৰা আদি বহুতো পতংগই পাখি কেইখন খৰ জোৰত আৰ ঘনকৈ কোবায়েই শব্দৰ সৃষ্টি কৰে। যি যিমানে খৰকৈ পাখি কোবায় সিমানেই মাতটো ডাঙৰ হয়। মতা মহৰ মূৰত দুডাল নোমাল শুং বা এঁটনা থাকে। এই এঁটনাৰ সহাযতে মতা মহে মাইকী মহৰ পাখিৰ শব্দ ধৰিব পাৰে। সিয়েই সিহঁতক যোৰ পতাতো সহায় কৰে। পতংগৰ শব্দ তৈয়াৰ কৰাৰ লগত উত্তাপৰো সম্ভৱ কিছু সম্পৰ্ক আছে। কাৰণ গৰম কালি আবেলি বা সন্ধিয়া যিবিলাক পতংগই ডাঙৰ ডাঙৰকৈ চিঞৰে সেই একেবিলাক পতংগই ৰাতি ঠাণ্ডা বঢ়া পোৱাৰ লগে লগে সৰু সৰুকৈ মাতিবলৈ লয়।

ওপৰত উল্লেখ কৰা পতংগ সমূহৰ উপৰি পতংগৰ সমাজত আৰু অনেক গায়ক গায়িকা আছে। কাৰোবাৰ মাত ডাঙৰ কাৰোবাৰ সৰু। কাৰোবাৰ মাত কৰ্কশ কাৰোবাৰ মিহি। আমি গীত বুলি কলেও পতংগৰ মাত সমূহ প্ৰকৃততে গীত হয়নে নহয় সিও এক বিচাৰ্য্য বিষয়। কাৰণ সিহঁতৰ মাতৰ সুৰ তাল লয় ধ্বনি আমাৰ সঙ্গীতৰ পৰা সম্পূৰ্ণ বেলেগ। কিন্তু পতংগৰ সমাজত সেইবিলাক মাতৰে কিবা সাঙ্গিতীক মূল্য থাকিবও পাৰে। সিহঁতৰ এই মাতবোৰেই ভাব বিনিময়ত সহায় কৰে যৌন জীৱনৰ পথ সুগম কৰি তোলে আৰু নিজৰ বংশ পৰিচয়ত সহায় কৰে।

প্ৰকৃতি জগতৰ ইঞ্জিনিয়াৰ—মকৰা

সূতা কাটি জাল গঠিব পৰা প্ৰথম প্ৰাণী সম্ভৱ মকৰাই হ'ব। জ্যামিতিৰ আদি গুৰু ইউক্লিড আমাৰ কাৰণে পূৰণি হ'লেও পতংগৰ কাৰণে একেবাৰেই নহয়। কাৰণ তেওঁলোকৰ জ্যামিতিবিদ মকৰাই তাৰ বহু আগতেই জ্যামিতিৰ বীজ সিঁচি থৈ গৈছে। মকৰাৰ জালখনলৈকে নাচাঁও কিয়? ই জানো জ্যামিতিৰ কম অপূৰ্ব নিদৰ্শন? আমাৰ ঘৰ দুৱাৰ সজা মিস্ত্ৰী সকলেইবা কিমান পূৰণি? কিন্তু মকৰাইতো কোনোবা যুগতেই ঘৰ সজাৰ জ্ঞান আহৰণ কৰি থৈছে। অকল জানো সেয়ে? ইচ্ছামতে খুলিব জপাবলৈ তেওঁলোকৰ ঘৰবোৰত কব্জা লগোৱা দুৱাৰবো ব্যৱস্থা আছে। মান হে বেলুনৰ সহায়ত আকাশলৈ উৰিবলৈ লোৱাবো বৰ বেছি দিন হোৱা নাই। কিন্তু মকৰাৰ এই ব্যৱস্থা বহুতদিনৰ আগৰে পৰাই আছে। মকৰাৰ জালৰ সূতা একো ডালো ইমান মিহি যে কেতিয়াবা আমাৰ চকুতেই নপৰে। মকৰাৰ জালৰ সূতা এডালেৰে যদি গোটেই পৃথিৱী খনৰ চাৰিও পিনে এপাক মেৰাই দিয়া হয় সেই সূতাখিনিৰ ওজন ৬ আউন্স মানহে হ'ব। তেনেই ক্ষীণ কাৰণেই মকৰাৰজালৰ সূতাৰ ওজনো পাতল। ২৭৬০০ টা মান মকৰাৰ জাল লগ লগালেহে এক পাউণ্ড মান ওজন হ'ব।



চিত্ৰ নং—২৯

[মকৰাৰ দেহত সূতা তৈয়াৰ কৰিব পৰা এবিধ গ্ৰন্থি থাকে। মকৰাই তাৰ সূতাৰেই জাল তৈয়াৰ কৰে। এই জালতে পোক পতংগ লাগি ধৰে আৰু মকৰাই তাকে ধৰি খায়। গতিকে মকৰাই বহুতো অপকাৰী পোক—পতংগ খাই আমাৰ উপকাৰো কৰে।]

মকৰাৰ চিকাৰ মকৰাৰ দেহত সূতা তৈয়াৰ কৰিব পৰা এবিধ গ্ৰন্থি থাকে। মকৰাই জাল বান্ধোতে দেহৰ পৰা এই সূতাবিলাক ওলাই গৈ থাকে। মকৰাৰ জালখন প্ৰকৃততে পোক পতংগ ধৰাৰ ফান্দহে। কাৰণ পোক পতংগই মকৰাৰ খাদ্য। জালখন বনাই শেষ হ'লে মকৰাটো জালখনৰ পৰা কিছু আতৰত চুপে চাপে

চিকাৰৰ আশাত বৈ থাকে। এডাল স'তাৰে জালখনৰ লগত নিজৰ দেহটোও সংলগ্ন কৰি থয়। চিকাৰ জালত পৰিলেই জালখনত এটি মৃদু কম্পনৰ সৃষ্টি হয় আৰু সংলগ্ন স'তাডালৰ সহায়ত মকৰাই সেই কথা বুজি পায়। গতিকে ততালিকৈ জালৰ মাজলৈ গৈ তেনে পোক ভক্ষণ কৰেগৈ। কিন্তু কেনেবাকৈ যদি মকৰাতকৈ ডাঙৰ পতংগ জালত পৰেগৈ আৰু মকৰাৰ নিজৰে বিপদ হোৱাৰ সম্ভাৱনা থাকে তেন্তে সংলগ্ন স'তাডাল ছিঙি ততালিকৈ সেই ঠাইৰ পৰা পলাই যায়।

স্কাইটডেচ (Scytodes) নামৰ এজাত মকৰাৰ চিকাৰ কৰাৰ পদ্ধতিও অতি অভিনৱ। ইহঁতে পোক পতংগটোৰ চাৰিওকাষে নিজৰ দেহৰ পৰা উলিওৱা স'তাৰে জাল এখন তৈয়াৰ কৰি দিয়ে। ইমান কম সময়ৰ ভিতৰতে জালখন বনায় যে পতংগটোৱে ধৰিবই নোৱাৰে। পতংগটো জালৰ ভিতৰত বন্দী হৈ পৰিলে মকৰাই সহজে ধৰি খাব পাৰে।

মকৰাই ভুৰ সাজিবও জানে পোক-পতংগই বেছিভাগ কাম সহজাত প্ৰবৃত্তিৰ (Natural instinct) সহায়তে কৰে। আনকি চিকাৰতো এই সহজাত প্ৰবৃত্তিয়েই সহায় কৰে। কুকুৰনেচিয়া মকৰা (wolf spider) নামৰ এজাত মকৰাৰ ক্ষেত্ৰত চিকাৰ কৰাৰ পদ্ধতি প্ৰায় কুকুৰনেচিয়া বাঘৰ দৰে। ইহঁতে মনে মনে লুকাই চুৰকৈ চিকাৰ বিচাৰি ঘূৰি ফুৰে আৰু চিকাৰ দেখা মাত্ৰকে অতৰ্কিতে আক্ৰমণ চলায়। এই মকৰাজাতে যে কেৱল মাটিতেহে চিকাৰ কৰে এনেও নহয়। চিকাৰ বিচাৰি পানীলৈও যায়। গছৰ পাত কেইখিলামান মুখৰ পৰা উলিওৱা স'তাৰে চিলাই চাং একোখনৰ দৰে কৰে। এই চাংখন ভুৰৰ দৰে পানীত ওপঙি ফুৰে আৰু তাৰ ওপৰতে উঠি মকৰাটোও গৈ থাকে। পানীত থকা পোক পতংগ যেতিয়াই এই চাংখনৰ ওচৰ চাপে বা উশাহ নিশাহ লবৰ কাৰণে পানীৰ ওপৰলৈ আহে তেতিয়াই মকৰাটোৱে একেজাপতে তেনে পোক-পতংগ খাপ মাৰি ধৰে। তেনেকৈ মৰা পোক পতংগবোৰ চাঙৰ ওপৰত থয়হি আৰু আজৰি পৰত তাকে একামোৰ দুকামোৰকৈ খাই থাকে।

এজাত মকৰাই পানীৰ তলতে উশাহ নিশাহো লয়ঃ এজাত পানীত থকা মকৰাৰ পানীৰ তলত থকা ব্যৱস্থা দেখিলে আচৰিত হ'ব লাগে। এই মকৰা জাতে যদিও বায়ুৰ পৰাই অক্সিজেন গ্ৰহণ কৰে কিন্তু বাঁহ সাজে পানীৰ তলত। জান জুৰিৰ তলীত মুখৰ পৰা উলিওৱা স'তাৰে ইহঁতে কোঠা একোটা তৈয়াৰ কৰে। কোঠাটো ওপঙি আহিব পাৰে বুলি ভাবি কিছুমান স'তাৰে তলীত থকা শিল কাঠৰ টুকুৰা আদিৰ লগত গাঁথি থয়। আনহাতে পানীৰ ওপৰত ওপঙি থকা শেলুৰৈ পুনি আদিৰ লগতো স'তা একোডালেৰে বাঁহটো সংলগ্ন কৰি থয়। এই খিনি কাম হ'লেই মকৰাটোৱে এবাৰ বাঁহটোৰ ওচৰলৈ আৰু এবাৰ পানীৰ ওপৰলৈ তাঁত বাতি কৰাৰ দৰে অহাযোৱা কৰি থাকে। ইয়াৰো এক উদ্দেশ্য আছে। মকৰা জাতৰ গাত কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ শুং থাকে। মকৰাটোৱে এই শুংবোৰৰ মাজতে বায়ুৰ কনা একোটা পানীৰ ওপৰৰ পৰা সংগ্ৰহ কৰে আৰু তললৈ গৈ বাঁহটোত

সমুদ্ৰবাই থৈ আহেঁগে। এনেকৈ বাৰে বাৰে বায়ুকনা নি বাঁহটো বায়ুৰে পূৰ্ণ কৰি পেলায়। বায়ু ত অক্সিজেনো থাকে। গতিকে বাঁহটোত থকা বায়ুৰ মাজতে মকৰাটোৱে স্বচ্ছন্দে দিন কটাব পাৰে। এই বাঁহটোৰ ভিতৰতে মকৰাই কণী পাৰি পোৱালীও জগায়। মকৰাৰ মাকজনীয়ে পোৱালী বিলাককো সৰু সৰু বায়ু কণাৰ মাজত সমুদ্ৰবাই দিয়ে। গতিকে মাকৰ দৰে সিহঁতেও জীৱন যাপন কৰিবলৈ শিকে।

আমেৰিকাৰ দক্ষিণ আৰু পশ্চিমৰ কেইখনমান ৰাজ্যত এজাত আচৰিত মকৰা আছে। সেই অঞ্চলৰ লোকে এই মকৰাজাতক চন্দ্ৰমুখী মকৰা বুলি কয়। অৰণ্যে শৰীৰৰ চন্দ্ৰৰ দৰে গোলাকাৰ অংশটো শৰীৰৰ পাছফালেহে থাকে। এই গোলাকাৰ অংশটো বেচ শক্তিশালী। শত্ৰুৰ আক্ৰমণৰ পৰা নিজকে ৰক্ষা কৰিবলৈ ইহঁতে এই অংশটো ব্যৱহাৰ কৰে। গাঁতত সোমাই থকা অৱস্থাতো এই গোটা অংশটোকে গাঁতৰ মুখত থৈ ফুটাটো বন্ধ কৰি দিয়ে

মকৰাৰ জালেৰে মাছো ধৰিব পাৰি অষ্ট্ৰেলিয়া আৰু দক্ষিণ পশ্চিম প্ৰশান্ত মহাসাগৰীয় দ্বীপ সমূহত নেফিলা (Nephila) নামৰ এজাত ডাঙৰ মকৰা আছে। ঠেং কেইখন ইমান দীঘল যে সাত ইঞ্চিমান দূৰৈৰ পৰাহে খোজ পেলাব পাৰে। ইহঁতৰ জালখনো ইমানেই মজবুত যে নিউগিনি ফিজি আৰু ছলমন দ্বীপৰ লোক সকলে এই জালখনেৰে সাগৰত মাছকে ধৰে। তিনি চাৰি পাউণ্ড ওজনৰ মাছ হেনো ইয়াৰে সহজে ধৰিব পাৰে। আকাশত উৰি থকা অৱস্থাত চৰাই বাদুলী আদিও এই জালৰ সহায়ত ধৰা হয়।

সকলো মকৰাৰে জালৰ আকৃতি একে নহয়। কিছুমান মকৰাই জালখনৰ তলতে সূতাত ওলমি থাকে। জালত পোক পতংগ পৰিলেই জালখন তললৈ বহি যায় আৰু সেই সুযোগতে মকৰাই থাপ মাৰি খায়। কিছুমান সৰু জাতৰ মকৰাই আকৌ জালেই নাসাজে। ইহঁত গছৰ বাকলিৰ ফাঁকত বা পাতৰ তলত চুপে চাপে বৈ থাকে। পোক পতংগ ওচৰলৈ আহিলেই থাপ মাৰি ধৰে। কেকোৰা মকৰা (Crab spider) নামৰ এজাত মকৰাই ফুলত পৰি থকা পোক পতংগবোৰকে থপিয়াই খায়। এবিধ মকৰাই পোক পতংগৰ ওপৰত জঁপিয়াই পৰে। অষ্ট্ৰেলিয়াৰ এজাত মকৰাৰ চিকাৰ কৰাৰ কৌশল অতি অভিনৱ। ই দীঘল সূতা এডাল তৈয়াৰ কৰি সূতাৰ মূৰটো অলপ শকত কৰি লৰচৰ কৰিব পৰাকৈ থৈ দিয়ে। জোনাক নিশা মকৰাটোৱে সূতাডাল লৰাই থাকে আৰু ফলত সূতাৰ মূৰটো বেচিকৈ লৰচৰ কৰে। জোনাকত লৰচৰ কৰি থকা সূতাৰ মূৰটোৱেই মথবোৰক আকৰ্ষণ কৰি ওচৰ চপাই আনে। মকৰায়ো সেই চলতে সিহঁতক চিকাৰ কৰে। মকৰাই জালৰ সূতাতকৈ নিজে বগাই ফুৰা সূতাজাল অলপ শকত কৰি লয়। মকৰাৰ আন এক বৈশিষ্ট্য হল যে ই মৃত পতংগ কেতিয়াও নাখায়। জালত পৰি জীয়াই থকা অৱস্থাতে ভক্ষণ কৰে।

[মকৰা বন্ধু নে শত্ৰু ? চাৰ্ফচিকুনকৈ থকা কোনো লোকেই ঘৰৰ বেবে ছালে মকৰাজাল থাকিবলৈ নিদিয়ে। কিন্তু দুই এগৰাকী প্ৰকৃতিবিদে মকৰাজাল ৰখাটোহে ভাল বুলি কৈছে। তেওঁলোকৰ মতে মকৰাজালেই আমাৰ বহুতো অপকাৰী পোক-পতংগক মৃত্যুৰ মুখত পেলায়। একোটা মকৰাই দিনে তাৰ নিজৰ দেহৰ ওজনতকৈ ২৭ গুণ অধিক ওজনৰ পোক-পতংগ খাই শেষ কৰে। গোটেই পৃথিৱীৰ মকৰাবোৰে এবছৰত যিমান পোক পতংগ খায় সেই পোক-পতংগৰ ওজন পৃথিৱীত থকা সকলো মানুহৰ ওজনতকৈ বেচি হ'ব।

তিৰোতাজনীৰ কাষ চপাও সমস্যা বহুতো মতা মকৰাই তিৰোতাজনীৰ ওচৰ চাপোতে নিজৰ জীৱনটোকে উচগা কৰিব লগাত পৰে। মকৰাৰ মাইকীজনীতকৈ মতাটোৰ আকাৰ সৰু হোৱাৰ কাৰণেও এনে বিপদৰ সম্ভাৱনা বেচি হয়। তিৰোতাৰ মন ভাল লগাবলৈকে কুক বনেচিয়া আৰু জাপ মৰা—এই দুজাত মকৰাই তিৰোতাৰ সম্মুখত নাচি দেখুৱায়। এই নাচত মতাবোৰৰ ঠেং আৰু পেটৰ ৰং স্পষ্ট হৈ পৰে আৰু তাকে দেখিযেই হেনো তিৰোতাবিলাক ভোল যায়। তিৰোতাজনীৰ মনৰ গতি গোত্ৰ লক্ষ্য কৰিহে মতা এটাটা যৌন মিলনৰ কাৰণে আগবাঢ়ি যায়। মিলনৰ পাছত ততালিকে সি আঁতিৰেও।

বেচি ভাগ মকৰাযেই কণীৰ থোপাবোৰ গছৰ পাতত বা ঘাঁহত ওলোমাই থয়। কুক বনেচিয়া মকৰাৰ মাইকীজনীযে কিন্তু কণীৰ থোপাবোৰ পিঠিতে লৈ ফুৰে। আনকি কণী ফুটি ওলোৱা পোৱালীবোৰো বহু তদিনলৈ পিঠিতেই থাকে। পাছত স্বাৱলম্বী হলেহে পিঠিৰ পৰা নামি আহে। পোৱালীবিলাকে পাঁচৰ পৰা দহবাৰলৈকে মোট সলোবাৰ পাছতহে পূৰ্ণাংগ অৱস্থাত পৰিণত হয়। এই মোট সলোৱাৰ সময়ছোৱাত কেনেবাকৈ যদি ঠেং এখন ভাঙি নাইকিয়া হয় পাছৰ বাৰ মোট তৈয়াৰ হওঁতে তেনে ঠেং গজি আহে। পোৱালী মকৰাবোৰৰ মাজত এটাই আনটোক খোৱাটোও এক সাধাৰণ কথা। পোৱালী মকৰাবিলাক পূৰ্ণাংগ হৈ উঠিলে সাধাৰণতে মাকৰ ওচৰৰ পৰা আঁতৰি যায়। ইহঁত ওখ খুঁটা বেৰা বা গছৰ ওপৰলৈ বগায়। মুখৰ পৰা উলিওৱা সূতাৰে পেৰাচুট একোটা তৈয়াৰ কৰি তাতে ওলমি বতাহৰ সহায়ত এঠাইৰ পৰা আন এঠাইলৈ যায়। এনেকৈ পোৱালী মকৰা পেৰাচুটত উঠি ৩৫০ কিলোমিটাৰ পৰ্যন্ত দূৰলৈ যোৱাৰো প্ৰমাণ পোৱা হৈছে।

মকৰাৰ শত্ৰুও অনেক। সৰীসৃপ ভেকুলী আৰু চৰায়েই মকৰাৰ ঘাই শত্ৰু। অৱশ্যে আন দুই এজাত প্ৰাণীয়েও সুবিধা পালে মকৰাক আক্ৰমণ কৰে। এজাত বৰলে কেৱল মকৰাকে বিচাৰি ফুৰে। সেই কাৰণে ইহঁতৰ নামেই হৈছে মকৰা বৰল (Sp der wasp)। এই বৰলজাতে মকৰাৰ বাহৰ ওচৰলৈ গৈ ইটো

সিচটো টানি আজৰি হুলেম্বুল লগাই দিয়ে। মকৰাই কিনো হৈছে বুলি চাবলৈ ওলাই আঁহোতেই বৰলজাতে থাপ মাৰি ধৰে। বৰলে মকৰাৰ গাত বিহ ঢালি প্ৰথমে অচেতন কৰে আৰু পাছত মাৰিয়েই পেলায়।

শত্ৰুৰ হাতৰ পৰা সাৰিবলৈ দুই এজাত মকৰাই বিশেষ কৌশলো অৱলম্বন কৰে। ট্ৰেপদ্বৰ মকৰা (Trap door spider) নামৰ মকৰাজাতে মাটিত গাঁত খান্দি সোমাই থাকে আৰু গাঁতৰ মুখত ঘাঁহ পাত গছৰ সৰু ঠাৰি আদি এনেকৈ মেলি থয় যে শত্ৰুৱে সেইফালেদি মকৰাৰ গাঁত আছে বুলি ধৰিবই নোৱাৰে। কিছুমান মকৰাৰ আকৌ গাঁতৰ পৰা ওলাবলৈ এটা দ্বিতীয় সুৰংগও থাকে। এফালে শত্ৰু সোমালে আনফালে পলাই যাব পাৰে।

মকৰাক যিমান ভয়ংকৰ বুলি ভবা হয় প্ৰকৃততে সিমান নহয়। কেৱল আমেৰিকাৰ ব্লেক উইদ (Black widow) নামৰ মকৰাজাতে কাম বিলেহে মানুহৰ মৃত্যু পৰ্যন্ত হব পাৰে। বৰ্তমান জীৱিত মকৰাৰ ভিতৰত পশ্চিম আফ্ৰিকাত থকা থেৰাফছা লেবলন্দি (Theraphosa leblondi) নামৰ মকৰাজাতেই আটাইতকৈ ডাঙৰ। ইহঁতৰ গাটো চাৰে তিনি ইঞ্চি মান দীঘল। ঠেং একোখনৰ দৈৰ্ঘ্য দহ ইঞ্চিমান হব। গ্ৰীষ্মমণ্ডলত থকা নোমাল মকৰা এজাতে হামিং চৰাই নামৰ এজাত চৰাইয়ো চিকাৰ কৰে। অৱশ্যে ইহঁতে মানুহৰ কোনো অপকাৰ নকৰে। চৰাই খোৱা এই মকৰাজাত পোন্ধৰ বছৰ পৰ্যন্ত জীযাই থাকে। বাকী আন আন জাতৰ মকৰাৰ আয়ুস এবছৰৰ বেচি নহয়।

উৰণীয়া প্ৰাণী

পানীত থকা প্ৰাণী বুলিলে আমাৰ যেনেকৈ পোনতে মাছলৈহে মনত পৰে ঠিক তেনেকৈ উৰণীয়া প্ৰাণী বুলিলেও আমাৰ পোনতে চৰাইলৈহে মনত পৰে। কিন্তু প্ৰকৃততে চৰাইৰ বাহিৰেও আন উৰণীয়া প্ৰাণী বহুত আছে। তথাপি উৰণীয়া প্ৰাণী হিচাবে চৰাইৰ স্থান সকলোৰে ওপৰত। চৰাইৰ অংগ প্ৰত্যংগ সমূহ উৰিব পৰাৰ উপযোগীকৈ ইমান সুন্দৰ ভাবে গঠিত যে আন কোনো প্ৰাণীয়েই ইহঁতৰ লগত উৰণ প্ৰতিযোগিতাত ফেৰ মাৰিব নোৱাৰে।



চিত্ৰ নং —৩০

[ওপৰৰ ছবিত এটা খোপাবন্ধা চৰাই। সকলো চৰাইৰে উৰণত সহায় কৰিবলৈ কিছুমান অংগ প্ৰত্যংগ থাকে। উৰণৰ প্ৰধান অংগ ডেউকা দুখন। ডেউকা দুখন উঠা নমা কৰিবলৈ চৰাইৰ দেহত শক্তিশালী পেশী থাকে। ওজন কমাবৰ কাৰণেই চৰাইৰ হাড়বোৰ ফোঁপোলা আৰু হাঁওফাঁওৰ লগত সংলগ্ন হৈ বায়ু মোনা থাকে।]

নেজ পাখিয়ে দিক নিৰ্ণয়ত সহায় কৰে উৰণত অদ্বিতীয় এই চৰাই সমূহৰনো উৰাৰ উপযোগীকৈ কি কি অংগ প্ৰত্যংগ থাকে তাকে পোনতে বিচাৰ কৰি চোৱা যাওক। ইহঁতৰ আটাইতকৈ শক্তিশালী অংগ হ'ল ডেউকা দুখন। প্ৰতিখন ডেউকাতে বহুতো দীঘল পাখি ইখন সিখনৰ লগ লাগি থাকে। এই পাখি সমূহৰ সহায়তেই চৰায়ে বায়ুৰ ওপৰত বিভিন্ন ধৰণৰ চাপ দি ওপৰলৈ তললৈ বা সন্মুখৰ ফালে যাব পাৰে। ডেউকা দুখন উঠা নমা কৰিবৰ কাৰণে শক্তিশালী পেশীবোৰ প্ৰয়োজন হয় আৰু এনে পেশী চৰাইৰ বুকুৰ ফালে থাকে। উৰণত সহায় কৰে কাৰণে এনে পেশীক উৰণ পেশী বোলা হয়। উৰণ পেশী সংলগ্ন কৰি থবৰ কাৰণে চৰাইৰ বুকুৰ ফালে কিল (keel) নামৰ এছটা ডাঙৰ চেপেটা অস্থিও থাকে। ডেউকা দুখনৰ উপৰি চৰাইৰ গোটেই গাতে আন ধৰণৰ পাখিও থাকে। চৰাইৰ পাখি তাপৰ কু-পৰিবাহক। সেই কাৰণে পাখিৰ মাজেদি দেহৰ উত্তাপ বাহিৰ হৈ যাব নোৱাৰে। অৰ্থাৎ চৰায়ে নিজৰ দেহৰ উত্তাপ স্থিৰেৰে ৰাখিব পাৰে। চৰাইৰ নেজৰ ফালে থকা দীঘল দীঘল পাখিবোৰে দিকনিৰ্ণয়তো সহায় কৰে।

উৰিবৰ কাৰণে গাৰ ওজন পাতল হোৱাও দৰকাৰ। চৰাইৰ দেহত এই ব্যৱস্থাও আছে।

ওজন কমাবৰ কাৰণেই চৰাইৰ হাড়বিলাক কোপোলা। চৰাইৰ দেহত হাওঁফাওঁৰ লগত সংলগ্ন হৈ কিছুমান বায়ুমোনাও থাকে। এই মোনাবিলাকে এহাতে যেনেকৈ অধিক শ্বসন কাৰ্য্য চলোৱাত সহায় কৰে আনহাতে দেহৰ ওজনো কমাই পেলায়। চৰাইৰ মূত্ৰস্থলী (Urinary bladder) নাথাকে আৰু মল ভাণ্ডাৰটোও তেনেই সৰু। মল মূত্ৰ তৈয়াৰ হোৱাৰ লগে লগে বাহিৰলৈ উলিয়াই দিয়ে। এই আটাইখিনি ব্যৱস্থাই চৰাইৰ শৰীৰৰ ওজন কমোৱাত সহায় কৰে।

চৰাইৰ বহুতো হাড় ইডাল সিডালৰ লগ লাগি একে হৈ পৰে। ইয়াৰ ফলত চৰায়ে বায়ুৰ প্ৰচণ্ড চাপৰ বিৰুদ্ধেও আগবাঢ়ি যাব পাৰে। বুকুৰ চাৰিওফালে থকা কামিহাড়বোৰ এফালে মেৰুহাড়ৰ লগত আৰু আনফালে বুকুৰ হাড়ছটাৰ লগত সংলগ্ন হৈ থাকে। ফলত বুকুৰ অংশটো কোঠা এটাৰ দৰে হৈ পৰে। এই কোঠাৰ ভিতৰতে হৃদপিণ্ড হাওঁফাওঁ আদি অংগ সমূহ সোমাই থাকে আৰু সেইকাৰণে উৰিবাওঁতে জোকাৰ নাখায়।

একোটা চৰাইক বহুত খাদ্য লাগে চৰাইৰ শৰীৰৰ গঠনো মন কৰিবলগীয়া। চৰাইৰ মসৃণ শৰীৰটো আকৃতিত নাও এখনৰ দৰে। এই আকৃতিয়েও ইহঁতক উৰাত সহায় কৰে। জীৱাশ্ম অৱস্থাত পোৱা চৰাইৰ বাহিৰে বৰ্ত্তমানৰ জীৱিত চৰাইবোৰৰ দাঁতো নাথাকে। ইহঁতৰ মুখত ঠোঁটহে থাকে। দাঁতৰ তুলনাত ঠোঁটৰ ওজনো কম। চৰায়ে ঠোঁটৰ সহায়তে খাদ্য সংগ্ৰহ কৰে আৰু মাংসহাৰী চৰায়ে ঠোঁটৰ সহায়তে মাংস কাটি টুকুৰা টুকুৰ কৰে। চৰাইৰ আন এক বৈশিষ্ট্য হ'ল যে ইহঁতৰ বিপাক কাৰ্য্য (Metabolism) আন প্ৰাণীতকৈ অধিক। উৰিবৰ কাৰণে অধিক শক্তি অধিক শক্তিৰ কাৰণ অধিক বিপাক কাৰ্য্য আৰু অধিক বিপাক কাৰ্য্যৰ কাৰণে অধিক খাদ্য এয়ে হল চৰাইৰ ধৰ্ম। সেই কাৰণেই আন প্ৰাণীৰ তুলনাত চৰাইয়ে অধিক খাদ্য খায়। আন কোনো প্ৰাণীয়েই চৰাইৰ দৰে দোকমোকালিৰ পৰা সন্ধ্যালৈকে খাদ্য বিচাৰি নুফুৰে। পোৱালী তোলাৰ সময়ত ইহঁতৰ অৱস্থা আৰু কাহিল হয়। একোটা ঘৰচিৰিকাই নিজৰ পোৱালীক দিনটোত এশবাৰ মানকৈ খুৱাৰ লগাত পৰে।

[পঞ্চাশ কিলোগ্ৰাম ঘাম এজন মানুহে যদি হামিং চৰাই এটাৰ সমানে শক্তি ক্ষয় কৰিব লগা হলহেঁতেন তেন্তে তেওঁ প্ৰতি ঘণ্টাত ৫০ কিলোগ্ৰাম মানকৈ ঘাম উলিয়াই শৰীৰটো ঠাণ্ডা কৰি থ'ব লাগিলহেঁতেন। নহলে হয়তো তেওঁৰ শৰীৰৰ উত্তাপ পানীৰ উতলাংক ডিগ্ৰীতকৈও বেছি হলহেঁতেন।]

উৰি ফুৰা প্ৰাণী এজাতৰ কাৰণে শ্ৰৱণ শক্তিয়েই যথেষ্ট নহয়। শত্ৰু মিত্ৰ বা বাট পথ চিনিবলৈ ইহঁতৰ প্ৰখৰ দৃষ্টি শক্তিৰহে প্ৰয়োজন। সেই কাৰণেই সম্ভৱ চৰাইৰ শ্ৰৱণশক্তি দুৰ্বল দৃষ্টি শক্তিহে প্ৰখৰ।

চৰায়েহে কেৱল গছৰ ডালত শুব পাৰে • উৰণৰ অংগ প্ৰত্যংগ সমূহৰ উপৰি মাটিত থাকোতেও কিছুমান বিশেষ অংগ প্ৰত্যংগৰ প্ৰয়োজন হয়। কাৰণ, খাদ্যবিচাৰিবলৈ যোৰ পাতিবলৈ আৰু বাঁহ সাজি কণী পাৰিবলৈ চৰায়ে হয় মাটিলৈ নামিব লাগে আৰু নহলেও গছত পৰিব লাগে। গছৰ ডালত শুই থাকিব পৰা প্ৰাণী কেৱল চৰাইহে আছে। ইহঁতে নখ কেইটাৰে ডালত খামোচ মাৰি ধৰিয়েই শুই বা জিৰাই থাকিব পাৰে। নখৰ লগত কিছুমান ত ভু (Tendon) এনেভাৱে সংলগ্ন হৈ আছে যে চৰাইটো বহি দিয়াৰ লগে লগে নখকেইটা বেঁকা হৈ ডালত খাম চি ধৰে আৰু চৰাইটো উঠি দিয়াৰ লগে লগে খামোচটো এৰ খাই পৰে। বিভিন্ন চৰাইৰ ঠেঙৰ আকৃতি বিভিন্ন। এই ঠেঙৰ সহায়তে চৰায়ে সাতুৰিব পাৰে আৰু খোজ কাঢ়িবও পাৰে।

প্ৰতিজাত চৰাইৰে উৰণ পদ্ধতি আৰু উৰণ ক্ষমতা বেলেগ। উদাহৰণ স্বৰূপে আমাৰ পোহনীয়া কুকুৰা এজনীয়ে উৰা মাৰি কেইগজমান দূৰত্বহে অতিক্ৰম কৰিব পাৰে। আনহাতে কিছুমান চৰায়ে উৰি উৰিয়েই শ শ মাইল অতিক্ৰম কৰে। এতিয়ালৈকে পোৱা তথ্য অনুসৰি ব্ৰাউন বিশ্ববিদ্যালয় মিউজিয়ামত থকা এটা এলবেট্ৰচ চৰায়েই আটাইতকৈ দূৰ ভ্ৰমণকাৰী চৰাই হিচাপে পৰিগণিত হৈছে। এই চৰাইটোৱে হেনো জীৱিত কালত এবাৰ ১২ টা দিনত ৩১৫০ মাইল পথ অতিক্ৰম কৰিছিল। দুই একে এই দূৰত্ব আৰু বেঁচ বুলিহে কৰ খোজে। কাৰণ এলবেট্ৰচ চৰাই সদায় বেকা বেঁকিকৈহে যায়। এই চৰাইটোৰ ওজন আছিল ১৮ পাউণ্ড আৰু ডেউকাদ খনৰ এটা মূৰৰ পৰা আনটো মূৰলৈ ১১ ফুট ৬ ইঞ্চি আছিল। এলবেট্ৰচ চৰাইৰ আন এক বৈশিষ্ট্য হ'ল যে চৰাইজাতে জন্ম হৈ উৰি যোৱাৰ পাছত দুবছৰ মানলৈ মাটিত ভৰি নিদিবও পাৰে। কাৰণ ইহঁতে সাগৰৰ ওপৰত উৰি উৰি মাছ বা মৰাশ আদি খায়েই জীৱন কটায়। পোহনীয়া কেৰিয়াৰ পাৰ চৰায়ে (carrier pigeon) মিনিটত ১২১০ গজ মান পথ অতিক্ৰম কৰিব পাৰে। যদি বতাহেও লগতে অলপ সহায় কৰে তেন্তে এই গতিবেগ মিনিটত ১১৮০ গজ অৰ্থাৎ এমাইলৰো কিছু ওপৰ হয়গৈ। চাতক চৰায়ে ঘণ্টাত ৯০০ মাইল মান বেগত উৰিব পাৰে। অষ্ট্ৰেলিয়াৰ বুছটাৰ্কি (Bush Turky) নামৰ চৰাইজাতৰ জন্মতেই পাখিবিলাক সম্পূৰ্ণকৈ গজি আহে আৰু সেইকাৰণে জন্ম হোৱাৰ পাছতেই উৰিব পাৰে। আটাইতকৈ সৰু হামিং বাড নামৰ চৰাইজাতে পিছুৱায়ো উৰিব পাৰে।

[**আটাইতকৈ বেগী চৰাই** স্পাইন টেইলদ চুইফ ট (Spine tailed swift) নামৰ চৰাইজাতেই আটাইতকৈ বেগী চৰাই। ইহঁতে ঘণ্টাত ১৭১ কিলোমিটাৰ বেগত উৰিব পাৰে। আটাইতকৈ ওপৰেদি উৰা চৰাইজাত হ'ল ধূতৰাজ। ইহঁতে ৬০৬৭ মিটাৰ অৰ্থাৎ দুই লাখ ফুটৰ ওপৰেদিও উৰি যাব পাৰে। কিছুমান চৰাই খোজ কঢ়াতো পাকৈত। উট চৰায়ে ঘণ্টাত ৫০ মাইল মান বেগত খোজ কাঢ়িব পাৰে।]

শগ লেও আকাশৰ যথেষ্ট ওপৰেদি উৰিব পাৰে। এজাত বগা শগ লে ৭০০০ৰ পৰা ১৫০০০ ফুট উচ্চতালৈকে উৰিব পাৰে। অৱশ্যে কনদৰ নামৰ আন এজাত চৰায়ে কেতিয়াবা শগুণকো চেৰ পেলায়। কিছুমান চৰাইৰ উৰণৰ বেগ দেখিলেও তবধ মানিব লাগে। হাউচ চোৰেল্ল (House swallow) নামৰ চৰাই জাতৰ এটা চৰায়ে ৩ বাৰ ১২½ মিনিটত ৩২ মাইল অৰ্থাৎ গড় হিচাবত ঘণ্টাত ১৫৩ মাইল উৰা মাৰি এক অভিলেখ স্থাপন কৰি গৈছে। আন কিছুমান চৰাইৰ উৰণৰ বেগ ঘণ্টাত এনেধৰণৰ : বগা বৰটোকোলা—৪৮ মাইল মাল্লাদ (Mallard)—৫০ মাইল ৰুক (Rook)—৪৫ মাইল গেন্নেট (Gannet)—৪৮ মাইল, ৰাজহাঁহ—৫৫ মাইল লেপউইং—৮০ৰ পৰা ৪৫ মাইল গল্ডেন প্লভাৰ—৬০ মাইল হামিং বাৰ্ড—৫০ ৰ পৰা ৫৫ মাইল।

সকলো চৰায়েযে উৰিব পাৰে সিও নহয়। উট চৰাই এমু ৰিয়া কিৱি কেছওৱি পেংগুইন আদি বহুতো চৰায়ে উৰিব নোৱাৰে। সিহঁতৰ গাত যদিও পাখি ডেউকা আদি থাকে তথাপি উৰিবৰ জোখাৰে সিবিলাক শক্তিশালী নহয়। সিহঁতৰ উৰণ পেশী সমূহো দুৰ্বল। উৰিব নোৱাৰা চৰাই সমূহৰ উৎপত্তি সম্পৰ্কে বিজ্ঞানীসকলে কৰ খোজে যে এসময়ত এই চৰাই কেইজাতো উৰণীয়াই আছিল। পাছত উৰাৰ প্ৰয়োজন নোহোৱাতহে ইহঁত মাটিতে নিগাজীকৈ থাকিবলৈ ললে আৰু উৰণৰ কাৰণে প্ৰয়োজনীয় অংগ প্ৰত্যংগ সমূহ লাহে লাহে নিস্কৰ্মা হৈ পৰিল। ক্ৰমৰ অঞ্চলত থকা পেংগুইন নামৰ চৰাই জাতে সাতোৰাৰ কাৰণেই ডেউকা দুখন ব্যৱহাৰ কৰিবলৈ ললে।

বাদুলী চৰাই নে স্তন্যপায়ী ? চৰাইৰ দৰে উৰণত নিপুণ নহয় যদিও আন কিছুমান প্ৰাণীয়েও কম বেচি দূৰলৈ উৰিব পাৰে। স্তন্যপায়ী প্ৰাণীৰ চাৰি ভাগৰ এভাগ মানেই উৰিব পাৰে। উৰণীয়া স্তন্যপায়ীৰ ভিতৰত বাদুলীৰ স্থানেই আটাইতকৈ ওপৰত। বাদুলীৰ জাত দুটা। এটা ডাঙৰ আৰু আনটো সৰু। ডাঙৰ জাত ফলাহাৰী আৰু সৰু জাত পতংগভোজী। জন্তুৰ দৰে ইহঁতৰ বাহিৰ কাণ থাকে আৰু গাটো নোমেৰে ঢাক খাই থাকে। চৰাইৰ মুখত ঠোঁটহে থাকে কিন্তু ইহঁতৰ থাকে দাঁত। স্তন্যপায়ী প্ৰাণীৰ দৰে বক্ষ আৰু উদৰৰ মাজত ভিতৰফালে দায়েফ্ৰাম (Diaphram) বা বেৰ থাকে। চৰাইৰ দৰে ইহঁতে কণীও নাপাৰে পোৱালীহে জগায়। স্তন্যপায়ীৰ দৰে ইহঁতৰ পোৱালীয়ে মাকৰ স্তনৰ গাখীৰ খাইহে ডাঙৰ হয়। তথাপি উৰণত চৰাইতকৈ ইহঁত কোনোগুণে কম নহয়।

বাদুলীৰ দেহৰ দুয়োকাষে আগঠেং আৰু পাছ ঠেংৰ আঙুলিবিলাক সাঙুৰি দুখন ছাল থাকে। এই ছাল দুখনক পেটাজিয়াম (petagium) বুলি কোৱা হয়। আগঠেংৰ প্ৰথমটো আঙুলি বাদ দি বাকী আঙুলিকেইটা অস্বাভাৱিক ভাবে দীঘল আৰু পেটাজিয়ামৰ মাজে মাজে সোমাই থাকে। গাঁঠি থকা এই দীঘল আঙুলিকেইটাৰ সহায়তে পেটাজিয়ামখন মেলি বা জপাই থব পাৰে। ছাতিৰ

কাপোৰ খনৰ তলে তলে দাম্দি থকাৰ দৰে। দাম্দি কেইডাল মেলি ধৰিলে ছাতিটো মেল খাই পৰে আৰু দাম্দিবোৰ কোঁচ খুৱাই দিলে ছাতিটো জাপ খাই পৰে। বাদুলীৰ পেটাজিয়মখনৰ কাৰ্য্য প্ৰণালীও ঠিক তেনেকুৱাই। দুয়োজাত বাদুলীৰে

চিত্ৰ নং—৩১

[বাদুলী নিশাচৰ প্ৰাণী। বিভিন্ন ধৰনৰ ফলেই ইহঁতৰ আহাৰ। আগঠেংদুখনৰ আঙুলি বিলাক দীঘল আৰু এই আঙুলিবিলাকৰ সংলগ্ন কৰি এখন ছাল থাকে। এই ছালখনেই প্ৰকৃততে ডেউকাৰ দৰে কাম কৰে। ইহঁতৰ দৃষ্টিশক্তি দুৰ্বল কিন্তু শ্ৰৱণশক্তি প্ৰখৰ। শৰীৰটো মুগা বৰণীয়া নোমেৰে আবৃত। দেখাত চৰাই যেন লাগিলেও বাদুলী প্ৰকৃততে স্তন্যপায়ী প্ৰাণী।]

পেটাজিয়াম দুখন প্ৰায় একেই কেৱল সৰু বাদুলীজাতৰ ক্ষেত্ৰত পেটাজিয়ামখন পাছ ঠেংৰ পাছলৈকো বিস্তৃত হৈ থাকে। কিন্তু ডাঙৰ বাদুলীৰ এইটো অংশত পেটাজিয়াম নাথাকে।

আচৰিত কথা বাদুলীয়ে আন প্ৰাণীৰ দৰে মূৰ ওপৰলৈ কৰিও নৰহে। মূৰটো তললৈ কৰি উভটি ওলমি থাকে। বাদুলীৰ দৃষ্টি শক্তি ক্ষীণ। ইহঁতে উৰি যাওঁতে মুখেৰে হিচ হিচকৈ একপ্ৰকাৰ শব্দ কৰি যায়। এই শব্দ সন্মুখৰ বস্তুত ঠেকা খাই প্ৰতিধ্বনিত হয় আৰু বাদুলীৰ শ্ৰৱণেন্দ্ৰিয়ই তাক ধৰা পেলায়। তেনেকৈয়ে সন্মুখৰ বাধা বিঘিনি অতিক্ৰম কৰি বাদুলীয়ে ৰাতি উৰি ফুৰে। এনে ব্যৱস্থা কেৱল বাদুলীৰহে আছে।

বাদুলীৰ সঙ্গম কাৰ্য্যও বৰ কৌতূহলজনক। ঠিক কুকুৰৰ দৰে। মতাৰ শিশ্ন আৰু মাইকীৰ যোনিৰ গঠন এনেকুৱা যে বহুতসময় ধৰি সঙ্গমৰত অৱস্থাতে থাকিব পাৰে।

বাদুলীৰ উপৰি আন বহুতো স্তন্যপায়ী প্ৰাণীয়েও কম দূৰত্বলৈ উৰিব পাৰে। ইয়াৰ ভিতৰত উৰণীয়া কেৰ্কেটুৱা উৰণীয়া ফেলেঙাৰ গেলিঅপিথেকাচ আদিয়েই প্ৰধান। বাদুলীৰ দৰে উৰণীয়া কেৰ্কেটুৱাবো দেহৰ দুয়োকাষে দুখন পেটাজিয়াম থাকে। কিন্তু ইহঁতৰ পেটাজিয়ামখন ডাঠ আৰু নোমাল বাদুলীৰ দৰে পাতল আৰু নোমবিহীন নহয়। ইহঁতৰ নেজডালো বহল আৰু নোমাল। নেজ আৰু পেটাজিয়াম দুয়ো উৰাত সহায় কৰে। অৱশ্যে ইহঁতৰ উৰণ মানে একোটা প্ৰকাণ্ড জাপহে। বাদুলীৰ দৰে বহুদূৰ উৰি যাব নোৱাৰে। ফেলেঙাৰ নামৰ প্ৰাণীজাতবো কেৰ্কেটুৱাৰ দৰেই পেটাজিয়াম থাকে। গেলিঅপিথেকাচ নামৰ আন এজাত উৰণীয়া স্তন্যপায়ী প্ৰাণীও আছে। এই প্ৰাণীজাতে একেটা জাপতে ৭০ গজ মান দূৰত্বত পৰিবগৈ পাৰে।

এজাত সাপেও উৰিব পাৰে। উৰণীয়া ড্ৰেগণ টাইকজন আদি কেইজাত-

মান সৰীসৃপেও উৰিব পাৰে। উৰণীয়া দ্ৰেগণৰ দেহৰ দুয়োকাষে উৰণীয়া কেকেটুৱাৰ দৰেই পেটাজিয়াম থাকে। কিন্তু উৰণীয়া কেকেটুৱাৰ পেটাজিয়ামখন ডাঠ আৰু ইহঁতৰখন পাতল। তদুপৰি দ্ৰেগণৰ পেটাজিয়ামখন পোনাই ৰাখিবলৈ কামিহাড়ৰ দৰে পথালিকৈ কেইডালমান দণ্ড থাকে। দ্ৰেগণে প্ৰয়োজন মতে পেটাজিয়ামখন মেলি বা পিঠিৰফালে কোঁচাই থব পাৰে। ইহঁতে বৰ বেছি দূৰলৈ জঁপিয়াব নোৱাৰে। আন কিছুমান উৰণীয়া সৰীসৃপ একালত মেছ'জইক যুগতো আছিল। বৰ্ত্তমান সিবিলাকৰ জীৱাশ্মহে সংৰক্ষিত অৱস্থাত আছে। বনি অ'ত এজাত উৰণীয়া সাপো আছে। সাপজাতৰ কোনো ধৰণৰ উৰণ অংগ নাই কিন্তু গাটো পকায়েই এজোপা গছৰ ওপৰৰ পৰা আন এজোপা গছৰ ওপৰলৈ উৰা মাৰি যাব পাৰে। দেখাত শকত ৰছীৰ টুকুৰা এটা এঠাইৰ পৰা আন ঠাইলৈ উৰি যোৱা যেন লাগে।



চিত্ৰ নং— ৩২

[দ্ৰেক নামৰ এই সৰীসৃপজাতক উৰণীয়া দৈত্য বুলিও কোৱা হয়। দেহৰ দুযোকাষে আগঠে আৰু পাছঠেং সংলগ্ন কৰি দুখন বহল ছাল বা পেটাজিয়া থাকে। এই পেটোজিয়াম দুখনৰ সহায়তে সৰীসৃপজাতে অলপ দূৰ উৰি যাব পাৰে। পেটাজিয়াম দুখন পোনাই থবৰ কাৰণে মাজে মাজে কিছুমান সিৰ থাকে।]

দুবাৰে খিড়িকীয়ে আৰু গছে বনে জঁপিয়াই ফুৰা পাত বেং জাতকো এক প্ৰকাৰ উৰণীয়া বুলিয়েই কব পাৰি। ইহঁতৰ গাটো ক্ষীণ আৰু আঙুলিবোৰ এখন পাতল ছালেৰে সংলগ্ন। কিছুমান পাতবেঙৰ দেহৰ দুযোকাষে দুখন সৰু পেটাজিয়ামো থাকে। পাতাযুক্ত ঠেং আৰু এই পেটাজিয়ামখনৰ সহয়তে ইহঁতে জাপ মাৰি যথেষ্ট দূৰৈত গৈ পৰিবৰ্গে পাৰে।

এক্স চিটাচ গাৰনেট আদি কেইজাত মান মাছেও উৰিব পাৰে। এই মাছ কেইজাতৰ গাটো ক্ষীণ আৰু বক্ষফান দুখন যথেষ্ট ডাঙৰ। এই বক্ষফাণ দুখনেই প্ৰকৃততে উৰাত সহায় কৰে। শ্ৰোণী পাখিদুখন সৰু। নেজৰ ফান দুখনৰ ওপৰত ভৰ দিয়েই ইহঁতে জাপ মাৰিবলৈ শক্তি পায় আৰু বহল বক্ষফান দুখনে আকাশত ভাহি থকাত সহায় কৰে। এনে উৰণীযা মাছ একোটাই জাপ মাৰি ২০০ৰ পৰা ৩০০ গজ দূৰলৈকে পৰিবৰ্গে পাৰে।

কেৱল মেৰুদণ্ডী প্ৰাণীয়েহে যে উৰিব পাৰে সিও নহয়। পখিলা মথ ফৰিং গাগিনী জিয়া মহ, মাখি পইতাচোৰা ভোমোৰা মৌ উইচিৰিঙা আদি বহুতো জাতৰ পতংগই উৰিব পাৰে। ইহঁতৰ শৰীৰৰ বাহিৰৰ টান আৱৰণখন দুয়োকাষে

আগবাঢ়ি পাখিৰ ৰূপ ধাৰণ কৰে। এই পাখি কেইখন উঠা নমা কৰিবৰ কাৰণে পাখিৰ গুৰিত দেহৰ দুয়োকাষে সংকোচন আৰু প্ৰসাৰণ কৰিব পৰা পেশী থাকে। শৰীৰৰ ওজন পাতল হোৱাৰ কাৰণেও উৰাত সুবিধা হয়। তদুপৰি শৰীৰৰ আকৃতি টোৰেও উৰাত সহায় কৰে। অৱশ্যে পতংগৰ উৰণশক্তি সীমিত। কোনো পতংগই



চিত্ৰ নং—৩৩

[এই মাছ জাতক উৰণীয়া মাছ বুলি কোৱা হয়। ইহঁতৰ বক্ষফান দুখন বহল হৈ পাখি একোখনৰ দৰে হৈ পৰে। এই পাখি দুখনৰ সহায়তে ইহঁতে পানীৰ ওপৰেদি অলপ দূৰ উৰি যাব পাৰে। এই উৰণ ক্ষমতা থকাৰ কাৰণেই মাছজাতে শত্ৰুৰ মুখৰ পৰা সাৰিব পাৰে।]

ৰৰ বেছি ওপৰলৈ বা বহুত দূৰলৈ উৰিব নোৱাৰে। জাক পাতি দেশ বিদেশ ভ্ৰমি ফুৰা কাকতি ফৰিঙৰ কথা অৱশ্যে বেলেগ।

শত্ৰুৰ হাতৰ পৰা ৰক্ষা পৰিবলৈ আৰু ভাল খাদ্য ভাল ঠাই বিচাৰি উলিয়াবলৈ উৰণীয়া প্ৰাণী সমূহৰ যি সুবিধা সেই সুবিধা আন প্ৰাণীৰ নাথাকে।

চৰাইৰ গীত

এই বিশ্ব ব্ৰহ্মাণ্ডত গীত-মাত কলা সংস্কৃতিৰ কেৱল মানুহেই একমাত্ৰ অধিকাৰী বুলি ভবা লোক আমাৰ মাজত বহুত আছে। এওঁলোকে গপতে গঙ্গা টোপটো যেন হৈ ওফন্দি থাকে। আন প্ৰাণীৰ তুলনাত বুদ্ধি-বৃত্তি অকণমান বেচি কাৰণেই এওঁলোকে সকলো কথাতে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ বিচাৰে। পাছে এওঁলোক প্ৰকৃততে শ্ৰেষ্ঠ জানো? এওঁলোকৰ আচাৰ-ব্যৱহাৰ নীতি নিয়ম ধৰন-কৰণ আনকি মাতকথা আদিতো শ্ৰেষ্ঠত্ব প্ৰকাশ পায় জানো? এওঁলোকৰ তুলনাত ইতৰ জীৱ-জন্তু পশু পক্ষী পোক-পতঙ্গ আদিৰ জীৱন ধাৰণৰ বিভিন্ন নিয়ম প্ৰণালী বা সঙ্গীত চৰ্চাৰ পদ্ধতি বহু পৰিমাণে ওখখাপৰ। নাথাকিব পাৰে তেওঁলোকৰ বিভিন্ন বাদ্য-যন্ত্ৰ নাথাকিব পাৰে তেওঁলোকৰ মানুহৰ দৰে কণ্ঠস্বৰ আৰু নাথাকিব পাৰে তেওঁলোকৰ নৃত্য পটিয়সীৰ দৰে দেহৰ লয় লাস গতি তথাপি তেওঁলোক মানুহতকৈ বহুত ওপৰত। আমাৰ শিল্পী সকলৰ দৰে তেওঁলোকৰ মাজত বিশৃঙ্খলা নাই হাই কাজিয়া নাই আৰু নাই ঈৰ্ষা কপটো। থকা হলে কুলি কেতেকী সখিয়তী মইনা আদিৰ দৰে ভাল গায়ক চৰাইবোৰক গান গাব নজনা শক্তিশালী চৰাইবোৰে খুটি খুটিয়েই শেষ কৰিবলে হেঁতেন। আনহাতে কোনোটো চৰাইৰ মাত হুটা বা বেসুৰা। অথচ ভাল গায়ক চৰাইবোৰেতো সিহঁতক কোনোদিনেই উপলুঙা নকৰে। সেয়েহে কেতিয়াবা ভাব হয়—পশুত্ব আৰু মনুষ্যত্ব শব্দ দুটা অভিধানত বিপৰীত অৰ্থত ব্যৱহাৰ কৰাই ভাল আছিলনেকি?

লংকাপুৰ ক ত ক'ত? মানুহক বাদ দি চৰায়েই, বোধহয় একমাত্ৰ প্ৰাণী যি মুখেৰে নানাপ্ৰকাৰৰ শব্দ কৰাৰ উপৰি দুফাঁকি এফাঁকি গীতো গাব পাৰে। অন্যান্য স্তন্যপায়ী সৰীসৃপ উভচৰ আৰু মাছ আদিৰ গীত গাব পৰা ক্ষমতা নাথাকে। বাঘ সিংহ আদিৰ গোজৰণি কুকুৰৰ ভুক-ভুকনি শিয়ালৰ হাউঁচ মেকুৰীৰ মিউ মিউ গৰুৰ হেম্বেলনি জেঠীৰ টিক টিক সাপৰ ফোঁচ ফোঁচনি আদি প্ৰকৃততে সংকেত ধ্বনি বুলিহে ক'ব পাৰি। ভেকুলীয়ে আকৌ কেৱল কনী পাৰিবৰ সময়তহে টোৰটোৰায়। মাছবো আকৌ দুই এজাত সাগৰীয় মাছেহে গোৰ গোৰাব জানে। পোক পতংগ কিছুমানেও শব্দ নকৰা নহয়। পাছে সিহঁত প্ৰকৃততে গায়ক নহয় বাদকহে। কাৰণ সিহঁতে সাধাৰণতে পাখিকেইখন ঠেঙত ঘঁহাইহে শব্দৰ সৃষ্টি কৰে। কিন্তু যি যেনেকৈয়ে মাত নুলিয়াওক চৰাইৰ সুমধুৰ মাতৰ লগত কাৰোবেই তুলনা নহয়।

ফেঁহুজালি দিয়াৰ আগে আগেই বাৰীৰ কোনোবা চ'কৰ কোনোবা একোপা গছৰ পৰা ফেচ ক'-ক ফেচ-কু-ক'কৈ কৰা শব্দ এটা হয়তো আপোনাৰ কানত পৰিবহি। সেয়ে হ'ল ফেঁচ চৰাই। চৰাইৰ ৰজা। তাৰ খন্তেক পাছতে" আপোনাৰ কানত পৰিবহি—লংকাপ'ৰ ক ত কত? অৰ্থাৎ ক'ক ক'-ক'-ক ক ক ক। সেয়ে হ ল ক ক'ৰাৰ মাত। লগে লগে পাৰগৰালৰ পৰা গুন্‌গুননি এটিও হয়তো ভাহি উঠিব। হাঁহৰ কেপ কেপনি খিনিতো আছেই। আপোনাৰ ভাব হ ব—যেন সকলোৱেই প'ৱাৰ গীতহে য'ৰিছে। প্ৰকৃতিৰ ৰাজ্যত প্ৰত্যেকেই নিজ নিজ গীত মাত লৈ ব্যস্ত। কোনেও কালৈকো চাবৰ সময় নাই আৰ নাই এটি ইৰ্ষা ভৰা মনো। দোকমোকালিতে আৰম্ভ হ'ব—কাউৰীৰ উখল মাখল কা-কা কা। আপোনাৰ বাৰীয়ে ঘৰে ৰাস্তাই পদ'লিয়ে পৰি থকা আৱৰ্জনাবোৰ ব'টলি ল'ব। সিহঁতে যেন আপোনাক আদৰ্শহে দেখ'ৱাইছে।

লোককে দেখুৱাই কেতেৰাই মাতিবা ইতিমধ্যে ঘৰচিৰিকাই আপোনাৰ চোতালতে জুৰিবহি সমবেত সঙ্গীত। চিক চিক চিঁচিক চিক চিক চিঁচিক। লগে লগে হয়তো গায়নৰ বৰ-ধেমালিৰ নাচ। গীত গাই জঁপিয়াই

চিত্ৰ নং—৩৪

[সখিয়তী চৰাই আকাৰত শালিকা একোটাৰ সমান। ঠোটৰ ৰং গ লপীয়া মূৰৰ ৰং ক'লা আৰ গাৰ ৰং হালধীয়া। সখী ঐ সখী ঐ বুলি মতাৰ কাৰনেই চৰাই জাতক সখীয়তী বোলা হয়। পাতৰ মাজত ল'কাই থাকে কাৰণে সখীয়তী চৰাই খব কমেইহে দেখা পোৱা যায়। বিভিন্ন জাতৰ পোক পতংগই ইহ'তৰ প্ৰধান খাদ্য।]

ইহঁতে ফ'ৰ্ত্তি কৰ নোৱাৰা হয়। খন্তেক বং তামাচা কৰি হঠাতে ভুৰ ৎকৈ কৌনিবা গুচি যায়। তাৰ পাছে পাছে আৰম্ভ হ ব শালিকাৰ ৰাগ প্ৰধান গীত। কি কি-কি-কি-কি কিয়া কিউ কিয়া কিউ ক্যা-ক্যা-ক্যা চাব ৰ ৰ কক কক।

গীতৰ মাজেদিয়েই ইহঁতে ফুৰ্ত্তিও কৰে ইটোৱে সিটোক গালিও পাৰে আৰু চুপতা চাপতিও কৰে। পাছে লোকক দেখুৱাই কাজিয়া কৰিলেও বা কেতেৰাই মাতিলেও ভিতৰৰ প্ৰেম প্ৰীতি কিন্তু ঠিকেই থাকে।

বাৰীৰ কলগছৰ পাতৰ মাজত পোক বিচাৰি চেক চেক কৈ গীত গাই ফুৰা চৰাইজনীয়েই হ'ল চেকচেকী বা কলখাতী। ঘোৰ পতাৰ সময়ত অৱশ্যে মতা টোৱে কু কিন্না কু কিনাকৈহে মাতে। কপৌ শান্তিৰ প্ৰতীক। ইহঁতে ঘোৰ পাতি পাতি মুৰ দুপিয়াই দুপিয়াই গাবলৈ লয় ভকতিৰ গীত। আপোনাৰ ঘৰৰ আশে পাশে থকা ওখ ডাঙৰ গছ বোৰলৈ এপাক চাওকচোন। ক'ৰবাত দেখিব— দহিকতৰাই তাৰ দোঁতাবাৰ দৰে মাতটোৰে আকাশত কঁপনি তুলিছে। বসন্ত কালত কুলি কেতেকীয়ে সুমধুৰ গীত যুৰিছে। নীলকণ্ঠই হয়তো আকাশতে খৰ বাগৰ মাৰি ক্যা ক্যা কৈ চিয়ঁৰি ফুৰিছে। সখিয়তী চৰাইজনীয়ে সখী ঔ সখী ঔ বুলি সখীক বিচাৰি বিয়াকুল হৈছে। ভদৰকলীয়ে হুই চি চি হুই চি চিকৈ আনন্দত আত্মহাৰা হৈছে।

প্ৰত্যেকেই নিজৰ মাত লৈয়েই সন্তুষ্ট। প্ৰতিজাত চৰাইৰে আকৃতি যেনেকৈ বেলেগ মাতো বেলেগ। মাতটো যিমানেই বেয়া নহওক কোনেও কাৰো মাত অনুসৰণ কৰিবলৈ চেষ্টা নকৰে। প্ৰত্যেকেই নিজৰ মাত লৈয়েই সন্তুষ্ট। তাতেই সিহঁতৰ স্বকীয়তা। তাতেই সিহঁতৰ গৌৰৱ। ধনেশৰ মাতটো কৰ্কশ। কিন্তু তাৰ কাৰণে সিহঁতৰ আক্ষেপ নাই। ফেঁচাৰ নিউ নিউ আৰু হুদৰ হুদ্ হুদ আদি শব্দই সকলোৰে মনত ত্ৰাসৰ সঞ্চাৰ কৰে। কিন্তু ফেঁচা আৰু হুদৰ তাতেই বৈশিষ্ট্য। কৰৱাৰ দৰে কুৰৰ-ৰ কুৰৰ-ৰ কৰ কৰকৈ মতা মাতটোও কম ভয়ংকৰ নহয়। মাছৰোকা মাছৰ যম। গাতিকে কৰবাত মাছ থকা দেখিলে আনন্দত চিৰ ৰুক চিৰৰক বা চি চি কৈ চিয়ঁৰি চিয়ঁৰিয়েই মনৰ আনন্দ প্ৰকাশ কৰে। এযাৰা দলমৰা চৰায়েই টিটিট টু-টুইট টিটিট টু টুইট কৈ মাতি একাখন পথাৰ ৰঞ্জন জনাই তোলে। চি-চি-কি কি কিউ কিউকৈ মতা চিলনীৰ হটা মাতটোৱে আকৌ আন বহুতো চৰাইক ভয়েই খুৱায়। আনহাতে মনৰ দুখত গীত গোৱা চাকৈ চকোৱাৰ বিননিয়ে দুই এজন কাঠ চিতিয়াৰো মন গলাই পেলায়।

অৱশ্যে মান হব দৰে চৰাইৰ ক্ষেত্ৰতো সকলো মাতেই গীত নহয়। মাতৰ দৈৰ্ঘ্য আৰু উদ্দেশ্যৰ ওপৰত নিৰ্ভৰ কৰি একোটা মাত গীত হব পাৰে বা কাৰোবাক উদ্দেশি কোৱা কিবা কথাও হ'ব পাৰে। ডব্লিউ এইচ থৰ্পৰ (১৯৫৬) মতে চুটি মাতবোৰ একোটা কথাহে। এনে মাত সাধাৰণতে পোনপটীয়া হয়। কোনো সুৰৰ প্ৰকাশ ইয়াত দেখা পোৱা নাযায়। এনে ধৰণৰ মাত মাতি চৰায়ে নিজৰ সুখ দুখ ভয় সংশয় বা আন যি কোনো ভাব প্ৰকাশ কৰিব পাৰে। উদাহৰণ স্বৰূপে বন্তা চৰাইৰ পোৱালী বিলাক মাকৰ ওচৰৰ পৰা আঁতৰি যেনি তেনি

ঘূৰি ফুৰিলে মাকজনীয়ে চিন্ন ৰি চিন্ন ৰিয়েই সিহঁতক ওচৰ চপাই আনে। মাকৰ মাতৰ উদ্দেশ্য পোৱালীবিলাকে সহজে বুজি পায়। আনহাতে পোৱালীবিলাকেও ভোক লাগিলে এক বিশেষ ধৰনেৰে চিন্ন ৰে। মাকে এই চিন্ন ৰতে পোৱালীৰ মনৰ কথা বুজি পায় আৰু খাদ্যৰ যোগান ধৰে। আকৌ খাই বৈ উঠি মনৰ আনন্দত পোৱালী বিলাকে মতা মাতৰ সংৰো বেলেগ।

চিত্র নং—৩৫

[ফেঁচা কেইবাজাতৰো আছে। চেপেটা মুখমণ্ডলৰে সৈতে ফেঁচা দেখাতেই ভয়লগা। নিশাচৰ এই ফেঁচাবোৰে বিভিন্ন ধৰনেৰে চিন্ন ৰে আৰু প্ৰতিটো চিন্ন ৰেই মানুহৰ মনত ত্ৰাস আৰু ভয়ৰ সঞ্চাৰ কৰে। পোক-পতংগ এন্দুৰ নিগনি আনকি চৰায়ো ইহঁতৰ খাদ্যৰ তালিকাত পৰে। ডাঙৰ গছৰ খোন্দেই ইহঁতৰ বাসস্থান।]

চৰায়ে গীত গায়েই প্ৰেম নিবেদন কৰে চৰাইৰ গীত সম্পৰ্কে বিভিন্ন বিজ্ঞানীৰ ব্যাখ্যা বেলেগ বেলেগ। চণ্ডাৰ্চ (Saunders) নামৰ এগৰাকী বিজ্ঞানীয়ে ১৯২৯ চনত চৰাইৰ গীত সম্পৰ্কে এনেকৈ কৈছিল যে ই হ'ল মতা চৰাইৰ এক বিশেষ স্বৰধ্বনি আৰু বছৰৰ এক বিশেষ ঋতুতহে প্ৰকাশ পায়। আৰু সেইটো ঋতুতে সেইজাত চৰায়ে যোৰ পাতিবলৈ লয়। কিন্তু এই ব্যাখ্যাও সম্পূৰ্ণ শুদ্ধ নহয়। কাৰণ ইহঁতৰ মাতবিলাক সদায় গীতৰ দৰে সুৰীয়া নহয় আৰু দ্বিতীয়তে সকলো চৰাইৰ ক্ষেত্ৰতে মাতৰ গৰাকী কেৱল মতাটোও নহয়। আনহাতে পাৰ চৰাইৰ মতাটোৱে মাইকীজনীৰ ওচৰত নাচি বাগি মুখেৰে গোৰ গোৰাই থাকে। এই গোৰগোৰনি আমাৰ কানত গীত যেন নালাগিলেও মাইকীজনীৰ কাৰণে ইয়েই গীত। কাৰণ তাইক এই মাতেই আকৰ্ষণ কৰে। এতিয়া প্ৰায় বেছিভাগ চৰাইৰ ক্ষেত্ৰতে প্ৰমাণিত হৈছে যে চৰাইৰ গীতৰ এক প্ৰধান উদ্দেশ্য হ'ল—তিৰোতাজনীক আকৰ্ষণ কৰা। সেই কাৰনেই সম্ভৱ যোৰপতাৰ সময়তে চৰাইৰ মাত আটাইতকৈ ডাঙৰ আৰু শ্ৰুতিমধুৰ হয়।

চৰায়ে গীতৰ যোগেদি মনৰ নানান ভাব প্ৰকাশ কৰিব পাৰে। বিভিন্ন উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি চৰাইৰ গীতসমূহক মূলত তিনিটা ভাগত ভাগ কৰিব পাৰি।

নিজৰ থকা ঠাইৰ চিনাকী দিবলৈ গোৱা গীত সংকেত দিবলৈ গোৱা গীত আৰু ভাব প্ৰৱণ গীত। একেজাতৰ একো বাঁহ চৰায়ে একোটা নিৰ্দিষ্ট অঞ্চলত বাস কৰে। ইহঁতে গীত গাই গায়েই আন চৰাইক নিজৰ থকা ঠাইৰ কথা জনাই থাকে। গতিকে এনে গীত শুনিলেই নিজৰ জাতৰ চৰাই ওচৰ চাপে আনজাতৰ চৰাই আঁতৰি যায়। সাতভনী চৰাইৰ ক্ষেত্ৰত দেখা যায় যে সাতোটা চৰাই একেলগে দলবান্ধি থাকে। ইহঁতৰ প্ৰতিটো চৰায়ে গীত গাই গায়েই নিজৰ উপস্থিতিৰ কথা দলৰ বাকীবোৰক জনাই থাকে। এনে গীতেই সিহঁতক ওচৰা ওচৰিকৈ থকাত সহায় কৰে। কিন্তু কেনেবাকৈ যদি তাৰে মাজৰ পৰাই এটা হেৰায় বা অলপ আঁতৰি পৰে তেন্তে উচ্চস্বৰত গীত গাই গায়েই এটাই আনটোক বিচাৰি উলিয়ায়। জচেলিন ভন্ টাইন (Josselin Von Tyne) নামৰ এগৰাকী পক্ষীবিদে ১৯৫৯ চনত এই সম্পৰ্কত এটা মতকে দাঙি ধৰিছিল। তেওঁ কৈছিল যে এনে ধৰণৰ গীতৰ সহায়তে বেলেগ জাতৰ চৰাই বেলেগে থাকে আৰু ফলত দ্‌জাত বেলেগ চৰাইৰ মাজত যোৰ পতাতো বাধা পৰে।

এইটো মোৰ অঞ্চল, তুমি আঁতৰি যোৱা যোৰ পতাৰ সময়ত গীত গোৱা চৰাইৰ বেছি ভাগেই সাধাৰণতে মতা। ইহঁতে নিজস্ব ঠাই এটুকুৰা বাচি লৈ তাতে অনৰ্গল গীত গাই থাকে। এনে গীতৰ উদ্দেশ্য সাধাৰণতে দুটা। প্ৰথমটো হ'ল—সকলো চৰাইকে জনাই দিয়া যে সেইটো তাৰ অঞ্চল। গতিকে তালৈ আন মতা চৰাই অহাটো নিষেধ। জয়েল কাৰ্ল ওৱেল্টি নামৰ এগৰাকী পক্ষীবিদে তেওঁৰ "চৰাইৰ জীৱন নামৰ পুথিখনিত এটি সুন্দৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে— "কেইবছৰমানৰ আগতে মে মাহৰ শেষৰ ফালে এটা মতা দহিকতৰা চৰাই অকস্মাতে উৰি আহি আন এটা মতা দহিকতৰাই আগৰে পৰা দখল কৰি থকা অঞ্চল এটাত সোমালহি। নতুনকৈ অহাটোৱে বেতিয়া গৈ তাত গীত গোৱা আৰম্ভ কৰিলে তাৰ আচল বাসীন্দাটোৱেও অলপ দূৰৈৰ পৰা উচ্চস্বৰে গীত গাবলৈ ল'লে। তাৰ গীত গোৱাৰ উদ্দেশ্য হ'ল— এইটো মোৰ অঞ্চল তুমি আঁতৰি যোৱা।" কিন্তু নতুনকৈ অহাটোৱে বোধহয় প্ৰথম বাৰতে গীতৰ অৰ্থ বুজি নাপালে। গতিকে সি নিজৰ গীত গোৱাতেই ব্যস্ত হৈ থাকিল। এইবাৰ অঞ্চলটোৰ আগৰ বাসীন্দা দহিকতৰাটোৱে চোচা মাৰি ওচৰ পালেগৈ আৰু তেনেই ওচৰতে ডাঙৰ ডাঙৰকৈ গীত গাবলৈ ল'লে। তেতিয়াহে নতুনকৈ অহাটোৱে গীতৰ প্ৰকৃত অৰ্থ বুজি পাই খিতাতে দৌৰি পলাল।

মতাটোৱে গীত গোৱাৰ দ্বিতীয় উদ্দেশ্য হ'ল—গীতৰ যোগেদিয়েই পাৰিলে জীৱন-সঙ্গিনী এজনীৰ মন আকৰ্ষণ কৰা। এই উদ্দেশ্যৰে গীত গোৱা সকলে জীৱন সঙ্গিনী এজনী নাপাই মানে গীত গায়েই থাকে। তিৰোতা এজনী লাভ কৰাৰ পাছতেই এই মতা চৰাইবোৰৰ গীত গোৱা লাহে লাহে কমি আহে আৰু কিছুমনেতো গীত গাবলৈ বন্ধেই কৰে। টিনবাৰজেন নামৰ এগৰাকী পক্ষীবিদে

১৯৩৮ চনত স্ন'বাৰ্ণ টিং (Snow Bunting) নামৰ চৰাইজাত অধ্যয়ন কৰি দেখিছিল যে মাইকীজনী কাষ চপাৰ লগে লগে মতাটোৱে হঠাতে গীত গাবলৈ আৰম্ভ কৰি দিয়ে। কিন্তু কেনেবাকৈ যদি মাইকীজনী আন মতাৰ কাষলৈ গুচি যায় বা আন মতাই আহি জোৰ জুলুম কৰি তাৰ ঠাই দখল কৰেহি তেতিয়া সি নতুন ঠাই এটুকুৰা বাচি লৈ তাতেই পুনৰ গীত গাবলৈ আৰম্ভ কৰে। দহিকতৰা বুলবুলি ঘৰচিৰিকা টোকোৰা আদি চৰায়ে বছৰত দুই তিনিবাৰকৈ যোৰপাতে আৰু কণী পাৰি পোৱালী দিয়ে। প্ৰত্যেক বাৰেই সিহঁতে গীত গাই গাই তিৰোতা একোজনীৰ মন ভুলাবলৈ চেষ্টা কৰে। সেই কাৰণেই সম্ভৱ বছৰৰ প্ৰায় সকলো সময়তে সিহঁতৰ গীত শুনা যায়। এটাই যদি পোৱালীক খুওৱা খাওৱাত ব্যস্ত হৈ থাকে আন এটাই হয়তো সেই সময়তে দ্বিতীয় বা তৃতীয়বাৰৰ কাৰণে জীৱন সঙ্গিণী বিচাৰি গীত গাবলৈ লয়।



চিত্ৰ নং—৩৬

[দহিকতৰা চৰায়ে সকলো সময়তে নেজডাল জোকাৰি থাকে। দহিকতৰা চৰায়ে বছৰত দুই তিনিবাৰকৈ যোৰ পাতে আৰু পোৱালী জগায়। পোক-পতংগই ইহঁতৰ প্ৰধান খাদ্য যদিও কেতিয়াবা ফুল ফলো খায়। ইহঁতৰ মতাবোৰে গীত গাই গায়েই মাইকী বোৰক আকৰ্ষণ কৰে।]

চৰাইৰ থং উঠিলে মাতবোৰ কৰ্কশ আৰু ডাঙৰ হয়ঃ যোৰ পতাৰ লগে লগে যেতিয়া সিহঁতে বাঁহ সাজে আৰু তাত কণীপাৰি পোৱালী জগায় তেতিয়া মতাটোৰ দায়িত্ব আৰু বাঢ়েহে। বাঁহটো পৰিয়ালটো আৰু থকা অঞ্চলটো শত্ৰুৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব মতাটোৱেই কান্ধ পাতি ল'ব লগাত পৰে। কেতিয়াবা শত্ৰুৰ লগত যুঁজ কৰিবলগা হলেও বেচিভাগ ক্ষেত্ৰতে ডাঙৰ ডাঙৰকৈ গীত গায়েই

শত্ৰুক দূৰৈৰেতে খেদি পঠায়। এনে অৱস্থাত অৱশ্যে ইহঁতৰ মাতবিলাক কৰ্কশ আৰু ডাঙৰ হৈ পৰে। কাউৰীৰ বাহলৈ দলিয়ালে বা মানুহৰ তেনেই ওচৰতে কাউৰী পোৱালী একোটা মাটিত পৰি গ'লে মাক বাপেক হালে কেনে ক্ৰোধমূৰ্ত্তি ধাৰণ কৰে—তাক আমাৰ প্ৰায় সকলোৱেই দেখিছে। ইহঁতে চিঞঁৰ বাখৰ কৰি গোটেইখন খলক লগায় আৰু পোৱালীটো উদ্ধাৰ নকৰে মানে নেৰে।

চিত্ৰ নং—৩৭

[ভাটৌ চৰাইৰ জাত কেইবাটাও। কিন্তু সকলোৱেই শস্যৰ গুটি বা ফল খায়। ফলৰ বা কলি ভঙাৰ উপযোগীকৈ ইহঁতৰ ঠোটটো বেকা আৰু শক্তিশালী। ভাটৌ চৰায়ে ডাঙৰ ডাঙৰ জাক পাতি থাকে। ভাটৌৱে কিক কিক কৈ এক প্ৰকাৰ শব্দ কৰে।

শত্ৰু খেদাই দিয়াৰ উপৰিও চৰাইৰ গীতে ইটো সিটোৰ মাজত সম্পৰ্ক স্থাপন কৰাতো সহায় কৰে। আপুনি যদি চোতালত ভাত দুটামান বা ৰুটিৰ টুকুৰা কিছুমান বা আন কিবা খোৱাবস্তুকে ছটিয়াই দিয়ে—কি দেখিব? প্ৰথমতে এটা কাউৰী আহি সেইখিনিনো কি বস্তু চাই লব। তাৰ পাছত ৰ মলিয়াই ৰ মলিয়াই সেই ঠাইত খাদ্য থকাৰ কথাটো ওচৰে পাজৰে থকা আন আন কাউৰীকো জনাই দিব। ফলত দেখিব যে অলপ সময়ৰ ভিতৰতে আপোনাৰ চোতাল কাউৰীৰে ভৰি পৰিছে। অৱশ্যে তেনেই কম খাদ্য থাকিলে সিহঁতৰ মাজ তো কাজিয়া পেচাল লাগে। দোক মোকালিতে কোনোবা এঘৰত কুকুৰাই ডাক দিলে খন্তেক পাছতে অন্য এঘৰতো কুকুৰাই ডাক দিবলৈ লয়। ৰাতি হ'লে চাকৈ চকোৱা চৰাইহাল কিছু দূৰে দূৰে থাকে। কিন্তু সেইবুলি সংযোগ নেহেৰুৱায়। দুয়োটাই দুয়োটাকে গোটেই ৰাতি ইনাই বিনাই মাতি থাকে। ডাউকে গোটেই ৰাতি কোৱাক কোৱাক কৈ চিঞৰি নিজৰ স্থিতিৰ কথা লগৰ ডাউকবোৰক জনাই থাকে। ভাটৌ চৰাইৰ জাক একোটা আকাশেদি উৰি যাওঁতে কোনোবাটো কিবা কাৰণত পাছ পৰি গলে সি চিঞৰি চিঞৰি জাকৰ বাকী ভাটৌবোৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰে। তাৰ মাতৰ অৰ্থ সম্ভৱ এইটোৱেই—'অলপ লাহে লাহে যোৱা। ময়ো গৈ লগ ধৰোঁগৈ।

চৰায়ে মাতৰ যোগেদি বিপদ সংকেতো দিয়ে: কেতিয়াবা সন্মুখত বিপদ দেখিলে লগৰ আন চৰাইবোৰক আগতীয়াকৈ জনাই দিবলৈও দুই এজাত চৰায়ে চিঞৰে। অৱশ্যে উদ্দেশ্য অনুসৰি মাতবিলাক কিছু বেলেগ বেলেগ হয়। প্ৰেমিকাৰ উদ্দেশ্যে মতা মাতটো ভয় খাওঁতে নামাতে। উদাহৰণ স্বৰূপে কুলি চৰাইৰ মতাটোৱে প্ৰেমিকা এজনী বিচাৰি আকুল কণ্ঠৰে কুউ কুউকৈ মাতে।

মাজটো পাছৰফালে ক্ৰমাৎ ডাঙৰ হৈ আহে। কিন্তু সেই একেটা কলি চৰায়েই ভয় খালে কউ-কউ-কউ বা ক্লি-ক্লি-ক্লিকৈ ঘন ঘনকৈ মাতি উৰা মাৰি পলায়।

বেছি ভাগ চৰায়েই ডিঙি অংশত থকা স্বৰ যন্ত্ৰৰ (vocal cords) সহায়ত মাতে। কিন্তু ফেঁচা হুদ শগুণ আদিয়ে এনেকৈ মাত মতাৰ উপৰি ভেউকা দুখন কোবায়ো এক প্ৰকাৰ শব্দ কৰে। কিছুমান চৰায়ে আকৌ ঠেক ভেউকা দুখন হঠাতে বহল'ক মেলি দিয়েই একপ্ৰকাৰ শব্দ কৰে। বাটেটোকাই পিঠিটো গছত ঘঁহায়ো শব্দৰ সৃষ্টি কৰে। বৰটোকোলাই ঠোটেৰেই খট খটকৈ একপ্ৰকাৰ শব্দ কৰে।

কিছুমান চৰায়ে দ্বৈত সঙ্গীত আৰু দুই একে সমবেত সঙ্গীতৰো আয়োজন কৰে। ডাঠ হাবিৰ মাজত থকা দুই এজাত চৰাইৰ মতামাইকী হাল দূৰৈত থাকিলেও ইটোৱে সিটোক গীতৰ যোগেদিয়েই মনৰ ভাব জনাই থাকে। মতা মাইকীৰ মাতৰ ধ্বনিও কিছু বেলেগ। গতিকে দুয়োৰো মাত লগ লাগি আমাৰ দ্বৈত সঙ্গীতৰ দৰেই হৈ পৰে। কেতিয়াবা আকৌ গীতৰ একেটা কলিৰে এছোৱা মতাটোৱে গায় আৰ বাকীছোৱা মাইকীজনীয়ে গাই শেষ কৰে। উদাহৰণ স্বৰূপে অষ্ট্ৰেলিয়াৰ মেগপাই লাৰ্ক নামৰ চৰাইজাতৰ মতাটোৱে আৰম্ভ কৰে—টি হি আৰ লগে লগে মাইকীজনীয়ে গায়—পিই অ টুইট। দূৰৈৰ পৰা শুনিলে একেটা চৰায়েই টি হি পিই অ টুইৎ গোটেই কলিটো গোৱা যেন লাগে। ঘৰচিৰিকা টোকোৰা শালিকা আদিয়ে আকৌ সমবেত সঙ্গীতৰে ব্যৱস্থা কৰে।

দিনটোৰ দহ ঘণ্টামান গানেই গায়ঃ চৰাইৰ গীতৰ তৃতীয় উদ্দেশ্য হ'ল—মনৰ দুখ বেজাৰ, আনন্দ ফুৰ্ত্তি আদি বিভিন্ন ভাব প্ৰকাশ কৰা। বহুতো চৰায়ে মনৰ ফুৰ্ত্তিতো গীত গাই নাচি বাগি ফুৰে। সখিয়তী ঘৰচিৰিকা আদি এনে জাতৰ চৰাই। শালিকাই আকৌ মনৰ ক্ষোভো গীতৰ মাজেদিয়েই প্ৰকাশ কৰে। যি উদ্দেশ্যেৰেই নহওক বহুতো চৰায়ে দিনটোৰ বেছিভাগ সময় গীত গায়েই কটায়। এবাৰ এগৰাকী প্ৰকৃতিবিদে এটা দহিকতৰা চৰাই লক্ষ্য কৰি দেখিছিল যে সি চৌবিশ ঘণ্টাৰ ভিতৰত দহঘণ্টামান গান গায়েই থাকে। ন ঘণ্টা মান সময় বাহত জিৰণি লয় আৰু বাকী পাঁচ ঘণ্টা মান সময়হে খাদ্য বিচাৰি ঘূৰি ফুৰে।

মইনা ভাটৌ চুটিয়াশালিকা আদি বহুতো চৰাই পোহনীয়া অৱস্থাত মানুহে শিকাই বুজায়ো সিহঁতৰ মুখত বিভিন্ন ধৰণৰ মাত উলিয়ায়। এই ক্ষেত্ৰতো অৱশ্যে কিছুমান নিৰ্দিষ্ট শব্দহে সিহঁতে অনুকৰণ কৰিব পাৰে। অষ্ট্ৰেলিয়াৰ বঁৱাৰ (Bower) নামৰ এজাত চৰাইৰ এই অনুকৰণ ক্ষমতা অতি চমৎকাৰ। ইহঁতে মেষৰ গাৰ্জন কুকুৰৰ ভুকনি ভেকুলীৰ টোৰটোৰণি মটৰ গাড়ীৰ হৰ্ণ আনকি মানুহৰ কেচুবাৰ কান্দোনো হেনো অবিকল নকল কৰিব পাৰে। বহুতো চৰায়ে আন চৰাইৰ মাত অনুকৰণ কৰাৰো দুই এটা উদাহৰণ আছে। ইহঁতে হেনো এনে মাত কেনেকৈ অনুকৰণ ক'ৰে—সিও এক ভাবিবলগা কথা। অৱশ্যে সেই বিষয়ে ইতিমধ্যে

কিছু অধ্যয়নো কৰা হৈছে। ইমান দিনে ভবা হৈছিল যে মানুহৰ ভাষা কথা-বতৰা আৰু উচ্চাৰণত থকা ঠাইৰ প্ৰভাৱ পৰে। কিন্তু এতিয়া দেখা গৈছে যে ই চৰাইৰ ক্ষেত্ৰতো প্ৰযোজ্য।

চিনাকী চৰাইৰ অচিনাকী মাত। যি সকল লোকে চৰাই একোটাৰ মাত শুনিয়েই চৰাইটো চিনি পায় সেই সকল লোকে একেটা চৰাইৰে আচহুৱা মাত শুনি কেতিয়াবা বিপাঙতো পৰে। হেঁও সেই অচিনাকী মাত মতা চৰাইটো অনুসৰণ কৰিলে হয়তো এটা চিনাকী চৰাইকে দেখা পাব। চিনাকী চৰাইৰ মুখত অচিনাকী মাত শুনি হয়তো প্ৰথমতে আচৰিত যেনেই লাগিব। কিন্তু তেনে ঘটনা মাজে সময়ে নঘটা নহয়। ১৯৭৭ চনত নতুন দিল্লীৰ বুদ্ধ উদ্যানত এটা মকুট পিন্ধা লাক পক্ষীয়ে তাৰ নিজৰ মাত মতাৰ উপৰিও এণ্ট থ্ৰাচ (Ant Thrush) নামৰ আন এজাত গায়ক চৰাইৰ মাতো মাজে মাজে মাতি থকা দেখা গৈছিল। সেই একে উদ্যানতে এবাৰ মিদ লাক (Meadow Lark) আৰু সখিয়তী দুয়োবিধ চৰায়ে কণী-পাৰি পোৱালী জগাইছিল। জগাৰ পাছতে দুয়োবিধ চৰাইৰ বাঁহৰ মাজত পোৱালী বিলাক সলনা সলনি কৰি দিয়া হ'ল। অৰ্থাৎ মিদ লাৰ্কৰ পোৱালী সখিয়তীৰ বাঁহত আৰু সখিয়তীৰ পোৱালী মিদ লাৰ্কৰ বাঁহত থোৱা হ'ল। কিছুদিনৰ পাছত দেখা গ'ল যে দুয়োবিধ পোৱালীয়েই তোলনীয়া মাকৰ গীতহে গাবলৈ ল'লে। কাৰণ সেই মাকৰ গীতকে সিহঁতে সকলো সময়তে শুনি আছিল।

ডঃ ওৱেছলি ই লেনিয়ন (Dr Wesley E Lanyon) নামৰ এগৰাকী পক্ষীবিদে এবাৰ প্ৰায় চাৰি বছৰ মান কাল প্ৰাচ্য আৰু পাশ্চাত্যত থকা মিদ লাৰ্ক বোৰৰ ব্যৱহাৰ পাতি অধ্যয়ন কৰিছিল। প্ৰাচ্যৰ লাৰ্ক বোৰৰ ব্যৱহাৰ পাতি গীত সাত পশ্চিমৰ বোৰতকৈ বেলেগ। তেওঁ এবাৰ প্ৰাচ্যৰ লাৰ্কৰ পোৱালীবোৰ নি পাশ্চাত্যৰ লাৰ্কৰ বাঁহত থ'লেগৈ আৰু ঠিক তেনেকৈ পাশ্চাত্যৰ লাৰ্কৰ পোৱালী প্ৰাচ্যৰ লাৰ্কৰ বাঁহত এৰি দিলে। কিছুদিনৰ পাছত তেওঁ দেখিলে যে ইহঁতক যি জনী মাকে পোহপাল দি মাত কথা শিকাইছে সিহঁতে সেই মাকৰ গীতকে গাইছে। এনে ধৰণৰ আৰু দুই এটা পৰীক্ষা নিৰীক্ষা কৰি পক্ষীবিদ জনাই ঠিৰাং কৰিলে যে চৰায়ে ডাঙৰ ডাঙৰকৈ সুৰ লগাই মাত মাতিবলৈ অৰ্থাৎ গীত গাবলৈ কাৰোবোৰ নহয় কাৰোবাৰ পৰা শিকে। অৱশ্যে তেওঁ এইটোও লক্ষ্য কৰিলে যে বিভিন্ন সংকেত দিবলৈ চুটি চুটিকৈ মতা মাতবোৰ কিন্তু বংশগত। এনে চুটি মাত চৰাই পোৱালীয়ে কাৰোপৰা নিশিকে। একোটা প্ৰজাতিৰ পোৱালীয়ে নিজৰ প্ৰজাতিৰ এনে চুটি মাতহে মাতিব তেহেলৈ তাক আন যি মাতেই শিকোৱা নহওক।

দক্ষিকতবাই স্বহবিয়াবলৈও শিকে: নীলা জয় (Blue Jay) নামৰ এজাত চৰাই দেখাত আমাৰ কাউৰীৰ দৰেই। ইহঁতেও বিভিন্ন চৰাইৰ মাত অনুকৰণ কৰিব পাৰে। এবাৰ এটা নীলা জয়ে ৰঙা ভিঙিৰ শেন চৰাইৰ (Red

shouldiered Hawk) মাত অনুকৰণ কৰা দেখা গৈছিল। আন এবাৰৰ কথা। বোম্বেৰ এজন পক্ষী নিৰীক্ষণ কাৰীয়ে ক'ৰবাৰ পৰা কেচুৱাতে এটা নীলা জয় চৰাই নি তেওঁৰ নিজৰ উদ্যানত ৰাখিছিলগৈ। তেওঁৰ উদ্যানত বা উদ্যানৰ আশে পাশে সেই জাতৰ চৰাই নাছিল। গতিকে দেখা গ'ল যে চৰাই পোৱালীটোৱে সেই উদ্যানত থকা যি কোনো চৰাইৰে মাত অনুকৰণ কৰিবলৈ ল'লে। এবছৰ মানৰ পাছত সি শালিকা দহিকতৰা আদি বহুতো চৰাইৰ মাত ভালদৰেই মাতিব পৰা হ'ল। অৱশ্যে আনৰ পৰা দীঘলীয়া সুৰ লগা মাতবোৰ শিকিলেও সৰ সৰ সংকেতময় লক মাতবোৰ আন নীলা জয় চৰাইৰ দৰেহে মাতিব পৰা হ'ল। কাৰণ এনে মাতৰ ক্ষেত্ৰত বংশ গত প্ৰভাৱহে পৰে পৰিৱেশৰ প্ৰভাৱ নপৰে।

আন এবাৰৰ কথা। দহিকতৰা চৰাইৰ কেচুৱা এটা লগৰ আন দহিকতৰাৰ পৰা আঁতৰত ৰাখি কেৱল মানুহৰ সংস্পৰ্শতে ৰখা হ'ল। এইবাৰ এইটো দহিকতৰাই মানুহৰ মাত কথাকে দুই এটা শিকিলে। বিশেষকৈ সুহুঁৰি মৰাত ই পাকৈত হৈ পৰিল। আন দহিকতৰাৰ দৰে মাত মাতিবলৈ সি নিশিকিলেই। চৰাই পোৱালী বিলাক যিহেতু মাত কথা শিকাৰ সময়ত মাক বাপেকৰ লগতে থাকে গতিকে মাক বাপেকৰ মাতকে অনুকৰণ কৰাটো স্বাভাৱিক। আমাৰ মানুহৰ ক্ষেত্ৰতো প্ৰকৃততে সেয়ে হয়। মাকৰ ভাষাই মাতৃভাষা।

চৰাইৰ বাঁহ

পুৱাবে পৰা আবেলিলৈকে আমাৰ বাৰীয়ে চোতালে পিং পিঙাই ঘূৰি ফুৰা দুখাৰ এখাৰ মাত মতা দুপাক এপাক নচা আৰু দুখন এখন যুদ্ধ কৰা বাবে বৰণীয়া বিভিন্ন জাতৰ চৰাইবোৰ সন্ধ্যা লগাৰ আগে আগে হঠাৎ অন্তৰ্ধান হয়। পাছদিনা পুৱা পুনৰ আবিৰ্ভাৱ পুনৰ সেই একেখিনি কাম। ৰাতি হ'লে এই চৰাইবোৰ কলৈ যায় কিয় যায় আৰু কত থাকেগৈ—আমি কেতিয়াবা ভাবি চাইছোনে? আমাৰ যেনেকৈ প্ৰত্যেকৰে একোখন ঘৰ আছে ঠিক সেইদৰে প্ৰতিটো চৰাইৰে একো খন ঘৰ আছে। আমি যেনেকৈ গধূলি হ'লে নিজ নিজ ঘৰলৈ উলটি আহোঁ চৰায়েও তেনেকৈ দিনটোৰ কাম শেষ কৰি নিজ নিজ ঘৰলৈ উলটি যায়। আমাৰ দৰে সিহঁতৰো ৰাতিটো হ'ল জিৰণিৰ সময়। অৱশ্যে আমাৰ সমাজত যেনেকৈ ৰাতি কাম কৰি দিনত জিৰণি লোৱা লোক আছে চৰাইৰ সমাজতো নিশা ব্যস্ত হৈ থাকি দিনত জিৰোৱা চৰাই আছে। ফেচা হুদু আদি চৰাই এই শ্ৰেণীত পৰে।

চৰায়ে কণী আৰু পোৱালীৰ কাৰণেহে বাঁহ সাজে প্ৰশ্ন হ'ল—আমাৰ দৰে স্থায়ীভাবে আশ্ৰয় লবলৈ চৰাইৰ কিবা ঘৰ দুৱাৰ আছে জানো? উত্তৰত একে আষাৰেই ক'ব লাগিব—নাই। অৱশ্যে স্থায়ী বাসস্থানৰ প্ৰয়োজনো নহয়। কেৱল চৰায়েই নহয় পৃথিৱীৰ সকলো প্ৰাণীয়েই খাদ্য আৰু নিৰাপত্তা বিচাৰি ঠাই সলাই ঘূৰি ফুৰিব লগা হয়। গতিকে স্থায়ী বাসস্থান তৈয়াৰ কৰিও লাভ নাই। তদুপৰি উৰণ ক্ষমতা থকাৰ কাৰণে চৰাইৰ শত্ৰুৰ সংখ্যাও কম। কিন্তু সমস্যা হয় কণী আৰু পোৱালী বিলাকৰ কাৰণে। কণী পাৰিবলৈ আৰু উৰিব পৰা হোৱালৈকে পোৱালীবোৰ লালন পালন কৰিবলৈ বাঁহ একোটাৰ প্ৰয়োজন হয়। সেই কাৰণেহে প্ৰাপ্তবয়স্ক চৰাইবোৰে বাঁহ সাজে—নিজে থাকিবলৈ নহয় কণী আৰু পোৱালী থবলৈহে। ডাঙৰ চৰাইবোৰে গছৰ ডালতে খামোচ মাৰি জিৰাব পাৰে আৰু মন গলে শুবও পাৰে। গছৰ ডালত আঙুলিৰে মৰা খামোচটো এনে শক্তিশালী আৰু সুনিয়ন্ত্ৰিত যে শুই থাকিলেও চৰাইটো পৰি নাযায়। সেই কাৰণে ডাঙৰ চৰাইবোৰৰ ক্ষেত্ৰত গছৰ ডালেই সিহঁতৰ ঘৰ। অৱশ্যে কণী উমনি দিবলৈ বহুতো চৰাইৰ মাক বা বাপেকে বাঁহত থাকিব লগাত পৰে।

খাদ্য দ্ৰব্যৰ প্ৰচুৰতা আৰু নিৰাপত্তাৰ কাৰণে বিভিন্ন জাতৰ চৰায়ে বছৰৰ বিভিন্ন সময়ত বাঁহ সাজে। উদাহৰণ স্বৰূপে নদীৰ গড়াত গাঁত খান্দি কণী পৰা আৰু বালিত কণী পৰা চৰাইবোৰে বাৰিষাৰ বহুত আগতেই কণী পাৰিব লগা হয়। পোৱালীবোৰো বাৰিষাৰ আগতেই উৰিব পৰা হয়। কাৰণ বাৰিষা নদীত পানী

বাঢ়িলে কণী আৰু পোৱালী—উভয়ৰে বিপদ হয়। সকলো চৰাই পোৱালীবে খাদ্য পোক পতংগ। আনকি শস্যভোজী আৰু ফলাহাৰী চৰায়েও পোৱালী অৱস্থাত পোক পতংগহে খায়। সেই কাৰণেই বেচিভাগ চৰায়ে বাৰিষাৰ আগে আগে বাঁহ সাজি কণী পাৰে। কাৰণ বাৰিষাকালত পোক-পতংগৰ সংখ্যা বৃদ্ধি পায় আৰু সেয়ে পোৱালীক খুৱাবলৈ সুবিধা হয়। আনহাতে শগুণ শেন, চিলনী ঈগল আদি চিকাৰী চৰাই সমূহে শীতকালত বাঁহ সাজি কণী পাৰে। কাৰণ ইহঁত চিকাৰী চৰাই হোৱা কাৰণে বছৰৰ সকলো সময়তে খাদ্যৰ যোগাৰ কৰিব পাৰে।

চৰাইৰ বাঁহ সজাটো এক সহজাত প্ৰবৃত্তি। বেলেগ বেলেগ চৰাইৰ বাঁহ সজা ঠাই আৰু বাঁহৰ আকৃতি বেলেগ বেলেগ। প্ৰতিজাত চৰায়েই বাঁহ সাজিবৰ কাৰণে এনে ঠাই বিচাৰি উলিয়ায়—যাতে শত্ৰুৱে সহজে দেখা নাপায়। অৱশ্যে টোকোৰা চৰাইৰ বাঁহবোৰ দূৰৈৰপৰাই জিলিকি থাকে। কিন্তু বাঁহবোৰ পাতৰ আগত ওলমুৱাকৈ সাজে কাৰণে কোনো প্ৰাণীয়েই সিহঁতৰ কণী বা পোৱালীৰ ওপৰত আক্ৰমণ কৰিব নোৱাৰে। আমাৰ দৰে বুদ্ধি বৃত্তি নথকা স্বত্বেও চৰায়েনো কেনেকৈ বাঁহ বনাবলৈ শিকিলে—সিও এক আচৰিত কথা। পৰীক্ষা নিৰীক্ষা কৰি দেখা গৈছে যে চৰাই বা ইতৰ প্ৰাণী বহুতেই বহুতো কাম সহজাত প্ৰবৃত্তিৰ (Instinct) দ্বাৰাই কৰে। কাৰো পৰা নিশিকাকৈ যেতিয়া প্ৰাণীয়ে একোটা কাম কৰে আৰু সেই কাম কৰিবলৈ একোটা প্ৰবৃত্তি জাগে—সেয়ে হ'ল সহজাত প্ৰবৃত্তি। এই প্ৰবৃত্তি পুৰুষানুক্ৰমে একোজাত প্ৰাণীৰ এটা পুৰুষৰ পৰা আনটো পুৰুষলৈ গৈ থাকে। মাজৰ দুটামান পুৰুষত সেই প্ৰবৃত্তিৰ ব্যৱহাৰ নহ'লেও সি নাইকিয়া হৈ নাযায়। এই ক্ষেত্ৰত এটা পৰীক্ষাৰ কথাকে কোৱা হওক। এবাৰ এহাল টোকোৰা চৰাই এটা সজাত সমূৰাই থোৱা হৈছিল। চৰাই হালক আৰু সিহঁতৰ পো-পোৱালীবোৰকো চাৰি পুৰুষ মানলৈ বাহিৰৰ পৰা কোনো ধৰণৰ বাঁহ সজাৰ সামগ্ৰী দিয়া নহৈছিল। সেইখিনি সময়ত সিহঁতে সজাৰ ভিতৰতে কণী পাৰি পোৱালী জগাইছিল। কিন্তু পাছত এবাৰ বাঁহ সজাৰ কাৰণে পাতৰ চোঁচ বন আদি বাহিৰৰ পৰা যোগান ধৰা হ'ল। কি আচৰিত এইবাৰ সিহঁতে বাঁহ সাজিবলৈ ল'লে। কেইবা পুৰুষতো নকৰা কাম এটাত পুনৰ হাত দিলে। আমাৰ পোহনীয়া পাৰবিলাকক আমি যিমানেই ধুনীয়া আৰু মজবুদ বাঁহ তৈয়াৰ কৰি নিদিও তথাপি কণী পৰাৰ আগে আগে সিহঁতে খেৰ কুটা গোটাই নিজাকৈ বাঁহ এটা সাজিবই। এই সকলোবিলাক সহজাত প্ৰবৃত্তিৰে ফল।

ডাঙৰ চৰাইৰ কণী ডাঙৰ আৰু পোৱালীও ডাঙৰ। সেই কাৰণে সিহঁতৰ বাঁহো ডাঙৰ। আনহাতে সৰু চৰাইৰ বাঁহবোৰ সৰু। এবাৰ অ'হিঅ'ৰ ওচৰত তপামূৰীয়া ঈগল এটাৰ এটা প্ৰকাণ্ড বাঁহ পোৱা গৈছিল। বাঁহটো বহলে আছিল ২.৫ মিটাৰ ওখই আছিল ২.৬ মিটাৰ আৰু ওজনতো হেনো প্ৰায় দুই টন মান আছিল। ফ্লৰিডাৰ ওচৰত পোৱা আন এটা ঈগলৰ বাঁহ বহলে আছিল তিনিমিটাৰ আৰু

ওখই আছিল ছয় মিটাৰ। সৰু আকাৰৰ চৰাইবোৰে এ সপ্তাহ মানৰ ভিতৰতেই বাঁহ সাজি সম্পূৰ্ণ কৰে। কিন্তু ডাঙৰ বাঁহ সাজিবলৈ ডাঙৰ চৰাইবোৰক কিছু দিন লাগে। বাঁহ সজাৰ দায়িত্ব কেতিয়াবা মতাটোৱে কেতিয়াবা মাইকীজনীয়ে আৰু কেতিয়াবা দুয়ো সমানে কান্ধ পাতি লয়।

বাঁহ সাজিব নজনা চৰায়ো আছে: সকলো চৰাই বাঁহ সজাত সমানে পাকৈত নহয়। কুলি হুদু আদি কিছুমান জাতৰ চৰায়ে আকৌ বাঁহ সাজিবই নাজানে। কুলিয়ে কাউৰীৰ বাঁহতে মনে মনে কণী পাৰি থৈ যায়। হুদুৱে শুদা মাটিত বা শিলৰ ফাঁকতে কণী পাৰে। এনে ধৰণৰ বাঁহ সাজিব নজনা চৰাই মুঠ চৌৰাশীবিধ মান আছে।

চিত্ৰ নং—৩৮

[হুদু চৰাইজাত দেখাতেই ভয়লগা। গোলাকাৰ চকু কেইটা, মূৰৰ দুয়োকাষে আগবাঢ়ি থকা নোমৰ থোপা দুটা আঁকোৰা ঠোঁটটো আৰু জোঙা নখ কেইটাই হুদুৰ বৈশিষ্ট্য। হুদু সাধাৰণতে ৰাতিহে চিকাৰলৈ ওলায়। কেতিয়াবা অৱশ্যে দিনতো দেখা যায়। ইহঁতে এন্দুৰ নিগনি আদি মাৰি খেতিয়কৰ যথেষ্ট উপকাৰ কৰে। হুদুৰ আন এক বৈশিষ্ট্য হ'ল যে ইহঁতে বাঁহ সাজিব নাজানে।]

দল ম'ৰা ম'ৰা চৰাই বনৰীয়া কুকুৰা আদিয়ে নখেৰে মাটিত গাত একোটা খান্দি তাতে কণী পাৰে। কোনোবাই ক'ব পাৰে যে এই কণীবোৰ দেখোন আন প্ৰাণীয়ে খায়েই শেষ কৰিব। পাছে নাখায়। না খায় এই কাৰনেই যে এই কণী বোৰৰ ৰং মাটিৰ ৰঙৰ লগত এনেভাবে মিলি থাকে যে শত্ৰুৱে দ'বৈৰ পৰা দেখাই নাপায়। ম'ৰা চৰাযে অৱশ্যে কৌঁটিয়াবা গছৰ ধোন্দতো কণী পাৰে। গঙ্গা চিলণীয়ে কণী পাৰিবলৈ নৈৰ বালিতে গাঁত একোটা খান্দি লয়।

মাছোৰোকা হুদপো পাখিখোৰা আদি কিছুমান জাতৰ চৰায়ে নৈৰ ঠিয় গড়াতে পথালিকৈ সুৰংগ একোটা খান্দি তাৰ ভিতৰতে কণী পাৰে। এনে একোটা সুৰংগ এফুটৰ পৰা পাঁচফুট পৰ্য্যন্ত দীঘল হ'ব পাৰে। এই সুৰংগ বিলাক ভিতৰৰ ফালে অলপ বহল হৈ কোঠা এটাৰ দৰে হয় আৰু তাতে সিহঁতে কণী পাৰে। ইহঁতৰ জোঙা ঠোটটোৱে আমাৰ চিপৰাঙৰ দৰে মাটি খন্দাত সহায় কৰে আৰু ঠেঙত থকা নখ কেইটাই খন্দা মাটিখিনি ঠেলি বাহিৰলৈ উলিয়াই দিয়ে।

সকলো চৰাইৰে বাঁহ সমানে মজবুদ নহয় বৰমূৰী হাঁহ ধতবাজ দেওবাজ আদি বেচিভাগ পানীত চৰা চৰায়ে পানীৰ কাষত ওখ ঠাইত ঘাঁহবন গোটাই বাঁহ সাজি তাতে কণী পাৰে। ডাউকে পানীৰ কাষত থকা জোপোহা গছ বনৰ মাজত সৰ সৰ ডাল পাত লতাৰ টুকুৰা নলখাগৰিৰ ফুলৰ ঠোক আদিৰেই বাঁহ সাজে। দল প ভাই আকৌ পানীৰ ওপৰত ওপঙি থকা মেটেকা পদুনি আদিৰ ওপৰতে বাঁহ সাজে। কণামুচৰিয়ে বাঁহ সাজিবলৈ আম কঠাল জামু তেতেলি কদম আদি ডাঙৰ গছহে বাচি লয়। অৱশ্যে এনে গছ নৈ বিল জান জুৰি দলনি আদিৰ কাষত থাকিলেহে ইহঁতে ভাল পায়। পানী কাউৰীয়েও পানীৰ কাষত থকা ওখ গছতে বাঁহ সাজে। কিন্তু ইহঁতে পানীৰ ওপৰত হেলনীয়াকৈ থকা গছহে বিচাৰে। তেলীয়া সাৰেঙে বাঁহ সাজিবলৈ দ ধাননী পথাৰৰ মাজত থকা ওখ ঠাই বা জলাশয়ৰ মাজত থকা টিলা বা মাটিৰ ঢিপ আদিহে নিৰ্বাচন কৰে। তাতে ইকৰা খাগৰিৰ ডাল পাত গোটাই তেলীয়া সাৰেঙে বাঁহ সাজে। হুদ আৰু কুলি চৰাইৰ দৰে চাকৈ চকোৱায়ো বাঁহ সাজিব নাজানে। সেইকাৰণে সিহঁতে নদী হ্ৰদ আদিৰ কাষৰ গড়া বা পাহাৰৰ ফাঁকতে কণী পাৰে। শ্যামা চৰায়ে বাঁহ গছৰি গুৰিত বাঁহ পাত গোটাই দ'ম একোটা কৰে আৰু সেয়ে সিহঁতৰ বাঁহ। দমটোৰ মাজতে গাঁত এটা কৰি তাতে কণী পাৰে।

কাউৰী চিলনী কপৌ শগুণ পাণী কাউৰী বৰটোকোলা বগলী আদি বেচি ভাগ চৰায়েই ডাল পাত গোটাই গছৰ ফেৰেঙনিত চাং একোখন সাজে আৰু তাৰ ওপৰতে খেৰ কুটা পাৰি বাঁহটো বনাই লয়। বাঁহটো বনাওঁতে মাজটো গাঁতৰ দৰে কৰে যাতে কণী কেইটা বাগৰি নপৰে। কাউৰীয়ে অৱশ্যে এৰণীয়া ঘৰ বাৰান্দা আৰু টেলিফোন ইলেকট্ৰিক আদিৰ খুটাতো বাঁহ সাজে। কাউৰীয়ে বাঁহ সাজিবৰ কাৰণে বস্তুও বহুতে গোটায়। তাঁৰৰ টুকুৰা ঘাঁহবন উল ফটাছিটা কাপোৰ

নাৰিকলৰ আঁহ আদি একেবাৰেই বাদ নপৰে। আনকি চামোচ বা তেনে ধৰণৰ দুই এক সৰু সুৰা সামগ্ৰী কাউৰীয়ে সুবিধা পালে বাঁহ বনাবলৈ চুৰ কৰিও নিয়ে। এইবিলাক চৰায়ে চাং পাতি বাঁহ সাজে যদিও সকলোৱে বাঁহবোৰ সমানে মজবুদ নহয়। উদাহৰণ স্বৰূপে বগলী কণা মুচৰি আদিৰ বাঁহবোৰ ইমান লেহুকা যে ডাঙৰকৈ বতাহ এজাক বলিলেই কণী আনকি পোৱালীও দুই এটা তললৈ সৰি পৰে। আনহাতে শগুণ বৰটোকোলা আদিৰ বাঁহবোৰ মজবুদ আৰু ইহঁতে বাঁহো সাজে বৰ ওখ গছৰ ওপৰতহে।

দহিকতৰাই লোকৰ এৰণীয়া বাঁহতো কণী পাৰে ঘৰ শালিকাই ঘৰৰ চালত বেৰত কাঠৰ দমৰ ফাকত আৰু কেতিয়াবা গছতো বাঁহ সাজে। কেতিয়াবা আন চৰাইৰ এৰণীয়া বাঁহ পালে বা বাৰীৰ চুকে কোণে আঁৰি থোৱা কলহ টিন আদি পালে তাতো ঘৰ শালিকাই কণী পাৰে। সকলো চৰায়েই বাঁহটোৰ ভিতৰফালে দুই এটা কোমল বস্তু পাৰি দিয়ে, যাতে কণী বা পোৱালী কেইটাই দুখ নাপায়। ঘৰ শালিকায়ো সেই উদ্দেশ্যেই খেৰ, কুটা তুলা কাপোৰৰ টুকুৰা সাপৰ মোট আদি বাঁহটোৰ ভিতৰত পাৰি দিয়ে। ঘৰ চিৰিকাই বাঁহ সাজে খেৰী ঘৰৰ চাল বেৰৰ ফাঁক বা জোপোহা গছত। দহিকতৰাই পকা ঘৰৰ ফাঁক গছৰ খোন্দ বা বাটেটোকাৰ এৰণীয়া বাঁহতে কণী পাৰে। ইহঁতেও ঘাঁহ পাতৰ আঁহ পাখি, চুলি আদি বাঁহটোত পাৰি দিয়ে। চাতক চৰায়ে ঘৰৰ চাঁদৰ তলফালে গুহাৰ ভিতৰফালে বা পকা পদুল আদিৰ ভিতৰত বাঁহ সাজে। ভিতৰত কণী পাৰিবৰ কাৰণে ঠাই ৰাখি আৰু ওলোৱা সোমোৱাৰ কাৰণে বাট এটা থৈ চাৰিও ফালে বোকাৰে চিপ বাঁহটো তৈয়াৰ কৰে। বাঁহটোৰ ভিতৰফালে কোমল পাখি পাৰি দিয়ে। ভীমৰাজ পাটমাদৈ, কেতেকী আদি কিছু মান জাতৰ চৰাইৰ বাঁহটো একোটা কাপৰ আকৃতিৰ। ইহঁতে বাঁহটো চাৰিওফালৰ পৰা মকৰাজালেৰে মেৰিয়াই টানকৈ থয়।

পাতসিয়া চৰাইৰ বাঁহ সজাৰ পদ্ধতিও বৰ কৌতুহলজনক। ইহঁতে ডিমৰু কদম আম কঠাল আদি গছতে বাঁহ সাজে। গছৰ পাত এখিলাৰ কাষ দুটা চপাই ঠোঁটো এটাৰ দৰে কৰি চিলাই পেলায়। কেতিয়াবা ডাঙৰ পাত নাপালে দুই তিনিখিলা পাত লগ লগায়ো চিলায়। কপাহ বা আন গছৰ টান পাত চিৰিলা চিৰিল কৰি তাকে পকাই সূতাৰ দৰে কৰে আৰু ঠোঁটটোৰ সহায়ত চিলাই কৰে। ইহঁতেও পাতৰ ঠোঙাটোৰ ভিতৰত তুলা নাৰিকলৰ চোচ ঘোঁৰাৰ নেজৰ চুলি আদি পাৰি দিয়ে।

বহুতো চৰায়ে গছৰ খোন্দতে কণী পাৰে: বাটেটোকা ধনেশ ফেচা আদি বহুতো চৰায়ে গছত থকা খোন্দকে বাঁহ হিচাবে ব্যৱহাৰ কৰে। কিছু মান চৰায়ে আকৌ গছত এনে খোন্দ তৈয়াৰ কৰিয়েই লয়। বাটেটোকাই খোন্দৰ ভিতৰত কাঠৰ গুঁড়ি চলি আদি পাৰি দিয়ে। নৈজ চৰা বনৰীয়া হাঁহেও নৈৰ কাষত থকা

গছৰ খোন্দত কণী পাৰে। ফলত হঠাতে কোঁৱাৰা নৈত পানী বাঢ়িলেও কণী বা পোৱালীৰ কোনো বিপদ নহয়। তদুপৰি খোন্দৰ ভিতৰত পাখি গজি ডাঙৰ হ'লে পোৱালী কেইটাই ঠাইতে পানীলৈ জাপ মাৰি সাতুঁৰিব পাৰে।



চিত্ৰ নং—৩৯

[পাতসিয়া চৰাই আমাৰ ইয়াত প্ৰায় সকলো ঠাইতেই পোৱা যায়। ঠোটটো বেজীৰ দৰে জোঙা। এই ঠোটটোৰ সহায়তে ইহঁতে ডিমৰু কদম আম কঠাল আদিৰ পাত চিলাই ঠোঙা এটাৰ দৰে কৰে আৰু তাতে কনী পাৰি পোৱালী জগায়।]

ধনেশ চৰাইৰ বাঁহ সজা পদ্ধতিও বৰ ৰহস্যপূৰ্ণ। ইহঁতে বাঁহ সাজিবলৈ গছৰ খোন্দ একোটা বাচি লয়। মাইকীজনীয়ে পোনতে খোন্দটোৰ ভিতৰলৈ সোমাই নিজৰ মল আৰু বোকাৰে খোন্দটোৰ মুখখন বন্ধ কৰি দিয়ে। তাৰ পাছত মাজতে সৰু ফুটা এটা উলিয়াই থয়। ধনেশে তাৰ ঠোটটোৰেই এই লিপা মচাখিনি কৰে। মাইকীজনীয়ে খোন্দৰ ভিতৰতে কণী পাৰে আৰু পাছত তাকে উমনি দিয়াত ব্যস্ত হৈ পৰে। এই সময়ছোৱাত মতাটোৱেই বাঁহত থকা সৰু ফুটাটোৰেদি মাইকীজনীক

আহাৰ যোগায়। আনকি খোপদত থকা পোৱালীবোৰলৈও সিয়েই বাহিৰৰ পৰা আহাৰ যোগাব লাগে। মাইকী পোৱালী আৰু নিজৰ কাৰণেও আহাৰ বিচাৰোতে বিচাৰোতে মতাটোৰ অৱস্থা কাহিল হয়। সি কেতিয়াবা নিজে আধাপেটীকৈও থাকিব লগা হয়। পোৱালীবিলাক দুসপ্তাহ মান ডাঙৰ হলে মাইকীজনীয়ে খোপদৰ ফুটাটো ডাঙৰ কৰি নিজে বাহিৰ ওলাই আহে। এইবাৰ মতা মাইকী হালেই পোৱালীক আহাৰ যোগাবলৈ লয়।



চিত্ৰ নং—৪০

[টোকোৰা চৰাই আকাৰত ঘৰচিৰিকা এটাৰ সমান হ'লেও ইহঁতৰ ঠোঁটটো ডাঙৰ আৰু জোঙা। নেজপাখী খনো চুটি। শস্যভোজী এই চৰাইজাক সদায় জাক পাতি বাস কৰে। ইহঁতৰ প্ৰধান বৈশিষ্ট্য হ'ল ইহঁতৰ বাঁহটো। ঠোঁট আৰু ঠেঙৰ সহায়ত বিভিন্ন গছৰ চোঁচেৰে বনোৱা বাঁহটোৱেই ইহঁতৰ উৎকৃষ্ট কাৰিকৰী জ্ঞানৰ পৰিচয় দিয়ে। ইহঁতৰ সমাজত ভাল বাঁহ সাজিব নজনা মটাটোৱে জীৱনসঙ্গিনী এজনী লাভ কৰাটোও টান হৈ পৰে।]

টোকোৰাৰ বাঁহেই সকলো

তকৈ চকুত লগা টোকোৰা চৰাইক চৰাই জগতৰ ইঞ্জিনিয়াৰ বুলি কোৱা হয়। ইহঁতৰ বাঁহ বনোৱাৰ কৌশল অতি চমৎকাৰ। তামোল নাৰিকল তাল খেজুৰ আৰু কেতিয়াবা টেলিফোনৰ তাঁৰতো ইহঁতে বাঁহ সাজে। নাৰিকল খেজুৰ কুঁহিয়াৰ বাঁহ কলগছ আদিৰ পাতেই ইহঁতৰ বাঁহ সজাৰ সামগ্ৰী। টোকোৰা চৰাইৰ কেৱল মতাটোৱেহে বাঁহ সাজে। বাঁহটো সম্পূৰ্ণ কৰাৰ সময়তহে মাইকী জনীয়ে সহায় কৰি দিয়ে। তামোল নাৰিকল আদি গছৰ বিখিলা প্ৰাতত বাঁহটো বান্ধে সেই পাতখিলাৰ আগটো পকাই বছি এডালৰ দৰে কৰে আৰু তাতে বাঁহটো সংলগ্ন কৰি থয়। বাঁহ বা পাতৰ চোচ বোৰকে সূতা হিচাবে লৈ ঠোঁটটোৰে বাঁহটো এফালৰ পৰা চিলাই যায়। মতাটোৱে বাঁহ চোচবোৰ গোটাই আনে আৰু মাইকী জনীয়ে গোঁঠে। কেতিয়াবা আকৌ মাইকীজনী বাঁহটোৰ ভিতৰ ফালে সোমায় আৰু মতাটো বাহিৰত থাকে। মাইকীজনীয়ে ঠোঁটেৰে চোচডাল বাহিৰ কৰি দিয়ে আৰু মতাটোৱে আন এফালেদি ভিতৰ সুমুৱাই দিয়ে। টোকোৰাৰ বাঁহৰ দুয়োটা মূৰ ঠেক আৰু মাজ অংশ শকত। মাজৰ শকত অংশতে টোকোৰাই কণী পাৰে আৰু উমণি দিয়ে। বাঁহৰ মুখখন তলমুৱা হৈ থাকে।

মেৰ অঞ্চলত শীতৰ প্ৰকোপ বেচি। গতিকে তাত থকা চৰাইবিলাকে কণী পাৰি উমণি দিবলৈ বহু কষ্ট কৰিব লগাত পৰে। তাত থকা পেংগুইন নামৰ চৰাইজাতে কণীকেইটা নিজৰ ঠেঙৰ পতাৰ ওপৰতে থয় আৰু বকুৰফালে থকা পাখিখিনিৰে হে চা মাৰি উমণি দি থাকে। এই অৱস্থাত মাইকীজনীয়ে লৰচৰ কৰিবই নোৱাৰে। কেতিয়াবা অৱশ্যে মতাটোৱেও সহায় কৰি দিয়ে।

বাঁহত টোপ খ ওৱা বেচিভাগ চৰায়েই বাঁহটোৰ চাফচিকুণতাৰ প্ৰতিও লক্ষ্য ৰাখে। পোৱালীবোৰে সাধাৰণতে ঘনাই মল ত্যাগ কৰে আৰু সেইখিনি চাফা কৰি নথ'লে পোৱালীবোৰক বিভিন্ন ৰোগে আক্ৰমণ কৰাৰ ভয় থাকে। সেইকাৰণে বহু তো চৰায়ে পোৱালীৰ মলবিলাক নিজেই খাই থয়। কিছুমান চৰায়ে মল বা আন লেতেৰা বস্তু ঠোটেৰে বাহিৰলৈ উলিয়াই দিয়ে। অৱশ্যে মাছোৰোকাৰ দৰে লেতেৰাকৈ থকা দুই এজাত চৰায়ো আছে। মাছোৰোকাৰ গাঁতবিলাকৰ পৰা গেলা পচা মাছ শামুকৰ খোলা আদিৰ গোন্ধ প্ৰায়ে ওলায়।

চৰাইৰ প্ৰব্ৰজন

“হাঁহে হৈ পৰিমগৈ তোমাৰে পৃথিৱীত বলি একালত গৰখীয়া লৰাই প্ৰেমিকাক উদ্দেশ্য কৰি বিহুগীত গাইছিল। তেতিয়া তেওঁলোকৰ চিন্তাৰ পৰিধিও পৃথিৱীতে শেষ হৈছিল। কিন্তু আজিৰ ডেকা লৰাই গাবলৈ হ'লে 'তোমাৰে দেশত বুলিহে গাব। যান্ত্ৰিক যান বাহনে পৃথিৱীখনক এবেলাৰ বাট কৰি তুলিলে সৌ সিদিনাহে। কিন্তু ৰংচঙীয়া পাখিৰ পোষাক পিন্ধা বহুতো চৰায়ে সৃষ্টিৰ পাতনিৰে পৰা দেশ বিদেশ চলাথ কৰি আহিছে। ইহঁতৰ যান্ত্ৰিক যান বাহনতো নায়েই দিক নিৰ্ণয় কৰিবলৈ কম্পাছো নাই। আনকি ভূগোলৰ জ্ঞান ল'বলৈ নাই স্কুল কলেজো। তথাপি ইহঁতৰ লগত উৰণ প্ৰতিযোগিতাত নামিবলৈ মানুহৰ নিজস্ব শাৰীৰিক সামৰ্থ নাই। যদি কিবা আছে সিও যন্ত্ৰৰহে সামৰ্থ্য। আনহাতে চৰাইৰ সাৰথি কেৱল ডেউকা দুখনহে। ইহঁতৰ বাহুবলৰ ওচৰত আমাৰ যান্ত্ৰিক বলেও কেতিয়াবা মূৰ দোঁৱাব লগাত পৰে।

বছৰি একে সময়তে যাত্ৰা কৰে আমাৰ মানুহেও মাজে সময়ে দূৰ ভ্ৰমণলৈ ওলায়। কিন্তু চৰাইৰ লগত তুলনা নহয়। আমি সময় আৰু সুবিধা পালে কেতিয়াবা কাচিতহে ভ্ৰমণলৈ ওলাওঁ। কিন্তু ভ্ৰমণকাৰী চৰাইসমূহে বছৰি এক নিৰ্দিষ্ট সময়ত ভ্ৰমণলৈ ওলায় আৰু নিৰ্দিষ্ট সময়ৰ মূৰত উলটি আহে। আমাৰ কোনোবা ভ্ৰমণলৈ ওলালে বহুত আগৰেপৰাই প্ৰস্তুতি চলাব লগা হয়। লগত লোৱা বস্তু কাপোৰ কানি বা আন সামগ্ৰী কি নিব কোনখন ৰেল বাছ বা উৰাজাহাজেৰে ভ্ৰমণ কৰিব গন্তব্য স্থানত গৈ কোনখন হোটেলত নামিব—আদি সকলো কথাই আগতীয়াকৈ ঠিক কৰি লব লাগে। তাকে নকৰিলে বিপদত পৰাৰ সম্ভাবনা থাকে। কিন্তু চৰাইৰ ক্ষেত্ৰত এইবিলাক একোৰে প্ৰয়োজন নকৰে। ইহঁত নিজেই নিজৰ বাহন। ডেউকা দুখন কোবাই কোবায়েই ইহঁতে দেশ বিদেশ ভ্ৰমণ কৰি ফুৰে। ইহঁত কোন পথেৰে যাব লাগে—কওঁতাও কোনো নাই। তথাপি ইহঁতে বাট ভুল নকৰে। সদায় নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ঠাইত ঠিক মতেই ওলায়গৈ। কিবা কাৰণত আমাৰ ৰে'লখন বাছখন বা উৰাজাহাজখনৰ দেৰি হ'ব পাৰে কিন্তু ইহঁতৰ দেৰি নহয়। ভ্ৰমণকাৰী চৰায়ে নিৰ্দিষ্ট ঠাই কেনেকৈ চিনি পায় আৰু নিৰ্দিষ্ট সময়সূচী ৰক্ষা কৰে সি আজিও এক ৰহস্য হৈয়েই আছে। ঘড়ী ঘণ্টা নোহোৱাকৈয়ে চৰায়ে কেনেকৈ সঠিক সময় ৰাখিব পাৰে—ভাবিলে আচৰিত লাগে। অথচ হাতে হাতে ঘড়ী থাকোতেও দেখোন আমাৰ সকলো কথাতে দেৰিয়েই হয়। প্ৰখ্যাত পক্ষীবিদ ড চালিম আলিয়ে কেইবছৰমান পৰীক্ষা নিৰীক্ষা

কৰি দেখিছিল যে ওৱেগটেইল (waytail) নামৰ চৰাই এটা বছৰি তেওঁৰ বাগিছাৰ পৰা এক নিৰ্দিষ্ট সময়ত ভ্ৰমণলৈ ওলায় আৰু নিৰ্দিষ্ট তাৰিখত পুনৰ বাগিছাত আহি পৰেহি।

ভ্ৰমণকাৰী চৰায়ে মানুহক আনন্দও দিয়ে যুগ যুগ ধৰি ভ্ৰমণকাৰী চৰায়ে মানুহক আনন্দ দি আহিছে। প্ৰাচীন গ্ৰীক ইহুদী আৰু ইজিপ্তবাসী সকলে বহু যুগৰ আগতেই জাক জাক চৰাইৰ ঘৰমুৱা আৰু বিদেশযাত্ৰাতেই আনন্দ উপভোগ কৰিছিল। তেওঁলোকে লক্ষ্য কৰিছিল যে উত্তৰ গোলাৰ্দ্ধৰ বহুতো চৰাই বছৰৰ কোনোবা এটা সময়ত হঠাতে নাইকিয়া হয় আৰু কোনোবা এটা সময়ত পুনৰ ভুৰুং কৰে ওলায়হি। এইয়া যেন সিহঁতৰ বাৰ্ষিক তীৰ্থযাত্ৰাহে। আগষ্ট চেপ্তেম্বৰ মাহত সিহঁত সাধাৰণতে গুচি যায় আৰু মাৰ্চ এপ্ৰিলত পুনৰ উভতি আহে। চৰাইৰ দুৰণি বটীয়া যাত্ৰা সম্পৰ্কে একালত নানা ধৰণৰ গল্প গুজৱো প্ৰচলিত আছিল। কিন্তু বৰ্ত্তমান চৰাইৰ ভ্ৰমণ এক বৈজ্ঞানিক অধ্যয়নত পৰিণত হৈছে। পক্ষীবিদসকলৰ অক্লান্ত পৰিশ্ৰম জীৱন যোৰা সাধনা আৰু একাগ্ৰতাৰ ফলত চৰাই ভ্ৰমণৰ বহুতো ৰহস্য আজি উম্ঘাটিত হৈছে। বিজ্ঞানীসকলে ইতিমধ্যে স্বীকাৰ কৰিছে যে দুৰ ভ্ৰমণকাৰী চৰাইসমূহৰ ঘৰ দুখন। এখন হ'ল শীতকালি থকাৰ ঘৰ আৰু আনখন হ'ল কণী পাৰি পোৱালী জগোৱাৰ ঘৰ। তেওঁলোকে পৰীক্ষা নিৰীক্ষা কৰি ইয়াকো দেখিছে যে বেছিভাগ চৰায়েই শৰৎকালত দক্ষিণলৈ আৰু বসন্তকালত উত্তৰদিশলৈ গতি কৰে। মানুহৰ তুলনাত চৰাইৰ বিদেশ ভ্ৰমণৰ সমস্যাও কম। পাছ ভিছা বিদেশী মুদ্ৰা আদিতো নালাগেই বাটত থাকিবলৈ হোটেল ৰেষ্ট হাউচ আদিও নালাগে।

যুদ্ধক্ষেত্ৰতো চৰাইৰ পৰা কামত আহে বাঁহ সজা কণী পৰা বা পোৱালী জগোৱা অৱস্থাত যদি কোনোবাই চৰাই একোটা বহুত দুৰলৈ নি এৰি দিয়ে সি অতি বেগত উৰা মাৰি পুনৰ নিজৰ বাঁহত উপস্থিত হয়হি। দিক নিৰ্ণয়তো তাৰ কোনো ভুল নহয়। চৰাইৰ এই চৰিত্ৰৰ সুযোগ লৈয়েই বহুতে বহুত কাম কৰোৱাই লয়। প্ৰায় দুহাজাৰ বছৰ মানৰ আগৰ কথা। পিউনিক (punic) যুদ্ধ চলি আছে। ৰোমৰ কিছুমান সৈন্য শত্ৰুপক্ষৰ দুৰ্গত বন্দী হৈ আছে। ৰোমৰ কেপ্তেইন এজনে দুৰ্গত আবদ্ধ হৈ থকা সৈন্য সকললৈ খবৰ এটা পঠোৱাৰ কথা ভাবিলে। কিন্তু পঠায় কেনেকৈ ? শত্ৰুপক্ষৰ দুৰ্গলৈ যায় কোন ? অৱশেষত তেওঁ বহুত বুদ্ধি সিদ্ধি কৰি শত্ৰুপক্ষৰ দুৰ্গৰ ভিতৰত বাঁহ সাজি থকা চাতক চৰাই এটা ধৰাই আনিলে। সেই চৰাইটোৰ ঠেঙতে কাগজ এটুকুৰা তাঁৰেৰে বান্ধি দিলে। কাগজ টুকুৰাত লেখা কথাখিনি আছিল— কি তাৰিখে আৰু কোন সময়ত তেওঁলোকে সেই দুৰ্গটো আক্ৰমণ কৰি তেওঁলোকক মোকালাই আনিব। চাতক চৰাইটোৰ ঠেঙত এই কথাখিনি লেখা কাগজখন বান্ধি এৰি দিয়া হ'ল। চৰাইটো গৈ পোন চাটেই দুৰ্গৰ ভিতৰত থকা নিজৰ বাঁহত পৰিলগৈ। ইফালে দুৰ্গৰ ভিতৰত বন্দী

অৱস্থাত থকা ৰোমান সৈন্য সকলেও চাতকৰ ঠেঙত লাগি থকা কাগজখন দেখা পালে। তেওঁলোকে কাগজখন পাঢ়ি সেই তাৰিখ আৰু সময়লৈ আগ্রহেৰে বাট চাই ৰ'ল।

প্লিনিয়ে চাতক চৰাই সম্বন্ধে আন এটি ঘটনাৰ কথা উল্লেখ কৰিছে। এবাৰ হেনো ৰোমত ৰথ প্রতিযোগিতা (chariot competition) হৈছিল। তাতো হেনো বাঁহ সাজি থকা চাতক চৰাইৰ সহায়তে ৰোমত হোৱা প্রতিযোগিতাৰ খবৰ ১০৫ মাইল দূৰৈত থকা ভলটেৰা (volterra) নামেৰে ঠাইলৈ পঠোৱা হৈছিল। এইবিলাক বহুত পূৰণিকালৰ কথা। বৰ্ত্তমানেও এনে ধৰণৰ বিভিন্ন পৰীক্ষা নিৰীক্ষা চলাই একে ধৰণৰ ফলাফলকে পোৱা হৈছে। আজিৰ পৰা প্রায় পঞ্চাশ বছৰ মানৰ আগতে ষ্টকহলমত বাঁহ সাজি থকা অৱস্থাত মেংক্স চিয়েৰ ওৱাটাৰ (Manx shear water) নামৰ এটা চৰাই ধৰা হ'ল। চৰাইটো উৰাজাহাজেৰে ভেনিচলৈ নি তাত এৰি দিয়া হ'ল। দেখা গ'ল যে ১৪ দিনৰ মূৰত চৰাইটো উৰি গৈ ষ্টকহলমৰ তাৰ নিজৰ বাঁহৰ ওচৰত ওলালগৈ। ভেনিচৰ পৰা ষ্টকহলমলৈ পোনাই ৯০০ মাইল। কিন্তু চৰাইটো আছিল সাগৰীয় চৰাই। গতিকে সাগৰৰ ওপৰেদি ঘোৰাৰ সম্ভাৱনাই বেচি। যদি সেয়ে হয় তেন্তে সি সম্ভৱ ১৪টা দিনত ৩৭০০ মাইল পথ অতিক্রম কৰিছিল। অন্য এবাৰ আন এটা মেংক্স চিয়েৰ ওৱাটাৰ চৰাই ষ্টকহলমত বাঁহ সাজি থকা অৱস্থাত যুক্তৰাষ্ট্রৰ বোষ্টন চহৰ পোওৱাগৈ হ'ল। এই চৰাইটোৱেও বাৰ দিনৰ মূৰত পুনৰ ষ্টকহলমত ওলালগৈ। এইটো চৰাইযে আটলাণ্টিক মহাসাগৰৰ ওপৰেদি প্রায় ৩০০০ মাইল পথ অতিক্রম কৰিছিল। বাঁহ সজা ঠাইলৈ উলটি অহাৰ আটাইতকৈ ভাল উদাহৰণ হ'ল লেইছান এলবেট্রচ নামৰ চৰাইজাত। এবাৰ এটা চৰাইৰ ওপৰত পৰীক্ষা কৰি দেখা গ'ল যে ই ৪১২০ মাইল পথ ৩২ দিনত অতিক্রম কৰি নিজৰ বাঁহত ওলালহি।

বনবীয়া হাঁহ আমাৰ শীতকালৰ আলহী পোৱালী বা বাঁহৰ ওচৰলৈ ঢাপলি মেলা চৰাইবোৰৰ উপৰি বছৰি বিদেশ ভ্রমণলৈ ওলোৱা চৰায়ো অনেক আছে। মহাৰাষ্ট্রত থকা ৫২৫ টা প্রজাতিৰ চৰাইৰ ভিতৰত ১৫৭ টা প্রজাতিয়েই দূৰ ভ্রমণকাৰী চৰাই। ঠিক তেনেকৈ দিল্লী আগ্রা আৰু ভৰতপুৰ অঞ্চলত থকা ৪৭০টা প্রজাতিৰ চৰাইৰ ভিতৰত ১৮৫টা প্রজাতি দূৰ ভ্রমণকাৰী চৰাই। আমাৰ অসমতো এনে ভ্রমণকাৰী চৰাই অনেক আছে। শীতকালি আমাৰ নৈ বিল পুখৰী আদি চাইবোৰিয়া ফালৰ পৰা অহা নানা ধৰণৰ বনৰীয়া হাঁহেৰে ঠাই খাই পৰে। তাৰ ভিতৰত ধূতবাজ আৰু দেওবাজ নামৰ হাঁহ দুজাতেই প্রধান। এই হাঁহবেৰে আমাৰ ইয়াত কণী পাৰি পোৱালীও নজগায়। ইহঁত আমাৰ ইয়াত কেৱল শীত কালৰ আলহীহে।

কুলি চৰাইক আমি বসন্ত কালৰ আৰম্ভণিৰে পৰা গ্রীষ্মকালৰ শেষলৈকে এই ছোৱা সময়তহে দেখা পাওঁ। তাৰ পাছত চৰাইজাত ক'লৈ যায় কোনেও ক'ব

নোৱাৰে। গতিকে কিছুদিনৰ আগলৈকে চৰাইজাতক ভ্ৰমণকাৰী চৰাই বুলিয়েই ভবা হৈছিল। কিন্তু বৰ্ত্তমান পক্ষীবিদ সকলে অধ্যয়ন কৰি পাইছে যে কুলি চৰাই বছৰৰ বাৰেও মাহ আমাৰ দেশতে থাকে। কেৱল শীতকালি ডাঠ অৰণ্যৰ মাজত সোমাই থাকে কাৰণেহে আমাৰ চকুত নপৰে। তদুপৰি এইছোৱা সময়ত ইহঁতে ৰবকৈ নামাতেও। কেতেকী চৰাই অৱশ্যে আমাৰ ইয়াত বসন্ত কালৰ আলহীহে। শীতকাল অহাৰ লগে লগে ইহঁতে উত্তৰৰ দেশসমূহলৈ গুচি যায়।

চিত্ৰ নং—৪১

[কুলিচৰাই আমাৰ ইয়াৰ স্থানীয় চৰাই নে ভ্ৰমণকাৰী চৰাই সি এতিয়াও বিতৰ্কৰ বিষয় হৈ আছে। অৱশ্যে বেচিভাগ পক্ষীবিদৰ মতে কুলি আমাৰ দেশতে বাৰেও মাহ থাকে। কেৱল শীতকালি ডাঠ হাবিৰ মাজত সোমাই থাকে কাৰনেহে আমাৰ চকুত নপৰে। কুলিৰ মতা মাইকীহালৰ ৰং বেলেগ। মতাটোৰ ৰং ক'লা আৰু মাইকীজনীৰ ৰং ফুটফুটীয়া]।

ঘণ্টাত বেগ এশ কিলোমিটাৰ • কানাডাৰ এজাত ৰাজহাঁহে প্ৰতি বছৰে অক্টোবৰ মাহৰ শেষৰফালে দক্ষিণৰ ফালে উৰা মাৰে। উৰা মানে অলপ দূৰলৈ নহয়। একেবাৰে ২৭৬০ কিলোমিটাৰ। উপস্থিত হয়গৈ উত্তৰ কেৰলিনা নামে ঠাইত। বেগৰ কথা শুনিলেও আচৰিত হ'ব লাগে। ঘণ্টাত এশ কিলোমিটাৰ।

মার্চ মাহলৈকে চৰাইজাত কেৰলিনাতে থাকে। তাৰ পাছতহে পুনৰ উৰি গৈ কানাডা পায়গৈ।

দূৰ ভ্ৰমণকাৰী চৰাই সমূহৰ ভিতৰত উত্তৰ আমেৰিকাৰ আৰ্কটিক টাৰ্ণ নামৰ চৰাইজাতৰ পথেই বোধহয় আটাইতকৈ দীঘল হ'ব। ইহঁতে সুমেৰু অঞ্চলৰ পৰা গৈ ১৭৭৫০ কিলোমিটাৰ দূৰৈত থকা কুমেৰু অঞ্চল পায়গৈ। মে'মাহত পুনৰ সুমেৰুৰ ফালে গতি কৰে। প্ৰতি বছৰে একোটা টাৰ্ণ চৰায়ে ৩৫০০০ কিলোমিটাৰ মান পথ উৰিব লগাত পৰে। আমাৰ কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ ১২ বাৰ মান অহা যোৱা কৰিলেহে সেই দূৰত্বৰ সমান হ ব।

দূৰ ভ্ৰমণত সোণালী প্ল ভাৰ (Golden plover) নামৰ চৰাইজাতৰো এক সুনাম আছে। ইহঁত আকাৰত দহিকতৰা চৰাই একোটাৰ সমান হ'ব। ইহঁতৰ প্ৰজাতি দুটা। এটা আলাস্কাৰ তুন্দ্ৰা অঞ্চলত থাকে আৰু আনটো কানাডাৰ ফালে থাকে। আলাস্কাত থকা প্ল ভাৰ জাতে শৰৎকালত ৩৪৫০ কিলোমিটাৰ পথ অতিক্ৰম কৰি হাৱাই দ্বীপপুঞ্জ পায়গৈ। তাৰো পাছত দক্ষিণলৈ গৈ মাৰকুৱেচাচ্ দ্বীপ আৰু একেবাৰে শেষত গালাপাগোচ দ্বীপপুঞ্জ পায়গৈ। আলাস্কাৰ পৰা হাৱাইলৈ এই পথছোৱাত বাটত জিৰাবলৈ দ্বীপ এটিও নাই। ক'তো নিজিৰোৱাকৈ সাগৰৰ ওপৰেদি প্ৰায় চাৰে তিনিহাজাৰ কিলোমিটাৰ পথ কেনেকৈ অতিক্ৰম কৰে— ভাবিলে আচৰিত লাগে।

বালিমাহী চৰাই শীতকালিহে ওলায়ঃ শীতকালি আমাৰ ইয়াত দেখা বালিমাহী চৰাইবোৰো আমাৰ ইয়াত শীতকালৰ আলহীহে। আমাৰ বহুতেই নাজানে যে চৰাইজাত আনদেশৰ পৰাহে আমাৰ ইয়ালৈ আহে। বসন্তকাল অহাৰ লগে লগেই এই চৰাইজাত অন্তৰ্ধান হয় অৰ্থাৎ উত্তৰৰ দেশ সমূহলৈ উৰা মাৰে। উত্তৰ পশ্চিম তুন্দ্ৰা অঞ্চলত আৰু এজাত বালিমাহী চৰাই আছে। ইহঁতে গ্ৰীষ্ম কালি তুন্দ্ৰা অঞ্চলত কণী পাৰি পোৱালী জগায়। কিন্তু শীতকাল অহাৰ লগে লগে ইহঁতো গৈ আৰ্জেণ্টিনাৰ উপকূল অঞ্চল পায়গৈ। অৰ্থাৎ প্ৰায় ১৫০০০ কিলোমিটাৰ পথ অতিক্ৰম কৰে। আন এজাত দূৰ ভ্ৰমণকাৰী চৰাইৰ নাম ববলিংক। ইহঁত গ্ৰীষ্মকালি কানাডা আৰু চাইবেৰিয়াৰ বাসীন্দা। কিন্তু শৰৎকালৰ আৰম্ভণিতে বাৰহাজাৰ কিলোমিটাৰ দূৰৈত থকা আৰ্জেণ্টিনা পায়গৈ। সুমেৰু অঞ্চলত থকা হিম হাঁহ নামৰ এজাত বাজহাঁহো দূৰ ভ্ৰমণকাৰী চৰাই। ১৯৭৩ চনত দেচ আৰু জনবাৰ্টিলেট নামৰ দুগৰাকী পক্ষীবিদে এই হাঁহজাতৰ গতি গোত্ৰ অধ্যয়ন কৰি দেখিলে যে ইহঁতে গ্ৰীষ্মকালি হাডচন উপসাগৰৰ চাৰিওপিনে থকা গছ-গছনি নাইকিয়া অঞ্চল এটাতে কণী পাৰি পোৱালী জগায়। শৰৎকালৰ আৰম্ভণিতে দক্ষিণৰ ফালে উৰা মাৰে। কিন্তু ক'লৈ যায়—কোনেও ক ব নোৱাৰে। উৰন্তী গছৰ ওৰ লবলৈ বিজ্ঞানী দুগৰাকীয়ে উৰাজাহাজ এখনত উঠি চৰাইজাকৰ পাচ ললে। মাজে মাজে মটৰেদিও যাব লগাত পৰিল। শেষত গৈ দেখিলগৈ যে

চৰাইজাতে মেক্সিকো উপসাগৰৰ কাষৰ অঞ্চল সমূহত থাকিবলৈ লৈছে। দূৰত্বখন ঠাইৰ দূৰত্ব প্ৰায় ৪০১২ কিলোমিটাৰ।

ভ্ৰমণকাৰী চৰাই সমূহে সাধৰণতে ডাঙৰ ডাঙৰ জাকপাতি চিৰ'ৰ বাখৰ কৰি গৈ থাকে। শীতকে চৰাই জাক দেখাৰ আগতে সিহঁতৰ মাতেই সিহঁতৰ ভ্ৰমণৰ কথা আমাক জনাই দিয়ে। পক্ষীবিদ সকলে এনে মাতৰ পৰাই কোনজাত চৰাই ভ্ৰমণলৈ ওলাইছে—ধৰিব পাৰে। ভ্ৰমণকাৰী চৰাই সম হে কিয় এনে চিৰ'ৰ বাখৰ কৈ যায়—সিও এক ডাঙৰ প্ৰশ্ন। সিহঁতে আনন্দতেই চিয়ঁৰে নে কিবা ভয় আৰু শংকাতেই চিয়ঁৰে সি এতিয়াও এক ৰহস্য হৈয়েই আছে।

চিত্ৰ নং—৪২

[শীতকালৰ আৰম্ভনিতে বালিমাহী চৰাই আমাৰ দেশলৈ আহে আৰু বাৰিষাৰ আ গ আগে প নৰ উত্তৰৰ দেশ সম হলৈ উভতি যায়গৈ। বালিমাহী চৰায়ে প্ৰায় সকলো সময়তে নেজডাল জোকাৰি থাকে। বিভিন্ন ধৰণৰ পোক পতংগই বালি মাহীৰ খাদ্য]।

আঙঠি পিন্ধোৱাৰ ব্যৱস্থা চৰাইৰ ভ্ৰমণ সম্পৰ্কে অধ্যয়ণ কৰা লোকৰ সংখ্যা দিনক দিনে বাঢ়ি আহিছে। কোনো কোনোৱে বাইন'কুলাৰ বা টেলিস্কোপৰ সহায়ত ভ্ৰমণৰত চৰাইৰ জাক মাটিৰ পৰাই অধ্যয়ন কৰিছে। দূই একে ৰেডাৰ আৰু দূৰবীনৰ সহায়ত ৰাতিও ভ্ৰমণকাৰী চৰাই কিমান ওপৰেদি, কিমান বেগত আৰু কোন দিশলৈ গৈছে—লক্ষ্য কৰিছে। কোনো কোনো দেশত চৰাইৰ গতি বিধি লক্ষ্য কৰিব'ল উৰাজাহাজৰো সহায় লোৱা হয়। কোনোৱে আকৌ ভ্ৰমণকাৰী চৰাইৰ গাত ৰং চ'টিয়ায়ো সিহঁতৰ গতিবিধি অধ্যয়ন কৰিবলৈ লৈছে।

ভ্ৰমণকাৰী চৰাইৰ ভ্ৰমণ সম্পৰ্কে জনাৰ আটাইতকৈ ভাল উপায় হ ল আঙঠি পিন্ধোৱা ব্যৱস্থাটো। ভ্ৰমণকাৰী চৰাই সম হ জাল পাতি ধৰা হয় আৰু সিহঁতৰ ঠেঙত এলুমিনিয়ামৰ আঙঠি একোটা পিন্ধাই প নৰ এৰি দিয়া হয়। চৰাইটোৰ

নাম, কোন ঠাইত ধৰা হৈছিল, কোনে ধৰিছিল আৰু ধৰাৰ তাৰিখ—এই কথাকেইটা আঙঠিটোত লেখি দিয়া হয়। এই আঙঠি পিন্ধোৱা চৰাইবিলাক পৃথিৱীৰ যি ঠাইতে পৰকগৈ আৰু যিয়েই সিহঁতক দেখক বা ধৰক তেওঁৱেই চৰাইটো কোন তাৰিখে কিমান সময়ত আৰু কোন ঠাইত পৰিল—পূৰ্বতে আঙঠি পিন্ধোৱা জনক জনাই দিয়ে। ফলত ভ্ৰমণকাৰী চৰাই একোটা ক'ৰ পৰা ক'লৈ যায় সেই ঠাই দুখনৰ দূৰত্ব কিমান আৰু কিমান সময় লাগিল আদি নিৰ্ণয় কৰাটো পক্ষীবিদ সকলৰ কাৰণে সহজ হৈ পৰিল।

দূৰে ভ্ৰমণকাৰী চৰাইৰ ঠেঙত আঙঠি পিন্ধোৱাৰ ব্যৱস্থাটো ১৮৯৯ চনত ডেনমাৰ্কৰ অধ্যাপক চি চি মৰ্টেনচেন নামৰ এগৰাকী পক্ষীবিদেই পোন প্ৰথম উদ্ভাৱন কৰে। তেওঁ পাতল এলমিনিয়ামৰ আঙঠি বোৰত ক্ৰমিক সংখ্যা একোটা লেখি ভ্ৰমণকাৰী চৰাইৰ ঠেঙত বান্ধি দিছিল। পাছলৈ এই আঙঠি পিন্ধোৱাৰ ব্যৱস্থাটো বৃটেইন ৰাচিয়া জাপান অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ পক্ষীবিদ সকলেও গ্ৰহণ কৰে। বৰ্ত্তমান আমেৰিকাত বছৰি প্ৰায় সোতৰ লাখ চৰাইক আঙঠি পিন্ধোৱা হয়। আমাৰ ভাৰতত্তো আঙঠি পিন্ধোৱা চৰাইৰ সংখ্যা বছৰি তিনিলাখ মান হ'ব।

ভাৰতত ১৯৫৯ চনতে বিশ্ব স্বাস্থ্য সংস্থা আৰু বোম্বেৰ প্ৰাকৃতিক বৰ্ণ্নী সমাজ উভয়ে যুটীয়াকৈ এই আঙঠি পিন্ধোৱা ব্যৱস্থাৰ পাতনি মেলে। ইয়াৰ পুৰিধৰে খ্যাতনামা পক্ষীবিদ ড চালিম আলিয়ে। কচ্ছৰ ৰাণ অঞ্চল ৰাজস্থানৰ ভৰতপুৰৰ ঘানা বিহাৰৰ মংঘিৰ কেৰেলাৰ এদানাদ আদি ঠাইত ভ্ৰমণকাৰী হাঁহ ওৱেগটেইল চাতক ভ্ৰমণকাৰী ঘৰচিৰিকা আদি বহুতো জাতৰ চৰাইৰ ঠেঙত এলামিনিয়ামৰ আঙঠি পিন্ধাই এৰি দিয়া হয়। পাছত পৃথিৱীৰ ভিন ভিন ঠাইৰ পৰা সেই চৰাইবিলাকৰ খা খবৰ প্ৰাকৃতিক ৰ বৰ্ণ্নী সমাজৰ কাৰ্য্যালয়লৈ আহে। বৰ্ত্তমান ৰাদাৰ ব্যৱস্থাৰ সহায়তো চৰাইৰ ভ্ৰমণ সম্পৰ্কে নানান তথ্য জানিব পৰা হৈছে।

ভ্ৰমনলৈ যোৱাৰ আগতে চৰায়ে অধিক খাবলৈ লয়ঃ চৰাইবিলাকে একেটা উৰণতে ক'তো নোৰোৱাকৈ হাজাৰ হাজাৰ মাইল পথ উৰিবলৈ ইমান শক্তি কত পায়—ভাবিলে আচৰিত লাগে। আমাৰ দেখোন দুমাইল মান খোজ কাঢ়িলেই ভাগৰ লাগে। আগৰ দিনত মানুহে দূৰ দূৰ বনিলৈ যাব লগা হ'লে ভাৰে ভেটীয়ে লৈ যোৱাৰ দৰে চৰায়েও দূৰলৈ যাব লগা হ'লে সাজু হৈ যায়। দূৰ ভ্ৰমণলৈ যোৱাৰ আগতে ভ্ৰমণকাৰী চৰাইবোৰে খুব বেচিকৈ খাবলৈ লয়। উৰি যাওঁতে যাতে ভাগৰ নালাগে আৰু শকাই খীনাই দুৰ্বল হৈ নপৰে সেই উদ্দেশ্যে ভ্ৰমণকাৰী চৰায়ে গাত চৰ্বি জমা কৰি লয়। কেতিয়াবা এই সময়ত চৰাই একোটাৰ ওজন দুগুণ হয়গৈ। চৰ্বিৰ ৰূপত সঞ্চিত হৈ থকা শক্তিয়েই ভ্ৰমণত সহায় কৰে। দুই এজাত ভ্ৰমণলৈ ওলাওঁতে বতাহৰ গতি গোৱৰও লক্ষ্য

কৰি লয়। কাৰণ বতাহৰ সোঁতত ভাহি যাব পাৰিলে কম শক্তি ক্ষয় কৰিয়েই বহুত দূৰলৈ যাব পাৰে।

চৰাইৰ ভ্ৰমণ পথত বাধা বিঘিনিও অনেক থাকে। বাটৰ বৰ ওখ পৰ্ব্বত পাৰ হ'ব লগা হ'ব পাৰে মাজত ক'তো দ্বীপ এটা নোহোৱাকৈ বহুত দূৰে সাগৰৰ ওপৰেদি যাব লগা হ'ব পাৰে মৰুভূমি অঞ্চল অতিক্ৰম কৰিব লগা হ'ব পাৰে পাহাৰৰ ওপৰত পুতি থোৱা বিদ্যুতৰ খুটা থাকিব পাৰে বিমানৰ লগত সংঘৰ্ষ লাগিব পাৰে আৰু ধুমুহা বৰষুণ বিজুলী ঢেৰেকণি আদিৰো সম্মুখীন হ'ব পাৰে। একোজাক চৰায়ে বিমানৰ লগত সংঘৰ্ষ লাগিলে বিমান ধ্বংস হ'ব পাৰে আৰু লগতে বহুতো চৰাইৰো মৃত্যু হ'ব পাৰে। এনে ঘটনা পৃথিবীৰ অনেক ঠাইত মাজে সময়ে ঘটি আছে। ১৯০৪ চনৰ মাৰ্চ মাহত উত্তৰ আমেৰিকাত হোৱা এজাক ধুমুহ ইষ্পাৰ নামৰ এজাত ঘৰচিৰিকাৰ প্ৰায় সাতলাখ পঞ্চাশ হাজাৰটকা মৃত্যুৰ মুখত পেলাইছিল। চৰাইৰ এই জাকটো হেনো সেই সময়ত উত্তৰ দিশলৈ ভ্ৰমণ কৰি গৈ আছিল।

দেহত থকা হৰমোনেই ভ্ৰমণৰ প্ৰেৰণা দিয়ে কৰ্কট ক্ৰান্তিৰ উত্তৰৰ দেশ সমূহৰ চৰায়েই পৃথিবীৰ আন ঠাইৰ চৰাইৰ তুলনাত বেছি ভ্ৰমণকাৰী। উদাহৰণ স্বৰূপে উত্তৰ শীত মণ্ডলত থকা ৭৩ টা প্ৰজাতিৰ চৰাইৰ ভিতৰত ৬৫ টা প্ৰজাতিৰ চৰায়েই ভ্ৰমণকাৰী। উৎকট ঠাণ্ডা সহ্য কৰি গোটেই বছৰ তাত থকা চৰাইৰ প্ৰজাতি মাত্ৰ আঠোটাহে। বাকীবিলাক চৰাই ভ্ৰমণ কৰি আহি গ্ৰীষ্মমণ্ডল পায়হি। শীতমণ্ডলত ঠাণ্ডাৰ প্ৰকোপ বৰ বেছি। যদি সেয়ে হয় এই ভ্ৰমণকাৰী চৰাইবোৰ দেখোন গ্ৰীষ্ম মণ্ডলতে বৈ যাব পাৰিলেহে হেন। ইহঁত কিয় পুনৰ শীতমণ্ডললৈ উলটি যায়? তাতে গ্ৰীষ্মমণ্ডলত খোৱা বস্তুও বেছিকৈ পায়। অৱশ্যে এটা কথা ঠিক যে গ্ৰীষ্মমণ্ডলত চৰাইৰ সংখ্যাও বেছি। গতিকে খাদ্য আৰু থকা ঠাইৰ কাৰণে চৰাইৰ মাজত কঠিন প্ৰতিযোগিতা চলে। ইফালে কৰ্কট ক্ৰান্তিৰ উত্তৰৰ দেশ সমূহত গ্ৰীষ্মকালি খাদ্যৰ অভাৱ নহয়। গতিকে তাত কিছুদিনৰ কাৰণে হ'লেও সুখে শান্তিৰে খাই বৈ থাকিব পাৰে। ঠাণ্ডা দেশত থকা চৰাই বিলাক গ্ৰীষ্মপ্ৰধান অঞ্চললৈ অহাৰ আন এক কাৰণ হ'ল যে কনী পাৰিবলৈ আৰু পোৱালী জগাবলৈ চৰাইক কিছু উত্তাপৰ প্ৰয়োজন তেনে উত্তাপ বিচাৰিয়েই হয়তো বছৰৰ কোনোবা এটা সময়ত সিহঁত গ্ৰীষ্ম প্ৰধান ঠাইলৈ আহে।

চৰাইক দূৰ ভ্ৰমণলৈ যাবলৈ নো কিহে প্ৰেৰণা দিয়ে—সিও এক ডাঙৰ প্ৰশ্ন। চৰাইৰ দেহত হৰমোন নামৰ এবিধ পদাৰ্থ থাকে। এই হৰমোনৰ পৰিবৰ্ত্তনৰ কাৰণেই চৰাইৰ দেশভ্ৰমণৰ প্ৰবৃত্তি জাগে বুলি এচাম বিজ্ঞানীয়ে কব খোজে। এই হৰমোনেই মতা চৰাই বিলাকক গীত গাবলৈ মাইকী চৰাই বিলাকক কনী পাৰিবলৈ আৰু যৌৱনতাৰ আগে আগে দৈহিক পৰিবৰ্ত্তন আনিবলৈও প্ৰেৰনা দিয়ে। ঋতু পৰিবৰ্ত্তনৰ লগতো হৰমোণ ক্ষৰণৰ সম্পৰ্ক আছে। ইয়াৰ ফলতে শীতকালি

দিন চুটি হ'লে চৰায়ে সাধাৰণতে দক্ষিণৰ ফালে ভ্ৰমণ কৰে আৰু গ্ৰীষ্মকালি দিন দীঘল হ'লে উত্তৰৰ ফালে ভ্ৰমণ কৰে। যি কোনো প্ৰাণীৰে কোষৰ ভিতৰত থকা জিনবোৰেই (Gene) সেই প্ৰাণীটোৰ স্বভাব চৰিত্ৰৰ বাহক। কেইগৰাকী মান জাৰ্মান পক্ষীবিদৰ মতে ভ্ৰমণকাৰী চৰাইৰ দেহত থকা এই জিনবোৰেই ভ্ৰমণৰ সময় দিশ লক্ষ্য আদি নিয়ন্ত্ৰণ কৰে।

চৰাইৰ স্মৰণশক্তি প্ৰখৰ • চৰাইবিলাকে ভ্ৰমণ কৰি ভাল পালেও কিন্তু নিজৰ ঘৰথন নাপাহৰে। ইহঁতৰ স্মৰণশক্তি প্ৰখৰ। বসন্তকালত অহা চৰাই বিলাকৰ বেগ শীতকালি অহা চৰাইবিলাকতকৈ খৰ। বসন্তকালত অহা চৰাই বোৰৰ প্ৰথমতে ডাঙৰ মতাবিলাক পিছে পিছে মাইকীবোৰ আৰু শেষত পোৱালী বিলাক আহে। উলটিবৰ সময়ত কিন্তু প্ৰথমতে পোৱালীবিলাকহে যায়।

চৰাইবিলাকেনো বছৰি একেটা পথ কেনেকৈ চিনি পায় আৰু নিজৰ গন্তব্য স্থানত উপস্থিত হয়গৈ—সিও এক ভাবিবলগীয়া কথা। পৰীক্ষা কৰি দেখা গৈছে যে দিনত ভ্ৰমণ কৰা চৰাইবিলাকে সূৰ্য্যৰ অৱস্থানৰ ওপৰত ভিত্তি কৰিয়েই নিজৰ লক্ষ্যস্থান আৰু দিশ ঠিক কৰি লয়। ডাৱৰীয়া বতৰত সূৰ্য নোলালে ইহঁতৰ যাত্ৰাত খেলিমেলি হয়। নিশা ভ্ৰমণ কৰা চৰায়ে হেনো তৰাৰ অৱস্থান লক্ষ্য কৰিও নিজৰ দিশ ঠিক কৰি লব পাৰে। কিছুমান চৰায়ে আকৌ নিজৰ অহা যোৱা বাটত থকা উপত্যকা দ্বীপ পাহাৰ আদিও মনত ৰাখে। চৰাইৰ দেহত চুম্বক ক্ষেত্ৰ থাকে বুলিও দুই একে কয়। পৃথিবীখনো এডাল ডাঙৰ চুম্বক। এই দুই চুম্বকৰ মাজত আকৰ্ষণ বিকৰ্ষণ হৈও হেনো চৰাযে নিজৰ ভ্ৰমণৰ দিশ ঠিক কৰি ল'ব পাৰে।

আমাৰ বিমান চালক সকলে আকেশেদি যাওঁতে নিজৰ দিশ আৰু লক্ষ্যস্থান স্থিৰ কৰিবলৈ বহুতো বস্তুৰে সহায় লয়। কম্পাচ বাঁদাৰ আল্টিমিটাৰ মেপ আদি নানাধৰণৰ বস্তুৰ সহায় ল'ব পাৰে। আনহাতে ভ্ৰমণকাৰী চৰাইবোৰৰ একোৱেই নাই। তথাপি ইহঁতৰ কেতিয়াও বাট ভুল নহয় আৰু সময়মতেই নিজৰ লক্ষ্যস্থানো পায়গৈ। চৰাইৰ এই জ্ঞান আৰু নিয়মানুবৰ্ত্তিতাৰ লগত আমি কেতিয়াবা ফেৰ মাৰিব পাৰিমনে ?

ভ্ৰমণকাৰী ৰাজহাঁহ বোৰেৰে জাক পাতি উৰি যাওঁতে ইংৰাজী V আখৰটোৰ দৰে যায় তাৰো কাৰণ নোহোৱা নহয়। চৰায়ে উৰি যাওঁতে ডেউকা দুখন কোবোৱাৰ ফলত চৰাইটোৰ দুয়োকাষে এক বায়ুৰ সোঁতৰ সৃষ্টি হয়। গতিকে সমুখৰ চৰাই টোৱে দুয়োকাষে সৃষ্টি কৰা বায়ুৰ সোঁতিতে ভেজা দি পাছৰ চৰায়ে উৰিবলৈ সুবিধা পায়। এনেকৈ যায় কাৰনেই গোটেই জাকটো V আখৰটোৰ দৰে দেখি। সেই কাৰণে একেবাৰে প্ৰথমত যোৱাটোৱে বাকীবোৰতকৈ বেচি কষ্ট কৰিব লগা হয়। কিন্তু তাৰো ব্যৱস্থা সিহঁতে কৰে। জাকটোৰ পৰা সলনা সলনিকৈ একোটা চৰাই সন্মুখলৈ যায় আৰু সন্মুখৰটো পাছলৈ আহে।

চৰাইৰ ভ্ৰমণৰ উৰাদিহ বিচাৰি বিশ্বৰ পক্ষীবিদসকল আজি বিশ্বৰ বিভিন্ন কোণত ব্যস্ত। তেওঁলোকৰ হাতে হাতে চৰাই নিৰীক্ষণৰ বিভিন্ন যন্ত্ৰ। তেওঁলোকৰ চেষ্টাতেই চৰাই ভ্ৰমণৰ অনেক গুপ্ত ৰহস্য আজি উন্মাটিত। আমি আশা ৰাখিছো —অদূৰ ভৱিষ্যতত তেওঁলোকৰ চেষ্টাতেই চৰাই ভ্ৰমণৰ সম্পূৰ্ণ ৰহস্যও আমাৰ অৱগত হ'ব।

সাপ আৰু সিহঁতৰ চিকাৰ

গছৰ পাত ফুল ফল প্ৰাণীৰ মঙহ তেজ হাড় আনকি পাখি আৰু শিংবোৰো কোনোবা একোজাত প্ৰাণীৰ খাদ্য হৈ পৰে। প্ৰতিজাত প্ৰাণীৰে নিৰ্দিষ্ট খোৱা বস্তুৰ একো একোখন তালিকা থাকে। মন কৰিবলগা কথা এয়ে যে আমি খোৱাৰ পৰে প্ৰাণীয়ে তালিকাৰ বাহিৰৰ বস্তু নাখায়—তেহেলৈ হয়তো নাখাই নবৈ মৃত্যুকে বৰণ কৰিব। তাতোকৈও আচৰিত কথা খাদ্যৰ লগত সঙ্গতি ৰাখি প্ৰাণী একোটাৰ মুখ আনকি খাদ্যনলীৰ গঠনো সেইবিধ খাদ্য খোৱাৰ উপযোগীকৈ গঢ় উঠে।

চিত্ৰ নং—৪০

[সাপৰ প্ৰধান বৈশিষ্ট্য হল যে ই নিজতকৈ ডাঙৰ প্ৰাণী একোটাও গিলি দিব পাৰে। এন্দুৰ নিগনি আদিয়েই বেছিভাগ সাপৰ খাদ্য। সৰ্কলো সাপেই মাজে সময়ে মোট সলায়। সাপৰ ৰাজহাড় ডাল লেতু সেতু হোৱাৰ কাৰণেই যেনি তেনি গাটো পকাব পাৰে। বিষাক্ত সাপৰ দেহৰ ভিতৰত একোটা বিষগ্ৰন্থি থাকে।]

বহুতো মাংসহাৰী প্ৰাণী আৰু সাপৰ খাদ্য একেই স্তন্যপায়ী জন্তু চৰাই ভেকুলী মাছ আৰু আন আন সৰীসৃপৰ মাংসই সাপৰ খাদ্য। আনহাতে আন মাংসহাৰী জন্তুবোৰৰ খাদ্যও সেই একেখিনিয়েই। গতিকে সাপে খাদ্য বিচাৰি ফুৰোতে স্বাভাৱিকতে আন মাংসহাৰী জন্তুৰ লগত যুঁজ বাগৰ কৰিব লগাত পৰে। এনে যুঁজ বাগৰ লগৰ আন সাপ বা সৰীসৃপৰ লগতো হ'ব পাৰে নতুবা হৃষ্টপুষ্ট স্তন্যপায়ী বা চৰাই একোটাৰ লগতো হ'ব পাৰে। তেনেবিলাক প্ৰাণীৰ পৰা ৰক্ষা

পাৰলৈ ঘাঁহ বনৰ মাজত নতুবা বা গাঁতত সোমোৱাৰ বাহিৰে সাপৰ অন্য উপায় নাথাকে।

সাপৰ ঠেং নথকাটো দেখাত এক অভিশাপ যেন লাগিলেও ই প্ৰকৃততে এক আশীৰ্বাদহে। ঠেং নথকাৰ কাৰনেই ই কাঠ বাঁহ হাবি বননিৰ মাজৰ তেনেই সৰু ফুটা এটাইদিও সৰকি যাব পাৰে আৰু দ্বিতীয়তে গাঁতত সোমাবলৈও সুবিধাহে হয়। আনহাতে মাটি তই হওক বা পানীতেই হওক—সাপে বৰ বেগাই যাব পাৰে শত্ৰুৰ ওচৰলৈ চোঁচা মাৰিব পাৰে আৰু প্ৰয়োজন হলে দৌৰি পলাবও পাৰে। সাপৰ এই গতিৰ মূলতে হল তাৰ দেহত থকা লৰচৰ কৰিব পৰা কাঁমিহাড়বোৰ। একোটা সাপৰ বহুত কাঁমিহাড় থাকে। দহ মিটাৰ মান দীঘল অজগৰ একোটাৰ ৬০০ ডাল মান কাঁমিহাড় থাকে। আমাৰো কাঁমিহাড় আছে। কিন্তু আমি সেইবিলাক লৰচৰ কৰিব নোৱাৰো। কিন্তু সাপে পাৰে। ৰাজহাড়ৰ প্ৰতিটো খুডৰ পৰা দুয়োফালে দুডাল কাঁমিহাড় ওলায়। উদৰৰ ফালে ওপৰা ওপৰিকৈ থকা একোচটা প্লেটৰ লগত এই কাঁমিহাড় যোৰ সংলগ্ন হৈ থাকে। পেশীৰ সহায়ত কাঁমিহাড় বিলাক ইযোৰাৰ পাছত সিযোৰা সন্মুখৰ ফালে ঠেলি দিয়া হয়। ইয়াৰ ফলত পেটৰ ফালে থকা বাকলিবিলাক ঠিয় হৈ পৰে। বাকলিবিলাক ঠিয় হোৱাৰ লগে লগে মাটিত খোপনি পুতি সাপটো অলপ আগুৱাই যাব পাৰে। গতিকে আচলতে কাঁমিহাড় আৰু পেটৰ ফালে থকা বাকলি—এই দুয়ো লগ লাগিয়েই ঠেঙৰ কাম কৰে।

খুব কম সংখ্যক প্ৰাণীয়েহে সাপৰ ওপৰত প্ৰতিশোধ লব পাৰে

সাপৰ চিকাৰ ধৰাৰ প্ৰধান অংগ হল তাৰ দাঁত কেইটা। সাপ একোটাই এন্দুৰ বা নিগণি এটা খাব খুজিলে আমি কি দেখো? ই তাৰ মুখখনেৰে চেপেনাৰ দৰে প্ৰথমতে এন্দুৰ বা নিগনিটো কামোৰ মাৰি ধৰে। এন্দুৰৰ কোনখিনি ঠাইত কামুৰিলে সুবিধা হব—সেই কথা সাপে নাভাবে। কেৱল মুখখনেৰে যিমান পাৰে টানকৈ কামোৰ মাৰিহে ধৰে। এন্দুৰটোক যদি নেজত বা ঠেঙত ধৰে তেন্তে এন্দুৰ টোৱেও কিছু সময় যুজ বাগৰ কৰি সাপৰ ওপৰত আক্ৰমণ চলাবলৈ চেষ্টা কৰে। কিন্তু সাপে ইমান জোৰত কামোৰ মাৰি ধৰে যে এন্দুৰৰ সকলো চেষ্টা ব্যৰ্থ হয় আৰু অৱশেষত মৃত্যুকে বৰণ কৰিব লগাত পৰে।

অৱশ্যে চিকাৰ কৰা প্ৰাণীটো যিমান শক্তিশালীয়েই নহওক, তাক বশ কৰি পেলোৱাৰ ব্যৱস্থা সাপৰ আছে। গতিকে সাপৰ ওপৰত প্ৰতিশোধ লব পৰা ক্ষমতা খুব কম প্ৰাণীৰহে আছে। সাপে চিকাৰ প্ৰাণীৰ দেহত বিহ সুমুৱাই মুহূৰ্তৰ ভিতৰতে অচেতন কৰি পেলাব পাৰে। প্ৰায় সকলো সাপৰে দেহত এনে বিহ থাকে। এই বিহ সুমুৱাই সাপে যি কোনো প্ৰাণী আনকি মানুহকো মৃত্যুৰ মুখত পেলাব পাৰে। অৱশ্যে সকলো সাপৰ দেহত সমান পৰিমানৰ বিহ নাথাকে। যিবিলাক সাপৰ দেহত তেনেই কম পৰিমানৰ বিহ থাকে আৰু যাৰ সহায়ত সিহঁতে কোনো প্ৰাণী অচেতন কৰিব বা মাৰিব নোৱাৰে তেনে সাপকে আমি বিষহীন সাপ

বলিব কও। গতিকে বিষহীন সাপৰ গাত একেবাৰে বিহ নাইকিয়া বুলি কোৱাটোও শুদ্ধ নহয়। সাপৰ বিহে মান হৰ দেহত ক্রিয়া কৰিলেও সাপৰ বিহ গিলি দিলে কিন্তু বিশেষ অপকাৰ নকৰে।

এজাত কেউটীসাপে দূৰৈৰ পৰাই বিহ ছটিয়াই দিব পাৰে পৃথিৱীৰ আন আন দেশৰ তুলনাত অষ্ট্রেলিয়াতেই বিষহীন সাপতকৈ বিষধৰ সাপৰ সংখ্যা অধিক। বৰ বেচি বিষাক্ত দুই এজাত সাপে চিকাৰ প্ৰাণীটো পোন প্ৰথম কামোৰ মাৰি নধৰে। সিহঁতে খোট মাৰি চিকাৰ প্ৰাণীৰ দেহত বিহখিনি সুমুৱাযেই আঁতৰি যায়। বিহ যেতিয়া চিকাৰ প্ৰাণীৰ সৰ্বশৰীৰ বিয়পি পৰে আৰু লৰচৰ কৰিব নোৱাৰা হয় তেতিয়াহে খাবলৈ পুনৰ কাষ চাপি যায়। আফ্রিকাৰ এজাত কেউটী সাপে (Spitting Cobra) আকৌ ১০ ১২ ফুট দূৰলৈ বিহখিনি থুৱাই দি প্ৰাণী একোটা মাৰি পেলাব পাৰে।

কিন্তু কমবিষাক্ত সাপবোৰে সাধাৰণতে চিকাৰটো কামোৰ মাৰি ধৰি থাকে। সিহঁতে এৰি দিবলৈ ভয় কৰে—জানোচা চিকাৰ প্ৰাণীটো পলাই যায়। অৱশ্যে কেউটী সাপ বা ৰাছেলচ ভাইপাৰ আদিৰ দৰে বিষাক্ত সাপ যদি ভোকত থাকে আৰু সেই অৱস্থাত মুখৰ আগত এন্দুৰ নিগণি আদি সৰু চিকাৰ পৰে তেন্তে বিহ সুমুৱায়েই কেবল এৰি নাথাকে। তেনে ক্ষেত্ৰত ইহঁতে কামোৰ মাৰি দাঁত কেইটা লাহে লাহে বেচিকৈ বহুৱাই গৈ থাকে। লগে লগে বিহখিনিও সুমুৱাই দিয়ে। চিকাৰ প্ৰাণীটো একেবাৰে অচেতন হৈ পৰিলেহে খাবলৈ লয়।

কেতিয়াবা চিকাৰ প্ৰাণীটো নেমৰাকৈ সৰু হলে দুই এজাত প্ৰাণীয়ে পোনে পোনে গিলিও খায়। ভেকুলী খোৱা সাপবিলাকৰ ক্ষেত্ৰত এই অৱস্থা প্ৰায়ে দেখা যায়। কেতিয়াবা অৱশ্যে জীবিত প্ৰাণী পোনে পোনে গিলি সাপ বিপদতো পৰে। এবাৰ এটা মৰা সাপৰ গাৰ পৰা চাৰিটা ঠেং বাহিৰ ওলাই আছিল। বহুতে সেই টোক ঠেং থকা কিবা এবিধ আচৰিত সাপ বুলিয়েই ভাবি থৈছিল। পাছে সৰ্পবিদ এজনে যেতিয়া কথাটো গম পাই সাপটো দীঘে দীঘে ফালি পেলালে তেওঁ দেখিলে যে ভিতৰত এটা প্ৰকাণ্ড সৰীসৃপ। ঠেং কেইখন সেই সৰীসৃপটোৰে। সৰীসৃপ টোৰ নখ থকা ঠেং কেইখনে খাদ্যনলীটো ফালি চিৰাচিৰতো কৰিলেই দেহৰেৰতো ফুটা কৰি বাহিৰ ওলাই আছিল।

চিকাৰ প্ৰাণীটো ডাঙৰ হলে সাপে কেতিয়াবা তাৰ গাটোৰেই প্ৰাণীটোৰ চাৰিও ফালে মেৰিয়াই মেৰিয়াই প্ৰাণীটো মাৰি পেলায়। অৱশ্যে এনেকৈ পকোৱাৰ লগে লগে মুখটো কামোৰ মাৰিও ধৰি থাকে। টানকৈ মেৰিয়াই ধৰিলে চিকাৰ প্ৰাণী টোৱে কিছু সময় যুঁজ দিবলৈ চেষ্টা কৰে যদিও পাছলৈ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য হয়।

সাপে তাৰ গাটো যেনি তেনি ঘূৰাব বা পকাব পাৰে : আন সৰীসৃপ বা স্তন্যপায়ী জন্তুৰ দৰে চিকাৰ প্ৰাণীটো গৰা মাৰি ধৰিবলৈ সাপৰ ঠেং নাথাকে

সচা কিন্তু সেই কাম সাপে তাৰ লেহুকোপাৰ দ্বাৰাই কৰিব পাৰে। ইহঁতে গাটো যেনি তেনি ঘুৰাব বা পকাব পাৰে। অজগৰ আৰু বʼৱা (Boa) নামৰ সাপ দুজাতে চিকাৰ প্ৰাণীটোক ৰছিৰে বন্ধাদি বান্ধি পেলায়। অজগৰে কেতিয়াবা ঘাঁহনিৰ মাজত লুকাই থাকি আৰু কেতিয়াবা গাটো গছত পকাই মূৰটো তললৈ ওলোমাই চিকাৰৰ আশাত খাপ পাতি বৈ থাকে। বান্দৰবিলাকেই সাধাৰণতে ইহঁতৰ বলি হয়। অজগৰে মুখখন ডাঙৰকৈ মেলি হঠাতে এনেকৈ কামোৰ মাৰি ধৰে যে চিকাৰ প্ৰাণীটোৱে তৰ্কিবই নোৱাৰে। মূখেৰে কামোৰ মাৰি ধৰাৰ উপৰিও চিকাৰটোৰ চৰিওফালে নিজৰ গাৰে মেৰাই ধৰে। গাৰ পাকটো লাহে লাহে এনেকৈ টানি গৈ থাকে যে শেষত চিকাৰ প্ৰাণীটোৰ মৃত্যুৱেই হয়।

সাপে কিমান জোৰত চিকাৰ প্ৰাণীটো মেৰিয়াই ধৰে সেইটো নিৰ্ভৰ কৰে চিকাৰ প্ৰাণীটোৰ আকাৰ বা বলশক্তিৰ ওপৰত। সৰু চিকাৰ এটা লাহেকৈ পকাই ধৰিলেই মৰে। কিন্তু ডাঙৰ চিকাৰ একোটা মাৰিবলৈ যথেষ্ট জোৰত টানি টানি মেৰিয়াব লগা হয়। অজগৰে খোৱাৰ দৃষ্টান্তও আছে। এবাৰ এটা অজগৰে প্ৰায় ছয় ফুট মান দীঘল আন এটা অজগৰ খোৱা দেখা গৈছিল।

সাপে কোনো খাদ্যকে চোবাই নাখায় বা খাব নোৱাৰে। ই সকলো খাদ্য গিলিহে খায়। চিকাৰ প্ৰাণীটো একেবাৰে অৱশ হৈ মৰো মৰো হোৱাৰ সময়ত সাপটোৱে তাৰ জিভখনেৰে দুই এবাৰ লিৰিকি বিদাৰি চায়। তাৰ পাছত সাপে তাৰ মুখখন বহলকৈ মেলি চিকাৰ প্ৰাণীৰ মূৰটো সুমুৱাই দিয়ে। তাৰ পাছত লাহে লাহে গিলিবলৈ চেষ্টা কৰে। চিকাৰ প্ৰাণীৰ মূৰটো মুখগহ্বৰ পাৰ হোৱাৰ লগে লগে খাদ্যনালীৰ দুয়োকাষে থকা কামি হাড় আৰু পেশীবোৰেও চিকাৰ প্ৰাণীটো খাদ্যনলীৰ ভিতৰলৈ ঠেলি দিয়াত সহায় কৰে। কামি হাড় আৰু পেশী বোৰৰ সংকোচন আৰু প্ৰসাৰণৰ ফলতে এই কাম সম্ভৱ হয়। এনে ব্যৱস্থাৰ কাৰণেই সাপে নিজতকৈও ডাঙৰ প্ৰাণী একোটা পেটৰ ভিতৰলৈ সুমুৱাই নিব পাৰে। এনে ডাঙৰ প্ৰাণী খায় কাৰণেই একোটা সাপে কেতিয়াবা বহুতদিনলৈ নোখোৱাকৈ থাকিব পাৰে। কিছু বছৰৰ আগতে মস্কোৰ চাৰ্কাচ পাটি এটাত থকা অজগৰ এটাই হেনো প্ৰায় দুবছৰ কাল নোখোৱা নোবোৱাকৈয়ে আছিল। বোম্বাই প্ৰাকৃতিক বুৰঞ্জী সমাজৰ এটা অজগৰেও হেনো ওঁঠৰ মাহ কাল একো খোৱা নাছিল।

এন্দুৰ নিগণি আদি আমাৰ অপকাৰী প্ৰাণীবোৰ নিয়ন্ত্ৰণ কৰাত সাপৰ অৱদান কম নহয়। গাঁতৰ ভিতৰত সোমাই থকা এন্দুৰ নিগণি মৰা কেতিয়াবা মানুহৰ কাৰণে অসম্ভৱ হৈ পৰে। অথচ সাপে সেই কাম সহজেই কৰিব পাৰে গতিকে বেচিকৈ সাপ নিধন কৰিলে তাৰ পৰা অপকাৰ আমাৰেই হব।

ঢেকিয়াপতীয়া বাঘ আৰু ইয়াৰ সংৰক্ষণ

পাৰিপাৰ্শ্বিকতা ৰক্ষা কৰিব নোৱাৰিলে বনৰ জীৱজন্তু ৰক্ষা কৰা টান। পাৰিপাৰ্শ্বিকতাৰ সাধাৰণ জ্ঞান থকা জনেও জানে যে হাবিৰ গছ গছনি নাইকিয়া হ'লে তৃণভোজী জন্তুৰ সংখ্যা কমি আহিব আৰু তৃণভোজী জন্তু কমি গ'লে মাংসহাৰী জন্তুৰ সংখ্যাও কমিব। গতিকে পৃথিৱীৰ যি কোনো প্ৰাণী ৰক্ষা কৰিবলৈ হ'লে বন আৰু বনাঞ্চল ৰক্ষা কৰিব লাগিব। প্ৰশ্ন হ'ল বনাঞ্চল বা গছ বন বোৰনো কিয় লাহে লাহে কমি আহিছে? হাবি ভাঙি খেতিৰ পথাৰ বহলোৱা বাটপথ তৈয়াৰ কৰা গাওঁ-নগৰ স্থাপন কৰা আৰু উদ্যোগ আদি নিম্ননেই বনাঞ্চল কমি অহাৰ ঘাই কাৰণ নহয় জানো? গছ কটাৰো উদ্দেশ্য ঘৰ দুৱাৰ আঁচবাব আদি নিৰ্মাণ কৰা আৰু হয়তো ইন্ধন হিচাবে ব্যৱহাৰ কৰা। ওপৰে ওপৰে চালে এই কামবোৰ দোষণীয় যেন নালাগে। কিন্তু পৃথিৱীত হিহাৰত মানুহৰ জন সংখ্যা বৃদ্ধি পাই আহিছে অদূৰ ভবিষ্যতে এই গছ গছনিবোৰে মানুহক জুৰিবনে? হয়তো এনে এটা দিন আহিব পৃথিৱীৰ সকলো গছ বন কাটি পেলালেও মানুহক নজুৰিব। তাৰ পাছত মানুহে কি কৰিব?



চিত্ৰ নং—৪৪

[বৰ্ত্তমান পৃথিৱীৰ লুপ্ত হব খোজা প্ৰাণী সমূহৰ ভিতৰত ঢেকিয়াপতীয়াই প্ৰধান। বনাঞ্চল হ্ৰাস খাদ্যৰ অভাৱ আৰু চিকাৰীৰ অত্যাচাৰ—এই তিনিওটা কথাই ইয়াৰ বাবে জগৰীয়া। বৰ্ত্তমান অৱশ্যে এই প্ৰাণীজাতৰ ৰক্ষণাবেক্ষণৰ কাৰণে নানান ব্যৱস্থা গ্ৰহণ কৰা হৈছে।]

বনাঞ্চল শেষ হ'লে কোনো প্ৰাণীয়েই নাথাকিব : বনাঞ্চল শেষ হ'লে কেৱল মানুহ নথকাই নহয়, আন আন জীৱ-জন্তু চৰাই চিৰিকতিও লোপ পাব, জলবায়ুৰ পৰিবৰ্ত্তন ঘটিব আৰু গোটেই পৃথিৱীখনেই এক মৰুভূমিত পৰিণত হ'ব। আনহাতে পৃথিৱীৰ সকলো হাবিবন একে ৰাতিৰ ভিতৰতে নাইকিয়া হ'ব বুলি ভবাটোও ভুল হ'ব। বহুতদিন ধৰি চলি থকা ধ্বংশ কাৰ্য্যৰ ই হ'ব শেষ পৰিণতি। বনাঞ্চল ধ্বংশৰ কাৰণেই ইতিমধ্যে বহুতো প্ৰাণী লুপ্ত হ'ল। আন কিছুমানো হয়তো কালৰ বুকুত লয় পাব। অৱশ্যে ভাৰতত বাঘজাতীয় প্ৰাণী কমি অহাৰ কাৰণ কেৱল বনাঞ্চল ধ্বংশই নহয়। বহুবছৰ ধৰি চলি অহা অতি মাত্ৰা চিকাৰেহে প্ৰকৃততে বাঘক মৃত্যুৰ মুখলৈ ঠেলি দিছে।

বাঘ শব্দটোও আকৌ আমাৰ অসমীয়া ভাষাত বিভ্ৰান্তিমূলক। ইংৰাজী 'টাইগাৰ শব্দৰ অৰ্থ বাঘ নহয় আৰু হ'ব নোৱাৰে। আমাৰ ভাষাত বাঘ বহু ধৰণৰ আছে। ঢেকীয়াপতীয়া নাহৰফুটুকী লতা মাকৰি কুকুৰনেচিয়া—সকলোৱেই বাঘ। গতিকে ইংৰাজী টাইগাৰ শব্দৰ অথ বুজাবলৈ বাঘৰ ঠাইত ঢেকীয়াপতীয়া বাঘ বা সংক্ষেপে ঢেকীয়াপতীয়া বোলাহে উচিত। অৱশ্যে আটাইকেউজাত বাঘ একেলগে বুজাবলৈ প্ৰয়োজন বিশেষে বাঘ শব্দটো ব্যৱহাৰ কৰিব পাৰি।

অতীজৰে পৰা বনৰীয়া জন্তু সমূহৰ ভিতৰত এই বাঘ কেইজাতকে আটাইতকৈ ভয়ংকৰ শক্তিশালী আৰু সাহসী জন্তু বুলি ধৰা হয়। সেইকাৰণেই আমাৰ সাহিত্য সংস্কৃতি ফকৰা যোজনা কাহিনী সাধুকথা—সকলোতে বাঘ এক ভয়ংকৰ প্ৰাণী হিচাবেই চিত্ৰিত হৈ আহিছে। কিন্তু ইমান ভয়ঙ্কৰ আৰু পৰাক্ৰমী এই বাঘ কেইজাতৰ অৱস্থাও বৰ্ত্তমান দুখ লগা। তাৰ ভিতৰত ঢেকীয়াপতীয়াৰ অৱস্থাই আটাইতকৈ শোচনীয়। যি ঢেকীয়াপতীয়াৰ গোজৰণিত আকাশ পাতাল কঁপি উঠে যি ঢেকীয়াপতীয়াৰ বলবিক্ৰমৰ কথা ভাবি মানুহ পেপুৱা লগে আৰু যি ঢেকীয়াপতীয়াৰ মুখৰ আগৰ পৰা কোনো লোক সাৰি যাব নোৱাৰে—সেই ঢেকীয়াপতীয়াই আজি মৃত্যুৰ প্ৰমাদ গণিব লগাত পৰিছে। কেৱল ভাৰততে নহয় গোটেই বিশ্বতে আজি ঢেকীয়াপতীয়াৰ সেই একেই অৱস্থা।

ৰজা মহাৰজা সকলেও ঢেকীয়াপতীয়া মাৰিছিল বিশ্ব বন্য প্ৰাণী সস্থাই (World wild life fund) সাতশ পঞ্চাশবিধ লুপ্তপ্ৰায় প্ৰাণীৰ এখন তালিকা প্ৰস্তুত কৰিছে। তাৰ ভিতৰত ঢেকীয়াপতীয়াৰ স্থান সকলোৰে ওপৰত। ঢেকীয়াপতীয়া বাঘৰ এনে দুখলগা অৱস্থা হোৱাৰ কাৰণ অনেক। এসময়ত আমাৰ দেশৰ ৰজা মহাৰজা সকলৰ চিকাৰ কৰাটো এক ডাঙৰ চখ আছিল। বহুতো ঢেকীয়াপতীয়া বাঘ তেওঁলোকৰ হাততে বলি হ'ব লগাত পৰিছিল। এবাৰ তিনিজন মহাৰজাই হেনো এহেজাৰতকৈ অধিক ঢেকীয়াপতীয়া গুলিয়াই মাৰিছিল। মধ্য প্ৰদেশৰ এজন দেশীয় ৰজাই লেখি থৈ গৈছে যে তেওঁ গোটেই জীৱনত ১১৭০ টা ঢেকীয়াপতীয়া বাঘ গুলিয়াই মাৰিছিল। আন এজন বৃটিছ চিকাৰীয়েও তেওঁৰ

পাঁচিশ বছৰীয়া চিকাৰী জীৱনত ৪০০ টা চেকিয়াপতীয়া গুলিয়াই মাৰিছিল বুলি উল্লেখ কৰি গৈছে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকল আৰু বৃটিছ সৈন্যৰ কাৰণেও বহুতো চেকিয়াপতীয়াই জীৱন উচৰ্গা কৰিব লগাত পৰিল। তাৰ পাছত অহা বৃটিছ বিষয়াসকলেও সেই একে কামকে কৰিলে। তেওঁলোকে ভাৰতত মৰা বাঘৰ ছাল, দাঁত নখ আদি বিলাতলৈ নি তাৰ নিজ নিজ ড্ৰয়িংৰুম সজোৱাত লাগিল। বাঘৰ সংখ্যা কমি অহাৰ কাৰণে প্ৰকৃততে এওঁলোকো জগৰীয়া।

বৃটিছে এৰি থৈ যোৱা বাঘ চিকাৰৰ চখ পাছত আমাৰ ভাৰতীয় চাহাব সকলে বুটলি ললে। মুঠতে ভাৰতত বাঘ চিকাৰৰ চখ প্ৰায় সত্তৰ বছৰ কাল একেলে থাকিয়ে চলি থাকিল। বাঘ নিধনৰ কাৰণে আমাৰ দেশত থকা চিকাৰ ক্লাব (Hunting club) সমূহো বহু পৰিমাণে জগৰীয়া। আমাৰ ভাৰতত এতিয়াও ৪০ টা মান চিকাৰ কৰাৰ এনে সংগঠন আছে। এনে ক্লাবৰ সদস্যসমূহৰ বেছিভাগেই হয় কোটিপতি আৰু নহলেও লাখপতি। চিকাৰ কৰাটো এওঁলোকৰ কাৰণে এক বিলাসীতা। এওঁলোকুৰ পাছতেই জগৰীয়া হ'ল চোৰাং চিকাৰীসকল। চোৰাং চিকাৰীয়ে নিৰ্ভৰ কৰিব লাগে ছালৰ ব্যৱসায়ী আৰু ছাল উদ্যোগৰ ওপৰত। একেবাৰে শেষত আছে আমাৰ কিনোতাসকল। এওঁলোকে ছালৰ কোট কম্বল বেগ জোতা বা অন্যান্য সামগ্ৰী বিচাৰি চলাথ কৰি ফুৰে। ইছা কৰিলে যি কোনো লোকেই বাঘ চিকাৰ কৰিব পাৰে কেৱল টকা থাকিলেই হল। বাঘ চিকাৰৰ এনে পদ্ধতিও আছে য ত চিকাৰীজন সাহসী নহলেও হয় বা চিকাৰৰ কৌশল নাজানিলেও হয়। আনকি তেওঁৰ বিপদৰ সম্ভাৱনাও নাথাকে।

ম হৰ টোপ দেখুৱাই চেকিয়াপতীয়া মৰা হয় এগৰাকী প্ৰখ্যাত চিকাৰীয়ে ওপৰত উল্লেখ কৰা পদ্ধতিতো এনেদৰে বৰ্ণনা কৰিছে— প্ৰথমতে কেইজন মান স্থানীয় লোকক জংঘলৰ মাজলৈকে গ্ৰছবন কাটি এটা বাট উলিয়াবলৈ কোৱা হয়। যেতিয়াই মাজত গৈ ভাল ঠাই এটুকুৰা পায়গৈ তাতে মহ পোৱালী এটা গছ এজোপাত বান্ধি থোৱা হয়। কেতিয়াবা মহটোৰ ডিঙিত টিলিঙা এটাও আঁৰি দিয়া হয়। ম'হটোৰ কিছু ওচৰতে ওখ ওখ খুটা পুতি বা নহ'লেও গছৰ ফেৰেঙনিৰ ওপৰত এখন চাং সজা হয়। চাংখন গছ পাতেৰে ঢাকি দিয়া হয় যাতে বাঘে দেখা নাপায়। চিকাৰপ্ৰেমী বৃটিছ চিকাৰীয়ে হাতত বন্দুক বাৰুদ লৈ সেই চাঙৰ ওপৰতে চুপে চাপে বহি থাকে। ৰাতিৰ আন্ধাৰত চাৰিওফালে নিস্তব্ধতা বিৰাজমান। কেৱল মাজে সময়ে দুই এটা ম'বা চৰাই বা ফেঁচাৰ শব্দ। আৰু হয়তো ম'হ পোৱালীৰ ডিঙিত আঁৰি থোৱা টিলিঙাৰ শব্দ।

টিলিঙাৰ শব্দ হয়তো দূৰৈত থকা বাঘৰ কানতো পৰেগৈ। কাৰণ বাঘৰ শ্ৰৱণশক্তি প্ৰখৰ। দূৰৈত টিলিঙাৰ শব্দ শুনি হয়তো বাঘটো খণ্ডেক থমকি ৰয় ইফালে সিফালে চায় আৰু হয়তো ফুঁৰলিৰ ওৰণি ঠেলি টিলিঙাৰ শব্দৰ চিনে এখোজ দুখোজকৈ আগবাঢ়ে। প্ৰতিটো খোজতে কঠীন ছালখনৰ তলত হাড়

ভৰিৰ পেশীবোৰ কঁপি উঠে। হয়তো কোনোবা এবাৰ প্ৰকাণ্ড মুৰটো দাঙি মুখখন মেলি দিয়ে। ডাঙৰ জোঙা দাঁতকেইটা জোনৰ পোহৰত চিক্‌মিকাই উঠে। বাঘটো মহ পোৱালীৰ ওচৰ চাপি অহাৰ লগে লগে টিলিঙাৰ মাত বন্ধ হৈ পৰে। সম্ভৱ মহপোৱালীটোৱে বাঘৰ গোন্ধ পায় আৰু সেয়ে থৰ লাগি বৈ থাকে। এইবাৰ বাঘ গৈ মহ পোৱালীৰ ওচৰৈই কাষ পায়গৈ। খন্তেক বৈ অলপ সময় ইফালে সিফালে চাই লয়। এখোজ যদি আগবাই যায় পাছ মুহূৰ্ত্তে উভতি আহে। কোন মুহূৰ্ত্তত আক্ৰমণ কৰা ভাল হব—সেই ভাবি বৈ থাকে। তাৰ পাছত কোনো এক মুহূৰ্ত্তত সি অতৰ্কিতে আক্ৰমণ কৰে। মহ পোৱালী তেজেৰে লুতুৰি পুতুৰি হয়। ৰক্তপিপাসু ঢোকিয়াপতীয়াই তাৰ ক্ষুধা পূৰাবলৈ নৌ পাওঁতেই সি নিজেই গুলিবিদ্ধ হয়। এজন চিকাৰীৰ ফুৰ্ত্তিৰ কাৰণে দুটা জীৱন নিমিষতে শেষ হৈ পৰে।

কোনো কোনো অঞ্চলত বাঘ অহা যোৱা কৰা বাটতে মহ পোৱালী একোটা গছত বান্ধি থোৱা হয়। বাঘটো সেইফালেদি যাওঁতে মহ পোৱালীটো চকুত পৰে আৰু সেয়ে চিকাৰ কৰে। তাৰ পাছত মৰাশটো চোচোৰাই নি ওচৰৰে কেনিবা জোপোহাৰ মাজত লুকুৱাই থৈ খায়গৈ। পাছদিনা চাৰিওপিনৰ পৰা বাঘটো হুৰাই দিয়া হয় আৰু ওচৰতে চাংসাজি তাত খাপ লৈ থকা চিকাৰীয়ে সেই অৱস্থাতে বাঘটো গুলিয়াই মাৰে। এনে অৱস্থাত হাতীৰ পিঠিৰ পৰাও চিকাৰ কৰা হয়।

বাঘে বগা ৰঙলৈ ভয় কৰে বাঘে বগা ৰঙৰ বস্তুলৈ বৰ ভয় কৰে। সন্মুখত বগা বস্তু দেখিলে ই আগ নাবাঢ়ে। বহুতো চিকাৰীয়ে বাঘ অহা যোৱা কৰা বাটত বা বাটৰ দুয়োকাষে বগা কাগজ টুকুৰা টুকুৰ কৰি ছটিয়াই দিয়ে। বাঘে এনে বাটেদি গৈ বগা কাগজ দেখি বিবুধিত পৰিলেই চিকাৰীয়ে হাতীৰ ওপৰৰ পৰা গুলি কৰে। আজিকালি বাঘ পোনে পোনে নামাৰি সংজ্ঞাহীন কৰি পেলাবও পাৰি। তাৰ বাবে সংজ্ঞাহীন কৰিব পৰা বন্দুক বাৰদবো সৃষ্টি হৈছে।

আগৰ দিনত দা যাঠী জোং ধনুকাড় আদিৰ সহায়তো বাঘ চিকাৰ কৰা হৈছিল। কেতিয়াবা বাঘ যোৱা বাটত দকৈ গাঁত খান্দি আৰু তাক ঘাঁহ বনেৰে ঢাকিও বাঘ ধৰাৰ ব্যৱস্থা কৰা হৈছিল। সুন্দৰবন অঞ্চলত হাবিৰ মাজত লোৰ সজা একোটা থৈ আৰু চিকাৰীয়ে তাৰ ভিতৰত সোমাই থাকি তাৰ পৰাই বাঘ চিকাৰ কৰে। মাংসত বিহঢালি বাঘ চিকাৰ কৰাৰ নিয়মো ঠায়ে ঠায়ে আছে।

যেনেকৈয়ে নহওক এই বিভিন্ন ধৰণৰ চিকাৰেই যে ঢোকিয়াপতীয়াৰ সংখ্যা একেবাৰে কমাই পেলালে ই ধ্ৰুৱ্প। ভাৰতত যে ঢোকিয়াপতীয়াৰ সংখ্যা হ্ৰাস পাইছে—সেই কথা পোন প্ৰথম কেইগৰাকীমান প্ৰকৃতিবিদৰ চকুত ধৰা পৰিছিল ১৯২০ চন মানত। সেয়ে বনবিভাগৰ সহযোগত এদল বিজ্ঞানীয়ে এই সম্পৰ্কে এক অনুসন্ধান চলালে। তেওঁলোকে ঢোকিয়াপতীয়াৰ সংখ্যা গণনা কৰিবলৈ

ঠিক কৰিলে। তিনিটা কথাৰ ওপৰত ভিত্তি কৰি এই গণনা কাৰ্য্য চলিল। প্ৰথম কথা—ঢেকিয়াপতীয়াই সপ্তাহত কমেও তিনিবাৰ মানকৈ পানী খায়। গতিকে হাবিৰ মাজত বা কাষত থকা জান জুৰি নৈ আদিত পানী খাবলৈ আঁহোতে লক্ষ্য কৰিলে ঢেকিয়াপতীয়াৰ আনুমানিক সংখ্যা এটা পাব পাৰি। দ্বিতীয়তে প্ৰতিটো ঢেকিয়াপতীয়া পৰিয়ালৰ হাবিৰ মাজত একোটা নিৰ্দিষ্ট অঞ্চল থাকে। গতিকে এনে অঞ্চলবোৰত হাতীত উঠি তালাচী চলাব পাৰি। তৃতীয়তে প্ৰতিটো ঢেকিয়া পতীয়াৰে খোজৰ আকৃতি বেলেগ। গতিকে খোজ গণনা কৰিও ঢেকিয়াপতীয়াৰ আনুমানিক সংখ্যা উলিয়াব পাৰি। এনে ধৰণৰ ব্যৱস্থাৰে গণনা কৰোতে ১৯২০ চনত গোটেই ভাৰতত ঢেকিয়াপতীয়াৰ সংখ্যা পোৱা হ'ল ৪২ ০০০।

১৯৭২ চনত পুনৰ এদল বটিছ আৰু ভাৰতীয় গবেষকে ঠিক আগৰ দৰেই এক গণনা চলালে। এইবাৰ কিন্তু গণনাত মাত্ৰ ১৮০০ টা ঢেকিয়াপতীয়াহে পোৱা হ'ল। এতিয়া প্ৰশ্ন হ'ল যে মাত্ৰ ৫২ টা বছৰৰ ব্যৱধানত ৪০ ০০০ ঢেকিয়াপতীয়া ক'লৈ গ'ল? যদি ধৰি লওঁ যে ১৯২০ চনত থকা বেছিভাগ ঢেকিয়াপতীয়াৰে স্বাভাৱিক মৃত্যু হ'ল—তেতিয়াওতো সিহঁতৰ পো পোৱালীবোৰ থাকিব লাগিছিল। তেন্তে পো পোৱালীৰ সংখ্যা বৃদ্ধি নাপাই কমিল কিয়?

ভাৰতত ঢেকিয়াপতীয়া সংৰক্ষণৰ ব্যৱস্থা কেতিয়াৰ পৰা হ'ল? ১৯৬৯ চনত নতুন দিল্লীত আন্তৰ্জাতিক প্ৰকৃতি সংৰক্ষণ আৰু প্ৰাকৃতিক সম্পদ সংস্থাৰ এখন সভা অনুষ্ঠিত হৈছিল। সেই সভাতে ঢেকিয়াপতীয়াৰ সংখ্যা কমি যোৱাৰ কথা আলোচিত হৈছিল আৰু ইয়াৰ সংৰক্ষণৰ কাৰণে ব্যৱস্থা ল'বলৈ ৰাষ্ট্ৰসমূহক এক প্ৰস্তাৱ যোগে অনুৰোধ কৰিছিল। আনন্দৰ কথা যে ভাৰত চৰকাৰে ততালিকে এই প্ৰস্তাৱৰ প্ৰতি সঁহাৰি জনাইছিল আৰু ৰাজ্যিক চৰকাৰ সমূহক ঢেকিয়াপতীয়া সংৰক্ষণৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল। ভাৰতে নিজৰ বৰীয়াকৈ সংৰক্ষণৰ ব্যৱস্থা কৰি থাকোতেই ১৯৭২ চনত বিশ্ববন্যপ্ৰাণী সংস্থাই ভাৰতক এই দিশত সহায় কৰিবলৈ আগবাঢ়ি আহিল। তেওঁলোকে এগৰাকী প্ৰধান সদস্য গাই মাউণ্টফৰ্টক ভাৰতলৈ পঠালে। মাউণ্টফৰ্টে ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু পৰ্য্যটন মন্ত্ৰীৰ লগত ঢেকিয়াপতীয়া সংৰক্ষণৰ কাৰণে ল'বলগা ব্যৱস্থা সমূহৰ ওপৰত আলোচনা চলালে। ভাৰতত ঢেকিয়াপতীয়া সংৰক্ষণৰ কাৰণে বিশ্ববন্যপ্ৰাণী সংস্থাই ৭৫ নিযুত টকা দিয়াৰো প্ৰতিশ্ৰুতি দিলে। ভাৰত চৰকাৰেও ঢেকিয়াপতীয়া সংৰক্ষণত ৪০ নিযুত টকা খৰচ কৰাৰ সিদ্ধান্ত ল'লে।

এইদৰেই ভাৰতত ঢেকিয়াপতীয়া সংৰক্ষণৰ এক প্ৰকল্প (Project Tiger) গঢ়ি তোলা হ'ল। ভাৰতৰ ঢেকিয়াপতীয়া থকা ৯ খন ডাঙৰ বনাঞ্চল এই প্ৰকল্পৰ অন্তৰ্ভুক্ত কৰা হ'ল। এই বনাঞ্চল কেইখন হ'ল—উত্তৰ প্ৰদেশৰ কৰ্বেট ৰাষ্ট্ৰীয় উদ্যান অসমৰ মানাহ অভয়াৰণ্য মধ্যপ্ৰদেশৰ কানহা ৰাষ্ট্ৰীয় উদ্যান ৰাজস্থানৰ ৰনথামভৰ অভয়াৰণ্য মহাৰাষ্ট্ৰৰ মেলঘাট অভয়াৰণ্য বিহাৰৰ বেতলা বনাঞ্চল,

উৰিষ্যাৰ চিমলিপাল অভয়াৰণ্য কৰ্ণাটকৰ বন্দীপুৰ অভয়াৰণ্য আৰু পশ্চিম বংগৰ সুন্দৰবন বনাঞ্চল। পাছলৈ অৰণ্যো অৰুণাচলৰ নামদাফাকে ধৰি আৰু দুই এখন বনাঞ্চল ইয়াৰ অন্তভুক্ত কৰা হল। এই সংৰক্ষিত বনাঞ্চল সমূহত ঢেকীয়াপতীয়াৰ ৰক্ষণাবেক্ষণৰ নানান ব্যৱস্থা হাতত লোৱা হ'ল। ঢেকীয়াপতীয়া প্ৰকল্পৰ প্ৰথম সঞ্চালক কে এচ শংখালাই তেওঁৰ এক প্ৰতিবেদনত এবাৰ বৰ দৰকাৰী কথা কৈছে। তেওঁ কৈছে যে যোৰপতাৰ সময়ত ঢেকীয়াপতীয়াৰ মতা মাইকী হালে সম্পূৰ্ণ আচুতীয়াকৈ থাকিবলৈ বিচাৰে। এই সময়ত কোনোবাই সিহঁতক আমনি কৰিলে যোৰ পতাত ব্যাঘাত জন্মে। ঢেকীয়াপতীয়াৰ সংখ্যা বৃদ্ধি পাবলৈ হ'লে বনাঞ্চলৰ ভিতৰত সিহঁতৰ প্ৰয়োজনীয় পৰিবেশৰ সৃষ্টি কৰিব লাগিব। অৰণ্যো তাকে কৰিবলৈ যাওঁতে বনাঞ্চলৰ ভিতৰত বাঁহ কাঠ বেত আদি কটাটো বন্ধ কৰিব লাগিব আৰু আৰ্থিক উপাৰ্জনৰ ক্ষেত্ৰতো চৰকাৰ কিছু পৰিমাণে বঞ্চিত হ'ব। কিন্তু সেইকণ ত্যাগ চৰকাৰে কৰিব লাগিব।

প্ৰশিক্ষণ নাপালে ঢেকীয়াপতীয়াৰ পোৱালীয়ে চিকাৰ কৰিব নাজানে ঢেকীয়াপতীয়াই অতি কম সময়ৰ ভিতৰতে পো পোৱালীও বহুত দিব পাৰে। সাধাৰণতে এবাৰত দুটা বা তিনটা পোৱালীহে জগে। কিন্তু একেবাৰতে পাঁচ ছয়টা পোৱালীজগোৱাৰো উদাহৰণ আছে। ঢেকীয়াপতীয়াৰ এনে বংশ বৃদ্ধি ক্ষমতাৰ কাৰনেই চিৰিয়াখানা সমূহত অতি কম দিনৰ ভিতৰতে একোপাল ঢেকীয়াপতীয়াৰ সৃষ্টি কৰিব পাৰে। কিন্তু দুখৰ কথা এয়ে যে চিৰিয়াখানাত ডাঙৰ দীঘল হোৱা ঢেকীয়াপতীয়া হাবিত থকাৰ কাৰণে তেনেই অনুপযুক্ত হৈ পৰে। কাৰণ ঢেকীয়াপতীয়াৰ মাকজনীয়ে তিনিবছৰ মান চিকাৰৰ শিক্ষা দিয়াৰ পাছতহে পোৱালী একোটা চিকাৰৰ উপযুক্ত হৈ উঠে। কিন্তু চিৰিয়াখানাৰ গৰালত এনে প্ৰশিক্ষণ সম্ভৱ নহয়। গতিকে চিৰিয়াখানাত ডাঙৰ হোৱা পোৱালী হাবিত মেলি দিলে আন প্ৰাণীয়ে মাৰি পেলোৱাৰ সম্ভাৱনাই বেছি।

ভাৰতৰ বনাঞ্চল সমূহত একালত এজাত বগা ঢেকীয়াপতীয়া বাঘৰ সংখ্যাও অনেক আছিল। বনাঞ্চল হ্ৰাস আৰু মানুহৰ অত্যাচাৰৰ কাৰনেই এই জাত বাঘো লুপ্ত হোৱাৰ উপক্ৰম হৈছিল। কিন্তু ১৯৫১ চনত ৰেৱাৰ বনাঞ্চলত বগা বাঘৰ পোৱালী এটা আকস্মিক ভাবে ধৰা পৰিল। তাকে আন ঢেকীয়াপতীয়াৰ লগত যোৰ পতাই বগা ঢেকীয়াপতীয়াৰ পোৱালী সৃষ্টি কৰা হল। বৰ্ত্তমান দিল্লী কলিকতা হায়দৰাবাদ লক্ষ্নৌ আদি চিৰিয়াখানাত আৰু ৰেৱাৰ গোবিন্দগড় ৰাজপ্ৰসাদত বগা বাঘ পুহি সিহঁতৰ সংখ্যা বঢ়োৱাৰ চেষ্টা কৰা হৈছে। আমাৰ গুৱাহাটীৰ চিৰিয়াখানাতো এহাল বগা বাঘ আছে।

তৃণভোজী প্ৰাণী থাকিলেহে ঢেকীয়াপতীয়া থাকিব • কেৱল চোৰাং চিকাৰী বা ছালৰ বেপাৰীৰ কাৰণেই যে ঢেকীয়াপতীয়াৰ সংখ্যা কমি আহিছে সিও নহয়। হাবিত থকা বিভিন্ন জাতৰ পহু বা আন্‌আন তৃণভোজী প্ৰাণী

সমূহেই ঢেঁকিয়াপতীয়াৰ খাদ্য। গতিকে ঢেঁকিয়াপতীয়া ৰক্ষা কৰিবলৈ হ'লে এই তৃণভোজী প্ৰাণী সমূহকো ৰক্ষা কৰিব লাগিব। আনহাতে এই তৃণভোজী প্ৰাণীসমূহ ৰক্ষা কৰিবলৈ হ'লে প্ৰয়োজন হ'ব অপৰ্য্যাপ্ত ঘাঁহবনৰ। বনাঞ্চলৰ পৰিমাণ কমি গ'লে এনে ঘাঁহ বনৰ পৰিমানো কমিব। গতিকে ঢেঁকিয়াপতীয়া সংৰক্ষণৰ কথাটোও সাঙোৰ খাই পৰিব।

ভাৰতত ঢেঁকিয়াপতীয়া সংৰক্ষণৰ প্ৰথম প্ৰচাৰ আৰম্ভ হয় ১৯৭০ চনৰ ১ জুলাই তাৰিখে। সেই তাৰিখৰ পৰাই ঢেঁকিয়াপতীয়া বধ কৰাটো পোন প্ৰথম দিল্লীত আৰু পাছলৈ ওচৰ চুবুৰীয়া ৰাজ্য দুই এখনত আইনৰ দ্বাৰা বন্ধ কৰি দিয়া হ'ল। তাৰ এবছৰৰ পাছত সেই আইন সমস্ত ভাৰতত্তে বলবৎ কৰা হ'ল। সেই একে সময়তে সিহঁতৰ ছাল দাঁত নখ আদিৰ ৰপ্তানীও আইনমতে নিষিদ্ধ কৰা হ'ল। ভাৰতৰ ডাঙৰ ডাঙৰ বিমানবন্দৰ সমূহত আৰু দেশী বিদেশী পৰ্য্যটক থকা ডাঙৰ ডাঙৰ হোটেল বোৰত ঢেঁকিয়াপতীয়া সংৰক্ষণ আইনৰ উল্লেখ থকা ফলক লগাই পৰ্য্যটক সকলক সাৱধান কৰি দিয়া হ'ল। ঢেঁকিয়াপতীয়া সংৰক্ষণত নিশ্চয় এই বিলাক সহায়ক হ'ব। ইতিমধ্যে বিশ্ব বন্য প্ৰাণী সংস্থায়ো ২৭ খন দেশত ঢেঁকিয়া পতীয়া সংৰক্ষণৰ এক ব্যাপক অভিযান চলাইছে।

কিন্তু আইন কানুন মানুহেই কৰে আৰু মানুহেই ভাঙে। ঢেঁকিয়াপতীয়া সংৰক্ষণ কৰাতো সকলতকৈ ঢেঁকিয়াপতীয়া বধ কৰোতাৰ সংখ্যা অধিক। তদুপৰি বধ কৰোতা সকলৰ ধন আৰু শক্তিও অসীম। ধন আৰু শক্তিৰ প্ৰভাৱত আইনো ভঙ্গ পৰে। গতিকে কেৱল আইন প্ৰণয়ন কৰিয়েই ঢেঁকিয়াপতীয়া সংৰক্ষণ কৰাটো কোনো কালেই সম্ভৱপৰ নহ'ব। ইয়াক সম্ভৱ কৰি তুলিবৰ কাৰণে গঢ়ি উঠিব লাগিব এক প্ৰাণী প্ৰেমৰ আন্দোলন। সংৰক্ষণৰ কাৰণ সমূহ বুজি উঠিলে নিশ্চয় এক বৃহৎ সংখ্যক লোক এই আন্দোলনত জঁপিয়াই পৰিব। এই আন্দোলনৰ জুইকুৰা যিমানেই দপ দপাই জ্বলি উঠিব সিমানেই পৃথিৱীৰ বিনন্দীয়া প্ৰাণী সমূহ নিঃশেষ কৰিবলৈ ওলোৱা অশুভ শক্তিসমূহ সেই জুইত জাহ যাব আৰু প্ৰাণী সংৰক্ষণৰ পথটো সুগম হৈ পৰিব।

অথ হাতী সংবাদ

বৰ্ত্তমান হাতীয়েই পৃথিৱীৰ আটাইতকৈ ডাঙৰ স্থলচৰ প্ৰাণী। সেইকাৰণেই হাতীক লৈ মান হৰ নানান প্ৰশ্ন নানান কৌতূহল। প্ৰাণীবিজ্ঞানৰ মতে হাতী শুঁড়ধাৰী বৰ্গৰ অন্তৰ্গত। যোৱা চাৰি কোটি বছৰৰ ভিতৰত এই বৰ্গৰ ৩৩০ টা প্ৰজাতিয়ে এই পৃথিৱীত জন্ম লৈছিল। কিন্তু তাৰে ৩২৮ টা প্ৰজাতিয়েই ইতিমধ্যে লুপ্ত হৈ গল। কেৱল দুটা প্ৰজাতিহে থাকি গল। তাৰে এটা হল আফ্ৰিকাৰ হাতী আৰু আনটো হল ভাৰতীয় হাতী।

ভাৰতীয় আৰু আফ্ৰিকাৰ হাতী ভাৰতীয় আৰু আফ্ৰিকাৰ হাতী দুয়োজাতৰে যদিও পূৰ্ব পুৰুষ একেই তথাপি দুয়োৰো মাজত যথেষ্ট পাৰ্থক্য আছে। সেই কাৰণেই দুয়োকো দুটা বেলেগ প্ৰজাতিত অন্তৰ্ভুক্ত কৰা হৈছে। বেলেগ ঠাইত বেলেগ পৰিবেশত থকাৰ কাৰণেই দুয়োৰে শাৰীৰিক গঠনো বেলেগ হৈ পৰিছে। আফ্ৰিকাৰ হাতীবিলাক ভাৰতীয় হাতীতকৈ ডাঙৰ। আফ্ৰিকাৰ একোটা মতা হাতী সাত টন মান আৰু ভাৰতৰ একোটা মতা হাতী ছয় টন মান হয়। আফ্ৰিকাৰ হাতীৰ কাণ দুখন ডাঙৰ মূৰটো আগলৈ হেলনীয়া আৰু পিঠিটো পাছৰফালে ওখ। আনহাতে ভাৰতীয় হাতীৰ কাণ দুখন তুলনামূলকভাবে সৰু মূৰটো পোন আৰু গোটেই পিঠিটোৱেই সামান্য ধেনুভিৰীয়া। ভাৰতীয় হাতীৰ শুঁড়ডালৰ মূৰলৈ কেৱল একালেহে আগবঢ়া অংশটো থাকে। আনহাতে আফ্ৰিকাৰ হাতীৰ শুঁড়ডালৰ মূৰত ওপৰ তল দুয়োফালে আগবঢ়া অংশটো থাকে। তদুপৰি আফ্ৰিকা হাতীৰ ঠেংত থকা নখৰ সংখ্যা ভাৰতীয় হাতীতকৈ কম।

ভাৰতীয় হাতী এটাৰ আগঠেংৰ নখ থকা অংশটোৰ বেৰ যিমান হয় হাতীটোৰ উচ্চতা তাৰ দুগুণ হয়। আমাৰ এষাৰ কথা আছে যে "নাই নাই বুলিলেও হাতীৰ পেটত একলহ পানী থাকে। হাতীৰ পেটত কিমান পানী থাকে—নাজানো কিন্তু সি তাৰ শুঁড়ডালতে সাতলিটাৰ পানী ৰাখিব পাৰে। হাতীৰ আন আন বৈশিষ্ট্যও অনেক আছে। হাতীৰ দৃষ্টিশক্তি বৰ দুৰ্বল কিন্তু শ্ৰৱণ আৰু ঘ্ৰাণশক্তি বৰ প্ৰখৰ। হাতীৰ শুঁড়ডালতে হেনো ৪০০ ০০০ টা পেশী থাকে। হাতীৰ দুটা দীঘল দাত থাকিলেও একে সময়ত সাধাৰণতে এটা দাতহে ব্যৱহাৰ কৰে। কিছুমান হাতী সোঁ আৰু কিছুমান হাতী বাওঁদতীয়া হয়।

হাতীৰ বুদ্ধি বৃত্তি কিমান : বি ৰেংক নামৰ জাৰ্মেনীৰ এগৰাকী অধ্যাপকে হাতীৰ বুদ্ধি বৃত্তিৰ ওপৰত কিছুমান পৰীক্ষা নিৰীক্ষা চলাইছিল। তেওঁ একে ধৰণৰ দুটা সমান বাকচৰ এটাৰ ভিতৰত খোৱা বস্তু 'থাকিল' আৰু আনটো খালি

কৰি ৰাখিছিল। বাকচ দুটাৰ বাহিৰত দুটা বেলেগ চিন আঁকি দিয়া হৈছিল। হাতীটোক খোৱা বস্তুৰ বাকচটো আনিবলৈ পঠাওঁতে সি হেনো ৩০০ বাৰ চেষ্টা কৰিব লগা হৈছিল। এনে ধৰণৰ আৰু দুই এটা পৰীক্ষা নিৰীক্ষা কৰি দেখা গৈছিল যে হাতীক যিমান বুদ্ধিয়ক বুলি ভবা হয় প্ৰকৃততে সিমান বুদ্ধিয়ক নহয়।

গহীন গম্ভীৰ চেহেৰাৰ কাৰণেই হওক বা আপুৰ গীয়া প্ৰাণী কাৰণেই হওক—সকলো দেশতে হাতীক মান হে শ্ৰদ্ধা কৰে মৰম কৰে। এনে মৰমৰ চিন স্বৰূপেই শ্ৰীলংকাত হাতীৰ এখন অনাথ আশ্ৰমো স্থাপিত হৈছে। কলম্বোৰ পৰা প্ৰায় এশ কিলোমিটাৰ মান দূৰৈত এখন অনাথ আশ্ৰমো আছে। নাম পিন্নাভালা অনাথ আশ্ৰম। আশ্ৰমখন স্থাপন কৰা হৈছিল ১৯৭৫ চনত। অনাথ আশ্ৰমো বুলিলে সাধাৰণতে আমি নিৰাশ্ৰয় ল'ৰা-ছোৱালী থকাৰ কথাই বুজো। পাছে



চিত্ৰ নং ৪৫

[মাটিত থকা জন্তুৰ ভিতৰত হাতীয়েই ডাঙৰ। আফ্ৰিকাৰ হাতী আৰু ভাৰতীয় হাতীৰ মাজত কিছু পাৰ্থক্য আছে। ওপৰৰ চিত্ৰটো আফ্ৰিকাৰ হাতীৰ। শুঁড়ডাল আৰু দীঘল দাঁত যোৰাই হাতীৰ অস্ত্ৰ। নাকেৰে সৈতে মুখমণ্ডলৰ ওপৰৰ অংশ প্ৰবৰ্দ্ধিত হৈহে শুঁড়ডালৰ সৃষ্টি কৰে।]

এইখন আশ্ৰম ইয়াৰ ব্যতিক্ৰম। ইয়াত কেৱল নিৰাশ্ৰয় হাতী পোৱালীহে লালন পালন কৰা হয়। যিবিলাক হাতী পোৱালী জাকৰ পৰা আঁতৰি গৈ অকলশৰীয়া হৈ পৰে যিবিলাক হাতী পোৱালী কেনেবাকৈ গাঁতত সোমাই পৰে বা অন্য কোনো কাৰণত নিৰাশ্ৰয় হয়—সেইবিলাকক উদ্ধাৰ কৰি আশ্ৰমত ৰখা হয় আৰু সিহঁতক

লালন পালন কৰা হয়। বৰ্ত্তমান এই আশ্ৰমত থকা হাতী পোৱালীৰ সংখ্যা দুহাজাৰ মান হ'ব। এইবিলাকৰ পৰিচৰ্য্যাযে কেৱল মানুহেই কৰে সিও নহয়। আশ্ৰমত কিছুমান বৰছীয়া মাইকী হাতী ধাত্ৰী হিচাবে ৰখা হৈছে। সিহঁতেও পোৱালীবিলাকৰ আলপৈচান ধৰে।

পৰিবেশ নষ্ট কৰাৰ কাৰণে হাতীও দোষী বৰ্ত্তমান মানুহৰ জনসংখ্যা বৃদ্ধি পোৱাৰ ফলত বনাঞ্চলৰ পৰিমাণ ক্ৰমান্বয়ে টুটি আহিছে। লগে লগে টুটি আহিছে হাতীৰ খাদ্য আৰু বাসোপযোগী পৰিবেশ। কিন্তু পৰিবেশ নষ্ট কৰাৰ ক্ষেত্ৰতো হাতীক দোষাৰোপ কৰিব পাৰি। হাতীয়ে বনাঞ্চলৰ খাদ্য শেষ কৰাই নহয় গছ-বন ভাঙি পৰিবেশ নষ্ট কৰে আৰু হাবিত খাদ্যৰ অভাৱ ঘটিলে মানুহৰ খেতিৰ পথাৰত সোমায়গৈ। ফলত শস্য নষ্ট হয়। খেতিয়কে হয়তো বাধা দিয়ে আৰু এই বাধা দিবলৈ যাওঁতে দুই চাৰিজন লোকৰ মৃত্যু হয়। মানুহেও দলবান্ধি হাতী মাৰিবলৈ উঠি পৰি লাগে।

হাতীয়ে কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰে আৰু এই সমস্যাৰ পৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি এই সম্পৰ্কে কেইগৰাকীমান বিজ্ঞানীয়ে আজি কেইবছৰমান পুংখানুপুংখ ৰূপে অধ্যয়ন কৰিছে। এওঁলোকৰ ভিতৰত হ্যামিল্টনেই প্ৰধান। অৱশ্যে এওঁলোকৰ অধ্যয়ন ঘাইকৈ আফ্ৰিকাৰ হাতীতেই সীমাবদ্ধ। কিন্তু দুই এটা সিদ্ধান্ত ভাৰতীয় হাতীৰ ক্ষেত্ৰতো প্ৰযোজ্য। গবেষক সকলে প্ৰথমতে হাতীৰ পাল সিহঁতৰ চৰণীয়া ঠাই আচৰণ আৰু খাদ্য সম্পৰ্কেই অনুসন্ধান কৰিছে। দেখা গৈছে যে হাতীৰ পাল ঘাইকৈ দুই ধৰণৰ। এবিধত বয়সীয়া ডাঙৰ মাইকী হাতী একোজনীৰ নেতৃত্বত নিজৰ পৰিয়ালবৰ্গ থাকে। আনবিধত কেৱল মতা হাতীৰ পাল। পৰিয়াল লৈ থকা পাল একোটাত সাধাৰণতে এটা ডাঙৰ মতা হাতী তিনি চাৰিজনীমান মাইকী হাতী আৰু পাঁচ ছয়টা মান পোৱালী থাকে। ৩০—৪০ বছৰ বয়সীয়া মতা হাতীবোৰে সাধাৰণতে পালৰ পৰা ওলাই গৈ অকলে থাকে নতুবা লগৰ দুই তিনিটা মতা হাতীৰ লগ লাগি বেলেগাই থাকে। ইয়াকে মতা হাতীৰ পাল বুলি কোৱা হয়। মতা হাতী অকলে থাকিলেই যে গুণ্ডা প্ৰকৃতিৰ হ'ব সিও নহয়।

একোপাল হাতী এক নিৰ্দ্দিষ্ট ঠাইত থাকে • খাদ্য সংগ্ৰহ কৰাৰ কাৰণেই হওক বা অন্য কাৰণতে হওক একোপাল হাতী বনাঞ্চলৰ এটুকুৰা নিৰ্দিষ্ট ঠাইত থাকে। ইয়াকে হাতীৰ পালটোৰ চৰণীয়া অঞ্চল বা হুম ৰেঞ্জ (Home range) বুলি ক'ব পাৰি। দগলাচ আৰু হ্যামিল্টনে মানিয়াৰা হ্ৰদৰ আশে পাশে থকা ৪৮ টা হাতীৰ পাল বহুতদিন অধ্যয়ন কৰি এক সিদ্ধান্তত উপনীত হৈছে যে একোটা পালৰ চৰণীয়া অঞ্চল গড়ে ৪০ বৰ্গকিলোমিটাৰ মান হ ব। কিন্তু পূৰ্বৎসাভো নেচনেল পাৰ্কত এই অঞ্চল বা ৰেঞ্জ গড়ে ৩৫০ বৰ্গকিলোমিটাৰ আৰু পশ্চিম চাভোত এই ৰেঞ্জ ১৫৪০ বৰ্গকিলোমিটাৰ। ৰেঞ্জ বা চৰণীয়া অঞ্চলৰ মাটিকালি

ইমান কম যেঁছি হোৱাটো দেখাত আচৰিত যেন লাগিলেও ইয়াৰো কাৰণ নোহোৱা নহয়। যি ঠাইৰ জলবায়ু হাতীৰ অনুকূল আৰু য ত প্ৰচুৰ পৰিমাণে হাতীৰ খাদ্য পোৱা যায় তেনে ঠাইত হাতীৰ বেঞ্জ বা বিচৰণক্ষেত্ৰ সৰু। আনহাতে যি ঠাইত খাদ্যৰ অভাৱ আৰু জলবায়ুও সিমান উপযুক্ত নহয় তেনে ঠাইত বিচৰণ ক্ষেত্ৰ বহল। অধ্যয়নৰ পৰা আৰু এটা কথা জানিব পৰা হৈছে যে কেৱল হাতীৰে নহয় সকলো প্ৰাণীৰে ৰেঞ্জৰ এটা অংশ বনাঞ্চলৰ বাহিৰত পৰে। এই কাৰণেই সম্ভৱ দুই এজাক হাতী মাজে সময়ে বনাঞ্চলৰ বাহিৰলৈ ওলাই আহে।

সাধাৰণ অৱস্থাত হাতী বৰ আৰামপ্ৰিয় প্ৰাণী। গোটেই দিনটোত ইহঁতে গড়ে তিনি কিলোমিটাৰ মানহে খোজ কাঢ়ে। গড় বেগ ঘণ্টাত ০ দশমিক ১২৯ কিলো মিটাৰ। দিনটোৰ সোঁতৰ ঘণ্টা মান সময় খোৱাতে ব্যস্ত হৈ থাকে। চাৰিঘণ্টামান শোৱে আৰু বাকীখিনি সময়ত আন কাম কৰে। এই অলপ সময় কাম কৰিবলৈকে একোটা হাতীয়ে দৈনিক গড়ে দুই কুই ন্টল মান ঘাঁহ পাত খাব লগাত পৰে। ডাঙৰ গছ জোপোহা গছ ঘাঁহ পাত একোৱেই ইহঁতৰ মুখৰ পৰা সাৰি নাযায়। মুঠতে ৬০ ৰ পৰা ১০০ টা মান প্ৰজাতিৰ উদ্ভিদ হাতীয়ে খায়।

হাবিত থকা ঘাঁহ পাতৰ লগত হাতীৰ সংখ্যাৰ সম্পৰ্ক থাকে

একোখন হাবিত থকা ঘাঁহপাতৰ পৰিমাণ আৰু সেইখন হাবিত থকা হাতীৰ সংখ্যাৰ মাজত এটা সম্পক থাকে। ৰয়েঞ্জাৰি নামৰ নেচনেল পাক খনত হিচাব কৰি দেখা গৈছে যে প্ৰতি বগ কিলোমিটাৰত ১৮৬৭৪০ কিলোগ্ৰাম ঘাঁহপাত উৎপন্ন হয় আৰু বছৰি তাৰে শতকৰা ১ দশমিক ৫ ভাগহে হাতীয়ে খায়। তৎসাভো নেচনেল পাৰ্কত উৎপন্ন হোৱা মুঠ ঘাঁহ পাতৰ শতকৰা ১১ দশমিক ৮ ভাগ হাতীয়ে খায়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে বৰ্ত্তমানতকৈ প্ৰায় দহগুন মান অধিক হাতী এই পাৰ্ক দুখনত থাকিব পাৰে। কিন্তু এই অনুমানো সঠিক নহয়। কাৰণ হাবিত থকা সকলো ধৰনৰ ঘাঁহপাত হাতীয়ে নাখায়। দ্বিতীয়তে হাবিত থকা অন্যান্য তৃণভোজী প্ৰাণীসমূহেও এই ঘাঁহকে খাই জীয়াই থাকে।

হাতীয়ে বনাঞ্চলৰ ভিতৰত আন এক সমস্যাৰো সৃষ্টি কৰে। যি কাৰণতে নহওক, ইহঁতে বহুতো গছৰ ডাল পাত ভাঙে আৰু দুই এজোপা উভালিও পেলায়। ইয়াৰ ফলতো বনাঞ্চলত থকা গছৰ পৰিমাণ সামান্যভাবে কমে। কাফলি ফিলিপচন আদি কেইগৰাকীমান বিজ্ঞানীৰ মতে খাদ্যৰ ওপৰত নিৰ্ভৰ কৰি হাতীৰ সংখ্যা মাজে মাজে কমে আৰু মাজে মাজে বাঢ়ে। হাবিত যেতিয়াই হাতীৰ সংখ্যা বৃদ্ধি পায়, ঘাঁহ পাতৰ পৰিমাণ কমি যায়। ঘাঁহ পাত কমি গলে খাদ্যৰ অভাৱতে কিছু হাতীৰ মৃত্যু হয়। আকৌ হাতীৰ সংখ্যা কমি গ'লে ঘাঁহ-পাত পুনৰ বৃদ্ধি পায় আৰু ফলত বৃদ্ধি পায় হাতীৰ সংখ্যাও।

কাফলিৰ মতে এনে একোটা চক্ৰ পূৰ্ণ হবলৈ দশ বছৰ মান সময় লাগে।

গতিকে হাতীৰ সংখ্যা বঢ়া টুটা এক প্ৰাকৃতিক নিয়ম। হাতীৰ সংখ্যা কমাবলৈ হাতী বধ কৰাৰ কোনো প্ৰয়োজন নকৰে।

হাতীৰ সংখ্যা কমাবলৈ হাতী বধ কৰাও হয়• আফ্ৰিকাৰ বনবিষয়া সকলে অৱশ্যে কাফ্‌লিৰ মতটো সমৰ্থন কৰিব নোখোজে। তেওঁলোকৰ মতে হাবিত যেতিয়াই হাতীৰ সংখ্যা বৰ্দ্ধি পায় তেতিয়াই অতিৰিক্ত হাতীখিনি বধ কৰা উচিত। তেওঁলোকে আফ্ৰিকাত প্ৰকৃততে তাকেই কৰে। হাতীৰ সংখ্যা কমাবলৈ গৈয়ে দক্ষিণ আফ্ৰিকাৰ বিখ্যাত ক্ৰুগাৰ নেচনেল পাৰ্কত ১৯৭১ৰ পৰা ১৯৩৪ চনৰ ভিতৰত চাৰি হাজাৰ হাতী মাৰি পেলোৱা হৈছিল। জিম্বাওৱেত প্ৰতিবছৰে শতকৰা তিনিৰ পৰা চাৰিভাগ হাতী মাৰিপেলোৱা হয় যাতে তাত থকা হাতীৰ সংখ্যা সদায় ত্ৰিশ হাজাৰ হৈয়েই থাকে। ষাঠীৰ দশকত জাম্বিয়াৰ চাউথ গেম ৰিজাৰ্ভত ১৪৬৮ টা হাতী নিধন কৰা হৈছিল। কিন্তু আচৰিত কথা ১৯৬৪ ৰ পৰা ১৯৬৯ চনৰ ভিতৰত তাত হাতীৰ সংখ্যা দুগুণ হ'ল।

আজিকালি 'ডটগান' নামৰ এবিধ নতুন ধৰণৰ বন্দুকৰ সহায়ত হাতী মৰা হয়। ইয়াৰ সুবিধা দুটা। এটা হ'ল—ইয়াৰ পৰা শব্দ নহয় আৰু দ্বিতীয়তে অতি কম সময়তে হাতী মৰে। ইয়াৰ সহায়ত এবাৰ বাৰটা হাতীৰ পাল এটা নিধন কৰোতে সময় লাগিছিল মাত্ৰ ৪৫ ৰ পৰা ৯০ ছেকেণ্ড। দুই এক প্ৰকৃতিবিদে এনেকৈ হাতী মৰাটো পছন্দ কৰিলেও বেছিভাগ প্ৰকৃতিবিদেই হাতী নিধন কৰাৰ বিপক্ষে। তেওঁলোকৰ যুক্তি হ'ল যে আফ্ৰিকাত হাতীৰ সংখ্যা কিছু বৃদ্ধি পাইছে যদিও হাতী থকা ৩৫ খন দেশৰ ২৮ খন দেশতেই হাতীৰ সংখ্যা অস্বাভাবিক ভাবে হ্ৰাস পাই আছিছে। তদুপৰি প্ৰাকৃতিক বিপৰ্য্যয়ৰ কাৰণেও কেতিয়াবা কিছু সংখ্যক হাতীয়ে মৃত্যু বৰণ কৰিব লগা হয়। ১৯৭০ ৭১ চনত আফ্ৰিকাত হোৱা খৰাং বতৰৰ কাৰণে খাদ্যৰ অভাৱতে ৬০০০ মান হাতীৰ মৃত্যু হৈছিল। প্ৰকৃতিবিদ সকলৰ মতে ই এক স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু বন বিষয়া সকলে কব খোজে যে আগতীয়াকৈয়ে কিছু সংখ্যক হাতী মাৰি পেলোৱা হ'লে ছহাজাৰকৈ হাতী মৃত্যুৰ মুখত নপৰিলেহেঁতেন।

ভাৰতত অৱশ্যে সংখ্যা নিয়ন্ত্ৰণৰ কাৰণে হাতী মাৰিব লগা অৱস্থা এতিয়াও হোৱা নাই।

প্ৰাণীৰ প্ৰতি মানুহৰ নিষ্ঠুৰতা

আমি সভ্য শিক্ষিত বা তথাকথিত সাংস্কৃতিক বুলি বিমানেইকি দাবী নকৰো আমি যে কিমান নীচ সেই কথা বিভিন্ন প্ৰাণীৰ প্ৰতি কৰা আমাৰ ব্যৱহাৰতে ওলাই পৰে। আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়—কথাষাৰ প্ৰকৃততে মানৱ সমাজৰ ক্ষেত্ৰতে আখৰে আখৰে ফলিয়ায়। মানুহৰ এই নীচতা আৰু নিষ্ঠুৰতাৰ শেষ নাই। প্ৰাণীৰ কথাতো বাদেই মানুহে মানুহক কৰা ব্যৱহাৰতো এই নিষ্ঠুৰতাৰ প্ৰমাণ পোৱা যায়। সেয়ে দুই একে কৰ খোজে যে প্ৰাণীৰ প্ৰতি মানুহৰ ব্যৱহাৰ উন্নত হোৱা হ'লে সিয়েই মানুহৰ মাজত সম্প্ৰীতি গঢ়াতো সহায় হ'লহেঁতেন। মুখেৰে মাতিব নোৱাৰা বোবা প্ৰাণী সমূহৰ ওপৰত মানুহে কি যে অত্যাচাৰ নকৰে? খাদ্য হিচাবেতো কিছুমান প্ৰাণীক খায়েই কিছুমানক লৈ ব্যৱসায় কৰে আৰু কিছুমানৰ পৰা আকৌ আনন্দ উপভোগ কৰিবলৈও বিচাৰে। অথচ সেই একেখিনি প্ৰাণীকে চকু পাৰি দেখিবও নোৱাৰে।

মিছা প্ৰলোভন দেখুৱাই প্ৰাণী হত্যা কৰাটো পাপ মানুহৰ সমাজত কোনোবাই কাৰোবাক মিছা প্ৰলোভন দেখুৱাই মৃত্যু মুখত পেলালে তেওঁৰ হয় ফাঁচী আৰু নহলেও আজীৱন জেইল হয়। আনকি দুষ্যৰ গুৱাল গালি পাৰিলেও মান হানিৰ গোচৰ তৰিব পাৰি। কিন্তু সেই একেখিনি মানুহেই কিমান মিছা প্ৰলোভন দেখুৱাই কিমান প্ৰাণীৰ মৃত্যু ঘটায় তাৰ হিচাব কোনোবাই ৰাখেনে? বৰশীৰ আগত মাছৰ আটাইতকৈ লোভনীয় টোপটো দিয়া বা কাইটেৰে আগুৰা চিক চিকিয়া হুইলটো পানীত পেলাই দিয়া আদি কাৰ্য্য মিছা প্ৰলোভনেই নহয় জানো? চৰাই ধৰা চিটিকা আৰু জন্তু ধৰা ফান্দ আদিৰো উদ্দেশ্য সিহঁতক আভুৱা ভাৰি মৰকত বধ কৰা।

খাবৰ কাৰণেই হওক সৌন্দৰ্য্য বৰ্দ্ধনৰ কাৰণেই হওক বা জন্তুৰ হাড় ছাল দাঁত শিং আদিৰে তৈয়াৰী বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰি আভিজাত্যৰ চিনাকী দিবলৈকে হওক মানুহে বছৰি যথেষ্ট সংখ্যক প্ৰাণী নিৰ্মম ভাৱে হত্যা কৰে। বছৰি প্ৰায় আঠকোটি প্ৰাণীয়ে মানুহক সন্তুষ্ট কৰিবলৈকে জীৱন উচৰ্গা কৰিব লগাত পৰে। হাতীৰ দাঁত যোৰাই শত্ৰু। পোনে পোনে গুলীয়াই হত্যা কৰাটো হয়েই বিহমিহলোৱা কঠাল খুৱায়ো বহুতো হাতীক মৃত্যুৰ মুখলৈ ঠেলি দিয়া হয়। এযোৰা ডাঙৰ হাতী দাঁতৰ দাম বৰ্ত্তমান প্ৰায় একলাখ টকা। অথচ কাঠ কটিওৱাৰ পৰা আৰম্ভ কৰি হাতীয়ে মানুহক যুগ যুগ ধৰি বিভিন্ন কামত সহায় কৰি আহিছে। বিভিন্ন জাতৰ পহু আৰু মহৰো কাল হ'ল সিহঁতৰ শিং যোৰা

ছালখন আৰু মাংসখিনি। হাবিৰ মাজত নিমখ পোৱাই সিহঁতক প্ৰয়োজন দেখুৱাই এই নিৰপৰাধী প্ৰানীসমূহক হত্যা কৰা হয়। আচৰিত কথা এয়ে যে নোমখিনি লেউ সেউকৈ ৰখাৰ উদ্দেশ্যেই এই জন্তুসমূহৰ ছালবিলাক জীৱিত অৱস্থাতে টানি উলিয়াই অনা হয়।

চিত্ৰ নং—৪৬

[যন্ত্ৰেৰে চালিত নানা ধৰনৰ যান বাহন আৱিষ্কাৰ হোৱা স্বত্বেও বাহন হিচাবে হাতীৰ মূল্য কমা নাই। বাটপথ নথকা হাবিৰ মাজত ঘূৰিবলৈ হলে বা দলং নথকা সৰু সুৰা নদীত পাৰ হবলৈ হলে এতিয়াও হাতীকে ব্যৱহাৰ কৰা হয়। হাবিৰ মাজৰ পৰা কাঠ উলিয়াই আনিবলৈও হাতীৰ প্ৰয়োজন হয়।]

অহিংসা দয়া সহানুভূতিৰ স্থান নাই: নিতৌ নতুন যন্ত্ৰপাতি তৈয়াৰ হৈছে যদিও প্ৰাণীক বাদ দি মানৱ সমাজ থাকিব পৰা হোৱা নাই। সম্ভৱ নোৱাৰিবও। আশা কৰিছিলো যে যান্ত্ৰিকতাই মানৱ সভ্যতাক এখোপ আগুৱাই নিব। প্ৰানীৰ প্ৰতি কৰা মানুহৰ আচৰণৰ পৰিবৰ্ত্তন ঘটিব। পাছে নহল। প্ৰাণীসমূহকো মানুহে যন্ত্ৰৰ দৰেহে চাবলৈ শিকিলে। যন্ত্ৰই যদি মানুহৰ আৰ্থিক উন্নতি ঘটাব পাৰে প্ৰানীয়ে নোৱাৰিব কিয়—এই ধাৰনাহে মানুহৰ মনত সোমাই পৰিল। এনে ধাৰনাৰ বশৱৰ্ত্তী হৈয়ে মানুহে অধে মধ্যে প্ৰাণীহত্যা কৰাত লাগিল। নিষ্ঠুৰতা আৰু হিংসাৰ লগত মানুহে বন্ধুত্ব পাতিলে। অহিংসা দয়া সহানুভূতি আদিক এঘৰীয়া কৰিলে। প্ৰানীহিংসাৰ কোবাল সোঁতত পৰি প্ৰানীসমাজত ধ্বংশৰ উজান উঠিল। চকুৰ আগতে এপদ দুপদকৈ প্ৰাণী নাইকিয়া হৈ পৰিল। দুখৰ বিষয় এয়ে যে এই অৱস্থাৰ চৰম অৱনতি ঘটিল আমাৰ ভাৰততে অথচ

এইখনেই দেশ, যত পৃথিবীৰ সকলো দেশতকৈ আগতেই অহিংসাৰ বাণী প্ৰচাৰিত হৈছিল।

আমাৰ এড়ি মুগা পাট আদি পলুবোৰৰ কথাকে ভাবকচোন। খোলাৰ ভিতৰত থকা অৱস্থাতে সিহঁতক গৰমপানীত পেলাই জীয়াই জীয়াই মৰা হয়। উদ্দেশ্য সিহঁতৰ খোলাটোৰ পৰা সূতা উলিয়াই কাপোৰ বৈ আমাৰ স্বাৰ্থ পূৰণ কৰা। এবোৰ পাটৰ মেখেলা চাদৰৰ কাৰণে কমেও প্ৰায় পোন্ধৰ হাজাৰ পলুৱে জীৱনদান কৰিব লগাত পৰে। মৌমাখিৰ কৰ্মীবিলাকে দিনৰ দিনটো বাটকুৰি বাই কিমান কষ্টেৰে মৌ ৰস কণ গোটাই আনে কিন্তু মানুহে দেখোন তাকে চান কাঢ়ি খায়। এইবোৰ জানো মানুহৰ নিষ্ঠুৰতাৰে চানেকি নহয়?

জীৱিত অৱস্থাতেই জন্তুৰ ছাল চেলোৱা হয়। সাপৰ ছালেৰে জোতা মোনা আদি নানান সামগ্ৰী তৈয়াৰ কৰা হয়। কিন্তু এই সাপ মৰাৰ কৌশলো দেখিলে দুখলগা। জীৱন্ত অৱস্থাতে সাপৰ মূৰটো ভাঙি গুড়ি কৰি ভিতি অংশৰ পৰা দীঘে দীঘে ছালখন বখলিয়াই পেলোৱা হয়। তাৰ তিনিদিন মানৰ পাছতহে হেনো সাপটোৰ মৃত্যু হয়। মানুহ এজনৰ ছালখন জীয়াই জীয়াই বখলিয়াই পেলোৱাৰ কথা ভাবকচোন? শহাপহু ঘৰিয়াল আদিৰো ছালখন জীৱিত অৱস্থাতেই বখলিয়াই পেলোৱা হয়। ঢেকিয়াপতীয়া নাহৰ ফুটুকী ভাল ক সিংহ আদিয়ে সিহঁতৰ ছালখনৰ কাৰণেই জীয়াতু ভুগিব লগাত পৰে। গৰম চোলা পেণ্ট আলোৱান ফিতা জোতা মোনা আদিৰ কাৰণেই ঘাইকৈ এই প্ৰাণী সমূহ বধ কৰা হয়। কাৰোবাৰ চকুলোত আনন্দ কৰাটো আৰু কাৰোবাক বধ কৰি নিজৰ সৌন্দৰ্য্য বঢ়াবলৈ যোৱাটো চৰম নিকৃষ্টতাৰ নিদৰ্শন নহয়নে?

ফ্ৰান্সৰ আটাইতকৈ বেচি প্ৰচলিত বাতৰি কাকত লে ফিগাৰে (Le Figars) অলপতে এক আচৰিত তথ্য প্ৰকাশ কৰিছে। তথ্যটো হল যে অ'চেলট (Ocelot) নামৰ নহৰফুটুকী প্ৰাণীজাতৰ একলাখ তেত্ৰিশ হাজাৰ চৌষষ্ঠিখন ছাল কেৱল যুক্তৰাষ্ট্ৰলৈকে আমদানি কৰা হয়। তাৰে ৯১২২৬ খন ব্ৰাজিলৰ পৰা আৰু ২৩৮২৩ খন কলম্বিয়াৰ পৰা পঠোৱা হৈছে। এইটো অৱশ্যে এটা বছৰৰ হিচাবহে। বছৰি কিমান লাখ লাখ ছাল এখন দেশৰ পৰা আন এখন দেশলৈ যায় তাৰ সঠিক হিচাব বিচাৰি পোৱা টান। কিন্তু সুখৰ বিষয় এয়ে যে বিশ্ব বন্য প্ৰাণী সংস্থা বহুতো আগশাৰীৰ প্ৰকৃতিবিদ আৰু এচাম বন্যপ্ৰাণী প্ৰেমীয়েও ছালৰ ব্যৱসায়ৰ বিৰুদ্ধে প্ৰায় সকলোকে সতৰ্ক কৰি দিছে। মনাকৰ ৰাজকুঁৱৰী গ্ৰে'চ মিয়া ফেৰ কুমাৰী মে ক কেপ্ৰা আৰু এলিজাবেথ টেইলৰৰ দৰে আগশাৰীৰ মহিলা সকলে নাহৰ ফুটুকী বাঘৰ ছালেৰে তৈয়াৰ কৰা সাজ পোষাক নিপিন্ধো বুলি প্ৰতিজ্ঞা কৰাটো নিশ্চয় শুভ লক্ষণ নেদাৰলেণ্ডৰ ৰাজকুৱৰী বিয়াট্ৰিক্সে ছালৰ ব্যৱসায় বন্ধ কৰাত বিশ্ব বন্য প্ৰাণীক সমৰ্থন জনাবলৈ মুকলি ভাবেই আবেদন কৰিছে। তেওঁ তিবোতা সমাজ ছালৰ ব্যৱসায়ী আৰু ধনে পেছৰ বিজ্ঞাপন দিয়া আলোচনী—

এই সকলোকে আপৰ্বণীয়া জন্তু সমূহৰ ছালৰ ব্যৱসায়ৰ বিৰুদ্ধে সতৰ্ক কৰি দিছে।

কস্তুৰী হৰিণৰ গ্ৰন্থিটোৱেই কাল কস্তুৰী হৰিণৰতো প্ৰায় আজীৱন জেইল। ইহঁতৰ পেটৰফালে থকা সুগন্ধি গ্ৰন্থিটোৱেই ইহঁতৰ কাল। গ্ৰন্থিটো পুৰঠ হলে মানুহে কাটি লৈ আহে আৰু পাছৰবাৰ পুনৰ পুৰঠ নোহোৱালৈকে খাপ পাতি বৈ থাকে। এবাৰ কটাৰ পাছত গ্ৰন্থিটো পুনৰ গজি আহে আৰু মানুহৰো লোভ বাঢ়ি গৈ থাকে। কুকুৰৰ দৰে মানুহৰ অতি উপকাৰী জন্তু একোটাকো কোনো কোনোৱে মূৰটো তললৈ ওলোমাই গছত আঁৰিহে ছালখন গুছায়। মহঁৰ দৰে পৰাক্ৰমী জন্তু একোটাকো ডিঙিতে ঘপিয়াই বধ কৰা হয়। কিছুমান ছালৰ সামগ্ৰী তৈয়াৰ কৰিবলৈ ভেৰাৰ পোৱালীবিলাকৰ ছালখনহে হেনো বেচি ভাল। সেই কাৰণে কোনো কোনো ঠাইত ভেৰাৰ পোৱালীবিলাক হেনো জন্মৰ ৪৮ ঘণ্টা মানৰ ভিতৰতে বধ কৰা হয়। ইফালে মাকজনীয়ে হয়তো এই নিৰ্মম হত্যাকাণ্ড দেখিও নীৰৱে সহ্য কৰি থাকিব লগাত পৰে। কেতিয়াবা আকৌ গৰ্ভৱতী মাকৰ ওপৰত নিষ্ঠুৰ ভাৱে প্ৰহাৰ কৰি মাকৰ গৰ্ভৰ ভিতৰতে পোৱালী মাৰি পেলোৱা হয়।

প্ৰাণী নিধনত মানুহে যি নিষ্ঠুৰ কৌশল অৱলম্বন কৰে—তাৰ তুলনা নাই। সজাত ধৰা ঢেকিয়াপতীয়া বাঘলৈ লোৰ দাণ্ডা এডালৰ মূৰত চাৰিওফালে জোং থকা লোৰ বল একোটা আগবঢ়াই দিয়া হয়। ঢেকিয়াপতীয়াই খঙতে সেইটোকে কামোৰ মাৰি ধৰে। কেতিয়াবা বলটো মুখৰ ভিতৰলৈ ঠেলিও দিয়া হয়। উদ্দেশ্য হ'ল—তাৰ মুখত ঘা লাগি তেজ গৈ যেন সি মৃত্যুৰ মুখত পৰে। নাহৰফুটুকী বাঘৰো মৃত্যু যন্ত্ৰণা বৰ দুখলগা। নোমখিনি বা ছালখন যাতে কোনো প্ৰকাৰে নষ্ট নহয় সেইকাৰণে সিহঁতক এক বিশেষ কৌশলেৰে বধ কৰা হয়। হাবিৰ মাজত লোৰ সজা একোটা থৈ দিয়া হয়। ভিতৰত ছাগলী বা আন তেনে জন্তু বান্ধি থোৱা হয়। সজাটোৱেই ফান্দৰ কাম কৰে। দুৱাৰখন এনেয়ে খোলাকৈ থয় কিন্তু নাহৰফুটুকী সোমোৱাৰ লগে লগে আপোনাআপুনি বন্ধ হৈ পৰে পাছত কৌশলেৰে জন্তুটোক সজাৰ ভিতৰতে বান্ধি পেলোৱা হয়। এইবাৰ এডাল শকত আৰু দীঘল লোৰশলা পায়ুদ্বাৰেদি সুমুৱাই ঠেলি দিয়া হয়—যাতে হাঁওফাঁওত খোচ খায়গৈ। কেতিয়াবা শলাডাল জুইত গৰম কৰিও লোৱা হয়। বাঘ মৰাৰ এই কৌশল সমূহেই মানুহ যে কিমান নিষ্ঠুৰ—তাৰ প্ৰমাণ দিয়ে।

বনৰীয়া হাতীও মানুহৰ অত্যাচাৰৰ বলি হয় হাবিৰ মাজত গড় সাজি বনৰীয়া হাতী ধৰা হয়। গড়ত সোমোৱাৰ পাছত একোটা বনৰীয়া হাতীক কেইবাদিনো ধৰি থাব ৰ বলৈ নিদি দুৰ্বল কৰি পেলোৱা হয়। বনৰীয়া হাতী দুৰ্বল হৈ পৰিলে ঘৰচীয়া হাতীৰ সহায়ত গড়ৰ পৰা বাহিৰ উলিয়াই আনিবলৈ সুবিধা হয়। দ্বিতীয়তে গড়ৰ ভিতৰত থাকোতে ৰখীয়াপৰীয়াই যাঠী জুই আদি লৈ বনৰীয়া

হাতীক ভয় খুৱাই থাকে—যাতে সি গড় ভাঙি ওলাই আহিব নোৱাৰে। তদুপৰি বনৰীয়া হাতীক বন লগাওঁতেও মাউত ফান্দি আদিয়ে যথেষ্ট অত্যাচাৰ কৰে। হাতীয়ে এই সকলোবোৰ অত্যাচাৰ নীৰৱে সহ্য কৰিবলগাত পৰে। গড়ৰ আকৌ নিজৰ মূৰত থকা খৰ্গটোৱেই কাল। গড় নীলগাই আদি প্ৰাণীৰ এক প্ৰধান বৈশিষ্ট্য হ'ল যে ইহঁতে বহুতদিন ধৰি একেঠাইতে মলত্যাগ কৰে। এই বৈশিষ্ট্যৰ কাৰণেই ইহঁত সহজে চিকাৰীৰ চকুত ধৰা পৰে। গুলিয়াই হত্যা কৰাটো হয়েই গড় অহা যোৱা কৰা বাটত গাঁত খান্দিও চিকাৰ কৰা হয়। দুখৰ কথা যে জীৱিত অৱস্থাতে গড়ৰ খৰ্গ কাটি নিয়াৰো অনেক উদাহৰণ আছে।

চিত্ৰ নং—৪৭

[এটা খৰ্গ থকা গড় পৃথিৱীৰ ভিতৰত কেৱল অসম উত্তৰ বংগ আৰু নেপালৰ নামনিতহে পোৱা যায়। ইহঁতৰ খৰ্গটো প্ৰকৃততে কিছুমান চুলিৰহে সমষ্টি। গড়ৰ বিভিন্ন অংগ প্ৰত্যংগৰ ঔষধীয় গুণ আছে বুলি এক অন্ধ বিশ্বাস মানুহে যুগ যুগ ধৰি মনত পুহি আহিছে। তাৰ ফলতে এই তৃণভোজী প্ৰাণীজাতৰ ওপৰত চোৰাং চিকাৰৰ মাত্ৰা দিনক দিনে বাঢ়ি আহিছে। বৰ্তমান অৰণ্যে ইহঁতৰ ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰা হৈছে।]

আকৌ জীৱ-জন্তু সমূহৰ প্ৰতি কৰা আমাৰ আচৰণৰ কথা ভাবিলেও দুখ লাগে। চিৰিয়াখানা সমূহত গড়াল একোটাৰ ভিতৰত জন্তু একোটা সুমুৱাই থোৱাই মহাপাপ। মানুহ একোজনক এসপ্তাহ মানৰ কাৰণে জেলত সুমুৱাই

থ লৈই হুলস্থূল লাগে। কিন্তু এই প্ৰাণীসমূহৰ কথা কোনে ভাবে? মুকলিকৈ ঘূৰি ফুৰা প্ৰাণী একোটাই বন্ধ কোঠাৰ ভিতৰত কি যন্ত্ৰনাত দিন কটায়—তাক হৃদয়ঙ্গম কৰে কোনে? কিন্তু তাতো জানো আমি সন্তুষ্ট থাকো? আমাৰ বহুতো দৰ্শকে জন্তু একোটাক খ চি কাটি জোকাই নলয় মানে শান্তি নাপায়।

বিজ্ঞানৰ পৰীক্ষা নিৰীক্ষাতো প্ৰাণীৰ প্ৰয়োজন হয়ঃ বিজ্ঞানৰ নানান পৰীক্ষা নিৰীক্ষাৰ কাৰণে গিনিপিগকে কেৱল ব্যৱহাৰ কৰা হয় বুলি আমি বহুতে ভাবো। পাছে বহুতো জন্তুকে এই পৰীক্ষা নিৰীক্ষাত ব্যৱহাৰ কৰা হয়। ইয়াৰ ভিতৰত বিলাতী এন্দুৰ আৰু বান্দৰেই প্ৰধান। নতুন নতুন ধৰণৰ চেম্প চুলিৰ ৰং চকুৰ চেলাউৰিৰ ৰং আদি পোন প্ৰথম বিলাতী এন্দুৰৰ গাতে পৰীক্ষা কৰি চোৱা হয়। তাৰ বাবে যদি সিহঁতৰ নোম সৰি যায় চকু কনা হৈ যায়—যাওক। বিভিন্ন ধৰণৰ ক্ৰীম তেল আদিও পৰীক্ষা কৰা হয় সিহঁতৰ গাতে। বান্দৰৰ মুখত নানা পাওদাৰ আৰু ওঠত নানা লিপষ্টিক লগাই পৰীক্ষা কৰা হয়। তাৰ বাবে সিহঁতৰ গাল যদি চিৰাল ফটা দিয়ে বা ওঠতো যদি ঘা লাগে—তাৰ প্ৰতিবাদ কৰোতা কোনো নাই। আনকি সেই লিপষ্টিক বা পাওদাৰে মানুহৰ কিবা অপকাৰ কৰে নেকি চাবলৈ তাৰে কিছুমান ঠেলি হে চি সিহঁতৰ পেটলৈও সমুৱাই দিয়া হয়। তেনেকৈও কিছু বান্দৰৰ মৃত্যু হয়। আমেৰিকাৰ বিজ্ঞানাগাৰ সমূহত বান্দৰৰ ওপৰত কৰা পৰীক্ষা সমূহতো আৰু জঘন্য। সিহঁতক জীয়াই জীয়াই গৰম পানীত ডুবাই দিয়া হয় গাত ইলেকট্ৰিক শ্বক লগাই দিয়া হয় আৰু বিভিন্ন ধৰণৰ বিহ আনকি বোমাৰ প্ৰভাৱো সিহঁতৰ ওপৰতে পৰীক্ষা কৰা হয়। এনে ধৰণৰ কামে জানো মানুহৰ মনুষ্যত্ব দাবী কৰিব পাৰে?

মানুহৰ অত্যাচাৰৰ পৰা গাহৰিও সাৰি নাযায়। গাহৰিৰ ঠৰঙা ঠৰঙ নোমবোৰ জীৱিত অৱস্থাতে টানি উলিয়াই আনি সেইবোৰেৰে বিভিন্ন ধৰণৰ বুৰুজ তৈয়াৰ কৰা হয়। এনে কৰাত গাহৰিটোৱে কম কষ্ট নাপায়? কিন্তু তাৰ কষ্টৰ কথা ভাবে কোনে? বৰঞ্চ নোমখিনি পুনৰ গজিলে সি আকৌ একে ধৰণৰ কষ্টকে মূৰ পাতি লব লগাত পৰে। ডাঙৰ ডাঙৰ বৰ ভেকোলাবোৰক সিহঁতৰ ছাল আৰু তপিনাৰ মঙহখিনিৰ কাৰণেই বধ কৰা হয়। কেকেটুৱা বধ কৰা হয় সিহঁতৰ নেজ ডালৰ কাৰণে। লাজুকী বান্দৰৰ চকুকেইটা আৰু হৃদপিণ্ডটো জীয়াই জীয়াই উলিয়াই অনা হয়। লাজুকী বান্দৰৰ এই দুয়োবিধ অংগ কামোদ্দীপক বুলি মিছা প্ৰচাৰ এটা চলি থকাৰ কাৰণেই এনে হৈছে। দুই চাৰিমহীয়া গৰু পোৱালীৰ পেটৰ কিছু অংশ কাটি আনি চিজ (cheese) তৈয়াৰ কৰাত ব্যৱহাৰ কৰা হয়। হাবিত থকা মৌ একোবাঁহ জুই জ্বলায়েই পুৰি পেলোৱা হয়। মানুহৰ নিষ্ঠুৰতাৰ নমুনা ইয়াতকৈ আৰু কি থাকিব পাৰে?

খাওঁৰ ভিতৰত গাহৰি পোৱালীয়ে উশাহ নিশাহ পায় জানো? উন্নত যান্ত্ৰিক সা-সৰঞ্জাম সমূহ প্ৰাণীসমাজৰ কাৰণে আৰু বিপদৰ কথা হৈ

পাৰিল। মানুহে নিজৰ সুখ ভোগৰ কাৰণেই যান্ত্ৰিকতাৰ সহায় লৈ নানান প্ৰাণীৰ উন্নত ফাৰ্ম খুলিবলৈ ল'লে। ইয়াতো দুখৰ কথা হ'ল মানুহৰ লাভালাভৰ ওপৰতে। প্ৰাণীৰ সা-সুবিধা সমূহ হৈ পৰিল গৌণ। জানিব পৰা গৈছে যে যুক্তৰাষ্ট্ৰৰ কিছুমান ঠাইৰ ফাৰ্মত হাজাৰ হাজাৰ কুকুৰা আন্ধাৰ ঠাইত সুমুৱাই থোৱা হয়। সেইবিলাকে ৰদ পোহৰ একোকে নাপায়। অকল সেয়ে নহয় কম ঠাইতে বেচি কুকুৰা ৰখাৰ কাৰণে হেঁচা ঠেলা খাই সিহঁতৰ মাজতে কাজিয়া লাগে আৰু তেনেকৈও দুই এটা মৰে। এইবোৰ জানো অমানবীয়তাৰে নিদৰ্শন নহয়? সৰু খাং একোটাত বহুতো হাঁহ পাৰ কুকুৰা ভৰাই থোৱা আমাৰ বহুতেই দেখিছো

চিত্ৰ নং—৩৮

[গাহৰি পোহনীয়া আৰু বনৰীয়া দুয়োটা অৱস্থাতে পোৱা যায়। ওপৰৰ চিত্ৰত এজাক বনৰীয়া গাহৰিয়ে মুকলি মনেৰে চৰি ফুৰা দেখা গৈছে। পৃথিৱীৰ বহুতো দেশৰ লোকে গাহৰিৰ মাংস খায়। আৰু সেই কাৰণেই সিহঁতৰ ওপৰত এক ভাল ব্যৱসায় চলে। কিন্তু তাকে কৰোতে উশাহ নিশাহ নোপোৱাকৈ মুখখন বান্ধি টোমত ভৰাই নিয়া অৱস্থাটো দেখিলেহে দুখ লাগে।]

গাহৰি পোৱালী ভৰোৱা খাংবোৰতো আৰু চমৎকাৰ। সিহঁতে খাঙৰ ভিতৰত গা পোনাবলৈকে ঠাই নাপায়েই, উশাহ নিশাহ ল'বলৈও কষ্ট পায়। মানুহৰ নিষ্ঠুৰতাৰ উদাহৰণ ইয়াতকৈ আৰু কিবা লাগে জানো? এইখিনিতে প্ৰশ্ন হয়—পৃথিৱীৰ সমস্ত প্ৰাণীৰ ওপৰত আধিপত্য চলাবলৈ মানুহে অধিকাৰ ক'ত পালে? দ্বিতীয়তে এই বিনন্দীয়া প্ৰাণী সমূহৰ সৃষ্টি কি মানুহৰ সুখভোগৰ কাৰণেই হ লনেকি?

আধুনিক সভ্যতা মুৰৰহে সৃষ্টি অন্তৰৰ নহয়ঃ স্কুল কলেজ বিশ্ব বিদ্যালয় চিকিৎসা বিজ্ঞানৰ অনুষ্ঠান আৰু বিভিন্ন ধৰণৰ গৱেষণাগাৰ সমূহো বহুতো প্ৰাণীৰ বলিশাল হৈ পৰিছে। এইবিলাকৰ কিছুমানত প্ৰাণীবিদ্যা বা শৰীৰ তত্ব শিকোৱাৰ নামতে বছৰি যথেষ্ট সংখ্যক প্ৰাণী বিচ্ছেদনকৰি মৃত্যুৰ মুখত পেলোৱা হয়। মানুহৰ স্বাৰ্থতেই বিভিন্ন ঔষধ পৰীক্ষা কৰাৰ কাৰণেও ইহঁতেই জীৱন উচৰ্গা কৰিব লগাত পৰে। এইবোৰ দেখি শুনিয়েই এবাৰ এগৰাকী প্ৰকৃতিবিদে কৈছিল— মানুহৰ আধুনিক সভ্যতা কেৱল মূৰৰহে সৃষ্টি অন্তৰৰ নহয়। মানুহে প্ৰতিষেধক হিচাবে ব্যৱহাৰ কৰা বিভিন্ন বেজি বা টিকাৰ ঔষধবোৰ কোনোবা নহয় কোনোবা প্ৰাণীৰ পৰাই লোৱা হয়। ইও প্ৰাণীৰ ওপৰত কৰা শোষণৰে নমুনা।

আমাৰ মানুহৰ সমাজত শীত আৰু তাপৰ পৰা ৰক্ষা পৰিবলৈ নানান ব্যৱস্থা আছে। গৰম কাপোৰ কোঠা উত্তাপক যন্ত্ৰ শীততাপ নিয়ন্ত্ৰিত ব্যৱস্থা আদি শীত নিবাৰণৰ নানা কৌশলেই আমি প্ৰয়োগ কৰো। কিন্তু প্ৰাণীসমূহে কি কৰে? কোনোবাটো হয়তো গাঁতত সোমায় কোনোবাটো গৰম ঠাই বিচাৰি দেশান্তৰীয়েই হয় আৰু কোনোবাটো গাৰ নোমাল পোষাকটো লৈয়েই সন্তুষ্ট। কিন্তু তাকো আমাৰ বহুতে সহিব নোৱাৰো। শীতনিবাৰণৰ একমাত্ৰ অস্ত্ৰ সিহঁতৰ গাৰ নোমখিনিও ছাল কাঢ়ি আমাৰ নিজৰ গৰম বস্ত্ৰ তৈয়াৰ কৰি লওঁ। তাতোকৈও লাজৰ কথা আমাৰ কোনে কিমান দামী নোমৰ কাপোৰ লৰ পৰিছো—তাক লৈ প্ৰতিযোগিতা কৰো গৌৰৱ কৰো। আনকি এই নোম আৰু ছালখনৰ কাৰণে বহুতো জন্তুক মাৰিয়েই পেলোৱা হয়। মৰাৰ ধৰণো আকৌ অদ্ভুত। হয় ফান্দ পাতি নহয় গাঁত খান্দি বিহু দি খুঁচি বা গুলিয়াইয়েই বেচি ভাগ প্ৰাণী বধ কৰা হয়।

কাছৰ পিঠিত জুইৰ অঙঠা আমাৰ যি সকল লোকে বিভিন্ন জন্তুৰ ছাল শিং, খজ্ঞ দাঁত সাপৰ ছাল কাচৰ চলং আদিৰ পৰা তৈয়াৰ কৰা বিভিন্ন সামগ্ৰী নিজৰ গাত আঁৰি লৈ সৌন্দৰ্য্য বৰ্দ্ধনৰ চেষ্টা কৰে তেওঁলোক কেতিয়াবা খন্তেক লৈ হলেও ভাবেনে—এই প্ৰাণীসমূহ কি দৰে বধ কৰা হয়? ডাঙৰ ডাঙৰ কাছবোৰৰ চলঙৰ ওপৰত গৰম অঙঠা দি দিয়া হয়। তেতিয়া কাছই চলঙৰ কাষ কেইটা ওপৰলৈ কৰি বাতি একোটাৰ দৰে কৰি দিয়ে। সেই সুযোগতে কটাৰিৰ সহায়ত চলঙৰ তলত থকা মঙহৰ পৰা চলংখন কাটি এৰুৱাই আনিবলৈ সুবিধা পায়। অৱশ্যে মঙহৰ পৰা চলংখন এৰুৱাওঁতে খুব সাৱধানে আনে। কাৰণ, কাছটো জীয়াই ৰাখিলেহে তেওঁ বেচি লাভবান হব। চলংখন এৰুওৱাৰ পাছত কাছটো পুনৰ পানীত মেলি দিয়া হয়। চুলি খুড়োৱাৰ পাছত আমাৰ মূৰত পুনৰ চুলি গজাদি সেই চলংবিহীন কাছৰ পিঠিতো নতুনকৈ চলং এখন গজি উঠে। তাৰ মানে তাৰ পিঠিত আকৌ গৰম অঙঠা। এনে নিষ্ঠুৰ অত্যাচাৰ একোটা কাছৰ ওপৰত কেইবা-বাৰো চলে।

ঘোঁৰা গাড়ীৰ মালিক এজন, মাজত দালাল এজন আৰু চলাওঁতা এজন ঃ বনৰীয়া প্ৰাণীৰ কথাতো বাদেই ঘৰচীয়া প্ৰাণীয়েই মানুহৰ হাতত কিমান জীয়াতু ভুগিব লাগে—ভাবিলে আচৰিত লাগে। অথচ সেইবিলাক প্ৰাণীৰ পৰা মানুহে যথেষ্ট উপকাৰো পায়। কিছু বছৰৰ আগৰ কথা। এজন বিদেশী পৰ্য্যটকে বোম্বাইৰ এখন ঘোঁৰা গাড়ীত উঠাৰ পাছত তেওঁৰ কেনে ধৰণৰ অভিজ্ঞতা হৈছিল—তাকে এঠাইত সুন্দৰ ভাবে বৰ্ণনা কৰিছে। পৃথিৱীৰ বহুতো নগৰত নাইকিয়া হৈ পৰা ঘোঁৰা গাড়ী এখন বোম্বাইত দেখি তেওঁ বৰ আনন্দ পালে। কিন্তু ঘোঁৰাটোৰ অৱস্থা দেখি তেওঁৰ সেই আনন্দ মুহূৰ্ত্তৰ ভিতৰতে ম্লান হৈ পৰিল। ধূলি বালি আৰু বোকাৰে লেতেৰা হৈ থকা আৰু কামি হাড় লেখিব পৰা ঘোঁৰাটো দেখি তেওঁ হতাশ হৈ পৰিল। গাড়ীচালক জনক সোধ পোচ কৰিলত গম পালে যে নগৰত ঘোঁৰাৰ গা ধুৱাবৰ কাৰণে কোনো ব্যৱস্থাই নাই। দুই এঠাইত থাকিলেও সেইখিনি ইতিমধ্যে মানুহে মলমূত্ৰ ত্যাগ কৰি নষ্ট কৰি থয়। তেওঁ আৰু গম পালে যে টেক্সি বা অট' বিক্সাত নিৰ্দ্দিষ্ট সংখ্যক মানুহহে উঠে। কিন্তু ঘোঁৰা গাড়ীত তেনে নিয়ম নাই। পান জপাদি জাপিলেও কওঁতা কোনো নাই। ঘোঁৰাগাড়ীৰ মালিক এজন মাজত দালাল এজন আৰু গাড়ী চলাওঁতা এজন। প্ৰত্যেকেই কোনে কিমান বেচি ধন পাব—সেই লৈ ব্যস্ত। নিমাখিত ঘোঁৰাটোৰ কথা ভাবিবলৈ কেও নাই। ফলত ঘোঁৰাৰ ফালে পৰালি পৰে। এটা সময়ত হয়তো আদ বয়সত মৰিয়েই থাকে। পৰ্য্যটকজনে ভাৰতীয় মানুহৰ প্ৰাণী প্ৰেমৰ চানেকি এখন এনেকৈযে বৰ্টলি ললে।

গাখীৰ নিদিয়া গাই গৰুলৈ চাওঁতা কোনো নাই ভাৰতত পোহনীয়া গৰু মহ বোৰৰো সেই একেই অৱস্থা। হালবোৱা গাড়ীটনা আদি কামত ব্যৱহাৰ কৰাৰ উপৰিও ইহঁতৰ ছাল শিং আদিও বিভিন্ন কামত লগোৱা হয়। তদুপৰি গাই গৰু আৰু মাইকী মহৰ পৰাই আমাৰ নিত্য প্ৰয়োজনীয় গাখীৰ কনো পাওঁ। তথাপি ইহঁতকো খুব ভালদৰে প্ৰতিপাল কৰা হয় বুলি ভাবিলে ভুল হব। হালবোৱা আৰু গাড়ীটনা গৰু ও অনাহাৰে বা অৰ্দ্ধ াহাৰে থকাৰ উদাহৰণ আমাৰ সমাজত অনেক আছে। দেখা গৈছে যে সকলো কথাতে মানুহৰ উদ্দেশ্য এটাই আৰু সেয়ে হ'ল অৰ্থ উপাৰ্জন। গৰু মহৰ হতুৱাই গাড়ী টনোৱায়েই হওক বা হাল বোৱায়েই হওক—অৰ্থ উপাৰ্জন কৰিব পাৰিলেই হয় তেহেলৈ গৰু ম'হৰ অৱস্থা যিয়েই নহওক। গাখীৰ নিদিয়া সময়ত গাই গৰুৰ (বিশেষকৈ নগৰত) অৱস্থাও কাহিল হয়। বহুতো নগৰীয়া লোকে সেই সময়ছোৱাত খাবলৈতো একো নিদিয়েই গোহালিতো বান্ধিবলৈ এৰে। ৰাতি জাক পাতি পাতি নগৰৰ তিনি আলি চাৰি আলিবোৰত শুই থকা গৰুৰ জাকবোৰলৈ চালেই এই কথাৰ প্ৰমাণ পাব পাৰি। গৰু মহ বন্ধা গোহালিবোৰৰো অৱস্থা দুখলগা।

মানুহে চাই আনন্দ পোৱা কুকুৰা যুঁজ বা ম'হ যুদ্ধ আদিৰণো পৰিণতি কি ? হয় কোনোবাটোৱে আঘাত পায় আৰু নহয় মৃত্যুকে বৰণ কৰিব লগাত পৰে।

আমাৰ সমাজত ধৰ্মৰ নামত চলি অহা জন্তু বলি দিয়া প্ৰথাটোও জানো বেদনা দায়ক নহয়? আনক মাৰি বা কষ্ট দি বংশ পোৱাটো বা নিজ স্বাৰ্থৰ হকে বোবা প্ৰাণী এটাক বলিশালত তোলাটো জানো ভাল কথা? মানৱ জাতিৰ সভ্যতাৰ নিদৰ্শন এইবোৰেইনেকি?

ফাঁচী ল'বলৈ প্ৰাণীৰ অপৰাধ ক'ত? আকৌ বজাৰত শাৰী শাৰী ওলোমাই থোৱা ছাগলী গাহৰিবোৰৰ কথা ভাবকচোন? আমাৰ সমাজত কোনোবাই গুৰুতৰ অপৰাধ কৰিলেও কেতিয়াবা কাচিতহে ফাঁচীৰ হুকুম হয়। তাতো কোনোবাই ইচ্ছা কৰিলে আইনৰ সৰ্বস্তৰ বিচাৰৰ আবেদন কৰিব পাৰে। কিন্তু এই প্ৰাণীবোৰে কি এনে গুৰুতৰ অপৰাধ কৰিলে যে হালে হালে সাঙুৰি আনি ফাঁচী কাঠত ওলোমাব লগা হ'ল। গাওঁ নগৰ আদিৰ কথা বাদেই বহুতো প্ৰাণীয়ে হাবিত লুকাই চুৰকৈ থাকিও মানুহৰ অত্যাচাৰৰ পৰা হাত সাৰিব পৰা নাই। অৱশ্যে দুই এজনে মৰমতে দুই এটা বনৰীয়া চৰাই বা জন্তু পোহাৰ উদাহৰণো নথকা নহয়। এনে চৰাই চিৰিকতি বা জন্তুৱে নিজৰ স্বাধীনতা কণ হেৰুৱালেও বেচ সুখে সন্তোষেৰেই থাকে।

চোকিযাপতীয়া বাঘ আৰু সিংহ এই দুয়োজাত প্ৰাণী চিকাৰ কৰাৰ চলিত পদ্ধতি ঘাইকৈ দুটাই। এই দুয়োটা পদ্ধতিতে চিকাৰীৰ বিশেষ ভয় নাথাকে। প্ৰথম পদ্ধতিত গৰু বা মহৰ পোৱালী এটা ডিঙিত ঘণ্টা এটা আঁৰি হাবিৰ মাজত বান্ধি থোৱা হয়। চিকাৰীজনে ওচৰতে গছৰ ওপৰত চাং এখন সাজি বন্দুক বাৰুদ লৈ চোপ দি বহি থাকে। দ্বিতীয় পদ্ধতিতো আৰু সহজ নিৰাপদো। গাড়ী এখনৰ ওপৰত স্পট লাইট এটা জ্বলাই চিকাৰীয়ে হাবিৰ মাজত গাড়ীত ঘূৰি ফুৰে। যেতিয়াই ঘূৰি ফুৰা বাঘ বা সিংহ একোটাৰ চকুত এই লাইট পৰে তেতিয়াই ই কণা মনা লাগি থমকি ৰৈ দিয়ে। সেই মুহূৰ্ত্ততে চিকাৰীয়ে গুলিয়াই মাৰে। এবাৰ এজন বৃটিছ বিষয়াই হেনো এই দ্বিতীয় পদ্ধতিটোৰ সহায়ত ৩২২ টা সিংহ গুলিয়াই মাৰিছিল। আন এগৰাকী সামৰিক বাহিনীৰ বিষয়ায়ো ১২০ টা সিংহ বধ কৰিছিল বুলি এটি টোকাত লেখি থৈ গৈছে।

প্ৰাণীৰ প্ৰতি শ্ৰদ্ধা মানে জীৱনৰ প্ৰতিও শ্ৰদ্ধাঃ নৃশংসভাৱে প্ৰাণী হত্যা কৰাৰ উদাহৰণ সমূহ প্ৰচাৰ কৰাৰো প্ৰয়োজন নোহোৱা নহয়। এচাম চক্ৰান্তকাৰী অবৈধ চিকাৰী আৰু অসৎ ব্যৱসায়ীৰ বাহিৰে এইবিলাক কথা আমাৰ সাধাৰণ মানুহচামৰ বেছিভাগেই নাজানে। এওঁলোকক সচেতন কৰি তোলাটো আমাৰ কৰ্তব্য। প্ৰাণীৰ প্ৰতি শ্ৰদ্ধা মানে প্ৰকৃততে জীৱনৰ প্ৰতিও শ্ৰদ্ধা। যি আনৰ জীৱন ভাল নাপায় তেওঁ নিজৰ জীৱনটোকেই বা কিমান ভাল পায়— সন্দেহৰ কথা। প্ৰাণীহত্যাত অতীষ্ঠ হৈ এবাৰ এগৰাকী প্ৰকৃতিবিদে এনেকৈয়ে কৈছিল যে প্ৰাণীসমূহৰ দুখ বেদনাৰ এশভাগৰ একভাগো যদি মানুহে হৃদয়ঙ্গম কৰিব পাৰিলেহে তেন্তেতো তেওঁ জন্তু মাৰি খোৱাতকৈ সদায় পেটেই থাকিলে

হৈছেন। প্ৰাণীৰ ক্ষেত্ৰত সকলো ধৰ্মৰ মতো এটাই যে সিহঁতক স্নেহৰ চকুৰে চাব লাগে আৰু ৰক্ষণাবেক্ষণ দিব লাগে। মহাপুৰুষ শংকৰদেৱেও কুকুৰ চণ্ডাল গৰ্দভৰো আত্মাৰাম বুলি কৈ প্ৰাণীপ্ৰেমৰ কথা মানুহক সোঁৱৰাই থৈ গৈছে। সম্ৰাট অশোক আৰু জাতিৰ পিতা গান্ধীজীৰ দৰ্শনতো সেই কথা স্পষ্ট। বৰ্ত্তমান যুগতো ক্লেভলেণ্ড এমৰি আৰু থবিয়াওৰ দৰে প্ৰখ্যাত প্ৰাণী প্ৰেমিকৰ জন্ম হৈছে। থ'ৰিয়াওৰ হেনো ভৰিত সাপে মেৰিয়াই থাকে আৰু পানীত হাতখন দিলেই মাছ আহি হাতৰ তলৰ পাইহি। সকলো প্ৰাণীয়েই তেওঁৰ ইমান বশ্য যে বিভিন্ন জাতৰ প্ৰাণী তেওঁৰ পাছে পাছে ঘূৰি ফুৰে। আমাৰ ভাৰততো ড চালিম আলি ডাঃ ৰবীন বেনাৰ্জী আৰু যতীন খাওন্দৰ দৰে প্ৰাণী প্ৰেমিক আছে। খাওন্দৰ প্ৰচাৰ কম কিন্তু তেওঁৰ খোৱা টেবুলত হেনো কাউৰী শালিকা ঘৰচিৰিকা আদি বিভিন্ন চৰায়ে জমপাতি ধৰে আৰু কিবা এটা খাবলৈ নাপায় মানে আঁতৰি নাযায়।

লোকৰ মাংস খাই জীয়াই থকাতকৈ মৃত্যুৱেই শ্ৰেয় • বাৰ্ণাড শ্বৰ দৰে লোকেও প্ৰাণীহত্যা সমৰ্থন ভাল নাপাইছিল। তেওঁ কেতিয়াও কোনো প্ৰাণীৰ মাংস নাখাইছিল। তেওঁৰ মতে লোকৰ মাংস খাই জীয়াই থকাতকৈ মৃত্যুৱেই শ্ৰেয়। আনকি তেওঁ মৃত্যু চনদত এনেকৈও লেখি থৈ গৈছিল যে তেওঁৰ শৱ যাত্ৰাত যেন গাত চাদৰ একোখন মেৰিয়াই বিভিন্ন প্ৰাণীৰ সমদল এটা বাহিৰ কৰা হয়। জীৱ জন্তু কটা মৰা দেখি দেখিয়েই তেওঁ হেনো প্ৰাণীৰ প্ৰতি সহানুভূতিশীল হৈ পৰিছিল। তেওঁৰ মতে জীৱহত্যাই মানুহক যুদ্ধৰ প্ৰতি মতলীয়া কৰি তোলে আৰু নৈতিকতাৰ স্খলন ঘটায়।

বিশ্বৰ বাবে বৰণীয়া আৰু আপবণীয়া প্ৰাণীসমূহ ৰক্ষা কৰাৰ উদ্দেশ্যে চৰকাৰেও কিছু ব্যৱস্থা নোলোৱা নহয়। প্ৰাণীনিধন আৰু সিহঁতৰ ওপৰত কৰা অমানুষিক অত্যাচাৰ বন্ধ কৰিবলৈ দুই এখন আইনো পাছ কৰা হৈছে। তাৰ কাৰণে আইনৰ ৰক্ষকো নিয়োগ কৰা হৈছে। তথাপি প্ৰাণীৰ ওপৰত কৰা অমানুষিক অত্যাচাৰ কমা নাই। কমাৰ সম্ভাৱনাও নাই। অশিক্ষিতৰ কথা বাদেই আমাৰ শিক্ষিত সকলৰো মত এই বিষয়ত একে নহয়। মাংস আৰু মদকে প্ৰধান আহাৰ কৰিবলৈ বিচৰা এচাম লোকো আমাৰ সমাজত আছে। নিজৰ ল'ৰা ছোৱালী বা তিৰোতাজনীক কাটি পেলাবলৈ সত যোৱা লোকসকলৰ কাৰণে প্ৰাণী একোটা বধ কৰাটো কোনো কথাই নহয়। যন্ত্ৰৰ দানবিক শক্তিৰে মতলীয়া হোৱা কেইজনৰ দৃষ্টিও কুকুৰীকনাৰ দৰে। লোভ, মোহ সৌন্দৰ্যত ডুব গৈ থকা সকল নিজক লৈয়েই ব্যস্ত। চোৰাংচিকাৰী সকলৰ কাৰণে প্ৰাণী হনন ধন ঘটাৰ আহিলা। প্ৰাণীৰ ত্ৰাণকৰ্ত্তা বুলি ভবা আইনৰ ৰক্ষক সকলো ঠায়ে ঠায়ে ব্যৱসায়ী সকলৰ লগ লাগিছে।

অৱশ্যে এইটোও ঠিক যে চিকাৰ কৰা লোক সকলৰ বেছিভাগেই জীৱিকা

অৰ্জনৰ উদ্দেশ্যেই এই কামত হাত দিয়ে। এওঁলোকৰ পাছত যি সকল ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় ব্যৱসায়ী থাকে তেওঁলোক হ বেচি মাৰাত্মক। দ্বিতীয় দোষী হল—কৰ্ম ভোগ বিলাসত মত্ত হৈ থাকিব খোজা আমাৰ এচাম তথাকথিত সম্ভ্ৰান্ত লোক। প্ৰশ্ন হল—এই নিৰপৰাধী প্ৰাণীসমূহৰ বাহিৰে জীৱিকাৰ আন পথ নাইনে আৰু ইহঁতৰ অংগ প্ৰত্যংগ কেইপদৰ বাহিৰে ভোগ বিলাসৰ সামগ্ৰী নাই? আনক হত্যা কৰি আনন্দ পোৱাটো বা তাৰ বিনিময়ত জীয়াই থকাটো মানবীয়তাৰ লক্ষণ হব নোৱাৰে। সেইকাৰণেই দুই এগৰাকী প্ৰকৃতিবিদে ক'ব খোজে যে চিকাৰ কৰাটো কোনোবাই যদি কেৱল চখ হিচাবেই লয় তেন্তে তেওঁ বন্দ কৰ সলনি কেমেৰাৰেও দেখোন চিকাৰ কৰিব পাৰে। প্ৰাণীটোৰো মৃত্যু নহয় আৰু তাৰ সজীৱ ফটো এখনো থাকি যায়।

বন্যপ্ৰাণী নিধন আৰু সংৰক্ষণ

এবাৰ এগৰাকী প্ৰকৃতিবিদে বন্যপ্ৰাণী নিধনত অতিষ্ঠ হৈ এনেদৰে কৈছিল— 'আমাৰ ম'হৰ দৰে শিং নাথাকিব পাৰে তথাপি আমি শিঙাল হাতীৰ দৰে দাত নাথাকিব পাৰে তথাপি আমি দ তাল বাঘৰ দৰে নখ নাথাকিব পাৰে তথাপি আমি নখাল আৰু সাপৰ দৰে আমাৰ বিষো নাথাকিব পাৰে তথাপি আমি বিষাল।" প্ৰকৃতিবিদ গৰাকীৰ এই কথাখিনিৰ যুক্তি নথকা নহয়। মানুহৰ মাৰাত্মক অস্ত্ৰশস্ত্ৰ সমূহৰ তুলনাত জীব-জন্তুৰ শিং দাঁত নখ বা বিহ আদি একোৱেই নহয়। আন প্ৰাণীৰ তুলনাত মানুহৰ বুদ্ধি বৃত্তি বেচি আৰু কাৰিকৰী জ্ঞানতো পৈণত। গতিকে যি কোনো এটা প্ৰাণী যি কোনো এপাত অস্ত্ৰেৰে বধ কৰাটো মানুহৰ কাৰণে তেনেই সাধাৰণ কথা। কিন্তু হত্যাকাৰী জনক যদি সেই প্ৰাণীটো পুনৰ সৃষ্টি কৰিবলৈ কোৱা হয় তেওঁ পাৰিবনে? নিশ্চয় নোৱাৰে। সৃষ্টিৰ ক্ষমতা নথকা মানুহ একোজনৰ ধ্বংশ কৰাৰ নৈতিক অধিকাৰ থাকেনে? মানুহে ইছা কৰিলে বা প্ৰয়োজন হ'লে একোখন ডাঙৰ দলং একোটা ডাঙৰ পকীঘৰ বা একোখন উৰাজাহাজ নিমিষৰ ভিতৰতে ভাঙি চুৰমাৰ কৰি দিব পাৰে। কাৰণ সেইবিলাক পুনৰ সেই একে ৰূপতে সাজি লোৱাৰ ক্ষমতা মানুহৰ আছে। কিন্তু জীৱজগতত এটা সাধাৰণ প্ৰাণী সৃষ্টি কৰিবলৈও মানুহ আজিকো পতি সক্ষম হোৱা নাই। দুখৰ কথা যে আমাৰ প্ৰাণীবধী সকলে এই চৰম সত্যটোকে উপলব্ধি কৰিবলৈ চেষ্টা নকৰে। জীৱ সৃষ্টিৰ ক্ষেত্ৰত অতি গোড়া বিজ্ঞানীসকলেও কব খোজে যে জীৱ সৃষ্টি হয়তো একালত সম্ভৱ হব পাৰে কিন্তু আজিৰ প্ৰাণীসমূহক এই ৰূপতে সৃষ্টি কৰাটো কোনো কালেই সম্ভৱ নহব।

যোৱা তিনিশ বছৰত তিনিশ মেৰুদণ্ডী প্ৰাণী লুপ্ত হ'ল ° যোৱা তিনিশ বছৰত মানুহে যিমান উদ্ভিদ আৰু প্ৰাণী ধ্বংশ কৰিলে তাৰ আগৰ কোনো কালতেই সিমান উদ্ভিদ আৰু প্ৰাণী ধ্বংশ হোৱা নাছিল। আনকি যি সময়ত ডাইনচাউৰৰ দৰে প্ৰাণী লুপ্ত হৈছিল তেতিয়াও প্ৰতি এহেজাৰ বছৰত এজাত মান প্ৰাণীহে লুপ্ত হৈছিল। কিন্তু ১৬৮০ চনত দদ নামৰ চৰাই জাত লুপ্ত হোৱাৰ পাছৰে পৰা যোৱা তিনিশ বছৰত প্ৰায় তিনিশ মান জাতৰ মেৰুদণ্ডী প্ৰাণী পৃথিৱীৰ পৰা লুপ্ত হ ল। বিজ্ঞানী সকলে কৰা ভৱিষ্যত বাণী আৰু ভয় লগা। তেওঁলোকৰ মতে যোৱা তিনিটা শতিকাত যিমান প্ৰাণী লুপ্ত হ'ল আগন্তুক এটা শতিকাতে হেনো তাতোকৈ বেচি প্ৰাণী লুপ্ত হ'ব।

সকলো প্ৰাণীৰ ধ্বংশৰ মূলতেই হ ল মানুহ। যি দেখা গৈছে অনাদি কালৰে

পৰা মানুহে কেৱল ধ্বংশ কৰিয়েই আহিছে। খ্ৰঃ পূঃ ৭০০০ চনৰে কথা। কলেৰাডোৰ এটা অঞ্চলত এটা ভাৰতীয় জনজাতি বাস কৰিছিল। তেওঁলোকৰ প্ৰিয় খাদ্য আছিল মেঠোনৰ মঙহ। তেওঁলোকৰ একোজাক মেঠোন পাহাৰৰ ঠিয় গড়াৰ ওচৰলৈ খেদি লৈ গৈছিল। মেঠোনবোৰ ঠিয় গড়াত উঠিব নোৱাৰি এটাৰ ওপৰত আনটো পৰি গৈছিল আৰু এনেকৈয়ে মৃত্যুৰ মুখত পৰিছিল। এবাৰ হেনো এনেকৈ খেদি কুৰিয়েই ১৯০টা মেঠোনক মৃত্যুৰ মুখত পেলাইছিল। অথচ তেওঁলোকে হেনো তাৰে ৪০ টা মান মেঠোনৰ মঙহহে খাব পাৰিছিল। বাকীবিলাক তাতেই গেলি পচি গৈছিল।

১৯২২ চনতে এজাত সিংহ নাইকিয়া হ'ল একালত ৰোমান সাম্ৰাজ্যত বাৰবাৰী (Barbary) নামৰ সিংহ এজাতে হেনো বহুতকে মৃত্যুৰ মুখত পেলাইছিল। আন সিংহৰ তুলনাত ইহঁত আকাৰত ডাঙৰ আছিল। তদুপৰি ইহঁতৰ মতাবোৰৰ দীঘল দীঘল কেশৰবিলাক হেনো শৰীৰৰ আধাভাগ জুৰি আছিল। পাছে এটা সময়ত ইহঁতৰ ভয়ংকৰ আৰু নোমাল চেহেৰালৈও মানুহে ভয় নকৰা হ'ল ফৰাচী আৰু আৰবৰ চিকাৰী সকলে ইহঁতক চিকাৰ কৰাত লাগিল। ইফালে জধে মধে হাবি জংঘল কাটিবলৈ লোৱাত থকা ঠাইৰ পৰিমাণো কমি আহিল। ১৯২২ চনত আটলাচ পৰ্বতত মৰা সিংহটোৱেই বোধ হয় এইজাতৰ শেষ সিংহ।

এতিয়া আমাৰ ভাৰতীয় সিংহৰ কথালৈ আহোঁ। একালত কাথিৱাৰৰ গিৰ অভয়াৰণ্যখন খুব ভালদৰে সংৰক্ষিত কৰা হোৱা নাছিল। অথচ ভাৰতীয় সিংহ কেৱল সেইখন অভয়াৰণ্যতহে আছিল। অভয়াৰণ্যখনৰ মাজে মাজে মালধাৰী নামৰ এক জনগোষ্ঠীৰ লোক বাস কৰিছিল। তেওঁলোকে গছবন কাটি অভয়াৰণ্যখনটো টকলা কৰিছিলেই তাত থকা বহুতো বন্যজন্তু মাৰি খাবলৈও লৈছিল। ফলত সিংহৰ কাৰণে খাদ্যৰ নাটনি হৈছিল। অকল সেয়ে নহয়—সিংহ একোটাই যেতিয়া কৃষ্ণসাৰ বা মহ একোটা চিকাৰ কৰে আৰু তেনে ঘটনা মালধাৰী সকলৰ চকুত পৰে তেওঁলোকে দলবান্ধি জাঠী জোং লৈ সিংহটো খেদি যায়। ফলত সিংহটোৱে সেই চিকাৰ মুখৰ পৰা পেলাই দৌৰ মাৰিব লগাত পৰে। ইফালে মালধাৰী সকলে সিংহই পেলাই থৈ যোৱা চিকাৰকে ভাগ বতৰা কৰি খায়। এবাৰ এটা সমীক্ষা চলাই জানিব পৰা হৈছিল যে সিংহৰ প্ৰতি পাঁচোটা চিকাৰৰ ভিতৰত দুটা মালধাৰী সকলেই থপিয়াই লৈ যায়। এনেবিলাক কাৰণতে এসময়ত সিংহৰ সংখ্যা একেবাৰে কমি আহিছিল।

হাতীৰ দাঁত যোৱাই শত্ৰু হাতীৰ দাঁতৰ পৰা বিভিন্ন ধৰণৰ সামগ্ৰী আৰু আ অলংকাৰ তৈয়াৰ কৰা হয়। সেয়ে হাতীৰ দাঁত যোৱাৰ কাৰণেই বনাঞ্চল সমূহত লুকাই চুৰকৈ হাতী বধ কৰা হয়। পেৰিছৰ প্ৰাকৃতিক বুৰঞ্জী মিউজিয়ামৰ অধ্যাপক জিন দৰ্ষ্টৰ মতে ১৮৬০ চন মানৰ পৰা গ্ৰেট বৃটেইনে বছৰি চাৰে পাঁচ লাখ

টন মান ওজনৰ হাতীদাঁত আমদানি কৰি আহিছে। তেওঁ ইয়াকো কৈছে যে ডাঙৰ দাঁত থকা বয়সীয়া হাতীৰ সংখ্যা কমি অহাৰ লগে লগে সেই একে পৰিমাণৰ হাতীৰ দাঁত ৰপ্তানি কৰিবলৈ এছিয়া আৰু আফ্ৰিকাৰ বনাঞ্চলসমূহত অধিক পোৱালী বা কম-বয়সীয়া হাতী বধ কৰিব লগা হৈছে। তেওঁ কোৱা মতে ১৮৮০ চনৰ আগে পাছে বছৰ কেইটাতে ইউৰোপলৈ হাতী দাঁত ৰপ্তানি কৰিবলৈকে আফ্ৰিকা আৰু এছিয়াৰ বনাঞ্চল সমূহত বছৰি ৬০ৰ পৰা ৭০ হাজাৰ মান হাতী বধ কৰা হৈছিল।

একালত এচিয়া ইউৰোপ আৰু আমেৰিকাৰ উত্তৰে সমূদ্ৰৰ প্ৰায়বিলাক ঠাইতে নৰহোৱাল (Narwhal) নামৰ এজাত তিমিমাছ অপৰ্য্যাপ্ত পৰিমাণে পোৱা হৈছিল। এতিয়া কিন্তু ইহঁতৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাবলৈ লৈছে। ইয়াৰো এক কাৰণ আছে। আন তিমিমাছৰ দৰে ইহঁতৰো ভ্ৰূণ অৱস্থাতেই দাঁত গজিবলৈ লয়। কিন্তু আচৰিত কথা যে জন্মহোৱাৰ আগতেই প্ৰায় সকলো দাঁত সৰি পৰে। কেৱল মাত্ৰ ওপৰ পাৰিৰ আগ দাঁত দুটাহে থাকেগৈ। এই আগদাঁত দুটাৰে এটা হাতীৰ দাঁতৰ দৰে বাঢ়ি গৈ থাকে। তিমিমাছটো ১৬ ফুট মান দীঘল হ'লে দাঁতটো দীঘে হয়গৈ ৮ ফুট মান। দেখাত এনেহে লাগে যেন মুখত দীঘল বাঠী এপাতহে ভৰাই থোৱা হৈছে। দাঁতটোৰ কাম কি—তাকো কোৱা টান। কাৰণ ইয়াৰে মাছ মাৰিব নোৱাৰে আৰু আনহাতে আত্মৰক্ষাতো বিশেষ সহায় নকৰে। কিন্তু এনে দীঘল দাঁত কেৱল মতাবিলাকৰহে থাকে। তাৰ পৰা অনুমান হয় যে ই হয়তো তিৰোতাজনীকেই আকৰ্ষণ কৰে। পাছে দাঁতটোৰ পৰাই তিমিমাছ জাতৰ বিপদো হৈছে। ইহঁতৰ দাঁতটো হাতীৰ দাঁতৰ দৰেই। গতিকে দাঁতটোৰ কাৰণেই চিকাৰী সকলে এই তিমি মাছ যথে মধে চিকাৰ কৰিবলৈ লৈছে আৰু ফলত ইহঁতৰ সংখ্যা দিনক দিনে কমি আহিছে।

জিৱালস্কিৰ ঘোঁৰা (Przewalskis horse) এতিয়াও বনৰীয়া অৱস্থাত এজাত ঘোঁৰা পোৱা যায়। ঘোঁৰাজাতৰ নাম জিৱালস্কিৰ ঘোঁৰা। একালত বিভিন্ন ঠাইত পোৱা এই ঘোঁৰাজাত বৰ্ত্তমান মঙ্গোলিয়া আৰু চীনৰ মাজৰ গোবি মৰুভূমিৰ এটা সৰু অঞ্চলতহে কেৱল আছেগৈ। ৬৫০ বৰ্গ কিলোমিটাৰৰ এই অঞ্চলটোত এই জাতৰ কিমান ঘোঁৰা আছে—সঠিককৈ কোৱা টান। কিন্তু ইহঁতৰ সংখ্যা যে ক্ৰমাৎ কমি আহিছে ই ধ্ৰুপ। চোৰাং চিকাৰী বা বেমাৰ আজাৰৰ উপৰিও ইহঁতৰ সংখ্যা কমি অহাৰ মূল কাৰণ হ'ল সেই অঞ্চলত থকা অধিবাসীসকল। মৰুভূমি অঞ্চলত এনেয়ে পানী পোৱা নাযায়। তাতে অ'ত ত'ত যি দুই এটা পানীৰ উহ আছে তাকো অধিবাসীসকলে নিজৰ পোহনীয়া জীৱ জন্তুৰ কাৰণে ঘেৰি থয়। গতিকে খাইকৈ পানীৰ অভাৱৰ কাৰণেই ইহঁতৰ বহুতে মৃত্যুবৰণ কৰিবলগাত পৰিছে।

প্ৰায় সকলো স্তন্যপায়ী প্ৰাণীৰে দাঁত থাকিলেও জায়েন্ট এণ্টইটাৰ (Giant anteater) নামৰ স্তন্যপায়ী প্ৰাণীজাতৰ কিন্তু দাঁত নাথাকে। ইহঁতৰ খুটা

নোম বিলাকৰ কিবা ব্যৱসায়িক মূল্য আছে বুলিও ধাৰণা নহয়। তথাপি চিকাৰী সকলে ইহঁতৰ ওপৰতো অত্যাচাৰ চলাই আছে। চিকাৰীৰ অত্যাচাৰৰ ফলতে এই প্ৰাণীজাত দক্ষিণ আমেৰিকাত একেবাৰে লুপ্ত হৈ পৰিল।

চিত্ৰ নং—৪৯

[পিঠি আৰু নেজৰ ওপৰত থকা দীঘল দীঘল কাইট বোৰেই কেটেলা পহুৰ বৈশিষ্ট্য। এই কাইটৰ কাৰণেই ইহঁত শত্ৰুৰ আক্ৰমণৰ পৰা বাচি থাকে। ইহঁতে দিনত গাঁতত সোমাই থাকে আৰু ৰাতিহে শাক বন শিপা শস্য আদি বিচাৰি ওলায়। এই প্ৰাণীজাতো আমাৰ ইয়াত দিনক দিনে নোহোৱা হৈ আহিছে।]

সংখ্যাত কমি অহা আন এজাত প্ৰাণী হ'ল ক'ৱালা। জন্মতে মাত্ৰ এক ইঞ্চি দীঘল এই প্ৰাণীজাত চাৰি বছৰ মানৰ ভিতৰতে দীঘে এফুট তিনি ইঞ্চি মান হয়গৈ। এসময়ত অষ্ট্ৰেলিয়াত উভৈনদী হৈ থকা এই প্ৰাণীজাতো চিকাৰীৰ অত্যাচাৰৰ ফলতে ক্ৰমাৎ হ্ৰাস পাই আহিছে। অৱশ্যে বৰ্ত্তমান অষ্ট্ৰেলিয়া চৰকাৰে এই প্ৰাণীজাতৰ চিকাৰ নিষিদ্ধ কৰি দিছে আৰু লগতে বিশেষ বনাঞ্চল তৈয়াৰ কৰি সংৰক্ষণৰো ব্যৱস্থা কৰিছে।

কৃষ্ণসাৰ কমি অহাৰ কাৰণ ভাৰতৰ বনাঞ্চল সমূহত কৃষ্ণসাৰৰ সংখ্যা কমি অহাৰ কাৰণ অনেক। হৰিৰ মাজত শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈ প্ৰাণী একো জাতৰ যিখিনি অংগ প্ৰত্যংগৰ প্ৰয়োজন সেইখিনি ইহঁতৰ নাই। থকাৰ ভিতৰত শিং যোৰাই আছে তাকো মতাবিলাকৰহে। দৌৰ মাৰিব পাৰে যদিও শত্ৰু আগবাঢ়ে। তদুপৰি থাকে মুকলি ঠাইতহে। এনেবিলাক কাৰণতে ইহঁত চিকাৰী সকলৰ হাতত বলি হ'ব লগাত পৰে। মেজৰ এফ জি আলেকজেন্দাৰে ১৯১১ চনতে লেখি থৈ গৈছে যে তেওঁ অকলেই দুশটা কৃষ্ণসাৰ চিকাৰ কৰিছিল।

একালত মানুহে চিতাবাঘ পুহি সিহঁতৰ হতুৱায়ো কৃষ্ণসাৰ চিকাৰ কৰোৱাই-

ছিল। ইয়াৰ কাৰণে চিতা বাঘক প্ৰশিক্ষণ দি লোৱা হৈছিল। ব্যৱস্থাটো আছিল এনে ধৰণৰ। পোহনীয়া চিতা বাঘবিলাকৰ গাটো কাপোৰেৰে ঢাকি গৰুৰগাড়ীত উঠাই বনাঞ্চলৰ মাজলৈ লৈ যোৱা হয়। কাপোৰেৰে ঢকাৰ উদ্দেশ্য হ'ল—যাতে কোনো বন্যজন্তুৱেই সিহঁতক চিতা বাঘ বুলি চিনি নাপায়। বনাঞ্চলৰ পহু, কৃষ্ণসাৰ আদি থকা ঠাইত ইহঁতৰ কাপোৰখন গুচাই এৰি দিয়া হয়। এৰি দিলেই মুহূৰ্তৰ ভিতৰতে এটা বা দুটা কৃষ্ণসাৰ মাৰি গিৰিহঁতৰ ওচৰলৈ লৈ আনে। পুৰস্কাৰ হিচাবে গিৰিহঁতেও সিহঁতক কৃষ্ণসাৰৰে একো কাপ গৰমতেজ খাবলৈ দিয়ে। সম্রাট আকবৰে হেনো চিকাৰ কৰিবৰ কাৰণেই এহেজাৰমান এনে চিতা বাঘ পুহিছিল।

ঢেকিয়াপতীয়া নাহৰফুটুকী আদি বিভিন্ন জাতৰ বাঘ সিহঁতৰ ছালখনৰ কাৰণেই বধ কৰা হয়। ১৯১২ চনত পঞ্চম জৰ্জে ছালখনৰ কাৰণেই এঘাৰ দিনৰ ভিতৰত উনচল্লিশটা ঢেকিয়াপতীয়া বাঘ চিকাৰ কৰিছিল। অচেলট নামৰ এজাত নাহৰফুটুকী বাঘ আছে। যুক্তৰাষ্ট্ৰই হেনো অকলেই বছৰি ডেৰলাখমান এই জাতৰ বাঘছাল ব্ৰাজিল আৰু কলম্বিয়াৰ পৰা আমদানি কৰে।

একালত আফ্ৰিকা দক্ষিণ পশ্চিম এচিয়াৰ মৰুভূমিকে ধৰি এক বিৰাট বনাঞ্চল আৰু ভাৰতবৰ্ষৰ বহু ঠাইত চিতা বাঘ পোৱা হৈছিল। উত্তৰ আৰু মধ্যভাৰতৰ সমভূমি আৰু পাহাৰীয়া অঞ্চলত যথেষ্ট সংখ্যক চিতা বাঘ আছিল। কিন্তু মানুহৰ অত্যাচাৰতে এই আপুৰুগীয়া প্ৰাণীজাত ভাৰতত লুপ্ত হৈ পৰিল। ১৯৫১ চনতে হেনো অন্ধ্ৰ প্ৰদেশত একেবাৰে শেষৰ যোৱা চিতা বাঘ দেখা পোৱা গৈছিল। তাৰো একেবাৰে শেষৰ চিতা বাঘটো ১৯৫২ চনত মাৰি ভাৰতত চিতা বাঘৰ বংশ চিৰকাললৈ উচ্ছেদ কৰা হ'ল।

ছালখনৰ কাৰণেই হওক বা অন্যান্য পৰীক্ষা নিৰীক্ষাৰ কাৰণেই হওক বছৰি যথেষ্ট সংখ্যক বান্দৰো নিধন কৰা হয়। পেটৰ ফালে থকা সুগন্ধি গ্ৰন্থিটোৰ কাৰণেই কস্তুৰী হৰিণেও জীৱন উচৰ্গা কৰিব লগাত পৰে।

দ'দ' চৰাইৰ মৃত্যু পৃথিৱীৰ পৰা একেবাৰে লুপ্ত হোৱা এজাত চৰাই হ'ল দ'দ (Dodo)। চৰাইজাতে এসময়ত মৰিচিয়াচ দ্বীপত সুখে সন্তোষেৰেই বাস কৰিছিল। দেখাত পাত হাঁহৰ দৰে কিন্তু পাতি হাঁহতকৈ ডাঙৰ এই চৰাই জাতৰ ডাঙৰ অসুবিধা হ'ল—ইহঁতে উৰিব নাজানিছিল। তথাপি দ্বীপটোত মানুহে বসবাস কৰিবলৈ লোৱাৰ আগলৈকে ইহঁতৰ কোনো অসুবিধা নহৈছিল। বনৰ আন জন্তুৱে ইহঁতক মাৰি শেষ কৰিব পৰা নাছিল। কিন্তু পৰ্তুগীজ সকলে দ্বীপটোত থাকিবলৈ লোৱাৰে পৰাই চৰাই জাতৰ মৰণ মিলিল। তেওঁলোকে গাহৰি বান্দৰ আদি জন্তু আন দেশৰ পৰা নি তাৰ হাবিত মেলি দিলে। ইহঁতেই প্ৰকৃততে দ'দ আৰু দ'দৰ কণীবোৰ খাই শেষ কৰি পেলালে। একেবাৰে শেষৰ দ'দ চৰাইটোৰ

মৃত্যু হ'ল ১৬৮১ চনৰ কোনোবা এটা দিনত। মানুহৰ ভুলৰ কাৰণেই এজাত চৰাই চিৰকালৰ বাবে নাইকিয়া হৈ পৰিল।

দ দ চৰাইৰ বিলুপ্তিৰ লগে লগে কালভাৰিয়া নামৰ এজাত গছৰ অৱস্থাও কাহিল হৈ পৰিল। কালভাৰিয়া নামৰ গছজাত একালত মৰিচিয়াচ দ্বীপৰ আচুতীয়া সম্পদ আছিল। মৰিচিয়াচৰ বাহিৰে পৃথিৱীৰ আন ক'তোৱেই এই জাত গছ নাছিল। দুখৰ বিষয় যে গছজাত বৰ্ত্তমান বিলুপ্তিৰ পথত। কেৱল বিশ্বৰ এক আপুৰুগীয়া সম্পদ হিচাবে তেৰ জোপা কালভাৰিয়া গছ সংৰক্ষণ কৰি থোৱা হৈছে। এই গছজাতৰ ঘাই সমস্যা হ'ল—দ দ নামৰ চৰাইজাতৰ অনুপস্থিতি।

মৰিচিয়াচ দ্বীপত এই চৰাইজাত যেতিয়া অপৰ্য্যাপ্ত পৰিমাণে আছিল তেতিয়া সিহঁতে এই গছ জাতৰ ফলেৰেই ঘাইকৈ পেট প্ৰৱত্ত হৈছিল। অৱশ্যে ফলটোৰ বাহিৰৰ মঙহখিনিহে কেৱল হজম কৰিছিল আৰু ভিতৰৰ গুটিটো শৌচৰ লগত বাহিৰলৈ পেলাই দিছিল। চৰাইজাতে অত তত মল ত্যাগ কৰাৰ ফলত সেই সেই ঠাইবোৰত কালভাৰিয়া গছৰ সংখ্যা ক্ৰমাৎ বাঢ়িবলৈ লৈছিল। গছজাতৰ গুটিবোৰৰ বাকলিখন ইমান টান যে দ দ চৰায়ে খাই আধা হজম কৰি বাকলিখন পাতল কৰি দিলেহে সেই গুটিবোৰ গজিছিল। দ দ চৰাইজাত লুপ্ত হোৱাৰ পাছত সেয়েহে গছ জাতৰ সংখ্যা ক্ৰমাৎ কমি আহিবলৈ ল'লে। আনহাতে আন চৰায়েও সেইজাত গছৰ গুটি নাখায় আৰু টান বাকলিৰে সৈতে গুটিটো এনেয়েও নগজে।

মৰিচিয়াচৰ চৰাই মূল ভূভাগৰ পৰা আঁতৰি থকা দ্বীপ সমূহ সাধাৰণতে বন্যপ্ৰাণীৰ কাৰণে ভূস্বৰ্গ হৈ পৰে। কাৰণ তেনে দ্বীপ সমূহত শত্ৰুৰ সংখ্যা কম হয়। কিন্তু জলবায়ুৰ পৰিবৰ্ত্তনে কেতিয়াবা তেনে প্ৰাণীসমূহকো বিপদত পেলায়। মৰিচিয়াচ দ্বীপত থকা চৰাই কেইজাত মানৱ ক্ষেত্ৰতো প্ৰকৃততে সেয়ে হৈছে। যথে মথে হাবি-জংঘল কটাৰ ফলতেই তাত থকা আপুৰুগীয়া গুলপীয়া ৰঙৰ পাৰজাত বৰ্ত্ত মান একেবাৰে বিলুপ্তিৰ পথত। তাৰ বনাঞ্চলত হয়তো অতি বেছি ১৫ ২০ টা মানহে এই জাতৰ পাৰ আছেগৈ। অৱশ্যে বিভিন্ন ঠাইত সংৰক্ষণ কৰি থোৱা গুলপীয়া পাৰৰ হিচাব ল'লে এশ মানেই হ'বগৈ।

কেষ্ট্ৰেল (kestrel) নামৰ আন এজাত চৰায়ো একালত মৰিচিয়াচত অপৰ্য্যাপ্ত পৰিমাণে আছিল। কিন্তু অলপতে গণনা কৰি সিহঁতৰ সংখ্যা মাত্ৰ বাৰটামানহে পোৱা গ'ল। এই চৰাইজাতৰ সমস্যা হ'ল—খাদ্যৰ অনাটন। ইহঁতৰ প্ৰধান খাদ্য আছিল গেক্ক (Gecko) নামৰ এজাত সৰীসৃপ। বনাঞ্চল ধ্বংশৰ ফলত সৰীসৃপ জাতৰ সংখ্যা কমি আহিল আৰু তাৰ পৰিণতি স্বৰূপেই কমি আহিল কেষ্ট্ৰেলৰ সংখ্যা।

দ্বীপটোত থকা চৰাই সমূহৰ ভিতৰত ইক (Echo) নামৰ ভাটৌজাতৰ সংখ্যাই আটাইতকৈ শোচনীয়। গোটেই দ্বীপটোৰ বনাঞ্চলত থকা ইহঁতৰ সংখ্যা হেনো মাত্ৰ আঁঠোটা মানহে হ'ব।

চীনা মনেল ফিজেণ্ট ঃ বনৰীয়া কুকুৰাৰ দৰেই কিন্তু কুকুৰাতকৈ অনেকগুণে ধুনীয়া ফিজেণ্ট (pheasant) নামৰ কিছু মান জাতৰ চৰাই আছে। এনে এজাত চীনদেশীয় ফিজেণ্টৰ নামেই মনেল (monal)। ১৯৩০ চনত আমেৰিকাৰ ফিজে ট পোহোতা এজনে এবাৰ এযোৰা মনেল ফিজেণ্ট পালে। হিমালয়ৰ মনেল ফিজে ট জাততকৈ ইহঁত বেচি ৰংচঙীয়া আৰু আকাৰতো কিছু ডাঙৰ। সেই যোৰা মনেল ফিজেণ্টৰ শেষ দশা কি হ'ল—জানিব পৰা নগ ল। কিন্তু ১৯৮৩ চনত "চান দায়েগ চিৰিয়াখানাৰে আৰ এযোৰা মনেল ফিজে ট অনা হ'ল। এই চৰাই হালে হেনো মুঠ দহোটা কণী পাৰিলে আৰ তাৰে পাঁচোটাৰ পৰা পাঁচোটা মনেল ফিজে ৰে জন্ম হ ল। বন্ধ অৱস্থাত এই চৰাইজাতে হেনো এয়েই প্ৰথমবাৰৰ বাবে কণী পাৰিলে। চৰাইজাতৰ সংখ্যা দিনক দিনে ইমানেই কমি আহিছে যে ভাল ৰক্ষণাবেক্ষণ নিদিলে হয়তো একেবাৰে ল ত হ'ব।

চাথাম (chatham) নামৰ দ্বীপটোত থকা ক লা বৰণৰ ৰবিনজাতেই সম্ভৱ বৰ্তমান পৃথিৱীৰ আটাইতকৈ দুষ্প্ৰাপ্য চৰাই। ১৯৮০ চনত গণনা কৰোতে ইহঁতৰ সংখ্যা মাত্ৰ পাঁচোটাহে পোৱা হৈছিল। কিন্তু হঠাতে সিহঁতৰ মাজৰে এজনী ৰবিনে বেচিকৈ কণী পাৰিবলৈ লোৱাত অৱস্থাৰ কিছু উন্নতি হ'ল। তাইৰ বয়স আছিল আঠ বছৰ। তাইৰ যত্নতে ১৯৮৪ চনত এই ৰবিনজাতৰ সংখ্যা ত্ৰিশটালৈ বৃদ্ধি পালে। দুৰ্ভাগ্যৰ কথা যে ১৯৮৫ চনত এই চৰাইজনীৰ মৃত্যু হ ল। চৰাইজাতৰ বংশ বৃদ্ধি কৰি থৈ যোৱাৰ কাৰণে তাইৰ প্ৰতি কৃতজ্ঞতা জনাই নিউজিলেণ্ডৰ পালি য়ামে ট এক প্ৰস্তাবো গ্ৰহণ কৰিলে।

বন্যপ্ৰাণী চিকাৰ কৰাটো বহুতৰ কাৰণে এক চখ। ভাৰতৰ ক্ষেত্ৰত মোগল আৰু বৃটিছ যুগতেই নতুন আধুনিক অস্ত্ৰশস্ত্ৰও সৃষ্টি হয়। যুদ্ধত মানুহ মাৰি ভাল পোৱা সৈন্যসকলে আজৰি পৰত বন্যপ্ৰাণী মাৰিয়েই হাত পোনোৱাত লাগিল। ইফালে মানুহৰ জনসংখ্যাও ক্ৰমাৎ বৃদ্ধি পাই আহিল। থকা ঠাই আৰু খাদ্যৰ অভাৱত মানুহে নতুন নতুন বনাঞ্চল দখল কৰিবলৈ ল লে। বনাঞ্চলত গঢ়ি উঠিল নগৰ চহৰ। খেতিয়ক সকলে উলিয়াই ল লে খেতিৰ পথাৰ। ৰেলৰ লাইন টেলিফোনৰ লাইন ইলেকট্ৰিকৰ লাইন আৰু বাট পথ নিৰ্মাণ কৰোতেও বনাঞ্চলৰ যথেষ্ট ঠাই দখল কৰা হ ল। বিভিন্ন উদ্যোগ স্থাপনো বনাঞ্চল ধ্বংসৰ আন এক কাৰণ। এনেবিলাক কাৰণতে বনাঞ্চল আৰু বন্যপ্ৰাণী দুয়োৰে সংখ্যা ক্ৰমাৎ টুটি আহিবলৈ ধৰে।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়া সকল আৰু বৃটিছ সৈন্যৰ উপদ্ৰৱৰ কাৰণেও ভাৰতৰ বহুতো বন্যপ্ৰাণীয়ে প্ৰাণ হেৰুৱাৱ লগাত পৰিল। দুই এজাত প্ৰাণীয়ে চিৰকাললৈ বিদায় মাগিলে। তাৰ পাছতো বৃটিছৰ বিষয়াসকল আৰু বেঙেলোকক অনুকৰণ কৰিব খোজা দেশীয় ৰজাসকলে ভাৰতবৰ্ষক চিকাৰীৰ স্বৰ্গ হিচাপে প্ৰতিষ্ঠা কৰিলে। অসমত থকা কৰ্ণেল পলক নামৰ ইঞ্জিনিয়াৰ এজনৰ বেঙৰ লেখি

থৈ যোৱা টোকাৰ শৰা জনা গৈছে যে তেওঁ হেনো নিতৌ এটা গড় বা এটা বনৰীয়া ম হ চিকাৰ নকৰে মানে শান্তি নাপাইছিল। মধ্যপ্ৰদেশৰ এজন দেশীয় ৰজাই লেখি থৈ গৈছে যে তেওঁ গোটেই জীৱনত ১১৭০ টা ঢোকিয়াপতীয়া বাঘ চিকাৰ কৰিছিল। আন এজন ব'টিছ চিকাৰীয়েও তেওঁৰ প'চিশ বছৰীয়া চিকাৰী জীৱনত ৪৩০ টা ঢোকিয়াপতীয়া বাঘ গ'লিয়াই মাৰিছিল ব'লি উল্লেখ কৰি গৈছে।

চিতাবাঘৰ শবৰে শোভাযাত্ৰা ঃ ব'টিছ য়ুগৰ কথাটো বাদেই স্বাধীনতাৰ পাছতো বন্যপ্ৰাণীৰ ওপৰত অত্যাচাৰ চলিয়েই থাকিল। বোম্বাইৰ দক্ষিণত জানজিৰা নামেৰে এখন সৰু দেশীয় ৰাজ্যত তাৰ গাঁৱৰ লোকসকলে ১৯৪৭ চনৰ পোন্ধৰ আগষ্টৰ আগদিনা দুশটা চিতা বাঘ চিকাৰ কৰিলে। অকল সেয়ে নহয় সেই দুশটা চিতা বাঘৰ শবলৈ তেওঁলোকে স্বাধীনতা দিবসত শোভাযাত্ৰা কৰিলে। এইবাৰ ভাৰতীয় চিকাৰীৰ অত্যাচাৰ আৰম্ভ হ'ল। ব'টিছ সকল গ'লগৈ সঁচা কিন্তু ভাৰতীয চিকাৰী সকলৰ মনত চিকাৰৰ চখটো এৰি থৈ গ'ল। ফলত ভাৰতীয় লোকৰ হাতত ভাৰতীয প্ৰাণী এটাৰ পাছত আনটো নাইকিয়া হ'বলৈ ধৰিলে।

আমাৰ দু-ই এগৰাকী লেখকেও প্ৰাণীনিধনত আওপকীয়াকৈ অৰিহণা যোগাই আহিছে। জিম কৰবেটৰ দৰে লোকেও বাঘক এনে হিংস্ৰক প্ৰাণী হিচাবে বৰ্ণনা কৰিছে যে বাঘৰ প্ৰতি মানুহৰ ঘৃণা ভাব ওপজাটোৱেই স্বাভাৱিক। বহুতো চিকাৰীয়ে আকৌ চিকাৰ কাহিনী সমূহ এনে অতিৰঞ্জিত আৰু লোমহৰ্ষক কৈ লেখে যে চিকাৰ নকৰা মানুহ একোজনেও হাতত বন্দুক তুলি ল'বলৈ ইচ্ছা কৰে। আনহাতে ষ্টুৱাট বেকাৰ পি ডি ষ্টেচি এচ এইচ প্ৰেটাৰ ই পি জি চালিম আলি আৰু ডা ৰবীন বেনাৰ্জীৰ দৰে লেখকো অনেক আছে যাৰ লেখনিয়ে মানুহক জীৱ জন্তুৰ প্ৰতি মৰমীয়াল হ'বলৈ শিকায়। কিন্তু দু-খৰ বিষয় যে চিকাৰ কাহিনীৰ তুলনাত এইবিলাক লেখনিৰ পঢ়ুৱৈৰ সংখ্যা কম। বহুতে জন্তু মৰাৰ কাৰণ হিচাবে সিহঁতে মানুহক কৰা অপকাৰৰ কথাকে ক'ব খোজে। পাছে যোৱা দশকটোলৈকে যদি চাওঁ—কি দেখো? এই দশকটোত বিভিন্ন কাৰণত মানুহে যিমান মানুহ মাৰিছে বন্যজন্তুৱে সিমান মানুহ মৰা নাই।

ৰক্ষকেই ভক্ষক হোৱাৰ দৰে পৰ্য্যটক সকলেও কেতিয়াবা প্ৰাণীনিধনত উৎসাহ যোগায়। ভাৰতৰ ঢোকিয়াপতীয়াৰ ছাল বাহামা আৰু মউৰিচিয়াচ দ্বীপৰ কিছুমান আপুৰুগীয়া শামুকৰ খোলা ভেনিজুৱেলাৰ ঘৰিয়ালৰ ছাল গাইনাৰ ফুল আৰু চৰাইৰ পাখি কেনিয়াৰ কিছুমান জন্তুৰ দাঁত আৰু শিং আৰু ভাৰত আফ্ৰিকা দুয়োখন দেশৰে হাতীৰ দাঁত বহুতো পৰ্য্যটকৰ প্ৰধান আকৰ্ষণ। সেয়ে দু-ই এক পৰ্য্যটকে সুবিধা পালে এনে দুই এপদ বস্তু আহৰণ কৰিবলৈ বিচাৰে। বহুতে ক'ব খোজে যে এক বৃহৎ সংখ্যক পৰ্য্যটকৰ কাৰণেও এই সামগ্ৰীসমূহৰ চাহিদা দিনক দিনে বৃদ্ধি পাই আহিছে। আফ্ৰিকাৰ মাছাই জনগোষ্ঠীৰ লোকসকলে মুৰৰ

টুপীটো সিংহৰ ছালেৰে তৈয়াৰ কৰি তাত উট চৰাইৰ পাখি গঁজি লয়। এনেবিলাক কাৰণতো যথেষ্ট সংখ্যক বন্যপ্ৰাণী নিধন হয়।

চিত্ৰ নং—৫০

[অসম তথা ভাৰতত বিভিন্ন জাতৰ পহু আছে। এই সকলো পহুৰ ভিতৰত শৰপহুৰেই ডাঙৰ। একোটা ডাঙৰ শৰপহু ম'হ একোটাৰ সমান। ওপৰৰ চিত্ৰটো এটা সৰু শৰপহুৰ। সকলো পহুৰে খাই খাদ্য হ'ল ঘাঁহ বন। গতিকে বনাঞ্চলৰ পৰিমাণ কমি যোৱাৰ কাৰণে ইহঁতৰ ঘাঁহৰ নাটনি হৈছে আৰু সেয়ে খাদ্যৰ অভাৱত পহুৰ সংখ্যা কমি গৈছে। তদুপৰি মাংসলোভী মানুহৰ হাততো নিতৌ বহুত পহু বলি হ'ব লগাত পৰিছে।]

প্ৰকৃতিৰ ভাৰসাম্যত বন্যপ্ৰাণীৰ অৰিহণা ঃ একোজাত প্ৰাণীয়ে প্ৰকৃতিৰ অমূল্য আৰু অপূৰণীয় সম্পদ—সেই কথা দোহাৰিবৰ প্ৰয়োজন নকৰে। তাতোকৈও ডাঙৰ কথা—প্ৰকৃতি জগতত বিভিন্ন জাতৰ উদ্ভিদ আৰু প্ৰাণীয়ে সদায় এক নিৰ্দ্দিষ্ট ভাৰসাম্য ৰক্ষা কৰি জীয়াই থাকে। এই ক্ষেত্ৰত আমি বাঘৰ উদাহৰণকে দিব পাৰো। বাঘে বিভিন্ন জাতৰ পহু বা আন তৃণভোজী প্ৰাণী খাই জীৱন নিৰ্বাহ কৰে। এখন হাবিৰ যদি আটাইবিলাক বাঘ মাৰি পেলোৱা হয় তেন্তে সেই হাবিত পহুৰ সংখ্যা বাঢ়িব। ফলত হাবিত থকা ঘাঁহ বনে পহুক নোজোৰা হ'ব। গতিকে খাদ্যৰ অভাৱতে হয়তো কিছু সংখ্যক পহুৱে মৃত্যু বৰণ কৰিব। আনহাতে যদি বাঘ নামাৰি সেই হাবিৰ গোটেইখিনি পহুকেই মাৰি পেলোৱা হয় তেন্তে তাত থকা বাঘবোৰে ঘৰচীয়া গৰু ম'হ আনকি মানুহকো হয়তো মুখ দিব। কাগজে পত্ৰই প্ৰায়েই ওলাই থাকে—অমুকত বাঘৰ উপদ্ৰৱ বাঢ়িছে তমুকত হাতীৰ উপদ্ৰৱ বাঢ়িছে ইত্যাদি। সমাধানৰ পথ আমাৰ সকলোৱে এটাকে বাচি লয় আৰু সেইটো হ'ল—সিহঁতক বধ কৰা। কিন্তু অকণমান দকৈ যদি ভাবি চাওঁ—কি দেখো? সিহঁতৰ

থকা ঠাই আমিয়েই দখল কৰিলো আৰু সিহঁতৰ খাদ্যবস্তুবো আমিয়েই চান কাঢ়িলো। তাৰ পাছত খাদ্য বিচাৰি সিহঁত বেতিয়া ওলাই আহিল আমিয়েই সিহঁতক অনুপ্ৰবেশকাৰী বুলি জগৰীয়া কৰিলো। আচলতে অনুপ্ৰবেশকাৰী কোন? সিহঁত নে আমি?

মানুহৰ অত্যাচাৰৰ কাৰণেই যোৱা দুহাজাৰ মান বছৰৰ ভিতৰত গোটেই পৃথিৱীত ১৩৬ বিধ জন্তু আৰু ১৩৯ বিধ চৰাইৰ বিলুপ্তি ঘটিল। যোৱা শতিকাতে প্ৰায় সত্তৰবিধ জন্তু নাইকিয়া হৈ পৰিল। অথচ তাৰ আগৰ শতিকাত কেৱল ত্ৰিশবিধ জন্তুহে নাইকিয়া হৈছিল। বিজ্ঞানীসকলৰ মতে অদূৰ ভৱিষ্যতত প্ৰায় দুশবিধ মান জন্তু আৰু চৰাইৰ বিলুপ্তি ঘটিব। বৰ্ত্তমান কিছুমান জাতৰ জন্তুৰ সংখ্যা এশতকৈও কমহে আছেগৈ। দুই এজাতৰ আকৌ দহোটামানহে আছে। ভাৰতবৰ্ষত গড় সিংহ ঢেকিয়াপতীয়া আদিৰ সংখ্যা কমি আহিল। হিম বাঘ লতা মাৰ্কাৰ বাঘ ঘোং মাৰ্বল ৰঙৰ হে পা বনবোন্দা থামিন কস্তুৰী হৰিণ

চিত্ৰ নং—৫১

[বৰ্ত্তমান অসমৰ হাবিত লুপ্ত হৈ অহা প্ৰাণী সমূহৰ ভিতৰত বনৰৌও অন্যতম। ইহঁতৰ গাটো বৌ মাছৰ বাকলিৰ দৰে বাকলিৰে আবৃত। সেইকাৰণেই বনবৌ বোলা হয়। কোনো কোনোৱে কেমটাই পহু বুলিও কয়। ইহঁতে দীঘল নেজডালেৰে সৈতে গছত ওলমি থাকিব পাৰে।]

কাশ্মিৰী হৰিণ শ্বেত-শিঙীয়া হৰিণ সংগৰি পহু সোনালী হনুমান, কৃষ্ণসাৰ চাৰিশিঙীয়া কৃষ্ণসাৰ নীলগাই গেজেল বনৰো নলগাহৰি আদিৰ সংখ্যাও আঙুলিৰ মূৰত লেখিব পৰা হ'ল। চিতা বাঘৰতো একেবাৰেই বিলুপ্তি ঘটিল। বগা বাঘে কেৱল চিৰিয়াখানাতহে আশ্ৰয় ল'ব লগাত পৰিল। বৰ্তমান ভাৰতত প্ৰায় পাঁচশবিধমান জন্তু দুহাজাৰ ষাঠীবিধমান চৰাই সাতশ আঠচল্লিশবিধমান সৰীসৃপ আৰু ত্ৰিশ হাজাৰ বিধমান পতংগহে আছে গৈ। এইখিনিকে ৰক্ষা কৰিব পাৰিলেও পৃথিৱীৰ বন্যপ্ৰাণীৰ মানচিত্ৰত ভাৰতৰ নাম উজ্জ্বল হৈ ৰ'ব।

বন্যপ্ৰাণী নিধন ৰোধ কৰিবই লাগিব এতিয়া কথা হ'ল—এই দায়িত্ব আমি সকলোৱে সমানে কান্ধ পাতি ল'ব লাগিব। বন্যপ্ৰাণীৰ অবিহনে যে মানৱ অস্তিত্বও বিপন্ন সেই কথাও আমি সকলোৱে হৃদয়ঙ্গম কৰিব লাগিব। খন্তেকীয়া উত্তেজনা উন্মাদ বা লোভৰ বশৱৰ্ত্তী হৈ বন্যপ্ৰাণী বধ কৰাটো যি কোনো প্ৰকাৰে ৰোধ কৰিবই লাগিব। সকলো মানুহৰে অন্তৰত সু আৰু কু দুয়োবিধ প্ৰবৃত্তি থাকে। তাৰে কোনোবাটো সুপ্ত আৰু কোনোবাটো জাগ্ৰত। আমাৰ চিকাৰী সকলৰ স্বভাৱত কু প্ৰবৃত্তিয়েই স্পষ্ট। কিন্তু ইচ্ছা কৰিলে তেওঁলোকে তাৰ পৰিবৰ্ত্তন ঘটাব পাৰে। ৰত্নাকৰৰ দৰে ডকাইত যদি বাল্মিকীৰ দৰে মহামুনি হ'বগৈ পাৰে তেন্তে আমাৰ আজিৰ প্ৰাণী বধ কৰোতাসকল কালিলৈ প্ৰাণীপ্ৰেমিক হ'ব নোৱাৰিব কিয়? কেৱল তেওঁলোকৰ প্ৰয়োজন হ'ব এখন সুকোমল অন্তৰৰ।

প্ৰাণীবধীসকলৰ চিন্তাৰ দৌৰো সম্ভৱ এটা বা দুটা পুৰুষৰ মাজতেই সীমাবদ্ধ। প্ৰাণীসমূহ পৃথিৱীৰ পৰা নাইকিয়া হৈ পৰিলে ভৱিষ্যতে মানৱ জাতিৰ কি অৱস্থা হ'ব, আধুনিক বিজ্ঞানৰ সহায়ত এই লুপ্ত হোৱা প্ৰাণীবোৰৰ পুনৰ সৃষ্টি বা উদ্ধাৰ সম্ভৱ হ'বনে বা জীৱ সৃষ্টিৰ ক্ষমতা মানুহে পাবনে আদি প্ৰশ্ন সম্ভৱ আমাৰ প্ৰাণী হত্যাকাৰী সকলে এৰাই চলে। তেওঁলোকৰ সীমিত জীৱন এদিন হয়তো শেষ হৈ যাব আৰু হয়তো শেষ হৈ যাব পুত্ৰ বা নাতিৰ জীৱনো। কিন্তু তাৰ পাছত কি হ'ব? প্ৰাণীহীন টকলা পৃথিৱী এখনে হয়তো আমাৰ নিষ্ঠুৰতাৰ চানেকি দাঙি ধৰিব। এই চানেকিৰো বলি হ'ব মানুহ নিজেই।

বন্যপ্ৰাণীৰ ব্যৱসায়

—'মোৰ দোকানত আগেয়ে কিনা বাঘছালেই বহুত পৰি আছে। তোমাৰ এই ছালখন কিনি মই কি কৰিম?

— কিবা এটা কৰক। মই বহুত কষ্ট কৰি এই নাহৰফুটুকী বাঘটো মাৰিছো। বাঘটো মাৰিবলৈ সম্পূৰ্ণ দুটা ৰাতি মই হাবিত খাপ দি আছো।"

—"ঠিক আছে। তুমি যদি বেচিবই খুজিছা মই মাত্ৰ ইমান ডলাৰহে দিব পাৰিম।

—"অলপ বেছি পালে ভাল আছিল। নহলে মোৰ খোৱাকীয়েই নোলাব।

— নাই মই আৰু ইয়াতকৈ বেছি দিব নোৱাৰো।

ছালৰ ব্যৱসায়ী আৰু চিকাৰীসকলে এনেধৰণৰ কথাবিলাক প্ৰায়ে ফুচফুচাই পাতে। কাৰণ বন্যপ্ৰাণীৰ ছালৰ ব্যৱসায় আইনমতে নিষিদ্ধ। গতিকে চৰকাৰৰ চোৰা চোৱা বিভাগৰ লোকে কাক কেতিয়া হাতে লোটে ধৰা পেলায়—কোৱা টান। ব্যৱসায়ী সকলৰ সুবিধা যে তেওঁলোকে এই ছালবোৰ চোৰাং গুদামত লুকুৱাই থব পাৰে আৰু দ্বিতীয়তে ধৰা পৰিলেও টকাৰ জোৰত সাৰিব পাৰে। আইনৰ বলি হয় সাধাৰণ দুখীয়া শ্ৰেণীৰ চিকাৰীসকল। তেওঁলোকে চিকাৰ কৰে পেটৰ তাড়নাত। ছাল এৰোখন বিক্ৰী কৰিবলৈ ব্যৱসায়ীৰ কাষ চপাৰ বাহিৰে তেওঁলোকৰ আন উপায় নাথাকে। কাৰণ ছাল কিনোতাই পোনে পোনে এওঁলোকৰ কাষ নাচাপে। দ্বিতীয়তে তেওঁলোকে জন্তু একোটা মৰাৰ পাছত ছালখন কেৱল চেলাবহে জানে তাত দৰৱ পাতি দি স্থায়ীভাবে সংৰক্ষণ কৰিব নাজানে।

আনহাতে ব্যৱসায়ীসকল বৰ চতুৰ। ছালৰ ব্যৱসায়ত আটাইতকৈ লাভবান হয় এওঁলোকেই। চিকাৰীয়ে ছাল বেচিবলৈ আহিলে তেওঁলোকে ছালৰ বজাৰ যে বৰ বেয়া—পাকে প্ৰকাৰে তাকে বুজাবলৈ বিচাৰে। পূৰ্বৰ্ণ উৰুলি যোৱা ছাল একোখন গুদামৰ পৰা উলিয়াই আনি চিকাৰীক দেখুৱাই কয় যে বিক্ৰী নোহোৱাৰ কাৰণেই এই ছাল পচি গৈছে। অথচ গুদামটোত হয়তো সেইখনেই একমাত্ৰ বেয়া ছাল আছে। আৰু হয়তো সেই বেয়া ছালখন চিকাৰীক দেখুৱাবৰ কাৰণেই থৈ দিছে। ব্যৱসায়ীৰ বক্তব্য হ'ল যে বিক্ৰী নোহোৱাৰ কাৰণেই এই ছাল পচি গৈছে আৰু সেয়ে অধিক দামত ছাল কিনি কি লাভ? ব্যৱসায়ীৰ এনেবোৰ চলাহী কথাতে ভোল গৈ চিকাৰীয়ে তেনেই কম দামতে ছাল একোখন বিক্ৰী কৰিবলৈ বাধ্য হয়। এই ব্যৱসায়ীসকলৰ আন্তৰ্জাতিক চক্ৰও থাকে। গতিকে কোনোবা এখন দেশত দাম কম পালে আন এখন দেশত বেছি দামত বেচে। চক্ৰসমূহ ইমানেই শক্তিশালী যে দেশ বিদেশৰ আইনেও এওঁলোকৰ গা লৰাব নোৱাৰে।

বাঘছালৰ মূল্যই আটাইতকৈ বেচি ঃ আন প্ৰাণীৰ তুলনাত ঢেকীয়াপতীয়া আৰু নাহৰফুটুকী বাঘৰ ছালৰ দামেই বেচি। কাৰণ বাঘছাল নানা ধৰণৰ কামত ব্যৱহাৰ কৰা হয়। শিৱৰ আভৰণ আছিল বাঘছাল। সেয়ে এতিয়াও যোগী সন্ন্যাসী সকলে বাঘছালেৰেই গাটো মেৰিয়াবলৈ বিচাৰে আৰু বাঘছালকে আসন হিচাবেও ব্যৱহাৰ কৰে। ড্ৰয়িংৰুমৰ সৌন্দৰ্য্য বঢ়াবলৈকো দুই একে বাঘছাল বিচাৰি ফুৰে। বাঘৰ চৰ্বি বা বাঘ তেলেৰে গা মালিছ কৰিলে গাৰ বিষ কমে আৰু বাতবেমাৰ ভাল হয় বুলিও কোনো কোনোৱে কয়। বাঘৰ গোঁফ দাঁত হাঁতোৰা নখ ইত্যাদিও হেনো কোনো কোনো ৰোগ নিৰাময় কৰিবলৈ ব্যৱহাৰ কৰা হয়। বাঘৰ আগ মঙহ খালে হেনো খোৰাজন সাহসী আৰু বলী হয়। বাঘৰ নখ সোণ বা ৰূপেৰে বন্ধাই বহুতে ডিঙিত চেইনত সুম ৰাই আঁৰি লয়। বাঘৰ গাখীৰে চকুৰ অসুখ ভাল কৰে বুলিও কয়। ঢেকীয়াপতীয়াৰ হাড় আৰু তেজ খালে মানুহৰ কামশক্তি বাঢ়ে বুলিও বিশ্বাস এটা আছে। ছালখনৰ পৰা জোতা বেগ গৰম কাপোৰ আদিও তৈয়াৰ কৰা হয়। বাঘৰ আগবাউসীৰ ওচৰত মাংসৰ মাজত পোত খাই থকা হাড় এটুকুৰাক "বাঘ বল" বুলি কোৱা হয়। কোনো কোনোৱে ইয়াক সৌভাগ্যৰ হাড় (Lucky bone) বুলিও কয়। দুই একে



চিত্ৰ নং—৫২

[ভাৰতকে ধৰি পৃথিৱীৰ বহুতো দেশত নাহৰফুটুকী বাঘ পোৱা যায়। নাহৰফুটুকী বাঘৰ বলশক্তিও অসীম। ইহঁতে জন্তু একোটা মাৰি গছৰ ওপৰলৈকে চোঁচোৰাই নিব পাৰে। নাহৰফুটুকীক কোনো কোনোৱে হোঁকোৰা বাঘ বুলিও কয়। নাহৰফুটুকী বাঘৰো ছালখনেই কাল। ছালখনৰ কাৰণেই বছৰি বহুতো নাহৰফুটুকী বাঘ বধ কৰা হয়। ফলত ইহঁতৰ সংখ্যাও দিনক দিনে কমি আহিছে।]

নিজৰ হাতৰ বাউসীৰ মাংস কাটি এই বাঘবল মঙহৰ মাজত সুমুৱাই থয়। এনে বিলাক কাৰণতে বাঘৰ ব্যৱসায়িক মূল্য দিনক দিনে বৃদ্ধি পাই আহিছে আৰু বাঘ নিধনৰ মাত্ৰাও বৃদ্ধি পাইছে।

কেইবছৰ মানৰ আগতে আন্তজাতিক বন্যপ্ৰাণী সংৰক্ষণৰ এখন সভাত এক আচৰিত তথ্য প্ৰকাশ পাইছিল। সেই তথ্য অনুসৰি পূৰ আফ্ৰিকাতেই হেনো বছৰি প্ৰায় পঞ্চাশ হাজাৰ নাহৰফুটুকী বাঘ সিহঁতৰ ছালখনৰ কাৰণেই বধ কৰা হয়। আৰু আচৰিত কথা যে সেইবিলাকৰ বেছিভাগ তিৰোতা সকলেই সৌন্দৰ্য্য বৰ্ধনৰ কাৰণে ব্যৱহাৰ কৰে।

উত্তৰ আমেৰিকা চাইবেৰিয়া আৰু স্কাণ্ডিনেভিয়াত ৰঙাশিয়ালৰ নোম আৰু ছালৰ পৰাও গৰম সাজ পোষাক তৈয়াৰ কৰা হয়। একালত এই শিয়ালজাত কেৱল নোম আৰু ছালখনৰ কাৰণেই বধ কৰা হৈছিল আৰু ইহঁতৰ নোমৰ ভাল ব্যৱসায় চলিছিল। বৰ্ত্তমান অৱশ্যে এই শিয়ালজাতৰ ফাৰ্ম খোলা হৈছে আৰু জীৱিত অৱস্থাতে নোম কটাৰ ব্যৱস্থা কৰা হৈছে। কাৰণ নোম কটাৰ পাছত অলপ দিনৰ ভিতৰতে নোমবোৰ পুনৰ গজি আগৰ সমান হয়।

এই ছাল আৰু নোমৰ কাৰণেই কেইবছৰ মানৰ আগতে আমাৰ ভাৰতৰে বিকানীৰ আৰু কুলু উপত্যকাত ভেৰা আৰু বিলাতী এন্দুৰৰ ওপৰত ব্যাপক হাৰত অমানুষিক অত্যাচাৰ চলিছিল। নোম সংগ্ৰহ কৰিবৰ কাৰণেই বিকানীৰত ভেৰা পোৱালী বিলাক জন্মৰ ৪৮ ঘণ্টা মানৰ ভিতৰতে মাৰি পেলোৱা হৈছিল। কুলু উপত্যকাত বিলাতী এন্দুৰ ডিঙিত ম চৰি মৰা হৈছিল আৰু সিহঁতৰ ছালেৰে নানা ধৰণৰ পুতলা সাজি দেশ বিদেশৰ বজাৰত বিক্ৰী কৰা হৈছিল। ভাৰতত সাপৰ ছালৰ ব্যৱসায়ো চলে। কেই বছৰ মানৰ আগতে কলিকতাৰ জাহাজ ঘাটত সাপৰ ছালৰ এক চোৰাং ব্যৱসায় ধৰা পৰিছিল। প্ৰায় ৪০ লাখ টকা মূল্যৰ ৬৭,০০০ সাপৰ ছাল বিদেশলৈ ৰপ্তানি কৰিবলৈ লোৱা অৱস্থাতে চোৰাংচোৱা বিভাগে ছালখিনি ধৰা পেলাইছিল।

বান্দৰৰ ব্যৱসায় : আচৰিত কথা যে এইখন পৃথিৱীত বান্দৰৰ ব্যৱসায়ো চলে। অধ্যয়ন গবেষণা আদিৰ নামত এই শতিকাৰ আৰম্ভণিৰে পৰা ভাৰতেই বহুসংখ্যক বান্দৰ বিদেশলৈ ৰপ্তানি কৰি আহিছে। ১৯৩০ চনত পোন প্ৰথম যুক্তৰাষ্ট্ৰলৈ বান্দৰ ৰপ্তানি কৰিবলৈ লোৱা হয়। তাৰো আগতে ১৯২৭ চনৰ পৰা ৰাছিয়ালৈও বান্দৰ ৰপ্তানি কৰা হয়। ১৯৪৯ ৫০ চনত ভাৰতৰ পৰা যুক্তৰাষ্ট্ৰ'ল বছৰি দুইলাখ বান্দৰ ৰপ্তানি কৰা হৈছিল। ১৯৬৫ৰ পৰা ১৯৭৪ চনলৈকে ভাৰতৰ পৰা কিমান বান্দৰ ৰপ্তানি কৰা হৈছে তাক তলত দেখুওৱা হ'ল।

ভাৰতৰ পৰা ৰপ্তানি কৰা বান্দৰৰ সংখ্যা

চন	মুঠ ৰপ্তানি	যুক্তৰাষ্ট্ৰলৈ ৰপ্তানি
১৯৬৫	৩৯ ২৬২	২৭ ১২১
১৯৬৬	৪২ ৯২২	২৬ ২৬৮
১৯৬৭	৪৬ ০৮৮	৩০ ৮৪৯
১৯৬৮	৪৭ ৪৬৫	৩০ ৩১৫
১৯৬৯	৪৯ ০২৮	২৯ ৭৩৪
১৯৭০	৩৯ ৫৪৬	২৬ ০৫৬
১৯৭১	৩৫ ২৭১	২১ ১৫২
১৯৭২	৩৯ ০৮৭	২১ ৩৩০
১৯৭৩	৩৯ ৯৮০	২৫ ৪১৩
১৯৭৪	৩৪ ১৫৮	২০ ৭৭৪

অৱশ্যে ১৯৭৫ চনৰ পৰা ৰপ্তানি কৰিব লগা বান্দৰৰ সংখ্যা বছৰি বিশহাজাৰলৈ নিৰ্দিষ্ট কৰি দিয়া হ'ল। যোৱা চাৰিটা দশকত মুঠ দুইনিযুতমান বান্দৰ ভাৰতৰ পৰা ৰপ্তানি কৰা হৈছে। বৰ্ত্তমান আমাৰ টকাৰ মূল্যত একোটা বান্দৰৰ দাম ১৮০০ টকাৰ পৰা ৫৬০০ টকা।

১৯৫৫ চনত যুক্তৰাষ্ট্ৰৰ চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত চুক্তি হৈছিল যে তেওঁলোকে ভাৰতৰ পৰা নিয়া বান্দৰ কেৱল চিকিৎসাৰ গবেষণাতহে ব্যৱহাৰ কৰিব পাৰিব। কিন্তু পাছত দেখা গ'ল যে তেওঁলোকে আন আন অধ্যয়নতো এই বান্দৰ ব্যৱহাৰ কৰিবলৈ লৈছে। আনকি বান্দৰৰ ওপৰত নিউট্ৰন বোমাৰ কেনে প্ৰভাৱ পৰিব—তাৰ ওপৰতো পৰীক্ষা চলাইছে। এনেবিলাক কাৰণতে ১৯৭৮ চনৰ ১ এপ্ৰিলৰ পৰা বান্দৰ ৰপ্তানি বন্ধ কৰি দিয়া হ'ল।

ভাৰতৰ পৰা বান্দৰ নোপোৱাত আমেৰিকাৰ জন্তু ব্যৱসায়ৰ ফাৰ্ম এখনে বাংলাদেশ চৰকাৰৰ লগত চুক্তি কৰিলে যে বাংলাদেশে যুক্তৰাষ্ট্ৰলৈ বান্দৰ ৰপ্তানি কৰিব। কিন্তু তাতো কেৰোণ ধৰিলে। আন্তৰ্জাতিক বান্দৰ সংৰক্ষণ সমিতিৰ ফালৰ পৰা বাংলাদেশক জনোৱা হ'ল যে আমেৰিকাই বান্দৰৰ সহায়ত মানুহৰ কামত অহা কোনো গবেষণা কৰা নাই বৰঞ্চ যুদ্ধৰ উন্নত অস্ত্ৰশস্ত্ৰ তৈয়াৰ কৰাৰ গবেষণাতহে সিবিলাকক ব্যৱহাৰ কৰা হৈছে। ফলত বাংলাদেশেও বান্দৰ ৰপ্তানি বন্ধ কৰি দিলে। সিফালে চুক্তি ভঙ্গ কৰাৰ অভিযোগ তুলি আমেৰিকাৰ ফাৰ্মখনে কৰ্টত গোচৰ তৰিলে। ভাগ্য ভাল যে আমেৰিকাৰ ক'টে ও ফাৰ্মখনৰ বিৰুদ্ধেহে ৰায় দিলে।

একোটা কস্তুৰী গ্ৰন্থিৰ মূল্য ছহাজাৰ টকা প্ৰাণীয়ে উৎপাদন কৰা সামগ্ৰী সমূহৰ ভিতৰত কস্তুৰীৰ মূল্যই সম্ভৱ আটাইতকৈ বেছি হ'ব। যুক্তৰাষ্ট্ৰ

বজাৰত এক আউন্স কস্তুৰীৰ মূল্য বৰ্ত্তমান আঠৈশ ডলাৰ। কস্তুৰীৰ মূল্য বৃদ্ধি মানেই কস্তুৰী পহুৰ জীৱনৰ মূল্য হ্রাস পোৱা। হৰিণাৰ মূণ্ডহেই শত্রু হোৱাৰ দৰে কস্তুৰী পহুৰ দেহত থকা গ্ৰন্থি টোৱেই কাল হৈ পৰিছে। মাইকেল গ্ৰীণ নামৰ এগৰাকী প্ৰকৃতিবিদে পাঁচ বছৰ কাল হিমালয়ৰ পশ্চিম অঞ্চলত কস্তুৰী হৰিণ অধ্যয়ন কৰি যি এখন ছবি আমাৰ আগত দাঙি ধৰিছে—সি সচাঁকৈয়ে দুখলগা। তেওঁৰ মতে কৃত্ৰিম ৰাসায়নিক প্ৰক্ৰিয়াৰে কস্তুৰী তৈয়াৰ কৰি বজাৰত মেলি দিব নোৱাৰিলে কস্তুৰী পহুৰ গোটেই প্ৰজাতিটোৱেই হয়তো অদূৰ ভৱিষ্যতত নিঃশেষ হৈ পৰিব। বৰ্ত্তমান বছৰি গড় হিচাবত ৩৭২ কিলোগ্ৰাম মান কস্তুৰী বিক্ৰী হয়। ইয়াৰ ২৭২ কিলোগ্ৰাম মান কেৱল জাপানেই কিনে। আমেৰিকান ডলাৰৰ হিচাবত জাপানে কিনা কস্তুৰীৰ মূল্য ৪৪ নিযুত ডলাৰ। ইয়াৰে বেছিভাগ কস্তুৰীয়েই বনাঞ্চলত থকা কস্তুৰী পহু বধ কৰি সংগ্ৰহ কৰা হয়। তাতোকৈও দুখৰ কথা এয়ে যে মতা মাইকী বাচ বিচাৰ নকৰাকৈ সকলো কস্তুৰী পহুকে এফালৰ পৰা বধ কৰি থোৱা হয়। অথচ কস্তুৰী গ্ৰন্থি কেৱল মতাবোৰৰ দেহতহে থাকে। আমাৰ টকাৰ হিচাবত একোটা কস্তুৰী গ্ৰন্থিৰ মূল্য বিদেশত প্ৰায় ছহাজাৰ টকা।

ভালুকৰ শত্ৰু তাৰ পিত্তস্থলীটো দক্ষিণ কোৰিয়াৰ লোকসকলৰ বিশ্বাস যে ভালুকৰ গলব্লাডাৰ অৰ্থাৎ পিত্তস্থলীটো খালে পেটৰ অসুখ জ্বলা পোৱা আদি ভাল কৰে তেজ পৰিষ্কাৰ কৰে। জাপানৰ লোকসকলেও ভালুকৰ গলব্লাডাৰ খালে যকৃত পাকস্থলী আৰু খাদ্যনলীৰ অসুখ ভাল কৰে বুলি ভাবে। কোৰিয়া আৰু জাপানৰ লোকসকলৰ এনে বিশ্বাসৰ কাৰণেই বছৰি বহুতো ভালুকে জীৱন দান দিব লগাত পৰে। একালত হিমালয়ৰ পৰা কোৰিযা আৰু জাপানলৈকে বিস্তৃত হৈ থকা হিমালয়ৰ কলা ভালুকজাত বৰ্ত্তমান দুষ্প্ৰাপ্য প্ৰাণীৰ তালিকাতে সোমাইছে। একোটা ভালুকৰ মূল্য যুক্তৰাষ্ট্ৰৰ ডলাৰৰ হিচাবত ৫৭০০০ ডলাৰ হৈছেগৈ। পিত্তস্থলীটো শুকুৱাই থলে ইয়াৰ ওজন জাত ভেদে ৫০ৰ পৰা ১২০ গ্ৰাম মান হয়। এই পিত্তস্থলীটোৰ কাৰণেই বছৰি ৩৭০০০ মান কলা ভালুক বধ কৰা হয়। ১৯৭৯ৰ পৰা ১৯৮৪ চনৰ ভিতৰৰ এই কালছোৱাত আমাৰ ভাৰতেই ৫২৪ কিলোগ্ৰাম পিত্তস্থলী জাপানলৈ ৰপ্তানি কৰিছিল।

গড় আৰু গড়ৰ খড়্গৰ মূল্যও দিনক দিনে বাঢ়ি গৈ আছে। বৰ্ত্তমান একোটা গড়ৰ মূল্য ভাৰতৰ ভিতৰত দুইলাখ টকা আৰু ভাৰতৰ বাহিৰত চাৰিলাখ টকা। আন্তৰ্জাতিক বজাৰত এক কিলোগ্ৰাম গড়ৰ খড়্গৰ মূল্যও চাৰিলাখ টকা। ১৯৮৩ চনত দক্ষিণ কোৰিয়াই ইন্দোনেচিয়াৰ পৰা ৩০০ কিলোগ্ৰাম গড়ৰ খড়্গ আমদানি কৰিছিল আৰু তাৰ মূল্য আছিল ১৬১২০৯ ডলাৰ। সেই একে বছৰতে টাইৱানে দক্ষিণ আফ্ৰিকাৰ পৰা ১১৭ কিলোগ্ৰাম গড়ৰ খড়্গ আমদানি কৰিছিল আৰু ইয়াৰ মূল্য আছিল ৮১,০৪৯ ডলাৰ।

হাতী দাঁতৰ মূল্যও কম নহয় : ফণি বুতাম আৰু পুতলা আদি নানা

ধৰণৰ সামগ্ৰী হাতী দাঁতৰ পৰা তৈয়াৰ কৰা হয় আৰু সেই কাৰণেই হাতী দাঁতৰ মূল্যও দিনক দিনে বৃদ্ধি পাই আহিছে। পেৰিছৰ প্ৰাকৃতিক মিউজিয়ামৰ ডাইৰেক্টৰ জিন দৰ্ষ্টৰ মতে ১৮৬০ চনৰ পৰা কেৱল বৃটেইনেই বহু দিন ধৰি বছৰি ৫ ৫০ ০০০ টন হাতী দাঁত আমদানি কৰিছিল। ১৮৮০ চন মানত ইউৰোপীয় ব্যৱসায়ী গোষ্ঠীক হাতী দাঁত যোগান ধৰিবৰ কাৰণেই এচিয়া আৰু আফ্ৰিকাত বছৰি ৬০ৰ পৰা ৭০ হাজাৰ মান দতাল হাতী বধ কৰা হৈছিল।

দক্ষিণ ভাৰতত লাজ কী বান্দৰৰ ওপৰতো ব্যৱসায় চলে। তাত ঠায়ে ঠায়ে লাজ কীবান্দৰ জীয়াই জীয়াই বিক্ৰী কৰা হয়। ইয়াৰ গুৰিতেই হ'ল সিহঁতৰ চকু কেইটা। তাৰ কোনো কোনো লোকে বিশ্বাস কৰে যে সিহঁতৰ তাবিজত চকু কেইটা ভৰাই ল'লে কাৰোবাক প্ৰেমত পেলোৱাটো হেনো সহজ হৈ পৰে। তামিলনাদৰ ঠায়ে ঠায়ে লাজ কী বান্দৰৰ চকু মানুহৰ চকুৰ বেমাৰতো ঔষধ হিচাবে ব্যৱহাৰ কৰা হয়।



চিত্ৰ নং—৫০

[লাজকুৰীয়া স্বভাৱৰ কাৰণেই এজাত বান্দৰক লাজ কী বান্দৰ বোলা হয়। ইহঁত হাবিৰ মাজত এনেকৈ লুকাই থাকে যে সতকাই দেখা পোৱা টান। ইহঁতৰ চকু কেইটাৰ ঔষধীয় গুণ আছে বুলি এক অন্ধবিশ্বাস যুগ যুগ ধৰি চলি আহিছে। সেইকাৰণেই এই আপুৰুগীয়া প্ৰাণীজাতক জধে মধে হত্যা কৰা হয়। মানুহৰ অত্যাচাৰৰ কাৰণেই ইহঁতৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰিছে।]

মাঘ ফাগুণ মাহত অসমৰ বহুতো নগৰত কিছুমান পক্ষী ব্যৱসায়ীয়ে নানা ধৰণৰ চৰাই সজাত ভৰাই বিক্ৰী কৰি ফুৰা দেখা যায়। তেওঁলোকে এই চৰাইবোৰ হিমালয়ৰ নামনি অঞ্চলৰ বিভিন্ন ঠাইৰ পৰা ধৰি আনে। ইয়াৰ ভিতৰত কেইবিধমান দুষ্প্ৰাপ্য চৰায়ো আছে। ভাৰতৰ ভিতৰত বিক্ৰী হোৱাৰ উপৰিও বছৰি কেইবালাখো চৰাই বিদেশলৈও ৰপ্তানি কৰা হয়। পক্ষী সংৰক্ষণৰ এক সূত্ৰৰ পৰা জানিব পৰা হৈছে যে ভাৰতৰ এজন পক্ষীব্যৱসায়ীয়েই হেনো ৬টা বছৰৰ ভিতৰত বিভিন্ন জাতৰ ৪৩০ ০০০ টা বনৰীয়া চৰাই উৰাজাহাজেৰে আন দেশলৈ পঠাইছিল। চৰাই ভৰোৱা বাকচ সমূহ পাতল কাঠেৰে তৈয়াৰ কৰা হৈছিল আৰু একোটা সৰু বাকচতে ডেৰশৰ পৰা দুশমান চৰাই ভৰোৱা হৈছিল। উৰাজাহাজৰ ভাৰা কমাবলৈকে হেনো চৰাইবোৰ বাকচৰ ভিতৰত পান জপাদি জপা হৈছিল। চৰাইবোৰ যুক্তৰাষ্ট্ৰ জাপান ইউৰোপ আদি দেশৰ পক্ষী ব্যৱসায়ী সকললৈ পঠোৱা হৈছিল।

কিছু দিনৰ আগতে মহাৰাষ্ট্ৰৰ বন বিভাগে বাঘৰ হাড়ৰ চোৰাং ব্যৱসায়ীৰ দল

এটাও ধৰা পেলাইছে। তেওঁলোকে হেনো এই হাড়বোৰ চীন আৰু প্ৰাচ্যৰ আন আন দেশলৈ চালান দিয়ে। বাঘৰ হাড়ৰ ঔষধীয় গুণ থাকে বুলি এই দেশ সমূহৰ লোকে বিশ্বাস কৰে। সেইকাৰণেই প্ৰতি কিলোগ্ৰাম বাঘৰ হাড়ত ১৫০০ মানকৈ টকা দি কিনি লয়।

বেঙৰ ঠেঙবো মূল্য আছে বেঙৰ মঙহাল ঠেং কেইখনো বৰ্ত্তমান ব্যৱসায়ৰ সামগ্ৰী হৈ পৰিছে। পশ্চিমৰ দেশ সমূহত বেঙৰ ঠেং তেওঁলোকৰ খাদ্যৰ তালিকাত সোমাই পৰিছে। আনহাতে এই ঠেংসমূহ ৰপ্তানি হয় ঘাইকৈ ভাৰত আৰু বাংলাদেশৰ পৰা। এই ৰপ্তানিৰ মাত্ৰা দিনক দিনে বৃদ্ধি পাই আহিছে। কেৱল ১৯৮৪ চনৰ বছৰটোতে ভাৰতে ৪১১১১০০ পাউণ্ড আৰু বাংলা দেশে ৩০১১৪৫৫ পাউণ্ড বেঙৰ ঠেং যুক্তৰাষ্ট্ৰ আৰু ইউৰোপলৈ ৰপ্তানি কৰিছিল। প্ৰকৃতিবিদ সকলৰ মতে ইমান ব্যাপক হাৰত বেং মাৰিবলৈ হলে ইয়াৰ শেষ পৰিণতি বৰ ভয়ঙ্কৰ হব। কাৰণে এই বেং সমহেই বহুতো অপকাৰী পোক পতংগ খাই আমাক সকলো সময়তে সহায় কৰে।

অৱশ্যে সুখৰ কথা এয়ে যে ভাৰতে ইতিমধ্যে বেং ৰপ্তানি কৰাটো নিষিদ্ধ কৰিছে। কিন্তু লগে লগে আন এবিধ ব্যৱসায় ঠন ধৰি উঠিছে। এই ব্যৱসায় হল—শামুকৰ। ১৯৮৭ চনৰ অক্টোবৰ মাহত পশ্চিম জাৰ্মেনীত অনুষ্ঠিত হোৱা অনুগা বাণিজ্যমেলাৰ পাছতে ভাৰতীয় শামুক ৰপ্তানি কৰিবলৈ লোৱা হয়। এই মেলাত ইউৰোপীয় সকলে হেনো ভাৰতৰ দ্বাৰা প্ৰদৰ্শন কৰা শামুকৰ মাংস খাই তৃপ্তি লাভ কৰে আৰু তাৰ ফলস্বৰূপেই তেওঁলোকে ভাৰতৰ পৰা শামুক আমদানি কৰিবলৈ লয়। ব্যৱসায়ী সকলো হেনো ইতিমধ্যে বহু হাজাৰ টন শামুকৰ মাংসৰ অৰ্ডাৰ লাভ কৰিছে।

খাদ্যৰ কাৰণেই হওক সৌন্দৰ্য্য বৰ্দ্ধনৰ কাৰণেই হওক বা আন কাৰণতে হওক বন্যপ্ৰাণীৰ ব্যৱসায় গোটেই পৃথিৱীতে বৰ্ত্তমান এক লাভজনক ব্যৱসায় হৈ পৰিছে। ইয়াৰ বলি হৈছে লাখ লাখ নিৰীহ বন্যপ্ৰাণী। ইয়াৰ ভিতৰত আপুৰুগীয়া লুপ্ত হব খোজা প্ৰজাতিও দুই চাৰিটা আছে। বন্যপ্ৰাণীৰ জীৱনৰ লগত আমাৰ জীৱনো যে সাঙোৰ খাই আছে বন্যপ্ৰাণীয়ে যে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি আছে বন্যপ্ৰাণী সমূহৰ মাজতেই যে মানুহৰ অতীত বুৰঞ্জীও সোমাই আছে আৰু বন্য প্ৰাণীৰ অবিহনে যে আমি থকা গোটেই গ্ৰহটোৱেই একালত মৰুভূমিত পৰিণত হব—এই সকলো কথা মানুহে আজি পাহৰি পেলাইছে। সুখ স্বাচ্ছন্দ্য ভোগ বিলাসীতা আৰু ব্যক্তিবাদী চিন্তাৰ মায়াজালে মানুহক এনেকৈ আবৰিবলৈ লৈছে যে বন্যপ্ৰাণী সমূহৰতো কথাই নাই, মানুহে মানুহক বধ কৰাটোও এক সাধাৰণ কথা হৈ পৰিছে। এনে এটা দিন নিশ্চয় আহিব—যেতিয়া মানুহে বন্যপ্ৰাণীৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিব। কিন্তু প্ৰশ্ন হল—ভবিষ্যতৰ সেইদিনবোৰত বন্যপ্ৰাণী থাকিব নে নাথাকে ?

দেশে দেশে প্ৰাণী পূজা

এবাৰ এগৰাকী প্ৰকৃতিবিদে অকণমান ৰগৰ তুলিবলৈকে কৈছিল যে আমি প্ৰায় সকলোৱেই জন্তু পূজা কৰো। আমাৰ মাজৰে কোনোবাজনে হয়তো শৰ পহু আৰু কোনোবাজনে নিগণি পূজা কৰো। আমাৰ কোনোৱে গৰু কোনোৱে হাতীক ভোট দিয়ে আৰু আন কিছুমানে হয়তো গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ প্ৰতীক গাধটোকে ভোট দিয়ে। আমি কিছুমানে যুদ্ধলৈ যাওঁ সিংহটোৰ কাৰণে আৰু কিছুমানে যাওঁ ঈগলটোৰ কাৰণে। মুঠতে কিবা নহয় কিবা প্ৰকাৰে আমি জন্তুৰ শৰণ লবই লাগে। কিছু বছৰৰ আগতে জাপানত হেনো বিভিন্ন জন্তুৰ নামত সজা মঠ মন্দিৰৰ সংখ্যা ইমান বাঢ়িছিল যে চৰকাৰেই বিপদত পৰিছিল। সেয়ে ১৯২৭ চনত জাপান চৰকাৰে হাজাৰ হাজাৰ এনে মন্দিৰ ভাঙি দিবলৈ নিৰ্দেশ দিব লগাত পৰিছিল। সেই মন্দিৰবিলাকৰ কোনোটোত শিয়াল কোনোটোত সাপ বা কোনোটোত অন্য কিবা এজাত জন্তুৰ প্ৰতিমূৰ্তিকে হয়তো পূজা কৰা হৈছিল।

দেৱ দেৱীৰ বাহন আনলৈ নগৈ দুৰ্গা পূজাৰ প্ৰতিমাখনলৈকে যদি এপাক চকু ফুৰাই চাওঁ—কি দেখো? দুৰ্গাৰ বাহন সিংহ কাৰ্ত্তিকৰ বাহন ময়ূৰা লক্ষ্মীৰ বাহন ফেঁচা সৰস্বতীৰ বাহন ৰাজহাঁহ গণেশৰ বাহন এন্দুৰ আৰু অসুৰৰ



চিত্ৰ নং—৫৪

[এন্দুৰ এবিধ অনিষ্টকাৰী প্ৰাণী। যথেষ্ট পৰিমাণৰ খাদ্য শস্য এন্দুৰে খায়েই শেষ কৰে। এন্দুৰে মাটিৰ তলত গাঁত খান্দি বাস কৰে। ইহঁত ঘাইকৈ নিশাচৰ। কিন্তু এই অনিষ্টকাৰী প্ৰাণীজাতকো ভাৰতৰ বহুত ঠাইত পূজা কৰা হয়। গণেশৰ বাহন কাৰণেই বহুতো লোকে এন্দুৰ নামাৰে।]

বাহন মহ। গতিকে দেৱ দেৱীসকলক পূজা কৰাৰ লগে লগে তেওঁলোকৰ বাহন সমূহেও নিশ্চয় পূজাৰ এক অংশ পায়। ঠিক তেনেকৈ বিশ্বকৰ্মাৰ বাহন হাতী আৰু শিৱৰ বাহন ষাঁড়-গৰু। দেৱ দেৱীৰ বাহন হোৱাৰ কাৰণেই আমাৰ প্ৰায় সকলোৱেই এই প্ৰাণীসমূহক শ্ৰদ্ধা কৰে আৰু ঠায়ে ঠায়ে ইহঁতক পূজাও কৰে।

যি কোনো পৰিস্থিতিতে এই প্ৰাণীসমূহৰ অহিত চিন্তা কৰা বা অপকাৰ কৰাটো পাপ বুলি গণ্য কৰা হয়।

গণেশৰ বাহন হোৱাৰ কাৰণেই ভাৰতৰ বহুতো ঠাইত এন্দুৰ পূজা কৰা হয়। পশ্চিম ভাৰতত দেচনক নামেৰে এটা মন্দিৰ আছে। তাত এন্দুৰক পোহপাল দিয়া হয় আৰু পূজাও কৰা হয়। তাত হেনো এন্দুৰক খুৱাবলৈকে দিনে ডেৰকুইন্টল মান খাদ্যৰ যোগান ধৰিব লাগে। আমাৰ বহুতো ব্যৱসায়ীয়েও দোকানত যিমানেই এন্দুৰ নহওক কিয় মাৰিবলৈ নিদিয়ে। এন্দুৰ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে তেওঁলোকে এন্দুৰৰ গৰাকী গণেশকহে পূজা কৰে।

ম'ৰা চৰাইৰ মুৰখালে ৰজা হয় ম'ৰা চৰাই আমাৰ ৰাষ্ট্ৰীয় চৰাই। আন আন চৰাইৰ তুলনাত ইয়াৰ আসন এখোপ ওপৰত। কাৰ্ত্তিক যুদ্ধৰ দেৱতা আৰু ম'ৰা তেওঁৰে বাহন। সেই দিনৰ পৰাও ম'ৰাৰ এক স্বকীয়া মৰ্য্যদা আছে। এনে শ্ৰদ্ধাৰ চিনস্বৰূপেই সম্ভৱ মৌৰ্য্য আৰু গুপ্তসকলে তেওঁলোকৰ মুদ্ৰাত ম'ৰা চৰাইৰ চাব মৰোৱাইছিল। জাত আৰু অহিৰ সকলে এতিয়াও তেওঁলোকৰ গাঁৱত বা আশে পাশে ম'ৰা মাৰিবলৈ নিদিয়ে। আগৰ দিনত কিছুমান ৰাজপৰিয়ালতো ম'ৰা চৰাই লৈ কিছুমান বিশ্বাস আছিল। যেনে যিয়েই ম'ৰা চৰাইৰ মূৰ খাব তেওঁৱেই ৰজা হ'ব আৰু যিয়েই ম'ৰা চৰাইৰ মাংস খাব—তেওঁৱেই গোটেই জীৱন ডেকা বা গাভৰু হৈ থাকিব।

জৈন সকলেও ম'ৰা চৰাইক বৰ সন্মান কৰে। মেল্দিকেন্ট আৰু ভাৰ্বলিচ নামৰ দুবিধ জনজাতীয় লোকে ম'ৰাৰ পাখি পিতলৰ পাত্ৰ এটাত গুজি তাৰ চাৰিওফালে নৃত্য প্ৰদৰ্শন কৰে। তেওঁলোকৰ ঘৰে ঘৰে থকা হিৰিয়া নামৰ দেৱতাৰ মূৰ্ত্তিটো ম'ৰা চৰাইৰ পাখিৰে মেৰিয়াই থয়। কান্ধ” নামৰ উপজাতিটোৰ লোক সকলে আকৌ ম'ৰা চৰাইক পৃথিৱীৰ প্ৰতীক ৰূপেই জ্ঞান কৰে। ভিল বিলাকক এবাৰ হেনো যেতিয়া এবিধ ভূতে পাই সকলোকে বেমাৰী কৰি পেলাইছিল তেতিয়া তেওঁলোকে তেওঁলোকৰ বেজ বাঙাক সেই বেমাৰ ভাল কৰি দিবলৈ খাটনি ধৰিছিল। পাছে বাঙায়ো হেনো সেই বেমাৰ ভাল কৰিব নোৱাৰিলে। তেতিয়া তেওঁলোকে এজন বাজীকৰৰ কাষ চাপিল। বাজীকৰে হেনো ম'ৰাৰ পাখিৰে জাৰি জাৰিয়েই বেমাৰীবিলাকক ভাল কৰিলে। তেতিয়াৰ পৰাই হেনো ভিল বিলাকে ম'ৰা চৰাইক পূজা কৰিবলৈ ললে। এতিয়াও কোনো কোনো বাদ কৰে ঘাঁ ভাল কৰিবলৈ ঘাঁ টুকুৰাৰ চাৰিওপিনে ম'ৰা চৰাইৰ পাখি বান্ধি থয়। হিন্দুসকলেও ম'ৰা চৰাইক পবিত্ৰ জ্ঞান কৰে। সেই কাৰণে সত্ৰৰ বাহিৰে আন মানুহে ম'ৰা পুহিব নাপায় বুলিও কোৱা হয়। ভগবান কৃষ্ণয়ো ম'ৰাৰ পাখিহে মূৰত গুজি লৈছিল। ম'ৰা চৰাইক ভক্তি কৰাৰ সিও এক কাৰণ হ'ব পাৰে।

হাতীয়ে গা লৰালে ভূমিকম্প হয়। গৰুড় পক্ষী বিষ্ণুৰ বাহন। ই আধা মানুহ আৰু আধা চৰাই। অৱশ্যে এনে পক্ষীৰ স্থিতি বিজ্ঞানীসকলে গ্ৰহণ

নকৰে। আনহাতে বিষ্ণুৰ দহোটা অৱতাৰৰ কথাও আমি নজনা নহয়। প্ৰথম অৱতাৰ হ'ল মৎস্য অৰ্থাৎ মাছ। কূৰ্ম মানে কাছ। বৰাহৰ অৰ্থ গাহৰি। হিন্দু বিশ্বাস মতে আমাৰ পৃথিৱীখনো হেনো চাৰিটা হাতীয়েহে দাঙি ধৰি আছে। হাতীকেইটা উঠি আছে কাছৰ পিঠিত। সেয়ে হাতীযে গা জোকাৰিলেই ভূমিকম্প হয় বুলি কোৱা হয়। সিংহ শক্তিৰ প্ৰতীক। কাৰণ মহিষ মৰ্দ্দিনী মহাপৰাক্ৰমী



চিত্ৰ নং—৫৫

[চৰাইৰ ভিতৰত ময়ূৰ বা মৰাচৰায়েই আটাইতকৈ ধুনীয়া। ইহঁতৰ কেৱল মতাবোৰৰহে ফুটফুটীয়া দীঘল নেজ পাখি থাকে। সেই কাৰণে মতাবোৰেহে কেৱল ছালি ধৰিব পাৰে। গছৰ গুটিয়েই ইহঁতৰ খাদ্য। এই চৰাইজাতৰ সংখ্যা দিনক দিনে কমি আহিছে। ময়ূৰ বা আমাৰ ৰাষ্ট্ৰীয় চৰাই। ভাৰতত অতীজৰে পৰা ম'ৰা চৰাইক শ্ৰদ্ধা কৰি অহা হৈছে।]

দুৰ্গাদেৱী ইয়াৰ ওপৰতে উঠি ঘূৰি ফুৰে। সেই কাৰণেই সম্ভৱ মঠ মন্দিৰ সত্ৰ সভা আদিত সিংহৰ প্ৰতিম মূৰ্তি ৰখা হয়। সিংহৰ মূৰ্ত্তি খোদিত কৰি তৈয়াৰ কৰা আসনখনকে সিংহাসন বোলা হয়। সৰস্বতীৰ বাহন কাৰণেই বহুতে ৰাজহাঁহ নামাৰে আৰু নাখাযো। সেইদৰে লক্ষ্মীৰ বাহন কাৰণেই কোনো লোকেইফে চা মাৰিবলৈ সাহস নকৰে। হিন্দুসকলৰ চৰাইৰ প্ৰতি থকা শ্ৰদ্ধা আজিৰ নহয়। ব্যাধে চাকৈ চকোৱা হালৰ এটাক মাৰোতে বাল্মিকীৰ চকু চলচলীয়া হৈ পৰিছিল। আৰু তাতেই আৰম্ভ হৈছিল ৰামায়ণৰ দৰে মহাকাব্য।

ব্ৰহ্মদেশ থাইলেণ্ড ফিলিপাইনচ আনকি ভাৰততো চাকৈ চকোৱা চৰাই হালক প্ৰেমপ্ৰীতিৰ প্ৰতীক ৰূপেই গণ্য কৰা হয়। ৰাজপুত সকলে নীলকণ্ঠ চৰাইকো বৰ পবিত্ৰ বুলি ভাবে। তেওঁলোকে দহেৰা উৎসৱত (আমাৰ দুৰ্গা পূজা) নীলকণ্ঠক পূজা কৰে। সেইদিনা নীলকণ্ঠ চৰাই দেখা পোৱাটোও হেনো তেওঁলোকৰ কাৰণে পৰম ভাগ্য। পাৰ কপৌ আদিক শান্তিৰ প্ৰতীক আৰু হুদ শগুণ আদিক অমঙ্গলৰ প্ৰতীক ৰূপে আমাৰ বহুতে গণ্য কৰে। খৃষ্টিয়ান সকলৰ মতে কপৌ হল পবিত্ৰতাৰ ভেৰা হল যীশু খৃষ্টৰ আৰু সাপ হল ভূত প্ৰেতৰ প্ৰতীক।

ৰামভক্ত হনুমান বিভিন্ন জাতৰ বান্দৰকো মানুহে কম সন্মান নকৰে? অন্ধ্ৰপ্ৰদেশৰ তিৰুপতি তিৰুমালা মন্দিৰত বছৰৰ সকলো সময়তে লাখ লাখ তীৰ্থযাত্ৰীৰ সমাগম হয়। মন্দিৰৰ চৌপাশে থকা হাজাৰ হাজাৰ বান্দৰে এই তীৰ্থযাত্ৰী সকলক যথেষ্ট আমনিও কৰে। কোনোটোৱে চোচা মাৰে আৰু কোনোটোৱে গালৈকে জপিয়ায়। দুই এটাই আকৌ খোৱা বস্তু ঢকা হুকা দিয়েই খায়। কোনোটোৱে আকৌ গামোছা চশমা টুপী আদিকে খাপ মাৰি লৈ যায়। তথাপিও তীৰ্থযাত্ৰী সকলে ইহঁতৰ একো অপকাৰ নকৰে। হনুমানৰ বংশধৰ বুলিয়েই ইহঁত মাৰি যায়। আনহাতে ভক্তসকলেহে বান্দৰলৈ বুলি কল বুট নাৰিকল আদি লৈ যায়। অসমৰ দেৱগাওঁ কামাখ্যা আদিকে লৈ ভাৰতবৰ্ষত বহুতো মঠ মন্দিৰ আছে য'ত জাক জাক বান্দৰে নিৰ্ভয়ে আৰু সুখে স্বচ্ছন্দে জীৱন নিৰ্বাহ কৰিব পাৰে। অ'ত ত ত দুই এটা অন্যজাতৰ বান্দৰ মাৰিলেও হনুমান সাধাৰণতে কোনেও নামাৰে। কাৰণ হনুমান হ'ল ৰামৰ ভক্ত। হনুমানৰ প্ৰতি থকা মানুহৰ ভক্তিৰ চিনস্বৰূপেই ভাৰতৰ বহুতো ঠাইত হনুমান মন্দিৰ গঢ়ি উঠিছে।

হাতীক গণেশৰ বংশধৰ বুলি কোৱা হয়। আচৰিত কথা যে শিৱালিক পৰ্বতৰ খনন কাৰ্য্যত গণেশৰ দৰে দীঘল শুঁড় থকা এজাত প্ৰাণীৰ জীৱাশ্ম পোৱা হৈছে আৰু জীৱাশ্মবিদ সকলে এই প্ৰাণীজাতক হাতীৰ পূৰ্ব পুৰুষ বুলি ঠাৱৰ কৰিছে। সেই জীৱাশ্মটোৰ নামো থোৱা হৈছে স্টেগাদন গণেশ'। যদি সেয়ে হয় আমাৰ ধৰ্মীয় ধাৰণাটোত ভুল একো নাই। গণেশ তথা হাতীৰ প্ৰতি মানুহৰ শ্ৰদ্ধা অসীম।

ভাৰতবৰ্ষৰ বহুতো মন্দিৰত এতিয়াও হাতী পোহা হয়। মন্দিৰৰ দেৱ দেৱতাৰ মূৰ্ত্তি ভক্ত সকলে শোভাযাত্রা কৰি কোনবা ফুৰাবলৈ নিলে হাতীয়েও তেনে শোভা যাত্রাত অংশ গ্ৰহণ কৰে। ইন্দ্ৰৰ বাহন ঐৰাৱত। সেই কালৰ পৰাও হাতীৰ এক সংকীৰ্ণ মৰ্য্যদা আছে।

মহাদেৱৰ বাহন ষাড় গৰু গৰুৰ লগত হিন্দু সকলৰ সম্পৰ্ক তিনিধৰণৰ। প্ৰথম কথা- গো মানেই ব্ৰাহ্মণ। গতিকে গো পূজা মানেই ব্ৰাহ্মণ পূজা। দ্বিতীয়তে মহাদেৱৰ বাহন হল ষাড় গৰু। তৃতীয়তে এই গৰু বিলাকৰে ৰখীয়া আছিল ভগৱান শ্ৰীকৃষ্ণ। এইবিলাক কাৰণতে গো পূজা ভাৰতবৰ্ষত যুগ যুগ ধৰি চলি আহিছে। গৰুৰ প্ৰতিমূৰ্ত্তি বিভিন্ন মঠ মন্দিৰত স্থাপন কৰা হৈছে। হিন্দু মাত্ৰেই গৰুক পবিত্ৰ প্ৰাণী হিচাবে জ্ঞান কৰে। পঞ্চগব্যৰ অৰ্থ হল—গৰুৰ এৰা গাখীৰ দৈগাখীৰ মাখন গৰুৰ মূত আৰু গোবৰ। কোনো কোনো ঠাইত হিন্দু সকলে নিতৌ গো পূজা কৰে। আমাৰ সংবিধানতো গৰুৰ ৰক্ষণাবেক্ষণৰ কথা কোৱা হৈছে। ভাৰতবৰ্ষত এতিয়াও প্ৰায় তিনি হাজাৰ মান সংগঠন আছে যি গৰুৰ ৰক্ষণাবেক্ষণৰ ওপৰত সকলো সময়তে চকু ৰাখে।

নাগ পঞ্চমীৰ দিনা বহুতো হিন্দু তিৰোতাই সাপৰ মূৰ্ত্তিৰ মূৰত গাখীৰ ঢালে। উদ্দেশ্য হল—নাগ দেৱতাক সন্তুষ্ট কৰা। নাগদেৱতা সন্তুষ্ট হলেই তেওঁলোক সৰ্প দংশনৰ পৰা ৰক্ষা পৰে। এতিয়াও বহুতো জনজাতীয় লোকে নিয়মিত ভাবে সাপ পূজা কৰে। আমি ফেটী সাপক পূজা কৰাদি নাইজেৰিয়াৰ কিছু মান জনজাতীয় লোকে হেনো অজগৰহে পূজা কৰে। আমাৰ মতে সাপৰ ৰজা ফেটী আৰু তেওঁলোকৰ মতে অজগৰ। তেওঁলোকৰ প্ৰতিজন পুৰুষ হিহেই হেনো একোটা অজগৰ পোহাৰ নিয়ম। যদি পৰি কাৰোবাৰ ঘৰত অজগৰ সোমালে সেইটো মঙ্গলৰ চিন বুলিহে ধৰা হয়।

মেকুৰী বধৰ শাস্তি অলপতে যুক্তৰাষ্ট্ৰৰ মিচিগান বিশ্ববিদ্যালয়ৰ কেইগৰাকীমান বিজ্ঞানীয়ে ইজিপ্তত মাটিৰ তলত পোৱা প্ৰাণী এটা অধ্যয়ন কৰিছিল। খৃঃ পূঃ এহেজাৰ বছৰৰ আগতে থোৱা ৰাণী মেকাৰিৰ কফিনটোৰ লগতে এই প্ৰাণীটো আছিল। তাৰ লোকসকলে ইমানদিনে বিশ্বাস কৰি আহিছিল যে ৰাণীৰ লগতে ৰাণীৰ কেচুৱা এটাহে কফিনটোত আছিল। কিন্তু বিজ্ঞানীসকলে এতিয়া অধ্যয়ন কৰি প্ৰমাণ কৰিলে যে সেইটো আচলতে হেমাদ্ৰিয়াচ নামৰ এটা বেবুনহে ৰাণীৰ কেচুৱা নহয়। বিভিন্ন তথ্যপাতিৰ পৰা এতিয়া জানিব পৰা হৈছে যে ৰাণীয়ে বেবুনটোক হেনো অত্যন্ত মৰম কৰিছিল আৰু সেই কাৰণেই তাক ৰাণীৰ লগত কফিনটোত থোৱা হৈছিল। সেই একে সূত্ৰৰ পৰাই আৰু জানিব পৰা হৈছে যে সেইসময়ত হেনো মেকুৰী ঘৰিয়াল, হিংহ পাপটেমাচ শেন ভোমোৰা আৰু হেমাদ্ৰিয়াচ নামৰ বেবুনজাতক তাৰ ৰাজপৰিয়ালে বৰ শ্ৰদ্ধা আৰু সন্মান কৰিছিল আৰু সিহঁতৰ ভৰণ পোষণৰ দায়িত্বও বহন কৰিছিল। ৰাজ্যত কোনোবাই এইবিলাক

প্ৰাণীৰ অপকাৰ কৰিলে তেওঁলোকক কঠোৰ শাস্তি দিয়া হৈছিল। এবাৰ ৰোমৰ সৈন্য এজনে হেনো শিলগুটি দলিয়াই মেকুৰী এটা মাৰিছিল পাছে মেকুৰী ভক্ত ৰাইজেও তাৰ পোতক তুলিলে। তেওঁলোকেও শিলগুটি দলিয়াই সৈন্যজনক মাৰি পেলালে। আমাৰ দক্ষিণ ভাৰততো মেকুৰী একোটাক ব্ৰাহ্মণ এজনৰ লগতহে তুলনা কৰা হয়। তেওঁলোকে মেকুৰীবধক ব্ৰাহ্মণ বধ হেন জ্ঞান কৰে। আমাৰ মানুহেও আন প্ৰাণী মৰাদি মেকুৰী সহজে নামাৰে। কাৰণ মেকুৰী মাৰিলে সোণৰ মেকুৰী দান দিব লাগে বুলি বিশ্বাস এটা মুখে মুখে চলি আহিছে।



চিত্ৰ নং—৫৬

[মেকুৰীক ঢেকিয়াপতীয়াৰ মাহীয়েক বুলি কোৱা হয়। কাৰণ দেখাত ঢেকিয়াপতীয়াৰ লগত অনেক মিল আছে। কুকুৰৰ দৰেই মেকুৰীও পোহনীয়া জন্তু। অৰণ্যে বনৰীয়া মেকুৰীও আছে। মেকুৰী ঘাইকৈ মাংসহাৰী জন্তু যদিও পোহনীয়া মেকুৰীয়ে আন খাদ্যও খায়। দক্ষিণ ভাৰতত মেকুৰীক ব্ৰাহ্মণৰ লগতহে তুলনা কৰা হয়। আমাৰ ইয়াতো আন প্ৰাণী মৰাদি মেকুৰী নামাৰে।]

গ্ৰীক বুৰঞ্জীবিদ হিৰোডটাছে পঞ্চম শতিকাত ইজিপ্ত ভ্ৰমণ কৰি আহি এনেদৰে লেখি থৈ গৈছে 'যদি তাত মেকুৰী এটাৰ স্বাভাৱিক ভাৱেও মৃত্যু হয় তেন্তে সেই মেকুৰী পোহা পৰিয়ালটোৰ সকলোৱেই চকুৰ চেলাউৰিখিনি খুৰাই পেলায় আৰু পৰিয়ালৰ লোক এজন ঢুকুৱাৰ দৰেই শোকাকুল হৈ পৰে। মেকুৰী বা আন সন্মানিত প্ৰাণী ঢুকালে মানুহৰ দৰেই সিহঁতৰ কবৰ দিয়া হয়। কেতিয়াবা গৃহস্থৰ ওচৰতে আৰু কেতিয়াবা এনে প্ৰাণীৰ কাৰণে আচুতীয়াকৈ থোৱা কবৰ স্থানতে ইহঁতৰ সৎকাৰ কৰা হয়।

বহুজন্মৰ পাছতহে মনুষ্যজীৱন ইজিপ্তবাসীৰ মতে প্ৰতিটো প্ৰাণীয়েই একো একোজন দেৱতাক প্ৰতিনিধিত্ব কৰে। গতিকে মৃত্যুৰ পাছত প্ৰাণীবিলাকে নিজে নিজে দেৱতাৰ লগত মিলি যায়। মেকুৰীৰ দেৱতা হ'ল বাণ্ট পেন আৰু নিগনিৰ দেৱতা হুট' আৰু হেমাদ্ৰিয়াচ বেবুনৰ দেৱতা থথ। ইজিপ্তবাসী সকলৰ এনে ধাৰণা কেতিয়াৰ পৰা হ'ল—সঠিককৈ কোৱা টান। কিন্তু ইজিপ্তৰ সভ্যতাৰ

আৰম্ভণিৰ পৰাই যে এই ধাৰণা সমূহ প্ৰচলিত হৈ আহিছে—ই ধুৰূপ। তেওঁ-লোকে কেতিয়াবা আকৌ কিছুমান ডাঙৰ প্ৰাণীক সৰু দেৱতাৰ লগত আৰু সৰু প্ৰাণীক ডাঙৰ দেৱতাৰ লগত সাঙোৰা দেখা যায়। উদাহৰণ স্বৰূপে স্বয়ং ভগৱান অৰ্থাৎ সৃষ্টিকৰ্ত্তাক সাঙোৰা হৈছে ভোমোৰাৰ লগত আৰু আনহাতে ভেকুলীক সাঙোৰা হৈছে হেকেট নামৰ সাধাৰণ দেৱী এগৰাকীৰ লগত। তেওঁলোকে বিশ্বাস কৰে যে মানুহ মৰিলে তেওঁৰ আত্মাটো প্ৰাণীৰ দেহত সোমায়গৈ। বহুতো প্ৰাণীৰ ৰূপ ধৰাৰ পাছতহে সেই আত্মাটো পুনৰ মানুহত সোমায়হি। এনে ধৰণৰ বিশ্বাস আমাৰ সমাজতো আছে।

এপিচ নামৰ এজাত ষাড়-গৰুকো ইজিপ্তবাসী আৰু বিশেষকৈ তাৰ ৰাজ পৰিয়ালে বৰ শ্ৰদ্ধা আৰু সম্মান কৰিছিল। এই ষাড়জাতে হেনো টাহ নামৰ দেৱতাক প্ৰতিনিধিত্ব কৰে। এই ষাড় বিলাকৰ ভিতৰতো কেতিয়াবা এনে একোটা ষাড় পোৱা যায়—যাৰ কপালত ত্ৰিভূজৰ দৰে দাগ থাকে দেহৰ সোঁফালে কাঁচিজোনৰ আকৃতিৰে একোটা বগা দাগ থাকে পিঠিৰ ফালে এটা পাতল দাগ থাকে আৰু নেজডালত দুটা ৰঙৰ নোম থাকে। এনে ষাড় পালেই তেওঁলোকে তাক শ্ৰদ্ধাসহকাৰে পূজা কৰে আৰু তাৰ খোজ কাটল অঙ্গী ভঙ্গীৰ ওপৰত নিৰ্ভৰ কৰি ভৱিষ্যত জীৱনৰ ভাগ্য নিৰূপণ কৰে। প্ৰাচীন ইজিপ্তত ষাড় গৰুকে তেওঁলোকৰ আছিৰিছ দেৱতাৰ অৱতাৰ বুলিও ধৰা হৈছিল। তেওঁলোকে হেনো ছাগলী আৰু মেকুৰীকো পূজা কৰিছিল। আচিৰিয়া নামে আন এঠাইত ষাড় গৰুকে মানৱ জাতিৰ প্ৰথম স্ৰষ্টা ৰূপেও গণ্য কৰা হয়। অৱশ্যে দৈৱিক শক্তিৰ প্ৰতীক ৰূপে প্ৰত্যয় জন্মাবলৈ —সেই ষাড় গৰুৰ গাত ডেউকা থাকে বুলি কোৱা হয়।

প্ৰাণীয়ে জ্যোতিষীৰ কামো কৰে। ইজিপ্তত ষাড়ৰ হতুৱাই ভাগ্য পৰীক্ষা কৰাৰ দৰে শ্যাম দেশত বগা হাতীৰ হতুৱায়ো ভাগ্য পৰীক্ষা কৰোৱা হয়। ৰজাঘৰীয়া পুৰোহিতে বগা হাতী একোটাৰ খোজ কাটল অঙ্গী ভঙ্গী আদি চায়েই ৰজাৰ ভাল হ'ব নে বেয়া হ'ব—নিৰ্ণয় কৰে। তাৰ একোটা সাধাৰণ গোজৰণিতেই ৰজাই নিজৰ আইন-কানুনো সলাই পেলাবলৈ বাধ্য হয়। বৌদ্ধ ধৰ্মাৱলম্বী বিশেষকৈ থাইলেণ্ডৰ লোকসকলেও বগা হাতীক বৰ শ্ৰদ্ধা কৰে। এই শ্ৰদ্ধাৰ চিন স্বৰূপেই তেওঁলোকৰ ৰজায়ো হেনো বগা হাতীত উঠিবলৈ সাহস নকৰে। বগা হাতীক কেৱল ৰাজপ্ৰসাদত থুৱাই ৰখাই মানে সম্ভ্ৰমে ৰখা হয়। তাৰ আলপৈচানৰ কাৰণেই বহুতো লোকক নিয়োগ কৰা হয়। তেনে হাতীৰ মুৰত সোনৰ মুকুট আৰু আ অলংকাৰ পিন্ধাই দিয়া হয়। ৰজায়ো নিজৌ তেনে হাতীৰ লগত কিছু সময় কটায়। এই সকলোবোৰেই শ্ৰদ্ধাৰ নিদৰ্শন।

আমাৰ পোহনীয়া কুকুৰবিলাকক বহুতো লোকে অপবিত্ৰ চৰাই বুলিয়েই ভাবে। ইয়াৰ মূল কাৰণ হ'ল যে ই যিকোনো বস্তুকে খায়। আনহাতে দাক্ষিণাত্যৰ কাৰ্নিবচ নামৰ এজাত লোকৰ বিশ্বাস যে কুকুৰৰ গাত মৰা মানুহৰ ভূত সোমাই থাকে।

মহাভাৰততো এটি আখ্যান আছে যে এজন দৈত্যৰ তেজৰ পৰাহে হেনো কুকুৰাৰ সৃষ্টি হৈছিল। পাছে পাৰ্চীসকলে আকৌ কুকুৰাক পবিত্ৰ চৰাই হিচাবেহে গণ্য কৰে। তেওঁলোকৰ মতে কুকুৰাই দোকমোকালিতে ডাক দি ভূতপ্ৰেত বোৰ খেদাইহে দিয়ে। সেই কাৰণে তেওঁলোকে ডাক দিয়া কুকুৰা নাখায়। মতা কুকুৰা এটা মৰিলেও হেনো তেওঁলোকে ভাল কাপোৰ এখনেৰে মেৰিয়াই সংকাৰ কৰে।

কাউৰীৰ মাতবো তাৎপৰ্য্য আছে ৰোমান সকলে কুকুৰাৰ হতুৱাই ভাগ্য পৰীক্ষাও কৰোৱাইছিল। যুদ্ধত জিকিব নে হাৰিব—কুকুৰাৰ হতুৱাই পৰীক্ষা কৰোৱাই লৈছিল। পুৰোহিতে মাটিতে বৃত্তাকাৰে বস্তু এটা আঁকিছিল। বস্তুটোৰ ভিতৰফালে চাৰিওকাষে বেলেগ বেলেগ আখৰ লেখি দিছিল আৰু প্ৰতিটো আখৰৰ ওপৰত একোটাকৈ ঘেঁহু পেলাই থোৱা হৈছিল। কুকুৰাটোৱে কোন কেইটা ঘেঁহু খায় আৰু সেই ঘেঁহু কেইটাৰ তলত থকা আখৰবোৰ লগ লগালে কি শব্দ হয়—তাৰ ওপৰত নিৰ্ভৰ কৰি ফলাফল উলিওৱা হৈছিল। এবাৰ কিন্তু তাতো এক অঘটন ঘটিল। ক্লডিয়াচ নামৰ ৰোমৰ সৈন্য বাহিনীৰ এডমিৰেল এজনে যুদ্ধলৈ যাওঁতে জাহাজত কেইটামান কুকুৰা লৈ গৈছিল। উদ্দেশ্য আছিল—যাতে সমুদ্ৰৰ মাজত সিহঁতৰ পৰাই যুদ্ধৰ ফলাফলৰ বিষয়ে আগতীয়াকৈ জানিব পাৰে। কিন্তু সমুদ্ৰৰ মাজত বহুত দিন থকাৰ কাৰণে কুকুৰা কেইটাৰ ভাগৰ লাগি অৱশ হৈ পৰিল। গতিকে বস্তু আঁকি সিহঁতক যেতিয়া ঘেঁহু খাবলৈ দিয়া হ'ল—সিহঁতে মুখেই নাদাঙিলে। এই কথাত ক্ল'ডিয়াচৰ খং উঠিল আৰু আটাই কেইটা কুকুৰাকে সমুদ্ৰৰ মাজলৈ দ'লিয়াই দিলে। পাছে ক্ল'ডিয়াচে যেতিয়া যুদ্ধত পৰাজয় বৰণ কৰিব লগাত পৰিল তেতিয়া কুকুৰা কেইটাৰ প্ৰতি প্ৰশ্নাত তেওঁৰ মুখৰ দোঁ খাই পৰিল। তেওঁৰ ধাৰণা হ'ল যে যুদ্ধত হাৰিম বুলি জানিহে বোধহয় কুকুৰা কেইটাই খাব নোখোজাকৈ বৰবৰলৈ এৰিছিল। গ্ৰীক সকলে কাউৰীৰ হতুৱায়ো ভাগ্য পৰীক্ষা কৰোৱায়। আমাৰ সমাজতো দিনটোৰ বিভিন্ন সময়ত কাউৰীয়ে মতা মাতৰ ওপৰত নিৰ্ভৰ কৰি মঙ্গল চোৱাৰ বিধান আছে।

মাছৰ শৱ সংকাৰ মধ্য আমেৰিকাৰ মায়া নামৰ এক-জনগোষ্ঠীৰ লোকে বাদুলীক বৰ শ্ৰদ্ধা কৰে। তেওঁলোকৰ কোনোবা মৰিলে কবৰত তেওঁৰ মৃত শৰীৰৰ লগতে বাদুলী একোটাকো কবৰ দিয়া হয়। দক্ষিণ আমেৰিকাৰ পেৰুৰ বাসিন্দাসকলে লামা নামৰ প্ৰাণীজাতৰ প্ৰতিমূৰ্ত্তি তৈয়াৰ কৰি তাকেই হেনো পূজা কৰে। ঘানাৰ অধিবাসী সকলৰ কাৰণে তিমিমাছ বৰ পবিত্ৰ প্ৰাণী। তেওঁলোকৰ মতে তিমি মাছেহে তেওঁলোকক মাছৰ যোগান ধৰে। কেনেবাকৈ তিমি মাছ এটা মৰিলে তাক পাৰলৈ লৈ অনা হয় আৰু মৌন শোভাযাত্ৰা কৰি মৃতকৰ শৱ সংকাৰ কৰা হয়। এবাৰ হেনো এনে এটা শৱ সংকাৰ অনুষ্ঠানত তাৰ ৰাষ্ট্ৰপতি কোৱামি নক্ৰুমা আৰু মন্ত্ৰী সকলেও যোগদান কৰিছিল।

প্ৰশান্ত মহাসাগৰৰ নানুমাটল নামৰ দ্বীপটোৰ বাসিন্দা সকলে হেনো কাছক

পূজা কৰে। গ্ৰীচ দেশত কেঁচাক পাছত এখেনা আৰু পগৃপক চুবেন নামৰ দেৱীৰ প্ৰতীক ৰূপে গণ্য কৰা হয়। তেওঁলোকৰ বিশ্বাস অন সৰি ঈগলক জুপিটাৰৰ কেঁচাক এলেখেঁৰৰ ম'ৰা চৰাইক জুনৰ, কপৌক ভেনাচৰ কাউৰীক এপ লৰ শেনক অ'দিনৰ আৰু পাধক ভেষ্টা দেৱতাৰ প্ৰিয় প্ৰাণী বুলি ধৰা হয়।

চিত্ৰ নং—৫৭

[একোটা নীলা তিমিমাছ দীঘলে ৩৫ মিটাৰ আৰু ওজনত ১৫০ টন পৰ্য্যন্ত হ'ব পাৰে। তিমিমাছ প্ৰকৃততে স্তন্যপায়ী প্ৰাণী যদিও সাগৰত থাকে কাৰণে বহুতে মাছ বুলি ভাবে। ইহঁতৰ বহুতো অংগ প্ৰত্যংগ পানীত থকাৰ উপযোগীকৈ গঠিত। কেৱল শ্বাস প্ৰশ্বাস হাঁওফাঁওৰ সহায়ত লয় আৰু স্তন্যপায়ীৰ দৰে পোৱালী জগায়। ঘানাৰ অধিবাসীসকলৰ কাৰণে তিমিমাছ বৰ পবিত্ৰ প্ৰাণী। তেওঁলোকে মানুহৰ দৰেই তিমি মাছৰো শৱ সংস্কাৰ কৰে।]

বহুতো প্ৰাণীক বিভিন্ন গুণাগুণৰ প্ৰতীক হিচাবে যুগ যুগ ধৰি মানি অহা হৈছে। উদাহৰণ সমূহ এনেধৰণৰঃ সিংহ—সাহসৰ প্ৰতীক মৌ মাখি—শিল্প উদ্যোগৰ প্ৰতীক পখিলা—চঞ্চলতা আৰু চোখিনতাৰ প্ৰতীক ম ৰা চৰাই—অহংকাৰৰ প্ৰতীক ঘোঁৰা—বলশক্তিৰ প্ৰতীক গাধ—ব ব কৰ প্ৰতীক নিগণি—ক্ষুদ্ৰতাৰ প্ৰতীক গাহৰি—মুৰ্খামি আৰু আঁকোৰ গোজ মনোভাৱৰ প্ৰতীক পাৰ চৰাই—শান্তিৰ প্ৰতীক কপৌ—সততা আৰু শান্তিৰ প্ৰতীক আৰু পৰুৱা উঁই আদি উদ্যোগৰ প্ৰতীক।

গাগিনীৰ প্ৰাৰ্থনা : মুছলমান সকলে জিন নামেৰে এজন দেৱতাক বিশ্বাস কৰে। জিনৰ কু দৃষ্টি পৰিলে নানা ধৰণৰ অপায় অমঙ্গল হয় বুলি তেওঁলোকৰ বিশ্বাস। তেওঁলোকৰ মতে জিনো হেনো সৰীসৃপৰ ৰূপতে থাকে। গতিকে তেওঁলোকে পৰাপক্ষত সৰীসৃপৰ অপকাৰ নকৰে। পাকিস্তানত মুছলমান সকলে মগৰ বিলাককো পবিত্ৰ প্ৰাণী বুলিয়েই গণ্য কৰে। দুই একে মগৰ পুহি সিহঁতক খুওৱা বুওৱাবো দায়িত্ব লয়। মধ্য প্ৰাচ্যৰ মুছলমান সকলে গাগিনীকো সন্মানৰ চকুৰেই চায়। গাগিনীয়ে আগ ঠেং যোৰা কোচাই খোৱা মানে তেওঁলোকৰ মতে মক্কাৰ ফালে চাই প্ৰাৰ্থনা কৰা। আমাৰ ইয়াত মেকুৰী দেখা মানে অমঙ্গল, কিন্তু জাপানত মেকুৰী হ'ল সৌভাগ্যৰ প্ৰতীক। আমেৰিকান ইণ্ডিয়ান সকলবো এন্দুৰ কুকুৰ আৰু নিগনিক লৈ কিছুমান বিশ্বাস আছে।

দুই এক জনগোষ্ঠীৰ লোকে একো একোজাত প্ৰাণীক নিজ বংশ বা পৰিয়ালৰ আদিম পুৰুষৰূপেও গণ্য কৰে। উদাহৰণ স্বৰূপে তিব্বতৰ লোক সকলে বন মানুহক তেওঁলোকৰ আদি পুৰুষ বুলি ভাবে। তেওঁলোকৰ বিশ্বাস যে এটা মতা বনমানুহ আৰু এজনী ৰাক্ষসীৰ মিলনৰ পৰাই তেওঁলোকৰ বংশৰ উৎপত্তি হ'ল। এনে ধৰণৰ বিশ্বাস সমূহ প্ৰথমতে চিকাৰ যুগতেই মানুহৰ মনত সোমাইছিল যদিও পাছত কৃষি যুগলৈও সি বিস্তাৰিত হ'ল। তেনেধৰণৰ বিশ্বাসৰ ওপৰতে ভিত্তি কৰি কপৌ মাছ ভেৰা আদিক ইহুদী আৰু খৃষ্টিয়ান সকলে পবিত্ৰ প্ৰাণী ৰূপে গণ্য কৰা হ'ল। প্ৰাচীন ইজিপ্তৰ মঠ মন্দিৰবোৰৰ ওপৰত হুদপো চৰাইৰ মূৰ্ত্তি খোদিত কৰাৰ কাৰণো এনেবিলাকেই।

মাছৰ মনুষ্য ৰূপ : কিছুমান জনগোষ্ঠীৰ লোকে যিবিলাক প্ৰাণীক আহাৰ হিচাবে খাই বৰ্ত্তি থাকে সেইবিলাকক আকৌ পূজাও কৰে। প্ৰশ্ন হ'ল—পূজা কৰিবলগা প্ৰাণীসমূহক মাৰিবলৈ তেওঁলোকে ভয় নকৰেনে? ঠিকেই। কিন্তু তাৰ প্ৰতিকাৰৰ ব্যৱস্থাও তেওঁলোকৰ আছে। উত্তৰ আমেৰিকাৰ উত্তৰ পশ্চিমে থকা ৰেড ইণ্ডিয়ান বিলাকে চালমন নামৰ মাছজাত খায়েই জীয়াই থাকে। অথচ এই মাছজাতক তেওঁলোকে ভক্তিও ক'ৰে। তেওঁলোকৰ মতে এই মাছ জাত সমুদ্ৰৰ তলীত মানুহৰ ৰূপ লৈ থাকে আৰু মানুহৰ দৰেই কথা বতৰা পাতে। কিন্তু প্ৰতিটো মাছেই বছৰত এবাৰ মানুহক খাদ্যৰ যোগান দিবলৈকে সমুদ্ৰৰ ওপৰলৈ আহে। এয়া যেন তেওঁলোকৰ মানুহৰ কাৰণে কৰা ত্যাগহে। তাৰ লোক সকলৰ মতে মাছটো মৰাৰ পাছত তাৰ আত্মাটো সমুদ্ৰ তলীলৈ গৈ পুনৰ মানুহৰ ৰূপ ধাৰণ কৰে। সেই কাৰণে বছৰৰ প্ৰথমতে মৰা ছালমনটোক ভক্তিভাৱেৰেহে খোৱা হয়। মাছমৰীয়া সকলে এই মৃত মাছটোৰ আগত ফুল তেতেলি দি পূজা কৰে। তাৰ পাছতহে তাক কুটি বাচি ৰান্ধিবৰ'ল লোৱা হয়। খোৱাৰ পাছত মাছটোৰ সকলোখিনি হাড় পুনৰ সমুদ্ৰত পেলাই দিয়ে যাতে সমুদ্ৰতলীত আত্মাটোৱে সহজে মানুহৰ ৰূপ লব পাৰে।

মুঠতে পৃথিৱীৰ সকলো দেশৰ লোকেই কোনোবা নহয় কোনোবা এবিধ প্ৰাণীক পূজা কৰে আৰু নহ'লেও শ্ৰদ্ধা কৰে। প্ৰাণীৰ প্ৰতি যে মানুহৰ শ্ৰদ্ধা অসীম এয়েই তাৰ প্ৰমাণ।